GPH S6 - 02(M)
Exam Code : PHM6C

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন. ই.পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাষিক

সমসাময়িক ভাৰতীয় দৰ্শন

দৰ্শন



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক শিৱনাথ শর্মা(অৱসৱপ্রাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৱভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
প্রদীপ খাটনিয়াৰ (অৱসৱপ্রাপ্ত), সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড০ ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা য়োগাইছে	ভাষান্তৰকাৰী
১	ড° যুতিকা দেৱী	মানশ্রী চেতিয়া, দর্শন অধ্যয়ন কেন্দ্র, ডিব্রুগড় বিশ্ববিদ্যালয়
২	ড° প্রান্তিকা শর্মা মুর্কং চেলেক মহাবিদ্যালয়, জোনাই	মাইনু দেৱী বৰুৱা
৩	ড° প্রণিতা দেৱী (অৱসৱপ্রাপ্ত), বজালী কলেজ	ড° মানসী বৰা, এম্, এচ্, এচ্, ভি
৪	ড° তেজসা কলিতা	শ্যামলী হাজৰিকা
৫	ড° ভাস্কৰ ভট্টাচার্য্য,	মাইনু দেৱী বৰুৱা
৬	শ্যামলী হাজৰিকা	মাইনু দেৱী বৰুৱা
৭,৮	পল্লৱী শর্মা	মাইনু দেৱী বৰুৱা
৯	ড° নৱনীতা বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়	ড° মানসী বৰা, এম, এচ, এচ, ভি,
১০	ড° প্রণতি দেৱী, বি,বৰুৱা কলেজ	ড° বর্ণালী বৰা, নর্থ লক্ষীমপুৰ কলেজ
১১	ড° প্রণতি দেৱী, বি, বৰুৱা কলেজ	মাইনু দেৱী বৰুৱা
১২	ড° ভাস্কৰ ভট্টাচার্য্য	ড° ভাস্কৰ ভট্টাচার্য্য
১৩	ড° শকুন্তলা বৰা	মাইনু দেৱী বৰুৱা
১৪	ড° নৰ প্রসাদ নাথ, নগাওঁ কলেজ	মাইনু দেৱী বৰুৱা
১৫	ড° মৌচুমী ভট্টাচার্য্য, গুৱাহাটী বিশ্ববিদ্যালয়	ড° বর্ণালী বৰা, নর্থ লক্ষীমপুৰ কলেজ

সম্পাদনা ঃ বিষয়বস্তু সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, ড° তেজসা কলিতা
ভাষা সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মার্চ, ২০২৬

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২ Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

অধ্যায় **পৃষ্ঠা**

অধ্যায় ১ ঃ তিলকৰ গীতা সম্বন্ধীয় ব্যাখ্যা ৯-১৬

তিলকৰ ব্যাখ্যাত অধিবিদ্যা, পৰম সত্তাৰ সন্দৰ্ভত তিলকৰ মতামত, জীৱাত্ম, জগত, তিলকৰ ব্যাখ্যাত নীতিবিদ্যা, জ্ঞানযোগ নাইবা জ্ঞানমার্গ,কর্মযোগ নাইবা কর্মমার্গ, আৰু ভক্তিযোগ নাইবা ভক্তিমার্গ

অধ্যায় ২ ঃ ৰবীন্দ্রনাথ ঠাকুৰৰ মানৱতাবাদ ১৭-২৭

মানৱতাবাদ ঃ কি হয়, ঠাকুৰৰ মানৱতাবাদী মনোভাৱ, মনুষ্যত্ব আৰু প্রকৃতিৰ বান্ধোন,মনুষ্য জাতিৰ জৰিয়তে ঈশ্বৰ সেৱাৰ প্রতি আকাংক্ষা, ধর্মই হৈছে মনুষ্যত্বৰ ভেঁটি, প্রেম আৰু উৎসর্গা মনুষ্যত্বৰ এক অটুট অংগ, মানৱ সেৱা হৈছে মুক্তিৰ উৎস, আৰু মনুষ্যত্ব সমাজতকৈ মহান

অধ্যায় ৩ ঃ বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত ২৮-৩৯

বিবেকানন্দৰ দর্শনত থকা প্রভাৱসমূহ, বিবেকানন্দৰ দর্শনৰ প্রধান ধাৰণাসমূহ,বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত দর্শন, আৰু মুক্তি লাভৰ বাবে চাৰিবিধ যোগ

অধ্যায় ৪ ঃ গান্ধীঃ ধর্ম ৪০-৪৭

গান্ধীৰ বাবে ধর্ম কি? গান্ধীৰ ধর্মৰ ধাৰণাৰ বৈশিষ্ট্য সমূহ, ধর্মৰ পথ, জীৱিত ধর্মসমূহৰ প্রতি গান্ধীৰ মনোভাৱ, হিন্দু ধর্মৰ প্রতি গান্ধীৰ মনোভাৱ,আৰু সামৰণি।

অধ্যায় ৫ ঃ গান্ধীঃ অহিংসা ৪৮-৬০

ঈশ্বৰ অৰু সত্য, সত্যই ঈশ্বৰ,অহিংসা, অহিংসাৰ কৌশল- সত্যাগ্রহ, লক্ষ্য অৰু উপায়ৰ দর্শন।

অধ্যায় ৬ ঃ গান্ধীঃ ন্যাসবাদ ৬১-৬৯

সমাজৰ অর্থানতিক ভিত্তি, ন্যাসবাদ ঃ ই কি হয়, ন্যাসৰক্ষকৰ সংজ্ঞা, ন্যাসবাদৰ উৎস, ন্যাসবাদৰ প্রধান বৈশিষ্ট্যসমূহ, ন্যাসবাদ আৰু আধুনিক জগত।

অধ্যায় ৭ ঃ অৰবিন্দ ঃ উত্তম মন ৭০-৮০

অৰবিন্দৰ **উত্তম** ধাৰণা,অতিমনৰ ত্রিগুণাত্মক মর্য্যদা, আৰু
অতিমনৰ ত্রিগুণাত্মক ৰূপান্তৰ।

অধ্যায় ৮ ঃ অৰবিন্দ ঃ ক্রমবিকাশ বাদ ৮১-৯২

সৃষ্টি আৰু জগত প্রক্রিয়াৰ ধাৰণা,অজ্ঞানতাৰ স্বৰূপ আৰু প্রকাৰ,
ক্রমবিকাশৰ মতবাদ।

অধ্যায় ৯ ঃ কে, চি ভট্টাচার্য্যৰ দর্শনৰ ধাৰণা ৯৩-১০৩

দর্শনৰ ধাৰণা, চেতনাৰ স্তৰ, দর্শনৰ বিভাগ, বিষয় আৰু স্বাধীনতাৰ
উপলব্ধিকৰণ, শাৰীৰিক বিষয়নিষ্ঠতা, মনস্তাত্বিক বিষয়নিষ্ঠতা,
আধ্যাত্মিক বিষয়নিষ্ঠর্তা

অধ্যায় ১০ ঃ ৰাধাকৃষ্ণণৰ ব্রহ্ম ১০৪-১১৪

পৰম সত্তা শব্দৰ অর্থ, ৰাধাকৃষ্ণনৰ পৰমসত্তাৰ ধাৰণা, হেগেল
আৰু ৰাধাকৃষ্ণন, ব্রেড্‌লি আৰু ৰাধাকৃষ্ণন, ব'চাঙ্কে আৰু
ৰাধাকৃষ্ণন,ৰইচ আৰু ৰাধাকৃষ্ণন,শংকৰ আৰু ৰাধাকৃষ্ণন, ৰামানুজ
আৰু ৰাধাকৃষ্ণন

অধ্যায় ১১ ঃ ৰাধাকৃষ্ণণ ঃ বুদ্ধি আৰু প্রজ্ঞা ১১৫-১৩০

জনা বা জ্ঞানৰ বিভিন্ন উপায়সমূহ, বুদ্ধিৰ স্বৰূপ , ৰাধাকৃষ্ণণৰ বুদ্ধিৰ
সমালোচনাত্মক মূল্যায়ন, স্বজ্ঞা বা প্রজ্ঞাৰ স্বৰূপ ,স্বজ্ঞা বা প্রজ্ঞাৰ
বিভিন্ন অর্থ , ৰাধাকৃষ্ণণ আৰু অন্যান্য চিন্তাবিদসকল, বুদ্ধি আৰু প্রজ্ঞা

অধ্যায় ১২ ঃ বি, আৰ আম্বেদকাৰঃ নৱ্যবৌদ্ধ ধর্ম ১৩১-১৪৯

নব্য বৌদ্ধধর্ম ঃ এক স্বাভাৱিক চালিকা শক্তি, নব্য বৌদ্ধধর্ম ঃ
এক ধর্মীয় আন্দোলন , নব্য বৌদ্ধধর্ম ঃ দৰিদ্রসকলৰ কল্যাণৰ এক
অনুঘটক ,নব্য বৌদ্ধধর্ম ঃ গান্ধী বনাম আম্বেদকাৰ , নব্য বৌদ্ধধর্মৰ
নৈতিক শাস্ত্রাভিমতৰ আয়তন,নব্য বৌদ্ধধর্ম আৰু ইমিলি ডুৰ্খেইম,
নব্য বৌদ্ধ ধর্মৰ ওপৰত আম্বেদকাৰৰ সংকল্পসমূহ

অধ্যায় ১৩ ঃ জিদ্দু কৃষ্ণমূর্ত্তিঃ স্বতন্ত্রতাৰ ধাৰণা ১৫০-১৬০

স্বতন্ত্রতা, আত্মা আৰু আত্ম-জ্ঞান, আৰু শিক্ষা

অধ্যায় ১৪ ঃ দয়াকৃষ্ণৰ ভাৰতীয় দৰ্শন সম্পৰ্কে থকা তিনি ধাৰণা **১৬১-১৭৩**

পটভূমি,দয়াকৃষ্ণ,জীৱন চৰিত, দৰ্শন,সংশয়বাদ, ভাৰতীয় দৰ্শনৰ তিনি ধাৰণা,প'টাৰৰ মতামত, কে.চি. ভট্টাচাৰ্য্যৰ মতামত, দয়াকৃষ্ণৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা পৰ্য্যবেক্ষণ।

অধ্যায় ১৫ ঃ জে, এন, মহান্তি ঃ জ্ঞানবিজ্ঞানৰ ধাৰণা **১৭৪-১৮৯**

অৰবিন্দৰ **উত্তম** ধাৰণা,অতিমনৰ ত্রিগুণাত্মক মৰ্য্যদা, অতিমনৰ ত্রিগুণাত্মক ৰূপান্তৰ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্য বিষয়টিয়ে আপোনাক 'সমসাময়িক ভাৰতীয় দৰ্শন'ৰ লগত পৰিচয় কৰাই দিব।

প্ৰথম অধ্যায়টো হ'ল 'তিলকৰ গীতা সম্বন্ধীয় ব্যাখ্যা'। এই অধ্যয়ত সন্নিবিষ্ট বিষয় সমূহ হল ঃ তিলকৰ ব্যাখ্যাত অধিবিদ্যা, পৰম সত্তাৰ সন্দৰ্ভত তিলকৰ মতামত, জীৱাত্ম, জগত, তিলকৰ ব্যাখ্যাত নীতিবিদ্যা, জ্ঞানযোগ নাইবা জ্ঞানমাৰ্গ, কৰ্মযোগ নাইবা কৰ্মমাৰ্গ, আৰু ভক্তিযোগ নাইবা ভক্তিমাৰ্গ

দ্বিতীয় অধ্যায়টো হ'ল **'ৰবীন্দ্ৰনাথ ঠাকুৰৰ মানৱতাবাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- মানৱতাবাদ ঃ কি হয়, ঠাকুৰৰ মানৱতাবাদী মনোভাৱ, মনুষ্যত্ব আৰু প্ৰকৃতিৰ বান্ধোন,মনুষ্য জাতিৰ জৰিয়তে ঈশ্বৰ সেৱাৰ প্ৰতি আকাংক্ষা, ধৰ্মই হৈছে মনুষ্যত্বৰ ভেঁটি, প্ৰেম আৰু উৎসৰ্গা মনুষ্যত্বৰ এক অটুট অংগ, মানৱ সেৱা হৈছে মুক্তিৰ উৎস, আৰু মনুষ্যত্ব সমাজতকৈ মহান

তৃতীয় অধ্যায়টো হ'লঃ **'বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত '।এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- বিবেকানন্দৰ দৰ্শনত থকা প্ৰভাৱসমূহ, বিবেকানন্দৰ দৰ্শনৰ প্ৰধান ধাৰণাসমূহ, বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত দৰ্শন, আৰু মুক্তি লাভৰ বাবে চাৰিবিধ যোগ

চতুৰ্থ **অধ্যায়টো** হ'ল **'গান্ধীঃ ধৰ্ম' । এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- গান্ধীৰ বাবে ধৰ্ম কি? গান্ধীৰ ধৰ্মৰ ধাৰণাৰ বৈশিষ্ট্য সমূহ, ধৰ্মৰ পথ, জীৱিত ধৰ্মসমূহৰ প্ৰতি গান্ধীৰ মনোভাৱ, হিন্দু ধৰ্মৰ প্ৰতি গান্ধীৰ মনোভাৱ,আৰু সামৰণি।

পঞ্চম অধ্যায়টো হ'ল **'গান্ধীঃ অহিংসা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**- ঈশ্বৰ অৰু সত্য, সত্যই ঈশ্বৰ,অহিংসা, অহিংসাৰ কৌশল- সত্যাগ্ৰহ, আৰু লক্ষ্য অৰু উপায়ৰ দৰ্শন।

ষষ্ঠ অধ্যায়টো হ'ল **'গান্ধীঃ ন্যাসবাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**-- সমাজৰ অৰ্থানতিক ভিত্তি, ন্যাসবাদ ঃ ই কি হয়, ন্যাসৰক্ষকৰ সংজ্ঞা, ন্যাসবাদৰ উৎস, ন্যাসবাদৰ প্ৰধান বৈশিষ্ট্যসমূহ, আৰু ন্যাসবাদ আৰু আধুনিক জগত।

সপ্তম অধ্যায়টো হ'ল **'অৰবিন্দ ঃ উত্তম মন'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**--অৰবিন্দৰ **উত্তম** ধাৰণা,অতিমনৰ ত্ৰিগুণাত্মক মৰ্য্যদা, আৰু অতিমনৰ ত্ৰিগুণাত্মক ৰূপান্তৰ।

অষ্টম অধ্যায়টো হ'ল **'অৰবিন্দ ঃ ক্ৰমবিকাশ বাদ'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**--সৃষ্টি আৰু জগত প্ৰক্ৰিয়াৰ ধাৰণা,অজ্ঞানতাৰ স্বৰূপ আৰু প্ৰকাৰ, আৰু ক্ৰমবিকাশৰ মতবাদ।

নৱম অধ্যায়টো হ'ল 'কে,চি ভট্টাচাৰ্য্যৰ দৰ্শনৰ ধাৰণা'। এই অধ্যয়ত সন্নিবিষ্ট বিষয় সমূহ হল ঃ দৰ্শনৰ ধাৰণা, চেতনাৰ স্তৰ, দৰ্শনৰ বিভাগ, বিষয় আৰু স্বাধীনতাৰ উপলব্ধিকৰণ, শাৰীৰিক বিষয়নিষ্ঠতা, মনস্তাত্বিক বিষয়নিষ্ঠতা, আৰু আধ্যাত্মিক বিষয়নিষ্ঠতা

দশম অধ্যায়টো হ'ল **'ৰাধাকৃষ্ণৰ ব্ৰহ্ম'**। **এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** পৰম সত্তা শব্দৰ অৰ্থ, ৰাধাকৃষ্ণনৰ পৰমসত্তাৰ ধাৰণা, হেগেল আৰু ৰাধাকৃষ্ণন, ব্ৰেড্‌লি আৰু ৰাধাকৃষ্ণন, ব'চাঙ্কে আৰু ৰাধাকৃষ্ণন,ৰইচ আৰু ৰাধাকৃষ্ণন,শংকৰ আৰু ৰাধাকৃষ্ণন, আৰু ৰামানুজ আৰু ৰাধাকৃষ্ণন

একাদশ অধ্যায়টো হ'লঃ **'ৰাধাকৃষ্ণণঃ বুদ্ধি আৰু প্ৰজ্ঞা '। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** জনা বা জ্ঞানৰ বিভিন্ন উপায়সমূহ, বুদ্ধিৰ স্বৰূপ , ৰাধাকৃষ্ণণৰ বুদ্ধিৰ সমালোচনাত্মক মূল্যায়ন, স্বজ্ঞা বা প্ৰজ্ঞাৰ স্বৰূপ ,স্বজ্ঞা বা প্ৰজ্ঞাৰ বিভিন্ন অৰ্থ , ৰাধাকৃষ্ণণ আৰু অন্যান্য চিন্তাবিদসকল, আৰু বুদ্ধি আৰু প্ৰজ্ঞা

দ্বাদশ **অধ্যায়টো** হ'ল **'বি, আৰ আম্বেদকাৰঃ নব্যবৌদ্ধ ধৰ্ম' । এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** নব্য বৌদ্ধধৰ্ম ঃ এক স্বাভাৱিক চালিকা শক্তি, নব্য বৌদ্ধধৰ্ম ঃ এক ধৰ্মীয় আন্দোলন , নব্য বৌদ্ধধৰ্ম ঃ দৰিদ্ৰসকলৰ কল্যাণৰ এক অনুঘটক , নব্য বৌদ্ধধৰ্ম ঃ গান্ধী বনাম আম্বেদকাৰ , নব্য বৌদ্ধধৰ্মৰ নৈতিক শাস্ত্ৰাভিমতৰ আয়তন,নব্য বৌদ্ধধৰ্ম আৰু ইমিলি ডুৰ্‌খেইম, আৰু নব্য বৌদ্ধ ধৰ্মৰ ওপৰত আম্বেদকাৰৰ সংকল্পসমূহ

ত্ৰয়োদশ অধ্যায়টো হ'ল **'জিদ্দু কৃষ্ণমূৰ্ত্তিঃ স্বতন্ত্ৰতা ধাৰণা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল-** স্বতন্ত্ৰতা, আত্মা আৰু আত্ম-জ্ঞান, আৰু শিক্ষা

চতুৰ্দ্দশ অধ্যায়টো হ'ল **'দয়াকৃষ্ণৰ ভাৰতীয় দৰ্শন সম্পৰ্কে থকা তিনি ধাৰণা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**--পটভূমি,দয়াকৃষ্ণ,জীৱন চৰিত, দৰ্শন,সংশয়বাদ, ভাৰতীয় দৰ্শনৰ তিনি ধাৰণা,প'টাৰৰ মতামত,কে.চি. ভট্টাচাৰ্য্যৰ মতামত, আৰু দয়াকৃষ্ণৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা পৰ্য্যবেক্ষণ।

পঞ্চাদশ অধ্যায়টো হ'ল **'জে,এন, মহান্তি ঃ জ্ঞানবিজ্ঞানৰ ধাৰণা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয় সমূহ হ'ল**--অৰবিন্দৰ **উত্তম** ধাৰণা,অতিমনৰ ত্ৰিগুণাত্মক মৰ্য্যদা, আৰু অতিমনৰ ত্ৰিগুণাত্মক ৰূপান্তৰ।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্ৰগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্ৰগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্ৰশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ তিলকৰ 'গীতা'ৰ ব্যাখ্য

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ তিলকৰ ব্যাখ্যাত অধিবিদ্যা

১.৩.১ পৰম সত্তাৰ সন্দর্ভত তিলকৰ মতামত

১.৩.২ জীৱাত্মা

১.৩.৩ জগত

১.৪ তিলকৰ ব্যাখ্যাত নীতিবিদ্যা

১.৪.১ জ্ঞানযোগ নাইবা জ্ঞানমার্গ

১.৪.২ কর্মযোগ নাইবা কর্মমার্গ

১.৪.৩ ভক্তিযোগ নাইবা ভক্তিমার্গ

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তিলকৰ বিশ্লেষণ অনুসৰি 'গীতা'ৰ দর্শনৰ ব্যাখ্যা কৰিব পাৰিব
- ব্রহ্ম, আত্মা, জগত আদিৰ বিষয়ে তিলকে আগবঢ়োৱা বিশ্লেষণৰ ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ যোগৰ বিষয়ে তিলকে আগবঢ়োৱা বিশ্লেষণ অনুসৰি 'গীতা'ৰ নীতিবিদ্যাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

লোকমান্য বাল গংগাধৰ তিলকে ১৮৫৬ চনৰ ২৩ জুলাই তাৰিখে মহাৰাষ্ট্রৰ ৰত্নগিৰি চহৰৰ সদ'বা গ'ৰৰ গৃহত জন্মলাভ কৰিছিল। তেওঁৰ প্রকৃত নাম 'কেশৱ' আছিল যদিও সকলোৱে মৰমতে তেওঁ 'বাল' (শিশু) বুলিয়ে মাতিছিল। কর্মজীৱনত তেওঁ দুবাৰকৈ বম্বে বিধান পৰিষদলৈ নির্বাচিত হৈছিল। আনহাতে বৃটিছ বিৰোধী কেইবাটাও

প্ৰৱন্ধ প্ৰকাশৰ অপৰাধত তেওঁক ছবছৰৰ কঠোৰ কাৰাদণ্ড বিহা হৈছিল। কিন্তু এই অপৰাধত মাণ্ডালয় কাৰাবাসত থকাৰ কালছোৱাতে তিলকে স্বতন্ত্ৰতা আৰু প্ৰকৃত মানৱ কৰ্মৰ সমৰ্থনত দুটা খণ্ডত তেওঁৰ প্ৰখ্যাত গ্ৰন্থ 'গীতা ৰহস্য' ৰচনা কৰে। তিলকৰ ব্যাখ্যাত 'গীতা'ৰ আদৰ্শই ৰাজনৈতিক আৰু সামাজিক জীৱনৰ প্ৰেক্ষাপটত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। খুউব সম্ভৱত, তিলকৰ ভাষ্য অৰ্থাৎ 'গীতা ৰহস্য'তে পোন প্ৰথমবাৰৰ বাবে 'গীতা'ৰ শিক্ষাক নৈতিকতা আৰু উপযোগিতাৰ দৃষ্টিভংগীৰে বিশ্লেষণ কৰা হৈছে। অন্যকথাত ক'বলৈ গ'লে গীতাৰ সন্ন্যাসবাদৰ উৰ্দ্ধত কৰ্মযোগক প্ৰতিষ্ঠা কৰা হৈছে।

১.৩ তিলকৰ ব্যাখ্যাত 'গীতা' ৰ অধিবিদ্যা

যিহেতু অধিবিদ্যা হৈছে সত্তাৰ অধ্যয়ন, সেয়েহে 'গীতা'ৰ অধিবিদ্যাইও সত্তাৰ আলোচনাকে সামৰি লয়। 'গীতা'ত কৃষ্ণই হৈছে পৰম সত্তা। সেয়েহে কৃষ্ণৰ স্বৰূপৰ অধ্যয়নে 'গীতা'ৰ অধিবিদ্যাত মূখ্য স্থান লাভ কৰিছে। তিলকে তেওঁৰ গীতাৰ ব্যাখ্যাত অধিবিদ্যাৰ ক্ষেত্ৰত পৰম সত্তা, জীৱাত্মা আৰু জগতৰ ধাৰণাৰ বৰ্ণনা আগবঢ়াইছে। তিলকৰ ব্যাখ্যা অনুসৰি গীতাৰ অধিবিদ্যাৰ ধাৰণাসমূহ আমি চমুকৈ তলত দিয়াৰ ধৰণেৰে আলোচনা কৰিব পাৰোঃ-

১.৩.১ পৰম সত্তাৰ সন্দৰ্ভত তিলকৰ মত

অদ্বৈতবাদী শংকৰাচাৰ্য্যৰ অনুসৰনেৰে তিলকে 'গীতা'ত উল্লেখিত পৰম সত্তাৰ স্বৰূপৰ বৰ্ণনা এনেদৰে আগবঢ়াইছে — "এজন ব্যক্তিয়ে প্ৰত্যক্ষগোচৰ জগতখনৰ পৰ্যবেক্ষন যিমানেই নকৰক কিয়, তেওঁ এই সিদ্ধান্ততেই উপনীত হয় যে চাক্ষুস প্ৰত্যক্ষৰ কেতবোৰ ক্ষমতা থকা স্বত্বেও, ই (পৰম সত্তা) ইন্দ্ৰিয় অভিজ্ঞতা ব্যতিৰেকী এক পৃথক সত্তা।" তদুপৰি কেৱল কল্পনা নাইবা অনুমানৰ জড়িয়তে ইন্দ্ৰিয়তাত পৰম সত্তাৰ বিষয়ে সিদ্ধান্ত নিঃসৃত কৰিব বিচৰা অনুচিত। সেয়েহে তিলকৰ মতে শ্ৰুতি অৰ্থাৎ শব্দ প্ৰমাণেই হৈছে পৰম সত্তাক বোধগম্য কৰাৰ একমাত্ৰ বৈধ উৎস। 'গীতা'ত উল্লেখ কৰা অনুসৰি পৰম সত্তা হৈছে নিয়ত আৰু অদ্বৈত, যি আত্মা, পৰমাত্মা, পুৰুষোত্তম, পৰম পুৰুষ আৰু পৰাব্ৰহ্মৰূপে অভিহিত। তিলকে তেওঁৰ 'গীতা ৰহস্য'ত পৰম সত্তা অৰ্থাৎ ব্ৰহ্মৰ দুটা দিশৰ বৰ্ণনা আগবঢ়াইছে, সেয়া হৈছে ব্ৰহ্মৰ ব্যক্ত আৰু অব্যক্ত ৰূপ। আনহাতে অব্যক্ত ব্ৰহ্মবো আকৌ দুটা ৰূপ আছে সগুন আৰু নিৰ্গুন। তিলকৰ মতে 'গীতা'ই কেৱল জগতৰ সৃষ্টিকৰ্তা পৰমেশ্বৰৰ বৰ্ণনা আগবঢ়াইছে। কিন্তু ব্ৰহ্মৰ এই ব্যক্ত ৰূপ পৰম সত্তাৰ ভ্ৰমাত্মক প্ৰকাশ হোৱা হেতু পৰম কাম্যবস্তু নহয়। ব্ৰহ্মৰ অব্যক্ত ৰূপেই হৈছে মূখ্য ৰূপ। ভ্ৰম সৃষ্টিকাৰী শক্তি 'মায়া'ৰ ফলতেই অব্যক্ত পৰম সত্তা ব্যক্ত ৰূপলৈ পৰিৱৰ্তিত হয়।

অদ্বৈত পৰমব্ৰহ্মৰ স্বৰূপ বোধগম্য কৰিবৰ বাবে তিলকে এক বিশেষ পদ্ধতিত গুৰুত্ব আৰোপ কৰিছে। এই পদ্ধতি হৈছে প্ৰথম অৱস্থাত পৰম সত্তাৰ ওপৰত গুন আৰোপ কৰি যোৱা আৰু তাৰ পিছত তাক নুই কৰি যোৱা। ব্ৰহ্মজ্ঞান প্ৰয়াসীজনৰ সহায় হোৱাকৈ প্ৰথম অৱস্থাত নিৰ্গুন ব্ৰহ্মত সৃষ্টি, পালন, ধ্বংস আদি গুণ আৰোপ কৰাৰ পিছত এইসমূহ নুই কৰি যোৱা হয়। এই পদ্ধতিৰ জড়িয়তে ব্ৰহ্মৰ সকলোবোৰ আকস্মিক নাইবা গৌন গুণ অস্বীকাৰ কৰি সৎ, চিৎ আৰু আনন্দক অনিবাৰ্য লক্ষনৰূপে স্বীকাৰ কৰা হয়। তদুপৰি তিলকৰ মতানুসৰি ব্ৰহ্মৰ বিভিন্ন ৰূপৰ বৰ্ণনা কেৱল প্ৰতীকাত্মক আৰু উপাসনাৰ উদ্দেশ্য প্ৰণোদিত। অৱশ্যে নিৰ্গুন ব্ৰহ্ম উপলব্ধিৰ পূৰ্বস্বীকাৰ্য

হৈছে সগুন ব্ৰহ্মৰ স্বৰূপৰ বোধ। ক্ৰমান্বয়ে এটাৰ পিছত আনটোকৈ ব্ৰহ্মত আৰোপিত গুণসমূহৰ অস্বীকাৰৰ জড়িয়তে নিৰ্গুন ব্ৰহ্মৰ উপলব্ধি সম্ভৱপৰ হয়।

'গীতা'ত ব্ৰহ্মৰ স্বৰূপৰ বৰ্ণনাৰ ক্ষেত্ৰত দূৰত্ব, নৈকট্য, অস্তিত্ব, অনস্তিত্ব ইত্যাদি শব্দৰ ব্যৱহাৰ পৰিলক্ষিত হয়। এই শব্দসমূহ আত্মাবিৰোধী হোৱা হেতু একে সময়তে একে সত্তাত প্ৰয়োজ্য নহয়। কিন্তু এই আত্মবিৰোধীতাৰ প্ৰসংগই অভিজ্ঞতাৰ জগতখনত সমস্যাৰ সৃষ্টি কৰিলেও পৰম সত্তাৰ ক্ষেত্ৰত ই অৰ্থহীন। যিহেতু ব্ৰহ্ম হৈছে সৰ্ব্বব্যাপী, সনাতন আৰু স্বতন্ত্ৰ সত্তা। সেয়েহে অদ্বৈত ব্ৰহ্মৰ বৰ্ণনাৰ ক্ষেত্ৰত পৰস্পৰ বিৰোধী শব্দৰ ব্যৱহাৰ যুগুত।

১.৩.২ জীৱাত্মা

'গীতা'ত জীৱাত্মাসমূহক ঈশ্বৰৰ অংশৰূপে বিবেচনা কৰা হৈছে। আত্মাৰূপে ঈশ্বৰ সকলো জীৱতে বিৰাজমান। দেহবন্ধনৰ মাজত আৱদ্ধ জীৱাত্মাই দেহ নাইবা জড়ৰ বন্ধনৰ পৰা মুক্তিলাভ কৰি পৰমাত্মাৰূপে স্থিত হয়। অৱশ্যে জীৱাত্মা আৰু পৰমাত্মাৰ ভেদৰ ক্ষেত্ৰত ব্যৱহৃত 'অংশ' শব্দই মূলৰ পৰা বিচ্ছিন্ন এক স্বতন্ত্ৰ অংশক বুজোৱা নাই। প্ৰকৃততে জীৱাত্মা হৈছে পৰমাত্মাৰ অবিচ্ছেদ্য অংশ, যি অজ্ঞানতাবশত পৃথকৰূপে দৃষ্টিৰূপে দৃষ্টিগোচৰ হয়। ব্ৰহ্ম আৰু আত্মাৰ অভিন্নতা প্ৰমাণৰ বাবে তিলতে এনেদৰে যুক্তি প্ৰদৰ্শন কৰিছে — "ব্ৰহ্ম আৰু আত্মা অভিন্ন। যিদৰে আত্মাৰ ক্ৰিয়াৰ ফলশ্ৰুতিত মনে সৃষ্টি কৰি লোৱা বিভিন্ন জাগতিক বস্তুৰ মুদ্ৰনৰ সংশ্লেষণ, জাগতিক বস্তুসমূহৰ বৈচিত্ৰ্য নিশ্চিহ্ন কৰি ব্ৰহ্মই সৃষ্টি কৰা বস্তুসমূহৰ সংশ্লেষণৰ প্ৰতিৰূপ। যদি সেয়া নহয় তেন্তে সকলোবোৰ জ্ঞানেই ভিত্তিহীন আৰু উপযোগিতাহীন। দুটা ভিন্ন পৰ্য্যায়ত সংঘটিত হ'লেও এই দুই সংশ্লেষণ সম্পূৰ্ণভাৱে একেধৰণৰ। ইয়েই প্ৰতিষ্ঠা কৰে যে ব্ৰহ্ম আৰু আত্মাৰ ৰূপ একক আৰু অভিন্ন।" তিলকৰ মতে আত্মা আৰু পৰমাত্মাৰ এই অভিন্নতা কেৱল অনুভৱৰহে বিষয়, যাক 'গীতা'ত এনেদৰে বৰ্ণনা কৰা হৈছে — "সকলো সৃষ্ট জীৱই তেওঁৰ (ব্ৰহ্ম) অন্তৱৰ্তী আৰু তেওঁ (ব্ৰহ্মা) সকলো জীৱতে বিৰাজমান।"

১.৩.৩ জগত

তিলকৰ মতানুসৰি 'গীতা'ত কৃষ্ণৰ দুই প্ৰকাৰৰ স্বৰূপৰ উল্লেখ আছে। জগতৰ সৃষ্টিৰ সৈতে জড়িত এই দুই স্বৰূপৰ মাজত প্ৰকৃতি হৈছে নিম্নতম। এই প্ৰকৃতিয়ে হৈছে জগতৰ উপাদান কাৰণ। 'গীতা'ৰ মতে প্ৰকৃতি হৈছে আঠতৰপীয়া আৰু ই পঞ্চমহাভূত, মন, বুদ্ধি আৰু অহঙেৰে গঠিত। আনহাতে কৃষ্ণৰ উচ্চতম স্বৰূপ হৈছে আত্মা, যি শুদ্ধ চৈতন্যৰে গঠিত। এক সত্তাৰ এই উচ্চ আৰু নিম্ন স্বৰূপৰ পৰস্পৰৰ ক্ৰিয়া প্ৰতিক্ৰিয়াই হৈছে এই বহুত্বপূৰ্ণ জগতৰ অভিব্যক্তিৰ কাৰণ। ইয়াৰে যিকোনো এক প্ৰকাৰৰ স্বৰূপৰ অভাৱত সৃষ্টি কাৰ্য্য সম্ভৱপৰ নহয়। সেয়েহে, গীতাত উল্লেখ কৰা মতে প্ৰকৃতি হৈছে গৰ্ভস্থল য'ৰ পৰা জগতখনৰ উৎপত্তি হয়। এই প্ৰকৃতিৰ গৰ্ভতে কৃষ্ণই হিৰন্যগৰ্ভৰ জন্মৰ বীজ ৰোপন কৰে আৰু ইয়াৰ ফলস্বৰূপে সকলোবোৰ জীৱৰ উৎপত্তি হয়। ইয়েই নিশ্চিত কৰে যে সমগ্ৰ জগতেই হৈছে দৈৱিক প্ৰকাশে। পৰম সত্তা কৃষ্ণই হৈছে জগতৰ মূল বীজ, জগতৰ মূল আত্মা, হিৰন্যগৰ্ভ। কৃষ্ণ হৈছে পিতৃস্বৰূপ, যি অনাত্মা প্ৰকৃতিৰ গৰ্ভত জীৱনৰ বীজ ৰোপন কৰে আৰু প্ৰতিটো জীৱৰ উৎপত্তিৰ কাৰক হয়। সেয়েহে জগতখনক অসীমৰ সসীমৰ ওপৰত ক্ৰিয়াক্ষেত্ৰ ৰূপে অভিহিত কৰিব পৰা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তিলকৰ মতে, 'গীতাই ..... আৰু .....অভিন্নতাৰ কথা কয়।

প্রশ্ন ২ ঃ তিলকৰ মতানুসৰি, গীতাত ব্রহ্মৰ দুই প্রকাৰৰ বর্ণনা আছেষ। সেয়া হৈছে —

প্রশ্ন ৩ ঃ 'গীতা'ৰ ব্রহ্মৰ ধাৰণাৰ এক চমু আলোচনা যুগুত কৰক।

প্রশ্ন ৪ ঃ 'গীতা'ত উল্লেখিত আত্মা নাইবা জীৱাত্মাৰ ধাৰণাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ ঃ 'গীতা'ৰ জগতৰ ধাৰণাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

১.৪ তিলকৰ ব্যাখ্যাত নীতিবিদ্যা

নীতিবিদ্যাক সাধাৰণতে নৈতিকতা আৰু প্রমূল্যৰ অধ্যয়ন বুলি কোৱা হয়। পৰিস্থিতি অনুসৰি এজন ব্যক্তিৰ কর্তব্যৰ সম্পর্কত নীতিবিদ্যাই আলোচনা কৰে। নৈতিক দ্বন্দ্বৰ পটভূমিতে। গীতা'ৰ ৰচনা আৰু সেয়েহে গ্রন্থখনৰ আৰম্ভণিতে ইয়াৰ নীতিবিদ্যাৰ পৰিচয় লাভ কৰা যায়। গীতাৰ প্রথম অধ্যায়ৰ আৰম্ভণিতে কুৰুক্ষেত্রৰ ৰনক্ষেত্রত বিব্রত অর্জুনক শ্রীকৃষ্ণই কর্তব্যৰ শিক্ষাদানেৰে সঠিক সিদ্ধান্ত গ্রহণৰ বাবে অনুপ্রেৰণা যুগুৱাৰ কথা উল্লেখ আছে। এই প্রসংগতে 'গীতা'ত জ্ঞান, কর্ম আৰু ভক্তি, এই তিনিপ্রকাৰৰ যোগৰ অৱতাৰনা কৰা হৈছে। এই তিনিও প্রকাৰৰ যোগ ব্যক্তিৰ জাগতিক জীৱনৰ সহায়ক হোৱাৰ লগতে মোক্ষপ্রাপ্তিৰ একো একোটা মার্গ। 'গীতা'ৰ যোগৰ সম্পর্কত তিলকে আগবঢ়োৱা ব্যাখ্যাৰ বিষয়ে এনেদৰে আলোচনা কৰিব পৰা যায় —

১.৪.১ জ্ঞানযোগ নাইবা জ্ঞানমার্গ

তিলকৰ মতে 'গীতা'ৰ আদর্শ অনুসৰি জ্ঞান হৈছে কর্ম লক্ষ্য। অৱশ্যে গীতাত 'জ্ঞান' শব্দটিয়ে জাগতিক বস্তুৰ জ্ঞানক বুজোৱা নাই, ইয়াৰ পৰিৱর্তে আত্মা আৰু জড়ৰ মাজৰ প্রভেদৰ জ্ঞানকহে সূচাইছে। যিহেতু 'গীতাৰ বিশ্বাস অনুসৰি জ্ঞাতাৰ অভ্যন্তৰতহে জ্ঞানৰ বিকাশ হয়, সেয়েহে এয়া হৈছে আত্ম উপলব্ধি। অর্থাৎ জ্ঞাতাৰ প্রকৃত স্বৰূপৰ জ্ঞানলাভ। এই সম্পর্কত 'গীতা'ত উল্লেখ আছে , — "এই জগতত জ্ঞানৰ সমান পৰিত্র আন একোৰেই নাই। জ্ঞানযোগৰ দ্বাৰা পূর্ণতা লাভ কৰা ব্যক্তিয়ে এয়া নিজ প্রচেষ্টাৰে, সঠিক সময়ত নিজ আত্মাত উপলব্ধি কৰে।" আত্মাৰ প্রকৃত স্বৰূপ উপলব্ধিৰ বাবে এজন ব্যক্তিয়ে জনা উচিত যে আত্মা হৈছে দেহৰ পৰা পৃথক এক সত্তা। দেহ নাইবা শৰীৰ পৰিৱর্তনশীল, আনহাতে আত্মা হৈছে স্থায়ী। শৰীৰক যদি প্রকৃতি ৰূপে বিবেচনা কৰা হয়, তেন্তে আত্মা হৈছে পুৰুষ। কিন্তু 'গীতা'ৰ প্রকৃতি আৰু পুৰুষৰ ধাৰণাই সাংখ্য দর্শনৰ দ্বৈতবাদক অতিক্রম কৰি গৈছে, যিহেতু ইয়াত উভয়ে স্বতন্ত্র তথা পৃথক সত্তা হোৱাৰ পৰিৱর্তে শ্রীকৃষ্ণৰ দুই প্রকাৰৰ ৰূপ হিচাপেহে বিবেচিতহৈছে। সেয়েহে, প্রকৃতি আৰু পুৰুষ উভয়ে ঈশ্বৰৰ অধীন। 'গীতা'ৰ মতে আত্মাই তেতিয়াহে মুক্তি লাভ কৰিবলৈ সক্ষম হয়, যেতিয়াই নিজকে স্পষ্ট ভাৱে প্রকৃতিৰ পৰিনামসমূহৰ পৰা পৃথকৰূপে উপলব্ধি কৰে। প্রকৃতি সত্ব, ৰজ আৰু তম এই তিনি গুণেৰে গঠিত। এই গুণসমূহেই হৈছে ইন্দ্রিয় অভিজ্ঞতাৰ কাৰণ আৰু ইন্দ্রিয় অভিজ্ঞতাৰ পৰাই বাসনাৰ উৎপত্তি

হয়। আত্মা আৰু অনাত্মাৰ প্ৰভেদৰ জ্ঞানে প্ৰকৃতিৰ গুণসমূহৰ কৱলৰ পৰাও ব্যক্তিক মুক্তি প্ৰদান কৰে। তদুপৰি 'গীতা'ত উল্লেখ থকা মতে জড়ৰ পৰা সংযোগ বিচ্ছিন্ন কৰিবলৈ সক্ষম হোৱাৰ সমান্তৰাল ভাৱে আত্মাই অন্তঃ স্থিতি ঈশ্বৰৰ সৈতে সংযোগ স্থাপন কৰে। যিহেতু আত্মা আৰু পৰমাত্মাৰ প্ৰকৃতি সদৃশ। সেয়েহে, 'গীতা'ৰ আদৰ্শ অনুসৰি জ্ঞানৰ অৰ্থ হৈছে পৰম সত্তাৰ জ্ঞান অৰ্থাৎ সৰ্বোচ্চ আত্মোপলব্ধি। তিলকে জ্ঞানযোগক ঈশ্বৰ প্ৰাপ্তিৰ এক মাৰ্গ ৰূপে স্বীকাৰ কৰিছে। অৱশ্যে তেওঁৰ মতানুসৰি, জ্ঞানযোগ কৰ্মযোগৰ উৰ্দ্ধত নহয়; ইয়াৰ সহায়কাৰীহে।

১.৪.২ কৰ্মযোগ নাইবা কৰ্মমাৰ্গ

তিলকৰ মতানুসৰি 'গীতা'ৰ কৰ্মযোগ হৈছে জাগতিক বন্ধনৰপৰা মুক্তিলাভৰ উদ্দেশ্য আগবঢ়োৱা নৈতিকতা আৰু ধৰ্মৰ এক প্ৰণালী।

কুৰুক্ষেত্ৰৰ যুদ্ধৰ লগতে সংসাৰৰ মোহবন্ধন ত্যাগ কৰি সন্ন্যাস ব্ৰত ল'বলৈ প্ৰস্তুত হোৱা অৰ্জুনক শ্ৰীকৃষ্ণই প্ৰদান কৰা কৰ্মযোগ বিদ্যাৰ প্ৰকাশেই হৈছে 'গীতা'ৰ মূল লক্ষ্য। এই প্ৰসংগত অৰ্জুনে শ্ৰীকৃষ্ণক উদ্দেশি কৰা প্ৰশ্নৰ উল্লেখ কৰিব পাৰি, "যদি তোমাৰ বিবেচনাত জ্ঞানযোগ, কৰ্মযোগতকৈ শ্ৰেষ্ঠ, তেন্তে হে জনাৰ্দন, তুমি মোক কিয় এই ভয়ংকৰ কৰ্মত অৱতীৰ্ন হ'বলৈ কৈছা?" এই প্ৰশ্নৰ উত্তৰত শ্ৰীকৃষ্ণই আগবঢ়োৱা মতামতে কৰ্মযোগত এনেদৰে অধিক গুৰুত্ব আৰোপ কৰিছে, "কৰ্ম নকৰাকৈ কোনো জীৱই এটা মুহূৰ্তৰ বাবেও জীয়াই থাকিব নোৱাৰে; সকলো জীৱই নিজ অন্তৰ্জাত স্বভাৱ অনুসৰিয়ে কৰ্ম কৰিবলৈ বাধ্য।" কিন্তু কৰ্মৰ সৈতে জড়িত মূল সমস্যা হৈছে যে ই বন্ধনৰ কাৰক। কিন্তু মোক্ষলাভৰ পথ হিচাপে কৰ্মই বান্ধোনৰ সৃষ্টি কৰিব নোৱাৰে। সেয়েহে, তিলকৰ মতে, 'গীতা'ই কৰ্ম সম্পাদনৰ বাবে আগবঢ়োৱা পৰামৰ্শ হৈছে এনেধৰণৰ, "সকলো কৰ্ম মোক (শ্ৰীকৃষ্ণ) অৰ্পন কৰি, সমগ্ৰ চেতনা আত্মাত নিবিষ্ট কৰি, বাসনা আৰু অহংকাৰৰ পৰা মুক্ত হৈ যুদ্ধ কৰিবলৈ প্ৰস্তুত হোৱা"। এনেধৰনৰ কৰ্মই প্ৰকৃত কৰ্মবাদ আৰু মুক্তিলাভৰ উপায়। এনেদৰে 'গীতা'ই বাহ্যিক অনাসক্তি আৰু সন্ন্যাসৰ বিপৰীতে আন্তৰিক সন্ন্যাসৰ আদৰ্শ প্ৰদৰ্শন কৰিছে। তিলকৰ কৰ্মযোগৰ ব্যাখ্যাত কেৱল নৈতিকতাই নহয়, ৰাজনৈতিক দিশত ইয়াৰ প্ৰয়োগেও গুৰুত্ব লাভ কৰিছে। কাৰণ তেওঁৰ মতে কৰ্মযোগ কেৱল সৰ্ব্বোচ্চ নৈতিক আদৰ্শ ব্ৰহ্মলাভৰ পথ হোৱাৰ বিপৰীতে ৰাজনৈতিক আদৰ্শ স্বৰাজ আৰু সামাজিক কল্যান প্ৰতিষ্ঠাৰ পথ। তেওঁৰ মতে স্বৰাজৰ আদৰ্শ আত্মাৰ নিজস্ব স্বৰূপতে নিহিত আত্ম উপলব্ধি কৰিবলৈ সক্ষম হোৱা প্ৰতিজন কৰ্মযোগীয়ে স্বৰাজৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ইয়াক প্ৰতিষ্ঠাৰ বাবে কৰ্ম কৰি যাবলৈ সদা প্ৰস্তুত হ'ব পাৰে। সেয়েহে তিলকে কৈছে "স্বাধীনতা প্ৰতিজন ব্যক্তিৰ জন্মস্বত্ব"। তিলকৰ ব্যাখ্যা অনুসৰি 'গীতা'ত যদিও জ্ঞান আৰু ভক্তিযোগৰ উল্লেখ আছে, কিন্তু গ্ৰন্থখনিয়ে কৰ্মযোগকহে মোক্ষ প্ৰাপ্তিৰ শ্ৰেষ্ঠ পথৰূপে অভিহিত কৰিছে। কাৰন 'গীতা'ৰ মূল লক্ষ্য তথা উদ্দেশ্যই হৈছে মানৱৰ সৰ্বাঙ্গীন বিকাশৰ নৈতিক আৰু ধৰ্মীয় আচৰন হিচাপে কৰ্মযোগৰ সবিচাৰ আলোচনা কৰা। তিলকে কৰ্মযোগক মোক্ষ প্ৰাপ্তিৰ শ্ৰেষ্ঠ পথৰূপে বিবেচনা কৰাৰ যুক্তি হৈছে যে জ্ঞান ভক্তি নাইবা জীৱন মুক্তি লাভৰ পিছতো বিদেহ মুক্তি লাভ নকৰা পৰ্যন্ত এজন ব্যক্তি কৰ্ম কৰি যাবৰ বাবে বাধ্য। উল্লেখযোগ্য যে তিলকেই প্ৰথমবাৰৰ বাবে 'গীতা'ৰ দৰ্শনত নিহিত নৈতিকতা আৰু উপযোগিতাবাদৰ পদ্ধতিগত ব্যাখ্যা আগবঢ়াইছে। যিহেতু তেওঁ সন্ন্যাসবাদৰ বিপৰীতে কৰ্মযোগক শ্ৰেষ্ঠত্ব প্ৰদান কৰিছে।

১.৪.৩ ভক্তিযোগ নাইবা ভক্তিমার্গ

তিলকৰ ব্যাখ্যা অনুসৰি যুক্তি লাভৰ ক্ষেত্ৰত ভক্তি কেতিয়াও শ্ৰেষ্ঠ পথ হ'ব নোৱাৰে। মুক্তি নাইবা মোক্ষ প্ৰাপ্তিৰ দুটাই মার্গ আছে আৰু সেয়া হৈছে জ্ঞান কর্ম মার্গ। যদিও ভক্তিক এক প্ৰকাৰৰ যোগৰূপে অভিহিত কৰিব পাৰি, কিন্তু ভক্তিমার্গ কেতিয়াও স্বতন্ত্ৰ মার্গ নহয়। তিলকৰ মতে গীতাই প্ৰকৃততে কেৱল এটা মার্গকহে সমর্থন কৰিছে। সেয়া হৈছে কর্মযোগৰ পথ, যি জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত আৰু য'ত ভক্তি এক অন্যতম গুৰুত্বপূৰ্ণ উপাদান। অন্য কথাত ক'বলৈ গলে, জ্ঞানলাভৰ বাবে ভক্তি প্ৰয়োজনীয় আৰু জ্ঞান ব্যতিৰেকে নিষ্কাম কর্ম অসম্ভৱ। তিলকৰ উদ্ধৃতি অনুসৰি, "গীতা'ৰ মতে জ্ঞান আৰু ভক্তিযুক্ত নিষ্কাম কর্মৰ পথেই হৈছে শ্ৰেষ্ঠ পথ।" ভক্তি যিহেতু উপাস্য আৰু উপাসকৰ দ্বৈততাৰ ওপৰত প্ৰতিষ্ঠিত, সেয়েহে মুক্তিৰ চৰম পর্য্যায় অর্থাৎ আত্মা আৰু ব্ৰহ্মাৰ অভিন্নতা উপলব্ধিৰ অৱস্থাত ভক্তি বর্তি থাকিব নোৱাৰে। উপাসনা হৈছে ভক্তিৰ অন্যতম উপাদান। উপাসনাৰ প্ৰকৃতিৰ ক্ষেত্ৰত 'গীতা'ৰ মত হৈছে যে, ভক্তই যি উপায়েৰে উপাসনা নকৰক কিয়, সেয়া উপাস্য ঈশ্বৰৰ বাবে গ্ৰহণীয়। ভক্তিযোগত যেতিয়া এজন ভক্তই নিজকে সম্পূৰ্ণৰূপে ঈশ্বৰত সমর্পন কৰে, ক্ৰমান্বয়ে তেওঁৰ বোধশক্তিৰ একাগ্ৰতা বৃদ্ধি হয় আৰু এনেদৰেই তেওঁ অৱশেষত সম্পূৰ্ণৰূপে নিজ স্বৰূপ উপলব্ধি কৰিবলৈ সক্ষম হয়। 'গীতা'ত উল্লেখ আছে, "ভক্তিৰ জড়িয়তে এজন ভক্তই যেতিয়া তেওঁৰ স্বৰূপ আৰু স্থিতিৰ জ্ঞান অর্জন কৰে, তেওঁ মোক (ঈশ্বৰক) চিনি পাবলৈ সক্ষম হয় আৰু এনেদৰে মোৰ (ঈশ্বৰ) মাজত বিলীন হয়।" যিহেতু জ্ঞান আৰু নিষ্কাম কর্মৰ মাজত কোনো বিৰোধিতা নাই, সেয়েহে ভক্তি আৰু সকলো ফলাকাংক্ষা ঈশ্বৰত সমর্পন কৰি সম্পাদন কৰা কর্মৰ মাজতো কোনো পার্থক্য নাই। তিলকৰ মতে, এনেদৰে 'গীতা'ই গভীৰ ভক্তি পূৰ্ণ নিষ্কাম কর্মক সমর্থন কৰিছে। এবাৰ নিজকে সম্পূৰ্ণৰূপে ঈশ্বৰত সমর্পন কৰিবলৈ সক্ষম হোৱা ভক্তক জাগতিক কোনো কামনাই আকর্ষন কৰিব নোৱাৰে। এনেদৰে তিলকৰ ব্যাখ্যাত ভক্তি হৈছে মুক্তিলাভৰ পৰম পথ কর্মযোগৰ সহায়কাৰী।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক —

(ক) তিলকৰ মতে কর্মযোগ হৈছে জ্ঞানযোগ আৰু ভক্তিযোগতকৈ শ্ৰেষ্ঠ। (সত্য/অসত্য)

(খ) জ্ঞান যোগ হৈছে আত্মা আৰু জড়ৰ প্ৰভেদ জ্ঞান। (সত্য/অসত্য)

(গ) তিলকৰ মতে জ্ঞান যোগ লাভৰ পিছতহে কর্মযোগ প্ৰাপ্তি সম্ভৱ। (সত্য/অসত্য)

(ঘ) ভক্তিযোগ হৈছে জ্ঞানযোগৰ সহায়কাৰী আৰু জ্ঞানযোগ কর্মযোগৰ সহায়কাৰী। (সত্য/অসত্য)

প্ৰশ্ন ৭ ঃ তিলকৰ মতে 'গীত'ত তিনি প্ৰকাৰৰ যোগৰ মাজত কিদৰে সম্পর্ক প্ৰতিষ্ঠা কৰা হৈছে? আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ তিলকৰ মতে কোন প্ৰকাৰৰ যোগ আন দুই প্ৰকাৰৰ যোগতকৈ শ্ৰেষ্ঠ আৰু কিদৰে?

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তিলকৰ গীতাৰ ব্যাখ্যা 'গীতা ৰহস্য' প্ৰধানত গীতাৰ অধিবিদ্যা আৰু নীতি বিদ্যাৰ সৈতে জড়িত।
- গীতাৰ অধিবিদ্যাত ব্ৰহ্ম, আত্মা আৰু জগত আদিৰ আলোচনা কৰা হৈছে।
- নীতিবিদ্যাৰ অধীনত তিনি প্ৰকাৰৰ যোগ আৰু সেইসমূহৰ মাজৰ সম্পৰ্কৰ আলোচনা কৰা হৈছে।
- তিলকে তেওঁৰ 'গীতা ৰহস্য'ত কৰ্মযোগ আৰু তেওঁৰ স্বৰাজৰ আদৰ্শৰ সম্পৰ্ক স্থাপনৰ প্ৰচেষ্টা কৰিছে আৰু ইয়াৰ জড়িয়তে সমাজ দৰ্শন আৰু ৰাজনৈতিক দৰ্শন অন্তৰ্ভুক্ত হৈছে।

১.৬ অধিক জানিবলৈ

১. তিলক, বাল গংগাধৰ (প্ৰথম খণ্ড) (১৯৩৫), শ্ৰীমদ্‌ভগৱদ গীতা ৰহস্য পুনাঃ এম/এচ তিলক ব্ৰাদাৰ্চ।

২. তিলক, বাল গংগাধৰ (দ্বিতীয় খণ্ড) (১৯৩৫) শ্ৰীমদ্‌ভগৱদ্‌ গীতা ৰহস্য, পুনা ঃ এম এচ তিলক ব্ৰাদাৰ্চ।

৩. সৰোজ, জি. ভি. (১৯৮৫), তিলক এণ্ড শংকৰ অন দ্যা গীতা, নিউ দেল্‌হি ঃ ষ্টাৰলিং পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড।

৪. কলিতা, এইচ. চি. (২০০১), গীতাঃ এ ছিনথেছিচ য়োগ, গুৱাহাটী ঃ ই বি এইচ পাব্লিচাৰ্ছ।

১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) জীৱাত্মা আৰু পৰমাত্মা

(খ) নিৰ্গুন ব্ৰহ্ম আৰু সগুন ব্ৰহ্ম

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সত্য

(খ) সত্য

(গ) সত্য

(ঘ) সত্য।

১.১৫ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'গীতা'ৰ ব্যাখ্যাৰে তিলকে ৰচনা কৰা গ্ৰন্থখনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ 'গীতা'ৰ ব্যাখ্যাৰে তিলকে কেইটা খণ্ডত গ্ৰন্থ ৰচনা কৰিছিল?

প্ৰশ্ন ৩ ঃ তিলকৰ মতে, 'গীতা'ত কেইপ্ৰকাৰৰ ব্ৰহ্মক স্বীকাৰ কৰা হৈছে?

প্ৰশ্ন ৪ ঃ 'গীতা'ই জগতৰ সৃষ্টিক স্বীকাৰ নে অস্বীকাৰ কৰে?

প্ৰশ্ন ৫ ঃ জ্ঞান যোগে বাহ্যিক বস্তু আভ্যন্তৰিন বস্তুৰ জ্ঞানক সূচায়।

প্ৰশ্ন ৬ ঃ 'গীতাই কি ধৰণৰ সন্ন্যাসৰ কথা কয়?

প্ৰশ্ন ৭ ঃ তিলকৰ মতে, কোন প্ৰকাৰৰ যোগ অন্য প্ৰকাৰ সমূহতকৈ শ্ৰেষ্ঠ?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ 'গীতা'ৰ জ্ঞানযোগৰ ধাৰণা

প্ৰশ্ন ২ ঃ 'গীতা'ৰ কৰ্মযোগৰ ধাৰণা

প্ৰশ্ন ৩ ঃ 'গীতা'ৰ ভক্তিযোগৰ ধাৰণা

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ তিলকৰ ব্যাখ্যা অনুসৰি 'গীতা'ৰ অধিবিদ্যাৰ এটি আলোচনা যুগুত কৰক।

প্ৰশ্ন ২ ঃ তিলকৰ ব্যাখ্যা অনুসৰি 'গীতা'ৰ নীতিবিদ্যাৰ আলোচনা কৰক।

*** **** ***

অধ্যায় ২ ঃ ৰবীন্দ্রনাথ ঠাকুৰৰ মানৱতাবাদ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ মানৱতাবাদ ঃ কি হয়

২.৪ Tagore ৰ মানৱতাবাদী মনোভাৱ

২.৫ মনুষ্যত্ব আৰু প্রকৃতিৰ বান্ধোন

২.৬ মনুষ্য জাতিৰ জৰিয়তে ঈশ্বৰ সেৱাৰ প্রতি আকাংক্ষা

২.৭ ধর্মই হৈছে মনুষ্যত্বৰ ভেঁটি

২.৮ প্রেম আৰু উৎসর্গা মনুষ্যত্বৰ এক অটুট অংগ

২.৯ মানৱ সেৱা হৈছে মুক্তিৰ উৎস

২.১০ মনুষ্যত্ব সমাজতকৈ মহান

২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১২ অধিক জানিবলৈ

২.১৩ অগ্রগতিৰ খতিয়ান

২.১৪ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱতাবাদ সংজ্ঞা দিবলৈ পাৰিব
- Tagore ৰ মানৱতাবাদক ব্যাখ্যা কৰিব পাৰিব
- Tagore ৰ মানৱতাবাদৰ বিভিন্ন বৈশিষ্ট্যসমূহক বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

Robindranath Tagore (১৮৬১-১৯৪১) হৈছে আধুনিক ভাৰতবর্ষৰ প্রসিদ্ধ ব্যক্তিত্বসকলৰ এজন যিয়ে স্থানীয় ও ৰাষ্ট্রীয় প্রতিবন্ধকতা নেওঁচি তেওঁৰ সমগ্র জীৱনৰ কালছোৱাত আন্তঃৰাষ্ট্রীয় সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ এজন সু-সংঘবদ্ধ দার্শনিক নাছিল, অথচ তেওঁৰ কর্মৰাজি আৰু ধাৰণাসমূহৰ পিছত থকা বিশ্বদৃষ্টি জটিল হোৱাৰ উপৰিও মৌলিক আছিল। যদিও তেওঁ সু-সংবদ্ধ আকাৰত দার্শনিক প্রবন্ধ লিখা নাছিল, কিন্তু বহুতো

ৰচনা লিখিছিল আৰু বক্তব্য আগবঢ়াইছিল, য'ত তেওঁৰ বিশ্বদৃষ্টিক এক কাব্যিক ৰূপত অংকন কৰিছিল। সেই কাৰণে Tagore ৰ দৰ্শৰ বিষয়ে ড০ ৰাধাকৃষ্ণনে সচাকৈয়ে উপলব্ধি কৰিছিল 'ই হৈছে অধিবিদ্যাৰ এক যুক্তিসংগত বিষয়তকৈ আত্মাৰ এক দীৰ্ঘ নিশ্বাস' দৰ্শনৰ এক ব্যৱস্থাৰ পৰিৱৰ্তে এক পাৰিপাৰ্শ্বিক অৱস্থা। কিন্তু আমি অনুভৱ কৰো যে এই পাৰিপাৰ্শ্বিক সত্যতাৰ এক বিশেষ দৃষ্টিত অৰ্পন কৰা হৈছে। যদিও কবিতা দৰ্শন নহয়, কিন্তু Tagore ৰ কৰ্মৰাজিৰ পৰা তেওঁ দাৰ্শনিক দৃষ্টিভংগী নিঃসৃত কৰাটো আমাৰ বাবে সক্ষম। ('It is a sigh of the soul rather than a reasoned account of Metaphysics ; an atmosphere rather than a system of philosophy. But we feel that the atmostphere is charged with a particular vision of Reality. Though poetry is not philosophy it is possible for us to derive Rabindranaths works his Philosophical views.')। আন এঠাইত তেওঁ উল্লেখ কৰিছিল 'আমাক দৰ্শনৰ বিষয়ে ক'বলৈ যদিও কলাৰ এক প্ৰকাৰ হিচাপে কবিতাৰ ই লক্ষ্য নহয়, তথাপিও যেতিয়ালৈকে ই এক দাৰ্শনিক দৃষ্টিভংগীৰ লগত চামিল নহয়, ইয়াৰ উদ্দেশ্য পৰিপূৰ্ণ হ'ব নোৱাৰে। ই জীৱনৰ এক ব্যাখ্যা আগবঢ়াবই লাগিব, আমাক সত্যতাৰ এক সম্পূৰ্ণ মতামত দিবই লাগিব। কবিতা সন্তোষজনক হ'ব নোৱাৰে আৰু আনন্দ প্ৰদান কৰিব নোৱাৰে, যদিহে ইয়াৰ আকাৰৰ জৰিয়তে অনাদি অনন্ত (eternal) ক প্ৰকাশ নকৰে। (Though it is not the aim of poetry ..... Philosophie vision. It must offer ..... view of Reality. Poetry would not ..... through its form.)। এই কথা স্বীকাৰ কৰা হয়ে, Tagore ক এজন সম্পূৰ্ণ মানৱ ৰূপে জনা যায়, যিজনে তেওঁৰ কবিতাৰ মাজত ধৰ্ম, সৌন্দৰ্য্য বিদ্যা, শিক্ষা, জাতিয়তাবাদ আৰু সামাজিক গতিবিজ্ঞানৰ পৰা আৰম্ভ কৰি আন্তঃৰাষ্ট্ৰীয়বাদ আৰু জাতি সম্বন্ধ এইসকলোবোৰকে সামৰি ৰাখিছে। Tagore ৰ বিশ্বজগতৰ এক দাৰ্শনিক দৃষ্টি আছিল। তেওঁৰ দাৰ্শনিক দৃষ্টিৰ সন্মুখত মানুহ, প্ৰকৃতি আৰু বিশাল বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্যই নিজে নিজকে প্ৰকাশ কৰিছে, আৰু এই বোধশক্তিৰ পৰাই তেওঁ সত্যক উপলব্ধি কৰিছিল। সেই কথাই Tagore ক এজন দাৰ্শনিক বুলি দাবী কৰিবলৈ আমাক ভিত্তি প্ৰদান কৰিছে। তেওঁৰ লিখনি সমূহৰ জৰিয়তে মানৱ জীৱনক উচ্চমান প্ৰদানৰ যি অৱদান আগবঢ়াইছে, তাত প্ৰতিফলিত হয় যে পৃথিৱীত থকা সকলো মানুহৰ আৱেগ, অনুভূতি আৰু স্পৃহা আদি পাৰ্থিৱ বা ইন্দ্ৰিয়গ্ৰাহ্য।

২.৩ মানৱতাবাদ ঃ ই কি ?

মানৱতাবাদ হৈছে স্বৰ্গীয় নাইবা আদি ভৌতিক বিষয়ত কৈ মানৱজাতিৰ প্ৰতি থকা প্ৰাথমিক গুৰুত্বৰ লগত জড়িত চিন্তাৰ এক বৌদ্ধিক ৰূপৰেখা নাইবা ব্যৱস্থা। ই এক দাৰ্শনিক দৃঢ়তা, যিয়ে ব্যক্তিগত আৰু সামূহিকভাৱে মানৱজাতিৰ মূল্য আৰু অভিকৰণৰ ওপৰত জোৰ দিয়ে। সাধাৰণতে, ই প্ৰতিষ্ঠিত মতবাদ নাইবা বিশ্বাসৰ ওপৰত সমালোচনাত্মক চিন্তা আৰু প্ৰমাণক অগ্ৰাধিকাৰ দিয়ে। মানৱতাবাদৰ সৈতে পৰিচিত হোৱা ক্ৰমাগত বৌদ্ধিক বিকাশ বা গতি অনুসাৰে 'Humanism' — শব্দটো অৰ্থৰ পৰিৱৰ্তন হয়। মানৱতাবাদৰ এই সময়ছোৱাত আমি 'মানুহ' ধাৰণাটোক সকলো বস্তুৰেই কেন্দ্ৰবিন্দু ৰূপে বুজো।

২.৪ Tagore ৰ মানৱতাবাদী মনোভাৱ

Tagore ৰ মানৱতাবাদী মনোভাৱে তেওঁৰ চিন্তাধাৰাৰ সকলোবোৰ দিশকে ব্যাপ্ত কৰিছে, কিন্তু তেওঁ কেতিয়াও ইয়াক ঠেক অৱতাৰবাদৰ মর্য্যদালৈ লৈ যোৱাত অনুমতি দিয়া নাই। এই কথা সাব্যস্ত কৰিব পাৰি যে Tagore ৰ দর্শনক অন্তঃব্যক্তিক (inter-personal) সম্বন্ধৰ ধাৰণাটোৰ জৰিয়তেহে বহলভাৱে প্রকাশ কৰিব পৰা যায়। অন্তঃব্যক্তিক সম্বন্ধৰ সৈতে সঙ্গতি থকা তেওঁৰ মানৱতাবাদৰ ব্যাখ্যা দিবলৈ তেওঁৰ 'মানুহ' সম্পর্কে থকা ধাৰণাটোৰ বেছি গভীৰলৈ যোৱাটো প্রয়োজনীয়। তেওঁৰ মানুহৰ ধাৰণাটোৱে আমাক মানুহৰ প্রকৃত জ্ঞানৰ যোগান ধৰে, প্রকৃতিগতভাৱে যি সীমিত আৰু অসীম, জীৱবিজ্ঞান সম্বন্ধীয় (জৈৱিক) আৰু আধ্যাত্মিক 'মানুহ' নাইবা ব্যক্তিত্বৰ বিষয়ে তেওঁৰ মতামতসমূহ তেওঁৰ বিভিন্ন লেখনি বিশেষকৈ সাধনা (Sadhana, 1913), (Personality 1917), (Creative Unity 1922), আৰু (The Religion of Man 1930) ত দেখিবলৈ পোৱা যায়।

Tagore য়ে তেওঁৰ দার্শনিক যাত্রা উপনিষদ আৰু বেদান্তৰ পৌৰাণিক ভাৰতীয় চিন্তাধাৰাৰে পৰিচালিত হৈছিল। এইবোৰ ধর্মশাস্ত্রই মনুষ্যজাতিৰ উচ্চ নৈতিক আৰু আধ্যাত্মিক প্রমূল্যক প্রতিনিধিত্ব কৰে আৰু ইয়াৰ দ্বাৰাই অনুপ্রাণিত হৈ Tagore ৰ দর্শন মনুষ্যজাতিৰ প্রতি আকর্ষিত হয়, যাক কোৱা হয় মানৱতাবাদ। পৌৰাণিক আৰু সমসাময়িক ভাৰতীয় দার্শনিকসকলৰ দৰে Tagore ও তেওঁৰ মানৱীয় দৃষ্টিকোণত আধ্যাত্মিকতাবাদৰ পিনে ঢাল খাইছিল আৰু 'মানুহ' ধাৰণাটোৱে তেওঁৰ দর্শনত এক উন্নত স্থান ধাৰন কৰিছিল। এনেদৰেই তেওঁ প্রকৃতি আৰু বস্তুকে কেৱল মানৱীয়কৰণ নকৰি ঈশ্বৰকো মানৱীয়কৰণ কৰিছে। Tagore ৰ মতে বাহ্যিক জগতখন 'মানৱ আত্মাৰ এক দোলন' (Cradle for a human spirit) ৰ বাহিৰে আন একো নহয়। দেখা যায়যে Tagore ৰ চিন্তাত জীৱন, সুৰ-তাল-মান, সৌন্দর্য্য, ঐকতা, শৃংখলা, প্রেম, আনন্দ, সঙ্গীতৰ সকলো মানৱ ধাৰণা গুৰুত্বপূর্ণ হৈ পৰিছে। এইবোৰ ধাৰণা আৰু অধিক গুৰুত্বপূর্ণ আৰু অর্থপূর্ণ হৈ উঠে, যেতিয়া সেইবোৰ মানৱ প্রমূল্যৰ সৈতে সম্বন্ধযুক্ত হৈ উঠে। Tagore ৰ লিখনিসমূহত সকলো ঠাইতে সর্বসম্মতিমূলক নিদর্শন আৰু উপমা আছে, যিয়ে কবি দার্শনিকজনৰ তীব্র মানৱীয় স্বভাৱৰ নির্দেশ দিয়ে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) Tagore য়ে মানৱতাবাদৰ ধাৰণাটো ব্যাখ্যা কৰা গ্রন্থকেইখন হ'ল .....,

..... আৰু .....।

প্রশ্ন ২ ঃ Tagore ক এজন দার্শনিক ৰূপে দাবী কৰিব পৰা যায়নে? কাৰণ দর্শোৱা।

প্রশ্ন ৩ ঃ মানৱতাবাদ কি?

Tagore ৰ বিস্তৃত লিখনিসমূহৰ পৰা তলত দিয়া মানৱতাবাদৰ বৈশিষ্ট্যসমূহ নিঃসৃত কৰা হৈছে —

২.৫ মনুষ্যত্ব আৰু প্ৰকৃতিৰ বান্ধোন

Tagore ৰ মনুষ্য নাইবা মানৱ ব্যক্তিত্বৰ ধাৰণাই প্ৰকৃতিৰ সৈতে আত্মীয়তাৰ অনুভৱৰ উপলব্ধিৰ জৰিয়তে নিজা সোৱাদ বিচাৰি ফুৰে। ল'ৰালিকালৰ দিনৰে পৰাই তেওঁ প্ৰকৃতিৰ সৌন্দৰ্য্য, সূর্য্য উদয় হোৱা, চৰাইবোৰৰ কোলাহল আৰু গছৰ মাজে মাজে বতাহৰ শব্দ আদিৰ দ্বাৰা মোহিত হৈ পৰিছিল। তেওঁৰ মতামত আছিল যে প্ৰকৃতিয়ে নিজকে কেতিয়াও বঞ্চিত নকৰে বৰং মানৱ প্ৰকৃতিৰ সৈতে ইয়াৰ নিজস্ব শ্বাশ্বত তথা সনাতন বান্ধোনেৰে সৈতে এজন ব্যক্তিৰ আত্মৰ প্ৰতি ইয়াৰ সত্য ৰঙহে প্ৰকট কৰে। প্ৰকৃতিৰ (Nature) মানুহৰ লগত অনিবাৰ্যভাৱে সম্পৰ্কবদ্ধ। প্ৰকৃতিৰ বিস্তাৰত আমি অজ্ঞাত বা অপৰিচিত নহয়, আমি প্ৰকৃতিৰ আত্মীয় স্বজন। তেওঁ সুন্দৰ প্ৰকৃতিক আমাৰ মাতৃৰ সৈতেও তুলনা কৰিছে। Tagore য়ে লিখিছে 'যেতিয়া মই পুৱা পোহৰলৈ চাওঁ, তেতিয়া মই এক মূহুৰ্ততে অনুভৱ কৰো যে মই এই জগতখনত এজন অপৰিচিত ব্যক্তি নহয়। এই নাম আৰু আকাৰ বিহীন অবোধগম্য সত্তাই মোক নিজৰ মাতৃৰ ৰূপত দুবাহুত আকোঁৱালি লয়।' (When in the morning I looked upon the light I felt .....in the form of my own mother)। Tagore য়ে ভাৱে যে অনিবাৰ্য্যভাৱে চেতনা বা বোধ শক্তি (Senses) দুটা আছে য'ত আমি প্ৰকৃতিৰ সৈতে আমাৰ সম্বন্ধৰ বিষয়ে চিন্তা কৰিব পাৰো — এটা হৈছে য'ত — আমি সাধাৰণতে ইয়াক এক নিষ্প্ৰান, জ্ঞানৰ ব্যক্তিগত আকাৰ ভৌতিক আৰু প্ৰয়োজনীয় আৱশ্যকতাৰ প্ৰতি মানুহক বন্ধন যুক্ত কৰা হিচাপে মানি লওঁ, আৰু আনটো হৈছে য'ত ই অভিব্যক্তিসমূহৰ সৈতে আমাৰ ব্যক্তিত্বক সন্তোষপ্ৰদান কৰে, যিয়ে আমাৰ জীৱনটোক সমৃদ্ধ কৰে আৰু ৰূপ, ৰং, শব্দ আৰু গতিৰ সিহঁতৰ যি সামঞ্জস্যতা তাত আমাৰ কল্পনাক উৎসাহিত কৰে। (S.C. Sengupta) ই তেওঁৰ 'The surplus in Man : The Poets Philosophy of Man ' নামৰ নিবন্ধটি যুক্তি আগবঢ়ায় যে মানুহক আৰু প্ৰকৃতিৰ মাজৰ অন্তঃ সম্পৰ্কক নিম্ন নাইবা সম্পৰ্কৰ স্তৰ আৰু উচ্চ নাইবা সমন্বয়ৰ স্তৰত দেখিবলৈ পোৱা যায়। ইহঁত দুটা ভিন্ন স্তৰ নহয়। বৰঞ্চ, এটা স্তৰ অন্তত আন এটা স্তৰৰ উদ্ভৱক অতিক্ৰম কৰি যায়। প্ৰকৃতিৰ সৈতে মানুহৰ অতি সুন্দৰ সম্পৰ্ক আছে। মানুহে প্ৰকৃতিৰ সৈতে বিকশিত হয় সিমান দুৰলৈ যিমান দূৰলৈ নিজকে প্ৰকৃতিৰ লগত পৰিচিত হ'ব পাৰে আৰু ইয়াক তেওঁৰ সম্পৰ্কৰ বাহক কৰি ল'ব পাৰে। প্ৰকৃতিৰ সহায়ত মানুহে নিজস্ব স্বৰূপৰ সৃষ্টি কৰে, সৌন্দৰ্য্যৰ সৃষ্টি কৰে আৰু কলা (Art) ৰ সৃষ্টি কৰে। মানুহৰ সৃজনশীলতা আৰু আত্মপ্ৰকাশত মানুহ তেওঁৰ ভৌতিক সীমাবদ্ধতা চেৰাই গৈ প্ৰচুৰতাৰ প্ৰতি সচেতন হৈ উঠে আৰু কলাৰ সৃষ্টিৰ জৰিয়তে পৰম পুৰুষ (Supreme Person) তথা ঈশ্বৰৰ লগত তেওঁৰ সংযোগক প্ৰেৰণ কৰিবলৈ প্ৰচেষ্টা কৰে, যিজনে নিজকে তেওঁৰ আগত প্ৰকাশ কৰে। মানুহৰ সৈতে প্ৰকৃতিৰ অভিন্ন সম্পৰ্কক বৰ্ণনা কৰোঁতে Tagore য়ে ইংৰাজী কবি Wordsworth ৰ এটা কবিতাৰ এটা শাৰীৰ উদ্ধৃতি দিয়ে যে — 'The world is too much with us; late and soon, getting and spending, we lay waste our powers. Little we see in Nature that is ours." Rabindranath Tagore, Personality, in "The english Writings of Rabindranath Tagore" Vol. 2, ed by Sisir Kumar Das (New Delhi : Sahitya Akademi, 2008), 349. Tagore য়ে পৰামৰ্শ দিয়ে যে মানুহে এটা প্ৰকৃতিৰ জীৱন যাপন কৰিব লাগে য'ত মানুহে গছ-গছনিক আপডাল কৰিব লাগে, পশু-পক্ষীক খাদ্য দিব লাগে, মাটি, পানী আৰু বায়ুৰ অসীম ৰহস্যক অনুভৱ কৰিবলৈ শিকিব লাগে।

২.৬ মনুষ্য জাতিৰ জৰিয়তে ঈশ্বৰ-সেৱাৰ প্রতি আকাংক্ষা

Tagore ৰ মানৱতাবাদক আৰু অধিক আকর্ষক আৰু প্রেৰণাদায়ক কৰাৰ গুৰুত্বপূর্ণ দিশটো হৈছে যে মানৱ জাতিৰ জৰিয়তে ঈশ্বৰক সেৱা কৰাৰ এক দৃঢ় ইচ্ছা তেওঁৰ আছে। তেওঁ মানুহক এনে এক ৰূপত ধাৰণা কৰে যে ঈশ্বৰৰ ঈশ্বৰত্বক আঘাট নকৰাকৈ তেওঁ মানুহক এক বিশেষ মর্য্যদা আৰু বিশিষ্টতা প্রদান কৰিছে। Tagore য়ে প্রত্যেক মানুহৰ মাজতে ঈশ্বৰক দেখা পায়। তেওঁৰ দর্শনত ঈশ্বৰ আৰু মানুহ একে সেইবাবে, Tagore ৰ 'Jivan Devata' ৰ ধাৰণাটো এখন স্পষ্ট ছবি যি মানুহ সম্পর্কে তেওঁৰ ধাৰণাটোৰ পৰা উদ্ভৱ হৈছে। মানুহৰ স্বৰূপ সম্পর্কীয় Tagore ৰ বর্ণনাটোত থকা এটা গভীৰ অর্ন্তদৃষ্টিয়ে এই সত্য প্রকাশ কৰে যে মানুহৰ স্বৰূপ বা প্রকৃতিৰ দুটা প্রয়োজনীয় দিশ আছে; নিম্ন নাইবা সসীম দিশ আৰু উচ্চ নাইবা অসীম দিশ। যেতিয়া Tagore য়ে তেওঁৰ গ্রন্থ 'The Religion of Man' অত মানুহ সম্পর্কে উল্লেখ কৰে যে 'He is earth's child but heavens heir' (তেওঁ পৃথিৱীৰ সন্তান কিন্তু স্বর্গৰ উত্তৰাধিকাৰী) ইয়াৰ দ্বাৰা তেওঁ এই দুটা দিশৰ বিষয়ে স্পষ্টকৈ নির্দেশ কৰিছে; ভৌতিক (Physical) আৰু আধ্যাত্মিক (Spiritual)। এই ভৌতিক নাইবা সসীম দিশটো জৈৱিক ,শাৰীৰিক আৰু মানসিক সত্যতাৰ আধাৰত নিৰূপিত হয়। আনহাতে, মানুহৰ অসীম দিশটোক বুজোৱা আধ্যাত্মিক দিশটোৱে উচ্চ বিষয়টোৰ প্রেম আৰু স্পৃহাক প্রকাশ কৰে। মানুহ এই প্রকৃতি বা স্বৰূপক কেতিয়াবা Tagore য়ে 'Universal in Man', 'Surplus in Man' নাইবা 'মানুহৰ মাজত উপস্থিত থকা স্বর্গীয় তত্ব ইত্যাদি ৰূপেও বর্ণনা কৰিছে। মানুহৰ এই অসীম দিশটোৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য, যিয়ে মানুহক ঈশ্বৰ সৈতে একে কৰিছে, সেয়া হৈছে যে ইয়াৰ সকলো অভিব্যক্তি আৰু ক্রিয়াকর্ম আনন্দৰ প্রকাশ। সত্য, শিৱ আৰু সুন্দৰক উপলব্ধি কৰিবলৈ মানুহ স্বভাৱজাত আগ্রহ হৈছে আনন্দৰ অভিব্যক্তি। আনন্দ হৈছে মানুহৰ আধ্যাত্মিক আৰু পৰম বিকাশৰ উভয় অৱস্থা। মানৱ আত্মাৰ মাজত নিহিত আনন্দৰ হেতু এনে হয়, যে যেতিয়াই মানুহ কেৱল ভৌতিক বা প্রাকৃতিকৰ ওপৰলৈ উঠে, তেতিয়াই তেওঁ জীৱনৰ চিন্তা, উৎকণ্ঠাবোৰক পাহৰিবলৈ সক্ষম হৈ পৰে। এই কাৰণেই Tagore য়ে মানুহৰ স্বৰূপৰ এই দিশটোক 'জীৱন দেৱতা' (Jivan Devata) আখ্যা দিছে। 'Jivan Devata' হৈছে মানুহৰ মাজত ঈশ্বৰ বা দেৱতা, মানুহৰ মাজত উপস্থিত থকা দেৱত্ব, যিয়ে মানুহক ঈশ্বৰৰ ৰূপত পৰিণত কৰে। তেওঁ অনুভৱ কৰে যে মানুহে পূর্ণতাৰ প্রতি ৰুচি ল'ব পাৰে কেৱল তেতিয়াহে যেতিয়া ইয়াক মানবীয় কৰা হয়। তেওঁৰ ঈশ্বৰ নাইবা বিশ্বজনীন আত্মা স্বর্গত বাস নকৰে বৰং মানুহৰ হৃদয়ত বাস কৰে। 'The Religion of Man' শীর্ষক গ্রন্থখনত ইয়াৰ উদ্দেশ্য বর্ণনা কৰোঁতে Tagore য়ে কয় 'The idea of humanity of our god, orthe Divinity of Man, the eternal is the main subject of this book' (আমাৰ ঈশ্বৰৰ মানৱীয়তাৰ ধাৰণা নাইবা মানুহৰ দেৱত্ব, শাশ্বত ই হৈছে এই গ্রন্থখনৰ প্রধান বিষয়)। ই সঁচা অর্থত Tagore ৰ ঈশ্বৰৰ মানবীয়কৰণৰ অর্থক দর্শাইছে। B.K. Lal ৰ গ্রন্থ 'Indian Philosophy' ত Tagore ৰ ঈশ্বৰৰ মানবীয়কৰণৰ এক স্পষ্ট ছবি ফুটি ওলাইছে। ' .....At times, Man is raised higher to the status of god, at other times, God is brought down to man in so far as divinity is said to be discrnable in the heart of Man."

২.৭ ধর্মই হৈছে মানৱতাৰ ভেঁটি

Tagore ৰ ধর্মৰ ধাৰণাটো মানৱতাবাদৰ ৰঙেৰে আবৃত। তেওঁ আগবঢ়োৱা ধর্মৰ বিষয়টো হৈছে এক পৰম প্রেমৰ জৰিয়তে, ব্যক্তিসত্ত্বাৰ মাজত সার্বজনীন (Universal) ৰ উপলব্ধি। তেওঁৰ মানৱতাবাদী মনোভাৱে তেওঁৰ ধর্মীয় চিন্তাধাৰাকে ব্যাপ্ত কৰিছে। যদিও, তেওঁ প্রথম অৱস্থাত ব্রহ্ম-সমাজী ৰূপে ব্রহ্মসমাজ আৰু শাস্ত্রসম্মত হিন্দুধর্ম সংযোজন কৰি এক ধর্মৰ বিকাশ কৰিছিল, শেষত তেওঁ বিশ্বাস কৰিছিল তাক, যাক তেওঁ 'মানৱ ধর্ম' ('The religion of Man') আখ্যা দিছিল। তেওঁ দাবী কৰে যে সকলো ধর্মীয় নীতি নিয়মৰ প্রতি যি বিশ্বাস কৰে, সিয়েই সঁচা আৰু ই হৈছে মানুহৰ মাজত থকা আত্মাৰ সত্য অভিব্যক্তি। কোনোধৰণৰ প্রতিষ্ঠিত ধর্মক অনুসৰণ নকৰাকৈয়ে, তেওঁ এক সার্বিক মানৱধর্মৰ ধাৰণাক সহজে প্রকাশ কৰিব পাৰে, যাক পবিত্রম আকাৰত 'মানৱতাবাদ' হিচাপে আখ্যা দিব পৰা যায়। Tagore য়ে তেওঁৰ লিখনিত স্পষ্টকৈ প্রকাশ কৰিছে যে কিদৰে তেওঁৰ আধ্যাত্মিক উপলব্ধি লাহে লাহে মানৱ ধর্মলৈ ৰূপান্তৰ হ'ল। তেওঁ কল্পনা কৰে যে পানীৰ পানীত্ব অনিবার্য্যভাৱে ইয়াৰ এক ধর্ম আৰু জুইৰ ফিৰিঙতি জুইৰ ধর্ম; ঠিক সেইদৰে মানুহৰ ধর্ম হৈছে তেওঁৰ আভ্যন্তৰীন সত্যতা। এক ধর্মীয় অভিজ্ঞতা ৰূপে মানুহৰ ধর্ম তেওঁৰ মনৰ ভিতৰতে বিকশিত হয়। সত্য, ধর্মৰ মুখ্য উদ্দেশ্য বা লক্ষ্য হৈছে সকলোবস্তুৰ সৈতে মানুহৰ সমানতা বা সম্বন্ধৰ উপলব্ধি। সেয়েহে, ধর্ম হৈছে জীৱন আৰু অস্তিত্ব আৰু অৱশেষত ই মানৱ ধর্ম নাইবা মানুহৰ ধর্ম। সত্য ধর্ম মানুহৰ মাজত দেৱত্বৰ প্রতি এক প্রয়াস বাদে আন একো নহয়।

২.৮ প্রেম আৰু উৎসর্গা মনুষ্যত্বৰ এক অটুট অংগ

ধর্মক মানুহৰ ধর্ম ৰূপে বর্ণনা কৰি Tagore য়ে ধর্মত প্রেমৰ নিয়ম আগবঢ়াইছে। Tagore ৰ দর্শনত নিহিত হৈ থকা প্রধান নিয়মটো হৈছে প্রেম (Love)। তেওঁ পোষণ কৰে যে জগতত মানুহৰ লক্ষ্য হৈছে পৰম সত্ত্বাৰ পৰা পৃথকীকৰণৰ সচেতনতাক লুপ্ত কৰা আৰু ইয়াক লাভ কৰিব পৰা যায় আত্ম উচ্চর্গা আৰু আত্মসমর্পনৰ দ্বাৰা ইয়াক কেৱল প্রেমৰ জৰিয়তেহে উপলব্ধি কৰা হয়। Tagore কেতিয়াও ভাগৰি পৰা নাই ইয়াক পুনৰ উত্থাপন কৰি যে 'প্রেম' আসক্তিৰ পৰা পৃথক কিয়নো ইয়াৰ কোনো অহংবাদী উদ্দেশ্য নাই। প্রকৃত প্রেমে কোনো লোকৰ প্রেমৰ সৈতে নিজৰ পৰিচয় কৰায়। ই নিজতকৈ অধিক ওপৰলৈ যোৱাটো বুজায়, সেয়েহে ই আনন্দৰ এক উৎস। ইয়াৰ বাবেই প্রেম বোধ (Comprchension) হিচাপে পৰিচিত যিয়ে এক ঐক্যতাত 'সকলো' (All) বোধক নির্দেশ কৰে। প্রেমত অন্তৰ বা পার্থক্যৰ ভাৱনাৰ বিলোপ হয়। Tagore য়ে তেওঁৰ গ্রন্থ 'Sadhana' পৃষ্ঠা 29 অত উল্লেখ কৰে যে '.....The meaning of this is that whomsoever we love in him we find our own soul in the highest sense .....because in them we have grown larger, in them we have touched the great truth which comprehends the whole universe'. সেইকাৰণে, তেওঁৰ লিখনিৰ পৰা এইটো পৰিস্ফুট যে ই হৈছে একমাত্র প্রেম, যিয়ে আমাৰ বিবেকক বহল কৰিব পাৰে।

প্রেমৰ আন এটা দিশ এইযে ই ত্যাগক পূর্বানুমান কৰে। প্রেম আৰু ত্যাগ একেলগে আগবাঢ়ে এটাৰ অবিহনে আনটোৱে নিজা কার্য্য হেৰুৱাই পেলায়। মানুহে তেওঁ আধ্যাত্মিক যাত্রা প্রেমৰ কার্য্যৰ সৈতে আৰম্ভ কৰে, সেইবাবে ব্যক্তিগত বিচাৰসমূহক বলিদান দিবলৈ সক্ষম হৈ পৰে। Tagore য়ে এনেদৰে উপলব্ধি কৰিছিল যে প্রেমে মানুহৰ

ক্ষনভংগুৰ অৱস্থাক নাইকীয়া কৰে আৰু তেওঁ বিশ্বজনীন মানৱিয়তাৰ সৈতে সম্পর্কলৈ আহে। প্রেমৰ গুৰুত্বক পুনৰাবৃত্তি কৰি Tagore য়ে 'The gerdener' অত উল্লেখ কৰে 'Trust love even if it brings sorrow ..... lit seerrowful love wake in your eyes',. প্রেমৰ ব্যৱহাৰিক দিশটো উল্লেখ কৰি Tagore য়ে কয়যে প্রেম কেৱল তাৰ বিষয়ৰ প্রতি থকা ভাৱাবেগ বা অনুভূতিপূর্ণ মনোভাৱ নহয়, যিহেতু ই নিজৰ ক্ষেত্রত কোনো ক্রিয়া দাবী কৰে। প্রেমৰ ব্যৱহাৰিক দিশটোৱে প্রেমৰ অনুভূতিৰ পৰা সৃষ্টি হোৱা আৰু প্রেমক প্রকাশ কৰা কেতবোৰ সঙ্গঁতিযুক্ত ক্রিয়াক নির্দ্দেশ কৰে। মানুহৰ সমাজত প্রেমৰ গুৰুত্বৰ প্রতি সচেতনতা বৃদ্ধি কৰিবলৈ Tagore য়ে উল্লেখ কৰে যে মানৱ ঐক্যৰ প্রেমক কিমান বেছি বিকশিত আৰু প্রকাশ কৰিব পৰা যায়, তাৰ দ্বাৰাই এটা সভ্যতাক বিচাৰ আৰু পুৰষ্কৃত কৰিব পাৰি।

২.৯ মানৰ সেৱা হৈছে মুক্তিৰ উৎস

Tagore ৰ মতে পূর্ণ স্বাধীনতা হৈছে সম্বন্ধৰ অনুৰূপতা, যাক উপনিষদে কয় যে যিয়ে সকলোতে নিজকে বিচাৰি পায়, তেওঁৰ মাজত সত্যতা কেতিয়াও বহুসময় লুকাই নাথাকে। সেয়েহে মানৱ সেৱাই হৈছে মুক্তিৰ এক উৎকৃষ্ট উৎস। মুক্তিৰ পথ বা উপায় স্বৰূপে তেওঁ ত্যাগৰ পৰিৱর্ত্তে নিষ্ঠাক হে প্রাধান্যতা দিছে। সাধাৰণতে, ভাৰতীয় দার্শনিক সকলে মুক্তিক পুনৰ জন্ম (Rebirth)ৰ স্বাধীন ৰূপে গ্রহণ কৰে। Tagore য়ে অলপ আচুটীয়াকৈ ভাৱে আৰু উল্লেখ কৰে যে পৰম আত্মাক লাভৰ বাবে ব্যক্তিগত আত্মাৰ ত্যাগে সঠিকভাৱে ইয়াৰ প্রতি থকা নিষ্ঠাকে বুজায়। মানৱসত্তাই নিষ্ঠাৰ মাজতে আনন্দ বিচাৰি পায়। সেইবাবে মুক্ত আত্মা এক সম্পূর্ণ ভিন্ন ব্যক্তি নাইবা এক পৃথক গোট হৈ নপৰে। আনহাতে, তেওঁৰ আত্মকেন্দ্রিক দৃষ্টিকোনে প্রেম আৰু আনন্দক স্থান প্রদান কৰে।

মানুহৰ পৰম লক্ষ্য হৈছে অমৰত্ব তথা পূর্ণ স্বতন্ত্র্যতাৰ উপলব্ধি। ই এনে এক অৱস্থা, য'ত মানুহে তেওঁৰ অহংবাদী জীৱনৰ উর্দ্ধলৈ গমন কৰে আৰু সকলো বস্তুৰে এক অপৰিহার্য ঐক্যতাৰ উপলব্ধিক লাভ কৰে। ই আনকি তেওঁক সুখ-দুখ, আৰু ভাল বেয়াৰ মাজৰ পার্থক্যবোৰ ওপৰলৈ আগবাঢ়ি যোৱাত সক্ষম কৰি তোলে, কিয়নো এইবোৰ পার্থক্য উদয় হয় কেৱল তেতিয়াহে, যেতিয়া আমি 'মোৰ' আৰু 'তোমাৰ' মাজৰ পার্থক্যক বিশ্বাস কৰো। গীতক অনুসৰণ কৰি Tagore য়ে এই কথাও বিশ্বাস কৰে যে প্রেমৰ বাবে কর্মই কার্যৰ সৈতে স্বাধীনতাক চামিল কৰে। স্বাধীনতাৰ এজন অগাধ বিশ্বাসী হিচাপে তেওঁ উল্লেখ কৰে যে স্বাধীনতাৰ অর্থ হৈছে বিবেকৰ স্বাধীনতা, অহংক অতিক্রম কৰি আনৰ সৈতে আমাৰ সম্বন্ধক বিচাৰ আৰু স্ববন্ধন কৰা। এই ধাৰণাটোক প্রতিষ্ঠা কৰাৰ অর্থে তেওঁ শান্তি নিকেতনত এক শৈক্ষিক অনুষ্ঠান প্রতিষ্ঠা কৰিছিল, য'ত তেওঁ এই ধাৰণা হাজিৰ কৰিছিল, কিন্তু কেতিয়াও প্রচাৰ কৰা নাছিল। এই দিশটোৱে Tagore ক প্রত্যেকজন মানৱ আত্মাৰ স্বাধীনতাৰ এজন সমাজ সংস্কাৰকৰ ৰূপত প্রতিপন্ন কৰিছে আৰু সেইবাবে তেওঁ প্রকৃত অর্থত মানৱতাবাদী।

২.১০ মনুষ্যত্ব সমাজতকৈ মহান

Tagore ৰে তেওঁৰ বিস্তৃত সাহিত্যৰ জৰিয়তে মানুহৰ চৰিত্র আৰু ভাৱ অনুভূতি সমূহৰ সকলো সম্ভাৱনীয় সিদ্ধান্তক প্রকাশ আৰু বিশ্লেষণ কৰিছে। Tagore ৰৰ মানৱতাবাদৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশটো হৈছে যে তেওঁ

মানৱতাবাদক সমাজৰ তুলনাত মহানৰূপে স্বীকাৰ কৰিছে। তেওঁ বিশ্ব ভাতৃত্ববোধক পোষণ কৰে আৰু তেওঁৰ কবিতাসমূহে (বিশেষতকৈ তেওঁৰ জীৱনৰ শেষৰ ফালে লিখা) তেওঁৰ মানৱতাবাদৰ দৰ্শনকে প্ৰতিফলিত কৰে, য'ত তেওঁ মানুহৰ মাজত বিৰাজমান দেৱত্ব (Divinity) ক আঙুলিয়াই দেখুৱাইছে। Tagore ৰ মানৱতাবাদ বৈদান্তিক নীতিশাস্ত্ৰৰ দ্বাৰা নিৰ্দেশিত হৈছে আৰু গ্ৰহণ কৰিছে যে নৈতিক নিয়ম বা আইন মানুহৰ সৃষ্টি আৰু ই হৈছে আশ্চৰ্য্যজনক সত্যতাৰ সৃষ্টি যে মানুহে আনৰ মাজত নিজকে বেছি উপলব্ধি কৰিব পৰা হৈ পৰে। Tagore য়ে অনুভৱ কৰে যে আমাৰ অভিমান নাইবা স্বহিতাৰ্থে আমি আনৰ ওপৰত আৰোপ কৰা পতনে আমাৰ নিজস্ব মানৱীতাৰে পতন আনে। আত্মাৰ মাজত অস্তিত্বশীল বিশ্বভাতৃত্ব, অৰ্থাৎ মানৱ জাতিৰ আধ্যাত্মিক একতাৰ জগতত শান্তি বজায় ৰাখিবলৈ প্ৰয়োজনীয়। তেওঁ উল্লেখ কৰে যে সৌন্দৰ্য্যাত্মক বোধৰ বিকাশ আৰু কলাত্মক সংবেদনশীলতাৰ উন্নতি সাধনে আমাক জাতিৰ তুলনাত মানৱীয়তাক উচ্চ স্থানত অৱতানৰ কৰোৱাত সহায় কৰে। তেওঁৰ মতে, জগতখন এক সংগীত, যি কেতিয়াও সংগীতজ্ঞৰ পৰা পৃথক হ'ব নোৱাৰে। এই বিশ্বৰ প্ৰত্যেকটো দিশেই এই সংগীতৰ এক ধ্বনি আৰু সেইবাবে, বিশ্বৰ প্ৰত্যেক দিশেই অসীমতাক প্ৰতিফলিত কৰে। কলা, সঙ্গীত আৰু সৌন্দৰ্য্যাত্মক বোধ আদি হৈছে কেতবোৰ উপায়, যাৰ জৰিয়তে মানুহে বিশ্বভাতৃত্ববোধ, মানৱতাৰ অনুভূতি আদিৰ বিকাশ ঘটাৱ পাৰে। Tagore য়ে মন্তব্য কৰে যে যেতিয়া এজন মানুহে জগতৰ লগত থকা তেওঁৰ সম্বন্ধক উপলব্ধি নকৰে, তেওঁ বন্দী-গৃহত বাস কৰে, যাৰ বেৰবোৰ তেওঁৰ বাবে অচিনাকী। যেতিয়া তেওঁ সকলো বস্তুতে চিৰন্তন আত্মাক বিচাৰি পায়, তেতিয়া তেওঁ মুক্তি লাভ কৰে আৰু তেতিয়াই তেওঁ জগতৰ পূৰ্ণ তাৎপৰ্য্য আৱিষ্কাৰ কৰে, য'ত তেওঁ জন্ম গ্ৰহণ কৰে; তেতিয়া তেওঁ সম্পূৰ্ণ সত্যতাত নিজকে বিচাৰি পায় আৰু সকলোৰে সৈতে তেওঁৰ একতা প্ৰতিষ্ঠিত হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ Tagore ৰ মানৱতাবাদৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ Tagore য়ে বৰ্ণনা কৰা মানুহৰ স্বৰূপৰ প্ৰয়োজনীয় দিশ দুটা কি কি?

প্ৰশ্ন ৬ ঃ প্ৰকৃত ধৰ্মৰ উদ্দেশ্য কি?

২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- Tagore এজন ব্যৱস্থাগত দাৰ্শনিক নাছিল। কিন্তু তেওঁ এজন পূৰ্ণ মানৱ ৰূপে জনাজাত আছিল, যিজনে তেওঁৰ কবিতাৰ মাজত ধৰ্ম, সৌন্দৰ্য্যবিদ্যা, শিক্ষা, জাতিয়তাবাদ আৰু সামাজিক গতিবিজ্ঞানৰ পৰা আৰম্ভ কৰি আন্তৰাষ্ট্ৰীয়বাদ আৰু জাতি সম্বন্ধ এই সকলোকে সামৰি ৰাখিছে।
- মানৱতাবাদ হৈছে আধিবৈভৌতিক বিষয়তকৈ মানৱজাতিৰ প্ৰতি থকা প্ৰাথমিক গুৰুত্বৰ সৈতে জড়িত চিন্তাৰ এক বৌদ্ধিক ৰূপৰেখা নাইবা ব্যৱস্থা। ই এক দাৰ্শনিক দৃঢ়তা যিয়ে ব্যক্তিগত আৰু সামূহিকভাৱে মানৱজাতিৰ মূল্য ও অভিকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

- মানুহে নাইবা ব্যক্তিত্বৰ বিষয়ে ৰ মতামত সমূহ তেওঁৰ লিখনি বিশেষকৈ (Sadhana, 1913), (Personality 1917), (Creative Unity 1922), আৰু (The Religion of Man 1930) ত দেখিবলৈ পোৱা যায়।
- Tagore ৰ মানৱতাবাদী মনোভাৱে তেওঁৰ চিন্তাধাৰাৰ সকলো দিশকে ব্যাপ্ত কৰি ৰাখিছে। তেওঁৰ দর্শন মানৱজাতিৰ সৈতে জড়িত, যাক মানৱতাবাদ ৰূপে জনা যায়। Tagore ৰ লিখনি, চিত্র আৰু কবিতা, সমূহত আমি সদায় এক মানৱ স্পর্শ বিচাৰি পাওঁ।
- প্রকৃতিয়ে মানুহক তেওঁৰ ব্যক্তিত্ব বিকাশত সহায় কৰে যিমানেই মানুহে তাৰ সৌন্দর্য্যক প্রকট কৰে। মানুহে প্রকৃতিৰ সৈতে বিকশিত হয়, সিমান দূৰলৈ যিমান দূৰলৈ তেওঁ নিজকে প্রকৃতিৰ সৈতে পৰিচিত হ'ব পাৰে আৰু ইয়াক তেওঁৰ যোগাযোগৰ বাহক কৰি ল'ব পাৰে।
- মানুহৰ স্বৰূপ সম্বন্ধীয় বর্ণনাত Tagore ৰ থকা এক গভীৰ অন্তদৃষ্টিয়ে এই সত্য প্রকাশ কৰে যে মানুহৰ স্বৰূপ বা প্রকৃতিৰ দুটা প্রয়োজনীয় দিশ আছে; নিম্ন নাইবা সসীম দিশ আৰু উচ্চ নাইবা অসীম দিশ। ভৌতিক নাইবা সসীম দিশটো জৈৱিক, শাৰিৰীক আৰু মানসিক সত্যতাৰ আধাৰত নিৰূপিত হয়। আনহাতে, মানুহৰ অসীম দিশ অর্থাৎ আধ্যাত্মিক উচ্চ বিষয়টোৰ প্রেম আৰু স্পৃহাক প্রকাশ কৰে।
- এক প্রতিষ্ঠিত ধর্মৰ অধীন নোহোৱাকৈয়ে তেওঁ সহজে এক বিশ্বজনীন মানৱ ধর্মৰ ধাৰণাটোক প্রকাশ কৰিছে, যাক 'মানৱতাবাদ' হিচাপে নামাকৰণ কৰিব পৰা যায়। সত্য ধর্মৰ প্রধান উদ্দেশ্য হৈছে সকলোৰে সৈতে এজন ব্যক্তিৰ সম্বন্ধৰ উপলব্ধি।
- Tagore ৰ দর্শনত নিহিত প্রেমেই হৈছে প্রধান নীতি। তেওঁ পোষণ কৰে যে জগতত মানুহৰ লক্ষ্য হৈছে পৰম সত্ত্বাৰ পৰা পৃথকীকৰণৰ সচেতনতাক সংহাৰ (annihilate) কৰা আৰু ইয়াক লাভ কৰিব পাৰি কেৱল আত্ম-ত্যাগ আৰু আত্ম সমর্পনৰ দ্বাৰাহে। ইয়াক উপলব্ধি কৰিব পৰা যায় কেৱল প্রেমৰ জৰিয়তেহে।
- Tagore য়ে উল্লেখ কৰে যে স্বাধীনতাৰ অর্থ হৈছে বিবেকৰ স্বাধীনতা 'অহং' ক অতিক্রমি আনৰ সৈতে আমাৰ সম্বন্ধক বিচাৰ আৰু স্ববন্ধন কৰা।
- আমাৰ মাজত অস্তিত্বশীল বিশ্বভাতৃত্ব, অর্থাৎ মানৱ জাতিৰ আধ্যাত্মিক একতা জগতত শান্তি বজাই ৰাখিবলৈ অতি আৱশ্যকীয়। সৌন্দর্য্যত্মক বোধৰ বিকাশ আৰু কলাত্মক সংবেদনশীলতাৰ উন্নতিসাধনে আমাক জাতিৰ তুলনাত মানৱীয়তা উচ্চস্থানত অৱতৰণ কৰোৱাত সহায় কৰে।

২.১২ অধিক জানিবলৈ

1. Tagore, R.N. (1917). Personality, London, Macmillan & Co.
2. Tagore, R.N. (1949). The Religion of Man. London George Allen and Unwin.
3. Tagore, R.N. (1950). Creative Unity, London, Macmillan & Co. (Indian Edition).
4. Tagore, R.N. (1947). Sadhana, London, Macmillan & Co.
5. Tagore, R.N. (1961). Towards Universal Man Bombay, Asia Publishing House.

6. La'., Basant Kumar, (1999), Contemporary Indian Philosophy. Delhi, Motilal Banarsidas Publishers.

২.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (Sadhana, 1913), (Personality 1917), (Creative Unity 1922), আৰু (The Religion of Man 1930)

২ নং প্ৰশ্নৰ উত্তৰ ঃ Tagore ৰ মূলত এজন কবি আছিল, কিন্তু তেওঁক এজন দাৰ্শনিক হিচাপে দাবী কৰিব পৰা যায়। যদিও তেওঁ সু-সংবদ্ধ দাৰ্শনিক নিবন্ধ লিখা নাছিল, কিন্তু তেওঁ বহুতো ৰচনা আৰু বক্তৃতাৰ লেখক আছিল, য'ত তেওঁ তেওঁৰ বিশ্বদৰ্শনক এক কাব্যিক ৰূপত দৰ্শাইছে। Tagore ক এজন 'সম্পূৰ্ণ মানৱ' (Complete Man) হিচাপে জনা যায়। যিয়ে তেওঁৰ কবিতাৰ মাজত ধৰ্ম, সৌন্দৰ্য্যবিদ্যা, শিক্ষা, জাতিয়তাবাদ আৰু সামাজিক গতিবিজ্ঞানকে ধৰি আন্তঃৰাষ্ট্ৰীয়তাবাদ আৰু জাতি-সম্বন্ধ এই সকলোবোৰকে অন্তৰ্ভুক্ত কৰাইছে। ইয়ে আমাক Tagore ক এজন দাৰ্শনিক হিচাপে দাবী কৰাত ভিত্তি প্ৰদান কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱতাবাদ হৈছে স্বৰ্গীয় নাইবা আধিভৌতিক বিষয়তকৈ মানৱজাতিৰ লগত জড়িত মৌলিক গুৰুত্ব চিন্তাধাৰাৰ এক ব্যৱস্থা নাইবা এক বৌদ্ধিক দৃষ্টিভংগী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ Tagore ৰ মানৱতাবাদৰ কেইটামান বৈশিষ্ট্য হ'ল —

(ক) মানৱীয়তাৰ বান্ধোন আৰু প্ৰকৃতি হৈছে — Tagore ৰ মানৱতাবাদৰ এক গুৰুত্বপূৰ্ণ দিশ।

(খ) ইয়াত মানুহজাতিৰ জৰিয়তে ঈশ্বৰক সেৱা কৰাৰ এক আকংক্ষা থাকে।

(গ) ধৰ্ম হৈছে Tagore ৰ মানৱতাবাদৰ ভেঁটি

(ঘ) প্ৰেম আৰু ত্যাগ হৈছে মানৱতাৰ এক অভিন্ন অংশ।

(ঙ) মানৱতাৰ প্ৰতি থকা সেৱাই হৈছে মুক্তি বা মোক্ষৰ উপায়।

(চ) মানৱতা জাতিতকৈ মহান।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ Tagore ৰ দ্বাৰা বৰ্ণিত মানুহৰ স্বৰূপ বা প্ৰকৃতিৰ দুটা অপৰিহাৰ্য্য দিশ হৈছে নিম্ন নাইবা সসমী দিশ আৰু উচ্চ নাইবা অসীম দিশ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰকৃত নাইবা সত্য ধৰ্ম মানুহৰ মাজত দেৱত্বক উপলব্ধ কৰিবৰ বাবে এক প্ৰয়াসৰ বাদে আন একো নহয়। সেইবাবে, প্ৰকৃত ধৰ্মৰ উদ্দেশ্য হৈছে সকলোৰে লগত এজন ব্যক্তিৰ সম্বন্ধৰ উপলব্ধি।

২.১৪ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ মানৱতাবাদ কি?

প্ৰশ্ন ২ ঃ Tagore এজন দাৰ্শনিক হয়নে?

প্রশ্ন ৩ ঃ Tagore ৰ দ্বাৰা ৰচিত কেইখনমান গ্রন্থৰ নাম লিখক।

প্রশ্ন ৪ ঃ Tagore ৰ ধর্মৰ ওপৰত এক টোকা লিখক।

প্রশ্ন ৫ ঃ Tagore য়ে বর্ণনা কৰা মানুহৰ প্রকৃতিৰ দুটা দিশ কি কি?

প্রশ্ন ৬ ঃ মানৱতা যে জাতিতকৈ মহান এই সত্য Tagore য়ে কেনেদৰে প্রতিষ্ঠা কৰিছে?

প্রশ্ন ৭ ঃ প্রেম কি?

(খ) চমু প্রশ্ন (প্রায় 150 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ Tagore ৰ ধর্মৰ ধাৰণাটোৰ ওপৰত এটা টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ মানৱতাবাদ কি? Tagore ৰ মানৱতাবাদক চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ Tagore য়ে কিদৰে মানুহৰ লগত প্রকৃতিৰ অভিন্ন সম্পর্কক ব্যাখ্যা কৰিছে?

(গ) দীঘল প্রশ্ন (প্রায় 300-500 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ Tagore ৰ মানৱতাবাদৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ৩ ঃ বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত দৰ্শন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ বিবেকানন্দৰ দৰ্শনত থকা প্ৰভাৱসমূহ

৩.৪ বিবেকানন্দৰ দৰ্শনৰ প্ৰধান ধাৰণাসমূহ

৩.৫ বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত দৰ্শন

৩.৬ মুক্তি লাভৰ বাবে চাৰিবিধ যোগ

৩.৭ অধিক জানিবলৈ

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকেলোঁ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি -

- স্বামী বিবেকানন্দৰ জীৱন বৃত্তান্ত ব্যাখ্যা কৰিব পাৰিব,
- যিবোৰ প্ৰভাৱে বিবেকানন্দৰ ব্যক্তিত্বক গঢ় দিছিল সেই প্ৰভাৱবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত দৰ্শন সম্পৰ্কে চমুকৈ আলোচনা কৰিব পাৰিব,
- বিবেকানন্দৰ ব্যৱহাৰিক বেদান্তক ফঁহিয়াই চাব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টোৱে আপোনাক প্ৰাক স্বাধীনতা কালত ভাৰতত বাস কৰা এজন প্ৰখ্যাত ভাৰতীয় চিন্তাবিদ স্বামী বিবেকানন্দৰ জীৱন আৰু দৰ্শন সম্বন্ধে অৱগত কৰাব। স্বামী বিবেকানন্দৰ ১৮৬৩ চনৰ ১২ জানুৱাৰী তাৰিখে কলিকতাত জন্ম হৈছিল। তেওঁক নৰেন্দ্ৰ নামেৰে সৰু কালত নামকৰণ কৰা হৈছিল। তেওঁৰ দেউতাক বিশ্বনাথ দত্ত আৰু মাক ভুবনেশ্বৰী আছিল। তেওঁ কলিকতাতে স্কুলীয়া শিক্ষা লাভ কৰিছিল। তেওঁ ১৮৮৪ চনত বি.এ. পাছ কৰিছিল। তেওঁ পঢ়া-শুনা, শৰীৰ চৰ্চা, সংগীত চৰ্চা, সাহিত্য চৰ্চা, ঘোঁৰা দৌৰা, সাতোঁৰা, মল্লযুদ্ধ ইত্যাদি সকলো দিশতে পাৰদৰ্শিতাৰ পৰিচয় দিছিল।

শৈশৱ কালৰপৰা বিবেকানন্দ বৰ ধাৰ্মিক আৰু অনুসন্ধিৎসু মনৰ আছিল। সেই স্বভাৱৰ বাবেই তেওঁ বহুতো ভাৰতীয় ধাৰ্মিক তথা পাশ্চাত্য চিন্তাধাৰাৰ গ্ৰন্থ ভালদৰে অধ্যয়ন কৰিছিল। ইয়াৰ পিছত তেওঁৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো আছিল যেতিয়া তেওঁ ১৮৮১ চনত দক্ষিণেশ্বৰত ৰামকৃষ্ণ পৰমহংসক লগ পাইছিল আৰু তেওঁকেই বিবেকানন্দই তেওঁৰ জীৱনৰ বন্ধু, দাৰ্শনিক তথা পৰামৰ্শদাতা হিচাপে গ্ৰহণ কৰিছিল। বিবেকানন্দই ভাৰতৰ প্ৰায় সকলো ঠাই পৰিদৰ্শন কৰি ভাৰতীয় লোকৰ প্ৰকৃত সামাজিক আৰু অৰ্থনৈতিক অৱস্থাটো বুজি উঠিছিল। তেওঁ অনুভৱ কৰিছিল যে যদিও ভাৰতবৰ্ষৰ এক আধ্যাত্মিক মাহাত্ম্য আছে, তথাপিও ইয়াৰ দৰিদ্ৰতা আৰু সামাজিক ব্যাধিবোৰ আতঁৰাবলৈ ইয়াৰ সংস্কৃতি সক্ষম নহয়। ইয়াৰ বাবে এক আধ্যাত্মিক বিপ্লৱৰ অতিকৈ প্ৰয়োজন। সেইবাবে, তেওঁৰ গুৰু ৰামকৃষ্ণ পৰমহংসৰ মৃত্যুৰ পিছত বিবেকানন্দই এই আধ্যাত্মিক নেতৃত্বৰ দায়িত্ব লৈছিল। তেওঁ ১৮৯৩ চনত চিকাগোত অনুষ্ঠিত ধৰ্মীয় মহাসভাত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল। তাত তেওঁ হিন্দুধৰ্মক পৰিচয় কৰাই প্ৰায় সোতৰ দিন অবিৰতভাৱে এঘাৰটা বক্তৃতা প্ৰদান কৰিছিল। এইদৰেই তেওঁ হিন্দুৰ বেদান্ত আৰু যোগ দৰ্শনক ইউৰোপ আৰু আমেৰিকাত পৰিচয় কৰাই দিছিল

৩.৩ বিবেকানন্দৰ দৰ্শনত থকা প্ৰভাৱসমূহ

যিহেতু বিবেকানন্দই অনুভৱ কৰিছিল যে ভাৰতীয় লোকসকলে লাহে লাহে আধ্যাত্মিক প্ৰমুল্যবোৰত বিশ্বাস হেৰুৱাই পেলাইছে সেইবাবে তেওঁ এক আধ্যাত্মিক জাগৰণ আনিবৰ বাবে ভাৰতীয় লোকসকলৰ সামাজিক, ধাৰ্মিক আৰু অৰ্থনৈতিক অৱস্থাৰ বুজ লৈছিল। তেওঁ সেই সময়ত সমাজত প্ৰচলিত ধৰ্মীয় গোঢ়ামি আৰু অন্ধবিশ্বাসবোৰ আঁতৰাব বিচাৰিছিল। তেওঁ সমাজত বাস কৰা সাধাৰণ মানুহবোৰৰ মাজত এক আধ্যাত্মিক সচেতনতাৰ সৃষ্টি কৰি ধৰ্মীয় পৰিৱৰ্তনৰ সূচনা কৰিছিল।

বিবেকানন্দৰ চিন্তাধাৰা পৌৰাণিক হিন্দু দৰ্শনৰ পৰা বিশেষকৈ বেদান্ত দৰ্শনৰপৰা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। তেওঁৰ দৰ্শনৰ প্ৰধান চিন্তাধাৰা উপনিষদ আৰু বেদান্ত দৰ্শনৰ পৰা প্ৰভাৱিত হৈছিল। বেদান্ত দৰ্শনৰ পৰা তেওঁ ব্যক্তিৰ ধাৰণা, ব্যৱহাৰিক বেদান্ত দৰ্শনৰ ধাৰণা বিশেষকৈ সকলো বস্তুৰ মাজৰ ঐক্যৰ ধাৰণাটো বেদান্ত দৰ্শনৰ পৰাই গ্ৰহণ কৰিছিল। তেওঁ সময়ৰ প্ৰয়োজন অনুসৰি বেদান্ত দৰ্শনক নতুনকৈ ভাঙনি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। বিবেকানন্দৰ মতে, মানুহে মোক্ষ বা নিৰ্বাণ লাভ কৰিবলৈ হ'লে আধ্যাত্মিক উন্নতিৰ প্ৰয়োজন। এই আধ্যাত্মিক উন্নতি তেতিয়া হ'ব যেতিয়া ব্যক্তিয়ে নিজকে বেদান্ত দৰ্শনৰ শিক্ষাসমূহ গ্ৰহণ কৰি নিজৰ জীৱনত তাক প্ৰয়োগ কৰিব।

বিবেকানন্দই বৌদ্ধ দৰ্শনৰ বোধিসত্ত নামৰ আদৰ্শৰ পৰা মানৱ কল্যাণৰ ধাৰণা, সম্যক কৰ্মান্ত, অজীৱ আৰু মানুহৰ হিত চিন্তা কৰা ইত্যাদি ধাৰণাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁ আকৌ খ্ৰীষ্টিয়ান ধৰ্মৰ মানৱ কল্যাণৰ বাবে কৰা কাম আৰু মানুহৰ প্ৰতি থকা মৰম-ভালপোৱাৰ আদৰ্শৰ দ্বাৰাও অনুপ্ৰাণিত হৈছিল। তেওঁৰ মতে— মানুহৰ মাজত থকা দেৱত্বৰ ধাৰণা, অসীম আত্মবিশ্বাস আৰু আশাবাদী বিশ্বাসে দৰাচলতে খ্ৰীষ্টিয়ান ধৰ্মত থকা ঈশ্বৰ ৰাজ্য (Kingdom of God) খনকে আঙুলিয়াই। ইয়াৰ উপৰিও ভগবৎ গীতাৰ নিষ্কাম কৰ্মৰ আদৰ্শইও তেওঁৰ ওপৰত অহৰহ প্ৰভাৱ বিস্তাৰ কৰিছিল।

কিন্তু তেওঁৰ জীৱনত সবাতোকৈ প্ৰভাৱ বিস্তাৰ কৰিছিল তেওঁৰ গুৰু ৰামকৃষ্ণ পৰমহংসই যিয়ে তেওঁৰ গোটেই জীৱন আৰু তেওঁৰ উদ্দেশ্যেক নতুনকৈ গঢ় দিছিল। ৰামকৃষ্ণই তেওঁক আত্মাৰ মহত্ব বা দেৱত্ব, ঈশ্বৰৰ অদ্বৈত, অস্তিত্বৰ একত্ব বা ঐক্য সকলো ধৰ্মৰ একতা ইত্যাদি সম্বন্ধে জ্ঞান দিছিল। ৰামকৃষ্ণই বিবেকানন্দক আধ্যাত্মিক শিক্ষা আৰু ধ্যান সম্বন্ধেও প্ৰশিক্ষণ দিছিল।

৩.৪ বিবেকানন্দৰ দৰ্শনৰ প্ৰধান ধাৰণাসমূহ

বিবেকানন্দ এজন ব্যৱহাৰিক বেদান্তিক যিয়ে ভাৰতীয় চিন্তাধাৰাক পুনৰুজ্জীৱিত কৰিছিল। তেওঁৰ বেদান্তিক চিন্তাধাৰা কেৱল বিমূৰ্ত অধিবিদ্যামূলক ব্যৱস্থা নাছিল। সচৰাচৰ ব্যক্তিক আত্মাৰ সহায়ত নিৰ্দেশ কৰা হয়। কিন্তু বিবেকানন্দই ব্যৱহাৰিক আধ্যাত্মিকতাৰ কথা কৈছিল। যিকোনো এজন মানুহে যেতিয়া নিজৰ শৰীৰ সম্পৰ্কে চিন্তাচৰ্চা কৰে তেতিয়া তেওঁ মন সম্পৰ্কে পাহৰি যায় আৰু মন সম্পৰ্কে চিন্তাচৰ্চা কৰিলে শৰীৰ সম্পৰ্কে পাহৰি যায়। কিন্তু এই শৰীৰ আৰু মনৰ বাহিৰে ব্যক্তিৰ মাজত অমৰত্বৰ ধাৰণাটোও আছে। বিবেকানন্দৰ দাৰ্শনিক চিন্তাধাৰাত তলৰ কথাবোৰ লক্ষ্য কৰা যায়—

(১) বিবেকানন্দৰ দৰ্শনৰ প্ৰধান কাৰণ হ'ল অদ্বৈতবাদ। তেওঁৰ মতে, পৰম সত্তা হ'ল এক যি কেৱল বৰ্তমানতেই নহয়, বৰঞ্চ অতীত আৰু ভৱিষ্যততো একেই।

(২) বিবেকানন্দই নিজৰ দক্ষতাৰ ওপৰত বিশ্বাস কৰিছিল। সেইবাবে তেওঁ আনকো নিজৰ ওপৰত আত্মবিশ্বাস ৰাখিবলৈ অনুপ্ৰেৰণা যোগাইছিল। তেওঁ বিশ্বাস কৰিছিল যে প্ৰত্যেক মানুহৰে ভিতৰত ব্ৰহ্মাৰ শক্তি বিদ্যমান আৰু ধৰ্মই হৈছে প্ৰত্যেক মানুহৰ মাজত সঞ্জীৱিত সেই দেৱত্বৰ শক্তি।

(৩) তেওঁ বিশ্বাস কৰিছিল যে প্ৰত্যেক ব্যক্তিয়ে নিজৰ জীৱনত ঈশ্বৰক (God) অনুভৱ কৰিব পাৰে।

(৪) ঈশ্বৰক অনুভৱ কৰিবলৈ প্ৰত্যেক মানুহক সহিষ্ণুতা গুণ লাগিব। কোনো ধৰ্মই ডাঙৰ বা সৰু, উন্নত বা অনুন্নত, বিশাল বা ক্ষুদ্ৰ নহয়। বৰঞ্চ সকলো ধৰ্মই একেটা সত্যক অনুসন্ধান কৰে।

(৫) বিবেকানন্দই প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত এক ভাল বা সু সম্বন্ধ স্থাপন কৰিব বিচাৰিছিল। সেইবাবে তেওঁক হিন্দু ধৰ্মৰ মাজত থকা মইমতালিবোৰৰ পৰা বহু ওপৰত আছিল। তেওঁ তাৰ বাবে ১৮৯৩ চনত আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিত ধৰ্ম মহাসভাত আন ধৰ্মৰ মানুহবোৰক ভাই-ভনী বুলি সম্বোধন কৰিব পাৰিছিল।

(৬) বিবেকানন্দই তেওঁৰ ব্যৱহাৰিক বেদান্ত দৰ্শনত সুন্দৰকৈ আলোচনা কৰা মানুহৰ আত্মাৰ স্বাধীনতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।

(৭) সকলো আত্মাই প্ৰামাণিকভাৱে স্বৰ্গীয় বা পৱিত্ৰ।

(৮) এই স্বৰ্গীয়তা বা পৱিত্ৰতাক প্ৰকাশ কৰাটোৱেই প্ৰধান উদ্দেশ্য। যিটো কেৱল অন্তৰ্ৱৰ্তী আৰু বহিৰ্ৱৰ্তী স্বভাৱক বা প্ৰকৃতিক শাসন কৰিহে কৰিব পাৰি।

(৯) ব্যক্তিৰ অত্যাৱশ্যক প্ৰকৃত গুণ হ'ল সৎচিৎ আনন্দ (Pure consciousness) যি সৎ, মুক্ত আৰু নিত্য (Pure, free, eternal)।

(১০) ব্যক্তি এই অসীম সত্তাৰ অনুভৱৰ লগত এক আৰু এইটোৱেই সকলো ব্যক্তিৰ জীৱনৰ পৰম লক্ষ্য।

(১১) যিহেতু অসীম অনন্ত ব্যক্তি হৈছে সৎ যি দেশ, কাল আৰু কাৰণত্বৰ দ্বাৰা সীমিত নহয়। সেয়েহে প্রত্যক্ষগত ব্যক্তি হৈছে সসীম বা সীমিত।

(১২) যিমানে ব্যক্তিয়ে নিজকে অসীমৰ (Infinite) লগত এক বুলি অনুভৱ কৰে, সিমানে তেওঁ গোটেই মানৱ জাতিৰ লগত একত্ব অনুভৱ কৰিব।

(১৩) শিক্ষাই হৈছে ইতিমধ্যে ব্যক্তিৰ মাজত থকা পূৰ্ণতাৰ প্রকাশ।

(১৪) ধর্মই হৈছে ইতিমধ্যে ব্যক্তিৰ মাজত থকা দেৱত্বৰ প্রকাশ।

(১৫) মানৱ সেৱাই হৈছে ঈশ্বৰ সেৱা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১। স্বামী বিবেকানন্দৰ জন্ম কেতিয়া হৈছিল?

প্রশ্ন নং ১। তেওঁ স্কুলীয়া শিক্ষা ক'ত গ্রহণ কৰিছিল?

প্রশ্ন নং ৩। তেওঁ ৰামকৃষ্ণ পৰমহংসক কেতিয়া লগ পাইছিল?

প্রশ্ন নং ৪। ধর্ম মহাসভা কোন চনত অনুষ্ঠিত হৈছিল?

প্রশ্ন নং ৫। বিবেকানন্দৰ দর্শন পৌৰাণিক হিন্দু দর্শনৰ দ্বাৰা প্রভাৱিত হৈছিল নে?

প্রশ্ন নং ৬। তেওঁ বৌদ্ধ আদর্শৰ দ্বাৰা অনুপ্রাণিত হৈছিল নে?

প্রশ্ন নং ৭। বিবেকানন্দৰ ৰাজনৈতিক দর্শনৰ প্রধান ধাৰণাটো কি?

প্রশ্ন নং ৮। খালী ঠাই পূৰণ কৰক ঃ

(ক) শৈশৱতে বিবেকানন্দক _____ নামেৰে জনা হৈছিল।

(খ) বিবেকানন্দই _____ ক তেওঁৰ বন্ধু, দার্শনিক আৰু পৰামর্শদাতা হিচাপে গ্রহণ কৰিছিল।

(গ) ধর্ম মহাসভা _____ চনত আমেৰিকাৰ চিকাগো চহৰত অনুষ্ঠিত হৈছিল।

(ঘ) বিবেকানন্দক _____ বেদান্তিক নামেৰে জনা যায়।

৩.৫ বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত দর্শন

অদ্বৈত বেদান্তৰ পৰম্পৰা অনুসৰি বিবেকানন্দৰ ব্যক্তিত্বৰ মাজত বিদ্যমান অসীম সম্ভাৱনাৰ ওপৰত অটুত বিশ্বাস আছিল। তেওঁৰ বাবে অটল ব্যক্তি হ'ল এক অসীম উৎস যাক এটা সৰু বাকচৰ ভিতৰত বন্ধ কৰি থোৱা হৈছে আৰু সেই উৎসবোৰে নিজে নিজেই সেই বাকচটোৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰে। ফলস্বৰূপে আমি সকলো সামাজিক ঘটনা পৰিঘটনা দেখিবলৈ পাওঁ। সকলো মানুহৰ মাজতেই তেওঁলোকৰ বর্তমান উন্নতিৰ স্থিতিতকৈ নিজকে অধিক উন্নত কৰিব পৰা সম্ভাৱনা থাকে। আমাৰ মাজত থকা সম্ভাৱনাবোৰক বিভিন্ন দিশত

আগবঢ়াই লৈ যাব পৰা স্বাধীনতা তথা ক্ষমতা আমাৰ মাজত আছে। বিবেকানন্দই কৈছিল যে মানুহক সদায় মানসিকভাৱে বাস্তৱিক বা ব্যৱহাৰিক আৰু শাৰীৰিকভাৱে শক্তিশালী হ'বলৈ শিকাব লাগে। দ্বিতীয়তে, তেওঁলোকে যাতে কোনো ব্যক্তিগত আদৰ্শ লাগিলে যিমান মহান নহওক কিয়, অনুকৰণ নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। "Imitation, cowardly imitation never makes for progress. It is verily the sign of awful degradation in a man...do not imitate! Whenever you are under the thumb of others, you lose your own independence...Bring out through your own exertions what you have."

এইদৰে বিবেকানন্দই আমাক ব্যক্তিৰ এক গতিশীল আৰু ক্ৰমবৰ্দ্ধমান (dynamic and progressive) ধাৰণা প্ৰদান কৰিছে। তেওঁৰ ব্যক্তিক দৈৱিক আত্মা (divine spirit) বুলি কোৱাৰ ধাৰণাটো প্ৰাচ্য আৰু পাশ্চাত্য উভয়লৈ এক মহান উপহাৰ। ব্যক্তিয়ে নিজৰ আত্মাৰ মাধ্যমেদি বিশ্ব আত্মাক অনুভৱ কৰিব পাৰে। কথো উপনিষদৰ মতে অদ্বৈত ব্ৰহ্ম, সৎচিৎ আনন্দ যি চিৰদিন শান্ত আৰু বিনন্দীয়া সকলো সসীম ব্যক্তিৰ মাজত বিদ্যমান তথাপিও সেই ব্ৰহ্ম সকলোৰে ওপৰত। সেইদৰে বিবেকানন্দইয়ো কৈছিল যে নিজৰ মাজত সকলো মানুহে অসীম আৰু আত্ম সচেতনতা (self-consciousness) প্ৰতিফলিত কৰে আৰু মানুহৰ ব্যক্তিত্বত এটা গুৰুত্বপূৰ্ণ দিশ হ'ল এয়ে যে ইয়াত এক প্ৰবল আত্ম সচেতনতা থাকে যিয়ে মানুহক আন সকলো প্ৰাণীৰ পৰা পৃথক কৰে। ব্যক্তিয়ে নিজৰ অন্তৰ্দৃষ্টিৰ সহায়ত নিজৰ প্ৰকৃত সত্তা বা আত্মাক যি জ্ঞাতাও তাক তেওঁৰ মনস্তাত্ত্বিক তথা শাৰীৰিক গঠনৰ পৰা পৃথক কৰে। জীৱৰ মাজৰ পাৰ্থক্যসমূহ কেৱল এই মনস্তাত্ত্বিক আৰু শাৰীৰিক গঠনৰ ফালৰ পৰাহে হয়, আভ্যন্তৰীণ আত্মাৰ প্ৰকৃতি বা স্বভাৱৰ পৰা নহয়। প্ৰকৃতাৰ্থত আত্মা হৈছে সৎ, চিৎ, উজ্জ্বল আৰু ব্ৰহ্মাৰ লগত অনুৰূপ। জগতৰ সকলো জীৱৰ আভ্যন্তৰীণ আত্মাসমূহ ব্ৰহ্মাৰ লগত একে। কিন্তু তেওঁলোকৰ শাৰীৰিক আৰু মনস্তাত্ত্বিক গঠনৰ ফালৰপৰা ব্যক্তিভেদে তাৰ প্ৰকাশসমূহ ভিন্ ভিন্ হয়। সৎচিৎ আনন্দই সমস্ত বিশ্বব্ৰহ্মাণ্ডত উচ্চতম মুলসূত্ৰ হিচাপে বিৰাজমান, মাত্ৰ জীৱভেদে ইয়াৰ প্ৰকাশসমূহ বেলেগ বেলেগ হয়।

সৎচিৎ আনন্দই হ'ল সৌভাগ্য বা বিনন্দীয়া সুখ আৰু শুদ্ধ অস্তিত্ব। মানুহৰ স্পষ্ট বা প্ৰত্যক্ষগত দেহৰ ভিতৰত এটা সূক্ষ্ম বা উজ্জ্বল দেহ থাকে। এই উজ্জ্বল দ্ৰব্যটো মানুহৰ মৃত্যুৰ পিছটো অস্তিত্বশীল হৈ থাকে। বিশ্বাস কৰা হয় যে এই স্পষ্ট দেহটোক কিবা এটা ভৌতিক উৎসই ইচ্ছানুৰূপ গঢ় দিব পাৰে। এইটোকে আত্মা বুলি কোৱা হয় যাৰ মাজেদি উজ্জ্বল দেহে স্পষ্ট দেহৰ ওপৰত ক্ৰিয়া কৰে। বিবেকানন্দৰ মতে এই উজ্জ্বল দেহাই হৈছে সূক্ষ্ম দেহ বা ক্ষুদ্ৰ দেহ। ই হ'ল মনৰ আধাৰ। আত্মাৰ অস্তিত্ব হৈছে এই স্পষ্ট দেহ আৰু ক্ষুদ্ৰ দেহৰ বহু ওপৰত। "It is not the mind even; it works on mind, and through the mind, the body. You have an Atman, I have another, each one of us has a separate Atman and a separate mind body and through that we work on the gross external body"

স্বামী বিবেকানন্দই প্ৰত্যক্ষ ব্যক্তি আৰু প্ৰকৃত ব্যক্তিৰ মাজত এক পাৰ্থক্যকৰণ কৰিছিল। প্ৰত্যক্ষ ব্যক্তি শাৰীৰিক আৰু মনস্তাত্ত্বিক গঠনৰ দ্বাৰা গঠন হয়। প্ৰকৃত ব্যক্তি আনহাতে আত্মাৰে গঠিত হয়। তেওঁৰ মতে, "The Real Man, therefore is one and infinite, the omnipresent spirit. And the Apparent man is only a limitation of the Real Man. The apparent man however great he may be, is only a dim reflection of the Real Man who is beyond time and space. It was never bound and could not be bound. The apparent man, the reflection is limited by

time, space and causation and is therefore bound...he appears to be bound, but really is not. This is the reality in our souls, this Omnipresence, this spiritual nature, this infinity. Every soul is infinite, and therefore there is no question of birth and death."

বিবেকানন্দৰ এই প্ৰত্যক্ষ ব্যক্তি আৰু প্ৰকৃত ব্যক্তিৰ মাজত কৰা পাৰ্থক্যটো জোচিয়া ৰোইচেৰ আত্মা সম্পৰ্কে থকা মতামতৰ লগত একে। ৰোইচেৰ মতে— "A man has, as we sometimes learn, two selves– the inner and the outer, the nobler and baser. There is the natural man, who is by very essence evil, and the spiritual man, who is by nature good. It is to the natural man that the advice about self abnegation is given; it is to the spiritual self that the well-known words of Burns make their stirring appeal. The fleshly self is the root of all evil. The spiritual self belongs, by origin and by destiny, to a higher realm" উচ্চ আত্মা প্ৰকৃততে মই মুঠেই নহয়, কিন্তু মাত্ৰ আত্মাটোৱে স্থূল দেহটোৰ বিপক্ষেহে থিয় দিয়ে।

একে সময়তে, ছিগমাণ্ড ফ্ৰয়েদে যেতিয়া কোনোমতে অচেতন ধৰ্মী তত্ত্ব সূত্ৰ আৱিস্কাৰ কৰিছিল, বিবেকানন্দই তেতিয়াই কেৱল সচেতন ধৰ্মী অৱস্থাৰ কথাই কোৱা নাছিল, বৰঞ্চ তেওঁ অৰ্ধ-চেতনধৰ্মী আৰু অধি চেতনধৰ্মী অৱস্থাৰ কথাও কৈছিল। পাশ্চাত্য মনোবিজ্ঞানত অধি চেতনধৰ্মী অৱস্থা সম্পৰ্কে কোনো ধাৰণা নাই। কেৱল সদ্যহতে ড° ৰাইন আৰু আনবোৰ মনোবৈজ্ঞানিকে অলৌকিক প্ৰত্যক্ষৰ অস্তিত্বৰ সম্পৰ্কে কৈছে। বিবেকানন্দৰ ভাৰতীয় মনোবিজ্ঞানৰ ওপৰত দৃঢ় বিশ্বাস আছিল আৰু সেয়েহে তেওঁ কৈছিল যে, "The great task is to revive the whole man, as it were, in order to make him the complete master of himself. Even what we call automatic action of the organs within our bodies such as liver etc. can be made to obey our commands." তেওঁ মানুহৰ মনটোক শাসনৰ অনুগত কৰাত গুৰুত্ব প্ৰদান কৰিছিল। সেয়েহে তেওঁ কেৱল চেতনধৰ্মীকেই অনুগত কৰি ক্ষান্ত থকা নাছিল। "Just as unconscious work is beneath consciousness, so there is another work which is above consciousness. When this super conscious state is reached man becomes free and divine, death becomes immortality, weakness becomes infinite power and iron bondage becomes liberty. That is the goal, the infinite realm of the super consciousness." ফ্ৰয়েদে কাচিৎহে অধি-চেতনধৰ্মী সম্পৰ্কে আলোচনা কৰিছিল। সেয়েহে, বিবেকানন্দই কৈছিল, "Consciousness is a more film between two oceans, the subconscious and the super conscious." তেওঁ আকৌ কৈছে, "What does consciousness matter! Why it is nothing as compared to the unfathomable depths of the subconscious and the heights of the super conscious" ব্যৱহাৰিক মনোবিজ্ঞানে পোন প্ৰথমে আমাৰ সকলো শক্তিক অচেতনধৰ্মীক শাসন কৰিবলৈ পৰিচালনা কৰে আৰু বিবেকানন্দৰ মতে আমি এইটো কৰিব পাৰো। "But mind you, if the power of evil is in the unconscious so also is the power of good... True Psychology, would therefore, try to bring them under the control of the conscious. "

৩.৬ মুক্তি লাভৰ বাবে চাৰি প্ৰকাৰৰ যোগ সাধনা

মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতিৰ বাবে ঋষি পতঞ্জলীয়ে প্ৰৱৰ্তন কৰা যোগ দৰ্শন বৰ উপযোগী। মোক্ষ লাভ কৰিবৰ বাবে ভাৰতীয় দাৰ্শনিকসকলে যেনে যাজ্ঞবলকৰ পৰা একেবাৰে শ্ৰীঅৰবিন্দলৈ সকলোৱে এই যোগ সাধনাক অতি গুণকাৰী আৰু আৱশ্যকীয় পদ্ধতি হিচাপে গণ্য কৰিছে। ইয়াৰ বাবে মানুহে নিজৰ দেহ, মন, ইন্দ্ৰিয়সমূহ, বুদ্ধি আৰু অহং ভাৱক শাসন কৰি শুদ্ধ আত্মাক অনুভৱ কৰিবলৈ যোগ সাধনাৰ বিভিন্ন পদ্ধতিসমূহ জনাটো নিত্যান্তই দৰকাৰী। ব্যক্তিয়ে যাতে নিজৰ আত্মাক অনুভৱ কৰিব পাৰে তাৰ বাবে যোগ দৰ্শনে এক ব্যৱহাৰিক পথ নিৰ্দেশ কৰে।

এইটো এটা গুৰুত্বপূৰ্ণ বিষয় যে মানুহে কেনেদৰে মুক্তি বা মোক্ষা লাভ কৰিব পাৰে? বিবেকানন্দৰ মতে যোগ সাধনাৰ দ্বাৰা এই মুক্তি বা মোক্ষ লাভ কৰিব পাৰি। 'যোগ' শব্দটোৱে এফালে ঐক্য আৰু আনফালে অসীম সত্তাক উপলব্ধি কৰি তাৰ লগত একত্ব অনুভৱ কৰিবলৈ সসীম ব্যক্তিয়ে কৰা অহোপুৰুষাৰ্থক বুজায়। মানুহৰ মনৰ লগত সামঞ্জস্য ৰাখি মোক্ষ লাভ কৰিবলৈ চাৰি প্ৰকাৰৰ যোগ সাধনাৰ অৱতাৰণা কৰা হৈছে। সেইবোৰ হ'ল— (১) কৰ্ম যোগ (২) জ্ঞান যোগ (৩) ভক্তি যোগ আৰু (৪) ৰাজ যোগ।

(১) কৰ্ম যোগ ঃ এই যোগে নিষ্কাম বা নিস্বাৰ্থ কাম আৰু ঈশ্বৰতে নিজকে আত্ম সমৰ্পনকে নিৰ্দেশ কৰে। প্ৰত্যেক ব্যক্তিয়ে নিস্বাৰ্থভাৱে ফলৰ কোনো আশা নকৰাকৈ নিজৰ দায়িত্ব তথা কৰ্তব্যসমূহ সম্পাদন কৰি যাব লাগে। কৰ্ম যোগ হ'ল নিস্বাৰ্থ কৰ্ম কৰি যোৱাৰ এক পথ যিয়ে জ্ঞান লাভ কৰাত সহায় কৰি মোক্ষ লাভ কৰাৰ পথ প্ৰশস্ত কৰে।

(২) জ্ঞান যোগ ঃ অবিদ্যাৰ পৰাই যে মায়া বন্ধনৰ সৃষ্টি হয় সেই সত্যক উপলব্ধি কৰাত জ্ঞান যোগে সহায় কৰে। ব্ৰহ্মজ্ঞানেই হৈছে প্ৰকৃত জ্ঞান। ইয়াৰ বাবে দেহ, ইন্দ্ৰিয়সমূহ নিজৰ বশ কৰাটো অতিশয় প্ৰয়োজন। জ্ঞান যোগে ব্যক্তিক এই পাৰ্থিৱ সুখবোৰ পৰিহাৰ কৰিবলৈ শিক্ষা দিয়ে।

(৩) ভক্তি যোগ ঃ একান্ত উপাসনাৰ যোগেদি ঈশ্বৰক উপলব্ধি কৰিবলৈ ভক্তি যোগে উদ্বুদ্ধ কৰে। পৰম সত্তাৰ লগত ঐক্য অনুভৱ কৰিবলৈ ই হ'ল এক শৃংখলিত ভক্তি মাৰ্গ। বিবেকানন্দৰ মতে মানুহৰ নিজৰ আবেগ অনুভূতিবোৰক প্ৰকাশ কৰিব পৰা ক্ষমতা আছে যিয়ে পিছলৈ তেওঁলোকৰ কাৰ্যকলাপত বিশেষভাৱে অৰিহণা যোগায়। সেয়েহে এই আবেগ, অনুভূতিবোৰক নিয়মিতভাৱে ঈশ্বৰক বুজিবলৈ ব্যৱহাৰ কৰিব পাৰি। এইদৰে এক সাধাৰণ আবেগক এক শক্তিশালী আবেগলৈ আৰু এক সাধাৰণ মৰমক এক স্বৰ্গীয় মৰমলৈ ৰূপান্তৰিত কৰিব পাৰি। ইয়াকেই ভক্তি মাৰ্গ বোলা হয়। ইয়াৰ বাবে একান্ত উপাসনাৰ প্ৰয়োজন। ভক্তি দুই ধৰণৰ— (১) পূৰ্ব প্ৰয়োজনীয় ভক্তি (২) উচ্চতম ভক্তি।

(৪) ৰাজ যোগ ঃ মুক্তি লাভ কৰিবৰ বাবে পতঞ্জলিয়ে প্ৰৱৰ্তন কৰা এক প্ৰকাৰৰ উপায়। ইয়াত ব্যক্তিৰ মন আৰু শৰীৰত নিয়ন্ত্ৰণ কৰি কিছুমান মানসিক আৰু শাৰীৰিক ব্যায়ামৰ যেনে সমাধিৰ অনুশীলন কৰা হয়। ইয়াক ৰাজ যোগ বুলি কোৱা হয় কাৰণ ইয়াৰ দ্বাৰা অতি চমু উপায়েৰে ঈশ্বৰক উপলব্ধি কৰা যায়। এই ৰাজ যোগত আঠটা এনে নিয়ম আছে যাক একেলগে অষ্টাংগ যোগ বুলি কোৱা হয়— (১) য়াম (২) নিয়ম (৩) আসন (৪) প্ৰাণায়ম (৫) প্ৰত্যাহাৰ (৬) ধ্যান (৭) ধৰ্ম (৮) সমাধি। এই সমাধি আকৌ দুই প্ৰকাৰৰ— (ক) চেতন (খ) অচেতন। বিবেকানন্দয়ো দুই প্ৰকাৰৰ স্বাধীনতাৰ কথা কৈছিল— (ক) জীৱন মুক্তি আৰু (খ) বিদেহ মুক্তি।

তেওঁৰ মতে আমি এতিয়াও ব্যক্তি হোৱা নাই। এতিয়াও আমি ব্যক্তিত্ব লাভ কৰিবলৈ সংগ্ৰাম কৰি আছো আৰু সেয়েই হ'ল অসীম যিটো মানুহৰ প্ৰকৃত স্বৰূপ। সেইবাবে, "there is no individuality except in the Infinite." এইদৰে বিবেকানন্দই মত প্ৰকাশ কৰিছিল যে অসীম বা আত্মাই হৈছে একমাত্ৰ ব্যক্তি। ইয়াত বিভক্ত কৰিবও নোৱাৰি নাইবা ভাঙি ভাগ ভাগো কৰিব নোৱাৰি। ইয়েই হ'ল একেটা অবিভক্ত ঐক্য চিৰদিনৰ বাবে আৰু ইয়াকে ব্যক্তি বুলিব পাৰি আৰু ইয়েই হৈছে প্ৰকৃত ব্যক্তি বা ব্যক্তিৰ প্ৰকৃত স্বৰূপ। প্ৰত্যক্ষ ব্যক্তিয়ে কেৱল এই ব্যক্তিত্বক প্ৰকাশ কৰিবলৈ অহৰহ সংগ্ৰাম কৰে যিটো সম্পূৰ্ণকৈ তেওঁলোকৰ ক্ষমতাৰ বাহিৰত, কিয়নো ক্ৰমবিকাশ আত্মাৰ ক্ষেত্ৰত সম্ভৱ নহয়। এই বিশ্বখনত যিবোৰ পৰিৱৰ্তন হৈ থাকে সেইবোৰ আত্মাৰ ক্ষেত্ৰত নহয়। সেইবোৰ মাত্ৰ প্ৰকৃতিৰ ক্ৰমবিকাশ আৰু তাৰ মাজেদিয়েই আত্মাই প্ৰকাশ কৰে।

পৰম্পৰাগত হিন্দু ধাৰণা অনুসৰি দ্ৰব্যৰ মাজত সোমাই আত্মা বদ্ধ বা বান্ধোনত থাকে আৰু মানৱ জীৱনৰ লক্ষ্য হ'ল যে আত্মাটোক এই দেহ বা দ্ৰব্যৰ বন্ধনৰ পৰা মুক্ত কৰিব লাগে। বিবেকানন্দৰ মতে, মানৱ জীৱন এক যুদ্ধক্ষেত্ৰহে, কাৰাগাৰ নহয় আৰু প্ৰত্যেক মানুহৰে মাজত যথেষ্ট শক্তি থাকে যাৰ সহায়ত তেওঁলোকে সেই জীৱন যুদ্ধত জয়ী হৈ ওলাই আহিব পাৰে। তেওঁ মানৱতাৰ বিষয়ে দিয়া বাতৰিটোৱেই আছিল শক্তি তথা আশাৰ প্ৰতীক। তেওঁৰ শক্তিৰ তত্ত্বটো দৰাচলতে মানুহৰ মাজত থকা দেৱত্বৰ ধাৰণাৰ পৰাই উৎপত্তি হৈছে। "Say to your own minds, 'I am He, I am He'....That is the truth, the infinite strength of the world is yours."

কিছুমান সমালোচকৰ মতে অদ্বৈত বেদান্ত দৰ্শনে কেৱল সকলো জীৱৰ অস্তিত্বৰ আধাৰত ব্ৰহ্মকেই একমাত্ৰ সত্তা ৰূপে স্বীকাৰ কৰিছে যিয়ে সম্পূৰ্ণৰূপে মানৱীয় অস্তিত্বক মূল্যহীন কৰি তুলিছে। কিন্তু স্বামী বিবেকানন্দৰ মতে এইটো এটা ভুল ধাৰণা। ব্ৰহ্ম আৰু আত্মাৰ মিলনে এইটোৱে দৰ্শায় যে মানুহৰ মাজত প্ৰচুৰ পৰিমাণৰ শক্তি তথা সম্ভাৱনা থাকে যিয়ে তেওঁলোকক মহান তথা উচ্চ হ'বলৈ সাহস দিয়ে। ঈশ্বৰ আৰু মানুহৰ মাজৰ পাৰ্থক্য কেৱল উপাধিতহে। মানুহেই হৈছে প্ৰকাশৰ উচ্চতম আকাৰ। বিবেকানন্দৰ মতে প্ৰত্যেক ব্যক্তিয়ে নিজৰ মাজত অন্তৰ্নিহিত দেৱত্বক নিজে নিজেই উপলব্ধি কৰিব পাৰে। মানৱ জীৱনটোৱেই হৈছে এক স্বকীয় বিকাশৰ পৰিধি। প্ৰত্যেক মানুহৰে অন্তৰত নিজৰ সীমাৰ বা ক্ষমতাৰ বাহিৰলৈ গৈ বিশ্ব আত্মাক উপলব্ধি কৰাৰ এক স্বাভাৱিক মনোবৃত্তি সদায় থাকে।

মানৱ বুৰঞ্জীয়েও অৱশ্যে ইয়াকে প্ৰমাণ কৰে যে মানৱ জীৱনৰ এই উচ্চ ক্ষমতা তথা মনোবৃত্তিয়ে বিভিন্ন সময়ত বিভিন্ন ঠাইত ব্যক্তি ভেদে বিভিন্ন ভাগে বাৰে বাৰে নিজকে প্ৰকাশ কৰিছে। সেই শক্তি তথা মনোবৃত্তিবোৰ মানৱ আত্মাত ওপৰৰ পৰা প্ৰদান কৰা হোৱা নাই। বৰঞ্চ ই উৎপন্ন হৈছে "A spring of Infinite power is coiled up and is inside this little body, and that spring is spreading itself." বৰ্তমানে মানুহে আধুনিক বিজ্ঞানৰ মানৱ জীৱনলৈ আগবঢ়োৱা উপহাৰবোৰ ব্যৱহাৰ কৰি সন্তুষ্টি লাভ কৰে। তথাপিও ইয়াৰ মাজতো মানুহে নিজে নিজকে প্ৰশ্ন কৰে আমি এই অভিজ্ঞতালব্ধ বিশ্ব ব্ৰহ্মাণ্ডখনত সুখীনে? এই পৃথিৱীৰ বাহিৰত আমি কাৰোবাৰ কথা ভাবিব বা ক'ব পাৰোনে? কোনো মানুহে এনে ধৰণৰ প্ৰশ্নৰ পৰা হাত সাৰি যাব নোৱাৰে আৰু ইয়েই মানুহক অসুখী কৰি তোলে। এই সকলোবোৰ হৈছে মাত্ৰ আমাৰ অবিদ্যাৰ বাবে যাৰ ফলত আমি নিজে নিজৰ অন্তৰ আত্মাক অনুভৱ কৰিব নোৱাৰো। আমাৰ এই মানৱ দেহৰ মাজত থকা সৰু সূক্ষ্ম ব্যক্তিগত আত্মাটোৱেই হৈছে সকলো চিন্তা ভাবনাৰ মূল কাৰণ। সেইবাবে আমি এই আত্মাটোৰ প্ৰকৃত স্বৰূপ জানিবলৈ চেষ্টা

কৰা উচিত। আমাৰ আত্মাটোৱেই হৈছে পৰম সত্তাৰো আত্মা। মানুহৰ সীমিত দিশটোৱো অসীম সত্তাৰ মাজতেই অন্তর্ভুক্ত।

বিবেকানন্দ এজন পৰম্পৰাগত বেদান্ত দৰ্শনৰ গাঢ় বিশ্বাসী আছিল আৰু সেয়েহে তেওঁ মানুহক অমৰত্বৰ পুত্ৰ বুলি গণ্য কৰিছিল। একেজন মানুহে বিভিন্ন সময়ত একেটা মানৰ সত্য তথা সত্তাত বিচৰণ কৰে। সেয়েহে মানুহ সম্পর্কে আগবঢ়োৱা কোনো তত্ত্বই বর্তমানলৈ চূড়ান্ত বুলি প্রমাণিত হোৱা নাই।

ওপৰৰ আলোচনাৰ পৰা এটা কথাই ক'ব লাগিব যে বিবেকানন্দৰ একমাত্র আদর্শ আছিল উপনিষদীয় আদর্শ 'অহম্ ব্রহ্মাস্মি' — 'ময়েই ব্রহ্ম'ক উপলব্ধি কৰা।

এইদৰেই বিবেকানন্দ এজন সঁচা অর্থত বেদান্ত দর্শনৰ সমর্থক আছিল। তেওঁৰ সকলোবোৰ আলোচনাৰ মাজৰ পৰা এইটো ধাৰণাই ওলাই যে সসীম ব্যক্তি আৰু অসীম সত্তা নিতান্তই একেটা সত্তা। সেই অসীম সত্তাই একোজন ব্যক্তিৰ মাজেৰেই নিজকে প্রকাশ কৰে। তেওঁ ব্যক্তি সম্পর্কে দিয়া ধাৰণাই প্রাচ্য আৰু পাশ্চাত্য, পৰম্পৰাগত তথা আধুনিক ব্যক্তি সম্পর্কে থকা ধাৰণাসমূহ একে লগ কৰিছে। ইয়াৰ উপৰিও তেওঁৰ মতবাদটো আধুনিক বিজ্ঞানৰ লগতো খাপ খায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯। তলৰ উক্তিবোৰ সঁচা নে মিছা লিখক ঃ—

(ক) বিবেকানন্দৰ ১২ জানুৱাৰী তাৰিখে কলিকতাত জন্ম হৈছিল (সঁচা/মিছা)

(খ) শৈশৱত তেওঁক নৰেন্দ্র নামেৰে নামকৰণ কৰা হৈছিল। (সঁচা/মিছা)

(গ) ১৯৮১ চনত তেওঁ ৰামকৃষ্ণক লগ পাইছিল। (সঁচা/মিছা)

(ঘ) ধর্ম মহাসভাখন সোতৰ দিনলৈ অবিচ্ছিন্নভাৱে চলি আছিল (সঁচা/মিছা)

প্রশ্ন নং ১০। খালী ঠাই পূৰণ কৰক ঃ

(ক) বিবেকানন্দৰ দর্শনৰ মূল ধাৰণা হ'ল _____ ।

(খ) বিবেকানন্দই _____ ব্যক্তি আৰু _____ ব্যক্তিৰ মাজত এক পৃথকীকৰণ কৰিছিল।

(গ) মানুহৰ বাবে স্বাধীনতা লাভ কৰিবলৈ _____ যোগ আছে।

প্রশ্ন নং ১১। প্রত্যক্ষগত ব্যক্তি আৰু প্রকৃত ব্যক্তিৰ মাজত পৃথকীকৰণ কৰক।

প্রশ্ন নং ১২। জ্ঞান যোগ কি?

চিন্তা-চর্চা কৰকঃ ৩.১

- ৰবেকানন্দ এজন ব্যৱহাৰিক বেদান্তিক? ইয়াক আপুনি কেনেদৰে প্রমাণ কৰিব? চমুকৈ ব্যাখ্যা কৰক।

- যোগ দৰ্শন মানুহৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক কল্যাণৰ বাবে বৰ উপযোগী। মোক্ষ বা মুক্তি লাভ কৰিবলৈ বিবেকানন্দই আগবঢ়োৱা যোগ সাধনা সমূহ কি কি? চমুকৈ লিখক।

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৮৩ চনত কলিকতাত বিবেকানন্দৰ জন্ম হৈছিল।
- বিবেকানন্দ এজন প্ৰখ্যাত ভাৰতীয় চিন্তাবিদ আছিল।
- তেওঁ ভাৰতীয় চিন্তাধাৰাক পুনৰুজ্জীৱিত কৰিছিল।
- তেওঁক এজন ব্যৱহাৰিক বেদান্তিক হিচাপে গণ্য কৰা হয়।
- বিবেকানন্দৰ দৰ্শন অদ্বৈত আদৰ্শ "Brahman Satyam, Jagat Mithya, Jivo Brahmaiva Naparah."ৰ ওপৰত প্ৰতিষ্ঠিত।
- বিবেকানন্দই মানুহক আত্মবিশ্বাসী হ'বলৈ অনুপ্ৰেৰণা যোগাইছিল।
- তেওঁ প্ৰত্যক্ষগত ব্যক্তি আৰু প্ৰকৃত ব্যক্তিৰ মাজত পৃথকীকৰণ কৰিছিল। মনস্তাত্ত্বিক আৰু শাৰীৰিক গঠনে প্ৰত্যক্ষগত ব্যক্তিক গঠন কৰে আৰু প্ৰকৃত ব্যক্তি হৈছে আত্মা।
- বিবেকানন্দৰ মতে মানুহে যোগ সাধনা কৰি মোক্ষ লাভ কৰিব পাৰে। তেওঁ পতঞ্জলিৰ দ্বাৰা প্ৰৱৰ্তিত যোগ মনস্তত্ত্বৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।
- মোক্ষ বা মুক্তি লাভ কৰিবলৈ চাৰি প্ৰকাৰৰ যোগ সাধনা আছে— (১) কৰ্ম যোগ (২) জ্ঞান যোগ (৩) ভক্তি যোগ (৪) ৰাজ যোগ।

৩.৯ অধিক জানিবলৈ

১। Swami Vivekananda (1947). Complete Works of Swami Vivekananda. Advaita Ashrama.

২। Radhakrishnan, S. (1997). The Principal Upanisad. New Delhi: Harper Collins Publishers India Pvt. Ltd.

৩। Lal. K. Basant. (1990). Contemporary Indian Philosophy. Motilal Benarsi Dass.

৪। Raju. P.T. (1995). The Concept of Man. Collins.

৫। Royce, Josiah. (1990). The World and the Individual. New York. Mac Millan Co.

৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ স্বামী বিবেকানন্দৰ ১৮৬৩ চনত জন্ম হৈছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ কলিকতাত।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৮১ চনত বিবেকানন্দই ৰামকৃষ্ণৰ লগ পাইছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৯৩ চনত।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বিবেকানন্দৰ দৰ্শনৰ মুল ধাৰণা হ'ল অদ্বৈতবাদ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ বিবেকানন্দৰ মতে উজ্জ্বল দেহে 'সূক্ষ্ম দেহ' বা ক্ষুদ্ৰ দেহক আঙুলিয়াই। ই হ'ল মনৰ আধাৰ। আত্মা স্পষ্ট দেহ আৰু ক্ষুদ্ৰ দেহৰ পৰা বহু ওপৰত।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) নৰেন্দ্ৰ (খ) ৰামকৃষ্ণ পৰমহংস (গ) ১৮৯৩ (ঘ) ব্যৱহাৰিক বেদান্তিক।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) হয় (খ) হয় (গ) হয় (ঘ) হয়।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অদ্বৈতবাদ (খ) প্ৰত্যক্ষ ব্যক্তি আৰু প্ৰকৃত ব্যক্তি (গ) চাৰিটা যোগ সাধনা।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ মনস্তাত্ত্বিক গাঁথ নিয়ে প্ৰত্যক্ষগত ব্যক্তিক গঠন কৰে। আত্মাই হৈছে প্ৰকৃত ব্যক্তি যি এক, অসীম আৰু সকলোতে বিৰাজমান আৰু প্ৰত্যক্ষগত ব্যক্তিয়েই হৈছে এই প্ৰকৃত ব্যক্তিৰ এক সীমিত ৰূপ। আনহাতে, প্ৰত্যক্ষগত ব্যক্তিয়েই হৈছে প্ৰকৃত ব্যক্তিৰ যি দেশ কালাতীত তাৰ এক অনুজ্জ্বল প্ৰতিফলন মাত্ৰ।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ ই হ'ল চাৰিটা যোগৰ সাধনাৰ ভিতৰৰ এটা। ইয়ে অবিদ্যাৰ পৰা আমাক মুক্ত হৈ সত্য সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ অনুপ্ৰেৰণা যোগায়। গতিকে জ্ঞান যোগক মোক্ষ বা মুক্তি লাভ কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ পথ হিচাপে বিবেচনা কৰা হয়।

? ৩.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন—

(১) বিবেকানন্দই কোন চনত জন্ম গ্ৰহণ কৰিছিল?

(২) বিবেকানন্দৰ শৈশৱৰ নামটো কি?

(৩) বিবেকানন্দৰ বন্ধু, দাৰ্শনিক আৰু পৰামৰ্শদাতা কোন আছিল?

(৪) ধৰ্ম মহাসভাত বিবেকানন্দই অংশ গ্ৰহণ কৰিছিল নে?

(৫) বৌদ্ধ ধৰ্মৰ আদৰ্শৰ দ্বাৰা তেওঁ অনুপ্ৰাণিত হৈছিল নে?

(৬) বিবেকানন্দৰ দৰ্শন কিহৰ ওপৰত প্ৰতিষ্ঠিত?

(৭) বিবেকানন্দই দুই ধৰণৰ ব্যক্তিৰ মাজত পৃথিকীকৰণ কৰিছিল—সেই দুটা কি কি?

(৮) ব্যৱহাৰিক বেদান্তিক হিচাপে কাক গণ্য কৰা হয়?

(৯) বিবেকানন্দৰ মতে উজ্জ্বল দেহ কি?

(১০) 'অহম্ ব্রহ্মাস্মি' ৰ অর্থ কি?

(খ) চমু প্রশ্ন—(১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(১) বিবেকানন্দৰ জীৱনী সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

(২) বিবেকানন্দৰ দর্শনত প্রভাৱ পেলোৱা উৎসসমূহ কি কি চমুকৈ ব্যাখ্যা কৰক।

(৩) বিবেকানন্দৰ দর্শনৰ মূল ধাৰণাসমূহ উল্লেখ কৰক।

(৪) প্রত্যক্ষ ব্যক্তি আৰু প্রকৃত ব্যক্তিৰ মাজৰ পার্থক্য দেখুৱাওক।

(৫) যোগ সাধনাবোৰ কি কি? চমুকৈ আলোচনা কৰক।

(৬) অষ্টাংগিক মার্গত থকা আঠটা নিয়ম কি কি? চমুকৈ আলোচনা কৰক।

(৭) অদ্বৈত বেদান্তৰ ওপৰত এটা সমালোচনামূলক ব্যাখ্যা আগবঢ়াওক।

(গ) দীঘল প্রশ্ন—(৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

(১) বিবেকানন্দৰ ব্যৱহাৰিক বেদান্ত সম্পর্কে আলোচনা কৰক।

(২) ব্যক্তিয়ে মোক্ষ বা মুক্তি লাভ কৰিবৰ নিমিত্তে বিবেকানন্দই আগবঢ়োৱা যোগ সাধনাসমূহ আলোচনা কৰক।

(৩) বিবেকানন্দৰ দার্শনিক চিন্তাধাৰাৰ প্রধান ধাৰণাসমূহ আলোচনা কৰক।

(৪) মোক্ষ বা মুক্তি লাভ কৰাৰ ক্ষেত্রত যোগ সাধনা সমূহৰ গুৰুত্ব সম্পর্কে আলোচনা কৰক।

*** **** ***

অধ্যায় ৪ ঃ গান্ধী ঃ ধর্ম

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ গান্ধীৰ বাবে ধর্ম কি ?
৪.৪ গান্ধীৰ ধর্মৰ ধাৰণাৰ বৈশিষ্ট্য সমূহ
৪.৫ ধর্মৰ পথ
৪.৬ জীৱিত ধর্মসমূহৰ প্রতি গান্ধীৰ মনোভাৱ
৪.৭ হিন্দু ধর্মৰ প্রতি গান্ধীৰ মনোভাৱ
৪.৮ সামৰণি
৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্রগতিৰ খতিয়ান
৪.১২ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গান্ধীৰ বাবে ধর্ম কি ইয়াৰ সংজ্ঞা নির্ণয় কৰিব পাৰিব
- গান্ধীৰ ধর্মৰ ধাৰণাৰ বৈশিষ্ট্য সমূহ কি তাৰ ব্যাখ্যা কৰিব পাৰিব
- র্মৰ পথ সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- জীৱি ধর্ম সম্পর্কে গান্ধীৰ মনোভাৱ কি সেয়া আলোচনা কৰিবলৈ সক্ষম হ'ব
- হিন্দু ধর্মৰ প্রতি গান্ধীৰ মনোভাৱ কেনে তাক ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

নিম্ন আলোচিত গোটটিৰ দ্বাৰা তোমালোকৰ মহাত্মা গান্ধীৰ ধর্ম সম্পর্কীয় ধাৰণাৰ লগত পৰিচয় ঘটিব। এই গোটটি অধ্যয়নৰ পছিত আপোনালোকে মহাত্মা গান্ধীয়ে ধর্মক কি দৰে ব্যাখ্যা কৰিছিল সেই কথা জানিবলৈ সক্ষম হ'ব। গান্ধীৰ জন্ম হৈছিল এটি বৈষ্ণৱ পৰিয়ালত। তেওঁ ডাঙৰ হৈছিল এক ধর্মীয় পৰিৱেশৰ মাজত। গীতা

আৰু ৰামায়ণে তেখেতৰ জীৱনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। কোৰাণ আৰু বাইবেল এই দুয়োখন গ্ৰন্থৰ প্ৰভাৱো তেখেতৰ জীৱনত অপৰিসীম। এই সকলো গ্ৰন্থ অধ্যয়ন কৰি তেখেতে স্বীকাৰ কৰিছিল যে সত্যই ভগৱান। তলত আমি এই বিষয়ে বিষদভাৱে আলোচনা কৰিম।

৪.৩ গান্ধীৰ বাবে ধর্ম কি

গান্ধীৰ মতে সত্তা মাত্ৰ এটাই আৰু সেয়াই হ'ল ভগৱান আৰু ভগৱান সত্যৰ বাহিৰে আন একো নহয়। গান্ধীয়ে কৈছিল সত্যই ভগৱান আৰু সেই সত্যৰ অন্বেষনেই হ'ল ধর্ম। সাধাৰণতে ধর্ম বুলিলে এক উচ্চতম শক্তিৰ প্ৰতি থকা ভক্তিকে বুজা যায়। গান্ধীয়ে এনে ধৰণৰ ব্যাখ্যাৰ বৰুদ্ধাচৰণ নকৰে, তেওঁ মাত্ৰ ক'ব বিচাৰে যে সেই উচ্চতম শক্তি সত্য হোৱা বাবে সত্যৰ প্ৰতি ভক্তিয়েই হৈছে ধর্ম। গান্ধীৰ মতে ধর্ম হৈছে আত্মাৰ শুদ্ধিকৰণ। ই হৈছে সত্যক পাবলৈ কৰা এক যাত্ৰা।

৪.৪ গান্ধীৰ ধর্মৰ বৈশিষ্ট্য

গান্ধীৰ ধর্মৰ বৈশিষ্ট্য সমূহ তলত আলোচনা কৰা হ'ল —

(ক) ধর্ম হৈছে মানুহৰ স্থায়ী স্বভাৱ বা প্ৰকৃতিৰ প্ৰকাশ। পাশবিক প্ৰকৃতি মানুহৰ প্ৰাথমিক প্ৰকৃতি নহয়। গান্ধীৰ মতে দেৱত্ব (Divinity) হৈছে মানুহৰ প্ৰকৃত প্ৰকৃতি আৰু ভাল বা শুভৰ উপাদান সকলো মানুহৰ ভিতৰতে থাকে।

(খ) ধর্ম প্ৰকৃততে তেনে হোৱা উচিত যি মানুহৰ স্বভাৱৰ উত্তৰণ ঘটোৱাৰ লগত সুন্দৰ কৰি তোলে। গান্ধীৰ মতে মানুহৰ স্বভাৱৰ পৰিৱৰ্তন ঘটাব পৰা ক্ষমতা প্ৰকৃত ধর্মৰ আছে।

(গ) ধর্মই মানুহৰ মনৰ ভিতৰত আধ্যাত্মিক অস্থিৰতা সৃষ্টি কৰিব পাৰে। ই মানুহৰ মনত এনে এক শুভবোধৰ সৃষ্টি কৰে যি মানুহক নৈতিকভাৱে ভাল হোৱাত সহায় কৰে।

(ঘ) ধর্মীয় আকাংখ্যা নির্ভয় কৰে অসীমক জনাৰ হেপাহৰ ওপৰত। ভগৱানক উপলব্ধিয়েই হৈছে প্ৰকৃত ধর্মৰ আদর্শ।

আৰু শেষত গান্ধীৰ মতে ধর্ম হৈছে এক সচেতন আৰু সলৰ প্ৰেম লগতে সত্যক জনাৰ প্ৰয়াস। গান্ধীৰ মতে কোনো ধর্ম সত্য আৰু শুদ্ধতাতকৈ উচ্চ হ'ব নোৱাৰে আৰু যদি কোনো ধর্মৰ এনে গুণ নাথাকে তেন্তে সেই ধর্ম কেতিয়াও প্ৰকৃত ধর্ম হ'ব নোৱাৰে।

৪.৫ ধর্মৰ পথ

গান্ধী আছিল এজন প্রয়োগবাদী দার্শনিক। তেওঁ আমাক দি যোৱা দর্শন স্বভাৱজাত ভাবে বহু পৰিমাণে ব্যৱহাৰিক। তেওঁৰ মতে ধর্ম মানুহৰ মনৰ আধ্যাত্মিক কৌতুহল নোহোৱা কৰা এক তাত্বিক ধাৰণা নহয়। ধর্ম গান্ধীৰ মতে জীৱনৰ এক পথ আৰু এক ব্যৱহাৰিক প্রয়োজনীয়তা। প্রকৃত ধর্মৰ ব্যৱহাৰিক জীৱনৰ বহু সমস্যা সমাধান কৰাৰ সামর্থ থাকিব লাগিব। সেয়ে গান্ধীয়ে কৈছিল ধর্ম জীৱনৰ সকলো ক্ষেত্রৰ লগত সংপিক্ত হৈ থকাৰ দৰকাৰ। ৰাজনৈতিক ক্ষেত্রখনৰ লগতো ধর্ম জড়িত হোৱা প্রয়োজন। গান্ধীৰ বাবে ধর্ম হৈছে কাৰোবাৰ ওপৰত থকা বিশ্বাস যাক এই বিশ্বব্রহ্মাণ্ডখনৰ নৈতিক নিয়ন্তা বুলি ক'ব পাৰি। গান্ধীৰ মতে নৈতিকতা আৰু ধর্মৰ মাজত কোনো পার্থক্য নাই। ধর্ম প্রকৃতার্থত হৈছে সত্তাৰ অন্বেষণ আৰু সত্তা সত্যৰ বাহিৰে আন একো নহয় আৰু সত্যৰ উপলব্ধিয়েই হৈছে ঈশ্বৰ প্রাপ্তি। গান্ধীৰ মতে সত্য হৈছে মানুহৰ জীৱনৰ সর্বোচ্চ প্রাপ্তি আৰু অহিংসা হৈছে ইয়াক লাভ কৰাৰ উপায়। গান্ধীৰ মতে প্রার্থনাই হৈছে সেই মাধ্যম যাৰ দ্বাৰা আমি নিজকে ভগৱানৰ ওচৰত সমর্পন কৰিব পাৰো।

৪.৫.১ প্রার্থনা

গান্ধীৰ মতে প্রার্থনাই মানুহৰ জীৱনত এক গুৰুত্বপূর্ণ ভুমিকা পালন কৰি আহিছে। বিশেষভাৱে যেতিয়া গান্ধীয়ে কোনো এক জটিল সন্ধিক্ষণত উপনীত হয় তেতিয়াই তেওঁ ধ্যান আৰু মৌন প্রার্থনাৰ সহায় লয়। গান্ধীৰ মতে প্রার্থনা কেতিয়াও কিবা বিচাৰৰ মাধ্যম হ'ব নোৱাৰে, ই আত্মাৰ আহ্বান। প্রার্থনাই হৈছে একমাত্র পথ যি আমাৰ জীৱনলৈ শান্তি, শংখলা আৰু ঐকতা আনিব পাৰে। 'ইয়ঙ ইণ্ডিয়া'ত গান্ধীয়ে লিখিছিল যে প্রার্থনা হৈছে ধর্মৰ আত্মা আৰু সেয়ে প্রার্থনা মানুহৰ জীৱনৰ সাৰভাগ হ'ব লাগে যাৰ অবিহনে মানুহ কেতিয়াও জীয়াই থাকিব নোৱাৰে। এই খিনিতে এটা প্রশ্ন উদয় হয় যে সদায় প্রার্থনা কিয়? ভগৱানে মানুহৰ অন্তৰৰ কথাবোৰ উপলব্ধি কৰিব নোৱাৰে নেকি? নাইবা প্রার্থনা ভগৱানৰ স্মৰণ কাৰক (Reminder) নেকি? এই সকলো প্রশ্নক উত্তৰ সদায় নঞার্থক হয় অর্থাৎ "নহয়"। গান্ধীৰ মতে ভগৱানক প্রকৃততে কোনো ধৰণৰ স্মৰণ কাৰকৰ প্রয়োজন নাই। তেওঁৰ অনুমতি অবিহনে কোনো কাম কেতিয়াও সম্পাদন নহয়। প্রার্থনা আমাৰ বাবেহে স্মৰণ কাৰক। ই আমাক সদায় সোৱৰাই থাকে যে ভগৱানৰ সমর্থন অবিহনে একেবাৰেই অসহায়। প্রার্থনা হৈছে এক কৌশল যি আমাক শক্তিশালী কৰি তোলে আৰু লগতে আনৰ দুখত দুখী হ'ব পৰাকৈ আমাক মানসিকভাৱে প্রস্তুত কৰি তোলে। ইয়াক মানৱতাৰ আহ্বান (Call of Humanity) বুলিও গান্ধীয়ে উল্লেখ কৰিছিল)।

ধর্মই মানুহৰ মনত আধ্যাত্মিক জাগৰণ সঞ্চাৰ কৰাৰ দাবী কৰে। এই আধ্যাত্মিক জাগৰণৰ বাবে আমাৰ শৰীৰ তথা ইন্দ্রিয়সমূহ নিয়ন্ত্রিত হৈ থকাটো প্রয়োজনীয় যাৰ বাবে মানুহ সকলোধৰণৰ স্বার্থপৰ অভিপ্রায়ক শূন্য কৰি নিস্বার্থ ভাৱে কাম কৰাৰ মানসিকতা গঢ় দিব লাগিব। গান্ধীয়ে ইয়াক এক প্রকাৰ স্বার্থত্যাগ (Self-Sacrifice) আৰু ভোগ বাসনাক অস্বীকাৰ (Renunciation) বুলি অভিহিত কৰিছে। গান্ধীৰ অস্বীকাৰ শব্দটোৰ অর্থ অতি ব্যৱহাৰিক। তেওঁৰ মতে অস্বীকাৰ মানে হৈছে নিজৰ স্বার্থকেন্দ্রিকতাক ত্যাগ কৰি আনক ভালৰ বাবে চিন্তা কৰা। গান্ধীয়ে কৈছিল এজন প্রকৃত ধার্মিক মানুহে সর্বসাধাৰণৰ মাজত থাকিও এই অগ্রাহ্যকৰণ বা অস্বীকাৰ কৰিব পৰা শক্তিক অনুশীলন কৰিব পাৰিব। গান্ধীৰ শ্রীমদ্ভাগৱত গীতাৰ ওপৰত আছিল অগাধ বিশ্বাস। গীতাৰ নিস্কাম কর্মৰ

ওপৰত আছিল তেওঁৰ গভীৰ আস্থা। নিস্কাম কর্মক তেওঁ তেওঁৰ গুৰু হিচাবে মানিছিল আৰু গীতাক কর্ম মার্গক অনুশীলন কৰিছিল। ফলাফল ভগৱানৰ ওপৰত এৰি দি মানুহে নিজৰ কর্ম কৰি যোৱাৰ ওপৰত গান্ধীয়ে গুৰুত্ব দিছিল।

৪.৬ জীৱিত ধর্মৰ প্রতি গান্ধীৰ মনোভাৱ

গান্ধীৰ মতে ধর্ম হৈছে কম বেছি পৰিমাণে জীৱনৰ পথ আৰু প্রতিজন মানুহকে নিজৰ জীৱনৰ এই পথ বা ধর্মৰ ওপৰত অধিকাৰ আছে। কিন্তু সকলো এই ক্ষেত্রত সহনশীল হোৱা দৰকাৰ। আনৰ ধর্ম তথা বিশ্বাসৰ প্রতি শ্রদ্ধাশীল হ'ব লাগিব। গান্ধী নিজে এক হিন্দুধর্মাৱলম্বী পৰিয়ালত জন্ম গ্রহণ কৰিছিল আৰু তেওঁ যি ধ্যান ধাৰণাৰ মাজত ডাঙৰ দীঘল হৈছিল সেয়া নিশ্চিতভাৱে হিন্দু ধর্মই আছিল। তেওঁ নিজেই স্বীকাৰ কৰিছিল গীতা আৰু ৰামায়ণ এই দুখন গ্রন্থই তেওঁ জীৱনত কিমান প্রভাৱ বিস্তাৰ কৰিছিল।

গান্ধীয়ে হিন্দু ধর্মৰ বাহিৰেও বাইবেল, কোৰাণকে ধৰি আন ধর্মৰ গ্রন্থ অধ্যয়ন কৰাৰ লগতে বহু কেইগৰাকী ধর্মীয় গুৰুৰ দ্বাৰা প্রভাৱান্বিত হৈছিল। এই সকলোবোৰে তেওঁক এটা কথাই উপলব্ধি কৰাইছিল যে সত্য অন্বেষণৰ বিভিন্ন পথ আছে।

গান্ধীৰ মতে সকলো ধর্মই হৈছে ভাল কিছুমান ধাৰণা আৰু সৎ শিক্ষাৰ সমষ্টি। কিন্তু তেওঁ বিশ্বাস কৰে যে ধর্মৰ বহু ব্যাখ্যাই ধর্মৰ মান নিম্ন কৰি পেলাই। তেওঁ দেখিছিল যে সকলোবোৰ ধর্মই কিছুমান ধর্মান্ধ ব্যক্তি আৰু অযুক্তিকৰ আচাৰ অনুষ্ঠানৰ জন্ম দিয়ে। সেয়ে তেওঁ কৈছিল সকলো ধর্মৰে ভাল আৰু বেয়া দুয়োটা দিশেই আছে। ধর্মৰ উৎস আৰু আদর্শৰ দিশৰ পৰা ধর্ম সমূহক ভাল বুলি অভিহিত কৰিব পাৰি। কিন্তু এই ধর্ম সমূহক বহুসময়ত বেয়া বুলি এই কাৰণেই কোৱা হয় যে এই ধর্মই মানুহৰ মাজত ঘৃণাৰ সূচনা কৰে, ধর্মানুতা তথা ৰক্তাক্ত সংঘর্ষৰ সূচনা কৰে। সেয়ে গান্ধীয়ে কৈছিল সকলো ঐতিহাসিক ধর্মই যুক্তি বিচাৰৰ সীমাক অতিক্রম কৰিব নালাগে যাক তেওঁ বিবেকযুক্ত বিচাৰ (Sober Reason) বুলি অভিহিত কৰিছে। তেওঁ কৈছিল মানুহ বুদ্ধিবৃত্তিশীল প্রাণী আৰু সেয়ে বুদ্ধি বৃত্তি অনুযায়ী ধর্ম পালন কৰিব লাগে। যেতিয়া বুদ্ধি বৃত্তি বা বিবেচনা আমাৰ পথ প্রদর্শক হ'ব তেতিয়া বিভিন্ন ধর্মৰ মাজৰ পাৰস্পৰিক সহযোগিতাই ঈশ্বৰৰ ৰাজ্য (The Kingdom of God) বা সকলো ধর্মৰ বন্ধুত্বপূর্ণ সংগ (A fellowship of all religions) স্থাপন হ'ব। গান্ধীয়ে কৈছিল এই বন্ধুত্বপূর্ণ সংগই এজন হিন্দুক ভাল হিন্দু হিচাবে এজন মুছলমানক ভাল মুছলমান হিচাবে আৰু এজন খ্রীষ্টিয়ানক ভাল খ্রীষ্টিয়ান হোৱাত সহায় কৰিব।

৪.৭ হিন্দু ধর্মৰ প্রতি মনোভাৱ

আমি যেতিয়া সকলো ধর্মৰ প্রতি গান্ধীৰ মনোভাৱৰ বিষয়ে আলোচনা কৰিম তেতিয়া নিশ্চিত ভাৱে আমি হিন্দুধর্মৰ ওপৰত গুৰুত্ব দিম। গান্ধীয়ে নিজে উল্লেখ কৰিছিল যে হিন্দুধর্মৰ প্রতি তেওঁৰ যি মনোভাৱ সেয়া তেওঁ তেওঁৰ পত্নীৰ প্রতি যি মনোভাৱ তাৰ লগত একে আছিল। তেওঁ কৈছিল যে এইটোৰে এইকথা নুবুজায় যে হিন্দুধর্মৰ কোনো বেয়া দিশ নাই। কিন্তু গীতা আৰু তুলসীদাসৰ ৰামায়ণে তেওঁৰ ইমান আপ্লুত কৰিছিল যে বাকী সকলো কথা বাদ দি হিন্দুধর্মৰ প্রতি খুব বেছিকৈ আকৃষ্ট হৈছিল।

কিন্তু একে সময়তে তেওঁ প্রবলভাবে বলি বিধানব বিৰোধিতা কৰিছিল। তেওঁ অস্পৃশ্যতাক অতি কঠোৰ ভাবে সমালোচনা কৰিছিল। তেওঁ কৈছিল এইটো সত্য আৰু অহিংসা নীতিব সম্পূর্ণ পৰিপন্থী। গান্ধীয়ে বর্ণাশ্রম ধর্মৰ সমর্থন কৰিছিল। কিন্তু তেওঁ বর্তমান সমাজত থকা জাতিভেদ প্রথাক বিৰোধিতা কৰিছিল। গান্ধীৰ মতে বর্তমানৰ জাতিভেদ প্রথা পূর্বৰ বর্ণাশ্রম ধর্মৰ পৰা পৃথক। তেওঁৰ মতে বর্ণাশ্রম ধর্মই কোনো এটা জাতি আন এটা জাতিতকৈ উচ্চ বা নিম্ন কথাটোক নুবুজাই। ইয়াৰ লগত মানুহৰ কর্তব্যৰ কথাহে জড়িত হৈ আছে। প্রতিজন মানুহেই এটা বিশেষ গুণ লৈ জন্ম গ্রহণ কৰে আৰু সেই গুণ অনুযায়ী তেওঁ নিজৰ কর্তব্য পালন কৰিব লাগে। এয়াই হৈছে প্রকৃত বর্ণাশ্রম ধর্মৰ নীতি। গান্ধীয়ে এই বর্ণাশ্রম ধর্মক সামাজিক তথা ৰাজনৈতিক ক্ষেত্রখনত সম্পর্কিত কৰিব বিচাৰিছিল।

৪.৮ সামৰণি

এয়াই হৈছে গান্ধীৰ ধর্মসম্পর্কে কিছু কথা। ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে গান্ধীৰ বাবে ভগৱানেই হৈছে সত্য আৰু পৃথিৱীত এনে কোনো ধর্ম নাই যি সত্যতকৈ ওপৰত। গান্ধীৰ মতে সত্য হৈছে লক্ষ্য আৰু অহিংসা হৈছে সেই লক্ষ্য প্রাপ্তিৰ উপায়। গান্ধীয়ে নিজে সকলোকে সমান বুলি ভাবিছিল আৰু সকলোধর্মকে সন্মান প্রদর্শন কৰাৰ লগতে আনকো সমভাৱ পোষণ কৰিবলৈ আহ্বান জনাইছিল আৰু লগতে ধর্মৰ ভালবোৰ গ্রহণ কৰিবলৈ কৈছিল। তেওঁ কৈছিল আমি যদি বিবেকেৰে সকলো কথা চিন্তা কৰো আৰু ধর্মীয় সহিষ্ণুতা তথা একতা স্থাপনৰ প্রতি যত্নবান হওঁ তেতিয়া নিশ্চিতৰূপত এখন শান্তিপূর্ণ পৃথিৱী আমি লাভ কৰিব পাৰিম।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গান্ধী কোন ধর্মৰ লোক আছিল?

প্রশ্ন নং ২ ঃ গান্ধীৰ মতে মানুহক প্রকৃত স্বভাৱ কি?

প্রশ্ন নং ৩ ঃ গান্ধীৰ মতে ভগৱান কি?

প্রশ্ন নং ৪ ঃ খালী ঠাই পুৰ কৰক

(ক) গান্ধীৰ মতে কোনো ধর্ম সত্য আৰু ..... কৈ উচ্চ হ'ব নোৱাৰে।

(খ) গান্ধী এগৰাকী ..... দার্শনিক।

(গ) গান্ধীৰ মতে প্রার্থনা হৈছে ..... আহ্বান।

(ঘ) ধর্মই .....জাগৰণ দাবী কৰে।

প্রশ্ন নং ৫ ঃ 'ইয়ঙ ইণ্ডিয়াৰ' লেখক কোন?

প্রশ্ন নং ৬ ঃ গান্ধীয়ে কাক তেওঁৰ গুৰু আখ্যা দিছিল?

প্রশ্ন নং ৭ ঃ গান্ধীৰ মতে জীৱনৰ পথ কি?

৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গান্ধীৰ মতে সত্তা এটাই আৰু সেয়া ভগৱান আৰু তেওঁৰ মতে ভগৱাণেই সত্য। গান্ধীয়ে কৈছিল যে সত্যই ভগৱান আৰু সত্যৰ অন্বেষণেই হৈছে ধর্ম। সাধাৰণতে ধর্ম বুলি কলে কোনো উচ্চতম শক্তিৰ প্ৰতি ভক্তি।
- গান্ধীৰ মতে দেৱত্ব (Divinity) হৈছে মানুহৰ প্ৰকৃত স্বভাৱ আৰু শুদ্ধ বা ভালৰ উপাদান সকলো মানুহৰ ভিতৰতে থাকে।
- মানুহৰ স্বভাৱক পৰিশোধিত আৰু উন্নত তথা স্বভাৱৰ উত্তৰণ ঘটাব পৰা ক্ষমতা ধর্মৰ থাকিব লাগিব। গান্ধীয়ে বিশ্বাস কৰে যে প্ৰকৃত ধর্মক মানুহৰ স্বভাৱক পৰিৱর্তন কৰাৰ ক্ষমতা থাকে।
- ধর্মৰ মানত সদায় অসীমক জনাৰ এক তীব্ৰ বাসনা থাকে।
- গান্ধীৰ মতে কোনো ধর্ম সত্য আৰু শুদ্ধতকৈ উচ্চ হ'ব নোৱাৰে। যদি কোনো ধর্মৰ এই কেইটা গুণ নাই সেই ধর্ম প্ৰকৃত ধর্ম হ'ব নোৱাৰে।
- গান্ধী আছিল এজন প্ৰয়োগবাদী দার্শনিক। তেওঁ আমাক যি দর্শন দিছিল সেয়া স্বভাৱজাত ভাৱে ব্যৱহাৰিক।
- ব্যৱহাৰিক জীৱনৰ যিকোনো সমস্যা সমাধান কৰাৰ সামর্থ থাকিব লাগিব।
- গান্ধীৰ মতে ধর্ম হৈছে কাৰোবাৰ ওপৰত বিশ্বাস যাক এই বিশ্বব্ৰহ্মাণ্ডৰ নৈতিক নিয়ন্তা বুলিব পাৰি।
- গান্ধীৰ মতে নৈতিকতা আৰু ধর্মৰ মাজত কোনো পার্থক্য নাই।
- গান্ধীৰ মতে সত্য হৈছে মানুহৰ চৰম লক্ষ্য আৰু অহিংসা হৈছে সেই লক্ষ্য প্ৰাপ্তিৰ উপায়।
- গান্ধীৰ মতে প্ৰার্থনা হৈছে সেই মাধ্যম যাৰ দ্বাৰা আমি ভগৱানৰ ওচৰত নিজকে সমর্পন কৰিব পাৰো।
- গান্ধীৰ মতে প্ৰার্থনাৰ অর্থ কিবা বিচৰা নহয়, ই হৈছে আত্মাৰ আহ্বান। প্ৰার্থনাৰ দ্বাৰস্থ কোনো ব্যক্তিয়ে জীৱনলৈ শান্তি, শংখলা আৰু একতা আনিব পাৰিব।
- গান্ধীৰ মতে ভগৱানক স্মৰণ কাৰকৰ (ত্বঙ্গপ্পন্ডস্তুঙ্গজ্জ) কোনো প্ৰয়োজন নাই কাৰণ ভগৱান সকলোৰে ভিতৰত থাকে। তেওঁৰ অনুমতি অবিহনে কোনো কাম সম্পাদন নহয়।
- ই মাত্ৰ আমাক এই কথাই মনত পেলাই যে ভগৱান অবিহনে আমি অসহায়।
- ধর্মই সদায় মানুহৰ ভিতৰৰ আধ্যাত্মিক দিশটোক জাগ্ৰত কৰাৰ কথা কয়। ইয়াৰ বাবে মানুহৰ মন, শৰীৰ তথা সকলোবোৰ ইন্দ্ৰিয়ক নিয়ন্ত্ৰিত কৰিব লাগিব আৰু ইয়াৰ বাবে আমি আমাৰ সকলোবোৰ স্বার্থপৰ অভিপ্ৰায় শূন্য কৰিব লাগিব।
- গান্ধীয়ে গীতাত বিশ্বাস কৰিছিল। তেওঁৰ গীতাৰ নিস্কাম কর্মৰ ওপৰত অগাধ বিশ্বাস আছিল।
- গান্ধীৰ মতে সকলো ধর্ম ভাল বহু কথা আৰু সৎ শিক্ষাৰে পৰিপূর্ণ। কিন্তু তেওঁ বিশ্বাস কৰিছিল যে বহু ব্যাখ্যাই বহু সময়ত ধর্মৰ মান বহু নিম্নগামী কৰি পেলাইছিল।

- গান্ধী যদিও হিন্দুধর্মৰ ওপৰত গভীৰ আস্থা আছিল কিন্তু তেওঁ বলি বিধান, অস্পৃশ্যতাৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ বৰ্তমান সমাজত থকা জাতিভেদ প্ৰথাকো তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে সমাজৰ পৰা নোহোৱা কৰিবলৈ যত্নবান হৈছিল।

৪.১০ অধিক জানিবলৈ

1. Barua. M (2002). Religion and Gandhian Philosophy.
2. Gupta. R.K. (2011). A Gandhi Note book. Apple Book.
3. Lal. B.K. (1973). Contemporary Indian Philosophy Motilal Banarashidas Publishers.
4. Mishra. A.D. (2010). Mahatma Gandhi on Ethics Concept Publishing Company Pvt. Ltd.
5. Parel. A.J. (2006). Gandhi's Philosophy and Quest for Harmony. Cambridge University Press.

৪.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বৈষ্ণৱ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দেৱত্ব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সত্য ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) শুদ্ধতা
(খ) ব্যৱহাৰিক
(গ) মানৱতাৰ
(ঘ) আত্মা

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মহাত্মা গান্ধী।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গীতাক নিস্কাম কৰ্ম ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্ম ।

৪.১২ আহিঁ প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ গান্ধীক প্ৰভাৱান্বিত কৰা হিন্দু ধৰ্মপুথি দুখন কি কি?

প্ৰশ্ন ২ ঃ গান্ধীয়ে ধৰ্মক কেনেকৈ ব্যাখ্যা কৰিছিল?

প্ৰশ্ন ৩ ঃ ইয়ঙ ইণ্ডিয়া লেখক কোন?

প্রশ্ন ৪ ঃ গান্ধীৰ বাবে ধর্ম ৰাজনৈতিক জীৱনৰ বাবে অপৰিহার্য নে?

প্রশ্ন ৫ ঃ সংকট সময়ত গান্ধীয়ে কি পথ বাচি গৈছিল?

প্রশ্ন ৬ ঃ "সকলো ধর্মৰ বন্ধুত্বপূর্ণ সংগ" আৰু 'ঈশ্বৰৰ ৰাজ্য" মানে কি?

(খ) চমু প্রশ্ন (প্রায় 150 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ গান্ধীৰ ধর্মক ধাৰণাৰ ওপৰত চমুকৈ লিখক।

প্রশ্ন ২ ঃ গান্ধীৰ প্রার্থনাৰ ধাৰণাৰ ওপৰত চমুকৈ লিখক।

প্রশ্ন ৩ ঃ জীৱিত ধর্ম সমূহৰ প্রতি গান্ধীৰ মনোভাৱ কেনে আছিল?

(গ) দীঘল প্রশ্ন (প্রায় 300-500 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ গান্ধীৰ ধর্মৰ ধাৰণাৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ গান্ধীৰ মতে জীৱনৰ পথ কি লিখক।

প্রশ্ন ৩ ঃ জীৱিত ধর্ম সমূহৰ প্রতি গান্ধীৰ মনোভাৱ লিখক।

*** **** ***

অধ্যায় ৫ ঃ গান্ধীঃ অহিংসা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ঈশ্বৰ অৰু সত্য

৫.৪ সত্যই ঈশ্বৰ

৫.৫ অহিংসা

৫.৫.১ অহিংসাৰ কৌশল- সত্যাগ্রহ

৫.৬ লক্ষ্য অৰু উপায়ৰ দৰ্শন

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- গান্ধীয়ে ব্যক্ত কৰা ধাৰণা 'ঈশ্বৰেই সত্য' ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- গান্ধীয়ে ব্যক্ত কৰা ধাৰণা 'সত্যই ঈশ্বৰ' ৰ অর্থ বর্ণনা কৰিব পাৰিব
- 'অহিংস' ধাৰণাটো আলোচনা কৰিব পাৰিব
- অহিংসাৰ কৌশল ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- লক্ষ্য অৰু উপায়ৰ দৰ্শন ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

অহিংসা (ahimsa) এম.কে. গান্ধীৰ দৰ্শনৰ এটা মৌলিক ধাৰণা। ই এক পৰিপুষ্টিপূর্ণ গধুৰ ধাৰণা এই অর্থত যে ই সম্পর্কযুক্ত অন্যান্য ধাৰণা যেনে- সত্য নাইবা ঈশ্বৰ অৰু সত্যাগ্রহ আদিকো অন্তভুর্ক্ত কৰিছে। যেতিয়ালৈকে সত্যাগ্রহক এক কৌশল হিচাপে ব্যৱহাৰ কৰা নহয় তেতিয়ালৈকে অহিংসাৰ ধাৰণাটো অর্থপূর্ণভাৱে অনুশীলন কৰিব পৰা নাযায়, সত্যাগ্রহক এক কৌশল হিচাপে ব্যৱহাৰ কৰা নহয়। সেইকাৰণে, এই অধ্যায়টিয়ে ঈশ্বৰ, সত্য আৰু অহিংসাৰ কৌশলক অনুসৰণ কৰিছে।

৫.৩ ঈশ্বৰৰেই- সত্য

গান্ধীৰ ঈশ্বৰৰ ধাৰণাটো প্ৰকৃতিগতভাৱে আস্তিকবাদী (theistic)। এজন অদ্বৈতবাদীৰ দৰে তেওঁ প্ৰকৃত বা সৎ (real) ৰ নিৰ্গুণ চৰিত্ৰৰ উল্লেখ কৰিছে। তেওঁ ঈশ্বৰৰ সগুণ (Saguna) আৰু নিৰ্গুণ (Nirguna) ৰ মাজৰ তাত্বিক পাৰ্থক্যক মানি লোৱা নাই। তাৰ পৰিৱৰ্তে তেওঁ ভাৱে যে ঈশ্বৰৰ ধাৰণাটো কেৱল বৌদ্ধিক অনুসন্ধিৎসুৰ বাবেই নহয়, শক্তি আৰু সান্ত্বনা প্ৰদানৰ বাবেও গুৰুত্বপূৰ্ণ। ঈশ্বৰ বিশ্বাসৰ দ্বাৰা আমি মানসিক শান্তি পাব পাৰো। সি যি নহওঁক, যেতিয়া ঈশ্বৰ আৰু সত্যক একাত্মকভাৱে চোৱা হয়, তেতিয়াই অসুবিধা আহি পৰে। তেওঁ দেখুওৱাইছে যে সত্যৰ প্ৰকৃতি নৈৰ্ব্যক্তিক অৰু ইয়াৰ তুলনাত তেওঁ মত পোষণ কৰে যে ঈশ্বৰৰ প্ৰকৃতি ব্যক্তিগত। সেয়ে, প্ৰশ্ন উদয় হয়- এই দুটাক কেনেকৈ চিনাক্ত কৰিব পাৰি।

৫.৪ সত্যই ঈশ্বৰ

এই বিষয়টো সমাধান কৰিবলৈ তেওঁ দৃঢ়ভাৱে মত পোষণ কৰে যে 'সত্যই ঈশ্বৰ' (Truth is God) । এই বক্তব্যটোৰ দ্বাৰা এই মতত উপনীত হ'ব পৰা যায় যে ঈশ্বৰৰ ধাৰণাটোৰ দৰে সত্যৰ ধাৰণাটো বিসংগতিপূৰ্ণ নহয়। এই বক্তব্যটোৰ পক্ষে এই মত আগবঢ়াব পৰা যায় যে ধৰ্মৰ বিভিন্ন দৃষ্টিকোণৰ পৰা আগবঢ়োৱা ঈশ্বৰৰ ধাৰণাৰ সন্দৰ্ভত কোনো মত একাত্ম নহয়। সেইবাবে, ঈশ্বৰৰ ধাৰণা বহু ঈশ্বৰবাদী (Polytheistic), আস্তিক (theistic), সৰ্বেশ্বৰবাদ (Pantheistic), নিৰীশ্বৰবাদ (Atheistic), ইত্যাদি হ'ব পাৰে। কিন্তু এই সমস্যাটো সত্যৰ ধাৰণাতো অন্তৰ্ভুক্ত নহয়। আমি ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰিব পাৰো, কিন্তু সত্যক আমি নুই কৰিব নোৱাৰো। উদাহৰণ স্বৰূপে সংশয়বাদী সকলে ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰিছে, কিন্তু সত্যক তেওঁলোকে অস্বীকাৰ কৰা নাই। সেইকাৰণে, সত্যৰ ধাৰণাটো সাৰ্বিক (Universal) আৰু সৰ্বাত্মক (Comprehensive) । গান্ধীয়ে এই সন্দৰ্ভত ভাৱে যে "I do not care for god if he is anything but truth.'' আমি জাতি, ধৰ্ম আৰু দেশ নিৰ্বিশেষে সত্যক উপাসনা কৰিব পাৰো। সেই কাৰণে, সত্যই ঈশ্বৰ' ধাৰণাটোৱে হিন্দু, মুছলিম, মা'ক্সীয়, আৰু নিৰীশ্বৰবাদী সকলোকে একেলগ কৰিব পাৰো।

৫.৫ অহিংসা

গান্ধীৰ ঈশ্বৰ অৰু সত্যৰ ধাৰণাই অহিংসাৰ ধাৰণাটোলৈ পথ কৰিছে। সেয়ে, তেওঁ কয়, "পৃথিৱীক মই একো নতুন কথা শিকাব নোৱাৰো। সত্য আৰু অহিংসাৰ ধাৰণা পাহাৰ-পৰ্বতৰ অস্তিত্বৰ দৰেই প্ৰাচীন। মই মাত্ৰ যিমান পাৰি সিমান ব্যাপক পৰিসৰত দুয়োটাকে পৰীক্ষা কৰি চোৱাৰ প্ৰয়াস কৰিছো। সেয়া কৰিবলৈ যাওতে কেতিয়াবা মোৰ ভুল হৈছে আৰু মই সেই ভুলৰ পৰা শিক্ষা লৈছো। এনেকৈয়ে জীৱন আৰু ইয়াৰ সৈতে জড়িত সমস্যাবোৰ মোৰ বাবে সত্য আৰু অহিংসাৰ অনুশীলনকালত চলোৱা অসংখ্য পৰীক্ষাৰ ৰূপ লৈছে.... দৰাচলতে মোৰ সত্য অন্বেষণৰ কালছোৱাতে মই অহিংসাক আৱিষ্কাৰ কৰিছো।" (N.K. Bose, Selection of Gandhi.

P.13) সত্য অৰু অহিংসা ইমান ঘনিষ্ঠভাৱে লগ লাগি আছে যে এটাৰ অবিহনে আনটোৰ আলোচনা সম্ভৱ নহয়। ইহঁত দুয়ো একেটা মুদ্ৰাৰ ইপিঠি- সিপিঠি। অহিংসা হৈছে উপায় বা পথ আৰু সত্য হৈছে লক্ষ্য। অহিংসা শব্দটোৰ দুটা দিশ আছে। এটা হৈছে সদর্থক আৰু আনটো নঞৰ্থক। গান্ধীৰ বাবে সদর্থক দিশটোক মৌলিক কাৰণ, ই নঞৰ্থক দিশটোক অন্তর্ভুক্ত কৰিছে অৰু ইয়াৰ সাৰমর্মকো প্রতিনিধিত্ব কৰিছে।

'অহিংসা' শব্দটোৰ আক্ষৰিক অর্থ হৈছে 'হত্যা নকৰা' (non-killing) বা 'আঘাত নকৰা' (Non injury) । সেই কাৰণে, অহিংসাক হিংসাৰ পৰা পৃথক ৰূপে ধৰা হয়। তেওঁ মত পোষণ কৰে যে, হিংসাই বুজায় কষ্টৰ কাৰণ নাইবা বিপদ নোহোৱা কৈ নাইবা এক স্বার্থজনিত উদ্দেশ্য নাইবা ইয়াক আঘাত কৰাৰ লক্ষ্যৰে আন কাৰোবাক হত্যা কৰা। হিংসাই এনে ধৰণৰ কর্মৰ পৰা বিৰত থকাক সূচায়। গান্ধীজী এই সন্দর্ভত জৈন ধর্মৰ দ্বাৰা অনুপ্রাণিত হৈছিল। ভাৰতীয় দর্শনৰ এই ব্যৱস্থাই কেৱল চিন্তাধাৰাতেই নহয়, বাক্ আৰু কর্মৰ ক্ষেত্রতো অহিংসা পথৰ উপদেশ দিয়ে। কিন্তু, গান্ধী জৈন ধর্মৰ কঠোৰ অনুসৰণকাৰী নাছিল। তেওঁ মত পোষণ কৰিছিল যে খোৱা, পেয়, খোজকঢ়া, উশাহ লোৱা আদিৰ ক্ষেত্রত হিংসা অপৰিহার্য্য। কোনো জীৱক অনিষ্ট বা আঘাত নকৰাকৈ জীয়াই থকাটো এক নির্দিষ্ট পৰিসৰলৈ অসম্ভৱ। সেই কাৰণে, গান্ধীয়ে নির্দিষ্ট পৰিসৰলৈ হিংসাক গ্রহণযোগ্য বুলি ব্যক্ত কৰিছে।

অহিংসা (ahimsa) ৰ সদর্থক অর্থ কেৱল মাত্র জীৱৰ প্রতি 'আঘাত নকৰা' বা 'হত্যা নকৰা' ই নহয়, ইয়াৰ পৰিবর্তে ই কয় যে আমি এক বহল দৃষ্টিকোণত আন জীৱৰ প্রতি অহিংস হোৱা উচিত, যাক আমি অনুশীলন কৰাটো উচিত। আনহাতে, অহিংসাৰ নঞৰ্থক অর্থ হৈছে 'হত্যা নকৰা' বা 'আঘাত নকৰা', সেয়ে ই পূর্বানুমান কৰে যে এক অহিংসা কর্ম ঘৃণা, খং, অপ্রীতি আদিৰ পৰা মুক্ত। গান্ধীয়ে ভাৱে যে অহিংসাৰ সদর্থক অর্থটো নঞৰ্থক অর্থতকৈ বেছি মৌলিক। এই সন্দর্ভত তেওঁ মত পোষণ কৰে যে অহিংসাক মানৱজাতিৰ মৌলিক আৰু অত্যাৱশকীয় গুণ বুলি ধৰা হয়। কিন্তু ই এই কথা নুবুজায় যে আমাৰ জীৱনত হিংসাৰ কোনো স্থান নাই। কাৰণ, আমাৰ জীৱন বর্তাই ৰখাৰ বাবে কিছু পৰিসৰলৈ আমি হিংসাৰ আশ্রয় ল'বলগীয়া হয়।

গান্ধীৰ মতে, হিংসা মানুহৰ এক সহজাত প্রবৃতি। যদিও মানুহে কোনো কোনো ক্ষেত্রত হিংসা প্রকাশ কৰে, কিন্তু তথাপিও ই স্থায়ী নহয়। মানৱ জাতিৰ একমাত্র স্থায়ী স্বভাৱ হৈছে অহিংসা, ই মানুহৰ মাজত অত্যাৱশকীয় স্বভাৱ ৰূপে নিহিত হৈ থাকে। আমি কেতবোৰ ব্যক্তিগত কাৰণত মানুহক বাহ্যিকভাৱে আঘাত কৰিব পাৰো। কিন্তু আমি আভ্যন্তৰীণ অংগ আত্মা (soul) আঘাত কৰিব নোৱাৰো। সেই কাৰণে, যিকোনো মানুহৰ বাবে হিংসা কেৱল এক উপজাত সামগ্রী (By product)হে।

অহিংসাৰ সদর্থক অর্থটোৰ দ্বাৰা আমি বুজো যে অহিংসা প্রেমৰ বাহিৰে আন একো নহয়। গান্ধীয়ে পোষণ কৰে যে প্রেম এক প্রকাৰ শক্তি, যিয়ে মানুহৰ গুণাৱলীৰ উন্নতি সাধন কৰে। ফলস্বৰূপে, এজন লোকে প্রেমৰ দ্বাৰা উদাৰতা, সহানুভূতি, ক্ষমা, ধৈর্য্য, মহানুভৱতা, দয়া আদিৰ দৰে সম্যক অনুভৱবোৰৰ অর্থ অনুধাৱন কৰিব পাৰে। সেই কাৰণে, এই কথা ক'ব পৰা যায় যে প্রেমৰ স্বভাৱজনিত বল বা শক্তিয়ে আমাৰ মনক খং, অপ্রীতি, ঘৃণা, প্রতিশোধ, প্রতিহিংসা আদি অনুভূতিৰ পৰা মুক্ত ৰখাত আমাক সহায় কৰে। আনহাতে, এই অসৎ অনুভূতিবোৰে প্রেমৰ স্বৰূপক অনুধাৱন কৰাত আমাক বাধা দিয়ে। গান্ধীয়ে মত পোষণ কৰে যে অহিংসাৰ যি কর্ম, সি ভয়াতুৰ আৰু দুর্বল লোকৰ বাবে নহয়, কিন্তু ই এজন শক্তিশালী লোকৰ বাবেহে। তেওঁ স্বীকৃতি দিয়ে যে এজন লোক, যি আত্মিকভাৱে দুর্বল, তেওঁ এজন ভীৰু ব্যক্তি এই অর্থত যে তেওঁ নিজৰ মাজত এক প্রকাৰৰ ভয় বা শংকাৰ বিকাশ ঘটায় আৰু এই ভয় বা শংকাৰ পৰাই তেওঁ প্রকৃত নাইবা কাল্পনিক শত্রুৰ বিপৰীতে যুঁজ আৰম্ভ কৰে। সেই কাৰণে

এই মত দিব পৰা যায় যে হিংসা ভয় বা শংকাৰ পৰাই বৃদ্ধি পায়। সেয়ে মত আগবঢ়াব পাৰি যে এজন ব্যক্তি অহিংস ব্যক্তি হ'ব পাৰে যেতিয়া তেওঁ ভয় বা শংকাক জয় কৰিবলৈ সক্ষম হৈ উঠে। যদিও হিংসা এক শক্তিৰ পৰিচায়ক হ'ব পাৰে, কিন্তু ইয়াত ভয় বা শংকা নিহিত হৈ থাকে, সেয়ে, ই এটা দূৰ্বলতাৰহে চিহ্ন। সেই বাবে তেওঁ কয়- Non-violence presupposes the ability to strike." অৰ্থাৎ "অহিংসাই আঘাত কৰিব পৰা সামৰ্থৰ বিষয়ে আগতেই ধৰি অনুমান কৰি লয়।"এই মতটোৰ দ্বাৰা তেওঁ নিৰ্দেশ কৰে যে সঁচা অৰ্থত এজন অহিংস ব্যক্তিৰ হিংসা নাইবা পাশৱিকতাক জয় কৰাৰ সক্ষমতা আছে।

অহিংস হৈছে এক ক্ৰিয়াশীল নাইবা এক নিৰ্ৱছিন্ন নাইবা এক নিৰ্মম প্ৰয়াস। ই ত্যাগ আৰু যন্ত্ৰণাক সন্নিৱিষ্ট কৰে। ই প্ৰেমৰ ধাৰণাটোৰ সৈতে জড়িত, যিয়ে আত্মাৰ অতীন্দ্ৰিয়তাক নিৰ্দেশ কৰে। সেয়ে, ই হৈছে এক প্ৰকাৰৰ আত্ম-যাতনা নাইবা তপস্যা।

গান্ধীৰ বিশ্বাস যে অহিংসাক সাৰ্বিক অৰ্থত অনুশীলন কৰিব পৰা যায়। স্থান, কাল আৰু পাত্ৰৰ দ্বাৰা ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত কোনো সীমাবদ্ধতা নাথাকে। কিন্তু ই সততা আৰু শুদ্ধতাৰ দৰে কিছুমান প্ৰমূল্যৰ নিৰ্দেশ দিয়ে, যাক যিকোনো লোক আনকি সমাজ নাইবা দেশৰ দ্বাৰাও অনুশীলন কৰিব পৰা যায়।

গান্ধীৰ অহিংসাৰ ধাৰণাটো অনিবাৰ্যভাৱে ঈশ্বৰৰ ধাৰণাটোৰ সৈতে জড়িত। তেওঁ মত পোষণ কৰে যে এজন লোকে কেতিয়াও অহিংসাক অনুশীলন কৰিব নোৱাৰে, যেতিয়ালৈকে তেওঁ অতিপাত ঈশ্বৰ বিশ্বাসী নহয়। ঈশ্বৰৰ প্ৰকৃতি বিশ্বাসৰ দ্বাৰাহে কেৱল এজন লোকে অহিংসাৰ ধাৰণাটোক অনুসৰণ কৰিব পাৰে। ই ইয়াকো দেখুৱায় যে বিশ্বাসৰ কৰ্ম নাইবা ঈশ্বৰৰ ওপৰত বিশ্বাসৰ দ্বাৰা এজন লোকে অনিবাৰ্য্যভাৱে এই ধাৰণাটোৰ বিকাশ ঘটাব পাৰে। এনে ধৰণৰ অনুভৱে অহিংসাৰ ধাৰণাটোৰ জন্ম দিয়ে। ই ইয়াকো ইংগিত দিয়ে যে অহিংসা ধাৰণাটো এক অৰ্থত চৰ্তসাপেক্ষ যে এজন লোকে অহিংসা ধাৰণাটোৰ অনুশীলন কৰিবৰ বাবে তেওঁ ঈশ্বৰত দৃঢ় বিশ্বাসী হ'ব লাগিব।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১। ঈশ্বৰ আৰু সত্যৰ মাজত এক চমু পাৰ্থক্য লিখিব। (প্ৰায় ২৫ টা মান শব্দৰ ভিতৰত উত্তৰ আগবঢ়াওক)

প্ৰশ্ন ২। অহিংসাৰ দুটা দিশ কি কি?

প্ৰশ্ন ৩। অহিংসা শব্দটোৰ আক্ষৰিক অৰ্থটো উল্লেখ কৰক।

প্ৰশ্ন ৪। অহিংসাৰ নঞৰ্থক অৰ্থ বুলিলে কি বুজে ? (উত্তৰ প্ৰায় ৩০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ৫। গান্ধীৰ মতামতৰ ফালৰ পৰা স্বাধীনতা (freedom) ৰ সদৰ্থক আৰু নঞৰ্থক অৰ্থৰ মাজত এক পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰঃ ৬ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰক।

ক) গান্ধীৰ মতটো হৈছে সত্যই ঈশ্বৰ (সত্য /অসত্য)

খ) অহিংসাৰ ধাৰণাটো বোধগম্য হ'বলৈ সত্য আৰু ঈশ্বৰৰ ধাৰণাটো আৱশ্যকীয়। (সত্য/অসত্য)

গ) অহিংসা এক প্রকাৰৰ আত্ম-যান্ত্রণা। (সত্য/ অসত্য)

ঘ) সত্য আৰু ঈশ্বৰ একেটা মুদ্রাৰ দুটা ফাল। (সত্য /অসত্য)

চিন্তা চর্চা কৰক ৫ ঃ ১

- এখন শান্তিপূর্ণ সমাজৰ বাবে অহিংসা অপৰিহার্য্য হয় নে?

৫.৫.১ অহিংসাৰ কৌশল - সত্যাগ্রহ

সত্যাগ্রহ হৈছে এক অমূল্য আৰু অতুলনীয় অস্ত্র, যাক ইংৰাজসকলৰ শিকলিৰ বান্ধোনৰ পৰা ভাৰতবর্ষক মুক্ত কৰাৰ উদ্দেশ্যে গান্ধীয়ে ব্যৱহাৰ কৰিছিল। তেওঁ জানিছিল যে ইংৰাজসকলক আন উপায়েৰে পৰাস্ত কৰাটো অসম্ভৱ। সেয়ে, তেওঁ সত্য, অহিংসা আদি ধাৰণাৰ মাজেৰে সত্যাগ্রহৰ কৌশলটোৰ সদ্ব্যৱহাৰ কৰিছিল। তেওঁ 'সত্যাগ্রহ' শব্দটোক এজোপা বট্ গছৰ সৈতে তুলনা কৰিছিল, য'ত সত্য আৰু অহিংসাই একেলগে অসংখ্য ঠাল-ঠেঙুলিৰে গা-গছজোপাক প্রতিনিধিত্ব কৰিছিল আৰু সেই ঠাল-ঠেঙুলীবোৰৰ ভিতৰত আইন অমান্য (civil disobedience) ও এটা। পোন প্রথমবাৰৰ বাবে মগনলাল গান্ধী (Maganlal Gandhi) য়ে 'সদাগ্রহ' (Sadagraha) শব্দটো আগবঢ়াইছিল (সদা= সত্য, আগ্রহ = দৃঢ়তা) কিন্তু ইয়াক স্পষ্ট কৰিবলৈ গান্ধীয়ে ইয়াক 'সত্যাগ্রহ' শব্দলৈ পৰিবর্তন কৰিছিল, যাক গুজৰাটী ভাষাত স্বাধীনতা আন্দোলনৰ এক মনোনয়ন ৰূপে ব্যৱহাৰ কৰা হৈছিল। সত্যাগ্রহ গান্ধীজীৰ জীৱনৰ এক আর্হি বা আদর্শস্বৰূপ আছিল। কাৰণ ই প্রেম, ধৈর্য্য, স্বদেশপ্রেম, সত্য, অহিংসা ইত্যাদিৰ দৰে প্রমূল্যসমূহক নির্দেশ কৰে। তেওঁৰ মতামত হৈছে যে "The sword of the satyagrahi is love and the unmistakable firmness that comes from it"- অর্থাৎ, সত্যাগ্রহীৰ তৰোৱাল হৈছে প্রেম আৰু নিশ্চিত দৃঢ়তা, যি ইয়াৰ পৰা আহে। এবিউন পেনল'জ্ (AbunePanlos) য়ে লিখিছে যে আন্দোলনত প্রয়োগ কৰা গান্ধীৰ 'সত্যাগ্রহ' শব্দটোৰ সংজ্ঞাটোৱে বিৰোধী জনক আঘাত কৰাৰ পৰিবর্তে শাৰীৰিক আৰু মানসিক অহিংসাক আগুৰি ধৰি সত্য, মুক্ত অৱস্থা, সাধুতা আৰু ন্যায়পৰায়নতা আদিক নির্দেশ কৰে। এই সকলোবোৰ প্রমূল্যই পবিত্র গ্রন্থৰ মূলমন্ত্রৰ সৈতে থকা সমন্বয়ক নির্দেশ কৰে। সেই কাৰণেই পৃথিৱীৰ সকলো শান্তিপ্রিয় আৰু প্রকৃত দেশৰ নাগৰিক নাইবা গোষ্ঠীসমূহে তেওঁলোকৰ ধর্মীয় নাইবা দার্শনিক দৃষ্টিভঙ্গী, নৃগোষ্ঠীয় পটভূমি আদি নির্বিশেষে আজি গান্ধীৰ মূলমন্ত্রসমূহক গুৰুত্বপূর্ণ মূল্য প্রদান কৰিছে। গান্ধীৰ সত্যাগ্রহৰ কৌশলটো এটা বহুমাত্রীয় (multidimensional) ধাৰণা। সেইবাবে, স্বাভাৰিকতে প্রশ্ন উদয় হয় যে, বর্তমান পৰিপ্রেক্ষিতত সত্যাগ্রহৰ ধাৰণাটোৰ কিবা প্রাসংগিকতা আছেনে? ইয়াৰ উত্তৰত এই মত দিব পৰা যায় যে বর্ত্তমান পৰিপ্রেক্ষিততো ইয়াৰ প্রাসংগিকতা আছে। গান্ধীৰ মতে "it is a force that may be used by individuals as well as by communities. It can be used not only in political but also in domestic affairs. Its universal applicability is a demonstration of its permanence and invincibility. It can be used alike by man, woman and children as well. It is totally untrue to say that it is a force to be used only by the weak." অর্থাৎ ই এক শক্তি যাক ব্যক্তিৰ লগতে জাতিসমূহেও ব্যৱহাৰ কৰিব পাৰে। ইয়াক কেৱল

ৰাজনীতিয়েই নহয়, ঘৰুৱা বিষয়তো ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ সার্বিক প্রয়োগিকতা হৈছে ইয়াৰ স্থায়ীত্ব আৰু অদম্যতা প্রদর্শনৰ এক কার্য। ইয়াক পুৰুষ মহিলা আৰু ল'ৰা-ছোৱালী সকলোৱেই একে ধৰণেৰে ব্যৱহাৰ কৰিব পাৰে। এই কথা কোৱাটো সম্পূর্ণৰূপে অসত্য হ'ব যে ই কেৱল দুর্বলসকলৰ দ্বাৰা ব্যৱহৃত এক শক্তি। এই কথা সকলোৱে জ্ঞাত যে প্রেমে প্রেমক জন্ম দিয়াৰ দৰে হিংসাই হিংসাকহে জন্ম দিয়ে। কিন্তু ই আমাক বিপৰীত ফলটো দিব নোৱাৰে। দৃষ্টান্ত স্বৰূপে আমি এটা সৰল উদাহৰণ দিব পাৰো- ধৰা হ'ল এজন লোকে এজন মানুহৰ গালত এটা চৰ মাৰে আৰু প্রত্যাঘাতত পিছৰ জনেও একে ধৰণৰে ব্যৱহাৰ কৰে, তেতিয়া উক্ত দৃষ্টান্তটোৰ পৰা এটা প্রশ্ন কৰিব পৰা যায় যে- ইয়াত কি অনুপস্থিত হৈ আছে? উত্তৰটো হৈছে যে এই দৃষ্টান্তটোত প্রেম, সহনশীলতা, সহানুভূতি আদিৰ দৰে প্রমূল্যসমূহ অনুপস্থিত হৈ আছে, যিবোৰক আজিৰ বিশ্বব্যাপী বজাৰৰ পৰা ক্রয় কৰিব পৰা নাযায়। আকৌ, এই প্রমূল্যসমূহক বেংক একাউণ্টৰ দৰে হাতেৰে স্পর্শও কৰিব নোৱাৰি। ইয়াৰ বিপৰীতে ই আহে আভ্যন্তৰৰ পৰা। এই পৰিপ্রেক্ষিতত আমি আভ্যন্তৰীণ স্বাধীনতা (freedom of) আৰু বাহ্যিক সাধীনতা (freedom from) ৰ মাজত এক পার্থক্যৰ বিচাৰ কৰিব পাৰো। গান্ধীয়ে বাহ্যিক স্বাধীনতাৰ ধাৰণাটো স্বীকাৰ কৰা নাছিল। তেওঁ ভাবিছিল যে বাহ্যিক স্বাধীনতাই অসত্যতা আৰু হিংসা আনিব পাৰে। সাধাৰণতে আমি আমাৰ ঘৰুৱা, ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রত বাহ্যিক স্বাধীনতাৰ ধাৰণাটোক অনুসৰণ কৰো। ফলস্বৰূপে, প্রেম,সত্য, অহিংসা, আনৰ বাবে ভবা, ন্যায়, সহনশীলতা আদিৰ দৰে প্রমূলসমূহ মানৱ জীৱনৰ পৰা ক্রমান্বয়ে নাইকিয়া হ'বলৈ ধৰিছে। সেয়ে, স্বাভাৱিকতে আমাৰ মনলৈ প্রশ্ন আহে যে সমাজৰ বর্ত্তমান পৰিপ্রেক্ষিতত বিৰোধৰ সৃষ্টি হোৱাৰ কাৰণ সমূহ কি কি? উত্তৰটো কেৱল সামাজিক আৰু ৰাজনৈতিক পটভূমিৰ পৰাই নহয়, অর্থনৈতিক দৃষ্টিকোণৰ পৰাও উপস্থাপন কৰিব নোৱাৰি। যদি আমি সামাজিক পটভূমিৰ মাজেৰে যাওঁ, তেতিয়া আমি দেখা পাওঁ যে আমি সাধাৰণতে সত্যৰ অন্বেষণৰ ধাৰণাটোৰ পৰিৱর্তে কেৱল ব্যক্তিগত শান্তিৰ অন্বেষণৰ ওপৰত জো�ৰ দিওঁ। শান্তি স্বর্গৰ পৰা নাহে। ই আহে প্রেম, সত্য, অহিংসা, সহনশীলতা, ন্যায় আৰু স্বদেশপ্রেম আদি ধাৰণাবোৰৰ পৰা, যি সুপ্ত, যি অদৃশ্য, অপ্রত্যক্ষিত আৰু অনিৰীক্ষিত। সেই কাৰণেই, এইবোৰৰ অন্তর্নিহিত মূল্য আছে। সেই কাৰণে, গান্ধীয়ে লিখিছে যে, "যেতিয়ালৈকে সত্যক বর্জন নকৰে তেতিয়ালৈকে সত্যাগ্রহীসকল পৰাজিত নহয়। সত্যৰ অবিৰত অন্বেষণ আৰু সত্যত উপনীত হোৱাৰ দৃঢ় সংকল্পৰদ্ধতাই হ'ল সত্যাগ্রহ। সত্যাগ্রহৰ পথত সদায় সত্য প্রতি অবচলিত অসংকুচিত আনুগত্যৰ ভাব থাকে। প্রেম আৰু প্রেমৰ দ্বাৰা উন্মেষ ঘটা সন্দেহাতীত দৃঢ়তা হ'ল সত্যাগ্রহৰ প্রধান অস্ত্র। সত্যাগ্রহ মানে হ'ল চৰম আত্ম-বিলোপন, চৰম দর্পহীনতা, অশেষ ধৈর্য আৰু মহিমামণ্ডিত বিশ্বাস।" 'আজিৰ মানুহে সত্যাগ্রহৰ কৌশলক কেৱল লিখিত ৰূপতেই অনুসৰণ কৰে। সেয়ে, ইয়াক বিনা সন্দেহে কোৱা হয় যে আমাৰ দৈনন্দিন জীৱনত গান্ধীক প্রয়োগ কৰাৰ পৰিৱর্তে, সভা সমিতিত ভাষণ দিয়াৰ আর্হি ৰূপেহে ইয়াক ব্যৱহাৰ কৰোঁ। আকৌ, যদি আমি ইয়াক ৰাজনৈতিক দৃষ্টিকোণৰ পৰা চাওঁ, তেতিয়া, এই মত আগবঢ়াব পৰা যায় যে ৰাজনীতিবিদসকল তেওঁলোকৰ দল বা সংগঠনৰ কাম-কাজৰ সৈতে ব্যস্ত থাকে। তেওঁলোকে সমতা, ন্যায় আদি ধাৰণাৰ দৰে ৰাইজৰ আৱেগ অনুভূতিক উপেক্ষা কৰে, যিবোৰ প্রকৃততে ৰাজহুৱা মঞ্চত আলোচনা কৰিবলগীয়া বিষয়। ৰাজনীতিৰ বর্তমান দৃশ্যপটৰ পৰাই এই কথা পৰিস্কাৰ হৈ আছে। উদাহৰণ স্বৰূপে আমি এখন ৰাজ্যৰ কল্যাণৰ বিষয়ে ক'ব পাৰো। এইটো সত্য যে আমি স্বাধীন ভাৰতীয়, কিন্তু গুৰুত্বপূর্ণ প্রশ্নটো হৈছে — আমি প্রকৃতার্থত স্বাধীনতাক উপভোগ কৰিব পাৰিছোনে? গান্ধীৰ দৃষ্টিকোণৰ পৰা কোনো মানুহ সত্যাগ্রহৰ ধাৰণাটোৰ পৰা মুক্ত হ'ব নোৱাৰে। সত্যগ্রাহীসকলে সদায় কেৱল বাহ্যিক দিশৰ পৰাই নহয়, আভ্যন্তৰীণ দিশৰ পৰাও

তেওঁলোকৰ স্বাধীনতাক উপভোগ কৰিব পাৰে, কাৰণ তেওঁলোক সত্যৰ প্ৰতি অনুগত হৈ থাকে। সেই কাৰণে গান্ধীয়ে কেৱল বৃটিছসকলৰ পৰাই নহয়, অন্তৰৰ পৰাও স্বাধীনতা প্ৰাপ্তিৰ উদ্দেশ্যে, ঘৰুৱা ক্ষেত্ৰৰ উপৰিও ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰতো সত্যাগ্ৰহৰ কৌশলটো প্ৰয়োগ কৰিছিল। আকৌ আমি যদি অৰ্থনৈতিক দিশৰ পৰা চাওঁ, তেতিয়া দেখা যায় যে ভাৰতবৰ্ষক সমৃদ্ধ কৰিবলৈ গান্ধীয়ে অৰ্থনৈতিক দিশতো সত্যাগ্ৰহৰ কৌশলটো প্ৰয়োগ কৰিছিল। যদি ইয়াক গ্ৰহণ কৰা নহয়, মানৱ জাতিৰ কল্যাণ চিন্তা কৰিব পৰা নাযায়। যদি আমোলাসকল ভ্ৰষ্টাচাৰী হয় আৰু অৰ্থনৈতিক লেনদেনবোৰৰ সঠিকভাৱে সদ্ ব্যৱহাৰ নহয়, ই দেশৰ অৰ্থনৈতিক শ্ৰীবৃদ্ধিক অনিশ্চয়তাৰ দ্বাৰা বাধা আৰোপ কৰে। সেই কাৰণেই গান্ধীয়ে লিখিছে —"সত্যাগ্ৰহত শঠতা, কপটতা নাইবা কোনো ধৰণৰ অসত্য কথাৰ স্থান নাই। সত্যাগ্ৰহৰ মৌলিক স্বৰূপ এনেকুৱা যে এই আন্দোলনৰ ফলাফল আন্দোলনৰ বুকুতেই সোমাই থাকে। আত্ম-সহায়, আত্মবলিদান আৰু ঈশ্বৰৰ ওপৰত বিশ্বাস হ'ল সত্যাগ্ৰহৰ আধাৰ।" সত্যাগ্ৰহৰ যোগেদি মানৱজাতিৰ ভালৰ বাবে জনগনলৈ তলৰ বাণীসমূহ আগবঢ়াবলৈ বিচাৰিছিল ঃ প্ৰেমৰ বাণী, সত্যৰ বাণী, অহিংসাৰ বাণী, সহনশীলতাৰ বাণী, সমতাৰ বাণী, ন্যায়ৰ বাণী আৰু আত্ম-নিয়মানুবৰ্তিতাৰ বাণী। আমাৰ সমাজত ভাবুকি ৰূপে গঢ় লৈ উঠা প্ৰমূল্য-সংকটৰ গৰাহৰ পৰা মানৱ জাতিক ৰক্ষা কৰাৰ উদ্দেশ্যে গান্ধীজীৰ সত্যাগ্ৰহৰ ধাৰণাটোৰ ওপৰত পুণৰ্বিচাৰ কৰাৰ সময় আহি পৰিছে, অন্যথা সমাজখন অতি শীঘ্ৰে অচল নাইবা বিপদাপন্ন হৈ পৰিব। সেই কাৰণেই গান্ধীয়ে সত্যাগ্ৰহৰ ওপৰত বিশাল গুৰুত্ব আৰোপ কৰিছে, যিয়ে শান্তিপূৰ্ণ সমাজৰ বাবে মানৱ প্ৰমূল্যৰ সংৰক্ষণত এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সেই কাৰণে তেওঁ কয় যে, "অৰ্থাৎ মানৱ জাতিয়ে কেৱল অহিংসাৰ দ্বাৰাহে হিংসাৰ হাতোৰাৰ পৰা মুক্ত হ'ব পাৰিব। কেৱল প্ৰেমেৰেহে ঘৃণাক জয় কৰিব পাৰি।" তেওঁ আৰু যোগ দিয়ে, " যদি স্বতন্ত্ৰতা আৰু গণতন্ত্ৰক প্ৰকৃতাৰ্থত সুৰক্ষিত কৰিব লাগে তেন্তে ই কেৱল অহিংস প্ৰতিৰোধৰ দ্বাৰাহে সম্ভৱ। ই হিংস প্ৰতিৰোধতকৈ কোনোগুণে কম সাহসী অথবা কম গৰিমাময় নহয়।"

তেওঁ তাৎপৰ্যপূৰ্ণভাৱে উল্লেখ কৰিছে যে হিংসাৰ ওপৰত প্ৰতিষ্ঠিত কোনো ফল দীৰ্ঘস্থায়ী হ'ব নোৱাৰে। তেওঁ ঘৃণা, খং, যুদ্ধ আৰু অন্যান্য বদ্অভ্যাসসমূহৰ বিৰোধী আছিল। যিকোনো সদৰ্থক ফল লাভ কৰিবৰ বাবে যুদ্ধ কেতিয়াও উপায় বা পথ হ'ব নোৱাৰে। যিদৰে প্ৰেমে প্ৰেমক জন্ম দিয়ে, সেইদৰে এখন যুদ্ধই আন এখন যুদ্ধৰ আৰম্ভণি কৰে। সেই কাৰণে, কেৱল প্ৰেমেই শান্তিৰ উদ্যমক জাগ্ৰত কৰে।

গান্ধীয়ে মত পোষণ কৰে যে, কেৱল তেতিয়াহে সত্য আৰু অহিংসাৰ ধাৰণা অনুশীলন কৰিব পাৰে, যেতিয়া অহিংসা ধাৰণাটোৰ অনুশীলন নাইবা ব্যৱহাৰৰ এটা পথ বা উপায় থাকে। ই অহিংসাৰ এক উন্নয়নশীল স্তৰ, যাক সত্যাগ্ৰহ নামেৰে নামা কৰণ কৰিব পৰা যায়। সত্যাগ্ৰহৰ ধাৰণাটো প্ৰেমৰ ওপৰত ভিত্তি কৰি গঢ় লৈছে। সেই কাৰণে, ই এক প্ৰেম-শক্তি। গান্ধীয়ে ইয়াক ধৰ্মীয় অন্বেষণ ৰূপে গ্ৰহণ কৰিছে, কাৰণ ই নিঃশ্চিতভাৱে কয় যে ঈশ্বৰ এজনেই যি সৰ্ববিদ্যমান। প্ৰেম মানুহৰ ভিত্তি আৰু এই ভিত্তি অবিহনে আমি সত্যাগ্ৰহৰ ধাৰণাটোৰ অনুশীলন কৰিব নোৱাৰো। ইয়াক সত্য শক্তি নাইবা আত্মা শক্তি নাইবা প্ৰেম শক্তি হিচাপেও জনা যায়। গান্ধীয়ে তেওঁৰ সমগ্ৰ জীৱন জুৰি সত্যাগ্ৰহৰ ধাৰণাটো ব্যৱহাৰ কৰিবলৈ প্ৰয়াস কৰিছিল আৰু তেওঁ তেওঁৰ জীৱনত সফল হৈছিল। গান্ধীয়ে হিংসা, অত্যাচাৰ আৰু অন্যায় বিৰুদ্ধে অহিংসাৰ ধাৰণাটোক বিধিবদ্ধ কৰিছিল। তেওঁ মত পোষণ কৰিছিল যে সত্য সাৰ্বিক, চিৰন্তন, সৰ্বব্যাপী আৰু সৰ্বজ্ঞাত। এই কথাৰ অজ্ঞানতাৰ বাবেই আমাৰ সমাজত সমস্যাসমূহ জড়িত হৈ পৰে। এই সন্দৰ্ভত গান্ধীয়ে মতামত আগবঢ়াইছে যে আমি হিংসাক হিংসাৰে, অমঙ্গলক অমঙ্গলেৰে,

খংক খণ্ডেৰে উত্তৰ দিয়াটো উচিত নহয়। তাৰ পৰিবর্তে আমি চিন্তা কৰাটো উচিত আমাৰ সন্মুখত দেখা দিয়া সমস্যাটোৰ পৰা আমি কেনেকৈ হাত সাৰিব পাৰো। গান্ধীৰ উত্তৰটো হৈছে এইয়ে যে এই সংকটৰ কেৱল এটাই উত্তৰ আছে, সেয়া হৈছে সত্যাগ্রহক আকোৱালি লোৱা।

সত্যাগ্রহই এজন ভুল কাম কৰা মানুহক জীৱনত কৰা ভুলৰ সংশোধন নাইবা উপলব্ধি কৰিবলৈও এক সুযোগ দিয়ে। ই নির্ভৰ কৰে এক বিশ্বাসৰ ওপৰত যে প্রত্যেক মানুহৰ মাজত এক অত্যাৱশ্যকীয় গুণ থাকে। সেয়া হৈছে সততা, কাৰণ প্রত্যেক মানুহে নিজৰ মাজতেই ঐশ্বৰিকতা বহন কৰে। সেই কাৰণে, মানুহৰ গুৰুত্বপূর্ণ দিশটো হৈছে খং, ঘৃণা, অসহিষ্ণুতা আদিৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে মানুহৰ মাজত থকা গোপনীয় অত্যাৱশকীয় গুণক জগাই তোলা।

গান্ধীয়ে দাবী কৰে যে সত্যাগ্রহীয়ে সত্যৰ বাবে যন্ত্রণা গ্রহণ কৰি নিজকে সংশোধন কৰিব পাৰে। এই সন্দর্ভত অহিংসা বা অহিম্সা হৈছে সচেতন যন্ত্রণা (conscious suffering)। সেইবাবে, এজন সত্যাগ্রহীয়ে বিপক্ষৰ মন পৰিবর্তন কৰিব পাৰে।

সত্যাগ্রহ প্রেম, অহিংসা আৰু সচেতন যন্ত্রণাৰ ধাৰণাৰ দ্বাৰা গঠিত। এই ধাৰণাবোৰৰ সহায়ত অমঙ্গলৰ শক্তিক দলিয়াই পেলাব পাৰি এই অর্থত যে ই সত্যৰ এক উপায় বা পথ। গান্ধীয়ে এই পৰিপ্রেক্ষিতত আঙুলিয়াইছে যে ই সার্বিক এই অর্থত যে ইয়াক ল'ৰা-ছোৱালী আৰু প্রাপ্তবয়স্কৰ দ্বাৰা, পুৰুষ আৰু মহিলাৰ দ্বাৰা, ব্যক্তি আৰু জাতিৰ দ্বাৰা আৰু সমাজ আৰু দেশৰ দ্বাৰাও অনুশীলন কৰিব পাৰি। ইয়াক ঘৰুৱা, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্রতো প্রয়োগ কৰিব পাৰি। সত্যাগ্রহ ধাৰণাটোৰ এই সার্বিক প্রকৃতি ঈশ্বৰৰ ধাৰণাৰ পৰাই নিঃসৃত হৈছে।

৫.৬ লক্ষ্য আৰু উপায়ৰ ক্ষেত্রত গান্ধীৰ মতামত

গান্ধীৰ দর্শনত ই এক অতি তাৎপর্যপূর্ণ আৰু আমোদজনক ধাৰণা। ইয়াক পৰম্পৰাগত নৈতিক ধাৰণা 'শুদ্ধ' (right) আৰু 'শ্রেয়' (good) ৰ লগত সংযোগ কৰিব পাৰি। 'শুদ্ধ' শব্দটোক 'শ্রেয়'ৰ উপলব্ধিৰ এক উপায় হিচাপে গ্রহণ কৰিব পাৰি। সেয়ে লক্ষ্য হৈছে 'শ্রেয়' (good) আৰু উপায় (means) হৈছে শুদ্ধ (right) । ইয়াত আমি 'শুদ্ধ' আৰু 'শ্রেয়'ৰ মাজত এক অনিবার্য্য সম্বন্ধ দেখিবলৈ পাওঁ। আমি 'শুদ্ধ'ৰ ধাৰণাটোৰ অবিহনে 'শ্রেয়'ৰ ধাৰণাটোৰ কথা চিন্তা কৰিব নোৱাৰো। যিহেতু 'শুদ্ধ' আৰু 'শ্রেয়'ৰ মাজত এক অনিবার্য্য সম্বন্ধ আছে, সেয়ে 'লক্ষ্য' আৰু 'উপায়'ৰ মাজতো এক ওতঃপ্রোত সম্বন্ধ আছে।

গান্ধীৰ সত্য আৰু অহিংসাৰ ধাৰণাৰ লগত এই দুটা ধাৰণাৰ এক যোগসূত্র নাইবা সংযোগ আছে। গান্ধীৰ মতে, 'লক্ষ্য' আৰু 'উপায়' দুয়োটাই এটাৰ লগত আনটো অনিবার্য্যভাৱে সম্পর্কযুক্ত হৈ আছে আৰু তেওঁৰ দর্শনত উভয়েই ৰূপান্তৰ যোগ্য শব্দ। এই দুয়োৰে সম্পর্কক উল্লেখ কৰি গান্ধীয়ে লিখিছে যে- অর্থাৎ, উপায় এটা গুটি, লক্ষ্য এজোপা গছৰ দৰে; আৰু গুটি আৰু গছজোপাৰ মাজত থকাৰ দৰে উপায় আৰু লক্ষ্যৰ মাজতো সদৃশ অলংঘ্য যোগসূত্র আছে। (Hind swaraj, p.39) এই কথাষাৰে গুটি আৰু গছৰ মাজৰ অনিবার্য্য সম্পর্কৰ নির্দেশ দিয়ে আৰু এই সম্পর্কৰ মাজেৰে তেওঁ উপায় আৰু লক্ষ্যৰ মাজৰ অভিন্ন সংযোগক দেখুৱাইছে।

এই সম্পর্কই গান্ধীৰ দর্শনত গুৰুত্বপূর্ণ কেতবোৰ প্রশ্ন জড়িত কৰিছে। প্রশ্নসমূহ হৈছে ঃ লক্ষ্যই উপায়ক শুদ্ধ প্রমাণিত কৰেনে? আমি যিকোনো উপায় অৱলম্বনৰ দ্বাৰা ভাল লক্ষ্য পাব পাৰোনে? যদি এটা ভাল লক্ষ্য উপলব্ধি কৰিব লাগে, উপায়টোও ভাল হোৱাটো উচিতনে? উপায়ৰ শুদ্ধতা শ্রেয়ৰ উপলব্ধিৰ পথৰ এক অত্যাৱশ্যকীয় দিশ হয়নে? ইয়াৰ পৰিবর্তে, তেওঁ দেখুৱাইছে যে যদি এটা ভাল লক্ষ্য উপলব্ধি কৰিব লাগে, তেন্তে, সেই ভালটো পাবৰ বাবে উপায়টোও অনিবার্য্যভাৱে ভাল হ'ব লাগিব। সেই কাৰণে, গান্ধীয়ে তেওঁৰ জীৱনৰ দর্শনত উপায়ৰ ওপৰত গুৰুত্ব দিছে। সেয়ে তেওঁ কয়, - অর্থাৎ, মুঠতে উপায়েই সকলো। আকৌ, এই মত দিব পাৰি যে ভাল লক্ষ্য উপলব্ধি কৰাৰ উদ্দেশ্যে, উপায়, যাক আমি ভাল লক্ষ্য পাবৰ বাবে অৱলম্বন কৰোঁ, সি মানুহ ভেদে একে নহ'বও পাৰে, যিহেতু আমি ধাৰণা কৰো যে উপায় বহু। সেই কাৰণেই গান্ধীয়ে উত্তৰ দিছে যে লক্ষ্যই উপায়ক শুদ্ধ প্রমাণিত কৰিব নোৱাৰে। গান্ধীৰ 'সত্য' আৰু 'অহিংসা'ৰ ধাৰণাৰ লগত তেওঁৰ 'লক্ষ্য' আৰু 'উপায়'ৰ ধাৰণা দুটাৰ এক পোনপটীয়া সম্পর্ক আছে। লক্ষ্য নাইবা আদর্শ, যি হৈছে সত্য তাক উপলব্ধি কৰাৰ উদ্দেশ্যে গান্ধীয়ে 'অহিংসা'ৰ পথক উপায় হিচাপে অৱলম্বন কৰিছে। সেই কাৰণে গান্ধীয়ে কৈছে যে ঃ সত্য হৈছে লক্ষ্য আৰু অহিংসা হৈছে উপায়। ভাৰতবর্ষৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত গান্ধীয়ে বৃটিছ সাম্রাজ্যবাদৰ পৰা এক লক্ষ্য বা আদর্শৰূপে মুক্তি লাভ কৰাৰ উদ্দেশ্যে এক উপায় হিচাপে অহিংসাক অস্ত্র হিচাপে প্রয়োগ কৰিছিল আৰু অহিংসাৰ উপায়ৰ দ্বাৰা স্বাধীনতা লাভৰ ক্ষেত্রত গান্ধী সফল হৈছিল।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ তলৰ বক্তব্যকহৈটা সত্য নে অসত্য উল্লেখ কৰা ঃ

ক) সত্যাগ্রহ এক কৌশল, যাক গান্ধীয়ে তেওঁৰ দর্শনত প্রয়োগ কৰিছে। (সত্য/ অসত্য)

খ) সত্যাগ্রহ এক বহুমাত্রীয় ধাৰণা। (সত্য/ অসত্য)

গ) সত্যাগ্রহক প্রেম শক্তি বুলিও জনা যায়। (সত্য /অসত্য)

প্রশ্ন নং ৮ঃ কোনে পোন প্রথমে 'সত্যাগ্রহ' শব্দটো আগবঢ়াইছিল?

প্রশ্ন নং ৯ঃ গান্ধীৰ মতে বহিঃ স্বাধীনতা বুলিলে কি বুজে? (প্রায় ৪০ টা শব্দত উত্তৰ লিখিব)

প্রশ্ন নং ১০ঃ গান্ধীয়ে কিয় তেওঁৰ দর্শনত সত্যাগ্রহৰ ধাৰণাটো প্রয়োগ কৰিছিল? (প্রায় ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখিব।)

প্রশ্ন নং ১১ঃ সত্যাগ্রহক কিয় প্রেমশক্তি বুলি জনা যায়? (প্রায় ৪০ টা মান শব্দৰত ভিতৰত লিখিব)

প্রশ্ন নং ১২ঃ 'সত্যাগ্রহ' ধাৰণাটো প্রকৃতিগতভাৱে সার্বিক- এই ধাৰণাটোৰ দ্বাৰা কি বুজে? (উত্তৰ প্রায় ৬০ টা মান শব্দৰ ভিতৰত লিখক)

চিন্তা চর্চা কৰক ঃ ৫.২

- বর্তমান সময়ত সত্যাগ্রহৰ ধাৰণাটো প্রাসঙ্গিক হয়নে? আপুনি কি ভাবা?

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গান্ধীয়ে মত পোষণ কৰে যে সত্যৰ প্ৰকৃতি নৈৰ্ব্যক্তিক, আনহাতে, ঈশ্বৰ ব্যক্তিগত। এইতাৎপৰ্যপূৰ্ণ বিষয়টো সমাধান কৰিবলৈ গান্ধীয়ে কয় যে সত্যই ঈশ্বৰ। তেওঁ কাৰণটো উল্লেখ কৰে যে আমি ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰিব পাৰো, কিন্তু আমি সত্যক অস্বীকাৰ কৰিব নোৱাৰো। সেয়ে, সত্যৰ ধাৰণাটো প্ৰকৃতিগতভাৱে সাৰ্বিক।
- সত্য আৰু অহিংস অন্তঃ সম্পৰ্কযুক্ত এই অৰ্থত যে এটাৰ অবিহনে আনটোক আলোচনা কৰিব পৰা নাযায়। ইহঁত একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। অহিংসা হৈছে উপায় আৰু সত্য হৈছে লক্ষ্য।
- 'অহিংসা' শব্দটোৰ আক্ষৰিক অৰ্থ হৈছে 'বধ নকৰা' নাইবা 'আঘাত নকৰা'। সেয়ে অহিংসাক হিংসাৰ পৰা পৃথক জ্ঞান কৰা হয়। তেওঁৰ মতটো হৈছে যে হিংসাৰ অৰ্থ বিপদৰ বাহিৰত নাইবা এক স্বাৰ্থপৰ উদ্দেশ্যৰ পৰা বা তাক আঘাত কৰাৰ লক্ষ্যৰে আনক হত্যা কৰা। সেয়েহে অহিংসাই এনেধৰণৰ কৰ্মৰ পৰা বিৰত থকাতো সূচায়।
- অহিংসা শব্দটোৰ দুটা দিশ আছে। এটা হৈছে ইতিবাচক আৰু আনটো হৈছে নেতিবাচক। সদৰ্থক বা ইতিবাচক দিশটোৱে পোষণ কৰে যে অহিংসা জীৱৰ প্ৰতি কেৱল এক 'আঘাত নকৰা' বা 'হত্যা নকৰা'ক নুবুজায়, ইয়াৰ পৰিবৰ্তে এই দিশটোৰ মাজেৰে তেওঁ মত পোষণ কৰেযে আমি একে সময়তে আন জীৱৰ প্ৰতি অহিংস হোৱাটো উচিত। ইয়াৰোপৰি, ই প্ৰেমৰ ধাৰণাটোক নিৰ্দেশ কৰে। প্ৰেম এক প্ৰকাৰ শক্তি যিয়ে এজন ব্যক্তিৰ মনক শোধন কৰিব পাৰে আৰু মানুহৰ গুণাৱলীৰ উন্নতি সাধন কৰে। আনহাতে, অহিংসাৰ নেতিবাচক দিশটোৰ দ্বাৰা গান্ধীয়ে 'হত্যা নকৰা' বা 'আঘাত নকৰা' বুজাইছে। ই সূচায় যে এটা অহিংস কৰ্ম ঘৃণা, খং, অপ্ৰীতি ইত্যাদিৰ পৰা মুক্ত।
- অহিংসাৰ ধাৰণাটো অত্যাৱশ্যকীয়ভাৱে ঈশ্বৰৰ ধাৰণাটোৰ সৈতে জড়িত। এজন লোকে তেতিয়ালৈকে অহিংসাক অনুশীলন কৰিব নোৱাৰে, যেতিয়ালৈকে তেওঁ ঈশ্বৰৰ এজন ঘোৰ অনুসৰণকাৰী বা বিশ্বাসী নহয়। ঈশ্বৰৰ প্ৰকৃতিক বিশ্বাস কৰাৰ দ্বাৰা এজন লোকে অহিংসাক অনুসৰণ কৰিব পাৰে। ই তাৎপৰ্য্যমূলকো হয় যে ঈশ্বৰৰ ওপৰত কৰা বিশ্বাসৰ দ্বাৰা আমি যে অত্যাৱশকীয়ভাৱে এজন লোকে সেই ধাৰণাৰ বিকাশ ঘটাব পাৰে।
- গান্ধীয়ে প্ৰেম, সহনশীলতা, দেশপ্ৰেম, সত্য, অহিংসা ইত্যাদি ধাৰণাবোৰৰ জৰিয়তে সত্যাগ্ৰহৰ কৌশলটো ব্যৱহাৰ কৰিছে। তেওঁৰ মতটো হৈছে যে - "The sword of satyagrahi is love and the unmistakable firmness that comes from it."
- সত্যাগ্ৰহ সত্যৰ বাবে এক নিৰ্মম অনুসন্ধান আৰু তাত উপনীত হোৱাৰ দৃঢ়তা। সত্যাগ্ৰহৰ পথত সত্যৰ প্ৰতি অবিচলিত আনুগত্য থাকে। সত্যাগ্ৰহৰ তৰোৱালখন হৈছে প্ৰেম আৰু নিশ্চিত দৃঢ়তা ইয়াৰ পৰাই আহে।
- সত্যাগ্ৰহীসকলে সদায় তেওঁলোকৰ স্বাধীনতা কেৱল বাহ্যিক দিশৰ পৰাই নহয়, আভ্যন্তৰীণ দিশৰ পৰাও উপভোগ কৰিব পাৰে, কাৰণ তেওঁলোক সত্যৰ প্ৰতি আনুগত্য। সেই কাৰণে, গান্ধীয়ে কেৱল বৃটিছসকলৰ

পৰাই নহয়, অন্তৰৰ পৰাও স্বাধীনতা প্ৰাপ্তিৰ উদ্দেশ্যে, ঘৰুৱা ক্ষেত্ৰৰ উপৰিও ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰতো সত্যাগ্ৰহৰ কৌশলটো প্ৰয়োগ কৰিছিল।

- গান্ধীয়ে মত আগবঢ়াইছে যে কেৱল সত্যাগ্ৰহৰ কৌশলটো প্ৰয়োগৰ দ্বাৰাহে সত্য আৰু অহিংসাৰ ধাৰণাক অনুশীলন কৰিব পৰা যায়। সেই কাৰণেই অহিংসাৰ বিকাশশীল স্তৰটোক সত্যাগ্ৰহ বুলি জনা যায়।
- সত্যাগ্ৰহৰ ধাৰণাটো প্ৰেমৰ ধাৰণাৰ ওপৰত গঢ় হৈছে। ইয়াক প্ৰেম শক্তি নাইবা আত্মা-শক্তি বুলিও জনা যায়। গান্ধী এই শক্তিৰ দ্বাৰাই তেওঁৰ সমগ্ৰ জীৱনজুৰি সফল হৈছিল।
- 'শুদ্ধ' (right) আৰু 'শ্ৰেয়' (good) ৰ ধাৰণা দুটাৰ 'সত্য' আৰু 'অহিংসা'ৰ ধাৰণাৰ লগত পোনপটীয়া সম্পৰ্ক আছে। যিদৰে 'শুদ্ধ' হৈছে 'শ্ৰেয়' লাভৰ এক উপায়, সেইদৰে অহিংসাও 'সত্য' লাভৰ উপায়। অহিংসাৰ উপায়ৰ দ্বাৰা ইংৰাজ শাসনৰ পৰা মুক্তি লাভৰ ক্ষেত্ৰত গান্ধী কৃতকাৰ্য্য হৈছিল।

৫.৮ অধিক জানিবলৈ

1) Lal, B.K.1973. *Contemporary Indian Philosophy*. Motilal Benarsidass Publishers
2) Sharma, Anand (ed.) 2007. *Gandhian Way*. Academy Foundation
3) Verma. B.R. & Bakshi, S.R. (ed)2005. *Gandhian Satyagrah and His Techniques*. (1920-1928). Commonwealth Publications
4) Chakravarty, Meera. 2009. *Essays on Philosophy and Culture*. New Bharatiya Book Corporation

৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰঃ উঃ গান্ধীয়ে মত পোষণ কৰে যে সত্যৰ প্ৰকৃতি নৈৰ্ব্যক্তিক আৰু ইয়াৰ তুলনাত তেওঁ কয় যে ঈশ্বৰৰ প্ৰকৃতি ব্যক্তিগত।

২ নং প্ৰঃ উঃ অহিংসাৰ সদৰ্থক (Positive) আৰু নঞৰ্থক (Negative) দুটা দিশ।

৩ নং প্ৰঃ উঃ 'অহিংসা' শব্দটোৰ আক্ষৰিক অৰ্থ হৈছে 'হত্যা নকৰা' (non killing) নাইবা 'আঘাত নকৰা' (non-injury)

৪ নং প্ৰঃ উঃ অহিংসাৰ নঞৰ্থক অৰ্থই 'হত্যা নকৰা' নাইবা 'আঘাত নকৰা'ক সূচায়, সেয়ে ই আগতেই নিৰ্দ্ধাৰণ কৰে যে এটা অহিংসা কৰ্ম ঘৃণা, খং, অপ্ৰীতি আদিৰ পৰা মুক্ত।

৫ নং প্ৰঃ উঃ অহিংসাৰ সদৰ্থক অৰ্থটোৱে কেৱল জীৱৰ প্ৰতি এক 'হত্যা নকৰা' নাইবা 'আঘাত নকৰাকেই নুবুজায়, তাৰ পৰিবৰ্তে, ই পোষণ কৰে যে আমি এক বহল দৃষ্টিভঙ্গীত আন জীৱৰ প্ৰতি অহিংস হোৱাটো উচিত, যাক আমি অনুশীলন কৰা উচিত।

৬ নং প্ৰঃ উঃ ক) সত্য খ) সত্য গ) সত্য ঘ) সত্য

৭ নং প্ৰঃ উঃ মগনলাল গান্ধী।

৮ নং প্রঃ উঃ 'Freedom from' ধাৰণাটোৰ দ্বাৰা তেওঁ বাহ্যিক স্বাধীনতা (external freedom)ক নির্দেশ কৰিছে। যিয়ে অসত্য নাইবা হিংসা আনিব পাৰে। সধাৰণতে, আমি আমাৰ ঘৰুৱা, ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্ৰত বাহ্যিক স্বাধীনতা (freedom from) ৰ ধাৰণাটো অনুসৰণ কৰো।

৯ নং প্রঃ উঃ সত্যাগ্রহ হৈছে এক অমূল্য আৰু অতুলনীয় অস্ত্ৰ, যাক ইংৰাজসকলৰ শিকলিৰ বান্ধোনৰ পৰা ভাৰতবর্ষক মুক্ত কৰাৰ উদ্দেশ্যে গান্ধীয়ে ব্যৱহাৰ কৰিছিল। তেওঁ জানিছিল যে ইংৰাজসকলক আন উপায়েৰে পৰাস্ত, কৰাটো অসম্ভৱ। সেয়ে, তেওঁ সত্য, অহিংসা আদি ধাৰণাৰ মাজেৰে সত্যাগ্রহৰ কৌশলটোৰ সদ্ব্যৱহাৰ কৰিছিল।

১০ নং প্রঃ উঃ সত্যাগ্রহৰ ধাৰণাটো প্রেমৰ ওপৰত গঢ় লৈ উঠিছে। প্রেমক মানুহৰ ভিত্তি বুলি গণ্য কৰা হয় আৰু এইভিত্তিৰ অবিহনে আমি সত্যাগ্রহৰ ধাৰণাটোৰ অনুশীলন কৰিব নোৱাৰো। এই কাৰণেই ইয়াক প্রেম শক্তি ৰূপে জনা যায়।

১১ নং প্রঃ উঃ গান্ধীৰ সত্যাগ্রহৰ ধাৰণাটো সার্বিক এই অর্থত যে ইয়াক ল'ৰা-ছোৱালীৰ দ্বাৰা, পুৰুষ আৰু মহিলাৰ দ্বাৰা, ব্যক্তি আৰু সম্প্রদায়ৰ দ্বাৰা আৰু সমাজ আৰু দেশৰ দ্বাৰা অনুশীলন কৰিব পৰা যায়। ইয়াক ঘৰুৱা, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰতো প্রয়োগ কৰিব পৰা যায়। সত্যাগ্রহৰ এই সার্বিক প্রকৃতিটো ঈশ্বৰৰ ধাৰণাটোৰপৰা নিঃসৃত হৈছে।

১২ নং প্রঃ উঃ গান্ধীয়ে মত পোষণ কৰে যে লক্ষ্যই উপায়ক শুদ্ধ প্রমাণ কৰিব নোৱাৰে এই অর্থত যে আদর্শ বা লক্ষ্যক উপলব্ধি কৰিবলৈ বিভিন্ন ধৰণৰ উপায় হ'ব পাৰে, সেয়ে লক্ষ্যই কোনো ধৰণৰ উপায়ক শুদ্ধ ৰূপে প্রমাণ কৰিব নোৱাৰে। তাৰোপৰি, গান্ধীয়ে আদর্শ বা লক্ষ্যতকৈ উপায়ৰ ওপৰতহে জোৰ দিছে, যাক কর্মৰ অন্তিম লক্ষ্যৰূপে গণ্য কৰা হয়। সেইবাবে, গান্ধীজীৰ ভাষাত, লক্ষ্যই উপায়ক শুদ্ধ প্রমাণ বা দোষমুক্ত কৰিব নোৱাৰে।

? ৫.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন

প্রশ্ন নং ১ঃ গান্ধীৰ মতে সত্যৰ প্রকৃতি কি?

প্রশ্ন নং ২ঃ সত্য আৰু অহিংসাৰ মাজৰ মূল পার্থক্যটো কি?

প্রশ্ন নং ৩ঃ অহিংসাৰ সদর্থক অর্থটো কি?

প্রশ্ন নং ৪ঃ অহিংসাৰ নঞার্থক অর্থ বুলিলে আপুনি কি বুজা?

প্রশ্ন নং ৫ঃ অহিংসাৰ আক্ষৰিক অর্থটো কি?

প্রশ্ন নং ৬ঃ গান্ধীয়ে ঈশ্বৰৰ নির্গুণ চৰিত্রটোক সমর্থন কৰিছে নে?

খ) চমু প্রশ্ন (উত্তৰ প্রায় ৫০ টা মান শব্দৰ ভিতৰত লিখিব)

প্রশ্ন নং ১ঃ গান্ধীৰ 'সত্যই ঈশ্বৰ ধাৰণাটোৰ দ্বাৰা আপুনি কি বুজে?

প্রশ্ন নং ২ঃ 'ঈশ্বৰেই সত্য' আৰু 'সত্যই ঈশ্বৰ'ৰ মাজত কোনো যোগসূত্ৰ আপুনি দেখা পায় নে? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন নং ৩ঃ অহিংসাৰ সদর্থক আৰু নঞৰ্থক দিশৰ মাজত থকা পার্থক্যবোৰ চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন নং ৪ঃ অহিংসাৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন নং ৫ঃ সত্যাগ্রহৰ ওপৰত এটি চমুটোকা লিখক।

প্রশ্ন নং ৬ঃ 'ঈশ্বৰেই সত্য'ৰ ওপৰত চমুটোকা লিখক।

প্রশ্ন নং ৭ঃ অহিংসাৰ কৌশল বুলিলে কি বুজে? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন নং ৮ঃ লক্ষ্যই উপায়ক শুদ্ধ প্রমাণ কৰেনে? চমুকৈ ব্যাখ্যা কৰক।

গ) দীঘলীয়া প্রশ্ন (উত্তৰ প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রঃ১ঃ অহিংসাৰ প্রকৃতি ব্যাখ্যা কৰক?

প্রঃ২ঃ অহিংসাৰ কৌশল বুলিলে কি বুজে? ব্যাখ্যা কৰক।

প্রঃ৩ঃ আপুনি ভাবেনে যে সত্যাগ্রহ অহিংসাৰ এটা পথ? ব্যাখ্যা কৰক।

প্রঃ৪ঃ সত্যাগ্রহৰ ধাৰণাটো বর্ণনা কৰক।

প্রঃ৫ঃ অহিংসাৰ ধাৰণাটোৰ অবিহনে আমি সত্যাগ্রহৰ ধাৰণাটো আলোচনা কৰিব পাৰিমনে? ব্যাখ্যা কৰক।

প্রঃ৬ঃ এজন সত্যাগ্রহীয়ে তেওঁৰ বিৰোধীজনৰ মন পৰিবর্তন কৰিব পাৰেনে? ব্যাখ্যা কৰক।

প্রঃ৭ঃ লক্ষ্যই উপায়ক শুদ্ধ প্রমাণ কৰিব পাৰেনে? ব্যাখ্যা কৰক।

প্রঃ৮ঃ উপায় আৰু লক্ষ্যৰ মাজত আপুনি কোনো পার্থক্য বিচাৰি পায়নে? গান্ধীৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ৬ ঃ গান্ধী ঃ ন্যাসবাদ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ সমাজৰ অর্থানতিক ভিত্তি
৬.৪ ন্যাসবাদ ঃ ই কি হয়
৬.৫ ন্যাসৰক্ষকৰ সংজ্ঞা
৬.৬ ন্যাসবাদৰ উৎস
৬.৭ ন্যাসবাদৰ প্রধান বৈশিষ্ট্যসমূহ
৬.৮ ন্যাসবাদ আৰু আধুনিক জগত
৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.১০ অধিক জানিবলৈ
৬.১১ অগ্রগতিৰ খতিয়ান
৬.১২ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গান্ধীৰ সমাজ সম্পর্কীয় অর্থনৈতিক ভিত্তিৰ ধাৰণাক জানিবলৈ সক্ষম হ'ব
- ন্যাসবাদ কি তাক জানিব পাৰিব
- ন্যাসৰক্ষকৰ সংজ্ঞা দিবলৈ পাৰিব
- ন্যাসবাদৰ উৎস সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- ন্যাসবাদৰ প্রধান বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- সাম্প্রতিক দিনত ইয়াৰ প্রাসঙ্গিকতাৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

মোহনদাস কৰমচাঁদ গান্ধী, সকলো সময়ৰে এজন মহান ভাৰতীয়, শান্তি আৰু অহিংসাৰ দূত হিচাপেও জনাজাত। তেওঁ কেৱল তেওঁৰ ৰাজনৈতিক আৰু সামাজিক কামৰ বাবেই বিখ্যাত নাছিল, বৰঞ্চ তেওঁৰ অদ্বিতীয় ব্যৱহাৰিক অর্থনৈতিক চিন্তাৰ বাবেও বিখ্যাত। গান্ধীৰ অর্থনীতিৰ পৃষ্ঠভূমি অতি বলিষ্ঠ। গান্ধী বাৰুকৈয়ে প্রভাৱান্বিত

হৈছিল কার্লমার্ক্স, আদমস্মিথ, টলষ্টয়, ৰাস্কিন ব'ণ্ড আৰ.চি দত্ত আৰু আন বহুতৰ লিখনিৰ দ্বাৰা আৰু তেওঁ ভাৰতৰ প্ৰসঙ্গঁত তেওঁলোকৰ লিখনিসমূহক পৰীক্ষা-নিৰীক্ষা কৰিছিল আৰু বিভিন্ন অৰ্থনৈতিক সমস্যাবোৰৰ বিষয়ে চিন্তা কৰাৰ লগতে সেইবোৰ সমস্যাৰ সমাধানৰ বাবে বিভিন্ন কৰ্ম পৰিকল্পনা অৱলম্বন কৰিছিল।

সেই সময়ত গান্ধীয়ে তেওঁৰ স্বাধীনতা আন্দোলনৰ এক অংশ হিচাপে চৰম দাৰিদ্ৰতা, অনগ্ৰসৰতা আৰু আৰ্থ সামাজিক আপত্তিসমূহৰ বিপক্ষে যুঁজ দিছিল। গান্ধীয়ে ভাবিছিল যে অৰ্থনৈতিক স্বয়ংসম্পূৰ্ণতা এজন ব্যক্তি আৰু ৰাষ্ট্ৰৰ বাবে অতি প্ৰয়োজনীয়। তেওঁ ভাবিছিল যে দেশ বা ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সম্পদ হৈছে মানৱ সত্তা আৰু সেইবাবে তেওঁৰ সমগ্ৰ জীৱনত তেওঁ ব্যক্তিৰ সম্পূৰ্ণ বিকাশ আৰু অৰ্থনৈতিক সমতাৰ বাবেও কাম কৰিছিল। অৰ্থনৈতিক সমতাৰ বাবে কাম কৰাৰ অৰ্থ হৈছে আমাৰ সমাজৰ পুঁজিবাদী আৰু শ্ৰমিক শাখাৰ মাজৰ সংঘৰ্ষক উচ্ছেদ কৰা। ৰাষ্ট্ৰ আৰু ব্যক্তিৰ ভেঁটি শক্তিশালী ৰূপে গঠন কৰিবলৈ আৰু দেশক অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰিবলৈ তেওঁ বহুতো অহিংসা উপায় গ্ৰহণ কৰিছিল। স্বদেশী, স্বৰাজ, সৰ্বোদয়, ন্যাসবাদ আদি হৈছে তেনেধৰণৰ কেতবোৰ উপায়।

আক্ষৰিকভাৱে 'স্বদেশী'ৰ অৰ্থ হ'ল "এজন ব্যক্তিৰ নিজৰ দেশৰ অন্তৰ্গত" (Belonging to ones own country)। গান্ধীয়ে এই ধাৰণাটোক জীৱনৰ প্ৰায় সকলোবোৰ ক্ষেত্ৰতে যেনে ঃ- ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক আদিত প্ৰয়োগ কৰিছিল। স্বদেশী মতবাদটো কুটিৰ শিল্পৰ সুৰক্ষাৰ অৰ্থে নিয়োগ কৰা এক মতবাদ। কুটীৰ শিল্পৰ সুৰক্ষাৰ দ্বাৰা গান্ধীয়ে ব্যক্তি আৰু ৰাষ্ট্ৰ উভয়কে স্বাৱলম্বী কৰি তুলিবলৈ চেষ্টা কৰিছিল।

স্বৰাজৰ অৰ্থ হ'ল স্ব-শাসন নাইবা নিজৰ চৰকাৰ। গান্ধীয়ে উপলব্ধি কৰিছিল যে এখন আদৰ্শ ৰাষ্ট্ৰ গঢ়ি তুলিবলৈ ৰাজনৈতিক স্বতন্ত্ৰতা অনিবাৰ্য্য, অৰ্থাৎ স্বৰাজ আৱশ্যকীয়। গান্ধীয়ে স্বৰাজক অনৈতিক দৃষ্টিকোণৰ পৰাও ব্যাখ্যা কৰিছিল। অৰ্থনৈতিকভাৱে স্বৰাজৰ অৰ্থ হৈছে দেশৰ সকলো মানুহৰ পূৰ্ণ অৰ্থনৈতিক স্বতন্ত্ৰতা। গান্ধীয়ে কয়, "মোৰ সপোনৰ স্বৰাজ হৈছে দৰিদ্ৰসকলৰ স্বৰাজ। তোমাৰ দ্বাৰা জীৱনৰ প্ৰয়োজনীয়তাবোৰ সাধাৰণতে ৰাজকুমাৰী আৰু ধনবানসকলে উপভোগ কৰাৰ দৰে উপভোগ কৰাটো উচিত।"

'সৰ্বোদয়' হৈছে এক আন্দোলন বা ধাৰণা, যাৰ আক্ষৰিক অৰ্থ হ'ল সকলোৰে উন্নতি। এই আন্দোলনৰ মুখ্য লক্ষ্য হৈছে গ্ৰামীন পুনগঠন আৰু সকলোৰে উন্নয়ন।

দৰিদ্ৰ আৰু চহকীৰ মাজৰ পাৰ্থক্য উচ্ছেদ আৰু সমাজত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিবলৈ তেওঁ ন্যাসবাদ (Trustecship) ৰ ধাৰণাটো প্ৰৱৰ্ত্তণ কৰিছিল। এইটো এক ধাৰণা য'ত ঐচ্ছিক ভাৱে এজন ব্যক্তিয়ে উপাৰ্জন কৰা সম্পত্তিৰ ওপৰত তেওঁৰ অধিকাৰ ত্যাগ কৰে আৰু ইয়াক সমাজৰ দুৰ্বল শ্ৰেণীৰ কল্যাণৰ হকে নিবেদিত কৰে। ন্যাসবাদৰ ধাৰণাটো এই ধাৰণাৰ ওপৰত নিৰ্ভৰশীল যে কোনো মানুহ সম্পত্তিৰ স্থায়ী গৰাকী থাকিব নোৱাৰে। সকলোবোৰ ঈশ্বৰৰ অন্তৰ্ভুক্ত। হিতৈষী অভিভাৱক ৰূপে আমি কেৱল বস্তুবোৰ বা সম্পত্তিবোৰ ধৰি ৰাখিব পাৰো। এই অধ্যায়টিত আমি ন্যাসবাদ সম্পৰ্কে বহলাই আলোচনা কৰিবলৈ ওলাইছো।

৬.৩ সমাজৰ অৰ্থনৈতিক ভিত্তি

মহাত্মা গান্ধীৰ মতে, সমাজৰ অৰ্থনৈতিক ভিত্তি নৈতিকতা আৰু আধ্যাত্মিকতাৰ পৰা পৃথক কৰাটো উচিত নহয়। গান্ধীয়ে বিশ্বাস কৰিছিল যে সমাজত শান্তি আৰু সমন্বয় প্ৰতিষ্ঠা কৰিবলৈ সমাজৰ অৰ্থনৈতিক ভিত্তি প্ৰেম

আৰু বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত হোৱাটো উচিত। তেওঁ তেওঁৰ অৰ্থনীতিক নীতিবিজ্ঞানৰ পৰা কেতিয়াও পৃথক কৰা নাছিল। তেওঁ কৈছিল যে যি অৰ্থনীতিয়ে ব্যক্তি আৰু এখন ৰাষ্ট্ৰৰ নৈতিক কল্যাণত আঘাত হানে, সেই অৰ্থনীতি অনৈতিক আৰু পাপপূৰ্ণ। সমাজত অৰ্থনৈতিক সমতা স্থাপনৰ বাবেই গান্ধীয়ে সদায় কাম কৰিছিল। কিন্তু সমতা স্থাপন কৰিবলৈ তেওঁ কেতিয়াও বাহ্যিক শক্তিক প্ৰয়োগ কৰা নাছিল, বৰং ব্যৱহাৰ কৰিছিল আত্মাৰ শক্তিক। তেওঁ বিশ্বাস কৰিছিল যে যদিহে মানুহে সহানুভূতি, দয়া, হিতৈষিতা আৰু এককৰ অনুভৱৰ গুণসমূহৰ বিকাশ কৰাব পাৰে, তেন্তে সমাজৰ দুৰ্বল শ্ৰেণীৰ হকে তেওঁলোকে ঐচ্ছিকতাভাৱে চিন্তা কৰিব। গান্ধীয়ে কৈছিল, এজন ভাল ব্যক্তিয়ে তেওঁৰ বস্তুবোৰ আনৰ সৈতে অংশ লবলৈ ভাল পাব, কাৰণ এনে ধৰণৰ মানুহৰ বাবে জীৱনটো কেৱল আমোদ-প্ৰমোদৰ বাবে নহয়, বৰং ইয়াৰ অৰ্থ আনক সহায় কৰা।

৬.৪ ন্যাসবাদ (Trustecship)

ন্যাসবাদ হৈছে এক আৰ্থসামাজিক দৰ্শন, যাৰ বিকাশ ঘটিছিল অহিংসা বিপ্লৱৰ এটা অংশৰূপে মহাত্মা গান্ধীৰ দ্বাৰা। এইটো এক ধাৰণা, যত এজন ব্যক্তিয়ে ইচ্ছাকৃতভাৱে তেওঁৰ দ্বাৰা আৰ্জিত সম্পত্তিৰ ওপৰত তেওঁৰ নিজা অধিকাৰক ত্যাগ কৰে অথবা বৰ্জন কৰে আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ কল্যাণৰ হকে ইয়াক নিবেদন কৰে। গান্ধীৰ এক দৃঢ় বিশ্বাস আছিল যে মানুহ হিচাপে প্ৰত্যেক পুজিবাদীৰ মাজত সদগুণৰ উপাদান থাকে, যিবোৰক প্ৰত্যেক মানুহে অনিবাৰ্য্য ভাৱে ধাৰণ কৰে। সেয়ে, যদি তেওঁলোকে উপলব্ধি কৰে যে দৰিদ্ৰ সকলৰ শ্ৰমৰ অবিহনে তেওঁলোকে সম্পদ লাভ কৰিব নোৱাৰে তেতিয়াহে, পুজিবাদী সকলে দৰিদ্ৰ সকলৰ বাবে কেৱল ন্যাস ৰক্ষক ৰূপে কৰ্ম কৰিব। তেতিয়া তেওঁলোকে দৰিদ্ৰসকলৰ কল্যাণৰ বাবে সকলো সম্পত্তি অথবা অতিৰিক্ত ধনখিনি নিজৰ হাতত ৰাখিব, যিয়ে সমাজত অৰ্থনৈতিক সমতা স্থাপন কৰিব। গান্ধীয়ে ন্যাসবাদক অতি সৰল ভাৱে এনেদৰে বৰ্ণনা কৰিছিল "ধৰাহওঁক যে মই হয় উত্তৰাধিকাৰীৰ সূত্ৰে নাইবা ব্যৱসায় বানিজ্যৰ ন্যায্য পৰিমানৰ অৰ্থ লাভ কৰিছো। মই জানোযে সেই সকলোবোৰ মোৰ সম্পদ নহয়। বাকীসকলৰ বাবে কি? মোৰ সম্পতিৰ বাকী থকা অংশখিনি সমাজৰ অন্তৰ্গত আৰু তাক সমাজৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰিবই লাগিব।"

মহাত্মা গান্ধীয়ে ইয়াক অৰ্থনৈতিক আৰু সামাজিক অসমতা দূৰীকৰণৰ বাবে এক শক্তিশালী অস্ত্ৰ ৰূপে ব্যৱহাৰ কৰিছিল আৰু অৱশেষত সমাজত শান্তি প্ৰতিষ্ঠা কৰিছিল। গান্ধীয়ে ইয়াৰ পালনকাৰী মূল্য সম্পৰ্কে সন্দেহ কৰা নাছিল। তেওঁ কৈছিল, "মোৰ ন্যাসবাদৰ মতবাদটো অস্থায়ী নহয়, নিশ্চিত ভাৱে কোনো ছদ্মৱেশ নহয়। মই বিশ্বাসী যে ই আন সকলো মতবাদকে জীয়াই ৰাখিব। ইয়াৰ পিছত দৰ্শন আৰু ধৰ্মৰ অনুমোদন ইয়াৰ আছে —— অহিংসাৰ সৈতে আন কোনো মতবাদে উপযুক্ত নহয়।" তেওঁ ন্যাসবাদক অৰ্থনৈতিক আৰু সামাজিক সমতা স্থাপনৰ বাবে এক আহিলা বা যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। আচলতে, গান্ধীয়ে কৈছিল যে তেওঁ ন্যাসবাদ জগতৰ প্ৰতি ভাৰতবৰ্ষৰ এক উপহাৰ। মহাত্মা গান্ধী নিজেই এই ধাৰণাটোৰ এক উদাহৰণ, যিহেতু তেওঁৰ পাৰ্থিৱ অধিকৃত বস্তুবোৰ কেৱল এখন কাপোৰ, ঘড়ী, লাঠি আৰু কেইপদমান বাচন-বৰ্ত্তন। গান্ধী এজন অ-ব্যৱহাৰীক দাৰ্শনিক নাছিল। তেওঁ কেৱল তত্বৰ ওপৰত কেতিয়াও বিশ্বাস কৰা নাছিল। তেওঁৰ নিজৰ মতবাদৰ পৰীক্ষা নিৰীক্ষাতে বিশ্বাস কৰিছিল আৰু তেওঁৰ ওপৰতে প্ৰথম পৰীক্ষা তেওঁ আৰম্ভ কৰিছিল।

৬.৫ ন্যাসৰক্ষকৰ সংজ্ঞা

এজন ন্যাসৰক্ষক হৈছে এনে এজন ব্যক্তি, যিজনে আনৰ লাভৰ বাবে ন্যাসত সম্পত্তিবোৰ ধাৰণ কৰে। ন্যাসৰ স্বত্তভোগীসকলৰ লাভৰ বাবে দায়িত্বশীল আৰু উৎপাদনশীল পদ্ধতিত এজন ন্যাসৰক্ষী ন্যাসটোক সঠিক ভাৱে পৰিচালন কৰিবলৈ ন্যায়িক ভাৱে নৈতিকভাৱে বাধ্য। অন্যান্য স্বত্তভোগী সকলৰ দৰে ন্যাসৰ লাভৰ এটা অংশ এজন ন্যাসৰক্ষীৰ থাকিব পাৰে। এজন ন্যাসৰক্ষীয়ে তেওঁৰ সম্পত্তিবোৰ জনসাধাৰণৰ বাহিৰে তেওঁৰ সন্তানসকলৰ এৰিব নোৱাৰে। গান্ধীয়ে চিন্তা কৰিছিল যে মালিকীস্বত্তৰ ধাৰণাটো অহিংসাৰ এক আকাৰৰ পৰা অহা সেয়ে, যদি পুজিবাদী সকলৰ অথবা ধনীলোক সকলে উপলব্ধি কৰিয়ে তেওঁলোকৰ অতিৰিক্ত সম্পত্তিবোৰ তেওঁলোকৰ নহয় আৰু যদিহে তেওঁলোকে এই অতিৰিক্ত সম্পত্তিক ইচ্ছাকৃতভাৱে ন্যাসত ৰাখে, তেতিয়াই সামাজিক আৰু আৰ্থিক সমতাৰ নিশ্চিত ভাৱে এক অঙ্গীকাৰ পত্ৰ হ'ব। পুজিবাদী সকল মানুহৰ কল্যাণৰ হকে অখণ্ডতাৰে তেওঁলোকৰ বানিজ্য চলোৱাৰ দ্বাৰা দেশৰ ন্যাসৰক্ষক হৈ পৰক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ন্যাসবাদ কি?

প্রশ্ন ২ ঃ ন্যাসৰক্ষী কি?

প্রশ্ন ৩ ঃ সর্বোদয়ৰ সংজ্ঞা দিয়ক ?

৬.৬ ন্যাসবাদৰ উৎস

ন্যাসবাদৰ ধাৰণাটো আহিছে অহিংসা আৰু অপৰিগ্রহ ধাৰণাৰ পৰা।

গান্ধীৰ বাবে অহিংসা হৈছে মহানতম সততা বা সদগুণ। সাধাৰণতে অহিংসাই বুজায় বধ নকৰাক। গান্ধীয়ে তত্ব আৰু অনুশীলনত উচ্চতম মানৰ প্রমূল্যৰ প্রতি এক নতুন মাত্রা প্রদান কৰিছিল। অহিংসাৰ গতানুগতিক অর্থ কেৱল জীৱৰ আঘাতৰ কাৰণৰ পৰা বিৰত থকাটোকেই নুবুজায়, বৰঞ্চ অন্যান্য জীৱিত জীৱপ্রতি থকা কেতবোৰ সকৰাত্মক মনোভাৱৰ বাবে থকাটোকে বুজায়, যাক এজন মানুহে উন্নতি সাধন কৰিবই লাগে। আচলতে, ইয়াৰ সকাৰত্মক দিশ অহিংসা প্রেমৰ বাদে আন একো নহয়। এই সকাৰত্মক মনোভাৱেই গান্ধীক ন্যাসবাদৰ ধাৰণাটোৰ বিষয়ে চিন্তা কৰিবলৈ অনুপ্রাণিত কৰিছিল।

এইটো সত্য যে এজন মানুহে আনৰ শ্রমক শোষণ কৰাৰ অবিহনে অতিৰিক্ত সম্পত্তি লাভ কৰিব নোৱাৰে। শোষণ এক প্রকাৰৰ হিংসা। অহিংসাৰ এজন সঁচা বিশ্বাসীয়ে কেতিয়াও অতিৰিক্ত সম্পত্তি আহৰণ কৰিবৰ বাবে আনৰ শ্রমক শোষণ নকৰে। অহিংসাৰ এজন পূজাৰীয়ে আনৰ বাবে কেৱল এজন ন্যাসৰক্ষক হিচাপে বিচৰা যি অতিৰিক্ত যিকোনো বস্তু বা সম্পত্তি বহন কৰিব পাৰে। গান্ধীয়ে বিশ্বাস কৰিছিল যে মালিকীস্বত্ত নাইবা পুঁজিবাদৰ ধাৰণাটোৱে তাৰ মূলতঃ হিংসাৰ আকাৰটোক জড়িত কৰে। শক্তি বা ক্ষমতাৰ কেন্দ্রীয়কৰণে সমাজত সামাজিক

আৰু অর্থনৈতিক অসমতাৰ সৃষ্টি কৰে। কিন্তু গান্ধীয়ে বিশ্বাস কৰা নাছিল যে ৰাষ্ট্ৰৰ প্ৰতি ব্যক্তিৰ পৰা ঘনীভুত মালিকীস্বত্তক হস্তান্তৰ কৰাৰ দ্বাৰা সমাজৰ পৰা অমঙ্গলক দূৰ কৰিব পৰা যায়। সেয়ে তেওঁ বিকল্প হিচাপে ন্যাসবাদক আগবঢ়াইছে। অহিংসাৰ ওপৰত নির্ভৰশীল ন্যাসবাদ গুণাৱলীসমূহৰ গুণগত হস্তান্তৰকৰণ আৰু মালিকীস্বত্তৰ অর্থৰ বাদে আন একো নহয়।

অপৰিগ্রহ হৈছে মালিকীস্বত্তৰ ত্যাগৰ অনাধিকাৰৰ নৈতিক ধাৰণাবোৰ। ই পার্থিৱ বস্তুবোৰৰ অনাসক্তিকো বুজায়। ই সৰলভাৱে সৎ জীৱন যাপন আৰু অর্থলিপ্সা পৰিহাৰকো বুজায়। এই নৈতিক ধাৰণাৰ দ্বাৰা গান্ধী গভীৰভাৱে প্রভাৱিত হৈছিল আৰু সেয়ে তেওঁ ন্যাসবাদৰ ধাৰণাটোৰ বিকাশ কৰিছিল। গান্ধীয়ে ভাবিছিল যে চৰম অ-পৰিগ্রহ অসম্ভৱ, যিহেতু এজন ব্যক্তিৰ এটা শৰীৰ থাকে। কিন্তু তেওঁ চাহিদা আৰু প্রয়োজনীয়তাৰ মাজত পার্থক্য কৰাটো উচিত আৰু তেওঁৰ প্রয়োজনীয়তাক একেবাৰে নিম্নতমলৈ হ্রাস কৰাটোও উচিত। গান্ধীয়ে বিশ্বাস কৰিছিল যে এটা মুহূর্তত যিমানখিনিৰ প্রয়োজন ঈশ্বৰে যথাযথভাৱে সিমানখিনিৰহে সৃষ্টি কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ সকাৰাত্মকভাৱে অহিংসাই .....বাদে আন একোৱেই নুবুজায়।

প্রশ্ন ৫ ঃ "অহিংসা সর্বশ্রেষ্ঠ সততা" কোনে কৈছিল?

৬.৭ ন্যাসবাদৰ প্রধান বৈশিষ্ট্যসমূহ

ন্যাসবাদৰ প্রধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা ধৰণৰ —

(ক) ন্যাসবাদ হৈছে এক আর্থ-সামাজিক দর্শন, যিয়ে এক উপায়ৰ যোগান ধৰে, যাৰ দ্বাৰা সাধাৰণতে মানুহৰ কল্যাণৰ নিমিত্তে চোৱা-চিতা কৰিবলৈ ধনী লোক সকল ন্যাসৰ এজন ন্যাসৰক্ষক হ'ব পাৰে। ন্যাসবাদে সমাজৰ বর্ত্তমান পুঁজিবাদী শৃঙ্খলাক এক সমমাত্রিক এককলৈ হস্তান্তকৰণৰ এক উপায়ৰ যোগান ধৰে।

(খ) সামাজিক আৰু অর্থনৈতিক অসমতাবোৰক আতঁৰাই সমাজত স্থায়ী শান্তি প্রতিষ্ঠা কৰাৰ ক্ষেত্রত গান্ধীয়ে ন্যাসবাদক এক শক্তিশালী অস্ত্র হিচাপে ব্যৱহাৰ কৰিছিল। গান্ধীয়ে ক্ষমতাৰ লুণ্ঠনত বিশ্বাস কৰা নাছিল বৰং বহুতৰ শক্তিৰ সঞ্চয়তহে বিশ্বাস কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে মালিকীস্বত্ত নাইবা পুঁজিবাদে ইয়াৰ মূলত হিংসাৰ আকাৰক নিহিত কৰি ৰাখে। তেওঁ সম্পত্তি বা অর্থৰ সম-বিতৰণৰ ওপৰত বিশ্বাস কৰিছিল। সেয়ে, তেওঁ ন্যাসবাদক সমাজৰ পৰা সামাজিক আৰু অর্থনৈতিক অসমতাক নাইকীয়া কৰাৰ এক আহিলা হিচাপে ব্যৱহাৰ কৰিছিল।

(গ) ন্যাসবাদে ধনী আৰু দুখীয়াৰ মাজৰ ব্যৱধান হ্রাস কৰিবলৈ চেষ্টা কৰে। অর্থনৈতিক সমতা অহিংসা আন্দোলনৰ মুখ্য চাবি কাঠি। সেয়ে গান্ধীয়ে পুজিবাদক উচ্ছেদ কৰিবলৈ বিচাৰিছিল, পুঁজিবাদীসকলক নহয়। তেওঁ ন্যাসৰক্ষক হ'বলৈ পুঁজিবাদীসকলক আহ্বান কৰিছিল।

(ঘ) ই পুজিবাদীসকলৰ মনোভাৱ পৰিৱর্ত্তন কৰিবলৈ চেষ্টা কৰে। সমাজৰ দুখীয়াশ্রেণীৰ শ্রম আৰু সহ-যোগীতাৰ অবিহনে অর্থ সঞ্চয় কৰাটো পুঁজিবাদী সকলৰ পক্ষে সম্ভৱ নহয়। সেয়ে, তেওঁলোকে ঐচ্ছিকভাৱে, তেওঁলোকৰ

অতিৰিক্ত অর্থবোৰ সমর্পণ কৰাটো উচিত আৰু সেইবোৰক পৰিশ্রমী আৰু দুখীয়া শ্রেণীৰ কল্যাণৰ অর্থে ন্যাসত ৰাখিব লাগে।

(ঙ) গান্ধীৰ ন্যাসবাদে কেৱল অর্থ আৰু শক্তিৰ বস্তুগত উৎসবোৰকে সামৰা নাই, বৰঞ্চ অ-বস্তুগত অধিকাৰ যেনে— বিশেষ প্রতিভাকো সামৰি লৈছে, যিবোৰ কেতবোৰ মানুহৰ মাজত থকা দেখা যায়। গান্ধীয়ে বিশ্বাস কৰিছিল যে প্রত্যেক ব্যক্তিৰে কেতবোৰ প্রতিভা অথবা সক্ষমতা থাকে। কিন্তু আমি সেই প্রতিভা অথবা সক্ষমতাক ব্যক্তিগত স্বার্থৰ হেতু শোষণ কৰো এই বিশ্বাসত যে সেই প্রতিভা আমি নিজে। কিন্তু গান্ধীয়ে কৈছিল যে আমি নিজে প্রতিভা নহয়, বৰং আমি ঈশ্বৰৰ দ্বাৰা নিয়োজিত হওঁ আৰু সেয়ে আমি আনক সহায় কৰিবলৈ প্রতিভাবোৰক ব্যৱহাৰ কৰিব লাগে, যি সকল কম ভাগ্যবান নাইবা প্রতিভাবান।

(চ) ন্যাসবাদৰ ধাৰণাটো অহিংসাৰ ধাৰণাত অন্তর্নিহিত হৈ আছে। গান্ধীয়ে বিশ্বাস কৰিছিল যে সমাজৰ অর্থনৈতিক ভিত্তি প্রেম আৰু বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত হ'বই লাগিব এখন অহিংস সমাজ সদায় অ-শোষণমূলক সমাজ। এজন ব্যক্তি যিজনে অহিংসাত বিশ্বাস কৰে, সেয়ে তেওঁ শ্রেণী সংঘর্ষৰ অৱশ্যাম্ভীতাত বিশ্বাস কৰিব নোৱাৰে। তেতিয়া হ'লে ন্যাসবাদক এক অহিংসা বিপ্লৱৰ দৃশ্যকল্পৰ এক অংশ হিচাপে নাইবা অর্থনৈতিক সমতাৰ বাবে সত্যাগ্রহীসকলৰ আন্দোলনত এক অস্ত্র বা আহিলা। হিচাপে বুজিব লাগিব। হিন্দুশাস্ত্র ভাগৱত গীতাৰ নৈতিক ধাৰণা 'অপৰিগ্রহ'ৰ দ্বাৰা গান্ধী গভীৰভাৱে অনুপ্রাণিত হৈছিল। অপৰিগ্রহৰ অর্থ হৈছে পার্থিৱ বস্তুৰ প্রতি অনাসক্তি। গান্ধীয়ে অনুভৱ কৰিছিল, যে বস্তুবোৰ পোৱাৰ যি প্রৱণতা সি সকলো অমঙ্গলৰেই কাৰণ। সেইকাৰণে, মানুহে নিম্নতম অর্থৰ সৈতে জীৱন নির্বাহৰ নিয়মানুবর্তিতাৰ উন্নতি সাধন কৰিব লাগে, যাৰ দ্বাৰা তেওঁ এক সুখী আৰু আৰামদায়ক জীৱন কটাব পাৰে।

(ছ) গান্ধীৰ ন্যাসবাদ বিশ্বপ্রেম বা মানৱপ্রেম (Philanthropy) নহয়। গান্ধীয়ে নিজেই কৈছিল, "যদি ন্যাসবাদে বিশ্বপ্রেমক পাশবদ্ধ কৰে, তেন্তে আমি জানো যে ই অদৃশ্য হৈ পৰিব।" অর্থৰ বিতৰণ দানশীলতাৰ বিষয়ে নহয়, বৰঞ্চ মৌলিক মানৱ মর্য্যদাক নিশ্চিত কৰাৰ বিষয়েহে। গান্ধীয়ে বিশ্বাস কৰিছিল যে স্বাস্থ্যবান লোকৰ প্রতি দানশীল হোৱাটো এক লজ্জাজনক কর্ম। ন্যাসবাদৰ মূল হৈছে মানৱ মর্য্যদাক সুৰক্ষা দিয়া, কেৱল বস্তুগত সমৃদ্ধিৰ বাবে নহয়।

(জ) গান্ধীৰ ন্যাসবাদৰ ধাৰণাই সমাজতন্ত্রৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিছে। কিন্তু তেওঁৰ সমাজতন্ত্র কার্লমার্ক্সতকৈ কিছু বেলেগ। গান্ধীৰ সামাজিক আইনত ব্যক্তি কেন্দ্রত থাকিব আৰু ৰাষ্ট্রই তেওঁৰ কল্যাণক প্রচাৰ কৰিব লাগিব। কিন্তু মার্ক্সবাদত ৰাষ্ট্রতকৈ ব্যক্তি অপ্রধান। আকৌ, মার্ক্সে এক নতুন অনুশাসনৰ সৃষ্টিত শক্তি আৰু হিংসাক অনিবার্য্য হিচাপে ধাৰণা কৰিছিল। ইয়াৰ বিপৰীতে গান্ধীবাদী সমাজতন্ত্র অহিংসাৰ ওপৰত ভিত্তিশীল।

(ঝ) সমাজৰ দ্বাৰা ইয়াৰ কল্যাণৰ হকে সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্তক যিমান পাৰি সিমান অনুমোতিদ কৰাৰ বাহিৰে ন্যাসবাদে সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্তৰ কোনো অধিকাৰকে স্বীকাৰ নকৰে।

(ঞ) ন্যাসবাদ চৰকাৰৰ দ্বাৰা পৰিচালিত হোৱাটো উচিত। নিজৰ স্বার্থৰ হকে অর্থৰ ব্যৱহাৰ কৰিবলৈ কোনো মানুহক অনুমতি দিয়াটো উচিত নহয়।

৬.৮ ন্যাসবাদ আৰু আধুনিক জগত

গান্ধীৰ ন্যাসবাদৰ ধাৰণাটোক তাৰ কেতবোৰ সীমাবদ্ধতাৰ বাবে সমালোচিত হৈছে। কিছুমান সমালোচকে মত প্ৰকাশ কৰে যে ই পুঁজিবাদক উচ্ছেদ কৰিবলৈ আৰু সমাজতন্ত্ৰক সমৰ্থন কৰিবলৈ প্ৰয়াস কৰিছে। কিন্তু বৰ্ত্তমান যুগত সমাজতন্ত্ৰৰ তুলনাত পুঁজিবাদ সমগ্ৰ পৃথিৱীকে অধিক কৃতকাৰ্য্য ৰূপে পৰিগণিত হৈছে।

কিছুমান দোষাৰোপ কৰিব বিচাৰে যে ই ব্যৱসায়ীসকলৰ পৰিশ্ৰমৰ উদ্দীপনা আতঁৰাই নিব, যিয়ে এখন সমাজৰ অৰ্থনৈতিক বিকাশৰ গতি কম কৰি দিব।

আকৌ, বৰ্ত্তমানৰ প্ৰতিযোগীতামূলক পৃথিৱীত প্ৰত্যেক ব্যৱসায়ীয়ে অধিক সম্পত্তি বা অৰ্থ সঞ্চয় কৰিবলৈ প্ৰয়াস কৰে। গতিকে, এনেধৰণৰ মনোভাৱে তেওঁলোকক কেতিয়াও ন্যাসবাদৰ ধাৰণাক গ্ৰহণ কৰিবলৈ নিদিয়ে।

কিন্তু এইসকলো সমালোচনাৰ স্বত্তেও আমি ন্যাসবাদক গান্ধীৰ এক অব্যৱহাৰিক আৰু কাল্পনিক মতবাদ ৰূপে গ্ৰহণ কৰিব নোৱাৰোঁ। এইটো সত্য যে সাম্প্ৰতিক দিনৰ প্ৰসঙ্গঁত গান্ধীৰ মতবাদসমূহৰ সকলোবোৰ প্ৰাসঙ্গিঁক নহয়, কিন্তু সিহঁতৰ কেতবোৰ প্ৰাসঙ্গিঁক। ন্যাসবাদ এইবোৰৰ মাজত এটা। যদি আমি মিলিত বিশ্বৰ গভীৰলৈ প্ৰৱেশ কৰো, তেতিয়া আমি মিলিত সামাজিক দায়বদ্ধতাৰ মুখামুখী হ'ম। মিলিত বিশ্বৰ দ্বাৰা আৰম্ভ হোৱা কল্যাণৰ ক্ৰিয়া কলাপবোৰক মিলিত সামাজিক দায়বদ্ধতা (CSR) বুলি জনা যায়। ইয়াৰ মূলটো নিহিত হৈ আছে। গান্ধীৰে ন্যাসবাদৰ ধাৰণাত। এই (CSR) য়ে মিলিত শাখাবোৰক সামাজিক শাখাৰ লগত সংযুক্ত কৰে। প্ৰত্যেক কোম্পানীয়ে সমাজৰ পৰাই ইয়াৰ সাধনাবোৰ উলিয়ায়, যতে তেওঁলোকৰ সমাজৰ প্ৰতি কিছু দায়বদ্ধতা থাকে। এইটো দেখা যায় যে আজিকালি প্ৰত্যেক কোম্পানীয়ে সামাজিক সেৱাৰ বাবে এটা মোটা অংশৰ ধন ব্যয় কৰে। সিহঁতৰ বহুতৰে নিজৰ বেচৰকাৰী সংস্থা (NGO) আছে, কিছুমান কোম্পানীয়ে নিজকে পৰোপকাৰৰ কামত জড়িত কৰে ইত্যাদি। টাটা (TATA) গোষ্ঠীৰ প্ৰতিষ্ঠাপক ৰতন টাটা গান্ধীৰ ন্যাসবাদৰ দ্বাৰা অত্যাধিক অনুপ্ৰাণিত হৈছিল আৰু এই ধাৰণাৰ ভিত্তিতেই তেওঁ তেওঁৰ জীৱনৰ উন্নতি সাধন কৰিছিল। সেইকাৰণে, যদিহে (CSR) ৰ কাৰ্য্যকলাপবোৰ ন্যাসবাদৰ দ্বাৰা উৎসাহিত হয়, তেন্তে তেওঁলোকে আমাৰ জীৱনলৈ প্ৰকৃত সমৃদ্ধি আৰু স্থায়ী শান্তি লৈ আনিব।

৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক আৰু অৰ্থনৈতিক সমতা প্ৰতিষ্ঠা কৰিবলৈ গান্ধীয়ে প্ৰতিপাদিত কৰা ন্যাসবাদ এক অদ্বিতীয় ধাৰণা। এই ধাৰণাৰ উৎস আধ্যাত্মিকতাত নিহিত হৈ আছে, য'ত এজন লোকে নিজৰ অতিৰিক্ত সম্পদবোৰ সমৰ্পন কৰে আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ কল্যাণৰ বাবে ন্যাসত থয়।
- এজন ন্যাসৰক্ষক এনে এজন ব্যক্তি যিজনে স্বত্তভোগীৰ কল্যাণৰ বাবে ন্যাসত সম্পত্তিবোৰ ৰাখে। তেওঁ ন্যায়িকভাৱে অথবা নৈতিকভাৱে ন্যাসটোক পৰিচালনা কৰিবলৈ বাধ্য।
- ন্যাসবাদৰ ধাৰণাটো অহিংসা আৰু অপৰিগ্ৰহৰ ধাৰণাৰ পৰা আহিছে। সকাৰাত্মকভাৱে অহিংসাই প্ৰেমক বুজায় আৰু নঞৰ্থকভাৱে ই বধ নকৰাক বুজায়। ন্যাসবাদৰ ধাৰণাটো অহিংসাৰ ধাৰণাত অন্তৰ্নিহিত হৈ

থাকে। কাৰণ অহিংসাৰ এজন প্ৰকৃত বিশ্বাসীয়ে ন্যাসবাদৰ প্ৰকৃত অৰ্থক বুজিব পাৰে, অহিংসাৰ এজন পূজাৰী অধিকাৰ বা দখলীকৃতৰ বাবে লালসা নকৰে।

- ন্যাসবাদৰ সহায়ত গান্ধীয়ে অৰ্থনৈতিক আৰু সামাজিক অসমতা দুৰ কৰাৰ দ্বাৰা সমাজত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰয়াস কৰিছিল।
- মাৰ্ক্সৰ সমাজতন্ত্ৰৰ পৰা গান্ধীৰ সমাজতন্ত্ৰৰ ধাৰণা কিছু পৃথক। গান্ধীৰ সমাজতন্ত্ৰ সম্পূৰ্ণৰূপে অহিংসাৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত কিন্তু মাৰ্ক্সে শক্তি আৰু হিংসাক এক নতুন শৃংখলাৰ জন্মত অনিবাৰ্য্য হিচাপে গণ্য কৰিছিল।
- মানৱ মৰ্য্যদাৰ সুৰক্ষা আৰু মানৱ জীৱনৰ সুৰক্ষা ন্যাসবাদৰ মূল।

৬.১০ অধিক জানিবলৈ

1. Lal, Basanta Kumar,1973. Contemporary Indian Philosophy. Motilal Banarasidas Publication, Delhi.

2. Kumar, Ravindra, India and Mahatma Gandhi, Kaplaz Publication, New Delhi.

3. Dutta, Mishra Anil (edt). Gandhian Approach to Contemporary Problems, Mittal Publication, New Delhi

4. Lokonathan, V. A History of Economic Thought, S. Chand and Company Limited. New Delhi.

৬.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এখন সমমাত্ৰিক সমাজ প্ৰতিষ্ঠা কৰিবলৈ গান্ধীৰ দ্বাৰা প্ৰতিপাদিত এক আৰ্থ-সামাজিক দৰ্শন হৈছে ন্যাসবাদ। ই এক উপায়ৰ যোগান ধৰে, যাৰ দ্বাৰা ধনী লোকসকল ন্যাসটোৰ এজন ন্যাসৰক্ষক হয় আৰু সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ কল্যাণৰ বাবে ন্যাসটোৰ চোৱা চিতা কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ন্যাসৰক্ষক হ'ল সেইজন ব্যক্তি, যিয়ে আনৰ লাভৰ বাবে সম্পত্তিবোৰ ন্যাসত থয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সৰ্বোদয় হৈছে এক বোধগম্য অৰ্থনৈতিক, ৰাজনৈতিক আৰু সকলোৰে উৰ্দ্ধত এক আধ্যাত্মিক আন্দোলন, যাৰ মূল লক্ষ্য সকলোৰে উন্নতি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'প্ৰেম'

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মহাত্মা গান্ধী

৬.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ অহিংসাৰ সংজ্ঞাটো লিখক।

প্রশ্ন ২ ঃ অপৰিগ্রহ কি?

প্রশ্ন ৩ ঃ চৰম অনাধিকাৰ সম্ভৱ নে?

প্রশ্ন ৪ ঃ গান্ধীৰ ন্যাসবাদ মানৱ প্রীতি। কথাষাৰ সত্যনে?

(খ) চমু প্রশ্ন (প্রায় 150 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ অহিংসাক সদর্থক আৰু নঞার্থক উভয় অর্থত ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ কার্ল মার্ক্স আৰু গান্ধীৰ সমাজতন্ত্রৰ মাজত পার্থক্য নির্ণয় কৰক।

(গ) দীঘল প্রশ্ন (প্রায় 300-500 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ন্যাসবাদৰ উৎস হিচাপে অহিংসা আৰু অপৰিগ্রহক ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ন্যাসবাদৰ প্রধান বৈশিষ্ট্য সমূহ কি কি?

প্রশ্ন ৩ ঃ গান্ধীৰ ন্যাসবাদৰ সমালোচনাত্মক ব্যাখ্যা দাঙি ধৰক। (Critically explain Gandhi's concept of trusteeship)

*** **** ***

অধ্যায় ৭ ঃ অৰবিন্দ ঃ উত্তম মন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অৰবিন্দৰ **উত্তম** ধাৰণা
৭.৪ অতিমনৰ ত্রিগুণাত্মক মৰ্য্যদা
৭.৫ অতিমনৰ ত্রিগুণাত্মক ৰূপান্তৰ
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অতিমনৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ অজ্ঞানতাক বর্ণনা কৰিব পাৰিব
- অতিমনৰ ত্রিগুণাত্মক স্তৰক ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

১৯ শতিকাৰ উত্তৰার্দ্ধৰ্কত জন্ম গ্রহন কৰা বহুতো অসাধাৰণ ব্যক্তি, যিসকলে ভাৰতবর্ষৰ ভৱিষ্যৎ নির্মাণ কৰিবলৈ চেষ্টা কৰিছিল; সেইসকলৰ মাজত শ্রী অৰবিন্দ ঘোষ আছিল অন্যতম। তেওঁ আছিল মহাত্মা গান্ধীৰ সমসাময়িক, স্বামী বিবেকানন্দৰ প্রশাংসক তিলকৰ এজন সহকর্মী আৰু ৰবীন্দ্রনাথ ঠাকুৰৰ ভক্ত। তেওঁৰ প্রকৃত নাম Arabinda Akryod Ghose তেওঁ এজন অনা অধ্যয়নিক ভাৰতীয় দার্শনিক আছিল। কিন্তু সুবিদিত আৰু পবিত্র জীৱনৰ কেতবোৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু ধর্মীয় নেতাৰ শিক্ষণৰ মাজত নির্হিত দার্শনিক চিন্তা আৰু ধাৰণাসমূহৰ দ্বাৰা তেওঁক বহু বেছিকৈ প্রভাৱান্বিত কৰিছিল। শ্রী অৰবিন্দ পৌৰানিক ভাৰতীয় দর্শনৰ প্রতিপাদক। তেওঁ আধুনিক সময়ৰ পৰম্পৰাগত পাশ্চাত্য দর্শন আৰু ভাৱবাদী দর্শনৰ লগতে পৰম্পৰাগত ভাৰতীয় দর্শন, বিশেষকৈ অদ্বৈত বেদান্ত যোগ দর্শনৰ সৈতে ভালদৰে পৰিচিত আছিল। এইবোৰ সকলো প্রভাৱ অৰবিন্দৰ চিন্তাধাৰাত পুনৰীক্ষণ আৰু স্বীকৃত হৈছে। ফলস্বৰূপে, তেওঁৰ দর্শন প্রাচ্য আৰু পাশ্চাত্যৰ পৰম্পৰাগত আৰু

সমসাময়িক দুয়োটা চিন্তাধাৰাৰেই সংমিশ্রণ। আমি তেওঁৰ চিন্তাত সত্ত্বাৰ এক নতুন সংশ্লেষণাত্মক আৰু বোধগম্য দৃষ্টি বিচাৰি পাওঁ। তেওঁৰ দর্শনক অখণ্ড অদ্বৈতবাদ হিচাপেও ক'ব পৰা যায়। ইয়াক অদ্বৈত বোলা হয় কিয়নো তেওঁ 'ব্রহ্ম' নাইবা 'পৰমসত্ত্বা'ক এক আৰু মৌলিক সত্ত্বা ৰূপে স্বীকাৰ কৰিছে। ই অখণ্ড, কিয়নো ই অস্তিত্বৰ যিকোনো দিশৰ বাস্তৱিকতাক নুই কৰা নাই। বহল অর্থত শ্রী অৰবিন্দৰ দর্শনক ভাৱবাদী বুলিও ক'ব পৰা যায়।

তেওঁ এক অখণ্ড দৃষ্টিভংগীৰ অন্বেষণ কৰে, যিয়ে ভাৰতীয় চিন্তাধাৰাৰ বিপথগামী প্রৱণতাক সমৰূপ প্রদান কৰে আৰু পাশ্চাত্য চিন্তাৰ মূল্যবান উপাদানসমূহৰ সৈতে সিহঁত সম্বন্ধও ঘটায়। তেওঁ ভাৰতীয় আৰু পাশ্চাত্য চিন্তাৰ বিপথগামী আধ্যাত্মিক প্রৱণতাৰ ওপৰত অসাধাৰণ বিশ্বাসেৰে চিৰজীৱি প্রৱাহক সজাই তুলিছে। এইবোৰৰ উপৰিও দর্শনত তেওঁৰ প্রধান লিখনিসমূহ হৈছে — The Life Divine, The Human Cycle, Light on Yoga, Synthesis of Yoga, Savitri আদি।

মৌলিক ভিত্তি, যাৰ ওপৰত অৰবিন্দৰ সমগ্র দর্শনৰ সজ্জা নির্ভৰশীল, সি হৈছে আত্মা আৰু জড় উভয়ৰে সত্ত্বাৰ স্বীকৃতি। তেওঁ এই ক্ষেত্রত সচেতন যে জড়বাদ আৰু আধ্যাত্মবাদ দুয়োটা প্রভাৱশালী আৰু বিৰোধী মতবাদ যিয়ে নিজা নিজা উপায়েৰে জগতৰ ব্যাখ্যা কৰিবলৈ প্রয়াস কৰিছে। তেওঁৰ দর্শনে এই দুয়োটা মতবাদকে সমন্বিত আৰু সংহত কৰিছে।

শ্রী অৰবিন্দই পৰম সত্ত্বাক, ইয়াৰ সাৰতত্ত্বত নিতান্তই অতীন্দ্রিয় ৰূপে স্বীকাৰ কৰিছে। যাক বর্ণনা কৰিব নোৱাৰি। এই পৰমসত্ত্বা চিন্তা বা ধাৰণা কৰিব পৰা সকলোৰে উর্দ্ধত। সৃষ্টি হৈছে প্রকৃতসত্ত্বাৰ অনিবার্য্য একতাৰ অবিব্যক্তি। প্রকৃত সত্ত্বাৰ স্বৰূপক বুজাৰ উদ্দেশ্যে সত্ত্বাৰ স্তৰসমূহ নাইবা তন্ত্রসমূহক বিবেচনা কৰাটো প্রয়োজনীয়। সেয়ে, সৃষ্টিৰ দৃষ্টিকোণৰ পৰা সত্ত্বাৰ তন্ত্রবোৰেই হৈছে প্রকৃত সত্ত্বাৰ অভিব্যক্তি। অৰবিন্দই এনেধৰণৰ আঠোটা নীতিৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে অস্তিত্ব, চৈতন্য শক্তি, সুখ, উত্তম মন, আত্মা, জীৱন আৰু জড়। ইয়াৰে প্রথম তিনিটা নীতি সৎচ্চিদানন্দ নাইবা পৰমসত্ত্বাৰ ত্রয়াত্মক (Triune) নীতি। প্রথম চাৰিটা নীতি উচ্চতৰ গোলার্ধ আৰু শেষৰ চাৰিটা নীতি নিম্ন গোলার্ধৰ অন্তর্গত। নিম্ন গোলার্ধই ক্রমবিকাশে যিখিনি পাইছে, সেই স্তৰবোৰক প্রতিনিধিত্ব কৰে আৰু যিবোৰ স্তৰত ক্রমবিকাশ হ'বলৈ গৈ আছেষ তাক নিম্ন গোলার্ধই প্রতিনিধিত্ব কৰে।

৭.৩ অৰবিন্দৰ উত্তম মনৰ ধাৰণা

এই বিশ্বব্রহ্মাণ্ডত মানুহৰ মনেই হৈছে অস্তিত্বৰ সর্বোত্তম ৰূপ বা আকাৰ। অৰবিন্দৰ দ্বাৰা আৰম্ভ হোৱা দার্শনিক পদ্ধতি এই বিশ্বাসৰ সৈতে আৰম্ভ হৈছিল। তেওঁ কয় যে পৰম সত্তাহ প্রত্যক্ষভাৱে মানুহৰ মনত অধোগমন নকৰে। মন (সাধাৰণ চেতনা)ৰ সৈতে পৰমসত্তা (অতি চৈতন্য) ৰ যোগাযোগ কৰিবলৈ উভয়ৰে মাজত এক বান্ধোন থকাটো অত্যাৱশ্যকীয়। অৰবিন্দৰ মতে এই বন্ধনেই হৈছে অতিমন বা উত্তম মন (Supermind)। অতিমন বা উত্তম মন উচ্চতৰ গোলার্ধৰ অন্তর্গত তথাপি ইয়ে হৈছে অন্ত আৰু মনৰ আদর্শ। ফলস্বৰূপে ইয়াৰ সৎচ্চিদানন্দৰ সম্পূর্ণ চেতনা থাকিবই লাগিব। ঠিক সেইদৰে ই নিজে মন নহয়, বৰঞ্চ ই হৈছে মনৰ চৰম মাত্রা আৰু পৰিপূৰণ। মন (Mind) যে পৰমসত্তালৈ অগ্রসৰ হয় আৰু পৰমসত্তাই মন (Mind) লৈ অধোগমন কৰে সি সম্ভৱ হয় কেৱল অতিমনৰ জৰিয়তে। ই সৃজনশীল আৰু বোধগম্য। অতিমনে পৰমসত্তা নাইবা সৎচ্চিদানন্দৰ তিনিটা দিশক পৃথক নকৰা কৈয়ে বিকাশ কৰে। সেইবোৰ হৈছে —

- ইয়াৰ 'এটা' (পৰমসত্তা) ৰ জ্ঞান আছে, কিন্তু ই নিজৰ বহুত্বক ভ্ৰটাৰ পৰাই নিঃসৰণ কৰিবলৈ সক্ষম।
- ই 'বহুত্ব'ক প্ৰকট কৰে কিন্তু ই ইয়াৰ বিভিন্নতাত নিজকে হেৰুৱাই নেপেলায়।
- ই 'বহুত্ব'ৰ মাজত এটাৰ বিকিৰণক নিহিত আৰু অনুমোদন কৰে আৰু এক প্ৰকৃত বিভেদ হোৱাৰ পৰা ইয়াক প্ৰতিৰোধ কৰে।

অতিমন বা উভয় মনৰ সন্দৰ্ভত অৰবিন্দই কয় যে, "ই হৈছে প্ৰকৃত সত্ত্বাক প্ৰকাশ কৰা চেতনাৰ এক শক্তি প্ৰকৃত সত্ত্বাৰ পৰা জন্ম হোৱা আৰু ইয়াৰ স্বৰূপৰ অংশীদাৰ হোৱা। ই শূন্যতাৰ এক শিশুও নহয়, নাইবা অলীক কাহিনীৰ এজন বয়নশিল্পীও নহয়। ই হৈছে চেতনা পৰমসত্তাক নিজৰ মাজতে তাৰ নিজস্ব অবিনাশী আৰু অপৰিবৰ্ত্তিত দ্ৰব্যৰ পৰিবৰ্ত্তনশীল ৰূপলৈ প্ৰক্ষেপ কৰে"। অতিমন হৈছে মনৰ সমাপ্তি। ই মনে প্ৰয়াস কৰা সকলো হয়, কিন্তু ইয়াক লাভ কৰিব নোৱাৰি। আমি যাক জ্ঞান বুলি ভাৱো মন সেই জ্ঞানৰ নীতি নহয়। ই হৈছে কেৱল এক "Faculty for the seeking of knowledge, for expressing as much as it can gain in certain forms of relative thought" মনে কেৱল ব্যৱহাৰিক উপযোগীতাৰ বাবে সাৰ্বিক অস্তিত্বক ব্যাখ্যা কৰে। ই হৈছে অতিমনৰ পৰা হোৱা পতন আৰু ইয়াৰ মুক্তি নিহিত থাকে ইয়াৰ মূল অৱস্থালৈ ঘুৰি যোৱাত (Climbing back)।

উত্তম মন বা অতিমনৰ স্বৰূপ দুটা দিশত উদ্ভাসিত হয় —

(ক) অতিমন সৎচ্চিদানন্দৰ সম্পূৰ্ণ জ্ঞান থকা আধ্যাত্মিক নীতিবোৱৰ দৰেই সত্য চৈতন্য হিচাপে।

(খ) মনৰ আদৰ্শ আৰু পৰিণতি নাইবা চৰমবিন্দু হিচাপে উত্তম মন।

এই দুটা দিশৰ আলোচনা তলত আগবঢ়োৱা হ'ল —

(ক) সত্য চৈতন্য হিচাপে উত্তম মনঃ অৰবিন্দৰ দৰ্শনত প্ৰকৃত সত্ত্বাক সৎচ্চিদানন্দ ৰূপে জনা যায়। তেওঁৰ দ্বাৰা ই সৃষ্টিকৰ্তা, প্ৰকৃত ধাৰণা আৰু অতি সত্য চৈতন্য হিচাপে প্ৰকাশিত হৈছে। সৎচ্চিদানন্দত আমি তিনিটা সত্ত্বাক আধাৰ হিচাপে মানি লৈছো আৰু এক ত্ৰিমূৰ্ত্তি (Trinity) ত উপনীত হ'বলৈ সিহঁতক একেলগ কৰোঁ। সেইকেইটা হৈছে ক্ৰমে অস্তিত্ব, চেতনা আৰু আনন্দ।

বিশ্বজগতখন চৈতন্যৰ অভিব্যক্তি, যিয়ে তেতিয়াও বাহুল্যতাত নিজকে প্ৰকট কৰে। এই চৈতন্যৰ জৰিয়তে সৃষ্টিয়ে বস্তুসমূহক মূলতঃ এক হিচাপে অৱশ্যাম্ভীভাৱে প্ৰতক্ষ্য কৰে। তথাপি, ই বিভক্ত নকৰাকৈয়ে ইয়াক এক হিচাপে পৃথকীকৰণ কৰে। এই কাৰণেই, ইয়াক সত্য চৈতন্য (Truth-Couseiousness) আখ্যা দিয়া হয়। ইয়াক পৰাবোধমূলক চৈতন্য বুলি কোৱা হয়, যি মানসিক চৈতন্যৰ পৰা পৃথক। মনে অৱশ্যাম্ভীভাৱে পাৰ্থক্য আনে আৰু সেয়ে ই প্ৰকৃত তথা বাস্তৱৰ বিপৰীতে অৱভাসৰ সৃষ্টি কৰে। উত্তম মানে পাৰ্থক্যবো সূচনা নকৰে নাইবা ভুল ছবিও প্ৰদান নকৰে। ই কেতিয়াও 'এক' (One) অৰ্থাৎ 'পৰমসত্ত্বা' ৰ প্ৰকৃত একাত্মস্বৰূপক নেহেৰুৱায় আৰু সেইবাবে ইয়াক 'সত্য চৈতন্য' বোলা হয়।

এই কথা ইতিমধ্যে উল্লেখ কৰা হৈছে যে উত্তম মনক অৰবিন্দই সৃষ্টিকৰ্তা নাইবা সৃজনশীল ধাৰণা ৰূপে অভিহিত কৰিছে। কিন্তু ই অদ্বৈতত বেদান্তৰ ব্ৰহ্ম (Brahman) ৰ দৰে নহয়, যিয়ে কেৱল সত্য বা প্ৰকৃত আৰু ঈশ্বৰ, মায়া আৰু জগত সকলো অবাস্তৱ হৈ পৰে। সেইকাৰণে শ্ৰী অৰবিন্দই অনুভৱ কৰে যে সৃজনশীল নীতিক 'এক' (One)তকৈ অতিৰিক্ত কিবা এটা হিচাপে চোৱাটো উচিত নহয়, বৰঞ্চ সেই হিচাপে চোৱাটো উচিত যি 'এক' ৰ 'একতা' (Oneness) আৰু জগত উৎসৰে প্ৰতি ন্যায্যতা প্ৰদান কৰিবলৈ সক্ষম। সৎচ্চিদানন্দ শুদ্ধ, চৈতন্য আৰু

আনন্দময় অস্তিত্ব আৰু দেশও কালৰ উৰ্দ্ধ। আনহাতে সৃষ্টি হৈছে দেশ ও কালত হোৱা এক ধাৰা নাইবা এক বিকাশ। এই দুয়োৰে মাজত এটা যোগাযোগ থাকিবই লাগিব, যিহেতু ই 'এক' ৰ একতা আৰু ইয়াৰ বিকাশ উভয়কে ব্যাখ্যা কৰিবলৈ সক্ষম। ই সৎচ্চিদানন্দৰ বাহিৰে একো নহয়। ই নিজৰে চৈতন্য, আৰু নিজৰে ধাৰণা। শুদ্ধ চৈতন্য ৰূপে ই একান্তক আৰু এটা ধাৰণাৰূপে ই বিকাশৰ যোগ্য। এইটো কাৰণৰ বাবেই অৰবিন্দই কয় যে অতিমন হৈছে ব্ৰহ্মাৰ বিশাল আত্ম বিস্তৃতি, যিয়ে এহাতে ধাৰণ আৰু বিকাশ কৰে, আনহাতে ই অস্তিত্ব, চেতনা আৰু আনন্দৰ একাত্মক নীতিক সিহঁতৰ অখণ্ড একতাৰ পৰা উন্নতি সাধন কৰে। ই সিহঁতক পৃথক কৰে, কিন্তু বিভাজন নকৰে। সেয়ে, সৃষ্টি আৰম্ভ হয় যেতিয়া, অতিমনে তিনিটা নীতিৰ মৌলিক একতাৰ মাজত পার্থক্য আনে। অতিমনৰ নীতি কেইটা সৎচ্চিদানন্দ নিজে, কিন্তু ইয়াৰ শুদ্ধ, অনন্ত, অপৰিবর্তিত চৈতন্যৰ মাজত বিশ্রাম নলয়; এক ধাৰালৈ এইবোৰ আদিম ভাৰসাম্যতা অগ্রসৰ হয়, যিবোৰ জাগতিক সৃষ্টিৰ শক্তি আৰু কার্যসম্পাদনৰ আকাৰ।

(খ) অতিমনৰ আদর্শ আৰু চৰম মাত্রা ৰূপে অতিমন ঃ অতিমন মনৰ চৰম মাত্রা আৰু পৰিসমাপ্তি। শ্রী অৰবিন্দই ইয়াত মন (Mind) আৰু অতিমন (Supermind)ৰ মাজত এক পার্থক্য আনিছে। প্রকৃত সত্ত্বা আৰু মনক বুজি পোৱাৰ শৈলীৰ পার্থক্যৰ মাজত ই বিদ্যামান। ই অংশ আৰু সমগ্রৰ মাজৰ সম্বন্ধৰ দৰে। সাধাৰণতে, মনে কেৱল জ্ঞাত (Knower) আৰু জ্ঞেয় (Known) ৰ মাজতে পার্থক্য অনা নাই, বৰং বস্তুবোৰতো আনিছে, যাক ই বুজি পায় বা প্রত্যক্ষ কৰে। ইয়াৰ অর্থে প্রকৃত সত্ত্বাৰ জ্ঞান পাবলৈ ই সমর্থ নহয়। প্রকৃত সত্ত্বাক কেৱল 'এক' ৰূপেহে জানিব পৰা যায়। মনে প্রথমে ইয়াৰ জ্ঞানৰ বস্তু বা বিষয়সমূহৰ আদিম একতাক ভংগ কৰে আৰু তাৰ পাছত সেই খণ্ডিত অংশবোৰক এক সমগ্রতাত সমন্বিত কৰে। এইটো কাৰণতে জনা (Kmow) শব্দটোৰ সঠিক অর্থত মনে জানিবলৈ অসমর্থ হয়।

মন আৰু অতিমনৰ পার্থক্য এই সত্যত নিহিত থাকে যে মন পৰাবোধাৱস্থাক উপলব্ধি কৰাৰ এক আবেগ বা প্রৰোচনাৰ বাদে আন একো নহয়। যিহেতু অতিমনে ইতিমধ্যে মনলৈ অধোগমন কৰে, সেয়ে, আধ্যাত্মিক ক্রিয়াকলাপত ই সমর্থবান হৈ পৰে। কেতবোৰ উপায়ৰ দ্বাৰা অতিমন মনৰ মাজত উপস্থিত থাকে। এই কাৰণে অৰবিন্দই কয় যে মনটো প্রকৃতার্থত অতিমনৰ পৰা হোৱা এক স্খলন। এই স্খলন সৃষ্টিৰ এক অনিবার্য্য চর্ত বা অৱস্থা, কিয়নো ই আত্মাৰ অধোগমনক প্রতিনিধিত্ব কৰে। ইয়েই ক্রমবিকাশৰ এক পূর্বচর্তবো গঠন কৰে। অতিমনলৈ মনৰ এই হস্তান্তৰণ আকস্মিক নহয়। মন নিম্ন গোলার্ধৰ অন্তর্গত আৰু ই উচ্চতৰ গোলার্ধলৈ যাৱ লাগে। সেয়েহে ইয়াত এক মধ্যৱর্তী খোজ থাকিবই লাগিব। যাৰ জৰিয়তে এই হস্তান্তৰণ সম্ভৱ হ'ব পাৰে। এই খোজবোৰ হৈছে মন, উচ্চতৰ মন, উদ্দীপ্ত মন, প্রজ্ঞা, চিত্ত আৰু অতিমন। মনৰ পৰা অতিমনৰ উত্তৰণ হৈছে প্রকৃতিৰ পৰা অতিপ্রাকৃতৰ উত্তৰণ। এনেদৰেই মনে কেতবোৰ স্তৰৰ মাজেৰে পাৰ হ'ব লাগে, যিয়ে এই হস্তান্তৰণৰ অবিৰত প্রকৃতিক প্রকাশ কৰিব।

মন অনিবার্য্যভাৱে চেতনা যিয়ে ব্যক্তিগত সমগ্রতাৰ পৰা পৰিমাপ, সীমাবদ্ধতা আৰু বস্তুৰ আকাৰক ত্যাগ কৰে আৰু সিহঁতক পৃথক উপাদান ৰূপে ব্যৱহাৰ কৰে। আমি দেখা পাওঁ যে প্রকৃত সত্ত্বাক এনে এক প্রক্রিয়া যে মনে কেনেবাকৈ ইয়াৰ স্বাভাৱিক কার্য্যকলাপৰ উৰ্দ্ধলৈ গমন কৰে আৰু একাকীকৰণৰ বাবে কেতবোৰ ক্ষমতাৰ চর্চা কৰিবলৈ চেষ্টা কৰে, তেনে প্রক্রিয়াৰ জৰিয়তে জানিব নোৱাৰি। এই হস্তান্তৰণৰ প্রথম চর্ত বা অৱস্থা হৈছে যে মনে কেনেবাকৈ হ'লেও নিজৰ সক্ষমতাৰ বাবে সচেতন হৈ পৰিবই লাগিব আৰু সিহঁতক ধৰি ৰাখিবলৈ সমর্থ হ'বই লাগিব। এনে ধৰণৰ নিৰীক্ষিত বুদ্ধিৰ আৱশ্যকতা যি তাৰ নিজৰ ক্রিয়াকলাপত সচেতন তাক শ্রী অৰবিন্দ ই 'উচ্চতৰ

মন' (The Higher Mind) আখ্যা দিছে। উচ্চতৰ মন আমাৰ কল্পনাক্ষম মানসিক বিচাৰৰ আধ্যাত্মিক জননী। উচ্চতৰ মনত বিশ্লেষণাত্মক ক্রিয়াকলাপৰ কোনো প্রয়োজন নাথাকে, যাক মনে স্বাভাৱিকতে সম্পন্ন কৰে আৰু ইয়াত সঠিক যুক্তিসম্মত প্রক্রিয়াৰো কোনো প্রয়োজন নাথাকে। সেয়েহে উচ্চতৰ মন হৈছে অখণ্ডতাৰ প্রতি এক আত্মসচেতন কার্য্যকলাপ। ইয়াত সত্যতা যুক্তি বা যুক্তিৰ দ্বাৰা প্রতিষ্ঠিত নহয় আৰু সেয়ে সিহঁতক সিহঁতৰ পূর্ব প্রতিফলিত একতাত অন্বেষণ কৰা হয়। এই স্তৰতে তর্কবিজ্ঞান আৰু যৌক্তিক বিশ্লেষণৰ বান্ধোনৰ পৰা আতঁৰি অহাৰ প্রাৰম্ভিক প্রয়াস থাকে আৰু লগতে ভাৱ বা আদর্শৰ জগতলৈ প্রৱেশ কৰাৰ প্রয়াস কৰা হয়।

হস্তান্তৰণ প্রক্রিয়াত (মনৰ পৰা অতিমনলৈ) উচ্চ চিন্তাৰ এক মনৰ প্রয়োজন নাই, ৰৰঞ্চ আধ্যাত্মিক আলোকৰ এক মনৰ প্রয়োজন আছে। আলোক বা পোহৰ অৱশ্যাম্ভীভাৱে উদ্দীপ্তময়। ক্রমিক খোজৰ জৰিয়তে চিন্তা পদ্ধতিয়ে ইয়াৰ বিষয়ৰোৰক খণ্ডাকাৰে প্রকট কৰে, কিন্তু তাত এক আকস্মিক আৰু প্রত্যক্ষ অন্তর্দৃষ্টিৰ আৱশ্যকতা থাকে। যিটো স্তৰত মনে উর্দ্ধগমন কৰিব পাৰে, তাকে উদ্দীপ্ত মন ৰোলা হয়। ই চিন্তাৰ দ্বাৰা কাম নকৰে ৰৰং সত্যদৃষ্টিৰে কৰে। ইয়াত চিন্তা হৈছে চেষ্টাবিহীন অন্তদৃষ্টিক গঠনৰ অর্থে সম্পাদন কৰা কেৱল এক শাসনাধিন ধাৰা নাইৰ গতি। ই কেৱল সত্যতাৰ কেৱল প্রতিনিধিমূলক ভাৱমুর্ত্তিহে সৃষ্টি কৰে। উচ্চতৰ মনে সত্যতাৰ বস্তুৰোৰৰ কেতৰোৰকো আয়ত্ত কৰে। যিহেতু উচ্চতৰ মনে ইয়াৰ সত্যতাৰ আধ্যাত্মিক শক্তিৰ জৰিয়তে সত্তাত এক বৃহত্তৰ চেতনাক লৈ আহে, যাতে উদ্দীপ্ত মনে এক সত্য দৃষ্টি আৰু সত্য আলোকৰ জৰিয়তে এক মহান চৈত্যনক ব্যক্ত কৰিব পাৰে।

কিন্তু মনৰ উর্দ্ধগমনৰ এই দুটা স্তৰে কেৱল এক তৃতীয় স্তৰ অর্থাৎ স্বজ্ঞা বা প্রজ্ঞা (Intuition) দ্বাৰা সিহঁতৰ কর্তৃত্ব আৰু সিদ্ধি লাভ কৰিব পাৰে। স্বজ্ঞা বা প্রজ্ঞাক চেতনাৰ শক্তি হিচাপে ধৰা হয়। বিষয় (Subject)ৰ চেতনা বস্তু (Object)ৰ চেতনাত মিলিত হয় ই সংস্পর্শলৈ অহা বস্তুৰ জ্ঞানৰ সৈতে প্রত্যক্ষ কৰে অনুভৱ কৰে আৰু স্পন্দিত হয়। শ্রীঅৰবিন্দৰ মতে, স্বজ্ঞা বা প্রজ্ঞা হৈছে জ্ঞানৰ আৰম্ভনী যিহেতু ই উচ্চতৰ আৰু আধ্যাত্মিক জগতৰ পৰা বার্ত্তা কঢ়িয়ায়। স্বজ্ঞাৰ চতুগুণ শক্তি আছে যেনে — ভৱিষ্যসূচক সত্য দর্শনৰ শক্তি, প্রেৰণ নাইবা সত্য শ্রৱণ শক্তি, সত্য স্পর্শৰ শক্তি আৰু সত্যৰ লগত সত্যৰ শৃংখলাত আৰু সঠিক সম্পর্কৰ সত্য আৰু স্বয়ংক্রিয় ভেদভাৱৰ শক্তি। এইকেইটাই হৈছে স্বজ্ঞাৰ চর্তুগুণ শক্তি। এক প্রত্যক্ষ আৰু অপৰোক্ষ ক্রিয়াত সংগঠিত আকাৰত ইয়াক সত্য দর্শন আৰু শুনাৰ সক্ষমতাই হৈছে স্বজ্ঞা বা প্রজ্ঞা। অৰবিন্দই স্বীকাৰ কৰে যে স্বজ্ঞাই সকলো ক্রিয়া আৰু বুদ্ধি বা বুদ্ধিমত্তাক সম্পন্ন কৰিব পাৰে কোনো পার্থক্যৰ অবিহনেই অর্থাৎ বস্তুৰ প্রতি ইয়াৰ উপলব্ধি বুদ্ধিৰ লেখিয়া প্রত্যক্ষ আৰু মাধ্যম (Medialt) নহয়।

স্বজ্ঞাই বিকাশ কৰিবলগীয়া কার্য্যদক্ষতাক কোৱা হয় 'চিত্ত' (Over Mind)। শ্রী অৰবিন্দই ইয়াক "A super conscient cosmic mind in direct contact with the supermental cousciousness" ৰূপে বর্ণনা কৰিছে। চিত্তৰ এনেধৰণৰ বর্ণনাই ইয়াৰ স্বৰূপৰ দুটা ফালৰ ওপৰত গুৰুত্ব প্রদান কৰিছে, যি হৈছে জাগতিক চেতনাৰ এক প্রকাৰ আৰু ই অতিমনৰ সংস্পর্শত থাকে। জাগতিক চেতনাই নির্দ্দেশ কৰে যে সেই চেতনাক, যি পূর্বৰ তিনিটা স্তৰৰ মাজেৰে উর্দ্ধগমন কৰে। স্বজ্ঞাৰ স্তৰক অন্তর্ভুক্ত কৰি পূর্বৰ স্তৰকেইটা স্বভাৱগতভাৱে জাগতিক নহয়; কিন্তু চিত্তৰ জ্ঞান বিশেষ কেন্দ্রস্থলত চেতনাৰ উপস্থাপনৰ দ্বাৰা বিশ্বব্যাপী আৰু জাগতিক হৈ পৰে।

মন আৰু অতিমনৰ মাজত চিত্ত হৈছে সঠিক সংযোগ। ই মানসিক কার্য্যকলাপক এক আধ্যাত্মিক ৰূপত সম্পাদন কৰে আৰু ইয়াৰ জাগতিক চেতনা হৈছে অতিমনৰ সৈতে ইয়াৰ সম্বন্ধৰ পৰিণাম বা ফল। ই ব্যক্তিগত

চেতনাত সীমাবদ্ধ। এই সীমাবদ্ধতাৰ হেতু স্বজ্ঞাজনিত চেতনাৰ সার্বজনীনতা নাথাকে। চিত্ত সার্বজনীন আলোকক প্রতিফলিত কৰা সক্ষমতা থাকে আৰু সেই কাৰণে ইয়াৰ চেতনা জাগতিক। কিন্তু চিত্ত অতিমন নহয়। অতিচৈতন্য আৰু জাগতিক হোৱাৰ পৰিৱর্তে অতিমনৰ অখণ্ড বৈশিষ্ট্যৰ অভাৱ ইয়াত দেখা যায়। অর্থাৎ ই সর্বোচ্চ সত্যতা পৰম ব্রহ্মক এক 'একতা' (Unity) ৰ ৰূপত বুজিব নোৱাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শ্রী অৰবিন্দৰ আচল নাম কি?

(What is the original name of Sri Aurobindo ?)

প্রশ্ন ২ ঃ শ্রী অৰবিন্দৰ মতে মৌলিক সত্ত্বা কি?

(What is the fundamental Reality according to Aurobindo ?)

প্রশ্ন ৩ ঃ দার্শনিক চিন্তাধাৰত শ্রীঅৰবিন্দৰ উল্লেখযোগ্য কর্মৰাজিসমূহ উল্লেখ কৰক?

(Mention the significant work of Sri Aurobindo on Philosophical thought.)

প্রশ্ন ৪ ঃ অতিমন বিকাশ ঘটোৱা প্রকৃত সত্তা নাইবা সৎচ্চিদানন্দৰ তিনিটা দিশ কি কি?

(What are the three aspects of the Absolate or Saceidananda developed by the supermind ?)

প্রশ্ন ৫ ঃ শ্রী অৰবিন্দই মতে, "স্বজ্ঞা বা প্রজ্ঞাৰ চতুগুণাত্মক শক্তি আছে"। এই চাৰি শক্তি কি কি?

(According to Sri Aurobindo, "Intuition has four fald power." What are these four powers?)

৭.৪ অতিমনৰ ত্রিগুণাত্মক মর্য্যদা

অতিমনে মনলৈ অধোগমন কৰে আৰু মনে ইয়াৰ পৰাবোধাৱস্থাৰ মর্য্যদালৈ উর্দ্ধগমন কৰিবলৈ প্রয়াস কৰে। উদঘাটনৰ প্রক্রিয়াটো মন (Mind) ৰ পৰা আত্মা, জীৱন, আৰু আনকি অজ্ঞানতালৈ নিম্নমুখী গতি কৰে। ক্রমবিকাশ অজ্ঞানতাৰ পৰা অতিমনলৈ এক বিপৰীত প্রক্রিয়া কিন্তু উদঘাটন আৰু ক্রমবিকাশৰ সমগ্র প্রক্রিয়াত অতিমনে একে ভাৱসাম্যতা ৰক্ষা কৰিব নোৱাৰে। ইয়াত অৰবিন্দই ইয়াৰ তিনিটা ভাৱসাম্যতা নাইবা মর্য্যদাৰ বিষয়ে কৈছে। ইয়াৰ জাগতিক আৰু আধ্যাত্মিক চেতনাৰ তিনিটা ভিন্ন অধিবেশনৰ বাদে ই আন একো নহয়। এইকেইটা সন্তোলন (Poises) ৰ জৰিয়তে আমি অতিমনক সৃষ্টিকর্তা ৰূপে জানিব পাৰোঁ। অতিমনৰ অখণ্ড মর্য্যদা গঠিত হয় ইয়াৰ শুদ্ধ একক সম্বন্ধী চেতনাত, সেয়ে সি হৈছে সৎচ্চিদানন্দৰ নিজা কালবিহীন আৰু দেশবিহীন একাগ্রতা। অতিমনৰ প্রত্যেক মর্য্যদাৰে জগত প্রক্রিয়াৰ সৈতে এক নিদৃষ্ট সম্বন্ধ আছে।

প্ৰথম স্তৰত ঐক্যতা ব্যাকুল হৈ পৰে। ই হৈছে 'শুদ্ধ বিচাৰ বা উদ্ভাৱন' (Pure Ideateion) ৰ অৱস্থা। অৰবিন্দই ইয়াত এই সন্তোলন স্বৰূপক বুজিবলৈ এক সাদৃশ্যানুমান আগবঢ়াইছে। যিদৰে আমাৰ মনত উদয় হোৱা চিন্তা নাইবা ধাৰণাবোৰ আমাৰ বাবে পৃথক অস্তিত্ব নহয়, তেনেদৰে অতিমনৰ সন্তোলন, ব্যক্তিসকল আৰু জগতখন পৃথক অস্তিত্ব নহয়। যিদৰে আমাৰ মনত চেতনাৰ আকাৰ ৰূপে চিন্তা আৰু ধাৰণাবোৰে দেখা দিয়ে, তেনেদৰে অতিমনৰ সকলো প্ৰাথমিক সন্তোলনেও আমাৰ আগত দৃশ্যমান হয়।

দ্বিতীয় স্তৰটো হৈছে সেইটো স্তৰ, য'ত অতিমনে তাৰ চেতনাক সকলো ৰূপ বা আকাৰ প্ৰকাশ কৰে। ই নিজকে বহুতৰ মাজত এক আৰু আকৌ এটাৰ মাজত বহুতক উপলব্ধি কৰে। এতিয়া সৃষ্টিৰ প্ৰক্ৰিয়াটো আৰম্ভ হয় আৰু অতিমনে ইয়াৰ অবিচ্ছেদ্য ঐক্যতাৰ মৰ্য্যদাৰ পৰা ওলাই আহে। ইয়াত সাৰ্বজনীন ঐশ্চৰীকতা (Universal Divine) ৰ পৰা জীৱাত্মা পৃথক হয়। ব্যক্তিগত জীৱাত্মাই নিজকে ঐক্যতাৰ এক ব্যক্তিগত কেন্দ্ৰত প্ৰকাশ আৰু উপলব্ধি কৰে। আনহাতে, সাৰ্বজনীন ঐশ্চৰীকতাই নিজকে সকলো আত্মাৰ আকাৰত সাৰ্বিকভাৱে উপলব্ধি কৰে। প্ৰকৃতাৰ্থত সাৰ্বজনীনতাই ক্ৰীড়া কৰে, য'ত এককে বহুত্বৰ মাজত নিজকে প্ৰকট কৰে, যদিও এই সংখ্যাধিক্য (Multiplicity) ক অন্তৰালত থকা ঐক্যতা হিচাপে স্বীকাৰ কৰা হয়।

প্ৰথম স্তৰত সকলোকে ঐক্যতা হিচাপে স্বীকাৰ কৰা হয় আৰু দ্বিতীয় স্তৰত সংখ্যধিক্য প্ৰতিভাত দ্বিতীয় আৰু অথচ এই সংখ্যধিক্যত ঐক্যতাক গ্ৰহণ কৰা হয়।

তৃতীয় সন্তোলনত অতিমনে নিজকে ইয়াত জড়িত চলন আৰু উপায়ত পৰিকল্পনা কৰিবলগীয়া হয়। প্ৰথম সন্তোলনটো কাৰণতাৰ স্তৰ (Karana), য'ত ক্ৰীড়া আৰম্ভ হয়। এই সন্তোলনক সম্পূৰ্ণৰূপে প্ৰকাশিত অৱস্থা (Purna-Vyakta-Avastha) ৰূপে বুজা যায়, য'ত সৃজনশীল প্ৰক্ৰিয়াবোৰ পূৰ্ণৰূপে কৰ্মৰত আৰু চেতনাক সকলো আকাৰ আৰু কেন্দ্ৰস্থলত প্ৰকাশ কৰে।

এই তিনিওটা সন্তোলনক বিভিন্ন উপায়েৰে আৰু বিভিন্ন ধৰণেৰেও বৰ্ণনা কৰিব পাৰি। প্ৰথম সন্তোলন হৈছে, য'ত পৰাবোধাৱস্থাৰ চেতনাৰ এককসম্বন্ধীয় বৈশিষ্ট্যসমূহ অক্ষত হৈয়ে থাকে, যদিও ই পৃথক হ'বলৈ ফলপ্ৰসূভাৱে সাজু হৈ থাকে। দ্বিতীয় সন্তোলনত পৃথকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু সংখ্যধিক্যই ইয়াক অৱভাসিত কৰে আৰু তৃতীয় স্তৰত এই সংখ্যাধিক্য পূৰ্ণৰূপত প্ৰকাশিত হয়। কিন্তু সকলো সন্তোলনতে সদায় ঐক্যতাৰ প্ৰতি এক আগ্ৰহ বিদ্যমান যিহেতু অখণ্ড ঐক্যতাৰ চেতনাই অতিমনৰ মৌলিক বৈশিষ্ট্যৰাজিক প্ৰতিনিধিত্ব কৰে।

৭.৫ অতিমনৰ ত্ৰিগুণাত্মক ৰূপান্তৰ

ক্ৰমবিকাশৰ উৰ্দ্ধমুখী প্ৰক্ৰিয়াত ই জড়ৰ স্তৰলৈ অধোগমন থকা হিচাপে জড়ৰ সৈতে আৰম্ভ হয়। চেতনাই অনুভৱ কৰে যে আৱৰি ৰখা বা বন্ধ কৰি ৰখাটো সৰ্বাধিক দূৰত্বলৈকে বহন কৰে। চেতনাই নিজকে জড়ৰ সৈতে বন্দী হয় আৰু জড়ক ওপৰলৈ যোৱাৰ প্ৰৱণতা আৰম্ভ কৰিবলৈ হেঁচা প্ৰয়োগ কৰে। ফলস্বৰূপে, জীৱনৰ জন্ম হয়, যিয়ে জড়ৰ মাজত চেতনাৰ প্ৰথম অংকুৰণক সূচিত কৰে। কিন্তু চেতনা ইমানতে সন্তুষ্ট নহয় আৰু উচ্চতৰৰ পৰা উচ্চতৰলৈ উৰ্দ্ধগমন কৰি থাকে। ক্ৰমবিকাশত ইয়াৰ পাছৰ স্তৰটো অতিমনৰ স্তৰলৈ অনিবাৰ্য্যভাৱে এক অধিৰোহ

হ'বই লাগিব। ইয়াক ৰূপান্তৰৰ এক ত্ৰিগুণাত্মক প্ৰক্ৰিয়াৰ জৰিয়তে লাভ কৰিব পাৰি। এই ৰূপান্তৰৰ প্ৰথম আৱশ্যকতা হৈছে আমাৰ স্থূলচৰ অৰ্থাৎ পাৰ্থিব অস্তিত্বৰ এক সম্পূৰ্ণ আৰু মূলগত পৰিবৰ্ত্তণ বস্তুগত, জীৱনপূৰ্ণ আৰু মানসিক আৰু তাৰ পাছত ইয়াৰ আৱশ্যকতা হৈছে এজন ব্যক্তিৰ নিজস্ব যত্নৰ সংযুক্ত শক্তিৰ ফলত হোৱা এক অন্তিম ৰূপান্তৰ। এই ত্ৰিগুণাত্মক ৰূপান্তৰসমূহে আত্মিক ৰূপান্তৰ, আধ্যাত্মিক ৰূপান্তৰ আৰু পৰাবোধাৱস্থাৰ ৰূপান্তৰক গঠন কৰে। এই তিনিটাক তলত দিয়াৰ দৰে উল্লেখ কৰিব পাৰি —

(ক) **মানসিক বা আত্মিক ৰূপান্তৰ** (Psychic Transformation) ঃ মানসিক আত্মাৰ প্ৰকাশেই হৈছে পৰাবোধাৱস্থাৰ পৰিবৰ্ত্তনৰ প্ৰতি প্ৰথম খোজ। মানসিক সত্বা হৈছে আমাৰ সত্বাৰ অচেতন দিশ। মানসিক পৰিবৰ্তন আৱৰণৰ নিষ্কাসনত গঠিত হয়, যিয়ে আমাৰ মন বা আত্মাক ঢাকি থাকে। অৰবিন্দই মন বা আত্মাক 'বস্তুত ঐশ্চৰীকতাৰ সদা শুদ্ধ জ্যোতি' ('The ever-pure flame of the divinity in things') ৰূপে বৰ্ণনা কৰিছে; যি আমাৰ সকলো অভিজ্ঞতাৰ জৰিয়তে অনুজ্জ্বল হৈয়ে ৰয়। এইটো অনিবাৰ্য্য যে আত্মা বা মনৰ পোহৰে আমাৰ সমগ্ৰ সত্তাক বুৱাই পেলায় আৰু আমাৰ মাজত জীৱন, মন আৰু জড়ক অভিভূত কৰে। ই সম্পূৰ্ণ হয় মানসিক পৰিবৰ্তনৰ জৰিয়তে। এই সন্দৰ্ভত শ্ৰী অৰবিন্দই আৱেগ অনুভূতিৰ শিক্ষাৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিছে, যিহেতু কেৱল এনেধৰণৰ শিক্ষাৰ জৰিয়তেহে এক মানসিক পৰিৱৰ্তণৰ বাবে হেঁচাৰ প্ৰয়োজনীয়তা আমি অনুভৱ কৰোঁ। আমাৰ মাজত আত্মাক জাগ্ৰত কৰা এনেধৰণৰ শিক্ষা হৈছে যোগ বা সাধনা (Yoga)।

(খ) **আধ্যাত্মিক ৰূপান্তৰ** (Spiritual Transformation) ঃ মানসিক পৰিবৰ্তনক পূৰণ কৰা হয় আধ্যাত্মিক পৰিৱৰ্তনৰ দ্বাৰা আমাৰ সত্বাত এক উচ্চতৰ আলোকৰ অৱৰোহণ। মানসিক ৰূপান্তৰৰ প্ৰক্ৰিয়াৰ দ্বাৰা জড়, জীৱন আৰু মন শোধিত হয়, কিন্তু তাত আত্মাৰ পৰা আধ্যাত্মিক অন্তৰঙ্গতালৈ এক প্ৰাৰম্ভ থাকিবই লাগিব। মানসিক সত্বা এক উচ্চতৰ সত্তাৰ অন্তৰ্গচ হোৱা যেন লগা যিকোনো বস্তুৰ প্ৰতি আৱৰ্তিত হ'বই লাগিব। ইয়ে হৈছে আধ্যাত্মিক ৰূপান্তৰ। যেতিয়া আত্মাই সাৰ পায় আৰু জীৱন আৰু মনক পথপ্ৰদৰ্শন আৰু নিয়ন্ত্ৰণ কৰিবলৈ সমৰ্থবান হয়, তেতিয়া ইয়াৰ সচেতন জীৱনত এক আধ্যাত্মিক পৰিৱৰ্তণক আনিবলৈ ই চেষ্টা চলায়।

শ্ৰী অৰবিন্দৰ মতে, আত্মাই এক যন্ত্ৰ হিচাপে চিন্তাশীল মনৰ জৰিয়তে এই যোগাযোগক লাভ কৰিবলৈ প্ৰয়াস কৰে। ই বুদ্ধি, উচ্চতৰ মন আৰু স্বজ্ঞাজনিত বোধৰ ওপৰত এক মানসিক ছাঁপও বহুৱায় আৰু সিহঁতক সেই দিশত পৰিৱৰ্তন কৰায়। যিহেতু এই ৰূপান্তৰ অধিকতকৈও অধিক পূৰ্ণ হৈ পৰিব, তেতিয়া আধ্যাত্মিক মনটো সকলো আকাৰ আৰু মুৰ্ত্তি, শ্ৰেয় আৰু অমঙ্গলৰ সকলো ধাৰণা আৰু সত্য অসত্যৰ ঊৰ্দ্ধলৈ গতি কৰিব। এনেধৰণৰ এক আধ্যাত্মিক চেতনাই সেইটোক অনুভৱ কৰে, যিয়ে সকলো দ্বৈততা (dualities) ক অতিক্ৰম কৰে।

(গ) **পৰাবোধাৱস্তাৰ ৰূপান্তৰ** (Supramental Transformation) ঃ আধ্যাত্মিক ৰূপান্তৰে আত্মাক আধ্যাত্মিক ঐক্যতালৈ লৈ যায়। কিন্তু এই ৰূপান্তৰে আমাক অখণ্ড ৰূপান্তৰক প্ৰদান নকৰে। মানসিক ৰূপান্তৰ এক উচ্চ শিখৰত আধ্যাত্মিক পৰিৱৰ্তনৰ দ্বাৰা পুনস্থাপিত হয়, কিন্তু ই প্ৰকৃতিৰ সম্পূৰ্ণ ঐশ্বৰীক গতিশীলতা নহয়। এই উদ্দেশ্যৰ বাবে পৰাবোধাৱস্থাৰ ৰূপান্তৰৰ প্ৰয়োজন। অৰবিন্দৰ মতে, মানসিক আৰু আধ্যাত্মিক ৰূপান্তৰে মানুহক চেতনাৰ উচ্চতৰ পৰ্য্যায়লৈ উন্নীত কৰে। তৎস্বতেও, এইবোৰৰ লগত যদি আত্মাক এৰি দিয়া হয় আমাৰ ওপৰত কেৱল একতাৰ দৃষ্টিহে থাকিব ইয়াৰ কোনো উপলব্ধি নাথাকে। আৰু এইটো যদি প্ৰত্যেক দৰ্শন বা দৃষ্টিতে ঘটে,

তেন্তে নিস্তেজ আৰু দুৰ্বলতাৰ সহায়ক হ'ব। স্বজ্ঞাজনিত সকলো অভিজ্ঞতাতে ই সংঘটিত হয়। সেয়ে, এক দৃষ্টি এক উপলব্ধিলৈ ৰূপান্তৰ হ'বই লাগিব। সেয়ে উচ্চতৰ চেতনাৰ অৱৰোহন অনিবার্য্য। অৰবিন্দই কৈছে — "The truth consciousness or Supermind finding evolutionary Nature has ready to descend into her and enable her to liberate the supermental principle within her." জড়, মন আৰু জীৱনত পৰাবোধাৱস্থাৰ উপস্থিতিয়ে জড়, জীৱন আৰু মনৰ স্বৰূপক সম্পূৰ্ণভাৱে পৰিৱৰ্তন কৰিব।

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শ্রী অৰবিন্দৰ দর্শন ভাৰতীয় আৰু পাশ্চাত্য উভয় দর্শনৰে মিলনৰ কেন্দ্রবিন্দু।
- তেওঁৰ দর্শনত অতিমনৰ ধাৰণা এক অতি নির্দেশনাত্মক ধাৰণা।
- মন আৰু জগতৰ সৃষ্টিতকৈও উর্দ্ধতন সক্রিয় ইচ্ছা আৰু জ্ঞানৰ নীতিবোৰেই হৈছে অতিমন।
- ই হৈছে এককৰ আত্মদখল আৰু বহুতৰ প্রবাহৰ মাজৰ মধ্যৱর্তী শক্তি আৰু সত্তাৰ অৱস্থা।
- অতিমন মন বা সাধাৰণ চেতনা আৰু পৰম নাইবা উচ্চতম চেতনাৰ মাজৰ মধ্যস্থতাকাৰী।
- অতিমনৰ জৰিয়তে মনে পৰম সত্তালৈ অধিৰোহন কৰিব পাৰে আৰু পৰমসত্তাই মনলৈ অৱৰোহণ কৰিব পাৰে।
- অৰবিন্দৰ দ্বাৰা অতিমন সত্য-চেতনা ৰূপে প্রকাশিত হৈছে যাৰ জৰিয়তে সৎচ্চিদানন্দৰ সত্যতাক বোধগম্য কৰিব পাৰি। কিন্তু মন আৰু অতিমন একে নহয়।
- অৰবিন্দৰ দর্শন দেখা পোৱা মৌলিক ধাৰণাটো হৈছে মানুহৰ ঐশ্বৰীক লক্ষ্যক দেখুওৱা বিভিন্ন স্তৰৰ মাজেৰে জগত আৰু মানুহৰ ক্রমবিকাশ।
- তেওঁৰ শাৰীৰিক, জীৱনদায়িনী, মানসিক ফলপ্রসূতাৰ সন্মিলিত আৰু অখণ্ড সংস্কৃতিয়ে অকলেই তেওঁৰ সমগ্র সত্তাক সমর্থবান আৰু ঐশ্চৰীক কৰি তোলে। এইদৰে মানুহ এজন অতিমানৱ, আৰু পবিত্রতাৰ লগত চিন্তা অনুভৱ আৰু ক্রিয়া কৰাৰ বাবে সমর্থ হৈ পৰে।

৭.৭ অধিক জানিবলৈ

1. Aurobindo, Sri: The Human Cycle, Pondichery, 1949

2. Foundation of Indian Culture, The Sri Aurobindo Library, New York, 1953

3. Choudhury, Haridas, (ed). The Integral Philosophy of Aurobindo, George Allen and Unwin Ltd. London, 1960

4. Das, Adhar Chandra. Sri Aurobindo and the Future of Maulcind, Calcutta University, 1934.

5. Das, Jutika. Karl Jaspers and New-Advaitism, Anwesha Publication, Panbazar, Assam, 2010.

6. Dutta, D.M. The Chief Currents of Contemparary Philosophy (of Europe, America, India and Japan) 1972.
7. Lal, B.K. Contemparary Indian Philosophy, Matilal Bararassidass Delhi, 1973.
8. Langlay, G.H. Sri Aurobindo, Indian Poet, Philosopher, Mystic, David Marlow Ltd. 1949.
9. Naravane, V.S. Modern Indian Thought - A Philosophical survey, Asia Publishing House, Bombay, 1964
10. Purani, A.B. Sri Aurobindo, some Aspects of his Vision, Bharatiya Vidya Bhavan, Bombay, 1966.
11. Reddy, V. Madhusudan, Sri Aurobindo An Interpretation, Ed. by V.C. Joshi. Vikash Publishing House Pvt. Ltd. Delhi. 1973.

৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শ্রী অৰবিন্দ ঘোষ ।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্ম বা পৰম সত্তা।

৩ নং প্রশ্নৰ উত্তৰ ঃ The Life Divine, Yoga, আৰু Savitri ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) ইয়াৰ 'এক' ৰ জ্ঞান আছে, কিন্তু নিজৰ বহুত্বক 'এক'ৰ পৰাই নিঃসৃত কৰিবলৈ সক্ষম।

(খ) ই 'বহুত্ব'ক প্রকট কৰে, কিন্তু ই তাৰ ভিন্নতাত নিজকে হেৰুৱাই নেপেলায়।

(গ) ই 'বহুত্ব'ৰ মাজত 'এটা'ৰ বিকিৰনক নিহিত আৰু অনুমোদন কৰে আৰু এক প্রকৃত বিভেদৰ পৰা ইয়াক প্রতিৰোধ কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) ভৱিষ্যসূচক সত্য দর্শনৰ শক্তি

(খ) প্রেৰণা নাইবা সত্য শ্রৱণ শক্তি

(গ) সত্য স্পর্শ শক্তি আৰু

(ঘ) সত্যৰ লগত সত্যৰ শৃঙ্খলিত আৰু সঠিক সম্পর্কৰ সত্য আৰু স্বয়ংক্রিয় ভেদভাৱৰ শক্তি।

৭.৯ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ অৰবিন্দৰ আচল নামটো কি ?

প্রশ্ন ২ ঃ তেওঁৰ দর্শনক.....ভাৱবাদ বুলি জনা যায়। (খালী ঠাই পূৰাওক)

প্রশ্ন ৩ ঃ তেওঁৰ প্রকৃত সত্তাৰ ধাৰণাটো জড় আৰু আত্মাৰ সংমিশ্রণ হয়নে ?

প্রশ্ন ৪ ঃ অৰবিন্দৰ যিকোনো এখন গ্রন্থৰ নাম লিখক।

প্রশ্ন ৫ ঃ পৰম সত্তাৰ মৌলিক নীতি কেইটা কি কি ?

(খ) চমু প্ৰশ্ন (প্ৰায় 150 শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক ।

(ক) সত্য চেতনা হিচাপে অতিমন

(খ) অখণ্ড ভাৱবাদ

প্ৰশ্ন ২ ঃ অতিমনত ত্ৰিগুণাত্মক মৰ্য্যদাৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ প্ৰকৃত সত্তা বা সৎচ্চিদানন্দৰ আঠটা নীতি চমুকৈ ব্যাখ্যা কৰক।

(গ) দীঘল প্ৰশ্ন (প্ৰায় 300-500 শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ অতিমনৰ ত্ৰিগুণাত্মক ৰূপান্তৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অতিমনৰ ধাৰণাটোক বহলাই ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ অতিমনলৈ মনৰ গতি সম্পৰ্কে বহলাই আলোচনা কৰক।

*** **** ***

অধ্যায় ৮ ঃ অৰবিন্দ ঃ ক্রমবিকাশবাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ সৃষ্টি আৰু জগত প্রক্রিয়াৰ ধাৰণা

৮.৪ অজ্ঞানতাৰ স্বৰূপ আৰু প্রকাৰ

৮.৫ ক্রমবিকাশৰ মতবাদ

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সৃষ্টিৰ স্বৰূপক স্পষ্ট কৰিব পাৰিব
- অজ্ঞানতাৰ বিভিন্ন প্রকাৰসমূহক ব্যাখ্যা কৰিব পাৰিব
- ক্রমবিকাশ আৰু উদঘাটনৰ মাজৰ সম্বন্ধক ব্যাখ্যা কৰিব পাৰিব।
- ক্রমবিকাশৰ মতবাদক পুংখানুপুংখভাৱে বুজিব পাৰিব।

৮.২ পৰিচয়

ভাৰতীয় চিন্তাধাৰাৰ মহাসাগৰত অৰবিন্দৰ দর্শন এক আশ্চার্য্যজনক দ্বীপ সদৃশ। তেওঁ ভাৰতীয় ৰাষ্ট্রবাদৰ বিশিষ্ট্য ব্যক্তিসকলৰ মাজৰ এজন আৰু ভাৰতীয় চিন্তাধাৰাৰ (পৌৰাণিক) এক উজ্জ্বল নক্ষত্র)। ভাৰতীয় দার্শনিক চিন্তাধাৰাৰ প্রতি অৰবিন্দৰ সমগ্র মনোভাৱ এই অনুমান বা ধাৰণাৰ ওপৰত নির্ভৰশীল যে দর্শন, সমাজবিজ্ঞান আৰু আনকি বিজ্ঞানৰ সর্বোচ্চ সত্যতা নিহিত হৈ থাকে। বেদ হৈছে ভাৰতীয় জ্ঞানৰ মূল ভেঁটি নাইবা মূল। ভাৰতীয় সংস্কৃতি আৰু দর্শনৰ গছজোপা কেনেকৈ বেদৰ মাজত শিপাঁই আছে, তাক অৰবিন্দই প্রকট কৰিবলৈ চেষ্টা কৰিছিল, যি গভীৰ, মজবুত আৰু দৃঢ়। সেয়ে তেওঁৰ দর্শনত আমি এক বিশাল সংশ্লেষণক বিচাৰি পাও, য'ত আধুনিক বৈজ্ঞানিক চিন্তাৰ অর্জনসমূহক আধিবৈজ্ঞানিক সমতলত সম্পূর্ণৰূপে স্বীকাৰ কৰা হৈছিল।

ভাৰতীয় ৰাষ্ট্রীয় আন্দোলনত শ্রী অৰবিন্দ আছিল এজন বৈপ্লৱিক নেতা, এজন সুদীপ্ত বক্তা আৰু এজন সাংবাদিক। তেওঁ বিদেশী শাসনৰ বিপক্ষে এক ৰাজনৈতিক সংঘর্ষক শান্তিপূর্ণ উপায়েৰে সঞ্চালন কৰিব পাৰি বুলি ঘোষণা কৰিছিল। তেওঁৰ ৰাজনৈতিক কর্মসমূহ সত্যতাৰ উচ্চ আদর্শ আৰু বিশ্বপ্রেমৰ প্রতি থকা ভক্তি বা পূর্ণ বিশ্বাসৰ দ্বাৰা চিহ্নিত হৈছিল যাক তেওঁ নিজে তৈয়াৰ কৰিছিল। কেইবছৰ মানৰ পাছত তেওঁ পণ্ডিচেৰীলৈ গুছি গৈছিল, য'ত তেওঁ জীৱনৰ বাকী থকা চল্লিশ বছৰ অতিবাহিত কৰিছিল। আত্মজয় আৰু জ্ঞানৰ প্রতি তেওঁৰ জীৱনটো সম্পূর্ণভাৱে উৎসর্গিত হৈছিল। এজন কবি, দার্শনিক আৰু ৰহস্যবাদী হিচাপে শ্রীঅৰবিন্দই সর্বোত্তম গৌৰৱ নাইবা মহানতাৰ এক স্থান দখল কৰিছে।

শ্রী অৰবিন্দৰ দর্শন ভাৰতীয় আৰু পাশ্চাত্য দর্শন উভয়ৰে এক মিলন ক্ষেত্র। পাশ্চাত্যদর্শনৰ মূল লক্ষ্য হৈছে ইয়াৰ ক্রমবিকাশ আৰু জগত সম্বন্ধীয় বৈশিষ্ট্যৰ এক সম্পূর্ণ উপলব্ধিক প্রাপ্ত কৰা। কিন্তু ই বৌদ্ধিকতাবাদ আৰু ইয়াৰ অস্তিত্বমূলক দৃষ্টিভঙ্গীৰ দ্বাৰা বাধ্যগ্রস্ত হয়। আনহাতে ইয়াৰ আৱশ্যকতা আধ্যাত্মিক দৃষ্টিকোণহে। ঠিক সেইদৰে ভাৰতীয় দর্শন তথা চিন্তা আধ্যাত্মিক কিন্তু ব্যক্তিবাদী আৰু স্থিৰ। ব্যক্তিবাদৰ ঠেক গণ্ডীক ভঙ্গঁ কৰি এক গতিশীল আৰু জগতসম্পর্কীয় বৈশিষ্ট্য লাভ কৰিব লাগিব। অৰবিন্দৰ দর্শনে ক্রমবিকাশৰ প্রধান সমস্যাৰ লগত জড়িত হোৱাৰ দ্বাৰা এই কাম পূর্ণ কৰিছে।

ক্রমবিকাশৰ ধাৰণাটো ভাৰতীয় দর্শনতকৈ পাশ্চাত্য দর্শনত অনস্বীকার্য্যৰূপে অধিক স্পষ্ট। গ্রীক দার্শনিক এৰিষ্টটলে কয় যে ক্রমবিকাশ উদ্দেশ্যমূলক (Teleolagical), কিয়নো ই আছিল সম্ভাৱনাৰ পৰা প্রকৃত বা যথার্থলৈ হোৱা এক ক্রমাগত ৰূপান্তৰ। যথার্থতে, সৃষ্টিৰ সমস্যাটো গ্রীকদর্শনত এক বাধাৰ প্রাচীৰ স্বৰূপ আছিল। প্লেটৰ মতে, সৃষ্টি এক জড়বাদী প্রক্রিয়া নহয় বৰঞ্চ এক আদর্শ আৰু বৌদ্ধিক প্রক্রিয়া। সেয়ে, তেওঁ সৃষ্টিৰ ধাৰণাটোক সৃষ্টিৰ পূর্বেই অস্তিত্বশীল বুলি কৈছে। সেয়ে প্লেটৰ দর্শনত আমি সৃষ্টিকর্তাৰ এক যুগ্ম শৃংখল দেখা পাওঁ — এটা হৈছে ধাৰণা, যি পৰম সৃষ্টিকর্তা আৰু আনটো হৈছে ঈশ্বৰ। ধাৰণাৰ পৰা কোনো নমুনা লাভ নকৰাকৈ ঈশ্বৰে স্পষ্টৰূপে সৃষ্টিৰ শক্তি লাভ কৰিব নোৱাৰে। আৰু ধাৰণাইও পোণপটীয়াকৈ সৃষ্টি কৰিব নোৱাৰে, যিহেতু সিহঁতৰ সৃষ্টি কৰাৰ শক্তি নাথাকে।

গ্রীক দার্শনিকসকল সদায় প্রথমে বর্হিদিশে গতি কৰে আৰু পিছৰ অৱস্থাত অন্তর্দিশে গতি কৰে। সেই কাৰণেই গ্রীকদর্শনত বিবেক বা চেতনাৰ দৃষ্টিকোণৰ পৰা অভিগমনক কেতিয়াও সম্পূর্ণৰূপে প্রতিষ্ঠা কৰিব পৰা নাছিল। আনহাতে, ভাৰতীয় দর্শন আদিৰ পৰা অন্তর্মুখী আছিল। সর্বোত্তম সত্বাক সদায় 'আত্মা' (Atmanor Self) হিচাপে গণ্য কৰা হৈছিল। সেইকাৰণে, জগতৰ ব্যাখ্যা সদায় চেতনাৰ দৃষ্টিকোণৰ ফালৰ পৰা হৈছিল। সত্বা বা সত্যতাৰ বিভিন্ন মানক চেতনাৰ বিভিন্ন মানৰ দ্বাৰা ব্যাখ্যা কৰা হৈছিল। শ্রী অৰবিন্দই সমগ্র জগতক 'সচ্চিদানন্দ' নাইবা সর্বোত্তম চেতনাৰ দৃষ্টিৰে প্রত্যক্ষ কৰিছিল। তেওঁৰ মতে, সকলো সত্বা চেতনা হোৱাৰ লগতে যিকোনো বস্তুৰ সত্যতাৰ মাপ চেতনাৰ স্বৰূপৰ দ্বাৰা নির্দ্ধাৰিত হয়, যি ইয়াৰ মাজতে প্রকট হয়। সত্বাৰ মাপকাঠিত যিকোনো বস্তুৰ উচ্চ স্থান, গভীৰতম আৰু অধিক সম্মিলিত ই হেছে চেতনা যি ইয়াৰ মাজতে প্রকট হয়। 'সচ্চিদানন্দ' 'সৎ' (Sat), 'চিৎ' (Chit) আৰু 'আনন্দ' (Ananda) ৰ ত্রয়াত্মক নীতি (Triune Principle) ৰ বাবে এক সাধাৰণ নামৰ বাহিৰে আন একো নহয়।

৮.৩ সৃষ্টি আৰু জগত প্রক্রিয়াৰ ধাৰণা

সৃষ্টিৰ ধাৰণাটো জন্মে দুটা দুটা প্রশ্নৰ সন্দর্ভত — "পৰম সত্ত্বাক কিয় পৰম বা পূর্ণ (Absolute) আৰু অনন্ত (Infinite) ৰূপে ধৰা হয়?" নাইবা "পৰম সত্ত্বাক কেনেদৰে ধাৰণ কৰা হয়?" শ্রী অৰবিন্দই সৃষ্টিক এক দ্বি-গুণাত্মক প্রক্রিয়া হিচাপে নিৰীক্ষণ কৰিছে। প্রথমে, ই হৈছে পার্থিব জগতৰ ৰূপত আত্মাৰ এক অধোগমন (Descent) আৰু দ্বিতীয়তে, আত্মাৰ প্রতি পার্থিব ৰূপৰ এক উর্দ্ধগমন (Ascent)। গতিকে সৃষ্টি অধোগমন আৰু উর্দ্ধগমন নাইবা ক্রমবিকাশ আৰু উদঘাটনৰ এক প্রক্রিয়া। যিদৰে যেতিয়াই আমি জ্ঞান লাভ কৰোঁ, তেতিয়াই আমি জ্ঞানৰ প্রতি অধোগমণ কৰোঁ, কিন্তু জ্ঞানে তেতিয়া আমাৰ প্রতি উর্দ্ধগমণ কৰে। ঠিক তেনেদৰে, আধ্যাত্মিক ৰূপান্তৰে আত্মাৰ অধোগমণক পূর্বানুমান কৰে, যি সৃষ্টিৰ উৎসৰ বাহিৰে আন একো নহয়।

অধোগমণ নাইবা উদঘাটনঃ শ্রী অৰবিন্দৰ সৃষ্টিৰ অনৈচ্ছিক দিশৰ ব্যাখ্যাই কিছু মাত্রাত সৃষ্টিৰ বৈদিক ৰ্কানাক অনুকৰণ কৰে। বেদান্ত দর্শনত সৃষ্টিক অজ্ঞানতা বা অবিদ্যাৰ পৰিণাম হিচাপে বর্ণনা কৰিছে। অজ্ঞানতাবশত আমি জগত আৰু অৱভাসিক আত্মাক একমাত্র সত্ত্বা বা সত্য (Reality) ৰূপে গ্রহন কৰোঁ। কিন্তু, বেদান্তৰ মতে প্রকৃতার্থত সৃষ্টি বুলি একো নাই, বৰঞ্চ এই জাগতিক বিকেন্দ্রীকৰণ এক আনন্দময় কর্ম নাইবা লীলাৰ বাহিৰে আন একো নহয়।

শ্রী অৰবিন্দৰ মতে, সৃষ্টি আনন্দৰ এক প্রকাশৰ বাহিৰে আন একো নহয়। আমোদ বা উল্লাস সৃষ্টিৰ ৰহস্য, যি জন্ম আৰু মৃত্যুৰো কাৰণ । বেদান্তৰ দৰে শ্রী অৰবিন্দইও কৈছিল যে সৃষ্টি এক আনন্দময় খেলা আৰু এক লীলা। শক্তিৰ এক গতি হিচাপে এই জগতখন অধিক নৈমিত্তিক (Casual) আৰু অন্তর্দৃষ্টি (Insight) ৰ ৰূপত প্রকট হয়, যি সচেতনভাৱে ৰূপ আৰু অভিব্যক্তিৰ সৃষ্টি কৰে। কিন্তু যিটো মুহূর্তত এইবোৰ ৰূপৰ সৃষ্টিৰ উদ্দেশ্যৰ ওপৰত আমি প্রতিবিম্বিত হওঁ, আমি উপলব্ধি কৰোঁ যে এই বিশ্বব্রহ্মাণ্ডখন আনন্দ বা উল্লাসৰ এ অভিব্যক্তি। ফলস্বৰূপে ইয়াৰ সৈতে আমি এক হৈ পৰোঁ। সৎচ্চিদানন্দৰ সম্বন্ধত জগত সৃষ্টিৰ এই প্রক্রিয়াকে লীলা বুলি কোৱা হয়। সেই কাৰণে শ্রী অৰবিন্দই সৃষ্টিৰ সমগ্রতাক এক লীলা অর্থাৎ শিশু সকলৰ আনন্দ কবিৰ আনন্দ অভিনেতাৰ আনন্দ আদি বুলি কৈছে। পৰম ব্রহ্ম নিজেই খেল, তেৱেঁই খেলুৱৈ আৰু তেৱেঁই ক্রীড়াক্ষেত্র। লীলা পৰম সুখৰ পৰা, পৰম সুখৰ দ্বাৰা আৰু পৰম সুখৰ বাবে সৃষ্ট। সেয়ে সৃষ্টি বিশুদ্ধ তথা নির্মল লীলা (Pure Lilla), যি ব্রহ্মাৰ অবিৰত আৰু বিনোদনধর্মী কার্যকলাপৰ অভিব্যক্ত।

শ্রী অৰবিন্দই সৃষ্টিক অবিদ্যা বা অজ্ঞানতাত আত্মাৰ মগ্নতা হিচাপেও বর্ণনা কৰিছে। অবিদ্যা হৈছে নিজকে আংশিক ভাৱে আটক কৰাৰ এক দিব্য চেতনা (Divine Cousciousness) অবিদ্যা নিজেও দিব্য চেতনাৰ অবিচ্ছেদ্য অংগ। অবিদ্যা বা অজ্ঞানতা দুটা ক্ষেত্রৰ মাজত অৱস্থান কৰে। এটা চৰম যাক কোৱা হয় চৰম দিব্য চেতনা আৰু আনটো হৈছে সম্পূর্ণ জ্ঞানবিহীনতাৰ সম্ভাৱনা। অবিদ্যা এই দুয়োৰে মাজত অৱস্থান কৰে আৰু ইয়ে হৈছে সৃজিত জগতৰ ক্ষেত্র নাইবা স্থিতি। সেইবাবে পৰম সত্ত্বাই নিজে অবিদ্যাত অধোগমন কৰিবলৈ সিদ্ধান্ত ল'য়। সেয়াই সৃষ্টি শ্রী অৰবিন্দ এই বিষয়ত সতর্ক আছিল যে পৰম সত্ত্বাই কিয় অবিদ্যাৰ পৰা সৃষ্টি কৰাটো নির্বাচন কৰে? ই কিয় জ্ঞানৰ পৰা নহয়? ই ইয়াৰ শক্তিৰ এক সীমাবদ্ধতা নহয়নে? ইত্যাদি। এই সমূহ সমস্যাৰ সন্দর্ভত শ্রী অৰনিন্দই কয় যে পৰমসত্ত্বাই তাৰ স্ব-জ্ঞানৰ পূর্ণতাৰ পৰা সৃষ্টি কৰিব পাৰে। কিন্তু ই কেৱল মহানতম জগতৰ উচ্চতৰ সৃষ্টি যাক দেখা পায় কেৱল সাধু আৰু ঋষিমুনি সকলেহে। কিন্তু অল্পতৰ জগত (Lesser World), য'ত 'মানুহে' বাস কৰে সি সৃষ্টি হয় অবিদ্যাৰ পৰা। দুখন জগতৰ মাজত নিৰূপন কৰা পার্থক্যৰ দ্বাৰা শ্রী অৰবিন্দই অদ্বৈত বেদান্তৰ পৰা বেলেগ

এক দৃষ্টিকোণ প্রদান কৰিছে। অৰবিন্দই জগতক এক মর্যাদা আৰু বাস্তৱিকতা প্রদান কৰিছে। কিন্তু 'মায়া' ৰ ধাৰণাৰ অবিহনে জগতক সঠিক ভাৱে বুজাব পৰা নাযায়।

মায়া (Maya) ৰ ধাৰণাটোক দুটা ভিন্ন উপায়েৰে বুজাব পৰা যায়। প্রথম অর্থত, ই এক শক্তি সাংগঠনিক আৰু সৃজনাত্মক আৰু দ্বিতীয় অর্থত ই হৈছে ভ্রম নাইবা মিছা ভাৱনা প্রস্তুতকাৰী কল কৌশল। অৰবিন্দই শক্তিৰ ৰূপত মায়াৰ প্রথমটো অর্থক গ্রহন কৰিছে, যিয়ে জগতৰ সৃষ্টি কৰে ই সৎচ্চিদানন্দৰ অক শক্তি, যিয়ে অসীম অস্তিত্বৰ পৰা জগতৰ ৰূপ বা আকাৰ সমূহক বুজিব পাৰে, অন্তর্ভুক্ত কৰিব পাৰে আৰু পৰিমাপ কৰিব পাৰে। অন্য এক অর্থাত অৰবিন্দই মায়াৰ দ্বিতীয় অর্থতো ব্যৱহাৰ কৰিছে। তেওঁৰ মতে, জগতক মায়া বুলিও ক'ব পৰা যায়, যিহেতু ই অসীম অস্তিত্বৰ আৱশ্যকীয় সত্যতা নহয়।

যিহেতু আমি ইতিমধ্যে জানিব পাৰিছো যে সৃষ্টি হৈছে অজ্ঞানতাত আত্মাৰ মগ্নতা, সেয়ে, অজ্ঞানতাৰ স্বৰূপক প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰাতো অনিবার্য।

৮.৪ অজ্ঞানতাৰ স্বৰূপ আৰু প্রকাৰসমূহ

শ্রী অৰবিন্দৰ মতে, অজ্ঞানতা জ্ঞানৰ এক আকাৰ, যদিও ই আংক্ষিক, খণ্ডিত আৰু বিকৃত। অজ্ঞানতাক দুর্বলতাৰ চিহ্ন ৰূপে ধাৰণ কৰা হোৱা নাই, ৰৰং জ্ঞানৰ লেখিয়া এক শক্তিৰূপেহে ধৰা হৈছে। ইয়াক আংশিক ভাৱে নিজকে বাধিত কৰাৰ শক্তি বুলি ক'ব পৰা যায়, কিন্তু এক দিব্য শক্তি হোৱাৰ হেতু দিব্য ঐক্যতা (Divine Unity) ক প্রভাৱন্বিত কৰিব নোৱাৰে। জ্ঞানৰ আৰু অজ্ঞানতাৰ অপৰিহার্য্য ৰূপে ইটোৱে সিটোৰ বিৰোধ নকৰে। ইহঁত দুয়োটায়ে বেলেগ, কিন্তু পৰম সত্বাৰ পৰিপূৰক দিশ। অজ্ঞানতা জ্ঞানৰ ক্ষেত্রলৈ অগ্রসৰ হয় আৰু ফলস্বৰূপে জ্ঞান হৈ পৰে অজ্ঞানতাৰ প্রাকৃতিক বা স্বাভাৱিক চৰম সীমা। গতিকে, অবিদ্যা বা অজ্ঞনতাও সাম্ভাব্যমূলকভাৱে জ্ঞান। ই জ্ঞানৰ পথত এটা খোজ।

জ্ঞানৰ সন্ধানৰ তিনিটা ভিন্ন উপায় বা পথ আছে। উচ্চতমত ই হৈছে দিব্য আত্মজ্ঞান (Divine Self Knowledge) ই দিব্যসকলো জ্ঞানও (Divine All Knowledge)। আনহাতে, চৰম, ইয়াত আছে জ্ঞানৰ এক সম্পূর্ণ অস্বীকৰণ, 'ফলপ্রসূ গতিশীল সৃজনাত্মক জ্ঞানহীনতা'। এই দুয়োটাৰ মাজতে থাকে অজ্ঞানতাৰ স্থিতি বা অৱস্থা। তেওঁ অনুভৱ কৰে যে অজ্ঞনতাৰ অৱস্থাত ই নিজে উর্দ্ধ অৱস্থা লাভ কৰিবলৈ আৱশ্যকীয় সকলো যা-যোগাৰ প্রস্তুত কৰি লয়, একমাত্র দিব্য আৱৰণে য'ত দূৰৈৰ পৰা এই অৱস্থাত পাব পাৰি তাক প্রতিৰোধ কৰে। অবিদ্যক অবিদ্যা বুলি এই কাৰণেই কোৱা হয় যে এই অৱস্থাত এজন ব্যক্তি মনৰ উর্দ্ধতম দৃষ্টিৰ প্রতি অজ্ঞ, উচ্চতৰ দৃষ্টিকোণৰ পৰা অজ্ঞতাৰ প্রতিও অজ্ঞ। তাৰোপৰি, ই জ্ঞানৰ পথত এটা খোজ, জ্ঞানৰ শক্তিৰ সৈতে সদায় উৎসাহেৰে ভৰপুৰ এক সম্ভাৱনা, উর্দ্ধ আত্মিক অধোগমণৰ বাবে অপেক্ষা।

শ্রী অৰবিন্দৰ মতে অজ্ঞতা পৰমসত্বাৰ এক শক্তি নহয়। ই তেওঁৰ মাজত বাস নকৰে। আকৌ, ই আত্মাৰ সংখ্যাধিক্যতাৰ এক অন্তর্জাত বৈশিষ্ট্যও নহয়। যেতিয়া ব্যক্তি আত্মা চেতনাৰে পৃষ্ঠীয় স্তৰত থাকে, ই গভীৰতম চেতনাৰ পৰা বাহিৰ হৈ যায়, যিয়ে আন আত্মা আৰু পৰমসত্বাৰ সৈতে ইয়াৰ একাত্মকতাক প্রকাশ কৰে। কিন্তু ই চেতনাৰ গভীৰতম স্তৰসমূহকো মুকলি কৰি দিয়ে, য'ত ব্যক্তি আত্মায় আন আন আত্মা আৰু সমগ্র জগত, আৰু পৰমসত্বাৰ সৈতে নিজকে মৌলিক একতাৰ মাজত দেখা পায়।

শ্রী অৰবিন্দ সচেতন যে জ্ঞানৰ স্বৰূপক নিৰূপন কৰাৰ যিকোনো প্রচেষ্টা প্রথমেই অজ্ঞানতাৰ বিভিন্ন দিশবোৰক ব্যাখ্যা কৰিবলৈ সক্ষম হ'বই লাগিব। ই কাৰণ হৈছে অবিদ্যা বা অজ্ঞানতা জ্ঞানৰ অনুপস্থিতি নহয়, বৰঞ্চ অসমপূর্ণ আৰু আংক্ষিক জ্ঞান। তাৰোপৰি ই আহে অবিদ্যাৰ স্তৰৰ পৰা আৰু মানুহে ইয়াক জ্ঞানৰ স্তৰলৈ বৃদ্ধি কৰিব লাগে। শ্রী অৰবিন্দই সাত প্রকাৰৰ অবিদ্যাৰ কথা উল্লেখ কৰিছে । অবিদ্যাৰ সাতটা দিশ আবিষ্কাৰ কৰাৰ উদ্দেশ্যে তেওঁ সপ্তাংগিক অবিদ্যাক দৃঢ়ভাৱে প্রতিপন্ন কৰে। সেইবোৰ হৈছে আচল বা প্রকৃত জাগতিক, অহংবাদী, ক্ষণস্থায়ী, মানসিক, আভ্যন্তৰীণ আৰু ব্যৱহাৰিক। এতিয়া অবিদ্যাৰ এইসমূহ ভিন্ন প্রকাৰৰ স্বভাৱ বা প্রকৃতি সম্পর্কে আলোচনা কৰো আহঁক।

(ক) **মূল বা প্রাৰম্ভিক অবিদ্যা** (The Original Ignorance) ঃ 'মূল বা প্রাৰম্ভিক অবিদ্যা' দ্বাৰা শ্রী অৰবিন্দই বুজায় যে সত্ত্বাসমূহ অজ্ঞ এই ক্ষেত্রত যে কোনটে প্রকৃততে আচল বা মূল। মানৱসত্ত্বা পৰমব্রহ্মৰ প্রতিও অজ্ঞ, যি সকলো সত্ত্বা আৰু পৰমসত্ত্বা (Being and Becoming) উৎস। ইয়াক মূল বা প্রাৰম্ভিক অজ্ঞতা বা অবিদ্যা বোলা হয়, যিহেতু ই সকলো প্রকাৰৰ অবিদ্যাৰ ভিতৰত আটাইতকৈ মৌলিক। আনবোৰ যিকোনো প্রকাৰে এই প্রাথমিক অজ্ঞানতাৰ পৰাই উদয় হয়।

(খ) **জাগতিক অবিদ্যা** (The Cosmic Ignorance) ঃ ই হৈছে জগতৰ প্রকৃত স্বৰূপৰ বিষয়ে অজ্ঞতা। সাধাৰণতে, এইটো বিশ্বাস কৰা যায়যে দেশ আৰু কাল জগতখন য'ত সকলো সত্ত্বা বাস কৰে, গতি কৰে, গতি কৰে, আৰু অস্তিত্বশীল হৈ থাকে ইয়েই হৈছে প্রকৃত জগত। সেয়ে জগতৰ পৰিবর্ত্তনবোৰ সত্ত্বাৰ সন্মুখত সামগ্রিক ৰূপত বাস্তৱ তথা সত্য ৰূপে প্রতিভাত হয়। অৰবিন্দৰ মতে, ই হৈছে বিশ্বব্রহ্মাণ্ডৰ নিজৰ প্রকৃত স্বভাৱ সম্পর্কে অবিদ্যা সেয়েহে ইয়াক জাগিতিক অজ্ঞানতা বা অবিদ্যা বোলা হয়।

(গ) **অহংবাদী অজ্ঞানতা** (The Egoistic Ignorance) ঃ অজ্ঞানতাৰ এই প্রকাৰটো আত্মাৰ নিজৰ স্বভাৱৰ লগতে জড়িত। কেতিয়াবা কোনো জনে অনুভৱ কৰে যে সন্নিহিত আত্মাই প্রকৃত আত্মাক উপহাৰ দিয়ে। এজন ব্যক্তিয়ে তেওঁৰ 'মই ভাৱ' নাইবা 'অহংভাৱ' (Ego) কেই সকলো বুলি ধাৰণা কৰে আৰু কেতিয়াও উপলব্ধি নকৰে যে সত্ত্বা আৰু পৰমসত্ত্বাৰ সকলো ৰূপতে নিহিত এক মৌলিক একতা বিদ্যামান। পৰিণতি স্বৰূপে তেওঁ আমাৰ সত্য আত্মাৰ বাবে তেওঁৰ সীমিত অহংবাদী মানসিকতা, জীৱন শক্তি, ভৌতিকতা বা শাৰীৰিকতাক গ্রহণ কৰে আৰু আন সকলোকে আত্মা নহয় বুলি স্বীকাৰ কৰে। সেয়ে ইয়াক অহংবাদী অজ্ঞনতা আখ্যা দিয়া হয়।

(ঘ) **ক্ষণস্থায়ী অবিদ্যা বা অজ্ঞানতা** (The Temporal Ignorance) ঃ শ্রী অৰবিন্দই কয় যে সকলো মানুহ তেওঁলোকৰ অনন্ত স্বভাৱৰ প্রতিও অজ্ঞ। সেই হেতুকে তেওঁলোকে বিশ্বাস কৰে যে মানুহৰ জীৱন কালে অস্তিত্ব সাৰ বা তত্ত্বক প্রতিনিধিত্ব কৰে। তেওঁলোকে কেতিয়াও উপলব্ধি নকৰে যে তেওঁলোকৰ স্বৰূপ কিবা প্রকাৰে এইবোৰ দেশীয় নাইবা ক্ষণস্থায়ী পৰিমাপৰ উৰ্দ্ধত।

(ঙ) **মানসিক অবিদ্যা** (The Pahchological Ignorance) ঃ মানৱ সত্ত্বাৰ এক গভীৰতম ক্ষেত্র আছে, যি পৃষ্ঠীয় (Superficial) দৃষ্টিত অনাবৃত নহয়, কিন্তু যিয়ে সিহঁতৰ প্রকৃত স্বৰূপক সংগঠন কৰে। মানুহ বহু বেছিকৈ অজ্ঞানতাতে অধিষ্ঠিত হৈ থাকে আৰু মানুহৰ পার্শ্ব ক্রিয়াকলাপৰ দ্বাৰা প্রায় অভিভূত হৈ থাকে, যে তেওঁলোকে 'অতি বিবেক' (Super- Conscient), 'অতিৰিক্ত বিবেক' (Sub-Conscient), 'আন্তৰ বিবেক' (Intra Conscient)

আৰু 'পৰিস্থিতি বিবেক' (Circum Conscient) ক সম্পূর্ণ ৰূপে আওকান কৰে। এই অজ্ঞানতাক কোৱা হয় মানসিক অজ্ঞানতা বা অবিদ্যা।

(চ) **আভ্যন্তৰীন অজ্ঞানতা** (Constitutional Ignorance) ঃ সাধাৰণতে মানুহে ভাৱে যে হয় তেওঁলোকৰ শৰীৰ, নহয় জীৱন শক্তি নতুবা মন নাইবা ইহঁতৰ যিকোনো দুটা নাইবা তিনিওটায়ে তেওঁলোকৰ প্রকৃত তথা সত্য আভ্যন্তৰীনক প্রতিনিধিত্ব কৰে। আটাইতকৈ লক্ষ্যনীয়ভাৱে বিদ্যমান বিশ্বাসটো হৈছে যে জীৱন মন আৰু শৰীৰ এই তিনিওটায়ে মানুহৰ সমগ্র সংগঠনক গঠিত কৰে। ই নির্দেশ কৰে যে মানৱ সত্ত্বাৰ এই সত্যৰ পৰা অজ্ঞ যে ই হৈছে মানুহৰ গভীৰতম দিশ, যিয়ে আত্মাৰ শাৰিৰীক পুষ্টি সাধন কৰে তাক বহন কৰে প্রাণবন্ত কৰি ৰাখে আৰু মানসিক কার্য্যকলাপকো সেই একে মাত্রা প্রদান কৰে। ইয়াকে আন্তৰিক অজ্ঞানতা বোলা বয়।

(ছ) **ব্যৱহাৰিক অজ্ঞানতা** (Practical Ignorance) ঃ মানসিক ক্রিয়াকলাপত সত্ত্বাৰ 'লক্ষ্য' আৰু 'উপায়' ৰ অজ্ঞানতাৰ হেতু মানৱসত্ত্বা অপৰিবর্ত্তনীয় ভাৱে বিশৃংখল আৰু লক্ষ্যবিহীন। শ্রী অৰিন্দম ই কয়, "এই সমূহ অজ্ঞনতা (ওপৰত উল্লেখিত) ৰ ফল স্বৰূপে মানুহে জগতত সত্য জ্ঞান, পৰিচালনা আৰু জীৱনৰ আনন্দক প্রাপ্ত কৰিব নোৱাৰে"। সত্ত্বাসমূহ চিন্তা, ইচ্ছা, সংবেদন, কর্ম আদিৰ অজ্ঞ, জগতৰ প্রতি থকা প্রশ্নসমূহৰ প্রত্যেক দিশতে ভূল নাইবা অসম্পূর্ণ প্রতিক্রিয়া ব্যক্ত কৰে, বিভ্রান্তিত বিচলিত হয় আৰু সুখ-দুখ, ইচ্ছা-আকাংক্ষা আদিতো হাবাথুৰি খায়। ইয়ে হৈছে সপ্তম ব্যৱহাৰিক অজ্ঞানতা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ 'সৎচ্চিদানন্দ' শব্দটোৰ আক্ষৰিক অর্থ কি ?

(What is the literal meaning of the word Sachchidananda)

প্রশ্ন ২ ঃ শ্রী অৰবিন্দৰ মতে সৃষ্টি কি ?

(What is creation according to Sri Aurobindo ?)

প্রশ্ন ৩ ঃ অৰবিন্দই আগবঢ়োৱা 'মায়া' ৰ দুটা উপায় কি কি ?

(What are the two ways of understanding 'Maya' given by Aurobindo ?)

প্রশ্ন ৪ ঃ 'জ্ঞান আৰু অজ্ঞানতা উভয়ে ইটোৰ লগত সিটো অৱশ্যম্ভী ভাৱে বিৰোধী নহয়, ৰৱঞ্চ পৰিপূৰকহে'— কথাযাৰ সঁচা নে ? (অৰবিন্দৰ সন্দর্ভত)।

("Knowledge and ignorance are not essestially oppossed to each other, but complementary ....." Is this statement true ? (Aurobindo)

প্রশ্ন ৫ ঃ শ্রী অৰবিন্দই উল্লেখ কৰা সাতটা অজ্ঞানতা কি কি ?

(What are the seven kinds of ignorance mentioned by Sri Aurobindo?)

সৃষ্টিৰ দ্বিতীয়টো প্রক্রিয়া হৈছে উর্দ্ধগমন নাইবা ক্রমবিকাশ নাইবা ক্রমবিবর্তন। আহঁক আমি এই সম্পর্কে আলোচনা কৰোঁ —

৮.৫ ক্রমবিকাশৰ মতবাদ

ক্রমবিকাশ বা ক্রমবিবর্তন হৈছে শ্রী অৰবিন্দৰ দর্শনৰ আত্মা। তেওঁৰ ক্রমবিবর্ত্তনবাদ মতবাদটো প্রধান আধাৰ, যাৰ চাৰিওফালে শ্রী অৰবিন্দৰ সমগ্র দর্শনে প্রদক্ষিণ কৰে। ক্রমবিবর্ত্তন হৈছে এক ধাৰা যি উদঘাটন আৰু সৃষ্টিৰ ধাৰণৰ বিপৰীত। জড়, জীৱন আৰু মনত আত্মাৰ অধোগমনৰ হেতু এইবোৰে আত্মাৰ উচ্চতম ক্ষেত্রত উর্দ্ধগমন কৰিব পাৰে। সৃষ্টিত আত্মাই নিজকে জড়, জীৱন আৰু মনৰ মাজত জড়িত কৰে। ফলস্বৰূপে, জড়, জীৱন আৰু মনে সিহঁতৰ উৎসৰ পৰা উদ্ভৱ হ'বলৈ এক আবেগৰ অনুভৱ কৰে। সেয়ে এই কথা ক'ব পৰা যায় যে ক্রমবিকাশ "is a sort of home-sickness of the spirit" আত্মাই জড়ৰ আটাইতকৈ নিম্নতম কনালৈ অধোগমন কৰে আৰু সেই কাৰণে জড়ই নিজতকৈ উচ্চতম কিবা অর্থাৎ মনলৈ বিকশিত হ'বলৈ ইচ্ছা কৰে। ঠিক সেইদৰে মনত আত্মাৰো এক অধোগমন আছে। এইদৰে মনেও নিজতকৈ উচ্চতম কিবা এটালৈ অধোগমন কৰিবই লাগিব, সি হৈছে অতিমন (Supermind)। কিন্তু ক্রমবিবর্ত্তন মনৰ সৈতে থমকি ৰ'ব নোৱাৰে, কিয়নো মন ইয়াৰ শেষ শব্দ নহয়। ই আগলৈ আৰু ওপৰলৈ গতি কৰিবই। শ্রী অৰবিন্দৰ দর্শনত ইয়ে হৈছে ক্রমবিবর্ত্তনবাদৰ আটাইতকৈ আশাবাদী যোজনা।

শ্রী অৰবিন্দৰ মতে ক্রমবিবর্ত্তন চেতনাৰ শক্তি বর্ধনৰ বাদে আন একো নহয়। ইয়াৰ নিজস্ব বৈশিষ্ট্যসূচক স্বভাৱ আছে, যিয়ে ক্রমবিবর্ত্তনৰ আন সকলো আকাৰক বুজায়। ক্রমবিবর্ত্তনৰ স্বৰূপক পুনাবৃত্তিমূলক (Repetitive) নাইবা আকস্মিক (Emergent) হিচাপে নাইবা যান্ত্রিক বা উদ্দেশ্যমূলক (Leleological) হিচাপে ধাৰণ কৰা হয়। ক্রমবিকাশৰ পুনৰাবৃত্তিমূলক মতবাদে পৰামর্শ আগবঢ়ায় যে ক্রমবিকাশ সময়ত হোৱা এক প্রক্রিয়া যিয়ে কম নাইবা বেছি, নাইবা আকাৰৰ সদৃশ প্রকাৰসমূহৰক নিঃসৃত কৰে। একে ধৰণৰ সত্ত্বাৰ প্রকাৰক ব্যক্ত কৰিবলৈ ক্রমবিকাশৰ প্রক্রিয়াটো বর্ত্তি থাকে। অর্থাৎ ইয়াত অস্তিত্বৰ সত্ত্বাৰ সদৃশ প্রকাৰবোৰৰ পুনৰাবৃত্তি ঘটে। আকৌ, আকস্মিক ক্রমবিকাশ বাদে বিশ্বাস কৰে যে ক্রমবিকাশৰ প্রতিটো স্তৰতে নতুন কিবা এটাৰ উদ্ভৱ হয়। ক্রমবিকাশৰ যান্ত্রিক মতবাদে অগ্রবর্তী চর্তসমূহৰ পৰিপ্রেক্ষিতত সকলো বস্তু বা বিষয়কে ব্যাখ্যা কৰিবলৈ প্রচেষ্টা কৰে। আনহাতে, উদ্দেশ্যমূলক মদবাদে সকলোকে কিছুমান লক্ষ্য নাইবা উদ্দেশ্যৰ সৈতে সম্বন্ধীত কৰায়, যাক ক্রমবিকাশমূলক প্রক্রিয়াই উপলব্ধি কৰিবলৈ চেষ্টা কৰে। আৰু শ্রী অৰবিন্দৰ ক্রমবিকাশৰ অখণ্ড মতবাদটোৱে এই সকলো প্রাসঙ্গিক বৈশিষ্ট্যকে বুজায়।

শ্রী অৰবিন্দৰ দর্শনত ক্রমবিকাশৰ মতবাদটো হৈছে এক ত্রিগুণাত্মক প্রক্রিয়া, যিয়ে বিস্তীর্নকৰণ (Widening), বর্দ্ধিতকৰণ (Highteving) আৰু একত্রীকৰণ (Integration) ৰ প্রক্রিয়াক অন্তর্ভুক্ত কৰে। এইবোৰ হৈছে —

(ক) প্রথম উৎপাদক (Factor) টো হৈছে বিস্তীর্নকৰণ এই বিস্তীর্নকৰণ প্রক্রিয়াই প্রত্যেক নতুন উপাদান নাইবা নীতিৰ ক্রিয়াকলাপৰ বাবে পৰিসৰক যোগান ধৰাক নির্দ্দেশ কৰে।

(খ) বর্ধিতকৰণ প্রক্রিয়াই ঊর্দ্ধগমণৰ এক প্রক্রিয়াক বুজায়। ই ঊর্দ্ধগমন কৰে মান বা শ্রেণীৰ পৰা আন এক মান বা শ্রেণীলৈ (Grade to grade), স্তৰৰ পৰা স্তৰলৈ (Level to level) ক্রমবিকাশৰ প্রক্রিয়াত নিম্ন মানৰ পৰা উচ্চমানলৈ যোৱাৰ এক গতি আছে।

(গ) গুৰুত্বপূর্ণ উৎপাদনটো হ'ল একত্রিকৰণৰ প্রক্রিয়া। একত্রিকৰণৰ অর্থ হৈছে যেতিয়াই সকলো প্রাৰম্ভিক মান বা শ্রেণী এক উচ্চতম শ্রেণীত উপস্থিত হয়, তেতিয়া ই নিজৰ মাজত সকলোকে সামৰি লয় আৰু সিহঁতক ৰূপান্তৰ কৰে। ক্রমবিকাশৰ প্রক্রিয়াটোত, উচ্চতম মান লাভ কৰাটোয়ে নিম্নমানৰ বাতিলকৰণক নুবুজায়। ইয়াৰ পৰিবর্তে ইহঁত অপৰিবর্তিত হৈয়ে ৰয়। সেইবাবে একত্রিতকৰণে নিম্ন নীতিলৈ উচ্চতৰ নীতিবোৰৰ এক অধোগমণকেহে সূচায়।

ক্রমবিকাশৰ সমগ্র শৃংখলাক দুটা গোলার্ধত ভাগ কৰা হৈছে। উচ্চতৰটো অস্তিত্ব, চেতনা শক্তি, সুখ আৰু অতি মনৰ দ্বাৰা সংগঠিত। নিম্নটো জড় জীৱন আৰু মনৰ দ্বাৰা সংগঠিত। অৰবিন্দই এই সাৰটোক (7) সত্ত্বাৰ ভাৰসাম্যতা হিচাপে ধাৰণা কৰিছে। এই কেইটাক পৰমসত্ত্বা জড়লৈ অধোন্নিত হোৱাৰ ক্রমবিকাশৰ খোজৰ এক ঊর্দ্ধগমনৰ শৃংখল হিচাপেও ধৰা যায়। অৰবিন্দই এইবোৰক পৰমসত্ত্বাৰ সাতোঁটা তন্ত্রী (Chord) আখ্যা দিছে।

মানৱ সত্ত্বাই প্রথম তিনিটা জড়, জীৱন আৰু মনক স্পষ্ট ৰূপত ধাৰণ কৰে। কিন্তু প্রত্যেক মানুহৰে এক আভ্যন্তৰীণ আৰু পালনকাৰী আধ্যাত্মিক সত্ত্বাও আছে, যাক কোৱা হয় আত্মা। গতিকে এই সাতোঁটাৰ লগত আত্মাক যোগ কৰি আমি পৰমসত্ত্বাৰ আঠটা দিশ পাওঁ। এইবোৰক সুবিধানুযায়ী দুটা শাৰীত সজোৱা হৈছে —

অস্তিত্ব	জড়
চেতনা-শক্তি	জীৱন
সুখ	ভৌতিক
অতিমন	মন

বাওঁহাতৰ শাৰীটোৱে জগতত আত্মাৰ অধোগমণক বুজাইছে আৰু সোঁহাতৰ শাৰীটোৱে নির্দেশ কৰিছে আত্মাৰ প্রতি ব্যক্তিসত্ত্বাৰ ঊর্দ্ধগমণ। ক্রমবিকাশ প্রক্রিয়াৰ প্রথম নীতি হৈছে জড়। মন আৰু জীৱন আত্মাত উদ্ভৱ হয়। মন আৰু জীৱনৰ নীতিৰ উদ্ভৱৰ দ্বাৰা সত্য চেতনাত আত্মাৰ মুক্তি লাভ কৰিব নোৱাৰি। এই দুটা নীতিয়ে জড়ৰ স্বৰূপ আৰু কামৰ পৰিবর্ত্তন ঘটায়। কিন্তু এই দুয়োটাও জড়ৰ দ্বাৰা পৰিবর্ত্তিত আৰু পৰিনিত হয়। মূল সৃজনাত্মক শক্তি বস্তুগতও নহয়,অত্যাৱশ্যকীয়ও নহয় নাইবা মানসিকও নহয়, ৰৰঞ্চ স্বভাৱত অতি-প্রাকৃতিক। ই হৈছে আত্মাৰ শক্তি। সেয়ে জড়ৰ এক অখণ্ড আৰু পূর্ণ ৰূপান্তৰ পোৱাৰ উদ্দেশ্যে পৰাবোধমূলক নীতিৰ উদ্ভৱ হ'বই লাগিব।

জড়ৰ পৰা মনলৈ হোৱা ক্রমবিকাশৰ স্বৰূপ হৈছে অজ্ঞনতাৰ জৰিয়তে হোৱা এক ক্রমবিকাশ। পৰাবোধমূলক (Supermental) মর্য্যদা পাবলৈ ক্রমবিকাশ ওপৰলৈ অগ্রসৰ হ'বই লাগিব। ইয়াক পাব পৰা যায় কেৱল তেতিয়া যেতিয়া 'অতিমন' বা 'পৰামন' (Supermind) পার্থিৱ চেতনালৈ অধোন্নিত হয়।

ক্রমবিকাশৰ জৰিয়তে একমাত্র বৈজ্ঞানিক ভাৱে বর্ণনা কৰা হোৱা নাই, যিহেতু আমি নিজে নিজকে ইয়াৰ মাজত অন্তর্ভুক্ত কৰি ৰাখো আৰু ক্রমবিকাশৰ দ্বিতীয়টো স্তৰে আমাক আধ্যাত্মিক জগতলৈ লৈ যায়। আমাৰ চেষ্টাৰ বলতো আসন্ন আধ্যাত্মিক পৰিৱর্তণৰ এই প্রক্রিয়াক আমি সহজসাধ্য কৰি তুলবি পাৰো। আমি আমাৰ নিজ প্রচেষ্টাৰ দ্বাৰা মানসিক স্তৰত উপনীত হ'ব পাৰো আৰু মানসিক ৰূপক উচ্চতৰ আকাৰ বা ৰূপ 'পৰাবোধমূলক' লৈ ৰূপান্তৰ

কৰিবলৈ সংগ্ৰাম কৰোঁ। সেইকাৰণে অৰবিন্দৰ ক্ৰমবিবৰ্ত্তণৰ মতবাদটো জাগতিক ক্ৰমবিকাশৰ বৰ্ণনাৰ লগতে ব্যক্তিৰো ক্ৰমবিকাশ। বাস্তৱত তেওঁ, স্বীকাৰ, কৰিছিল যে ব্যক্তি এক প্ৰকাৰৰ মাধ্যম, যাৰ জৰিয়তে আত্মাই তাৰ সত্বাক প্ৰকাশ আৰু উন্মুক্ত কৰে। সেয়ে ক'ব পৰা যায় যে ক্ৰমবিকাশৰ অখণ্ড মতবাদে ব্যক্তিসত্ত্বাৰ ক্ৰমবিকাশৰ মৌলিক বৈশিষ্ট্যসমূহৰো ব্যাখ্যা দিবলৈ প্ৰয়াস কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ শ্ৰী অৰবিন্দৰ মতে ক্ৰমবিকাশ মানে কি? চমুকৈ ব্যাখ্যা কৰক।
(What is evolution according to Sri Aurobindo? Write briefly.)

প্ৰশ্ন ৭ ঃ শ্ৰী অৰবিন্দৰ দৰ্শনত ক্ৰমবিকাশ মতবাদ ত্ৰিগুণাত্মক প্ৰক্ৰিয়া' — সেই ত্ৰিগুণাত্মক প্ৰক্ৰিয়া কেইটা কি কি উল্লেখ কৰক ?
("In the Philosophy of Aurobindo the theory of evalution is a tripple process." - What are the tripple process? Mention)

প্ৰশ্ন ৮ ঃ শ্ৰী অৰবিন্দই ক্ৰমবিকাশৰ শৃংখলাটোক কি কি দুটা গোলার্ধত বিভক্ত কৰিছে? চমুকৈ উল্লেখ কৰক।
(What are the hemisperes into which Aurobindo divided the chain of evo lution? Mention briefly)

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শ্ৰী অৰবিন্দৰ ক্ৰমবিকাশৰ মতবাদটো সমসাময়িক ভাৰতীয় চিন্তাধাৰাৰ এক অপৰিহাৰ্য্য অংগ।
- ক্ৰমবিকাশৰ মতবাদ গ্ৰীক দাৰ্শনিক প্লেটৰ দৰ্শনতো পোৱা যায়। কিন্তু প্লেটৰ মতবাদ অৰবিন্দৰ মতবাদৰ পৰা পৃথক।
- ক্ৰমবিকাশৰ গ্ৰীক ধাৰণাতো আধ্যাত্মিক দৃষ্টিকোণ আছে কিন্তু ই ব্যক্তিসত্ত্বা বিষয়ক আৰু স্থিৰ নহয়। চেতনাৰ দৃষ্টিকোণৰ পৰাও অভিগমণৰ প্ৰতিষ্ঠা ইয়াত কৰা হোৱা নাই।
- শ্ৰী অৰবিন্দৰ দৰ্শনত চেতনাৰ বিভিন্ন মানৰ পৰা সৰ্বশ্ৰেষ্ঠ সত্তা, 'আত্মা' ক আলোচনা কৰা হৈছে।
- তেওঁৰ দৰ্শনত সৰ্বশ্ৰেষ্ঠ চেতনা হৈছে সৎচ্চিদানন্দ। ই হৈছে সৎ (Existence), Chit (Consciousness) আৰু আনন্দ (Bliss) ৰ সমাহাৰ।
- অৰবিন্দৰ দৰ্শনত এই সৰ্বশ্ৰেষ্ঠ সত্বাক ধাৰণ কৰা হয় যেতিয়া সৃষ্টি ধাৰণাৰ উদয় হয়। সৃষ্টি ক্ৰমবিকাশ আৰু উদঘাটনৰ প্ৰক্ৰিয়া। ই আনন্দৰ এক প্ৰক্ৰিয়াৰ বাদে আন একো নহয়। যেতিয়া এই আনন্দ সৎচ্চিদানন্দৰ সৈতে জড়িত হয় তাক কোৱা হয় লীলা (Lila)।
- অৰবিন্দৰ মতে সৃষ্টি এক লীলা। সমগ্ৰ সৃষ্টি এক খেল।
- তেওঁৰ দৰ্শনত অজ্ঞানতা বা অবিদ্যা (Ignorance) য়ে এক গুৰুত্বপূৰ্ণ ঠাই দখল কৰিছে। অজ্ঞানতা জ্ঞানত বিৰুদ্ধ নহয়। ইহঁত দুয়ো সত্তাৰ দুটা ভিন্ন সমন্বয়পূৰ্ণ দিশ।

- শ্রী অৰবিন্দৰ দর্শনত সাত প্রকাৰৰ অজ্ঞানতাক দেখিবলৈ পোৱা যায়। মূল বা প্রাৰম্ভিক অজ্ঞানতা, জাগতিক অজ্ঞানতা, অহংবাদী অজ্ঞানতা, ক্ষণস্থায়ী অজ্ঞানতা, মানসিক অজ্ঞানতা, আন্তৰিক বা সাংগঠনিক অজ্ঞানতা আৰু ব্যৱহাৰিক অজ্ঞানতা।
- শ্রী অৰবিন্দই ক্রমবিকাশৰ মতবাদক দুটা গোলার্ধত আলোচনা কৰিছে — নিম্ন গোলার্ধ আৰু উচ্চ গোলার্ধ। তেওঁৰ দর্শনত ক্রমবিকাশৰ মতবাদক জাগতিক আৰু ব্যক্তিসম্বন্ধীয় ক্রমবিকাশ উভয়ৰে বর্ণনা হিচাপে বুজা যায়।

৮.৭ অধিক জানিবলৈ

1. Aurobindo, Sri: The Human Cycle, Pondichery, 1949
2. Foundation of Indian Culture, The Sri Aurobindo Library, New York,1953
3. Choudhury, Haridas, (ed). The Integral Philosophy of Aurobindo, George Allen and Unwin Ltd. London, 1960
4. Das, Adhar Chandra. Sri Aurobindo and the Future of Maulcind, Calcutta University, 1934.
5. Das, Jutika. Karl Jaspers and New-Advaitism, Anwesha Publication, Panbazar, Assam, 2010.
6. Dutta, D.M. The Chief Currents of Contemparary Philosophy (of Europe, America, India and Japan) 1972.
7. Lal, B.K. Contemparary Indian Philosophy, Matilal Bararassidass Delhi, 1973.
8. Langlay, G.H. Sri Aurobindo, Indian Poet, Philosopher, Mystic, David Marlow Ltd. 1949.
9. Naravane, V.S. Modern Indian Thought - A Philosophical survey, Asia Publishing House, Bombay, 1964
10. Purani, A.B. Sri Aurobindo, some Aspects of his Vision, Bharatiya Vidya Bhavan, Bombay, 1966.
11. Reddy, V. Madhusudan, Sri Aurobindo An Interpretation, Ed. by V.C. Joshi. Vikash Publishing House Pvt. Ltd. Delhi. 1973.

৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'সৎচ্চিদানন্দ' শব্দৰ আক্ষৰিক অর্থ হৈছে 'সৎ' মানে অস্তিত্ব 'চিৎ' মানে চেতনা আৰু 'আনন্দ' মানে উলাহ।

২ নং প্রশ্নৰ উত্তৰ ঃ শ্রী অৰবিন্দৰ মতে, সৃষ্টি হৈছে আনন্দৰ অভিব্যক্তি। উল্লাস সৃষ্টিৰ গোপনীয়, যি জন্ম আৰু মৃত্যুৰো কাৰণ।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) ই- এক শক্তি, সাংগঠনিক আৰু সৃজনাত্মক
(খ) ভ্রম নাইবা মিছা ভাৱনা প্রস্তুতকাৰী কল -কৌশল।

৪ নং প্রশ্নৰ উত্তৰ ঃ সঁচা। (True)

৫ নং প্রশ্নৰ উত্তৰ ঃ (ক) মূল বা প্রাৰম্ভিক অজ্ঞানতা

(খ) জাগতিক অজ্ঞানতা

(গ) অহংবাদী অজ্ঞানতা

(ঘ) ক্ষণস্থায়ী অজ্ঞানতা

(ঙ) মানসিক অজ্ঞানতা

(চ) আভ্যন্তৰীণ বা সাংগঠনিক অজ্ঞানতা

(ছ) ব্যৱহাৰিক অজ্ঞানতা।

৬ নং প্রশ্নৰ উত্তৰ ঃ শ্রী অৰবিন্দৰ মতে, ক্রমবিকাশ চেতনাৰ শক্তি বর্ধনৰ বাদে আন একো নহয়। ই হৈছে সৃষ্টি নাইবা উদঘাটনৰ বিপৰীত। আত্মাই সৃষ্টিত নিজকে জড়, জীৱন আৰু মনৰ লগত জড়িত কৰায়।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) বিস্তীর্ণকৰণৰ প্রক্রিয়া আৰু

(খ) বর্ধনৰ প্রক্রিয়া

(গ) একত্রীকৰণৰ প্রক্রিয়া

৮ নং প্রশ্নৰ উত্তৰ ঃ (ক) নিম্ন গোলার্ধ আৰু

(খ) উচ্চ গোলার্ধ।

? ৮.৯ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ অৰবিন্দৰ দর্শনৰ মূল লক্ষ্য কি ?

প্রশ্ন ২ ঃ অৰবিন্দৰ দর্শন এক অখণ্ড ভাৱবাদ হয়নে ?

প্রশ্ন ৩ ঃ গ্রীক দার্শনিকসকল ক্রমবিকাশৰ মতবাদৰ লগত জড়িত হয়নে ?

প্রশ্ন ৪ ঃ 'লীলা' বুলিলে কি বুজে ?

প্রশ্ন ৫ ঃ 'সৎচ্চিদানন্দ' এক ত্রয়াত্মক নীতিৰ সমাহাৰ হয়নে ?

প্রশ্ন ৬ ঃ ক্রমবিকাশৰ দুটা গোলার্ধ কি কি ?

প্রশ্ন ৭ ঃ 'মায়া' ৰ দুটা অর্থ কি কি ?

(খ) চমু প্রশ্ন (প্রায় 150 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ চমুটোকা লিখক ।

(ক) সৃষ্টিৰ মতবাদ

(খ) উদঘাটনৰ মতবাদ

প্রশ্ন ২ ঃ অজ্ঞানতাৰ সাতটা স্তৰৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ 'মায়া' ৰ ওপৰত এটি চমুটোকা যুগুত কৰক।

প্রশ্ন ৪ ঃ সত্ত্বাৰ সাতটা তত্ত্ব কি ? চমু ব্যাখ্যা কৰক।

(গ) দীঘল প্রশ্ন (প্রায় 300-500 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন **১** ঃ মায়া আৰু সৎচ্চিদানন্দৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

প্রশ্ন **২** ঃ ক্রমবিকাশ মতবাদক বহলাই আলোচনা কৰক।

*** **** ***

অধ্যায় ৯ ঃ কে. চি. ভট্টাচার্য ঃ দর্শনৰ ধাৰণা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ দর্শনৰ ধাৰণা
৯.৪ চেতনাৰ স্তৰ
৯.৫ দর্শনৰ বিভাগ
৯.৬ বিষয় আৰু স্বাধীনতাৰ উপলব্ধিকৰণ
৯.৬.১ শাৰীৰিক বিষয়নিষ্ঠতা
৯.৬.২ মনস্তাত্বিক বিষয়নিষ্ঠতা
৯.৬.৩ আধ্যাত্মিক বিষয়নিষ্ঠতা
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্রগতিৰ খতিয়ান
৯.১০ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কে.চি. ভট্টাচার্য্যৰ দর্শনৰ ধাৰণা সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- দর্শনৰ বিভাগ সম্পর্কে আলোচনা কৰিব পাৰিব
- তাত্বিক চেতনাৰ চাৰিটা স্তৰক ব্যাখ্যা কৰিব পাৰিব
- 'বিষয়েই স্বাধীনতা'ৰ ধাৰণাতো আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

কে. চি. ভট্টাচার্য্য (১৮৭৫-১৯৪৯) ভাৰতবর্ষত বিংশ শতিকাৰ আটাইতকৈ বিখ্যাত বা প্রধান দার্শনিক। তেওঁৰ দর্শনৰ ধাৰণাত বহুতো কথাৰ প্রভাৱ দেখিবলৈ পোৱা যায় যেনে দার্শনিক বিষয়বস্তুবোৰৰ বিশ্লেষণ, প্রতিভাস বিজ্ঞানীসকলৰ পদ্ধতি লগত সাদৃশ্য থকা তেওঁ ব্যৱহাৰ কৰা এক পদ্ধতি, চেতনা সম্পর্কে তেওঁৰ বিশেষ ধাৰণা ইত্যাদি। এক উচ্চ মানৰ কল্পনা আৰু অন্তদৃষ্টি সহায়েৰে এক সুদৃঢ় বিশ্লেষণাত্মক প্রজ্ঞা আছিল। যদিও ভট্টাচার্য্যৰ

এক গভীৰ প্ৰজ্ঞাত্মক/বৌদ্ধিক ভিত্তি আছিল, সেয়েহে তেওঁৰ ব্যাখ্যাসমূহ তেওঁৰ প্ৰকৃত চিন্তাৰ এক প্ৰকাশ হিচাপে দেখা পোৱা যাব। তেওঁৰ দাৰ্শনিক আলোচনাসমূহ বৰ বিশ্লেষণাত্মক, কিন্তু বিমূৰ্ত। ভট্টাচাৰ্য্যৰ দৰ্শনৰ গুৰি বা ভিত্তি আছিল প্ৰাচীন ভাৰতীয় দৰ্শনত বিশেষকৈ অদ্বৈত বেদান্ত, সাংখ্য, যোগ আৰু জৈন দৰ্শনত কিন্তু তেওঁ পাশ্চাত্য দৰ্শনৰ ভাৱধাৰা সমূহ যেনে কাণ্ট আৰু হোৱাহেডৰ দৰ্শনক লগ লগাইছিল বা তাৰ সম্বন্বয় ঘটাইছিল। যদিও কে. চি. ভট্টাচাৰ্য্যৰ লিখনিসমূহে কেনেকৈ তাকৰ সেয়েহে তেওঁৰ বৰ সংক্ষেপ আৰু গভীৰ লিখনিৰ ধৰণবোৰৰ বাবে সাধাৰণ মানুহৰ পক্ষে বুজা কঠিন হৈ পৰিছিল। ভট্টাচাৰ্য্যৰ দৰ্শন চিন্তাৰ এক জীৱন্ত ৰচনা য'ত নতুন বিষয় সংযোজিত কৰা হয়, কিন্তু সেইবোৰ অপক্ক নহয় বৰঞ্চ সেইবোৰক অৰ্থৰ দ্বাৰা নতুন ভাঙনি কৰা হৈছে, আৰু ইয়াত একেটা ৰূপেই পিছলৈ একেবাৰে বেলেগ হৈ পৰে যেতিয়া ই এক বৌদ্ধিক মূল শক্তিৰ আধাৰত/ছত্ৰছায়াত বিকশিত হয়। দৰ্শন হ'ল এক তাত্ত্বিক চিন্তা যি প্ৰকৃত জ্ঞানো নহয় নাইবা এক আক্ষৰিক/প্ৰকৃত চিন্তাও নহয়। দৰ্শনে বস্তুসমূহৰ আত্ম-নিৰ্বাহ/স্ব-নিৰ্বাহৰ ওপৰত বৰ্তি থাকে। ই প্ৰকৃত সত্যৰ লগত জড়িত নহয় যি এক সত্তাৰ/বিষয়ৰ সজাগতা যাক প্ৰত্যক্ষ কৰিবও নোৱাৰো বা তাক প্ৰত্যক্ষ হ'বৰ বাবে যাক কল্পনা কৰিবও নোৱাৰি। দৰ্শনে স্ব-নিৰ্বাহী বস্তুৰ লগত জড়িত হৈ থাকে, প্ৰকৃত বস্তু আৰু প্ৰকৃত সত্তা। দৰ্শনৰ বিষয়বস্তুবোৰ শুদ্ধ বস্তুনিষ্ঠ বা ধৈর্য্য চিন্তা, আধ্যাত্মিক চিন্তা আৰু অতীন্দ্ৰিয় চিন্তা। দৰ্শনৰ বিষয়বস্তুসমূহ প্ৰকৃত অৰ্থত অভিজ্ঞতামূলক জ্ঞানৰ দৰে চিন্তনীয় নহয়। সেয়েহে, দাৰ্শনিক চিন্তাসমূহ প্ৰকৃত নহয়, প্ৰতীকাত্মক হে। দৰ্শনে প্ৰতীকাত্মক চিন্তাৰ ব্যাখ্যা আগবঢ়ায়, প্ৰকৃত জ্ঞান নাইবা প্ৰকৃত চিন্তাৰ নহয়। ই কেৱল সেইবোৰ বিষয়বস্তুৰ লগতহে জড়িত হৈ থাকে যিবোৰ প্ৰতীকাত্মক চিন্তাৰ লগত একে, বা যিবোৰক বিশ্বাসেৰে সঁচা বুলি ধ্যান বা গণ্য কৰা হয় যিয়ে পৰম সত্যৰ জ্ঞান প্ৰদান কৰিব। কিবা প্ৰকাশ কৰাৰ অৰ্থই হ'ল বিশ্বাস গঠন কৰা। ক'ব পৰা যোগ্যতাৰ কথাসমূহৰ কোনো অৰ্থবহ বিষয়বস্তু নাথাকে, ইয়াক কেৱল বিশ্বাস কৰা হয়। চক্ৰাকাৰ বৃত্ত, আকাশী পদ্ম, কাঠবাজী তিৰোতাৰ পুত্ৰ, শহাপহুৰ সিং ইত্যাদি বস্তুসমূহ বিশ্বাসো কৰিব নোৱাৰি নাইবা অবিশ্বাসো কৰিব নোৱাৰি। এইবোৰৰ আনকি ক'ব পৰা বিষয়বস্তুও নাই। সেয়েহে, এইবোৰ দাৰ্শনিক অধ্যয়নৰ ক্ষেত্ৰৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব নোৱাৰে।

৯.৩ দৰ্শনৰ ধাৰণা

কে. চি. ভট্টাচাৰ্য্যই তেওঁৰ দৰ্শনত এনে এক শুদ্ধ স্ব-নিৰ্বাহী বস্তুৰ লগত জড়িত হৈ আছে যাৰ কোনো দিশ-কালযুক্ত অস্তিত্ব নাই। তেওঁৰ বাবে, দৰ্শনে স্ব-নিৰ্বাহী বস্তুৰ ধাৰণাক ব্যাখ্যা কৰে। দৰ্শনত, বস্তুৱে বিষয়বস্তুৰ লগত এক প্ৰয়োজনীয় সম্পৰ্ক বজাই ৰাখে যাক বিজ্ঞানৰ ক্ষেত্ৰত বিচাৰি পোৱা নাযায়। কে. চি. ভট্টাচাৰ্য্যৰ মতে, দৰ্শন হ'ল এক তাত্ত্বিক চিন্তা। ই বস্তুৰ লগত কেৱল সত্তা হিচাপে নহয় বৰং স্ব-নিৰ্বাহী সত্তা বা প্ৰকৃত সত্তা হিচাপে জড়িত হয়। ই বিজ্ঞানৰ দৰে সত্তাৰ লগত জড়িত নহয়। দৰ্শনে প্ৰকৃত সত্তা বা বস্তুৰ সম্পত্তি বা গুণ সম্পৰ্কে অধ্যয়ন নকৰে যিবোৰ জ্ঞেয় প্ৰকৃত সত্তা বা বস্তুৰ সম্পত্তি বা গুণ সম্পৰ্কে অধ্যয়ন নকৰে যিবোৰ জ্ঞেয় বা যাক ব্যৱহাৰ কৰিব পৰা যায়। এইদৰে, ভট্টাচাৰ্য্যৰ মতে, দৰ্শনৰ বিষয়বস্তুসমূহ আক্ষৰিকভাৱে চিন্তা কৰিব পৰা বিধৰ নহয়। দাৰ্শনিক চিন্তাবোৰ প্ৰতীকাত্মক। দৰ্শন হৈছে তাত্ত্বিক চেতনা বা চিন্তাৰ প্ৰকাশ। এনেদৰে দাৰ্শনিক ধাৰণাবোৰ অতীন্দ্ৰিয় ধাৰণা যিবোৰ চেতনাৰ প্ৰতিফলিত মনোভাৱসমূহৰ পৰা আহে।

দর্শনৰ বিষয়বস্তু হৈছে এক ব্যৱস্থিত প্রতীকীবাদ। অধিবিদ্যামূলক বৌদ্ধিক চিন্তাবোৰ প্রতীকীবাদৰ ওপৰতে নির্ভৰশীল। ই প্রতীকাত্মক ধাৰণাবোৰৰ এক ব্যাখ্যা। কে. চি. ভট্টাচার্য্যই কৈছিল যে, "Metaphysics or more generally, philosophy including logic and epistenology, is not only not actual knowledge, but is not even literal thought; and yet its contents are contemplated as true in the faith that it is only by such contemplation that absolute truth can be known."

৯.৪ চেতনাৰ স্তৰ

বিজ্ঞান আৰু দর্শন উভয়েই তাত্ত্বিক চেতনাৰ প্রকাশ। তাত্ত্বিক চেতনা হ'ল মাত্র "বিশ্বাসযোগ্য বিষয়বস্তু" আৰু "অর্থবহ- বিষয়বস্তু" (meant-content) নহয়। ভট্টাচার্য্যৰ দর্শনৰ ধাৰণা তেওঁৰ চেতনাৰ স্তৰৰ লগত জড়িত। তেওঁৰ মতে দর্শন হৈছে তাত্ত্বিক চেতনাৰ প্রকাশ আৰু তাত্ত্বিক চেতনাক ইয়াৰ প্রকাশৰ পৰা আঁতৰত কল্পনা বা ভাবি লোৱা হয়। তাত্ত্বিক চেতনাৰ সকলোবোৰ প্রকাৰেই চিন্তা। ভট্টাচার্য্যৰ মতে চিন্তাৰ প্রকাৰ চাৰি ধৰণৰ আৰু সিহঁতক বা সেইবোৰক তাত্ত্বিক চেতনাৰ স্তৰ বুলি গণ্য কৰা হয়। সেইবোৰ হ'ল—

(ক) অভিজ্ঞতামূলক চিন্তা ঃ অভিজ্ঞতামূলক চিন্তা হ'ল বিজ্ঞানৰ চিন্তাৰ ক্ষেত্র। দর্শনে অভিজ্ঞতামূলক চিন্তাক অধ্যয়ন নকৰে। অভিজ্ঞতামূলক চিন্তাৰ সদায় এটা বস্তুনিষ্ঠ ভিত্তি থাকে। এই ভিত্তিত (reference) য়েই হ'ল এটা বিষয়বস্তুৰ লগত/সম্পর্কে থকা সজাগতা যাক হয়তো প্রত্যক্ষ কৰা হয় বা যাক হয়তো প্রত্যক্ষ কৰা হ'ব বুলি কল্পনা কৰা হয়। বিজ্ঞানে প্রকৃত সত্য, বিৱর্তন, বৈজ্ঞানিক অনুসন্ধানৰ ইত্যাদিৰ সৈতে জড়িত থাকে। বিজ্ঞানত, প্রকৃত সত্যক অধ্যয়ন কৰা হয়, য'ত বিষয় বা the 'Speaking fuaction'ৰ প্রতি কোনো ভিত্তি নাথাকে বা যাৰ বিষয়ে কোনো আলোচনা বা সংগতি নাথাকে। কিন্তু দর্শনত প্রত্যেকটো বস্তু/বিষয়েই বিষয়ৰ ভিত্তি বা আধাৰতেই অধ্যয়ন কৰা হয়।

(খ) শুদ্ধ বস্তুনিষ্ঠ চিন্তা ঃ তাত্ত্বিক চেতনাৰ এই স্তৰটোৰ বিষয়বস্তু হিচাপে ইয়াৰ শুদ্ধ বস্তুনিষ্ঠ চিন্তা থাকে। ইয়াত আমি এনে এক ভাৱনা বা চিন্তাৰ অধ্যয়ন কৰো য'ত/যিয়ে সদায় এক বস্তুক নির্দেশ কৰে। কিন্তু ভাৱনা বা চিন্তাৰ এই বিষয়বস্তুৰ ইন্দ্রিয়-প্রত্যক্ষৰ লগত কোনো ধৰণৰ প্রয়োজনীয় নির্দেশনা নাথাকে।

(গ) আধ্যাত্মিক চিন্তা ঃ তাত্ত্বিক চেতনাৰ এই তৃতীয় স্তৰটোৰ বিষয়বস্তু হিচাপে এক আধ্যাত্মিক চিন্তা থাকে। ইয়াৰ চিন্তা-ভাৱনা কৰিব পৰা কোনো বিষয় নাথাকে বস্তুনিষ্ঠত মনোভাৱৰ ফালৰ পৰা, ইয়াত বিষয়বস্তুটো বিষয়নিষ্ঠ মনোভাৱক দিশৰ পৰা চিন্তা কৰিব পৰা নাযায় বা ভাবিব পৰা নাযায় অর্থাৎ এটা উপভোগ্য চেতনা (an enjoying consciousaess) ইয়াত বস্তুনিষ্ঠ মনোভাৱ সম্পূর্ণভাৱে অনুপস্থিত হৈ থাকে। এই মনোভাৱখিনি এটা বিষয়নিষ্ঠ আত্ম-উপভোগ্য অভিজ্ঞতাৰ দ্বাৰা আঁতৰ কৰা হয় বা স্থলাভিষিক্তকৰণ কৰা হয়।

(ঘ) অতীন্দ্রিয় বা সর্বশ্রেষ্ঠ চিন্তা ঃ চতুর্থ স্তৰৰ তাত্ত্বিক চেতনাৰ বস্তু বা বিষয় হৈছে অতীন্দ্রিয় বা সর্বশ্রেষ্ঠ চিন্তা। এই চেতনাৰ কোনো ধৰণৰ বিষয়নিষ্ঠ নাইবা বস্তুনিষ্ঠ কোনো ধৰণৰ নির্দেশ নাথাকে, ই কোনো ধৰণে ইয়াৰ মাজৰ পার্থক্যসমূহক অতিক্রম কৰে। সেয়েহে, অতীন্দ্রিয় বা সর্বশ্রেষ্ঠ চিন্তাৰ বিষয়বস্তুবোৰ অতীন্দ্রিয় বা সর্বশ্রেষ্ঠ হয় আৰু তাক সত্য বুলি কোৱা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ বাক্যবোৰ সঁচা নে মিছা কোৱা ঃ

(ক) কে. চি. ভট্টাচার্য্যৰ দর্শন গভীৰভাৱে অদ্বৈত বেদান্ত দর্শন আৰু তাৰোপৰি কাণ্টৰ দর্শনৰ দ্বাৰা প্রভাৱিত। (সঁচা/মিছা)

(খ) কে. চি. ভট্টাচার্য্যৰ মতে তাত্ত্বিক চেতনাৰ তিনি প্রকাৰৰ স্তৰ আছে।

(গ) ভট্টাচার্য্যই কৈছিল যে দর্শন প্রথম স্তৰৰ তাত্ত্বিক চেতনা যেনে অভিজ্ঞতামূলক চিন্তাৰ লগত জড়িত। (সঁচা/মিছা)

প্রশ্ন নং ২ ঃ শুদ্ধ বস্তুনিষ্ঠ চিন্তা মানে কি ?

প্রশ্ন নং ৩ ঃ আধ্যাত্মিক চিন্তাৰ অর্থ কি ?

৯.৫ দর্শনৰ বিভাগ

চাৰি প্রকাৰৰ চিন্তাৰ মাজত অভিজ্ঞতামূলক চিন্তা হৈছে বিজ্ঞানৰ ক্ষেত্র, আনহাতে, শুদ্ধ বস্তুনিষ্ঠ, আধ্যাত্মিক আৰু অতীন্দ্রিয় চিন্তা হৈছে দর্শনৰ ক্ষেত্র। সেই মতে, আমাৰ দর্শনৰ তিনি প্রকাৰৰ বিভাগ আছে; বস্তুৰ দর্শন, অর্থাৎ অধিবিদ্যা আৰু তর্কবিজ্ঞান; বিষয়ৰ দর্শন; অর্থাৎ জ্ঞানবিদ্যা বা জ্ঞান-মীমাংসা; আৰু সত্যৰ দর্শন অর্থাৎ অতীন্দ্রিয় সত্তাৰ চেতনা।

(ক) বস্তুৰ দর্শন ঃ বিজ্ঞানে সেইবোৰ বস্তুৰ লগতহে জড়িত হয় যাক প্রকৃত সত্তা বুলি কোৱা হয় য'ত বিষয়ৰ প্রতি কোনো গুৰুত্ব নাথাকে। দর্শনৰ বিষয় স্ব-নির্বাহী, ইয়াৰ বিষয়ৰ লগত এটা প্রয়োজনীয় সম্পর্ক থাকে। অধিবিদ্যা হৈছে বস্তুৰ দর্শন। অধিবিদ্যাই বস্তুৰ প্রকৃত সম্পর্কে অনুসন্ধান কৰে। তর্কবিদ্যাৰ বিষয়বস্তু হ'ল বস্তুৰ প্রকাৰ। অধিবিদ্যাই বস্তুৰ স্ব-নির্বাহীতাৰ লগত জড়িত হয়, যাক বস্তুনিষ্ঠ মনোভাৱত গুৰুত্ব দিয়া হয়। আনহাতে তর্কবিদ্যা বা তর্কবিজ্ঞানে বস্তুৰ প্রকাৰৰ লগত সম্পর্ক থাকে বা তাৰ লগত জড়িত থাকে। অধিবিদ্যা আৰু তর্কবিদ্যা ইটো সিটোৰ ওপৰত স্বাভাৱিকভাৱেই নির্ভৰশীল। তর্ক-বৈজ্ঞানিক প্রকাৰবোৰে কিছুমান শুদ্ধ বস্তুক নির্দেশ কৰে। এই শুদ্ধ বস্তুবোৰক অধিবিদ্যাই যোগান ধৰে, যি প্রকৃতিগতভাৱে বস্তুনিষ্ঠ। তর্কবিদ্যা আৰু অধিবিদ্যাই হৈছে বস্তুৰ দর্শনৰ দুটা বিভাগ। বস্তুসমূহক ভালদৰে বুজিবলৈ বস্তু আৰু বিষয়ৰ মাজত তুলনা কৰাটো বৰ প্রয়োজনীয়। চেতনাৰ বিষয়নিষ্ঠ বা আধ্যাত্মিক স্তৰে বস্তু সম্পর্কে আমাক প্রকৃত জ্ঞান দিয়ে। তর্কবিদ্যা আৰু অধিবিদ্যাই দর্শন গঠন কৰে।

অধিবিদ্যাই স্ব-নির্বাহী বস্তু সম্পর্কে আলোচনা কৰে। সেয়েহে, বিষয়ৰ কোনো অধিবিদ্যা বা পৰাবিদ্যা সম্পর্কীয় আলোচনা নাথাকে। বস্তুনিষ্ঠ, বিষয়নিষ্ঠ আৰু অতীন্দ্রিয় চিন্তাবোৰৰ বিষয়বস্তুবোৰ স্ব-নির্বাহী। তথাকথিত চিন্তাৰ স্তৰবোৰৰ সঁচা অর্থত কথোপকথনৰ প্রকৃত স্তৰ। বিজ্ঞানত প্রকৃত সত্যবোৰ খবৰ হিচাপে বা জাননী হিচাপে জনা যায় আৰু কথোপকথনৰ প্রকাশ অবিহনে ইয়াক বুজা যায়। ইয়াকেই সেয়া বস্তু বুলি কোৱা হয় যাক বিশ্বাস

কৰিবৰ নিমিত্তে কোৱা নহয়। অভিজ্ঞতামূলক চিন্তাৰ বিষয়বস্তু সমূহৰ বিষয়ে আলোচনা বা কথোপকথন কৰাৰ দক্ষতাটো এক প্ৰকাৰৰ সম্ভৱপৰ চৰিত্ৰ, কিন্তু ই শুদ্ধ দাৰ্শনিক চিন্তাৰ বিষয়বস্তুৰ এক প্ৰয়োজনীয় চৰিত্ৰ।

বিজ্ঞানৰ দৰে দৰ্শনে বস্তুসমূহৰ বস্তুনিষ্ঠ অধ্যয়ন নকৰে। দৰ্শনৰ বস্তু/বিষয়বস্তু প্ৰকৃত নহয়; ই এনে এবিধ 'বস্তু'ও নহয় যাক জানিব পাৰি। ই বস্তুনিষ্ঠতাৰ বিষয়নিষ্ঠ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। বিজ্ঞানৰ সত্যবোৰ এনেকুৱা ধৰণৰ বিচাৰমূলক বাক্যত প্ৰকাশ কৰিব পাৰি যেনে 'A এনেদৰে 'B ৰ লগত সংযুক্ত হৈ আছে। কিন্তু দাৰ্শনিক বিচাৰৰ প্ৰকাৰবোৰ এনেকুৱা ধৰণৰ যেনে 'x হয়'। প্ৰকৃত সত্য সদায় প্ৰকৃত সত্যই হয় যি সম্পূৰ্ণ বা উচিত বিচাৰৰ প্ৰকৃত সত্যতাৰ লগত সম্বন্ধিত হৈ থাকে। দৰ্শনৰ বিচাৰমূলক বাক্যসমূহ অনুমতিপ্ৰাপ্ত বিচাৰ বাক্য হয় তাৰ প্ৰকাৰবোৰ এনে ধৰণৰ 'মই হয়' বা 'প্ৰকৃত সত্য হয়'। 'এইটো হয়' এই বিচাৰ বাক্যটোৱে কয় যে x স্ব-নিৰ্বাহী, প্ৰকৃত আৰু সত্য। ই আকৌ কয় যে বিষয়ে/উদ্দেশ্যই বিধেয়ক অনুমান বা আগতীয়াকৈ অনুমান কৰি লয়। শুদ্ধ বস্তুটো ধ্যান বা চিন্তাৰ দ্বাৰা উপভোগ কৰা হয়, যাৰ বিষয়টোৰ প্ৰতি এক প্ৰয়োজনীয় নিৰ্দেশ থাকে। সেয়েহে, কে. চি. ভট্টাচার্য্যই কৈছিল যে, 'Truth is only Symbolically spoken, reality is literally spoken as symbolized and the self-subsistent is literally spoken as meant None of these are spoken of as information, which fact is spoken of as information."

(খ) বিষয়ৰ দৰ্শন বা আত্মাৰ দৰ্শন ঃ অধিবিদ্যামূলক চিন্তামূলক হ'ল বিষয়ৰ লগত সম্পৰ্ক থকা প্ৰতীকাত্মক ধাৰণাসমূহৰ এক ব্যৱস্থিত প্ৰকাশ। তৰ্কবিদ্যাই শুদ্ধ প্ৰকাৰৰ লগত সম্বন্ধিত, যিয়ে অধিবিদ্যাৰ বিষয়বস্তু গঠন কৰে। এনেদৰে তৰ্কবিজ্ঞানে অধিবিদ্যাক আগতীয়াকৈ অনুমান কৰি লয়। তৰ্কবিজ্ঞানে অধিবিদ্যাৰ বিষয়বস্তুবোৰক প্ৰতীকৰ সহায়ত প্ৰকাশ কৰে। অধিবিদ্যামূলক ধাৰণাসমূহ স্ব-নিৰ্বাহীত। এনেদৰে সেইবোৰ কেৱল সেই বিষয়বস্তুৰ প্ৰতীকহে যিবোৰক বিশ্বাসযোগ্য বুলি উপভোগ কৰা হয়। উপভোগ্য বুলি বুজি উঠা বিষয়বস্তু আত্মাৰ দৰ্শনৰ বিষয়বস্তু হ'ব।

উপভোগ্য চেতনাৰ সদায় 'মই'ৰ প্ৰতি এটাৰ 'মই'ৰ উল্লেখ থাকে। 'মই' বিষয়টোৰ অভিজ্ঞতা কেতিয়াও আমালৈ সাধাৰণ চেতনাৰ দ্বাৰা নাহে। 'উপভোগ্য' বুজা পৰাই হৈছে অন্তৰ্দৃষ্টি। ইয়াৰ তিনি প্ৰকাৰৰ স্তৰ আছে। আৰম্ভণিৰ স্তৰত, আত্মাক অন্তৰ্ভুক্ত কৰি লোৱা হয়। অভিজ্ঞতাৰ দ্বিতীয় স্তৰ হৈছে আত্মাৰ আন আত্মাসমূহৰ লগত ব্যক্তিগত সম্পৰ্কৰ চেতনা। অভিজ্ঞাৰ তৃতীয় আৰু সৰ্বোতম স্তৰটো হৈছে অতি ব্যক্তিগত আত্মাৰ চেতনা। যেনেদৰে ভট্টাচার্য্য কৈছে, "The study of the contents of these three types of enjoyment is the philosophy of spirit." প্ৰথমতে থকা বস্তুক এক ছায়া বা 'মই'ৰ প্ৰতীক হিচাপে গণ্য কৰা হয়, দ্বিতীয়তে, 'মই' আৰু আন ব্যক্তিসমূহ বিৰোধ যুক্তভাৱে আনৰ প্ৰতীক হিচাপে গণ্য কৰা হৈছে; আৰু তৃতীয় ক্ষেত্ৰত, 'মই'ৰ দ্বাৰা প্ৰতীকী হোৱা অতি ব্যক্তিগত সত্তাৰ চেতনা। আধ্যাত্মিক উপলব্ধিৰ পিছৰ স্তৰসমূহত আত্মাই নিজেই নিজৰ অস্তিত্বক নুই কৰে। শেষৰ স্তৰত, কি ক'ব পাৰি, আধ্যাত্মিকতাৰ ধাৰ্মিক ৰূপ বা প্ৰকাৰ, আত্মাই প্ৰকৃত সত্য/পূৰ্ণ সত্যৰ লগত একাত্ম অনুভূ কৰে।

(গ) সত্যৰ দৰ্শন ঃ 'মই একা নহয়'ৰ এক তাত্ত্বিক চেতনা আছে। এই চেতনাৰ বিষয়বস্তু হৈছে সত্যতা। যদিও পূৰ্ণ সত্যক এক সদৰ্থক সত্তা বুলি বিশ্বাস কৰা হয়, ইয়াৰ সদৰ্থক চৰিত্ৰটোক কেৱল 'মই'ৰ নঞৰ্থক ভাবেৰেহে প্ৰকাশ কৰিব পাৰি। আত্মাৰ নঞৰ্থকতাই পূৰ্ণ বা সম্পূৰ্ণ সত্যৰ অস্তিত্বক নিৰ্দেশ কৰে। নঞৰ্থকভাৱে সম্পূৰ্ণতাৰ সত্য বুলি ভাবি লোৱা হয়। কিন্তু সম্পূৰ্ণতাক সত্যতাৰ লগতে একে শাৰীত ৰাখিব নোৱাৰি। সম্পূৰ্ণতা

সত্যতা হ'ব পাৰে, স্বাধীনতা হ'ব পাৰে বা মূল্য হ'ব পাৰে। সম্পূর্ণতা ইয়াৰ প্রত্যেকটোৱে হ'ব পাৰে। সত্যতাৰ চেতনা এক বিশ্বাসৰ বিষয়বস্তু। ইয়াক বস্তুনিষ্ঠ বা বিষয়নিষ্ট মনোভাৱেৰে বুজাব নোৱাৰি। ই এক অতীন্দ্রিয় বা সর্বোত্তম চেতনা আৰু ইয়াক এক প্রতীকাত্মক ধৰণে ব্যাখ্যা কৰিব পাৰি। সত্যতাৰ চেতনাক আক্ষৰিকভাৱে বা প্রকৃত অর্থত ক'ব পৰা নাযায়। এনেদৰে সম্পূর্ণ সত্যই বিষয়নিষ্ঠ আৰু বস্তুনিষ্ঠক অতীন্দ্রিয়নৰ শাৰীলৈ লৈ গৈছে— যাক আত্ম প্রতিফলিত বুলি বিশ্বাস কৰা হয় যিয়ে সত্যৰ দর্শনৰ বিষয়বস্তু গঠন কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ বাক্যবোৰ সঁচা নে মিছা লিখা ঃ

(ক) ভট্টাচার্য্যৰ মতে দর্শনৰ বিভাগ দুটা। (সঁচা/মিছা)

(খ) বস্তুৰ দর্শন অধিবিদ্যা আৰু তর্কবিদ্যা লগত সম্বন্ধিত। (সঁচা/মিছা)

(গ) সত্যৰ দর্শন অতীন্দ্রিয়তাৰ চেতনাৰ সৈতে জড়িত। (সঁচা/মিছা)

প্রশ্ন নং ২ ঃ কে. চি. ভট্টাচার্য্যৰ মতে দর্শনৰ ভাগবোৰ কি কি ?

৯.৬ বিষয় আৰু স্বাধীনতাৰ উপলব্ধিকৰণ

ভট্টাচার্য্যই বিষয়কে আত্মা বুলি জ্ঞান কৰিছিল। উদ্দেশ্য বা বিষয় আৰু বস্তু ইটো-সিটোৰ লগত জড়িত ওতঃপ্রোতভাৱে আৰু এটাই আনটোৰ অস্তিত্বক মানি লয়। বিষয়নিষ্ঠতাৰ প্রত্যেকটো স্তৰতে ইয়াক অস্বীকাৰ কৰি বিষয়ে বস্তুৰ পৰা মুক্তি লাভ কৰে বিষয়ৰ পৰা বস্তুৰ মাজত থকা পার্থক্যৰ সম্পর্কে থকা সজাগতাই বিষয়নিষ্ঠতা। বিষয়নিষ্ঠতাৰ তিনিটা প্রকাৰৰ বা স্তৰ আছে। বিষয়নিষ্ঠতাৰ স্তৰসমূহ হৈছে শাৰীৰিক বিষয়নিষ্ঠতা, মনস্তাত্ত্বিক বিষয়নিষ্ঠতা আৰু আধ্যাত্মিক বিষয়নিষ্ঠতা।

৯.৬.১ শাৰীৰিক বিষয়নিষ্ঠতা

বিষয়নিষ্ঠতাৰ ব্যৱস্থাটো আৰম্ভ হয় শৰীৰ সম্পর্কে সজাগতা ক্ষেত্রত। আৰম্ভণিৰ স্তৰত আমি শাৰীৰিক অৱয়বতোকে বিষয় হিচাপে গণ্য কৰো। শৰীৰটো প্রত্যশলীয় বস্তু হিচাপে বিষয় হিচাপে ধৰি লোৱা হয়। নিজৰ শৰীৰটোৰ প্রত্যক্ষ বাহিৰৰ পৰা নহয়, ইয়াৰ সম্পর্কে ব্যক্তি অন্তৰৰ পৰা ইন্দ্রিয়গতভাৱেই সজাগ। এই কথাখিনি উপলব্ধি কৰি বিষয়ে নিজকে শৰীৰটোৰ লগত চিহ্নিত কৰে যেন ইয়াক আভ্যন্তৰীণভাৱেহে অনুভৱ কৰা হয়। 'অনুভৱ কৰা দেহ'টোক 'প্রত্যক্ষ কৰা দেহ'টোৰ বাহিৰে প্রত্যক্ষ কৰা বস্তুবোৰ পৰা এক বিচ্ছিন্নতা। এয়াও এক প্রকাৰৰ তৃতীয় স্তৰ য'ত দেহটো সম্পর্কে কোনো অভিজ্ঞতা নাথাকে। বিষয়নিষ্ঠতাই 'প্রত্যক্ষগত দেহ' আৰু 'অনুভৱ কৰা দেহ' পৰা হোৱা পার্থক্যৰ এক সজাগতা বা অন্তর্ভুক্ত কৰে। এই স্তৰত বিষয়টো বর্তমানৰ এক সত্য

হিচাপে দেহৰ লগত চিহ্নিত নহয়। ই হ'ল এক পৰিৱৰ্তনৰ স্তৰ, যি দেশৰ পৰা মুক্ত কিন্তু বৰ্তমানৰ পৰা মুক্ত নহয়। কে. চি. ভট্টাচার্য্যই কৈছে যে অনুভৱ কৰা দেহৰ সজাগতাই হৈছে সকলো আধ্যাত্মিক কার্যৰ পূর্ব অৱস্থা।

৯.৬.২ মনস্তাত্ত্বিক বিষয়নিষ্ঠতা

এই স্তৰত মনস্তাত্ত্বিক বিষয়নিষ্ঠতাৰ প্রতি সচেতনতা থাকে। মনস্তাত্ত্বিক সত্যবোৰে কল্পনা বা ছবি আৰু চিন্তা আৰু বিষয়ক অন্তর্ভুক্ত কৰে আৰু সেইবোৰ কল্পনা বা ছবি বা চিন্তাৰ লগত চিহ্নিত হৈ থাকে। এই স্তৰত, যদিও বিষয় শৰীৰৰ পৰা একেবাৰে বিচ্ছিন্ন হৈ যায়, মনস্তাত্ত্বিক সত্যবোৰে কিবা ধৰণে বস্তুৰ লগত সিহঁতৰ সম্পর্ক বজাই ৰাখে। আৰু আনহাতে 'মই' নামৰ কোৱা শব্দত প্রকাশিত বিষয়বোৰ মনস্তাত্ত্বিক সত্যবোৰৰ লগত কল্পনা বা ছবি আৰু চিন্তাৰ লগত চিহ্নিত হ'ব নোৱাৰে।

৯.৬.৩ আধ্যাত্মিক বিষয়নিষ্ঠতা

তৃতীয় স্তৰটো হৈছে বিষয়নিষ্ঠতাৰ আধ্যাত্মিক স্তৰ। আধ্যাত্মিক স্তৰ তিনি প্রকাৰৰ। প্রথম স্তৰটো হৈছে সেইটো য'ত বিষয়টো ইয়াৰ অনুভৱৰ লগত চিহ্নিত হয়। চিন্তাক এতিয়াও অর্থ হিচাপে পৰিৱেশন কৰা হয়, বস্তুৰ বিষয়ে অ-বস্তুনিষ্ঠ কিবা বস্তু হিচাপে, কেৱল বস্তুটো যি নহয় তাৰ সংগতিত/প্রসংগতহে বস্তুটোৰ স্বভাৱ বা চৰিত্রবোৰ অংকন কৰা হয়। মনস্তাত্ত্বিক সত্যবোৰৰ ওপৰত/বাদেও অনুভৱৰ এটা ঋণ/সুবিধা আছে শৰণ অনুভৱ অর্থবহ বিষয়বস্তুৰ পৰা সম্পূর্ণৰূপে মুক্ত। ইয়াত কোনো বস্তুৰ প্রতি কোনো প্রসংগ/সংগতি টানি অনা নহয়, কিন্তু এতিয়াও এয়া সচেতনতা থাকে যে ইয়াৰ কোনো অর্থ নাই।

দ্বিতীয় স্তৰটো হৈছে বিষয়ৰ ইয়াৰ নিজৰ অন্তর্দৃষ্টিৰ লগত চিহ্নিতকৰণ। অন্তর্দৃষ্টি হৈছে উচ্চাৰিত শব্দ 'মই'ৰ দ্বাৰা হোৱা বিষয়ৰ সজাগতা বা সচেতনতা। ই 'মই' শব্দটোৰ অর্থ বুজিব নোৱাৰে আৰু বস্তুৰ পৰা মুক্ত হৈ, ই বিষয়ৰ 'মই'ৰ সম্পর্কে বুজাপৰাক উপভোগ কৰি আছে। কিন্তু বিষয়নিষ্ঠতা হৈছে সম্পূর্ণভাৱে বিশেষ/সম্পূর্ণ বিশেষত্ব, সেয়েহে, সেয়েহে ইয়াৰ প্রকৃতি বা স্বভাৱক সঠিকভাৱে নিৰূপণ কৰিব পৰা যিকোনো উপায়েই ইয়াৰ বিশষত্বত বাধাৰ সৃষ্টি কৰিব। সেয়েহে, বিষয়ে বিষয়বস্তুক উপলব্ধি কৰে, যাৰ বাবে ই আধ্যাত্মিক অন্তর্দৃষ্টিৰ স্তৰকো অতীন্দ্রিয়তাৰ শাৰীলৈ লৈ যাব লগা হৈছে।

শেষৰ স্তৰত, বিষয়ে অন্তর্দৃষ্টিৰ বাহিৰৰ স্তৰকো/বাহিৰৰ স্তৰৰ লগত নিজকে চিহ্নিত কৰে। এই স্তৰত আত্মা আনৰ প্রতি স্ব-প্রমাণিত হিচাপে উপলব্ধি কৰা নহয় কিন্তু ই নিজে নিজেই স্ব-প্রমাণিত। ইয়াত আত্মাই নিজে নিজক প্রজ্ঞাৰ সহায়েৰে জানে বা জানিবলৈ চেষ্টা কৰে। যেতিয়া কোনো এজন সকলো ধৰণৰ বিষয়নিষ্ঠ স্তৰবোৰৰ পৰা মুক্ত হৈ যায় তেতিয়া আত্ম উপভোগ্য 'মই'ক বুজি পোৱাৰ সম্ভাৱনা থাকে। সম্পূর্ণ প্রজ্ঞাত্মক আত্মাক অ-জীৱিত স্তৰত বুজা হয়। ইয়াৰ বাবে, এটা আধ্যাত্মিক বিষয় বা ধাৰা এটাৰ প্রয়োজন। তেতিয়া, বিষয়ে এটা আধ্যাত্মিক অৱস্থা পাবলৈ আৰম্ভ কৰে য'ত ই আধ্যাত্মিক অন্তর্দৃষ্টিক অতীন্দ্রিয়তাৰ শাৰীলৈ উন্নীত কৰে। ইয়াত

বিষয়ে নিজে নিজক অনুভৱ বা উপলব্ধি কৰে। যেতিয়া বিষয়ে নিজেই নিজক অন্তর্দৃষ্টিৰ বাহিৰৰ স্তৰবোৰ পৰা বিচ্ছিন্ন কৰি লয়, তেতিয়া এইটো এটা নিত্য সত্য স্বাধীনতা বা মুক্তিৰ স্তৰ হৈ পৰিব।

ভট্টাচার্য্যই বিষয়নিষ্ঠতাৰ ধাৰণাক তিনিটা বহল স্তৰত কল্পনা বা অংকন কৰি লৈছিল যেনে, শাৰীৰিক বিষয়নিষ্ঠতা, মনস্তাত্বিক বিষয়নিষ্ঠতা আৰু আধ্যাত্মিক বিষয়নিষ্ঠতা শাৰীৰিক বিষয়নিষ্ঠতা গঠন হয়—

(ক) (১) শৰীৰটোক প্রত্যক্ষ কৰা হিচাপে

(২) শৰীৰটোক অনুভৱ কৰা হিচাপে

(৩) শৰীৰৰ অনুপস্থিতিক এটা বর্তমানৰ সত্য হিচাপে জনা

(৪) মনস্তাত্বিক স্তৰৰ দুটা বহল/বিশাল ভাগ আছে

(৫) বিষয়ৰ ইয়াৰ তেওঁৰ প্রতিচ্ছবি বা ইয়াৰ ছায়াৰ লগত চিহ্নিতকৰণ

(গ) বিষয়ৰ আধ্যাত্মিক স্তৰৰ চিহ্নিতকৰণবোৰ এনেকুৱা ধৰণৰ ঃ

(৬) বিষয়ৰ ইয়াৰ অনুভৱৰ লগত চিহ্নিত হয়।

(৭) বিষয় ইয়াৰ অন্তর্দৃষ্টিৰ লগত চিহ্নিত হয়।

(৮) বিষয় অন্তর্দৃষ্টিৰ বাহিৰৰ স্তৰৰ লগত চিহ্নিত হয়।

ওপৰোক্ত স্তৰসমূহ উপলব্ধি কৰি বিষয়ে ইয়াৰ বিষয়নিষ্ঠতা বা ইয়াৰ স্বাধীনতাক সম্পূর্ণৰূপে বুজি উঠিব পাৰে। বিষয়ে যেতিয়া নিজকে ইয়াৰ স্থূল শৰীৰৰ লগত চিহ্নিত হ'বলৈ অস্বীকাৰ কৰে তেতিয়াই বিষয়ৰ স্বাধীনতাৰ প্রথম বোধ হয় আৰু তেতিয়া বিষয়ে নিজৰ আৰু ইয়াৰ দেহৰ মাজত এটা ব্যৱধান বা পার্থক্য ৰাখিবলৈ চেষ্টা কৰে। কে. চি. ভট্টাচার্য্যই 'প্রত্যক্ষগত দেহ' আৰু 'উপলব্ধ দেহ'ৰ মাজত পার্থক্য নির্ণয় কৰিছিল। বিষয়নিষ্ঠতাৰ উপলব্ধিকৰণৰ ব্যৱস্থাটোত বিষয়ে প্রথমতে নিজকে ইয়াৰ প্রত্যক্ষগত দেহৰ পৰা মুক্ত কৰি লয়। ইয়াৰ পিছৰ স্তৰত বিষয়ে ইয়াক নিজকে ইয়াৰ 'উপলব্ধ দেহ'ৰ পৰা যেনে যাক/যিটো শৰীৰ অন্তৰৰ পৰা বা ভিতৰৰ পৰা অনুভৱ কৰা হয় তাৰ পৰা নিজকে আঁতৰ কৰি লয়। সকলো ধৰণৰ আধ্যাত্মিক কার্য্যকলাপৰ উপলব্ধিকৰণ পূর্ব অৱস্থা বিষয়ৰ বাবে উপলব্ধ দেহৰ পৰা মুক্তিক এৰাই চলিব নোৱাৰি ইয়াৰ সম্পূর্ণ বিষয়নিষ্ঠতাক বুজিবৰ বাবে অর্থাৎ বিষয়ৰ সম্পূর্ণ বিষয়নিষ্ঠতাক বুজি পাবৰ বাবে উপলব্ধ দেহৰ পৰা মুক্তি লাভ কৰাৰ কথাটো এৰাই চলিব নোৱাৰি। ইয়াত আন এটা তৃতীয় স্তৰো আছে য'ত বিষয়ে নিজকে 'অনুপস্থিত দেহ'ৰ লগত চিহ্নিত কৰে। 'অনুপস্থিতি দেহ'ৰ অর্থ হৈছে এনে এটা দেহৰ প্রতি থকা সচেতনতা যাৰ দক্ষতা বা সামর্থ্যতা আছে, 'অনুপস্থিতিৰ জ্ঞান' লাভ কৰিবলৈ। কে. চি. ভট্টাচার্য্যৰ মতে, 'অনুপস্থিতিৰ জ্ঞান' দুই প্রকাৰৰ হ'ব পাৰে— অনুপস্থিতিৰ জ্ঞান কাল্পনিক প্রত্যক্ষৰ জৰিয়তে, বা সচেতন অ-প্রত্যক্ষৰ জৰিয়তে। ইয়ে বিষয়ৰ দ্বিতীয় স্তৰলৈ আগবঢ়াই লৈ যায়, যাৰ নাম হৈছে মনস্তাত্বিক স্তৰ। সচেতন অ-প্রত্যক্ষ হৈছে এটা পৰিৱর্তনশীল স্তৰ। ই দেহৰ অনুভৱ আৰু কল্পনাৰ মাজৰ অৱস্থা। মনস্তাত্বিক সত্যতা এই স্তৰত আৰম্ভ হয়। বিষয়ে মনস্তাত্বিক সত্যতাত নিজকে কল্পনা বা চিন্তাৰ লগত চিহ্নিত কৰে আৰু লাহে লাহে সেইবোৰৰ পৰা মুক্তি লাভ কৰিবলৈ চেষ্টা কৰে। বিষয়ে অতি সোনকালেই উপলব্ধি কৰিব পাৰে যে কল্পনা সম্পূর্ণৰূপে ইয়াৰ বস্তুৰ পৰা পৃথক নহয়। আৰু আনহাতে চিন্তাই ইয়াৰ 'বিষয়বস্তু' আৰু 'চেতনাৰ' মাজত এক পার্থক্যৰ সৃষ্টি কৰে। শুদ্ধ বিষয়নিষ্ঠতা মই পার্থক্যৰ ঊর্দ্ধত। এটা ইচ্চ স্তৰত বিষয়ে নিজকে মনস্তাত্বিক সত্যতাৰ পৰা বিচ্ছিন্ন কৰি লয় আৰু আধ্যাত্মিকতাৰ ক্ষেত্রত বা সীমাৰ ভিতৰত সোমাই পৰে। তিনি প্রকাৰৰ আধ্যাত্মিক স্তৰ আছে, কে. চি. ভট্টাচার্য্যৰ মতে। আধ্যাত্মিক বিষয়নিষ্ঠতাৰ প্রথম প্রকাশ হৈছে অনুভৱৰ লগত চিহ্নিতকৰণ। সেয়েহে

আত্ম-উপলব্ধিৰ পদ্ধতিত বিষয়ে নিজকে অনুভৱৰ পৰা বিচ্ছিন্ন কৰি লয়। ইয়ে তাৰ পিছৰ স্তৰলৈ আগুৱাই লৈ যায়, যাক অন্তর্দৃষ্টি বুলি কোৱা হয়। বস্তুনিষ্ঠতা আৰু অর্থবহ বিষয়বস্তুৰ পৰা বিচ্ছিন্ন হোৱাৰ পদ্ধতিটো তেতিয়াহে সম্পূর্ণ হ'ব যেতিয়া বিষয়ে নিজকে অন্তর্দৃষ্টিৰ পৰা মুক্ত কৰিব পাৰিব আৰু অৱশেষত অন্তর্দৃষ্টিৰ বাহিৰৰ আসক্তিৰ পৰা নিজকে মুক্ত কৰিব পাৰিব। সম্পূর্ণ স্বাধীনতাৰ এই স্তৰত স্বাধীনতাৰ অভিজ্ঞতাটোও নোহোৱা/অদৃশ্য হৈ যায় বা বাধাগ্রস্ত হয়। দৰাচলতে 'মই' হ'ল সম্পূর্ণ বা প্রকৃত সত্যৰ প্রতীক। প্রকৃত সত্যৰ লগত আত্মাৰ কোনো সম্পর্ক নাথাকিব পাৰে, নাইবা প্রকৃত সত্যৰ পৰা আত্মাক পৃথক কৰিব নোৱাৰিবও পাৰে কাৰণ আত্মাৰ কোনো অস্তিত্ব নাই। এইটো এনেকুৱা এটা স্তৰ য'ত সকলো ধৰণৰ পার্থক্য যেনে মই আৰু সকলো, বিষয় আৰু বস্তু, আত্ম আৰু ব্রহ্ম নোহোৱা হৈ পৰে। আত্মা আৰু ব্রহ্মাৰ চিহ্নিতকৰণ এজন দার্শনিক হিচাপে লাভ কৰিব নোৱাৰি। কিন্তু দার্শনিকসকল মোক্ষ উপলব্ধিকৰণৰ একেবাৰে ওচৰলৈ আহিব পাৰে দর্শনক সাধনা হিচাপে গণ্য কৰি। দর্শনক তাত্ত্বিক চেতনাৰ এক বিষয় বা ধাৰা হিচাপে মোক্ষ বা মুক্তি লাভ কৰাৰ বাবে মার্গ দর্শক হিচাপে গ্রহণ কৰিব নোৱাৰি। কেৱল আধ্যাত্মিক কার্যকলাপ বা কর্মৰ দ্বাৰাহে কোনোৱে আত্মা আৰু ব্রহ্মাৰ চিহ্নিতকৰণক লাভ কৰিব পাৰে আৰু উপলব্ধি কৰিব পাৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ তলৰ বাক্যসমূহ সঁচা নে মিছা লিখা ঃ

(ক) ভট্টাচার্য্যৰ মতে বিষয়নিষ্ঠতাৰ তিনি প্রকাৰৰ স্তৰ আছে। (সঁচা/মিছা)

(খ) কে. চি. ভট্টাচার্য্যই কৈছে যে উপলব্ধ দেহৰ সচেতনতাই হৈছে সকলো আধ্যাত্মিক কার্যকলাপৰ পূর্ব-অৱস্থা। (সঁচা/মিছা)

প্রশ্ন নং ৭ ঃ আধ্যাত্মিক বিষয়নিষ্ঠতাৰ তিনিটা আধ্যাত্মিক স্তৰ কি কি?

চিন্তা চর্চা কৰক ঃ ৯.১

(ক) তাত্ত্বিক চেতনাৰ চাৰি প্রকাৰৰ স্তৰ কি কি?

(খ) ভট্টাচার্যৰ মতে দর্শন কি?

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণতে এয়া বিশ্বাস কৰা হয় যে দর্শন হ'ল এনে এটা চেষ্টা যাৰ দ্বাৰা এক জাগতিক মতামত গঠন কৰিবৰ চেষ্টা কৰা হয়। ইয়াৰ অর্থ হ'ল এয়ে যে দর্শনে এক জাগতিক মতামত প্রদান কৰিব লাগে, এই পৃথিৱীখনৰ প্রকৃতিক বিশ্লেষণ কৰিব লাগে যাতে তাৰ দ্বাৰ এই পৃথিৱীখনৰ প্রকৃত আৰু অপ্রকৃত দিশবোৰক আৱিষ্কাৰ কৰিব পৰা যায়। কিন্তু ভট্টাচার্য্য এই মতামতটোৰ লগত সম্পূর্ণৰূপে একমত নাছিল। তেওঁৰ

মতে এই জগত সম্পর্কে এটা সংশ্লেষণাত্মক মতামত গঠন কৰাটো দর্শনৰ প্রয়োজনীয় কাম নহয়। তেওঁ অনুভৱ কৰিছে যে দর্শনৰ বাক্য বা বিচাৰবোৰ প্রকৃত বা প্রকৃত ঘটনাৰ ওপৰত প্রতিষ্ঠিত নহয়; সেইবোৰ তেতিয়ালৈহে প্রকৃত সত্যৰ লগত সম্বন্ধিত হৈথাকে যেতিয়ালৈকে সেইবোৰে অভিজ্ঞতামূলক বাক্য বিচাৰবোৰৰ দৰে প্রকৃত সত্যতা দাবী নকৰে।

- কে. চি. ভট্টাচার্য্যৰ দর্শনৰ ধাৰণাটো গৃহীত দার্শনিক পদ্ধতিবোৰৰ দ্বাৰা বুজিব নোৱাৰি। তেওঁৰ দর্শনৰ এক সাম্ভাব্য সংজ্ঞা থাকিব পাৰে। তেওঁৰ দর্শনত, ভট্টাচার্য্যই দেশ-কালযুক্ত অস্তিত্ব নোহোৱা শুদ্ধ স্ব-নির্বাহী বস্তুৰ সৈতে জড়িত। তেওঁৰ বাবে, দর্শনে স্ব-নির্বাহী বস্তুৰ ধাৰণা ব্যাখ্যা আগবঢ়ায়। দর্শনত, বস্তুৰ ইয়াৰ বিষয়ৰ লগত এক প্রয়োজনীয় সংগতি থাকে যিটো বিজ্ঞানৰ ক্ষেত্রত পোৱা নাযায়।
- কে. চি. ভট্টাচার্য্যৰ মতে, দর্শন এক তাত্ত্বিক চিন্তা। ই বস্তুবোৰৰ সৈতে প্রকৃত সত্যতা হিচাপে নহয় বৰং স্ব-নির্বাহী সত্তা হিচাপে জড়িত হৈ থাকে। ই বিজ্ঞানৰ দৰে প্রকৃত সত্যৰ লগত সম্বন্ধিত নহয়। দর্শনে বস্তুসমূহৰ জানিবলগীয়া বা ব্যৱহাৰ হ'বলগীয়া প্রকৃত সত্যতা বা গুণসমূহক অধ্যয়ন নকৰে। এনেদৰে, ভট্টাচার্য্যৰ মতে, দর্শনৰ বিষয়বস্তুসমূহ প্রকৃত অর্থত চিন্তনীয় বা চিন্তা কৰিব পৰা বিষয় নহয়। দার্শনিক চিন্তাবোৰ প্রতীকাত্মক। দর্শন হৈছে তাত্ত্বিক চেতনা বা চিন্তাৰ প্রকাশ। এনেদৰে, দার্শনিক ধাৰণাবোৰ হৈছে অতীন্দ্রিয় ধাৰণা, যিবোৰ চেতনাযুক্ত প্রতিফলিত মনোভাৱৰ পৰা উৎপত্তি হয়।

৯.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Bhattacharyya, K.C., 1982, 'The Concept of Philosophy' in Contemporary Indian Philosophy, ed. Redhakrishran and J.H. Huirhead, S. Chand and Company Ltd., New Delhi.
2. Datta, D.M. 1970, The Chief Currents of Contemporary Philosophy Calcutta University Press, Calcutta.
3. Lal, B.K., 1973, Contemparary Indian Philosophy, Motilal Banarsidose Publishars Private Limited, New Delhi.
4. Mahadwar, T. M. P. Saraja, G.V. 1981, Contemporary Indian Philosophy, Sterling Publishers Private Ltd. New Delhi.

৯.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) মিছা (গ) মিছা

২নং প্রশ্নৰ উত্তৰ ঃ ই হ'ল তাত্ত্বিক চেতনাৰ স্তৰ, যাৰ বিষয়বস্তু হ'ল শুদ্ধ বস্তুনিষ্ঠ চিন্তা।

৩নং প্রশ্নৰ উত্তৰ ঃ তাত্ত্বিক চেতনাৰ তৃতীয় স্তৰ হ'ল আধ্যাত্মিক চিন্তা, ইয়াৰ এনেকুৱা ধৰণৰ কোনো বিষয়বস্তু নাই যি বস্তুনিষ্ঠ মনোভাৱত উপভোগ কৰা হয়। ইয়াক কেৱল বিষয়নিষ্ঠ মনোভাৱতহে উপভোগ কৰা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ (ক) মিছা (খ) সঁচা (গ) সঁচা

৫নং প্রশ্নৰ উত্তৰ ঃ বস্তুৰ দর্শন, বিষয়ৰ দর্শন, সত্যৰ দর্শন।

৬নং প্রশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) সঁচা

৭নং প্রশ্নৰ উত্তৰ ঃ প্রথমটো হ'ল সেইটো য'ত বিষয় ইয়াৰ অনুভৱৰ লগত চিহ্নিত হয়। দ্বিতীয় স্তৰটো হ'ল বিষয়ৰ ইয়াৰ নিজৰ অন্তর্দৃষ্টিৰ লগত চিহ্নিতকৰণ। অন্তর্দৃষ্টি হৈছে বিষয়ৰ সজাগতা বা সচেতনতা 'মই' নামৰ কোৱা শব্দৰ দ্বাৰা। শেষৰ স্তৰত, বিষয় অন্তর্দৃষ্টিৰ বাহিৰৰ স্তৰৰ লগত চিহ্নিত হয়। এইটো এনে এটা স্তৰ য'ত আত্মা আনৰ প্রতি স্ব-প্রমাণিত হিচাপে উপলব্ধিত নহয় বৰং ই নিজেই নিজৰ প্রতি স্ব-প্রমাণিত হিচাপত উপলব্ধিত হয়।

? ৯.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভট্টাচার্য্যৰ মতে দর্শনৰ বিভাগবোৰ কি কি?

প্রশ্ন ২ ঃ তাত্ত্বিক চেতনাৰ চাৰি প্রকাৰৰ স্তৰ কি কি?

প্রশ্ন ৩ ঃ অতীন্দ্রিয় বা সর্বোত্তম চিন্তা মানে কি?

প্রশ্ন ৪ ঃ আধ্যাত্মিক চিন্তা মানে কি?

প্রশ্ন ৫ ঃ শাৰীৰিক বিষয়নিষ্ঠতা মানে কি?

(খ) চমু প্রশ্ন ঃ (১৫০টা মান শব্দৰ ভিতৰত প্রত্যেকটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ বস্তুৰ দর্শন সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন ২ ঃ আধ্যাত্মিক বিষয়নিষ্ঠতা সম্পর্কে ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ সত্যৰ দর্শন মানে কি বুজে?

প্রশ্ন ৪ ঃ শাৰীৰিক বিষয়নিষ্ঠতা কেনেকৈ গঠিত হয়?

(গ) চমু টোকা লিখক ঃ (১৫০টা মান শব্দৰ ভিতৰত উত্তৰ কৰক)

প্রশ্ন ১ ঃ বিষয় এক স্বাধীনতা হিচাপে

প্রশ্ন ২ ঃ শাৰীৰিক বিষয়নিষ্ঠতা

(ঘ) দীঘল প্রশ্ন ঃ (৩০০-৫০০টা মান শব্দৰ ভিতৰত উত্তৰ কৰক)

প্রশ্ন ১ ঃ ভট্টাচার্য্যৰ দর্শনৰ ধাৰণা সম্পর্কে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ বিষয়নিষ্ঠতাৰ তিনি প্রকাৰৰ স্তৰ ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ১০ ঃ ৰাধাকৃষ্ণনৰ পৰম সত্তা সম্পৰ্কীয় মতবাদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ পৰম সত্তা শব্দৰ অর্থ
১০.৪ ৰাধাকৃষ্ণনৰ পৰমসত্তাৰ ধাৰণা
১০.৫ হেগেল আৰু ৰাধাকৃষ্ণন
১০.৬ ব্ৰেড্‌লি আৰু ৰাধাকৃষ্ণন
১০.৭ ব'চাঙ্কে আৰু ৰাধাকৃষ্ণন
১০.৮ ৰইচ আৰু ৰাধাকৃষ্ণন
১০.৯ শংকৰ আৰু ৰাধাকৃষ্ণন
১০.১০ ৰামানুজ আৰু ৰাধাকৃষ্ণন
১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.১২ অধিক জানিবলৈ
১০.১৩ অগ্ৰগতিৰ খতিয়ান
১০.১৪ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰম সত্তা শব্দৰ ব্যাখ্যা-কৰিব পাৰিব,
- ৰাধাকৃষ্ণনৰ পৰম সত্তা সম্পৰ্কীয় ব্যাখ্যা আগবঢ়াব পাৰিব
- ৰাধাকৃষ্ণনৰ পৰম সত্তাৰ লগত হেগেল, ব্ৰেডলি, ব'চাঙ্কে আৰু ৰইচৰ পৰীক্ষন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- ৰাধাকৃষ্ণনৰ পৰমসত্তাৰ লগত শংকৰ আৰু ৰামানুজৰ পৰীক্ষন সম্পৰ্কে আলোচনা কৰিব।

১০.২ পৰিচয়

ভাৰতীয় দার্শনিক ড০ সর্বপল্লী ৰাধাকৃষ্ণন (১৮৮৮-১৯৭৫) প্ৰথম ভাৰতৰ উপ-ৰাষ্ট্ৰপতি () আৰু দ্বিতীয় ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল ১৩ মে' ১৯৬২ চনৰ পৰা মে মাহৰ ১৩ তাৰিখ ১৯৬৭ চন পর্য্যন্ত। অন্যান্য সমসাময়িক ভাৰতীয় চিন্তাবিদ সকলৰ ভিতৰত ড০ সর্বপল্লী ৰাধাকৃষ্ণন নিজৰ মাতৃভূমিত আৰু পশ্চিমীয়া দেশটো মুখ্যাতি

অৰ্জন কৰিছিল। তেওঁ আছিল এজন দাৰ্শনিক, সক্ষম চিন্তক আৰু চিন্তা আৰু বচনৰ সংযোগ সাধন কৰিবলৈ সক্ষম হৈছিল। ৰাধাকৃষ্ণনে তেওঁৰ কৰ্মত গভীৰ চিন্তা, প্ৰসাৰতা আৰু মানৱৰ সমস্যাৱলী উপলব্ধ হোৱাকৈ প্ৰতিফলিত হৈছিল। ৰাধাকৃষ্ণনৰ অধিবিদ্যা বা তত্ত্ববিদ্যাৰ প্ৰকৃত বিশ্লেষণে প্ৰাচ্য আৰু পাশ্চাত্যত প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হৈছিল কিয়নো সেই সমস্যাৰ যথাযথ ব্যাখ্যা আৰু সমাধানৰ পথ প্ৰক্ষষ্ট কৰিছিল। বিশেষকৈ দৰ্শনৰ পৰমসত্তা আৰু ধৰ্মৰ ঈশ্বৰৰ অভিজ্ঞতাৰ সম্বন্ধ ব্যাখ্যা কৰিছিল। সাধাৰণতে দৰ্শনৰ পৰমসত্তাককেৱল নিৰপেক্ষ অভিজ্ঞতা, আৱেগ আৰু নিজাববায়াকৈহে উপলব্ধি কৰিব পাৰি বুলি অভিহিত কৰিছিল। অন্যহাতে ধৰ্মত ঈশ্বৰক ব্যক্তিসত্ত্বা আৰু ইয়াক ব্যক্তিৰ ব্যক্তিগত অভিজ্ঞতা বুলি উপলব্ধি কৰিছিল। সেইবাবে ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনক একমাত্ৰ দাৰ্শনিক বুলি অভিহিত কৰা হয় যিয়ে ঈশ্বৰ আৰু পৰমসত্তাৰ সম্বন্ধক সমন্বিত কৰিব পাৰিছিল। সেইবাবে ৰাধাকৃষ্ণনক কেৱল আধ্যাত্মিক পৃষ্ঠপোষক বুলি কোৱাৰ উপৰিও দৰ্শনতনৱ সংশ্লেষক হিচাপে স্বীকৃত প্ৰদান কৰা হয়।

১০.৩ পৰমসত্ত্বা শব্দৰ অৰ্থ

অভিধানগত অৰ্থৰ পৰা পৰমসত্তাৰ ধাৰণা হ'ল- ই শাশ্বত, অসীম, চৰ্তহীন, সম্পূৰ্ণ আৰু অপৰিবৰ্তনীয় কৰ্তা যিয়ে অন্য কোনো বস্তুৰ ওপৰত নিৰ্ভৰ নকৰে বাবে ই স্বয়ংসম্পূৰ্ণ আৰু সৃষ্টিশীলতা গুন অৰ্ন্তঃনিহিত। দৰ্শনত পৰমসত্তা শব্দ কাণ্টৰ পশ্চাৎৱৰ্তীভাৱবাদী তত্ত্ববিদ সকলৰ প্ৰকৃত অস্তিত্বশীলতা সম্পৰ্কে আত্মপ্ৰকাশ। সম্পূৰ্ণ চিন্তনকএক গোট পদ্ধতিৰে বিশ্ব ব্ৰহ্মাণ্ডৰ অৱভাস হিচাপে প্ৰকাশ।

১০.৪ ৰাধাকৃষ্ণনৰ পৰমসত্তাৰ ধাৰণা বা প্ৰত্যয়

ৰাধাকৃষ্ণনৰ মতে পৰমসত্তা হ'ল সম্পূৰ্ণৰূপে বিশুদ্ধ আৰু আৱেগহীন সত্তা যিয়ে চিৰামহীন ভাৱে সৰ্বশক্তিমান শক্তি বৰ্হিপ্ৰকাশ কৰে। পৰম সত্তাই কোনো সৃষ্টিশীলতাকসংযোগ অথবা বৰ্হিৰাগত প্ৰকৃত সত্তাক নকৰে। সেইবাবে ক্ৰমবিবৰ্ত্তন সৰ্বশক্তিমানতাৰ এক পদ্ধতি বা প্ৰণালী যদিও পৰমসত্তা ইয়াৰ কৰ্ত্তা নহয়। পৰমসত্তা বৰ্দ্ধিতকৰণৰ ক্ষেত্ৰত অসমৰ্থ।

পৰমসত্তা হ'ল বিশুদ্ধ চৈতন্য, বিশুদ্ধ স্বতন্ত্ৰ আৰু অসীম সম্ভাৱনামূলক। সেইবাবে পৰসত্তা এক প্ৰকাৰে ঈশ্বৰ বুলি পতিয়মান হোৱাৰ বাবে প্ৰকৃত পক্ষে ই সঁচাকৈয়ে প্ৰকৃত বুলি পৰিগনিতহৈছে।সেইবাবে পৰমসত্তাই হ'ল সকলোবাস্তৱতা আৰু সম্ভাব্যতা। সসীম বিশ্বব্ৰহ্মাণ্ডৰ স্বৰূপ অসীম পৰমসত্তাৰপৰা পৃথক। পৰমসত্তাৰ স্বৰূপ হ'ল প্ৰকৃত সম্ভাব্যতাক প্ৰকাশিত কৰি আৱগত কৰা। হিন্দু ধৰ্মত 'সূৰ্য্য'ক মানি লোৱা হয় কিয়নো ই পৰমসত্তাৰ অতিন্দ্ৰীয় ৰহস্যক নিজৰ মাজত সকলোৰে বাবে পোহৰ বিকিৰণ কৰে।

ঈশ্বৰ হ'ল বিশ্বব্ৰহ্মাণ্ডৰ স্ৰষ্টা, নিয়ন্ত্ৰা আৰু পালন কৰ্ত্তা যদিও পৰমসত্তাৰ লগত অসম্বন্ধিত বুলি ভৱা নহয়। মানৱৰ বাবে ঈশ্বৰ হ'ল পৰমসত্তা। পৰমসত্তাৰ সমীমতাকপ্ৰকৃত সম্ভাব্যতাৰে সীমাবদ্ধ কৰা হয় তেতিয়া পৰমসত্তাই সত্য, শিৱ আৰু সুন্দৰ ৰূপত স্বয়ং প্ৰকাশিত হয়।

সেইবাবে, শীৰ্যত থকাৰ বাবে ইয়েই পৰমসত্তা। সসীম পৰমসত্তাই হ'ল ঈশ্বৰ।গতিকে পৰমসত্তা হ'ল ঈশ্বৰৰপূৰ্ব সৰ্বশক্তিমানতা আৰু ঈশ্বৰ হ'ল সৰ্বশক্তিমানতাৰ দিশৰ পৰা পৰমসত্তা।

অগ্রগতি নিৰীক্ষণ

প্রশ্নঃ ১। খালী ঠাই পূৰণ কৰাঃ

(ক) ৰাধাকৃষ্ণনৰ মতে পৰমসত্তা হ'ল বিশুদ্ধ আৰু .....সত্তা।

(খ) পৰমসত্তা শব্দৰ ব্যৱহাৰ কৰিছিল..... ভাৱবাদী তত্ত্ববিদসকলে।

প্রশ্নঃ ২। দার্শনিক আৰু ঈশ্বৰতত্ত্ববিদসকলে সকলো সময়তে কি সমস্যা অনুধাৱন কৰিছিল।

প্রশ্নঃ ৩। বাস্তৱতা আৰু সম্ভাব্যতাৰ আধাৰ আৰু মূল কি আছিল?

প্রশ্নঃ ৪। ৰাধাকৃষ্ণনৰ মতে ঈশ্বৰ পৰমসত্তা হয়নে?

১০.৫ হেগেল আৰু ৰাধাকৃষ্ণন

জর্জউহলমেল্ম ফ্রেড্ৰিক হেগেল (১৭৭-১৮৩১) আছিল এজন জার্মান দার্শনিক। তেওঁৰ অনৱদ্য কৃতিত্ব হ'ল ভাৱবাদৰ উন্নীতকৰণ। তেওঁ অধ্যাত্ম ধাৰণ সম্পর্কে মুখ্য ভূমিকা পালন কৰিছিল। হেগেল আৰু ৰাধাকৃষ্ণনৰ চিন্তাধাৰাত বহুতো সাদৃশ্য আৰু বৈসাদৃশ্য পৰিলক্ষিত হয়। হেগেলৰ মতে পৰমসত্তা অকলশৰীয়া নহয়, ই হ'ল বহুৰ মাজত এক, জৈৱিক, পুনাংগ আৰু ক্ষান্ত পদ্ধতি অসীমৰ সংখ্যা সসীমৰ মাজত বিদ্যামান। সেয়ে হেগেলে পৰমসত্তাক চৰম অধ্যাত্ম বুলি অভিহিত কৰিছে। তেওঁ পৰম অধ্যাত্মক মূর্ত থার্বিক বুলি অভিহিত কৰি ইয়াক পৃথকত্বহীন আৰু সম্বন্ধ বিহীন বুলি কৈছে. সেয়ে পৰমসত্তা আৰু জগতৰ পাৰস্পৰিক নির্ভৰশীলতা বিদ্যামান।

ৰাধাকৃষ্ণনে স্বীকাৰ কৰিছিল যে পৰমসত্তা অমূর্ত গোট নহয়। ই হ'ল মূর্ত সমগ্রতা যিয়ে পৃথকত্বক একীকৰণ কৰি ৰাখে আৰু ই হ'ল নিম্ন পর্য্যায়ৰ। সমগ্রতাৰ অস্তিত্ব সম্ভৱ হয় ইয়াৰ অংশবোৰৰ দ্বাৰা আৰু অংশবোৰেই সমগ্রতাক উপলব্ধ কৰাত সহায়ক হয়। এনেদৰেই চৰমসত্তা উমাহবিহীন পৰিচয় নহয়। পৃথকত্ব অবিহনে অথবা সংযোগবিহীনতা সম্ভৱ নহয়। সেইবাবে বিভিন্ন অংশবোৰৰ সমষ্টিয়ে হ'ল পৰমসত্তা আৰু ই কে সু সংগঠিত সমগ্রতা। মৃত যান্ত্রিক শিল, গছ লতাৰ অসচেতনাত, জীৱ-জন্তুৰ সচেতনতা আৰু মানুহৰ আত্ম সচেতনতাৰ বিভিন্ন সকলো অংশবোৰৰ বিভিন্ন পর্য্যায়েই হ'ল পৰমসত্তা। সেইবাবে হেগেলৰ অনৈক্যৰ মাজত ঐক্যৰ সম্পর্কে ৰাধাকৃষ্ণনে ব্যক্ত কৰিছে যে একে পৰমসত্তাই একেলে আচৰণ কৰে নিজৰ মাজত কিন্তু প্রত্যেককে পৃথক ভাৱে। চৰম সত্তা শিলত নিদ্রামগ্ন, গছগছনিত উমাহ নিমাহ লয়, জন্তুৰ মাজত অনুভৱ কৰে আৰু আত্ম সচেতনভাৱে মানুহৰ মাজত নিদ্রা ভগ্ন হয়।

ৰাধাকৃষ্ণনে উল্লেখ কৰিছে যে পৰমসত্তা সম্বন্ধবিহীন উপাদান, চৰম অতিন্দ্রীয় সকলো ক্ষনস্থায়ী সম্বন্ধ। পৰমসত্তাই হ'ল সময়, কার্য আৰু প্রণালী। সমীম বিশ্বব্রহ্মাণ্ডই পৰম সত্তাক আৱৰি আছে। তেওঁ এনেদৰেই চিন্তাধাৰাত বৈপৰিত্য ছবি পৰমসত্তা সম্পর্কে নিক্ষেপন কৰিছে য'ত দুয়োটাকে সম্বন্ধবিহীন আৰু সকলো সম্বন্ধৰ

আধাৰ হিচাপে উল্লেখ কৰিছে। পৰমসত্তা যদি সম্বন্ধবিহীন অমূৰ্ত সত্তা হয় তেন্তে বহুতৰ মাজত কেনেকৈ সম্বন্ধিত কৰিব পাৰি সেই লৈ প্ৰশ্ন উঠে।

সেইবাবে ৰাধাকৃষ্ণনে পৰমসত্তা সম্পৰ্কে সামৰণিত ঈশ্বৰক সৃষ্টিশীল নিয়ম বুলি অভিহিত কৰিছে। ঈশ্বৰেই হ'ল কৰ্মত পৰমসত্তা। সেইবাবে ঈশ্বৰ আৰু পৰমসত্তাক ইটোৰ পৰা যিটোক পৃথক বুলি বিবিচনা কৰা নহয়। সেইবাবে তেওঁ চুড়ান্তৰ ধাৰণা অৱতাৰণা কৰিছে। চুড়ান্তক সসম্বন্ধীয় উপাদানৰ পৰমসত্তাআৰু সক্ৰিয় উপাদান হ'ল ঈশ্বৰ। ঈশ্বৰ জৈৱিক ভাৱে বিশ্ব ব্ৰহ্মাণ্ডৰ লগত বিদ্যামান কিন্তু পৰমস্তা বিদ্যামান নহয়। সেইবাবে ৰাধাকৃষ্ণনৰ পৰমসত্তা কোনো কাৰণতে জগতৰ ওপৰত নিৰ্ভৰশীল নহয়। জগতৰ আৰ্বিভাৱে ইয়াক পৃথকত্বহীন কৰে। সেইবাবে পৰম সত্তাৰ লগত সংযোজন বা বিয়োজন কোনো পধ্যে সম্ভৱ নহয়।

ইয়াত প্ৰশ্ন উদয় হ'ব পাৰে যে কি সম্বন্ধত ঈশ্বৰে দাৰ্শনিকৰ পৰমসত্তা সম্বন্ধে থিয় দিয়ে। হেগেলৰ মতে ঈশ্বৰেই হ'ল পৰমসত্তা। সিহঁত দুয়োটাই বিকল্প শব্দ য'ত চৰম সত্তাত প্ৰয়োগ কৰা হয়। সেয়ে এইটো স্পষ্ট যে হেগেলে ধৰ্মৰ ঈশ্বৰ আৰু দৰ্শনৰ পৰমসত্তাক একীকৰণ কৰি তোলিছে। কিন্তু ৰাধাকৃষ্ণনে ঈশ্বৰ আৰু পৰমসত্তাক একে সত্তা বুলি অভিহিত কৰিছে। পৰমসত্তা হ'ল জীৱন্ত সত্তা, সৃষ্টি শীলতাৰ সৈতে আৰু যেতিয়া প্ৰয়োজন হয় তেতিয়াই পৰমসত্তা ঈশ্বৰ হয়। সেইবাবে ৰাধাকৃষ্ণনৰ মতে, ঈশ্বৰ আৰু পৰমসত্তা দুয়োটা পৃথক ধাৰণা নহয়,মাথোঁ দুয়োটা একেটা সত্তাৰে ভিন্ন উপাদান।

১০.৬ ব্ৰেড্‌লি আৰু ৰাধাকৃষ্ণন

ফ্ৰান্সিচহাৰ্বাটব্ৰেড্‌লি (১৮৪৬-১৯২৪) আছিল এজন ইংৰাজ দাৰ্শনিক আৰু তেওঁ পৰমভাৱবাদক তাত্বিক বা অধিবিদ্যাৰ ওপৰত প্ৰতিষ্ঠিত কৰিছিল। প্ৰাৰম্ভিকতে তেওঁ আছিল হেগেলিয়ান চিন্তাধাৰাৰ সমৰ্থক। ৰাধাকৃষ্ণনৰ তাত্বিক ব্যাখ্যাই গেগেলৰ চিন্তাধাৰাৰ সমৰ্থক। ৰাধাকৃষ্ণনৰ তাত্বিক ব্যাখ্যাই হেগেলৰ চিন্তাধাৰাত গভীৰ প্ৰভাৱ পেলাইছিল ঠিক একেদৰে ব্ৰেডলিৰ চিন্তাধাৰাতো, যদিওকিছু ক্ষেত্ৰত দুয়োৰে চিন্তাধাৰাৰ অমিল আছিল। ব্ৰেড্‌লিয়ে তেওঁৰ পূৰ্বসুৰী হেগেলৰ শব্দৰ প্ৰয়োগেৰে পৰম সত্তাকঅধ্যাত্ম হিচাৱে প্ৰয়োগ কৰিছিল। ব্ৰেডলিৰ চিন্তাধাৰা আছিল সম্পূৰ্ণৰূপে জৈৱিক সমগ্ৰতা য'ত সমগ্ৰতাই অন্তৰ্নিহিতহৈ থাকে সকলো অংশতে। ব্ৰেড্‌লিৰ পৰম অধ্যাত্মই সকলোবোৰ পাৰ্থক্য অন্তৰ্গতআৰু ইয়াক সম্বন্ধিত আকাৰত লাভ কৰিব নোৱাৰি। ব্ৰেড্‌লিৰ সমগ্ৰতাই হ'ল অনৈক্য বা বৈচিত্ৰময় কিন্তু ইয়াক সম্বন্ধৰ পৰা পৃথক কৰিব নোৱাৰি। সেইবাবে কোৱা হয় ইয়াত পৃথকত্ব সম্ভৱ কিন্তু বিভক্ত কৰিব নোৱাৰি। সেইবাবে তেওঁৰ পৰমসত্তা সম্বন্ধৰ অৱভাসৰ ওপৰত আৰু সেইবাবে বহুতৰ বাবে ই উচ্চ পৰ্যায়ৰ বৈচিত্ৰতাক সম্ভৱ কৰি তোলে।

ব্ৰেড্‌লিৰ দৰ্শনতদ্ৰু পৰম অধ্যাত্ম হ'ল অবৌদ্ধিক বাহুৰ একমাত্ৰ ঐক্য আৰু সম্পূৰ্ণ আত্মবিৰোধী। সেইবাবে তেওঁৰ চিন্তাধাৰাতঅবৌদ্ধিক বাহুৰ মাজত এক সম্পৰ্কে প্ৰশ্ন জাগৃত হয়। তেওঁ এই প্ৰশ্নৰ উত্তৰততাৎক্ষনিক অভিজ্ঞতাক স্বীকাৰ কৰিছে যিয়ে সমগ্ৰ সত্তাক একীকৰম কৰাৰ ক্ষমতা থাকে।

ব্ৰেড্‌লিৰ দৰ্শনত সত্তা হ'ল সৰ্বোচ্চ সম্বন্ধীয়। চিন্তন সম্বন্ধীয়হোৱাৰ বাবে সত্তা সম্পূৰ্ণ ব্যক্তিগত পদ্ধতিৰ সহায়ত প্ৰকাশিত। সেইবাবে ব্ৰেড্‌লিয়ে সকলোবোৰ সসীমবস্তুক সত্তাৰ অৱভাস বুলি অভিহিত কৰিছে বাবে সকলো অৱভাস সমভাৱে অসম্পূৰ্ণ নহয়। তেওঁৰ মতে দুটা অৱভাসৰ লগত এটাৰ প্ৰকৃত সত্যতা সদায় বেছি।

সেইবাবে পৰম সত্তাৰ সম্পূৰ্ণতা বা অসম্পূৰ্ণনতা সম্পৰ্কে কোনো পৰ্য্যায় নাথাকে। ব্ৰেডলিৰ দৰ্শনত পৰমসত্তা যদি একমাত্ৰ সত্তা হয় তেন্তে অন্য কলোবোৰ অৱভায়েই সত্য হ'ব তেন্তে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে প্ৰশ্ন উদিত হ'ব পাৰে।

ব্ৰেডলিয়ে কেতিয়াও ঈশ্বৰ আৰু পৰমসত্তাক একে বুলি ভৱা নাছিল। সেইবাবে তেওঁ যুক্তি উপস্থাপন কৰিছে যে পৰমসত্তা কেতিয়াও ধৰ্মত ঈশ্বৰ হ'ব নোৱাৰে। সেইবাবে ব্ৰেড্লিয়ে কৈছে ঈশ্বৰৰ স্থান মানুহতকৈ পৃথক আৰু উচ্চ। তেওঁ ঈশ্বৰক সকলো বস্তুতে অৰ্ন্তনিহিত হোৱা কথাটো অস্বীকাৰ কৰিছে যদিও ঈশ্বৰক সত্তাৰ উপাদান ৰূপে স্বীকাৰ কৰিছে। ঠিক একেধৰণৰ বক্তব্য পাওঁ ৰাধাকৃষ্ণনৰ দৰ্শনত। তেওঁও কৈছে যে ঈশ্বৰ হ'ল পৰমসত্তাৰ উপাদানহে মাথোন। সেইবাবে ৰাধাকৃষ্ণনৰ দৰ্শনৰ জগতৰ ব্যাখ্যাত ঈশ্বৰে হ'ল পৰমসত্তা যদিও পৰমসত্তাৰ একমাত্ৰ অৱভাস নহয়। ঈশ্বৰক পৰমসত্তাৰ লগত একীকৰণ কৰিব পাৰি যদিহে ইয়াক পৃথক উপাদান বুলি স্বীকাৰ কৰা নহয়। ৰাধাকৃষ্ণনৰ দৰ্শনত ঈশ্বৰ আৰু পৰমসত্তা অতি নিবিড় সম্পৰ্ক থকাৰ বাবে অতি সত্তা গঠনৰক্ষেত্ৰত সহায়ক হয়।

১০.৭ ব'চাণ্ডেক আৰু ৰাধাকৃষ্ণন

উনৈশ শতিকাৰ শেষাৰ্ধত আৰু বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ ভিতৰত বাৰ্নড ব'চাণ্ডেক (১৮৪৮-১৯২৩) আছিল এজন ইংৰাজ দাৰ্শনিক। তেওঁ আছিল ব্ৰেড্লিৰ অত্যন্ত অনুগামী আৰু পৰম ভাৱবাদৰ সমৰ্থক। সেইবাবে তেওঁক অভিজ্ঞতা পূৰ্ব দাৰ্শনিক বুলি স্বীকাৰ কৰা হয়। তেওঁত একমাত্ৰ পৰমসত্তাকে সম্পূৰ্ণ সত্তা বুলি স্বীকাৰ কৰিছিল। সেইবাবে পৰমসত্তা অমূৰ্ত থাৰ্বিক নহয় অনেকৰ পৰা পৃথক নহয়। ই হ'ল সম্পূৰ্ণ মূৰ্ত সত্তা আৰু সমগ্ৰতা অৰ্ন্তনিহিত হোৱাৰ বাবে বহুতৰ মাজত এক কৰিবলৈ সক্ষম হয়। সেইবাবে ব'চাণ্ডেক কৈছে অনৈক্যৰ মাজত ঐক্য, সমগ্ৰতাই হ'ল মূৰ্ত জগত।

ঠিক সেইদৰে ৰাধাকৃষ্ণনৰ পৰমসত্তা অমূৰ্ত ঐক্য নহয়, ই হ'ল মূৰ্ত জগত বিভিন্নতাৰ মাজত হোৱা বন্ধন। সেইবাবে ৰাধাকৃষ্ণনৰ মতে পৰমসত্তা হ'ল এক সমগ্ৰতা যি সম্পূৰ্ণ ব্যক্তিগত আৰু সকলোৰে পূৰ্ণতাপ্ৰাপ্ত সত্তা। পৰমসত্তাই কেৱল সংযোগ সাধন কৰে ই কেতিয়াও ধ্বংস বা বিনষ্ট নকৰে।

ব'চাণ্ডেকৰ দৰ্শনত পৰমসত্তা হ'ল একে জাতীয় সমগ্ৰতা,বহুতৰ মাজত থকা ঐক্য। সকলো বস্তু আৰু চিন্তাৰ আধাৰ হ'ল এই পৰম সত্তা। তেওঁৰ মতে, এনেধৰণৰ একেজাতীয় সমন্বয় সম্ভৱ হয় কেৱল পূৰ্ণ্ড বিশেষ অভিজ্ঞতাৰ একত্ৰীকৰণৰ জৰিয়তেহে আৰু বিশেষ সমীম মনক সম্পূৰ্ণৰূপে অভিজ্ঞতাকঅন্তভুক্তিৰ জৰিয়তে।

সেইবাবে অৰ্জিত সকলো বস্তু আৰু চিন্তাই সমগ্ৰ সত্তাত অন্তভুক্ত কৰণেৰে ইয়াৰ অপৰিৱৰ্তিত সমগ্ৰতা সৃষ্টি কৰে কিন্তু এই অপৰিবৰ্তিত সমগ্ৰতাই বহুত্বৰ পৃথকত্ব নকৰে।

ৰাধাকৃষ্ণনৰ পৰমসত্তাৰ ধাৰণাই সমগ্ৰ সত্তাক সংযোগবিহীন নকৰে যদিও সুসংগঠিত সমগ্ৰতাক আন্তঃসম্বন্ধেৰে সম্বন্ধিত কৰে। তেওঁৰ পৰম সত্তাৰ ধাৰণাই সকলো পৃথকত্বক অৰ্ন্তভুক্ত কৰি ৰাখে। সেইবাবে পৃথকত্বক একীকৰণ কৰাই হ'ল ইয়াৰ উদ্দেশ্য, বৰ্হিকৰণ নহয়। তেওঁ উল্লেখ কৰিছে যে জগতৰ অস্তিত্ব সম্ভৱ হয় কেৱল ইয়াৰ অংশবোৰৰ জৰিয়তেহে আৰু এই অংশবোৰক উপলব্ধ কৰা সম্ভৱ হয় মাথো সমগ্ৰতাৰ মাধ্যমতহে। তেওঁৰ পৰমসত্তাৰ ধাৰণা অমূৰ্ত নহয়, ই হ'ল সম্পূৰ্ণৰূপে মূৰ্ত সমগ্ৰতা আৰু ভিন্ন বোৰক অভিন্ন কৰাহে।

বচাণ্ডেক উল্লেখ কৰিছে যে ঈশ্বৰে কেৱল মাত্ৰ সত্তা নহয়, ই হ'ল সত্তাৰ আকাৰ বা অৱভাস আৰু সেই আকাৰবা অৱভাস সসীম অধ্যাত্মৰ লগত নিবিড় সম্বন্ধ থাকে। ঠিক সেইদৰে ৰাধাকৃষ্ণনৰ মতেও ঈশ্বৰ কেৱল পৰম সত্তাৰ অৱভাস নহয়, মানৱৰ দৃষ্টিত ঈশ্বৰেি পৰম সত্তা। সেইবাবে ৰাধাকৃষ্ণনে কৈছে অতি মানমেই হ'ল পৰমসত্তা মানৱৰ দৃষ্টিভংগীৰৰে আৰু ঈশ্বৰ মানৱৰ লগত সম্বন্ধিত। সেই বাবে পৰম সত্তা হ'ল ঈশ্বৰৰ পূৰ্বগত আৰু ঈশ্বৰেি হ'ল পৰম সত্তা মানৱৰ সৃষ্টিত। সেইবাবে উপলব্ধ হয় যে ই কেৱল দৃষ্টিভংগীৰহে পাৰ্থক্য।

১০.৮ ৰইচ আৰু ৰাধাকৃষ্ণন

জচিয়াহ ৰইচ (১৮৫৫-১৯১৬) আছিল এজন আমেৰিকাৰ ভাৱবাদী দাৰ্শনিক। তেওঁ দৰ্শনত ভাৱবাদক ব্যক্তিৰ ইচ্ছাক প্ৰাধান্য বা গুৰুত্ব আৰোপ কৰিছিল বুদ্ধি বা স্বজ্ঞাতকৈ। ৰইচেও দৰ্শনত হেগেলৰ মূৰ্ত সাৰ্বিক ধাৰণাক সমৰ্থন কৰিছিল আৰু পৰমসত্তাকে মূৰ্ত সাৰ্বিক ধাৰণাক সমৰ্থন কৰিছিল আৰু পৰমসত্তাকে মূৰ্ত সমগ্ৰতা বুলি ধাৰণা কৰিছিল। সেইবাবে তেওঁৰ পৰমসত্তা হ'ল সমগ্ৰতা আৰু গুনেৰে ভৰপূৰ। পৰম সত্তা হ'ল আত্মা আৰু আত্মচৈতন্যতা ইয়াৰ গুণ। সেইবাবে মূৰ্ত ব্যক্তিত্বই হ'ল জগতৰ আত্মাৰ প্ৰকাশ। সেইবাবে সত্তাই হ'ল এক অথবা বহুৰ ঐক্য। সেইবাবে ৰইছে পৰমসত্তা সম্পৰ্কে কৈছে— আমি যেনেকৈ বাসকলো সেইদৰেই অভিজ্ঞতা উপলব্ধ হয়। মানুহৰ চিন্তাত এই অভিজ্ঞতা ব্যক্ত হয়। প্ৰত্যেকটো বৌদ্ধিক ব্যাখ্যাই মানুহৰ অভিজ্ঞতা লব্ধ আৰু গভীৰ সু-সংগঠিত সমগ্ৰতাৰ অৰ্বিভাৱ হয়। এই ঐক্য জগতৰ জৈৱিক অৱস্থানৰ পৰাহে উপলব্ধ সম্ভৱ হয়। সেইবাবে সত্তাৰ যিকোনো প্ৰকাৰৰ অভিজ্ঞতাই মানুহক আৰু বেছি সু-সংগঠিত অভিজ্ঞতা উপলব্ধ হোৱাত সহায়ক হয়। মানুহৰ অভিজ্ঞতাই বৰ্তমানক আৰু সু-সংগঠিত অভিজ্ঞতা প্ৰদান কৰিব পাৰে। সেইবাবে ৰইচে পৰমসত্তাক অপৃথকত্বহীন ঐক্য বুলি স্বীকাৰ কৰা নাই। এই সকলোবোৰ সসীম ধাৰণাৰ আন্তঃসংগঠিত পদ্ধতি।

ঠিক সেইদৰে ৰাধাকৃষ্ণনেও কৈছে যে পৰমসত্তা হ'ল সংগঠিত সমগ্ৰতায'ত বিভিন্ন অংশবোৰ আন্তঃসম্বন্ধিত হৈ থাকে। ই হ'ল মূৰ্ত সমগ্ৰতা য'ত বিভিন্নতাবোৰ একগোট হৈ থাকে। কিন্তু ৰাধাকৃষ্ণনৰ পৰমসত্তা বিভিন্ন গুণৰ সমষ্টি নহয়। আনহাতে দাৰ্শনিক ৰইচে পৰমসত্তা আৰু ঈশ্বৰৰ মাজত প্ৰভেদ আছে বুলি স্বীকাৰ কৰা নাই। তেওঁ কেৱল পৰমসত্তা আৰু ঈশ্বৰ শব্দৰ অৰ্থ পৃথক বুলি কৈছে যদিও একে সত্তাৰ ক্ষেত্ৰত ব্যৱহিত হয়। সেইবাবে তেওঁ ঈশ্বৰৰ শুনাৱলীবোৰকে পৰমসত্তাৰ একে গুণাৱলী বুলি তেওঁৰ দৰ্শনত উল্লেখ কৰিছে।

ৰাধাকৃষ্ণনৰ দৰ্শনত পৰমসত্তা কোনো শুনৰ সমষ্টি নহয় বুলি কৈছে যদিও ঈশ্বৰ সম্পূৰ্ণৰূপে তাত্ত্বিক আৰু নৈতিক গুণৰ সমষ্টি বুলি স্বীকাৰ কৰে। সেইবাবে ৰাধাকৃষ্ণনৰ দৰ্শনত ঈশ্বৰ আৰু পৰম সত্তাৰ সম্পৰ্কত কৈছে যে পৰমে হ'ল পৰম অধ্যাত্ম আৰু পৰমে হ'ল ব্যক্তিৰ ঈশ্বৰ যদিও ই গুণৰ সমাহাৰ নহয়। সেইবাবে পৰমসত্তা আৰু ঈশ্বৰ সম্পূৰ্ণৰূপে দুয়োটা পৃথক কিয়নো এটা গুণৰ পৰা বৰ্হিৰাগত আৰু আনটো গুনেৰে বিভূষিত। সেইবাবে জগতত ঈশ্বৰেই পৰমসত্তা। দুয়োটাৰ মাজৰ পাৰ্থক্য কেৱল ব্যাখ্যাগতহে।

১০.৯ শংকৰ আৰু ৰাধাকৃষ্ণন

ভাৰতীয় দাৰ্শনিক শঙ্কৰ (৭৮৮-৮২০) আছিল অদ্বৈতবাদী দাৰ্শনিক। তেওঁৰ মতে দৰ্শনত পৰম সত্তা হ'ল অপৃথকত্ব ঐক্য। যিহেতু ই যু-সংগঠিত সমগ্ৰতা নহয় সেইবাবে সকলো প্ৰকাৰৰ আন্তঃসম্বন্ধ পৰিহাৰ কৰে। অন্য হাতে ৰাধাকৃষ্ণনৰ দৰ্শনত পৰমসত্তাই সকলোবোৰ পাৰ্থক্যক একীকৰণ কৰে। তেওঁৰ মতে পৰমসত্তাই হ'ল সম্পূৰ্ণ বিশুদ্ধ, আৱেগহীন সত্তা হোৱাৰ বাবে দ্বিধাবোধৰ সৃষ্টি কৰে। তেওঁ উল্লেখ কৰিছেযে এক সম্ভাৱনাময় পৰিৱেশৰ পৰা পৰমসত্তাই এক মাত্ৰ সত্তা আৰু ঈশ্বৰ বুলি পৰিগনিত হৈছে। সেইবাবে পৰমসত্তা, জগতত ঈশ্বৰহৈ সম্বন্ধিত হৈ আছে। তেওঁ ঈশ্বৰক সৃষ্টি কৰ্তা, পালন্তা আৰু নিয়ন্ত্ৰা ৰূপে জগতত বিদ্যামান হৈ আছে বুলি অভিহিত কৰাৰ লগতে পৰমসত্তাৰ লগত সম্বন্ধিত বুলি অভিহিত কৰিছে।

কিন্তু শংকৰে ঈশ্বৰক কেতিয়াও পৰমসত্তা বুলি জ্ঞান কৰা নাই অথবা দুয়োটা পৃথক সত্তা বুলি উল্লেখ কৰা নাই। তেওঁৰ মতে পৰমসত্তাই হ'ল ঈশ্বৰ বা ভগৱান আৰু মায়া হ'ল ইয়াৰ গুণ। সেইবাবে সকলোবোৰ মায়াৰ সৃষ্টি। ঈশ্বৰ বা ভগৱান হ'ল শুদ্ধ সত্য বা ভগৱান আৰু মায়া হ'ল ইয়াৰ গুণ। সেইবাবে সকলোবোৰ মায়াৰ সৃষ্টি। ঈশ্বৰ বা ভগৱান হ'ল শুদ্ধ সত্য বা প্ৰকৃত আৰু মায়াতে ই বিলিন হয়। কিন্তু ৰাধাকৃষ্ণনৰ মতে দুয়োটাই অৰ্থাৎ পৰমসত্তা আৰু ঈশ্বৰ বা ভগৱান প্ৰকৃত বা সত্য। পৰমসত্তা হ'ল ঈশ্বৰৰ পূৰ্ব অৱস্থা। ঈশ্বৰ বা ভগৱান কেতিয়াও লুপ্ত নহয়। ঈশ্বৰ বা ভগৱান পৰমসত্তাৰ অৰ্ন্তৰালত সৰ্বত্ৰে অৰ্ন্তনিহিত।

সেইবাবে দেখা যায় শংকৰআৰু ৰাধাকৃষ্ণন দুয়োজনে পৰমসত্তা আৰু ঈশ্বৰৰ মাজত প্ৰভেদ আনিছে। শংকৰে তেওঁৰ দৰ্শনত পৰমসত্তা বা ব্ৰহ্মক অধিক গুৰুত্ব আৰোপ কৰি নিৰ্গুন ব্ৰহ্ম বুলি অভিহিত কৰিছে। শংকৰৰ ব্ৰহ্ম হ'ল এক শূন্য গৰ্ভ ঐক্য। জগত এক ভ্ৰম মাথোন। সৃষ্টিয়েই যেতিয়া মায়া বা ভ্ৰম সেয়ে সৃষ্টিকৰ্ত বা ঈশ্বৰৰ ধাৰণাত অবাস্তৱ। তেওঁৰ মতে অৱশ্যে পাৰপাৰ্থিক আৰু ব্যৱহাৰিক সৃষ্টিৰ মাজত প্ৰভেদ আছে। পৰমাৰ্থিক দৃষ্টিৰ পৰা যি ব্ৰহ্ম ব্যৱহাৰিক দৃষ্টিৰ পৰা সেয়ে সৃষ্টিকৰ্তা ঈশ্বৰ। আত্মজ্ঞান উদয়ৰ ফলত জগত ভ্ৰম যেতিয়া দূৰীভুত হয় তেতিয়া ব্ৰহ্মই যে কেৱল একমাত্ৰ সত্য জগত আৰু জগত স্ৰষ্টা ঈশ্বৰৰ কোনো যথাৰ্থ সত্তা নাই এি সত্যৰ উপলব্ধি ঘটে।

অন্যহাতে ৰাধাকৃষ্ণনে পৰম সত্তা আৰু ঈশ্বৰক সমানে স্থান প্ৰদান কৰি কৈছে যে পৰমসত্ত্ৰা হ'ল অতীন্দ্ৰীয় সত্তা আৰু ঈশ্বৰ বা ভগৱান হ'ল- অন্তঃস্থিত সত্তা। তেওঁৰ মতে ঈশ্বৰ বা ভগৱান হ'ল একমাত্ৰ সত্তা যিয়ে শেষলৈকে পৰমসত্তাৰ লগত এক বা মিল হৈ থাকে।

ৰাধাকৃষ্ণনে সেয়ে শংকৰৰ দৰে ঈশ্বৰক মায়া আৰু অবিদ্যাৰ সৃষ্টি ৰূপে ধাৰণা কৰা নাই। সৃষ্টি আৰু ঈশ্বৰ উভয়েই সত্য। পৰমসত্তা হ'ল অসীম সম্ভাৱনা। অসীম সম্ভাৱনা এটাৰ বাস্তবয়িত ৰূপেই হৈছি জগত। বাস্তবায়িক সম্ভাব্যতা অৰ্থাৎ জগতৰ লগত সম্পৰ্কিত পৰমসত্তাৰ সীমিত স্বৰূপেই হ'ল ঈশ্বৰ। জগতৰ অতিবৰ্তী ঈশ্বৰৰ অসীম সম্ভাৱনাময় স্বৰূপেই পৰম সত্তা। ৰাধাকৃষ্ণনৰ দৰ্শনত ঈশ্বৰ বা ভগৱান নিজেই উচ্চতম সত্তা হিচাপে স্বীকাৰ কৰা হয়. সেইবাবে ৰাধাকৃষ্ণনৰ দৰ্শনত পৰমসত্তা আৰু ঈশ্বৰ বা ভগৱানক একেটা মুদ্ৰাৰে দুটা পিঠি বুলি অভিহিত কৰিছে। পৰমসত্তা আৰু ঈশ্বৰ একেই হোৱাৰ বাবে দুয়োটাকে শীৰ্ষ স্থান প্ৰদান কৰা হয়।

১০.১০ ৰামানুজ আৰু ৰাধাকৃষ্ণন

ভাৰতীয় দাৰ্শনিক ৰামানুজ (১০২৭-১১৩৭) আছিল ভাৰতীয় দাৰ্শনিক ৰামানুজ হিন্দু ধৰ্মৰ বৈষ্ণৱ পৰম্পৰাৰ পৃষ্ঠপোষক। তেওঁ বেদান্ত দৰ্শনত বিশিষ্টদ্বৈতবাদ প্ৰবৰ্তন কৰিছিল। তেওঁ বেদান্ত দৰ্শনত বিশিষ্টাদ্বৈতবাদ প্ৰৱৰ্তন কৰিছিল। তেওঁ ব্ৰহ্মাকে পৰমসত্তা বুলি স্বীকাৰ কৰিছে। সেইবাবে ব্ৰহ্মাক সত্তাৰ সমগ্ৰতা হিচাপে মানি লোৱাৰ ওপৰিও শাশ্বত গুনেৰে অৰ্ন্তঃনিহিত। তেওঁ 'ব্ৰহ্মা'ক এক উচ্চতম পুৰুষ (পুৰুষোত্তম) বুলি স্বীকাৰ কৰিছে। ৰামানুজে পৰমসত্তাক গুনাৱলীবোৰ সাধাৰণতে ধৰ্মত ঈশ্বৰক প্ৰক্ষেপ কৰা গুনাৱলীবোৰেই বুলি উল্লেখ কৰিছে।

ৰামানুজে তেওঁৰ দৰ্শনত পৰম সত্তা আৰু ধৰ্মত ঈশ্বৰৰ স্থান একেই বুলি স্বীকাৰ কৰে। সেইবাবে তেওঁ সময় সাপেক্ষে ব্ৰহ্ম, ঈশ্বৰ বা ভগৱান শব্দৰ প্ৰয়োগ সমাৰ্থক বুলি ভাৱে। ৰাধাকৃষ্ণনেও সত্তাক কেৱল একমাত্ৰ সমগ্ৰতা বুলি অভিহিত কৰিছে। যদিও তেওঁ পৰমসত্তাক ঈশ্বৰ বা ভগৱানৰ সৈতে সমান বুলি ভৱা নাই। সেয়ে ড^{0} ৰাধাকৃষ্ণনৰ মতে সত্তাক যেতিয়া উদ্দেশ্য বিধেয় সম্পৰ্কেৰে গঠিত হয় তেতিয়া পৰমসত্তা বুলি কোৱা হয় আৰু যেতিয়া সৃষ্টিৰ কাৰক হিচাপে বিবেচনা কৰা হয় তেতিয়া ঈশ্বৰ বা ভগৱান ৰূপে প্ৰকাশিত হয়। সেয়ে পৰমসত্তা আৰু ঈশ্বৰ একে সত্তা বুলি কোৱা হয়।

ঠিক ৰামানুজৰ নিচিনাকৈ ৰাধাকৃষ্ণনেও কৈছে যে পৰমসত্তাই হ'ল পূৰ্ণ আৰু জগতৰ পৰিবৰ্তনে পৰম সত্তাৰ পূৰ্ণতাক পৰিবৰ্তন কৰিব নোৱাৰে। সেইবাবে ৰাধাকৃষ্ণনে কৈছে যে যেতিয়া পৰমসত্তাক সীমিত বুলি জ্ঞান কৰা হয় তেতিয়াই ই সত্য, শিৱ আৰু সুন্দৰৰূপে দেখা দিয়ে। সেইবাবেই পৰমসত্তাই নিজকে ঈশ্বৰৰূপে স্ৰষ্ট নিয়ন্তা আৰু পালনকৰ্তা হিচাপে জগতত আবিৰ্ভাৱ হয়। ৰাধাকৃষ্ণনে কেতিয়াও ৰামানুজৰ দৰে পৰমসত্তা আৰু ঈশ্বৰক সময় সাপেক্ষে একেই বুলি অভিহিত কৰা নাছিল। তেওঁদৰ্শনত ঈশ্বৰ আৰু পৰমসত্তাৰ সম্বন্বয় সাধন কৰি মানুহৰ তত্ব-বিদ্যাগত বা যৌক্তিক আৰু ধৰ্মীয় স্পৃহা পুৰণ কৰাৰ চেষ্টা কৰিছে। পৰমসত্তাই মানুহৰ যৌক্তিক আৰু ঈশ্বৰে মানুহৰ ধৰ্মীয় অভিলাষ পুৰণ কৰিব পাৰে।

এনেদৰেই ৰামানুজ আৰু ৰাধাকৃষ্ণনে একেটাসত্যকে সামান্য ভিন্নভাৱে প্ৰকাশ কৰিছে। ৰামানুজে কেতিয়াওতেওঁৰ দৰ্শনত পৰমসত্তা আৰু ঈশ্বৰ বা ব্ৰহ্মাক পৃথক স্থান প্ৰদান কৰা নাছিল আৰু ৰাধাকৃষ্ণনে পৰমসত্তা আৰু ঈশ্বৰক সমন্বয় সাধন কৰি একেটা সত্যকে প্ৰকাশৰ চেষ্টা কৰিছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্নঃ ৫ দাৰ্শনিক হেগেলৰ মতে পৰম অধ্যাত্ম বুলিলে কি বুজা?

প্ৰশ্নঃ ৬ দাৰ্শনিক ব্ৰেড্লিৰ দৰ্শনত অধ্যাত্ম লাভৰ উপায় কেনেদৰে ব্যাখ্যা কৰিছে?

প্ৰশ্নঃ ৭ দাৰ্শনিক ব'চাণ্ডেক দৰ্শনত পৰমসত্তা সম্পৰ্কে কেনেদৰে ব্যাখ্যা কৰিছে?

১০.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ড০ সৰপল্লী ৰাধাকৃষ্ণন এজন ভাৰতীয় দাৰ্শনিক আৰু ৰাজনীতিবিদ আছিল। তেওঁ দৰ্শনিক আৰু ৰাজনীতিবিদ আছিল। তেওঁ দৰ্শনত পৰমসত্তা আৰু ঈশ্বৰ উভয়ক স্বীকাৰ কৰি সমন্বয় সাধন কৰিছে।
- ৰাধাকৃষ্ণনৰ মতে পৰমসত্তা হ'ল নামৰূপ বিহীন শুদ্ধ চৈতন্য স্বৰূপ। সৃষ্টিৰ বৈচিত্ৰতা পৰম সত্তাৰে বিচিত্ৰ প্ৰকাশয যিকোনো এটা সম্ভাব্যতাক বাস্তৱৰূপ দিবলৈ সমৰ্থ।
- হেগেল আৰু ৰাধাকৃষ্ণন দুয়োজনেই স্বীকাৰ কৰে যে সত্তাই হ'ল আত্মা আৰু এক। হেগেলৰ মতে আত্মাই হ'ল বহুৰ মাজত এক। তেওঁৰ মতে আত্মা মূৰ্ত সাৰ্বিক আৰু ই বিভেদহীন আৰু সম্বন্ধহীন। ৰাধাকৃষ্ণনৰ মতেও পৰমসত্তা হ'ল মূৰ্ত সমগ্ৰতা আৰু বিচ্ছিন্নতাক সমন্বয় সাধন কৰে।
- ব্ৰেড্লিৰ দৰ্শনত মতাক অধ্যাত্ম বুলি অভিহিত কৰিছে। এই অধ্যাত্মহ'ল সম্পূৰ্ণৰূপে জৈৱিক সমগ্ৰতা আৰু এই সমগ্ৰতাতসকলো অন্তৰ্নিহিত । তেওঁ ঈশ্বৰ বা ভগৱানক অন্তৰ্নিহিত সত্তা হিচাপ নাভাৱে যদিও সত্তাৰ উপাদান হিচাপে গণ্য কৰে। ৰাধাকৃষ্ণনৰ নিচিনাকৈ তেওঁ ঈশ্বৰক পৰম সত্তাৰ উপাদান বুলিহে স্বীকাৰ কৰে। ৰাধাকৃষ্ণনে ঈশ্বৰকে নিবিড় পৰমসত্তা বুলি স্বীকাৰ কৰে যদিও পৰমসত্তাৰ অৱভাস বুলি স্বীকাৰ নকৰে।
- ব'চাণ্ডেকৰ দৃষ্টিত পৰমসত্তাই হ'ল মূৰ্ত চিৰন্তন। সেইবাবেই ই বহুতৰ মাজত এক কৰিবলৈ সক্ষম । সেইদৰে ৰাধাকৃষ্ণনৰ দৰ্শনত পৰমসত্তা হ'ল মূৰ্ত সমগ্ৰতা আৰু বিভিন্নতাৰ মাজত এক। ব'চাণ্ডেকৰ মতে, ঈশ্বৰ বা ভগৱান নিজে সত্তা হ'ব নোৱাৰে কিন্তু সত্তাৰ অৱভাসহে মাথোন। ৰাধাকৃষ্ণনৰ দৰ্শনত ঈশ্বৰ পৰমসত্তাৰ অৱভাস নহয় যদিও জগতৰ পেক্ষাপতত ই পৰমসত্তা।
- ৰইচৰ পৰমসত্তা হ'ল গুনেৰে আবৃত সমগ্ৰতা। পৰমসত্তাই হ'ল আত্মা আৰু চৈতন্যতা ইয়াৰ গুণ। সত্তা হ'ল এক আৰু বহুৰ সমাহাৰ। পৰমসত্তা কেতিয়াও অপৃথকত্বৰ সমাহাৰ হ'ব নোৱাৰে। সকলো সমীম ধাৰণাৰ ই সমাহাৰ। কিন্তু ৰাধাকৃষ্ণনৰ পৰমসত্তা হ'ল সু-সংগঠিত সমগ্ৰতা আৰু আন্তঃসম্পৰ্কযুক্ত তেওঁৰ মতে পৰমসত্া গুণৰ সমাহাৰ নহয়।
- শংকৰৰ পৰমসত্তা হ'ল নিৰ্গুন ব্ৰহ্ম। তেওঁৰ ব্ৰহ্ম এক শূন্য গৰ্ভ ঐক্য। ৰাধাকৃষ্ণনৰ দৰ্শনত পৰমসত্তা আৰু ঈশ্বৰৰ সমন্বয় সাধন হৈছে। শংকৰৰ মতে জগত এক ভ্ৰম মাথোন। সৃষ্টিয়ে যেতিয়া ভ্ৰম বা মায়া সেয়ে সৃষ্টি কৰ্তা বা ঈশ্বৰৰ ধাৰণাও অবাস্তৱ। কিন্তু ৰাধাকৃষ্ণনৰ দৰ্শনত পৰমসত্তা আৰু ঈশ্বৰ উভয়েই প্ৰকৃত বা সত্য।
- ৰামানুজৰ দৰ্শনত ব্ৰহ্মাকে পৰম সত্তা বুলি অভিহিত কৰিছে। ব্ৰহ্মাই হ'ল সত্তাৰ সমগ্ৰতা আৰু শাশ্বত গুনেৰে সমাহিত। সেইবাবে তেওঁ ব্ৰহ্ম আৰু ঈশ্বৰক সময়ে সময়ে একেই অৰ্থত ব্যৱহাৰ কৰিছে। ঠিক সেইদৰে ৰাধাকৃষ্ণনেও সত্তাক এক সমগ্ৰতা বুলি উল্লেখ কৰিছে। কিন্তু তেওঁ পৰমসত্তাককেতিয়াও ঈশ্বৰ বা ভগৱান বুলি অভিহিত কৰা নাই।

১০.১২ অধিক জানিবলৈ

[1] Radhakrishnan, S (1980), An Idealish View of life. Union Poperebarks, London 1980.
[2] Radhakrishnan, S (1920), The Reign of Religion in Contemporary Philosophy, S. Radhakrishnan, Macmillan,London.
[3] P.A. Schillp(ed) (1952), The Philosophy of Sarvepalli Radhakrishnan, Tudor Publishing Company New York.
[4] Bradley, F.H (1969), Appearance and Reality , F.H, Bradley, Oxford University Press, London.
[5] Bosanquet, B(1927), The Principle of Individuality and Value, Macmillan and Co. Ltd.., London.
[6] Royace, J. (1959). The World and the Individual (First Series) Dover Publications, New York
[7] Radhakrishnan, S & Muirhead (ed)J. (1952). Contemporary Indian Philosophy George Allen and Union Ltd. London. 1952.
[8] Radhakrishnan, S (1989),Indian Philosophy (Vol.17) Centenary Edition, Second Impression, Oxford University Press, Delhi 1989.

১০.১৩ অগ্রগতিৰ খতিয়ান

উত্তৰ নং১ ঃ (ক) আৱেগহীন
(খ) কাণ্টৰ পশ্চাভৱৰ্তী

উত্তৰ নং২ ঃ দৰ্শনৰ পৰমসত্তা আৰু ধৰ্মৰ ঈশ্বৰৰ মাজত সমস্যাৱলী

উত্তৰ নং৩ ঃ পৰমসত্তাই হ'ল মূল আধাৰ বাস্তৱতা আৰু সম্ভাব্যতাৰ।

উত্তৰ নং৪ ঃ ৰাধাকৃষ্ণৰ মতে মানৱৰ সষ্টিত ঈশ্বৰেই হ'ল পৰমসত্তা।

উত্তৰ নং৫ ঃ হেগেলৰ মতে পৰমসত্তাই হ'ল মূৰ্ত বিশ্বব্ৰহ্মাণ্ড যিয়ে পৃথকত্বহীন আৰু সমন্ধহীন।

উত্তৰ নং৬ঃ ব্ৰেডলিৰ অধ্যাত্ম হ'ল জৈৱিক বিশ্বব্ৰহ্মাণ্ডযত বিশ্বব্ৰহ্মাণ্ড অন্তনিৰ্হিত সকলো অংগত। কিন্তু ইয়াক সম্বন্ধীতআকাৰত লাভ কৰিব নোৱাৰি।

উত্তৰ নং৭ ঃ ৰু'চাবেকেৰ পৰমসত্তা হ'ল মূৰ্ত বিশ্ব ব্ৰহ্মাণ্ড— ই হ'ল অন্তনিহিত একেজাতীয় বিশ্ব ব্ৰহ্মাণ্ড যিয়ে বহুতৰ মাজত এক— বহুতৰ মাজত ই এটা গোট।

১০.১৪ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন-

প্ৰশ্ন নং১ ঃ ড০ সৰ্বপল্লী ৰাধাকৃষ্ণন কোন?

প্ৰশ্ন নং২ ঃ ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনে পৰমসত্তাক কেনেদৰে ব্যাখ্যা কৰিছিল?

প্ৰশ্ন নং৩ ঃ জৰ্জ উইলহেম ফ্ৰেড্ৰিক হেগেল কোন?

প্ৰশ্ন নং৪ ঃ ব্ৰেডলিৰ মতে পৰম সত্তা মানে কি?

প্ৰশ্ন নং৫ ঃ ব'চাংকে আৰু ৰাধাকৃষ্ণনৰ পৰম সত্তাৰ মাজত সাদৃশ্য আছেনে?

প্ৰশ্ন নং৬ ঃ আমেৰিকাৰ ভাৱবাদী দাৰ্শনিক জনৰ নাম কি যিয়ে পৰমসত্তাৰ গুনবোৰ চহকী বুলি কৈছিল?

প্ৰশ্ন নং৭ ঃ অদ্বৈত বেদান্ত কোনে প্ৰতিষ্ঠা কৰিছিল?

প্ৰশ্ন নং৮ ঃ শংকৰে ঈশ্বৰ আৰু পৰমসত্তাক একে বুলি কৈছিলনে?

প্ৰশ্ন নং৯ ঃ মায়া মানে কি?

প্ৰশ্ন নং১০ ঃ বেদান্ত দৰ্শনৰ বিশিষ্টাদ্বৈতবাদৰ মুখ্য প্ৰবৰ্তক কোন?

প্ৰশ্ন নং১১ ঃ ৰামানুজৰ মতে 'ব্ৰহ্ম'ৰ শব্দৰ অৰ্থ কি?

(খ) চমু প্ৰশ্ন (উত্তৰ প্ৰায় ১৫০ মান শব্দৰ ভিতৰত) কৰিব।

প্ৰশ্ন নং১ ঃ হেগেল আৰু ৰাধাকৃষ্ণনৰ পৰমসত্তা সম্পৰ্কে সাদৃশ্য আৰু পাৰ্থক্যবোৰ আলোচনা কৰা।

প্ৰশ্ন নং২ ঃ ব্ৰেডলিয়ে ঈশ্বৰ আৰু পৰমসত্তাক একে বুলি কৈছিলনে? আলোচনা কৰা।

প্ৰশ্ন নং৩ ঃ ব'চাংকে আৰু ৰাধাকৃষ্ণনৰ পৰমসত্তা সম্পৰ্কে তুলনা কৰা।

প্ৰশ্ন নং৪ ঃ ৰামানন্দজ আৰু ৰাধাকৃষ্ণনে ঈশ্বৰ আৰু পৰম সত্তাক কেনেদৰে ব্যাখ্যা কৰিছে? আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্নঃ (উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত) কৰিব।

প্ৰশ্ন নং১ ঃ ৰাধাকৃষ্ণনৰ পৰমসত্তা সম্বন্ধীয় মতবাদটো আলোচনা কৰক।

প্ৰশ্ন নং২ ঃ ৰইচ আৰু ৰাধাকৃষ্ণনৰ পৰমসত্তা সম্বন্ধীয় মতবাদটো ব্যাখ্যা আৰু পৰীক্ষন কৰক।

প্ৰশ্ন নং৩ ঃ শংকৰ আৰু ৰাধাকৃষ্ণনে পৰমসত্তা আৰু ঈশ্বৰৰ সম্বন্ধ সম্পৰ্কে ব্যাখ্যা প্ৰদান কৰিছে- আলোচনা কৰক।

প্ৰশ্ন নং৪ ঃ ব্ৰেডলিৰ দৰ্শনত পৰমসত্তা সম্পৰ্কীয় মতবাদটো বিচাৰমূলক পৰীক্ষন কৰক।

*** **** ***

অধ্যায় ১১ ঃ ৰাধাকৃষ্ণণ ঃ বুদ্ধি আৰু প্ৰজ্ঞা বা স্বজ্ঞা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ জনা বা জ্ঞানৰ বিভিন্ন উপায়সমূহ

১১.৪ বুদ্ধিৰ স্বৰূপ

১১.৫ ৰাধাকৃষ্ণণৰ বুদ্ধিৰ সমালোচনাত্মক মূল্যায়ন

১১.৬ স্বজ্ঞা বা প্ৰজ্ঞাৰ স্বৰূপ

১১.৭ স্বজ্ঞা বা প্ৰজ্ঞাৰ বিভিন্ন অৰ্থ

১১.৮ ৰাধাকৃষ্ণণ আৰু অন্যান্য চিন্তাবিদসকল

১১.৯ বুদ্ধি আৰু প্ৰজ্ঞা

১১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১১.১১ অধিক জানিবলৈ

১১.১২ অগ্ৰগতিৰ খতিয়ান

১১.১৩ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আপুনি—

- ৰাধাকৃষ্ণণৰ মতে জনা বা জ্ঞানৰ বিভিন্ন উপায়সমূহ জানিবলৈ সক্ষম হ'ব
- ৰাধাকৃষ্ণণৰ মতে বুদ্ধি আৰু স্বজ্ঞাৰ স্বৰূপ আলোচনা কৰিবলৈ সমৰ্থ হ'ব
- প্ৰকৃত সত্তাৰ উপলব্ধিত বুদ্ধিৰ ভূমিকাক ব্যাখ্যা ৰিৰিব পাৰিব
- ৰাধাকৃষ্ণণে আগবঢ়োৱাৰ দৰে বুদ্ধিৰ সীমাবদ্ধতাৰ মূল কথাবোৰ চিনাক্ত কৰিবলৈ সক্ষম হ'ব
- আন ভাৰতীয় আৰু পাশ্চাত্যৰ চিন্তাবিদসকলৰ সৈতে ৰাধাকৃষ্ণণৰ স্বজ্ঞাৰ ধাৰণাৰ তুলনা কৰিবলৈ সমৰ্থ হ'ব

১১.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনাক ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে বুদ্ধি আৰু স্বজ্ঞাৰ স্বৰূপ আৰু উভয়ৰে মাজৰ সম্পৰ্কৰ দৰে সমস্যাটোৰ লগত পৰিচয় কৰাব। তেওঁ বিগত শতিকাৰ এজন আগশাৰীৰ ভাৰতীয় চিন্তাবিদ, যিয়ে প্ৰাচ্য আৰু

পাশ্চাত্যৰ দুটা মহান সংস্কৃতিৰ সংশ্লেষণৰ এক দৰ্শনৰ বিকাশ কৰিছিল। ভাৰতবৰ্ষৰ ধ্ৰুপদী বৈদান্তিক পৰম্পৰাক অনুসৰণ কৰি তেওঁ, প্লেটো, ডেকার্ট, স্পিনোজা, ব্ৰেড্‌লি আৰু বাৰ্গচন্‌ৰ দৰে সকলো পাশ্চাত্য চিন্তাবিদৰ সমগ্ৰ মতামত পৰীক্ষা কৰিছিল। অধিবিদ্যামূলক নিশ্চয়তাক ন্যায্যতা প্ৰদান কৰিবলৈ ৰাধাকৃষ্ণণে এক জ্ঞান-বিজ্ঞান সম্পৰ্কীয় মতবাদ উত্থাপন কৰিছিল। ৰাধাকৃষ্ণণৰ মতে প্ৰকৃত সত্তা (Reality) ক জনাৰ তিনিটা উপায় হৈছে ঃ ইন্দ্ৰিয় অভিজ্ঞতা (sense- exprience), সঙ্গতিহীন যুক্তি (discursive reasoning) আৰু বোধশক্তিসম্পন্ন উপলব্ধি (intuitive apprehension) । ইন্দ্ৰিয় অভিজ্ঞতাই আমাক বাহ্যিক জগতখনৰ বাহ্যিক স্বৰূপৰ জ্ঞান লাভ কৰাত সহায় কৰে। সঙ্গতিহীন যুক্তিয়ে প্ৰত্যক্ষিত সমলৰ বিশ্লেষণ আৰু সংশ্লেষণৰ পদ্ধতিৰ দ্বাৰা তৰ্কীয় বা যৌক্তিক জ্ঞানৰ যোগান ধৰে। কিন্তু প্ৰকৃত সত্তাক উপলব্ধি কৰিবলৈ এই দুয়ো প্ৰকাৰৰ জ্ঞানেই অপৰ্য্যাপ্ত। সেই বাবে, প্ৰকৃত সত্তাৰ এক অপৰিহাৰ্য্য মতামত পাবলৈ হ'লে আমি তৰ্কীয় যুক্তিক অতিক্ৰম কৰিবই লাগিব। ৰাধাকৃষ্ণণৰ মতে, ই সম্ভৱ কেৱল স্বজ্ঞা বা প্ৰজ্ঞাৰ দ্বাৰাহে, যিয়ে সমগ্ৰ আত্মাক প্ৰকট কৰে আৰু যাক তেওঁ অপৰিহাৰ্য্য অভিজ্ঞতা ৰূপে স্বীকাৰ কৰিছিল। কিন্তু বুদ্ধিৰ ভূমিকাক ৰাধাকৃষ্ণণে সম্পূৰ্ণৰূপে অস্বীকাৰ কৰা নাছিল; আনহাতে, প্ৰকৃত সত্তাৰ উপলব্ধিৰ পদ্ধতিটোত তেওঁ ইয়াক এক ওপৰঞ্চি কাৰক ৰূপেহে গ্ৰহণ কৰিছে। বুদ্ধি আৰু প্ৰজ্ঞা এইদৰে এটাক আনটোৰ বিৰোধী বুলি ধৰা নহয়। ৰাধাকৃষ্ণণে কেতিয়াও ইহঁতক দুই মেৰু বিশিষ্ট কোনো অৱস্থাৰ দ্বাৰা সংগঠিত বুলি স্বীকাৰ কৰা নাই।

১১.৩ জনা বা জ্ঞানৰ বিভিন্ন উপায়সমূহ

ৰাধাকৃষ্ণণৰ মতে প্ৰকৃত সত্তাক জনাৰ তিনিটা উপায় আছে ঃ ইন্দ্ৰিয় অভিজ্ঞতা (sense-experience) সঙ্গতিবিহীন যুক্তি (Discursive reasoning) আৰু বোধশক্তিসম্পন্ন উপলব্ধি (Intuitive apprehension)।

বাহ্যজগতৰ ইন্দ্ৰিয়গ্ৰাহ্য গুণসমূহৰ জ্ঞান ইন্দ্ৰিয় অভিজ্ঞতাৰ দ্বাৰাই লাভ কৰিব পৰা যায়। ই ইন্দ্ৰিয়গ্ৰাহ্য নাইবা বাস্তৱ বস্তুবোৰৰ অস্পষ্ট অনুভূতিৰ সংগ্ৰহৰ দ্বাৰা প্ৰাকৃতিক বিজ্ঞানলৈ সমলৰ যোগান ধৰে। ইন্দ্ৰিয় অভিজ্ঞতাই কেৱল অভিজ্ঞতা নিৰ্ভৰ জ্ঞানৰহে যোগান ধৰিব পাৰে; ইহঁত প্ৰকৃত সত্ত্বাক উপলব্ধি কৰাৰ ক্ষেত্ৰত সক্ষম নহয়। কিন্তু ৰাধাকৃষ্ণণে ইন্দ্ৰিয় অভিজ্ঞতাক দোষাৰোপ কৰা নাই। তেওঁ ভাৰে যে জ্ঞানৰ পদ্ধতিত ইন্দ্ৰিয় অভিজ্ঞতাই এক অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

সঙ্গতিহীন যুক্তিয়ে প্ৰত্যক্ষিত সমলৰ বিশ্লেষণ আৰু সংশ্লেষণৰ পদ্ধতিৰ দ্বাৰা তৰ্কীয় বা যৌক্তিক জ্ঞানৰ যোগান ধৰে। সেই বাবে, ই প্ৰত্যক্ষৰ (perception) ৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বাবে এই প্ৰকাৰৰ জ্ঞান পৰোক্ষ (indirect)। ই প্ৰকৃতিগত ভাৰে প্ৰতিকাত্মক (symbolic)।

বোধশক্তি সম্পন্ন জ্ঞান অ-ইন্দ্ৰিয়গ্ৰাহ্য (non-sesnuous), অব্যৱহিত (immediate) জ্ঞান। ই পৰোক্ষ, ব্যৱহিত, যৌক্তিক নাইবা অনুমান সম্পৰ্কীয় জ্ঞানতকৈ পৃথক। সঙ্গতিহীন যুক্তিৰ ভূমিকাক ৰাধাকৃষ্ণণে কেতিয়াও নিস্ফল কৰা নাই। বৌদ্ধিক জ্ঞান প্ৰকৃত সত্তাৰ বোধৰ বাবে এক পূৰ্ব-চৰ্ত। বোধশক্তি সম্পন্ন জ্ঞান হৈছে মানুহৰ দ্বাৰা হোৱা জ্ঞান। ই হৈছে এক অব্যৱহিত জ্ঞান নাইবা বিবেক (consciousness) । জ্ঞানৰ অন্যান্য উপায়সমূহৰ দৰে স্বজ্ঞা বা প্ৰজ্ঞা (intuition) ৰ অনিৰ্বচনীয়তাৰ একক বৈশিষ্ট্যৰ হেতু ইয়াৰ এক শুদ্ধ সংজ্ঞা আগবঢ়োৱাটো বৰ কঠিন। ইন্দ্ৰিয়গ্ৰাহ্য জ্ঞান নাইবা প্ৰত্যক্ষ, বৌদ্ধিক জ্ঞানৰ পৰা পৃথক হোৱাৰ বাবে একক অ-ইন্দ্ৰিয়গ্ৰাহ্য অব্যৱহিত

জ্ঞানৰ বাবে হিন্দু চিন্তাবিদসকলে 'অপৰোক্ষ' (Aparoksha) শব্দটো ব্যৱহাৰ কৰিছিল। ভাৰতবৰ্ষৰ প্ৰাচীন বৈদান্তিক পৰম্পৰাক অনুসৰণ কৰি ৰাধাকৃষ্ণণে স্বজ্ঞা (intuition) ক জনা বা জ্ঞানৰ এক উপায় হিচাপে গ্ৰহণ কৰিছে। তেওঁ জ্ঞানৰ আন আন আকাৰৰ সৈতে ইয়াৰ সম্পৰ্কও দেখুৱাইছে। এই সন্দৰ্ভত তেওঁ পাশ্চাত্য চিন্তাবিদসকলৰ সকলো গুৰুত্বপূৰ্ণ মতামত পৰীক্ষা কৰিছিল। স্বজ্ঞাক অপৰিহাৰ্য্য সমগ্ৰতা হিচাপে ধৰা হয়। প্ৰকৃত সত্তাৰ সাৰমৰ্ম কেৱল স্বজ্ঞা বা প্ৰজ্ঞাৰ দ্বাৰাহে বোধগম্য হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ ১ প্ৰকৃত সত্তাক জনাৰ উপায়সমূহ কি কি?

প্ৰঃ ২ ইন্দ্ৰিয় প্ৰত্যক্ষ কি?

প্ৰঃ ৩ সঙ্গতিহীন যুক্তি কি?

প্ৰঃ ৪ স্বজ্ঞা বা প্ৰজ্ঞা কি?

প্ৰঃ ৫ ৰাধাকৃষ্ণণে ইন্দ্ৰিয় অভিজ্ঞতাক দোষাৰোপ কৰিছেনে?

প্ৰঃ ৬ বুদ্ধিৰ জ্ঞান স্বভাৱত প্ৰতীকীয় হয়নে?

১১.৪ বুদ্ধিৰ স্বৰূপ

সঙ্গতিহীন জ্ঞান বৌদ্ধিক জ্ঞান। সঙ্গতিহীন জ্ঞানে আমাক ধাৰণা আৰু প্ৰতীকৰ প্ৰয়োগৰ মাজেৰে আভ্যন্তৰীণ আৰু বাহ্যিক উভয় প্ৰকাৰৰ জ্ঞান প্ৰদান কৰে। সেই বাবে, স্বভাৱত ঃ ই পৰোক্ষ আৰু প্ৰতীকীয়। ই আমাক তৰ্কীয় নাইবা যৌক্তিক জ্ঞান আগবঢ়ায়।

বৌদ্ধিক জ্ঞান প্ৰত্যক্ষিত সমলৰ বিশ্লেষণ আৰু সংশ্লেষণৰ প্ৰক্ৰিয়াৰ দ্বাৰা লাভ কৰিব পৰা যায়। সেই বাবে, বৌদ্ধিক জ্ঞানত আমি প্ৰত্যক্ষ কৰা বস্তুৰ এক অধিক সু-সংবদ্ধ জ্ঞান লাভ কৰোঁ; কাৰণ ইন্দ্ৰিয়ৰ দ্বাৰা যোগান ধৰা সমলবোৰ বিশ্লেষণ কৰা হয় আৰু এটা নতুন সংশ্লেষণৰ সৃষ্টি কৰা হয়।

বৌদ্ধিক জ্ঞানত জ্ঞাতা (knower) আৰু জ্ঞেয় (known), ব্যক্তি (subject) আৰু বিষয় (object) ৰ মাজত সদায় এক পাৰ্থক্য থাকে।

ধাৰণাগত জ্ঞান (conceptual knowldge) আমাৰ প্ৰত্যক্ষ (perception), আমাৰ ৰুচি (interest) আৰু আমাৰ সক্ষমতা (capacities) সমূহৰ ওপৰত নিৰ্ভৰশীল। ই আমাক বিষয় বা বস্তু আৰু ইয়াৰ ক্ৰিয়াক পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰাত সহায় কৰে। বৌদ্ধিক জ্ঞান অব্যৱহিত নহয়। বুদ্ধিত আমি যি পাওঁ, সি প্ৰকৃত সত্তাৰ প্ৰতি এক আংশিক প্ৰতিক্ৰিয়া।

জানি থোৱা ভাল

আত্মাৰ ধাৰণাটো ৰাধাকৃষ্ণণৰ দৰ্শনৰ মূল ধাৰণা। কিন্তু তেওঁ আত্মাক এক দ্ৰব্য (substance) হিচাপে গ্ৰহণ কৰা নাই, ইয়াক জীৱন হিচাপেহে গ্ৰহণ কৰিছে। আত্মা, ঈশ্বৰ আৰু পৰমাত্মা এই সকলো হৈছে বিভিন্ন দিশত

একক সাৰ্বিক আত্মাৰ বিভিন্ন নাম। পৰম ব্ৰহ্ম বা পৰমসত্তা (Absolute) হৈছে সামগ্ৰিক আত্মিক প্ৰকৃত সত্তা, প্ৰকাশ্য আৰু অপ্ৰকাশ্য, বাস্তৱ আৰু সম্ভাৱনাপূৰ্ণ, অনুভব্য আৰু অনানুভব্য। জগতখন পৰম আত্মাৰেই অভিব্যক্তি। জগতৰ ভিত্তি স্বৰূপে পৰম সত্তাই হৈছে ঈশ্বৰ।

১১.৫ ৰাধাকৃষ্ণণৰ বুদ্ধিৰ সমালোচনা

ৰাধাকৃষ্ণণে বুদ্ধিৰ বৈধতা আৰু অবৈধতাক আঙুলিয়াই দিছে। বুদ্ধিয়ে নিজে নিজৰ সমল গোটাব নোৱাৰে। ই ইন্দ্ৰিয় অভিজ্ঞতাৰ দ্বাৰা যোগান ধৰা সমলৰ ওপৰত নিৰ্ভৰ কৰে। ইন্দ্ৰিয় অভিজ্ঞতা পোনপটীয়াকৈ প্ৰকৃত সত্তাৰ অৱভাষৰ সৈতে সম্পৰ্কযুক্ত। একেবাৰে প্ৰথম অৱস্থাত প্ৰকৃত সত্তাক জানিবলৈ বুদ্ধি সক্ষম নহয়।

কিন্তু ৰাধাকৃষ্ণণৰ বুদ্ধি সম্বন্ধীয় সমালোচনাত্মক মন্তব্য প্ৰকৃত সত্তাৰ উপলব্ধিত বুদ্ধিৰ ভূমিকাৰ সামগ্ৰিক অস্বীকৃতি নহয়; তাৰ পৰিবৰ্তে বুদ্ধিৰ সমালোচনাৰ দ্বাৰা তেওঁ কেৱল ইয়াৰ পৰিসৰক সীমাবদ্ধ কৰিবলৈহে যত্ন কৰিছে। তেওঁ ইয়াৰ তাৎপৰ্য্য আৰু গুৰুত্বক নুই কৰা নাই। ৰাধাকৃষ্ণণৰ মতে বুদ্ধিৰ সীমাবদ্ধতা হৈছে যে ইয়াক প্ৰকৃত সত্তাৰ উপলব্ধিত এক স্বতন্ত্ৰ পদ্ধতি হিচাপে গণ্য কৰা নহয়। তেওঁৰ মতে, বুদ্ধিয়ে যি অনুসন্ধান কৰে, সি অৱাস্তৱ নহয়, যদিও ই সম্পূৰ্ণৰূপে বাস্তৱ নহয়। ৰাধাকৃষ্ণণনে তলত দিয়া ধৰণেৰে বুদ্ধিৰ সীমাবদ্ধতা দেখুৱাইছে—

- বুদ্ধিয়ে প্ৰকৃত সত্তাক স্পৰ্শ কৰিব নোৱাৰে। ই প্ৰকৃত সত্তাৰ বাহ্যিক ৰূপৰ লগতহে জড়িত।
- স্বৰূপতঃ বিশ্লেষণাত্মক হোৱাৰ বাবে বৌদ্ধিক জ্ঞানে এক ঐক্যবদ্ধ জ্ঞান দিয়াত ব্যৰ্থ। ৰাধাকৃষ্ণণৰ মতে ই সম্পৰ্কৰ লগত জড়িত, কিন্তু সম্পৰ্কহীন পৰম সত্তাক ধৰি ৰাখিব নোৱাৰে।
- বুদ্ধি সদায় দ্বি-ভাজনীয়। ই কেতিয়াও ব্যক্তি-বস্তুৰ সম্পৰ্কৰ দ্বি-বিভাজনক পৰাভূত কৰিব নোৱাৰে। জ্ঞান হৈছে জ্ঞতা আৰু জ্ঞেয়ৰ মাজৰ এক প্ৰবল আৰু ওচৰ সম্পৰ্ক। কিন্তু বৌদ্ধিক জ্ঞানত ব্যক্তি, যাৰ অভিজ্ঞতা হয় আৰু অভিজ্ঞতালব্ধ বস্তু বা বিষয়ৰ মাজৰ দ্বৈততাক স্পষ্টকৈ নিৰীক্ষণ কৰিব পৰা যায়। সেইবাবে প্ৰকৃত সত্তা, যি এক অ-দ্বৈত শুদ্ধ স্বকীয় পৰিচয়, সি সঙ্গতিহীন বুদ্ধিয়ে ঢুকি পোৱাৰ পৰা বহু আঁতৰত।
- বৌদ্ধিক জ্ঞান প্ৰতীকাত্মক আৰু ধাৰণাগত। ব্যক্তিৰ সাৰ্বিক সাৰমৰ্মক অমূৰ্ত্তকৰণৰ দ্বাৰা ধাৰণাবোৰ গঠন কৰা হয়, এতেকে, ই জ্ঞানৰ কেৱল প্ৰতীকাত্মক চৰিত্ৰকহে নিৰ্দেশ কৰে।
- ধাৰণাবোৰ স্থিৰ। কিন্তু প্ৰকৃত সত্তা গতিশীল, যাক বুদ্ধিৰ দ্বাৰা স্পৰ্শ কৰিব পৰা নাযায়।
- আকৌ, ধাৰণাগত জ্ঞান বস্তুগত জ্ঞানৰ সৈতে জড়িত। কিন্তু প্ৰকৃত সত্তাক এক অব্যৱহিত ব্যক্তিগত অভিজ্ঞতাতহে উপলব্ধি কৰিব পাৰি। এতেকে, সমগ্ৰ সত্য, সমগ্ৰ আত্মাক জনাৰ ক্ষেত্ৰত বুদ্ধি ব্যৰ্থ হয়। সেই কাৰণে ৰাধাকৃষ্ণণে কৈছে যে ধাৰণাগতভাৱে যি গঠিত হয়, তাৰ পৰা যাক অব্যৱহিতভাৱে উপলব্ধি কৰিব পাৰি সি বেলেগ।
- ৰাধাকৃষ্ণণৰ মতে চিন্তাই প্ৰকৃত সত্তাক প্ৰকট কৰে, কাৰণ সাৰমৰ্ম হিচাপে সিহঁত এক; কিন্তু অভিজ্ঞতাৰ স্তৰত সিহঁত বিভিন্ন প্ৰকাৰে অস্তিত্বশীল। এটা বস্তুক জনা আৰু ইয়াৰ অস্তিত্ব বেলেগ হয়।

- যিহেতু বুদ্ধি কালসম্বন্ধীয় প্ৰক্ৰিয়া; ই সীমিত নাইবা সসীম (finite) । ইয়াৰ শুদ্ধতাৰ প্ৰয়োজন। সেই বাবে ৰাধাকৃষ্ণণনে ভাবে যে চিন্তাৰ প্ৰমাণিকৰণৰ প্ৰয়োজন আছে। তেওঁৰ মতে চিন্তা হৈছে, আত্ম-অস্তিত্বশীল জ্ঞানক আংশিকভাৱে প্ৰকট আৰু বিদ্যমান কৰাৰ এক উপায় বা মাধ্যম।
- বৌদ্ধিক জ্ঞান সম্ভৱ হয় কেৱল যেতিয়া কোনো ঠাইৰ পৰা সমলবোৰৰ যোগান ধৰা হয়। কিন্তু প্ৰকৃত সত্তাৰ এনে কেতবোৰ দিশ আছে, যাক ইন্দ্ৰিয় অভিজ্ঞতাই সিহঁতৰ প্ৰয়োজনীয় সমলবোৰৰ যোগান ধৰিব নোৱাৰে, যেনে ঃ খঙৰ অনুভূতি কাৰণ, বুদ্ধিয়ে খঙৰ অৱস্থাটো বিশ্লেষণ কৰাৰ পূৰ্বেই আমি ইয়াক লাভ কৰোঁ। আমি খং উঠিলেহে জানো খং কি হয়।
- বুদ্ধিয়ে ইন্দ্ৰিয় অভিজ্ঞতাৰ বিভিন্ন সমলবোৰৰ সংশ্লেষণ ঘটাবলৈ প্ৰয়াস কৰে। প্ৰকৃতাৰ্থত, ই এক সঙ্গতিপূৰ্ণ পথেৰে বিশ্লেষণ ঘটোৱাত ব্যৰ্থ। কিন্তু ৰাধাকৃষ্ণণক এজন বুদ্ধিজীৱী- বিৰোধী বুলি ক'ব নোৱাৰি। তেওঁ কেৱল বুদ্ধিৰ সীমাবদ্ধতাসমূহহে দেখুওৱাইছে। ভাৰতীয় দৰ্শনত, উপনিষদৰ কালছোৱাৰ পৰাই পৰম সত্তাক জনাৰ উপায় হিচাপে যুক্তি বা তৰ্কক প্ৰত্যাখান কৰি আহিছে। শংকৰৰ মতে সঙ্গতিহীন যুক্তিয়েও প্ৰকৃত সত্তাক পাব নোৱাৰে। শংকৰৰ এই দৃষ্টিভঙ্গীয়ে ৰাধাকৃষ্ণণক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল। কিন্তু ৰাধাকৃষ্ণণে তেওঁৰ নিজা দৃষ্টিভঙ্গীৰ ফালৰ পৰা বুদ্ধিক সমালোচনা কৰিছে। তেওঁ ইয়াৰ পৰিসৰক সীমাবদ্ধ কৰিবলৈ চেষ্টা কৰিছে। তেওঁ ইয়াক সীমাবদ্ধ, অসম্পূৰ্ণ আৰু ত্ৰুটিপূৰ্ণ হোৱাটো বিবেচনা কৰে।

জানি থোৱা ভাল

ডেকার্ট (Descartes) : ফ্ৰাঞ্চৰ দাৰ্শনিক ডেকার্ট (১৫৯৬-১৬৫০) আছিল এজন আধুনিক বুদ্ধিবাদী দাৰ্শনিক।
স্পিনোজা (Spinoza) : বাৰ্ক বেনেডিক্ট স্পিনোজা (১৬৩২-১৬৭৭) আছিল এজন বুদ্ধিবাদী দাৰ্শনিক। ব্ৰেড্‌লি (Bradely) : ফ্ৰাঞ্চিচ্ হাৰ্বাট ব্ৰেড্‌লি (১৮৪৬-১৯২৪) আছিল এজন ভাববাদী দাৰ্শনিক। বাৰ্গচন্ (Bargson) : ফৰাছী দাৰ্শনিক হেন্ৰী বাৰ্গচন্ (১৮৫৯-১৯৪১) আছিল বৰ্ত্তমান শতিকাৰ বুদ্ধিবাদী-বিৰোধী আন্দোলনৰ এজন জনপ্ৰিয় কৃতি ব্যক্তি।

১১.৬ স্বজ্ঞা বা প্ৰজ্ঞাৰ স্বৰূপ

ইন্দ্ৰিয় অভিজ্ঞতা আৰু বুদ্ধিৰ উপৰিও অধিবৈজ্ঞানিক মতবাদ, যাক ভাৰতীয় দাৰ্শনিকসকলে 'অপৰোক্ষ' নামেৰে নামকৰণ কৰিছে, তাক ন্যায্যতা প্ৰদান কৰিবলৈ ৰাধাকৃষ্ণণে জ্ঞানৰ এটা তৃতীয় উপায় স্বীকাৰ কৰিছে যাক কোৱা হয় স্বজ্ঞা বা প্ৰজ্ঞা (Intuition) । আক্ষৰিক অৰ্থত স্বজ্ঞা বা প্ৰজ্ঞাই বুজায় 'চোৱা'(look at) নাইবা 'পোনপটীয়া দৃষ্টি (direct vision) নাইবা 'কোনো বস্তু বা বিষয়ৰ অব্যৱহিত সজাগতা' (immediate awareness of something)। গতিকে, এটা বস্তুৰ ওপৰত কৰা পোনপটীয়া প্ৰত্যক্ষ নাইবা সৰল আৰু স্থিৰ দৃষ্টিয়েই হৈছে স্বজ্ঞা বা প্ৰজ্ঞা। জ্ঞান-বিজ্ঞানৰ ফালৰ পৰা স্বজ্ঞাই স্বতঃপ্ৰামাণ্যক বুজায়। অনিৰ্বচনীয়তাৰ একক

বৈশিষ্ট্যৰ হেতু স্বজ্ঞা বা প্ৰজ্ঞাৰ সংজ্ঞা আগবঢ়োৱাটো বৰ কঠিন। ৰাধাকৃষ্ণণে সমগ্ৰ ব্যক্তিত্বক সাঙুৰি সামগ্ৰিক মন হিচাপে স্বজ্ঞাৰ ব্যাখ্যা আগবঢ়াইছে। তেওঁ স্বজ্ঞাক দাৰ্শনিক আৰু ধৰ্মীয় অন্তৰ্দৃষ্টিৰ উপায় হিচাপে বিশ্বাস কৰে। স্বজ্ঞাজনিত জ্ঞান সম্পৰ্কে ৰাধাকৃষ্ণণৰ ধাৰণাক তলৰ নিৰ্দেশিত দিশসমূহৰ দ্বাৰা প্ৰকাশ কৰিব পৰা যায়—

- স্বজ্ঞাজনিত জ্ঞান অসংবেদনশীল আৰু অব্যৱহিত। আনকি ইন্দ্ৰিয় প্ৰত্যক্ষ এক ব্যৱহিত সংবেদন, যেতিয়া ই ইন্দ্ৰিয়ৰ জৰিয়তে আহে। ই ইন্দ্ৰিয়গ্ৰাহ্য স্বজ্ঞাতকৈ অধিক অব্যৱহিত।
- স্বজ্ঞাজনিত জ্ঞান প্ৰকৃত সত্তাৰ লগত মনৰ এক ঘনিষ্ঠ সংযোজনৰ পৰা উদয় হয়। ই ব্যক্তিৰ দ্বাৰা হোৱা জ্ঞান, সংবেদনৰ দ্বাৰা নাইবা প্ৰতীকৰ দ্বাৰা হোৱা জ্ঞান নহয়। ই হৈছে পৰিচয়ৰ দ্বাৰা বস্তুৰ সত্যতাৰ সজাগতা। বস্তু বা বিষয়টো জ্ঞাত, ইয়াক আত্মাৰ বাহিৰৰ এক বস্তু ৰূপে নহয়, কিন্তু আত্মাৰ এটা অংশ হিচাপেহে দেখা যায়।
- স্বজ্ঞাজনিত জ্ঞান আত্মাগত (subjective) , ঘনিষ্ঠভাৱে ব্যক্তিগত ; কিন্তু ই ইয়াৰ পৰিসৰৰ দ্বাৰা সীমিত নহয়।
- স্বজ্ঞাজনিত জ্ঞান প্ৰকৃত সত্তাৰ পোনপটীয়া,সম্পূৰ্ণ আৰু ত্ৰুটিহীন জ্ঞান। স্বজ্ঞা কেৱল এক সম্পূৰ্ণ জ্ঞানেই নহয়, কিন্তু জীৱিত। ই অপৰোক্ষ, ব্যৱহিত , যৌক্তিক নাইবা অনুমান সম্বন্ধীয় জ্ঞানৰ পৰা পৃথক।
- স্বজ্ঞাজনিত জ্ঞানত আত্মা আৰু বিষয়ৰ মাজত কোনো দ্বৈততা নাথাকে। প্ৰকৃত সত্তা হিচাপে আত্মাৰ স্বজ্ঞাজনিত সজাগতাত কেৱল এক তৰ্কীয় পাৰ্থক্যহে আছে, কিন্তু আত্মা (subject) আৰু বস্তু (object) ৰ মাজত কোনো প্ৰকৃত পাৰ্থক্য নাথাকে। যিয়ে জানে আৰু যাক জনা হয়, দুয়ো প্ৰকৃততে একে।
- স্বজ্ঞা স্বতঃ প্ৰতিষ্ঠিত, স্বতঃপ্ৰমাণিত, ঐক্যবদ্ধ আৰু চিৰন্তন। ই ব্যক্তিগত বৈশিষ্ট্যত নিজৰ বৈধতা নেহেৰুৱায়। স্বজ্ঞা অনিৰ্বাচনীয়। ই স্বতঃপ্ৰকাশিত।
- স্বজ্ঞাই মানুহৰ সমগ্ৰ আত্মাক প্ৰকট কৰে। ৰাধাকৃষ্ণণে ইয়াক অপৰিহাৰ্য্য সমগ্ৰতা হিচাপে গণ্য কৰে, য'ত সঠিকভাৱে ৰূপিত মনৰ সকলোবোৰ দিশৰ বিকাশ হ'ব আৰু একত্ৰিত হ'ব।
- স্বজ্ঞাজনিত উপলব্ধিত বোধগম্য ক্ৰিয়া নাইবা প্ৰতিফলিত চিন্তনতকৈও বেছি নিয়ন্ত্ৰিত শক্তি থাকে। স্বজ্ঞাৰ বিষয়সমূহ আমাৰ দ্বাৰাই চিনাক্তকৰণ আৰু সৃষ্টি হয়। সেইবোৰ উপলব্ধিৰ নিজস্ব ক্ৰিয়াৰ দ্বাৰা উৎপত্তি নহয়।
- স্বজ্ঞা বুদ্ধিৰ পৰা পৃথক হয়, কিন্তু ইয়াৰ বিৰোধী নহয়। সমগ্ৰতা আৰু ইয়াৰ অংশৰ মাজৰ সম্পৰ্কৰ দৰে স্বজ্ঞা আৰু বুদ্ধিও সম্পৰ্কযুক্ত।
- আমাৰ চিন্তনৰ স্বৰূপত স্বজ্ঞা আভ্যন্তৰীক বা স্বাভাৱিক, যিহেতু ই আনুভৱিকভাৱে চিন্তাৰ ওপৰত নিৰ্ভৰশীল। ই ইয়াৰ প্ৰমাণিকৰণৰ বাবে বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে, ই প্ৰকৃত সত্তাক জনাৰ এটা স্বতন্ত্ৰ উপায় নহয়। স্বজ্ঞাই বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰে আৰু ইয়াক অতিক্ৰমো কৰে।
- স্বজ্ঞাই সংবেদন আৰু বুদ্ধিক অন্তৰ্ভুক্ত কৰে। ই সৰ্বাত্মক কাৰণ ই ৰহস্যময়ী অভিজ্ঞতাৰ উৰ্দ্ধলৈ আৰু যুক্তিৰ তললৈ গতি কৰিব পাৰে। ইয়াৰ বাহিৰত একো নাই।
- জনা বা জ্ঞানৰ এক মাধ্যম হিচাপে স্বজ্ঞা কল্পনাৰ পৰা পৃথক। ই কাল্পনিক বিশ্বাস নহয়; কিন্তু প্ৰকৃত সত্ত্বাৰ এক প্ৰকৃত আৱিস্কাৰ।

- স্বজ্ঞা জন্মগত প্ৰবৃতি (ন্দব্ধন্তব্ধগ্ন ৰ পৰা বেলেগ। সকলো জীৱিত প্ৰজাতিতে জন্মগত প্ৰবৃতি বিদ্যমান। এনে কেতবোৰ গুণ আছে, য'ত স্বজ্ঞাই জন্মগত প্ৰবৃতিৰ সৈতে অংশ লয়, যেনে ঃ প্ৰত্যক্ষকৰণ (স্তুনজ্জঙ্গস্তুব্ধঙ্গব্দব্দগ্ন স্বতঃস্ফূৰ্ততা (ব্দন্মস্ক্ষব্ধঙ্গন্ধব্ধস্তগ্ন আৰু জীৱনৰ সৈতে এক অতি নিকট সংযোগ। যদিও উভয়েই উদ্দেশ্যপূৰ্ণ, জন্মগত প্ৰবৃতি বিবেক (স্তুস্কব্দস্তুনস্কস্তুব্দঙ্গব্দব্দগ্ন ৰ আটাইতকৈ নিম্নতম মান আৰু এতেকে এই প্ৰবৃতিৰ পৰিসৰ সীমিত।
- স্বজ্ঞা এক ৰহস্যবাদী প্ৰক্ৰিয়া নহয়। ৰাধাকৃষ্ণণৰ মতে, ই হৈছে মানৱ মনৰ বাবে সম্ভৱ আটাইতকৈ পোনপটীয়া আৰু অন্তৰ্ভেদী পৰীক্ষা। স্বজ্ঞা অলৌকিকো নহয়, যুক্তিৰ বিৰোধীও নহয়।

গতিকে ,স্বজ্ঞা মানৱ জাতিৰ অন্যান্য মানসিক শাখাসমূহৰ পৰা পৃথক। হিন্দু চিন্তাবিদসকলৰ দ্বাৰা প্ৰদত্ত স্বজ্ঞাজনিত জ্ঞানৰ মহান ব্যাখ্যাটো হৈছে আত্মা (ব্দঙ্গচ্ছব্দগ্ন ৰ জ্ঞান। আমি আমাৰ নিজৰ আত্মাৰ প্ৰতি সচেতন হওঁ, যিদৰে আমি পোনপটীয়াকৈ প্ৰেম বা খং আদিৰ প্ৰতি সচেতন হওঁ। আত্ম-জ্ঞান আত্ম-অস্তিত্বৰ পৰা অবিচ্ছেদ্য। শংকৰে কৈছে যে, আত্ম-জ্ঞান, যি যৌক্তিকো নহয় ইন্দ্ৰিয় সংবেদনশীলো নহয়, সি হৈছে জ্ঞানৰ প্ৰত্যেকটো প্ৰকাৰৰ পূৰ্বানুমান। আত্মা হৈছে প্ৰথম পৰম নিশ্চয়তা, সকলো যৌক্তিক প্ৰমাণৰে ভিত্তি। স্বজ্ঞাজনিত জ্ঞানত অন্তৰতম অস্তিত্ব প্ৰকট হয়। আত্মাৰ স্বজ্ঞাজনিত সচেতনতাত আত্মা (subject) আৰু বস্তু বা বিষয় (object) ৰ মাজত কোনো প্ৰকৃত পাৰ্থক্য নাথাকে।

জীৱনৰ গভীৰতম বস্তুবোৰক জনা যায় কেৱল স্বজ্ঞাজনিত উপলব্ধিৰ জৰিয়তেহে। আমি তাৰ সত্যতা স্বীকাৰ কৰো, কিন্তু আমি তাৰ প্ৰতি যুক্তি প্ৰদৰ্শন নকৰো। বিজ্ঞান আৰু দৰ্শন, কলা আৰু জীৱনত সকলো সৃষ্টিশীল কৰ্ম স্বজ্ঞাজনিত অভিজ্ঞতাৰ দ্বাৰাই অনুপ্ৰাণিত হয়। ৰাধাকৃষ্ণণে বিশ্বাস কৰে যে প্ৰত্যেক সঁচা ধৰ্ম স্বজ্ঞা বা প্ৰজ্ঞাৰ ওপৰত ভিত্তিশীল। তেওঁৰ বাবে আমাৰ নৈতিক জীৱনতো প্ৰমূল্যৰ সঁচা জ্ঞান নিৰ্ণয় কৰিবলৈ স্বজ্ঞাজনিত অন্তৰ্দৃষ্টি অপৰিহাৰ্য্য।

অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ ৭ স্বজ্ঞাৰ আক্ষৰিক অৰ্থ কি ?

প্ৰঃ ৮ তলত উল্লেখিত বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰক।

ক) প্ৰকৃত সত্তাৰ উপলব্ধিত বুদ্ধি এটা স্বতন্ত্ৰ পদ্ধতি (সত্য /অসত্য)

খ) বুদ্ধি সদায় দ্বি-বিভাজনীয়। (সত্য/ অসত্য)

গ) ৰাধাকৃষ্ণণৰ মতে, প্ৰকৃত সত্তা গতিশীল। (সত্য /অসত্য)

ঘ) ৰাধাকৃষ্ণণ এজন বুদ্ধিবাদী-বিৰোধী নহয়। (সত্য /অসত্য)

১১.৭ স্বজ্ঞা বা প্ৰজ্ঞাৰ বিভিন্ন অৰ্থ

ৰাধাকৃষ্ণণে স্বজ্ঞাক বিভিন্ন অর্থত ব্যৱহাৰ কৰিছে, সকলোৰে উৰ্দ্ধ সীমা অপৰিহার্য্য অভিজ্ঞতাত পোৱা যায়। প্রথমতে, ৰাধাকৃষ্ণণে স্বজ্ঞাক সাধাৰণ ভাবত আৰু বিশেষ অর্থত ব্যৱহাৰ কৰিছে। সাধাৰণ ভাবৰ অর্থত স্বজ্ঞাজনিত উপলব্ধি (intuitive apprehension) ৰ আটাইতকৈ অধিক ইন্দ্রিয়বোধ সম্পন্ন স্বজ্ঞাৰ পৰা ইন্দ্রিয়াতীতলৈ এটা বহল পৰিসৰ আছে। ইয়াক বুদ্ধি (reason) আৰু স্বজ্ঞা (intuition) ৰ মাজত এক যোগসূত্র ৰূপে ধৰা হয়।

ইয়াৰ বিশেষ অর্থত স্বজ্ঞাই অনুভূতি (feelings) আৰু অতীন্দ্রিয় অভিজ্ঞতা (mystical experience) ক সূচায়। সেয়ে, ইয়াত বুদ্ধি, স্বজ্ঞা আৰু অতীন্দ্রিয় অভিজ্ঞতা আছে। এইবোৰৰ ভিতৰত আটাইতকৈ মহান হৈছে অতীন্দ্রিয় অভিজ্ঞতা, যি অদ্বিতীয় আৰু আনৰ পৰা পৃথক আৰু অদ্যপী জ্ঞানৰ শীর্ষত।

যেনেকৈয়ে নহওঁক, ৰাধাকৃষ্ণণে পোষণ কৰে যে জ্ঞানৰ তিনিওটা ধৰণ বা আকাৰ (mode) ৰ যেনে ইন্দ্রিয় প্রত্যক্ষ, সঙ্গতিহীন চিন্তন আৰু স্বজ্ঞাৰ মাজত ধাৰাবাহিকতা আছে। তেওঁৰ মতে ইয়াৰ প্রত্যেকেই জ্ঞানৰ উৎপাদনক্ষম হয়। কিন্তু স্বজ্ঞাৰ ব্যাপনশীল (pervasive) শক্তিয়ে ইন্দ্রিয় প্রত্যক্ষ আৰু বুদ্ধিক একেলগে বান্ধি পেলায় আৰু সিহঁতক সর্বোচ্ছ স্বজ্ঞা, (highest intution) যি অতীন্দ্রিয়, তাৰ লগত যোগসূত্র স্থাপন কৰায়।

ইন্দ্রিয় প্রত্যক্ষ (sense perception) আৰু স্বজ্ঞা (intuition) সদৃশ, যিহেতু উভয়েই অব্যৱহিত (Immediate) জ্ঞান। আনকি বৌদ্ধিক কাম-কাজতো স্বজ্ঞাৰ অৱকাশ আছে। এতেকে, স্বজ্ঞা দুই প্রকাৰৰ- প্রত্যক্ষলব্ধ জ্ঞান আৰু অপৰিহার্য্য অভিজ্ঞতা। কিন্তু ৰাধাকৃষ্ণণে তেওঁৰ নিজা স্থিতি স্পষ্ট কৰিছে আৰু ব্যক্ত কৰিছে "Personally I use intuition for integral experience".- অর্থাৎ, 'ব্যক্তিগতভাৱে মই অপৰিহার্য্য অভিজ্ঞতাৰ বাবে স্বজ্ঞা বা প্রজ্ঞাক ব্যৱহাৰ কৰোঁ।'

সাধাৰণতে এক বহির্ভুক্তিৰ লগতে অন্তর্ভুক্তিৰ অর্থতো স্বজ্ঞা ব্যৱহৃত হয়, যিয়ে অকল অতীন্দ্রিয় অভিজ্ঞতা নাইবা আন সকলোবোৰ অভিজ্ঞতাক বুজায় আৰু য'ত অতীন্দ্রিয় অভিজ্ঞতা সম্যকভাৱে জড়িত হৈ থাকে।

আগলৈ কৰা বিশ্লেষণৰ দ্বাৰা ৰাধাকৃষ্ণণে 'অভিজ্ঞতালব্ধ' (empirical) আৰু 'অতীন্দ্রিয়বাদী' (mystical) হিচাপে স্বজ্ঞাৰ আন দুটা প্রকাৰৰ মাজত পার্থক্য নির্ণয় কৰিছে। বুদ্ধি আৰু অনুভৱ সীমাবদ্ধ অভিজ্ঞতাৰ শৃঙ্খলাত অন্তর্ভুক্ত হৈ থাকে আৰু সেয়ে, সেইবোৰক অভিজ্ঞতালব্ধ স্বজ্ঞা ৰূপে জনা যায়।

ৰাধাকৃষ্ণণৰ দ্বাৰা বুদ্ধিৰ ধাৰণাটোও এক বিশেষ অর্থত ব্যৱহৃত হৈছে, যিহেতু তেওঁ ইয়াক সু-সংবদ্ধ তর্কীয় প্রক্রিয়াসমূহৰ পৰা পৃথক কৰিছে। অনুভূতিৰ স্বজ্ঞাক ইন্দ্রিয় অভিজ্ঞতাৰ একেবাৰে আদিম স্তৰত পাব পাৰি।

ৰাধাকৃষ্ণণে বুদ্ধি আৰু অনুভূতিক এক যোগসূত্রবিহীন অমূর্ত সম্পর্কৰ অর্থত গ্রহণ কৰা নাই। ইয়াৰ পৰিবর্তে এই দুয়োক এটা আনটোৰ পৰিপূৰক ৰূপেহে গ্রহণ কৰিছে। বৌদ্ধিক স্বজ্ঞা আৰু অনুভূতিৰ স্বজ্ঞাৰ মাজত এক অন্তর্নিহিত সঞ্চালন আছে, যি অতীন্দ্রিয় স্বজ্ঞালৈ গতি কৰে।

অতীন্দ্রিয় অন্তর্দর্শন হৈছে মানুহৰ বিবেকত উপস্থিত থকা স্বর্গীয় অন্তর্দর্শনৰ এক মানসিক আৰু কায়িক সামর্থ্য। যিহেতু স্বজ্ঞাই জ্ঞাতা (knower) আৰু জ্ঞেয় (known) ৰ মাজৰ ঐক্যক সূচায়, সেয়ে, ইন্দ্রিয় প্রত্যক্ষ (sense perception) বুদ্ধি (reason) আৰু অতীন্দ্রিয় অভিজ্ঞতা (mystical experience) য়ে ঐক্যতাৰ ভিন্ন প্রকাৰৰ মাত্রা (degree) ক প্রতিনিধিত্ব কৰে। অনুভূতিৰ শৃংখলাত পোৱা ঐক্য হৈছে এক মানসিক ঐক্য, যৌক্তিক ঐক্যক বৌদ্ধিক স্বজ্ঞাত পোৱা যায় আৰু আত্মিক ঐক্য পোৱা যায় অতীন্দ্রিয় স্বজ্ঞাত। স্বজ্ঞাৰ সকলোবোৰ ৰূপ অপৰিহার্য্য অভিজ্ঞতাৰ শীর্ষত অৱস্থান কৰে।

অনুভূতিৰ স্বজ্ঞা আৰু বৌদ্ধিক স্বজ্ঞাৰ দ্বাৰা প্ৰতিষ্ঠিত ঐক্যতাসমূহ আংশিক। সমগ্ৰতাৰ সৈতে অংশৰ সম্পৰ্কৰ দৰে পৰম সত্য নাইবা অতীন্দ্ৰিয় অভিজ্ঞতা, বুদ্ধি আৰু অনুভূতিৰ সৈতে জড়িত। অতীন্দ্ৰিয় স্বজ্ঞা হৈছে সীমিত মানৱ বিবেকৰ উৰ্দ্ধত অধি-সচেতন (supra-couscious) স্তৰৰ এক আনুভূমিক অৱস্থানত মনৰ এক স্বশাসিত জাগৰণ। এতেকে, ই বিবেকৰ সাধাৰণ আনুভূমিক অৱস্থানত সংঘটিত হোৱা স্বজ্ঞাৰ আন বিভিন্ন আকাৰৰ পৰা নিজকে পৃথক কৰে। অতীন্দ্ৰিয় দৃষ্টিৰ মুহূৰ্তবোৰো ক্ষণস্থায়ী আৰু তাক ধৰি ৰাখিব নোৱাৰি। ই ব্ৰেড্‌লিৰ অব্যৱহিত অভিজ্ঞতাৰ দৰে, যি অনুভূতি। ই সকলো প্ৰমূল্যকে একত্ৰিত কৰে আৰু জীৱনৰ সকলো অভিজ্ঞতাকে সু-সংবদ্ধ কৰে। ইয়েই হৈছে জীৱনৰ একমাত্ৰ সত্য লক্ষ্য। ই অপৰিহাৰ্য্য অভিজ্ঞতাৰ কেন্দ্ৰবিন্দু। আন স্বজ্ঞাসমূহে ইয়াৰ পৰাই সিহঁতৰ সাৰমৰ্ম নিঃসৃত কৰে।

ৰাধাকৃষ্ণণৰ অতীন্দ্ৰিয়বাদ বা ৰহস্যবাদ বৈজ্ঞানিক আৰু বৌদ্ধিক বিশ্বাসৰ বিৰোধিতা কৰা বিস্ময়কৰ ধাৰণাৰ ওপৰত ভিত্তিশীল নহয়। অপৰিহাৰ্য্য অভিজ্ঞতা হৈছে অতীন্দ্ৰিয় অভিজ্ঞতা, বুদ্ধি আৰু অনুভূতিৰ সম্পূৰ্ণতা। অভিজ্ঞতাৰ এই স্তৰত আত্মাই পৰম সত্য বা পৰম সত্তাৰ লগত তাৰ নিজৰ পৰিচয়ক উপলব্ধি কৰে। ৰাধাকৃষ্ণণে 'সমাধি' (samadhi) শব্দটো ব্যৱহাৰ কৰিছে, যিহেতু ই 'পৰম সত্য বা সত্তাৰ লগত অব্যৱহিত সংযোগৰ এক অর্থ (a sense of immediate contact with ultimate reality). বহন কৰে। অতীন্দ্ৰিয় সমাধি (mystic samadhi) ক 'পৰম বা সর্বশেষ' (the ultimate) ৰূপে আগবঢ়াইছে, কাৰণ ই হৈছে 'অতিশয় আনন্দিত বিবেক বা সচেতনতা' ।

১১.৮ ৰাধাকৃষ্ণণ আৰু অন্যান্য চিন্তাবিদসকল

স্বজ্ঞাক সত্তাৰ এক প্ৰত্যক্ষ আৰু পৰম জ্ঞান হিচাপে প্লেটো, ডেকার্ট , স্পিনোজা, ব্ৰেড্‌লি আৰু বার্গ্‌চনৰ দৰে বহুতো বিশিষ্ট পাশ্চাত্য চিন্তাবিদ আৰু শংকৰৰ দৰে বহুতো পৌৰাণিক ভাৰতীয় চিন্তাবিদেও স্বীকাৰ কৰিছিল।

প্লেটো এজন বুদ্ধিবাদী চিন্তাবিদ, কিন্তু 'উত্তম শ্ৰেয়' (Highest good) ক উপলব্ধি কৰিবলৈ তেওঁ স্বজ্ঞাৰ ধাৰণাটো গ্ৰহণ কৰিছে। তেওঁৰ মতে 'সত্য' (Truth) অব্যবহিত নাইবা স্বজ্ঞাজনিত শক্তিৰ দ্বাৰা উপলব্ধি কৰিব পাৰি। প্লেটোৰ দ্বান্দ্বিক পদ্ধতি (Dialectic method) হৈছে প্ৰকৃত সত্তাৰ উপলব্ধিৰ প্ৰক্ৰিয়াত এক খোঁজ। ঠিক সেইদৰে, যদিও ৰাধাকৃষ্ণণে স্বজ্ঞাক প্ৰকৃত সত্তাৰ উপলব্ধিত অন্তিম খোঁজ বুলি স্বীকাৰ কৰিছিল, ইয়াক বুদ্ধিৰ সহায়তহে লাভ কৰা যায়।

স্পিনোজাই পোষণ কৰিছিল যে সর্বোচ্ছ প্ৰকৃত সত্তা অর্থাৎ ঈশ্বৰৰ সৈতে যি সম্মিলন, সি সম্ভৱ হয় কেৱল স্বজ্ঞা নাইবা অব্যৱহিত অন্তর্দৃষ্টিৰ জৰিয়তেহে। বুদ্ধিক এক প্ৰক্ৰিয়া হিচাপে, যিয়ে স্বজ্ঞালৈ আগবঢ়াই নিয়ে, তাক স্বীকাৰ কৰাৰ ক্ষেত্ৰত ৰাধাকৃষ্ণণ স্পিনোজাৰ সৈতে একমত। উভয়েই স্বজ্ঞাক স্বতন্ত্ৰ মানসিক শাখা হিচাপে কেতিয়াও মানি লোৱা নাছিল। ৰাধাকৃষ্ণণে বিশ্বাস কৰে যে বৌদ্ধিক সত্য সম্বন্ধবোধক আৰু স্বজ্ঞাত অতিক্ৰম কৰিবলৈ ই দাবী কৰে। আগলৈ, দুয়োজনে বৌদ্ধিক জ্ঞানক মায়াময় (illusory) হিচাপে কেতিয়াও স্বীকাৰ কৰা নাছিল। ই হৈছে আংশিক দর্শন আৰু অৱশেষত ই আমাক সর্বোচ্ছ জ্ঞানলৈ আগবঢ়াই লৈ যায়। কিন্তু ৰাধাকৃষ্ণণ স্পিনোজাৰ লগত একমত নাছিল এই ক্ষেত্ৰত যে যেতিয়া তেওঁৰ বাবে কেৱল বিশেষ ক্ষমতাসম্পন্ন লোকৰ দ্বাৰাহে

স্বজ্ঞা প্ৰাপ্তি হয়, স্পিনোজাৰ বাবে এবাৰ এজন লোকে যদি জানে স্বজ্ঞা কেনেকৈ পাব পাৰি, তেতিয়া তেওঁৰ ফালৰ পৰা এই শক্তি প্ৰয়োগৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধা থাকিব নোৱাৰে। স্পিনোজাই স্বজ্ঞাৰ পৰা কল্পনা আৰু বুদ্ধিকো পাৰ্থক্য কৰিছে।

হেগেলৰ দৰে ৰাধাকৃষ্ণণে মূৰ্ত আত্মিক পৰম সত্তাত বিশ্বাস কৰে। কিন্তু হেগেলে গ্ৰহণ কৰা পৰম সত্তাক জনাৰ উপায়টো হৈছে বৌদ্ধিক প্ৰক্ৰিয়াৰ দ্বান্দ্বিক ব্যাখ্যা, য'ত ৰাধাকৃষ্ণণে স্বজ্ঞাক মূল উপায় হিচাপে ব্যৱহাৰ কৰিছে, যিয়ে মনৰ অন্যান্য শাখাসমূহৰ লগতে বুদ্ধিকো অন্তৰ্ভুক্ত কৰিছে। এতেকে, ৰাধাকৃষ্ণণে স্বজ্ঞাৰ হেগেলীয় ধাৰণাক স্বীকাৰ কৰা নাই, যি বুদ্ধিৰ সৈতে সম্পৰ্কহীন আৰু আমাক সৰল অস্তিত্বতকৈ কোনো বেলেগ বস্তু দিয়াত অসমৰ্থ। তেওঁৰ বাবে, বৌদ্ধিক প্ৰক্ৰিয়া হিচাপে হেগেলৰ দ্বান্দ্বিক পদ্ধতিয়ে এক পৰম সত্তাৰ ধাৰণা পাবৰ বাবে আমাক সহায় কৰে, কিন্তু মূৰ্ত আত্মিক প্ৰকৃত সত্তাৰ সঠিক উপলব্ধিৰ বাবে স্বজ্ঞাক বুদ্ধিৰ দ্বাৰা পূৰ্বানুমান কৰিবই লাগিব। তাৰোপৰি, হেগেলে পোষণ কৰে যে চিন্তন প্ৰকৃত সত্তাৰ লগত একে, য'ত ৰাধাকৃষ্ণণে পোষণ কৰে যে পৰম সত্য অভিজ্ঞতাৰ স্বৰূপ।

স্বজ্ঞাৰ প্ৰমূল্যক স্বীকাৰ কৰাৰ ক্ষেত্ৰত ৰাধাকৃষ্ণণ বাৰ্গচনৰ সৈতে একমত, কিন্তু তেওঁ বাৰ্গ্চনৰ পৰা পৃথক এই ক্ষেত্ৰত যে বাৰ্গ্চনৰ দৰে তেওঁ মত প্ৰকাশ কৰা নাই যে স্বজ্ঞা হৈছে জীৱন শক্তিৰ কৰ্ম, কিন্তু আত্মিক সচেতনতাৰ ক্ৰিয়া। ৰাধাকৃষ্ণণ বাৰ্গচ্নৰ দৰে বুদ্ধিজীৱী বিৰোধী নহয়। যেতিয়া বাৰ্গ্চনৰ বাবে স্বজ্ঞা বুদ্ধিৰ চৰম বিৰোধী, ৰাধাকৃষ্ণণৰ বাবে বুদ্ধি আৰু স্বজ্ঞা স্বতন্ত্ৰ। সেইবাবে, ৰাধাকৃষ্ণণে কয় যে বাৰ্গ্চনৰ মাজত বুদ্ধিত স্বজ্ঞাৰ বিৰোধিতা কৰাৰ এক প্ৰৱণতা আছে। এইদৰেই, ৰাধাকৃষ্ণণে স্বজ্ঞাৰ বিপক্ষে হেগেলৰ পক্ষপাতিত্ব আৰু বুদ্ধিৰ বিপক্ষে বাৰ্গ্চনৰ পক্ষপাতিত্ব দুয়োটাকে সমালোচনা কৰিছে।

ৰাধাকৃষ্ণণ আৰু ব্ৰেড্লি উভয়েই ভাৱবাদী দাৰ্শনিক। ব্ৰেড্লিয়ে মহান হেগেলীয় পৰম্পৰাক অব্যাহত ৰাখিছে, আনহাতে ৰাধাকৃষ্ণণে বৈদান্তিক পৰম্পৰাক অব্যাহত ৰাখিছে। ৰাধাকৃষ্ণণে অভিগমনত অধিক ব্যৱহাৰিক হৈ তেওঁৰ চিন্তাধাৰাত পৰম্পৰাগত ভাৰতীয় বৈশিষ্ট্যক দৃঢ়ভাৱে অব্যাহত ৰাখিছে। এতেকে, ৰাধাকৃষ্ণণে স্বজ্ঞাজনিত জ্ঞানৰ প্ৰকৃত উপলব্ধিত অধিক জোৰ দিছে, আনহাতে, ব্ৰেড্লিয়ে অনুমান ভিত্তিক তত্বৰ সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব দিছে। তাৰোপৰি, ৰাধাকৃষ্ণণে চিন্তা আৰু স্বজ্ঞাৰ মাজত ধাৰাবাহিকতা অব্যাহত ৰাখিছে, য'ত ব্ৰেড্লিয়ে কয় যে 'thought commits suicide in absolute experience'.

ৰাধাকৃষ্ণণে কাণ্টৰ স্বজ্ঞাজনিত নিশ্চয়তাৰ মতটো সমৰ্থন কৰিছে। কিন্তু তেওঁ কাণ্টৰ পৰা পৃথক এই ক্ষেত্ৰত যে কাণ্টে স্বজ্ঞাজনিত নিশ্চয়তাৰ কেৱল অনিঃসৃত নৈতিক সচেতনতাৰ প্ৰতিহে বাধা আৰোপ কৰিছে, য'ত ৰাধাকৃষ্ণণে মানুহৰ অভিজ্ঞতাৰ সকলো ক্ষেত্ৰলৈ ইয়াক সম্প্ৰসাৰণ ঘটাইছে।

ৰাধাকৃষ্ণণৰ 'অপৰিহাৰ্য অভিজ্ঞতা' হিচাপে স্বজ্ঞাৰ ধাৰণাটো শংকৰৰ 'অনুভৱ' (Anubhava) ৰ ধাৰণাটোৰ সৈতে একে। অৱশ্যে, শংকৰৰ দৰে ৰাধাকৃষ্ণণে বুদ্ধিক নাকচ কৰা নাই, যদিও স্বজ্ঞাই বুদ্ধিক অতিক্ৰম কৰে। 'অনুভৱ' ৰ দ্বাৰা শংকৰে 'ব্ৰহ্ম' (Brahma) ৰূপে এজন লোকৰ 'আত্মা' ৰ উপলব্ধিক বুজাইছে। শংকৰে বিশ্বাস কৰে যে 'তৰ্ক' নাইবা যুক্তি হৈছে আত্মোপলব্ধিৰ দিশত এক খোজ, কিন্তু 'ব্ৰহ্ম'ৰ উদয়ৰ লগে লগে ই সদায় কাৰণে অদৃশ্য হৈ পৰে। কিন্তু ৰাধাকৃষ্ণণে বুদ্ধিক সম্পূৰ্ণৰূপে খণ্ডন কৰা নাই; তাৰ পৰিবৰ্তে তেওঁৰ স্বজ্ঞাজনিত উপলব্ধিৰ অপৰিহাৰ্য্য অভিজ্ঞতাত তেওঁ ইয়াৰ নিৰ্দিষ্ট স্থানত বুদ্ধিক প্ৰতিষ্ঠা কৰাইছে।

চিন্তা চৰ্চা কৰক ঃ ১১.১

ৰাধাকৃষ্ণণৰ দৰ্শনত জ্ঞান-বিজ্ঞান আৰু অধিবিদ্যাৰ মাজত আপুনি কিবা সম্বন্ধ বিচাৰি পায় নে?

১১.৯ বুদ্ধি আৰু স্বজ্ঞা

স্বজ্ঞা যৌক্তিক চিন্তাৰ পৰা গুণগতভাৱে বেলেগ, তথাপি ইয়াৰ সৈতে অধাৰাবাহিক নহয়। স্বজ্ঞা বুদ্ধিৰ ওপৰত নিৰ্ভৰশীল আৰু ইয়াক অতিক্ৰমো কৰে। ইহঁত দুয়োটা একেটা নীতিৰ অন্তৰ্ভুক্ত, সেয়া হৈছে আত্মা। স্বজ্ঞাজনিত জ্ঞানে বুদ্ধিৰ আংশিক সত্যতাক অতিক্ৰম কৰে। প্ৰকৃত সত্তাক জনাৰ ক্ষেত্ৰত বুদ্ধি আৰু স্বজ্ঞা দুটা বিৰোধী পদ্ধতি নহয়। মানৱ মনৰ শুৰিত বুদ্ধি আৰু স্বজ্ঞাৰ মাজত কোনো সংঘাত নাথাকে। স্বজ্ঞা, যিয়ে বুদ্ধিক অস্বীকাৰ কৰে, সি অপ্ৰয়োজনীয়। ৰাধাকৃষ্ণণে যে স্বজ্ঞাই বুদ্ধিক বিৰোধ কৰে বুলি ধৰা নাই, তাক তলত দিয়া কথাকেইটাৰ ওপৰত দিয়া জোৰৰ দ্বাৰাই বহলাই ব্যাখ্যা কৰিব পাৰি।

- স্বজ্ঞা বুদ্ধিৰ উৰ্দ্ধলৈ গতি কৰে। ই বুদ্ধি বা যুক্তিৰ সৈতে কোনো সংঘাতত প্ৰৱেশ নকৰে। আনহাতে, ই বুদ্ধিক পৰাভুত নাইবা পাছ পেলাই যায়।
- ৰাধাকৃষ্ণণৰ মতত স্বজ্ঞা হৈছে প্ৰকৃত সত্য বা সত্তাৰ প্ৰতি সমগ্ৰ মানুহৰ সঁহাৰি। আনহাতে বুদ্ধিত আমি যি পাওঁ, সেয়া প্ৰকৃত সত্তাৰ প্ৰতি আংশিক সহাঁৰি। কাৰণ, স্বজ্ঞা সমগ্ৰ মানুহৰ প্ৰকৃত সত্তাৰ প্ৰতি সহাঁৰি. সেয়ে ই বুদ্ধিকো অন্তৰ্ভুক্ত কৰে। এতেকে, বুদ্ধি আৰু স্বজ্ঞাৰ মাজত কোনো বিৰোধ নাই। এটাই আনটোক পৰিপূৰণহে কৰে।
- ৰাধাকৃষ্ণণৰ মতে স্বজ্ঞা স্বতন্ত্ৰ নহয় আৰু দৃঢ়ভাৱে চিন্তাৰ ওপৰত নিৰ্ভৰশীল। স্বজ্ঞা আমাৰ স্বাভাৱিক প্ৰকৃতি।
- স্বজ্ঞা আৰু বুদ্ধি একেটা নীতিৰে অন্তৰ্ভুক্ত, সেয়া হৈছে আত্মা। সেয়ে, ইহঁত এটা আনটোৰ বিৰোধ বাধক (contradictory) নহয়।

ৰাধাকৃষ্ণণে বুদ্ধি আৰু স্বজ্ঞাক কোনো ধৰণৰ দুই মেৰু বিশিষ্ট অৱস্থাৰ সংগঠন হিচাপে গ্ৰহণ কৰা নাই। স্বজ্ঞাই বুদ্ধিক পূৰ্ণ কৰে আৰু ইয়াক অস্বীকাৰ নকৰে। ই হৈছে বুদ্ধিত নিহিত সকলো অসঙ্গতিৰ পৰা মুক্ত বিবেকৰ উচ্চতম আয়তন। স্বজ্ঞা অযৌক্তিক নহয় আৰু বুদ্ধি ইয়াৰ বিৰোধী নহয়। স্বজ্ঞা যুক্তি বা বুদ্ধিৰ বিপক্ষে নহয়, কিন্তু ই যুক্তি বা বুদ্ধিৰ উৰ্দ্ধত। এতেকে, বুদ্ধিক অগ্ৰাহ্য কৰিব নোৱাৰি, কিন্তু ইয়াক সম্পূৰ্ণৰূপে এনেকৈ স্বজ্ঞাৰ অধীন কৰা হয় যে ই স্বজ্ঞাৰ এক কাৰ্য্য হিচাপে সংৰক্ষিত হয়। বুদ্ধিৰ সম্পৰ্কত স্বজ্ঞা এটা অংশৰ লগত এটা সমগ্ৰতা হিচাপে থাকে। উভয়ৰে নিজস্ব অধিকাৰ আছে। উভয়েই প্ৰয়োজনীয়। প্ৰত্যেকৰে নিজস্ব বিশেষ উদ্দেশ্য আছে। দুয়ো আত্মাৰ অন্তৰ্ভুক্ত। কিন্তু বুদ্ধিয়ে এক বিশেষ অংশহে সাঙুৰি লয় আৰু স্বজ্ঞাই সমগ্ৰ আত্মাকে নিয়োগ কৰে। বুদ্ধি আৰু স্বজ্ঞা উভয়েই পৰস্পৰ নিৰ্ভৰশীল।

আকৌ, স্বজ্ঞাজনিত জ্ঞানৰ অব্যৱহীত্বতা, বৌদ্ধিক সংজ্ঞা আৰু বিশ্লেষণৰ জৰিয়তে ব্যৱহিত হ'ব পাৰে। স্বজ্ঞাৰ বৈধতা পৰীক্ষা কৰিবলৈ আৰু ইয়াক আনৰ সৈতে সংযোগ কৰিবলৈ বুদ্ধি ব্যৱহাৰ কৰা হয়।

বাৰ্গ্চন আৰু ব্ৰেড্লিক প্ৰায়ে বুদ্ধিজীৱীবিৰোধী ৰূপে অভিযুক্ত কৰা হয়। কিন্তু ৰাধাকৃষ্ণণে ভাবে যে স্বজ্ঞা বুদ্ধিৰ বিৰোধী নহয়। যিহেতু তেওঁ কয়, "Intuition which ignores intellect is useless. The two are not only incompatible but United." অৰ্থাৎ- স্বজ্ঞা যিয়ে বুদ্ধিক উপেক্ষা কৰে সি অপ্ৰয়োজনীয়। দুয়োটা কেৱল অবিৰোধীয়েই নহয়, কিন্তু অতি গুৰুত্বপূৰ্ণভাৱে একত্ৰিত।

চিন্তা চৰ্চা কৰক ঃ ১১.২

বুদ্ধি আৰু স্বজ্ঞাৰ মাজত আপুনি কোনো সম্বন্ধ বিচাৰি পায় নে? আলোচনা কৰক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ ৯ ৰাধাকৃষ্ণণৰ মতে প্ৰকৃত সত্তাৰ উপলব্ধিত বুদ্ধিৰ সীমাবদ্ধতাসমূহ কি কি?

প্ৰঃ ১০ স্বজ্ঞাৰ দ্বাৰা ৰাধাকৃষ্ণণে কি বুজাইছে? চমুকৈ ব্যাখ্যা কৰক। (উত্তৰ প্ৰায় ১০০ মান শব্দৰ ভিতৰত কৰিব)।

প্ৰঃ ১১ স্বজ্ঞা বুদ্ধিৰ বিৰোধী হয়নে? ৰাধাকৃষ্ণণৰ প্ৰসঙ্গত চমুকৈ ব্যাখ্যা কৰক। (উত্তৰ ১৩০ টা মান শব্দত কৰিব)

প্ৰঃ ১২ ৰাধাকৃষ্ণণৰ বুদ্ধি আৰু স্বজ্ঞাৰ মতামতক কেনেকৈ আন কিছুমান দাৰ্শনিকৰ মতামতৰ লগত ৰিজাব? (উত্তৰ প্ৰায় ১৫০ মান শব্দৰ ভিতৰত কৰিব।)

১১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাধাকৃষ্ণণৰ মতে জনা বা জ্ঞানৰ তিনি প্ৰকাৰৰ উপায় আছে ঃ ইন্দ্ৰিয়- অভিজ্ঞতা, সঙ্গতিবিহীন যুক্তি বা বুদ্ধি আৰু স্বজ্ঞাজনিত জ্ঞান।
- ইন্দ্ৰিয় অভিজ্ঞতা হৈছে সেইটো উপায় যাৰ জৰিয়তে আমি বস্তুৰ সংবেদনীয় গুণাৱলীৰ জ্ঞান পাওঁ।
- তৰ্কীয় জ্ঞান লাভ কৰা যায় প্ৰত্যক্ষিত সমলসমূহৰ বিশ্লেষণ আৰু সমন্বয়ৰ প্ৰক্ৰিয়াৰ জৰিয়তে সঙ্গতিবিহীন যুক্তিৰ দ্বাৰা। ই পৰোক্ষ, যিহেতু ই প্ৰত্যক্ষ (perception) ৰ ওপৰত নিৰ্ভৰশীল। ই বৈশিষ্ট্যগতভাৱে প্ৰতীকাত্মক। ইন্দ্ৰিয়-জ্ঞান আৰু তৰ্কীয় জ্ঞান উভয়েই সীমিত। উভয়েই প্ৰকৃত সত্তাৰ অপৰ্য্যাপ্ত উপলব্ধি।
- স্বজ্ঞাজনিত জ্ঞান অ-সংবেদনীয়, অব্যৱহিত জ্ঞান। স্বজ্ঞাজনিত জ্ঞান মানুহৰ দ্বাৰা হোৱা জ্ঞান।
- ৰাধাকৃষ্ণণে বুদ্ধিৰ সীমাবদ্ধতাসমূহ প্ৰদৰ্শন কৰিছে। তেওঁৰ মতে, প্ৰকৃত সত্তাৰ উপলব্ধিত স্বজ্ঞাক এক স্বতন্ত্ৰ পদ্ধতি হিচাপে গণ্য কৰিব পৰা নাযায়। ই কেতিয়াও আত্মা-বিষয় (subject-object) ৰ মাজৰ সম্পৰ্কৰ দ্বিভাজনক পৰাভূত কৰিব নোৱাৰে।

- স্বজ্ঞা যৌক্তিক চিন্তাৰ পৰা গুণগতভাৱে পৃথক, তথাপি ইয়াৰ সৈতে অধাৰাবাহিক নহয়। স্বজ্ঞা বুদ্ধিৰ ওপৰত নিৰ্ভৰশীল আৰু ইয়াক অতিক্ৰমো কৰে।
- প্ৰকৃত সত্তাক পাবলৈ বুদ্ধি আৰু স্বজ্ঞা দুটা বিপক্ষীয় পদ্ধতি নহয়। বুদ্ধিৰ সম্বন্ধত, স্বজ্ঞাই এক অংশৰ সৈতে সমগ্ৰতাৰ দৰে থাকে। বুদ্ধি আৰু স্বজ্ঞা দুয়োটা পৰস্পৰ নিৰ্ভৰশীল।
- ভাৱবাদ, স্বজ্ঞাবাদ আৰু অতীন্দ্ৰিয়বাদ হৈছে উপাদান, য'ৰ পৰা ৰাধাকৃষ্ণণে তেওঁৰ জ্ঞানমীমাংসা গঠন কৰিছে। গতিকে ৰাধাকৃষ্ণণে জ্ঞানৰ এক নতুন পদ্ধতি তৈয়াৰ কৰিছে, যাক 'integral experience' (অপৰিহাৰ্য্য অভিজ্ঞতা) বাক্যাংশৰ দ্বাৰা বুজাব পাৰি।

১১.১১ অধিক জানিবলৈ

1. Radhakrishnan, S. (1980) *An Idealist View of Life*. London . Unwin Paperbacks. .
2. Arapura, J.G. *Radhakrishnan and Entegral Experience*. New York. Asia Publishing House
3. Radhakrishnan S. (1977) *Indian Philosophy*. Vol-I & Vol-2.London. George Allen & Unwin Ltd.
4. Radhakrishnan, S (1994) *Recovery of Faith*. India. Haper collins Publishers
5. Radhakrisnan, S., and Muirhead, J.H. (1982) *Contemporary Indian Philosophy*. New York .S. Chand & Co. Ltd.
6. Dutta, D.M.(1961) *The Chief current of contemporary philosophy*. The University of Calcutta

১১.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰঃ উঃ ৰাধাকৃষ্ণণৰ মতে প্ৰকৃত সত্তাক জ্ঞানৰ তিনিটা উপায় আছে । সেয়া হ'ল- ইন্দ্ৰিয় অভিজ্ঞতা, সঙ্গতিবিহীন যুক্তি আৰু স্বজ্ঞাজনিত উপলব্ধি।

২ নং প্ৰঃ উঃ ইন্দ্ৰিয় অভিজ্ঞতা প্ৰকৃত সত্তাক জনাৰ সেইটো উপায়, যিয়ে আমাক বাহ্যিক জগতৰ ইন্দ্ৰিয়গ্ৰাহ্য গুণাৱলীসমূহৰ জ্ঞান প্ৰদান কৰে।

৩ নং প্ৰঃ উঃ সঙ্গতিবিহীন যুক্তি নাইবা তৰ্কীয় যুক্তি প্ৰকৃত সত্তাক জনাৰ উপায়, যিয়ে বাহ্যিক আৰু আভ্যন্তৰীণ দুয়োটা জ্ঞান দিয়ে, কিন্তু ধাৰণা আৰু প্ৰতীকৰ জৰিয়তে এক পৰোক্ষ পথেৰে।

৪ নং প্ৰঃ উঃ স্বজ্ঞাজনিত জ্ঞান অ-সংবেদনময় আৰু অব্যৱহিত জ্ঞান। স্বজ্ঞাজনিত জ্ঞান মানুহৰ দ্বাৰা হোৱা জ্ঞান। প্ৰকৃত সত্তাৰ সাৰমৰ্ম কেৱল স্বজ্ঞাতহে উপলব্ধি কৰিব পাৰি।

৫ নং প্ৰঃ উঃ নহয়।

৬ নং প্ৰঃ উঃ নহয়।

৭ নং প্ৰঃ উঃ আক্ষৰিকভাৱে স্বজ্ঞাই বুজায় 'চোৱা' (look at) নাইবা প্ৰত্যক্ষ দৃষ্টি (direct vision) নাইবা কিহবাৰ অব্যৱহিত সচেতনতা (immeidate awarness of something).

৮ নং প্ৰঃ উঃ ক) অসত্য খ) সত্য গ) সত্য ঘ) সত্য

৯ নং প্ৰঃ উঃ ৰাধাকৃষ্ণণে তলত দিয়াৰ দৰে বুদ্ধিৰ সীমাবদ্ধতাসমূহক দেখুৱাইছে—

- বুদ্ধি প্ৰকৃত সত্তাৰ অৱভাসৰ লগত জড়িত। ই এক ঐক্যবদ্ধ জ্ঞান দিয়াত ব্যৰ্থ।
- ৰাধাকৃষ্ণণৰ মতে প্ৰকৃত সত্তা গতিশীল, যাক বুদ্ধিৰ দ্বাৰা স্পৰ্শ কৰিব পৰা নাযায়।
- বুদ্ধি সদায় দ্বিভাজনীয়। ই কেতিয়াও আত্মা আৰু বিষয়ৰ সম্পৰ্কৰ দ্বিভাজনক পৰাভুত কৰিব নোৱাৰে।
- ই কেৱল প্ৰতীকিয় জ্ঞানকহে নিৰ্দেশ কৰে।
- যিহেতু বুদ্ধি কাল সাপেক্ষ এক প্ৰক্ৰিয়া; সেয়ে ই সীমিত। ই শুদ্ধতাৰ বিষয়।
- বৌদ্ধিক জ্ঞান সম্ভৱ হয় কেৱল যেতিয়া সমলবোৰ কোনো ঠাইৰ পৰা সমলবোৰৰ যোগান ধৰা হয়। কিন্তু প্ৰকৃত সত্তাৰ কেতবোৰ দিশ আছে, যাক ইন্দ্ৰিয়ই সিহঁতৰ যোগান ধৰিব নোৱাৰে; যেনে ঃ খণ্ডৰ আৱেগ, কাৰণ খণ্ডৰ অৱস্থাক বুদ্ধিয়ে বিশ্লেষণ কৰাৰ পূৰ্বেই আমি ইয়াক পাওঁ।

সি যি নহওঁক, ৰাধাকৃষ্ণণ এজন বুদ্ধিজীৱী বিৰোধী (anti-intellectualist) নহয়। তেওঁ কেৱল বুদ্ধিৰ সীমাবদ্ধতাখিনিহে দেখুওৱাইছে।

১০ নং প্ৰঃ উ ঃ আক্ষৰিকভাৱে 'intuition' (স্বজ্ঞা) শব্দটোৱে বুজায় 'চোৱা' (look at) নাইবা 'প্ৰত্যক্ষ দৃষ্টি' (direct vision) নাইবা 'কিহবাৰ অব্যৱহিত সচেতনতা' (immediate perception of something) ভাৰতীয় দাৰ্শনিকসকলৰ দ্বাৰা 'স্বজ্ঞা'ক 'অপৰোক্ষ' (Aparoksha) শব্দেৰে নামকৰণ কৰা হৈছে। এনে ধৰণৰ জ্ঞানত জ্ঞাতা (knower) আৰু জ্ঞেয় (known) এক। ইয়াত, প্ৰকৃত সত্তাক জনাটোৱেই প্ৰকৃত সত্য বা সত্তা। আমাৰ আত্মা হৈছে স্বজ্ঞাজনিত উপলব্ধিৰ সৰ্বোত্তম উদাহৰণ। ৰাধাকৃষ্ণণৰ মতে, স্বজ্ঞাজনিত জ্ঞান আত্মগত (subjective), ঘনিষ্ঠভাৱে ব্যক্তিগত, কিন্তু ই ইয়াৰ পৰিসৰৰ দ্বাৰা সীমাবদ্ধ নহয়। স্বজ্ঞা বুদ্ধিৰ ওপৰত নিৰ্ভৰশীল আৰু ইয়াক অতিক্ৰমো কৰে। স্বজ্ঞা সামগ্ৰিক।স্বজ্ঞা আধিভৌতিকো নহয়, বুদ্ধিৰো বিৰোধী নহয়। জনা বা জ্ঞানৰ উপায় হিচাপে স্বজ্ঞা, কল্পনা, জন্মগত প্ৰবৃত্তি আৰু এক ৰহস্যময় প্ৰক্ৰিয়াৰ পৰা পৃথক। স্বজ্ঞাই যিহেতু সমগ্ৰ আত্মাক প্ৰকট কৰে, সেয়ে ৰাধাকৃষ্ণণে ইয়াক অপৰিহাৰ্য্য সমগ্ৰতা হিচাপে স্বীকাৰ কৰিছে।

১১ নং প্ৰঃ উঃ তেওঁৰ মতে স্বজ্ঞা আৰু বুদ্ধি, এটা আনটোৰ বিৰোধী নহয়।স্বজ্ঞা বুদ্ধিৰ ওপৰত নিৰ্ভৰশীল, আৰু ইয়াক অতিক্ৰম কৰে। ইহঁত দুয়োটা একেটা নীতিৰ অন্তৰ্গত, সেয়া হৈছে আত্মা। স্বজ্ঞাজনিত জ্ঞানে বুদ্ধিৰ আংশিক সত্যতাক অতিক্ৰম কৰে। মানৱ মনৰ গুৰিত বুদ্ধি আৰু স্বজ্ঞাৰ মাজত কোনো সংঘাত নাই। স্বজ্ঞা, যিয়ে বুদ্ধিক উপেক্ষা কৰে, সি অপ্ৰয়োজনীয়। ৰাধাকৃষ্ণণৰ মতত স্বজ্ঞা হৈছে প্ৰকৃত সত্তাৰ প্ৰতি সমগ্ৰ মানুহৰ সহাঁৰি, সেয়ে ই বুদ্ধিকো জড়িত কৰে। ৰাধাকৃষ্ণণৰ মতে, স্বজ্ঞা স্বতন্ত্ৰ নহয় আৰু দৃঢ়ভাৱে চিন্তনৰ ওপৰত নিৰ্ভৰশীল। স্বজ্ঞাই বুদ্ধিক পৰিপূৰ্ণ কৰে আৰু ইয়াক নাকচ নকৰে। প্ৰত্যেকৰে নিজস্ব বিশেষ উদ্দেশ্য আছে। উভয়েই আত্মাৰ অন্তৰ্গত। কিন্তু বুদ্ধিয়ে আত্মাৰ এক বিশেষ অংশক জড়িত কৰে আৰু স্বজ্ঞাই সমগ্ৰ আত্মাক নিয়োগ কৰে। বুদ্ধি আৰু স্বজ্ঞা উভয়েই পৰস্পৰ নিৰ্ভৰশীল।

১২ নং প্ৰঃউ ঃ ৰাধাকৃষ্ণণ পাশ্চাত্য আৰু ভাৰতীয় চিন্তাবিদ উভয়ৰ দ্বাৰাই অনুপ্ৰাণিত হৈছিল। কিন্তু তেওঁ নিজস্ব দৃষ্টিভঙ্গীৰে তেওঁলোকৰ মতামতসমূহক পুনৰ্গঠন, পুনৰ্পৰিবৰ্তন আৰু পুনৰ্ব্যাখ্যা কৰিছিল। প্লেটোৰ দ্বান্দ্বিক পদ্ধতিৰ

দৰে, (যি হৈছে সত্যতা উপলব্ধিৰ এক স্তৰ) ৰাধাকৃষ্ণণে প্ৰকৃত সত্তাৰ উপলব্ধিত স্বজ্ঞাক অন্তিম স্তৰ হিচাপে স্বীকাৰ কৰিছে; ইয়াক বুদ্ধিৰ সহায়ত লাভ কৰা যায়।

স্পিনোজাৰ সৈতে ৰাধাকৃষ্ণণে বিশ্বাস কৰে যে স্বজ্ঞা স্বতন্ত্ৰ মানসিক শাখা নহয়। হেগেলৰ দৰে, ৰাধাকৃষ্ণণে মুৰ্ত্ত আত্মিক পৰম সত্তাক বিশ্বাস কৰে। কিন্তু ৰাধাকৃষ্ণণে স্বজ্ঞাৰ হেগেলীয় ধাৰণাটোক গ্ৰহণ কৰা নাই, যি বুদ্ধিৰ লগত সম্পৰ্কবিহীন আৰু আমাক সাধাৰণ অস্তিত্বতকৈ আন কোনো বস্তু দিবলৈ অসমৰ্থ। বাৰ্গ্চনৰ দৰে, ৰাধাকৃষ্ণণে মত আগবঢ়োৱা নাই যে স্বজ্ঞা জীৱন শক্তিৰ কৰ্ম, কিন্তু আত্মিক সচেতনতাৰ ক্ৰিয়া। ৰাধাকৃষ্ণণ আৰু ব্ৰেড্লি উভয়েই ভাৱবাদী দাৰ্শনিক। ৰাধাকৃষ্ণণে চিন্তা আৰু স্বজ্ঞাৰ মাজত ধাৰাবাহিকতাক অব্যাহত ৰাখিছে, কিন্তু ব্ৰেড্লিয়ে কয় যে, 'thought commits suicide in absolute experience.' শংকৰৰ দৰে ৰাধাকৃষ্ণণে বুদ্ধিক উপেক্ষা কৰা নাই, যদিও স্বজ্ঞাই বুদ্ধিক অতিক্ৰম কৰে। ইয়াৰ পৰিবৰ্তে, ৰাধাকৃষ্ণণে তেওঁৰ স্বজ্ঞাজনিত উপলব্ধিত অপৰিহাৰ্য্য অভিজ্ঞতাত বুদ্ধিক তাৰ বিশেষ স্থানত অধিষ্ঠিত কৰিছে।

? ১১.১৩ আৰ্হি প্ৰশ্ন

ক) বিষয়নিষ্ঠ প্ৰশ্নাৱলী

প্ৰ ঃ১ ঃ জনা বা জ্ঞানৰ বিভিন্ন উপায়সমূহ কি কি?

প্ৰ ঃ২ ঃপ্ৰজ্ঞাৰ আক্ষৰিক অৰ্থ কি?

প্ৰ ঃ৩ ঃ ইন্দ্ৰিয় অভিজ্ঞতা বুলিলে কি বুজে?

প্ৰ ঃ৪ ঃসঙ্গতিহীন যুক্তি কি?

প্ৰ ঃ৫ ঃ স্বজ্ঞা কি?

প্ৰ ঃ৬ ঃ স্বজ্ঞাৰ প্ৰকাৰসমূহ কি কি?

প্ৰ ঃ৭ ঃ ৰাধাকৃষ্ণণ এজন বুদ্ধিজীৱী বিৰোধী নহয়। ই এটা শুদ্ধ উক্তি হয়নে?

প্ৰ ঃ৮ ঃ চিন্তাই আত্ম হত্যা কৰে (Thought commits suicide)-কথাযাৰ কোনে কৈছিল?

প্ৰ ঃ৯ ঃ দুজন বুদ্ধিজীৱী বিৰোধীৰ নাম লিখক-

(খ) চমু প্ৰশ্ন (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ প্ৰায় ১৫০ শব্দৰ ভিতৰত কৰিব)

প্ৰ ঃ১ ঃ ৰাধাকৃষ্ণণৰ মতে প্ৰকৃত সত্তাৰ উপলব্ধিত বুদ্ধিৰ ভূমিকা কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰ ঃ২ ঃ চমুটোক লিখক-

ক) ইন্দ্ৰিয় অভিজ্ঞতা খ) বুদ্ধি গ) স্বজ্ঞা ঘ) অপৰিহাৰ্য্য অভিজ্ঞতা

প্ৰ ঃ৩ ঃ ইন্দ্ৰিয় অভিজ্ঞতা আৰু স্বজ্ঞাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰ ঃ৪ ঃ বুদ্ধি আৰু স্বজ্ঞাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰ ঃ৫ ঃ চমুকৈ স্বজ্ঞাৰ স্বৰূপ উল্লেখ কৰক।

প্ৰ ঃ৬ ঃ বুদ্ধি আৰু স্বজ্ঞাৰ মাজৰ সম্পৰ্ক চমুকৈ ব্যাখ্যা কৰক।

গ) দীঘলীয়া প্ৰশ্ন (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ প্ৰায় ৩০০-৫০০ মান শব্দৰ ভিতৰত কৰিব)

প্ৰ ঃ১ ঃ ৰাধাকৃষ্ণণৰ স্বজ্ঞা আৰু বুদ্ধিৰ ধাৰণা দুটা বৰ্ণনা কৰক।

প্ৰ ঃ২ ঃ স্বজ্ঞাই বুদ্ধিক বিৰোধিতা কৰেনে? ৰাধাকৃষ্ণণৰ মতামতৰ প্ৰসংগত আলোচনা কৰক।

প্ৰ ঃ৩ ঃ ৰাধাকৃষ্ণণে স্বজ্ঞাৰ দ্বাৰা কি বুজাইছে? তেওঁ বুদ্ধিজীৱী বিৰোধী হয়নে? আলোচনা কৰক।

প্ৰ ঃ৪ ঃ ৰাধাকৃষ্ণণে বুদ্ধিক কিদৰে সমালোচনা কৰিছে। ব্যাখ্যা কৰক।

প্ৰ ঃ৫ ঃ ৰাধাকৃষ্ণণৰ মতে বুদ্ধি আৰু স্বজ্ঞাৰ মাজৰ সম্বন্ধ বৰ্ণনা কৰক।

*** **** ***

অধ্যায় ১২ ঃ বি. আৰ. আম্বেদকাৰ ঃ নব্য বৌদ্ধধর্ম

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ নব্য বৌদ্ধধর্ম ঃ এক স্বাভাৱিক চালিকা শক্তি

১২.৪ নব্য বৌদ্ধধর্ম ঃ এক ধর্মীয় আন্দোলন

১২.৫ নব্য বৌদ্ধধর্ম ঃ দৰিদ্রসকলৰ কল্যাণৰ এক অনুঘটক

১২.৬ নব্য বৌদ্ধধর্ম ঃ গান্ধী বনাম আম্বেদকাৰ

১২.৭ নব্য বৌদ্ধধর্মৰ নৈতিক শাস্ত্রাভিমতৰ আয়তন

১২.৮ নব্য বৌদ্ধধর্ম আৰু ইমিলি ডুৰ্খেইম

১২.৯ নব্য বৌদ্ধ ধর্মৰ ওপৰত আম্বেদকাৰৰ সংকল্পসমূহ

১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১১ অধিক জানিবলৈ

১২.১২ অগ্রগতিৰ খতিয়ান

১২.১৩ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- এক স্বাভাৱিক চালিকা শক্তি হিচাপে বৌদ্ধ ধর্মক ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- এক ধর্মীয় আন্দোলন হিচাপে বৌদ্ধ ধর্মক বর্ণনা কৰিব পাৰিব
- বৌদ্ধ ধর্মক দৰিদ্রসকলৰ কল্যাণৰ এক অনুঘটক হিচাপে ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- নব্য বৌদ্ধ ধর্মত গান্ধী আৰু আম্বেদকাৰৰ মাজত এক যোগসূত্র বিচাৰি উলিয়াব পাৰিব
- নব্য বৌদ্ধ ধর্মৰ আলোচনা কৰিব পাৰিব
- নব্য বৌদ্ধ ধর্ম আৰু ইমিলি ডুৰখেইম্ৰ মাজত পার্থক্য নির্ণয় কৰিবলৈ সমর্থ হ'ব
- আম্বেদকাৰৰ নব্য বৌদ্ধ ধর্ম বিষয়ক সংকল্পসমূহৰ বর্ণনা কৰিবলৈ সমর্থ হ'ব।

১২.২ পৰিচয়

নব্য বৌদ্ধ ধৰ্ম হৈছে বি. আৰ. আম্বেদকাৰৰ বৌদ্ধ আন্দোলনৰ এক বৈপ্লৱিক সামাজিক নতুন আৰম্ভণি। এক বৈপ্লৱিক বৌদ্ধ আন্দোলন হিচাপে নব্য বৌদ্ধ ধৰ্ম আৰম্ভ হৈছিল ১৯৫৬ চনৰ ১৪ অক্টোবৰত, যেতিয়া আম্বেদাকৰৰ লগতে তেওঁৰ প্ৰায় ৪০,০০,০০০ অনুগামীয়ে বৌদ্ধ ধৰ্মত দীক্ষা লৈছিল। ই প্ৰধানকৈ সমাজত দৰিদ্ৰ শ্ৰেণী বিশেষকৈ মাহাৰ (Mahar) জাতিৰ সামাজিক উন্নতিৰ সৈতে জড়িত। সকলোৰে ঊৰ্দ্ধত ই শ্ৰেণী, জাতি, ধৰ্ম আৰু বৰ্ণ নিৰ্বিশেষে সকলোৰে আত্মসন্মান, সামাজিক সমতা আৰু ন্যায়ৰ বাবেও এক আন্দোলন। ইয়াৰ বাহিৰেও এক সমাজবাদী দৰ্শন হিচাপে নব্য বৌদ্ধ ধৰ্ম হৈছে ধৰ্মীয় আন্দোলনৰ এক চালিকা শক্তি, যি আৰ্থ সামাজিক আৰু নৈতিক নীতিসমূহৰ ভিত্তিত গঢ় লৈছে। সেইবাবে, সংক্ষেপে এই কথা ক'ব পৰা যায় যে নব্য বৌদ্ধ ধৰ্ম প্ৰাথমিকভাবে এক আন্দোলনৰ লগত জড়িত, যাক সমাজৰ পিছপৰা দৰিদ্ৰ শ্ৰেণীৰ কল্যাণৰ বাবে এক অনুঘটক হিচাপে গণ্য কৰা হয়।

১২.৩ নব্য বৌদ্ধ ধৰ্ম ঃ এক স্বাভাৱিক চালিকা শক্তি

এই কথা ক'লে ভুল নহ'ব যে ডঃ আম্বেদকাৰ আৰু নব্য বৌদ্ধ ধৰ্ম একাৰ্থক। অস্পৃশ্য জাতিটোৰ সামগ্ৰিক উন্নতিৰ বাবে ডঃ আম্বেদকাৰ সদায় ব্যস্ত আছিল। অস্পৃশ্য বা অজাতিক নাইকিয়া কৰাৰ গান্ধীৰ চেষ্টা য'লা ঘোষণা (yola declaration) ৰ পাছত হৈছিল। এই ঘোষণাই এই মত আগবঢ়াইছিল যে অজাতিসমূহক 'হৰিজন' কি হিচাপে পুনৰ নামকৰণ কৰা হৈছিল। পোন প্ৰথমবাৰৰ বাবে এই পিছপৰা জাতিটোক গান্ধীজীয়ে এই 'হৰিজন' নামটো দিছিল। উদাহৰণ স্বৰূপে, বাবু জগ্‌জীৱন ৰাম, যি অজাতিসমূহৰ মাজৰ এজন, তেওঁ হিন্দুৰ মাজত মৰ্য্যাদা বিচাৰি পাইছিল। কিন্তু, আম্বেদকাৰ, যি মাহাৰ জাতিৰ আছিল,তেওঁ অৱশেষত বৌদ্ধ ধৰ্মত দীক্ষা লৈছিল আৰু এই জাতিটোৰ লোকসকলক হিন্দু বৰ্ণ ব্যৱস্থাৰ কবলৰ পৰা মুক্ত কৰাইছিল।

আম্বেদকাৰে মত আগবঢ়াইছিল যে বৌদ্ধ ধৰ্মই তেওঁক অসীম সন্তুষ্টি আৰু আনন্দ প্ৰদান কৰিছে। তেওঁ তেওঁৰ অনুগামী মাহাৰ (Mahar) সকলক সামাজিক আৱশ্যকতা আৰু ধৰ্মীয় দাবীৰ বাবে হিন্দু ধৰ্ম পৰিত্যাগ কৰিবলৈ আবেদন জনাইছিল। সেয়ে তেওঁ উল্লেখ কৰিছিল " I do not want any blind followers. I do not like sheep mentality." (Ambedkar's Patriotic Call, The Buddhist Society of India. Hyderabad, 1978, P5) আম্বেদকাৰৰ সৱল নেতৃত্বত মাহাৰ জাতিটোৱে বৌদ্ধ ধৰ্মক আকোঁৱালি লৈছিল। তেওঁ কৈছিল 'Buddhism is the best religion in the world and there can be absolutely no doubt about it." (Ambedkar's patriotic Call. The Buddhist society of India, Hyderabad, 1978, P. 14) তেওঁ দৃঢ় ভাৱে কয় যে বৌদ্ধ ধৰ্মই একমাত্ৰ ধৰ্ম, যিয়ে জাতি বা বৰ্ণক স্বীকাৰ নকৰে আৰু প্ৰগতিৰ সম্পূৰ্ণ সুযোগ দিয়ে। আম্বেদকাৰৰ মতে "তেন্তে আমাৰ যদি কোনো আশা আছে ই হৈছে হিন্দু ধৰ্মক পৰিত্যাগ কৰি বুদ্ধৰ উপদেশসমূহ অনুসৰণ কৰা আৰু "যিসকলে বুদ্ধক অস্বীকাৰ কৰিবলৈ ইচ্ছা কৰে, তেওঁলোকে ইয়াৰ মূল্যক গণনা কৰাৰ পাছত হে এনে কৰা উচিত, কাৰণ ই হৈছে এক ধৰ্ম যাৰ উপাসনা বহুত কঠিন।" যেতিয়া ১৯৫৬ চনৰ ১৫

অক্টোবৰত লোকসকলে বৌদ্ধ ধর্ম গ্রহণ কৰিছিল, তেতিয়া আম্বেদকাৰৰ প্রতিক্রিয়া আছিল যে, "আজি মই যি কামনা কৰিছিলো সেয়া হৈছে যে তোমালোকে মোৰ ওপৰত বিশ্বাস ৰখাটো আৰু মোক অনুসৰণ কৰাটো উচিত।" —আম্বেদকাৰে বৌদ্ধ ধর্মৰ মূলমন্ত্রৰ মাজেৰে মাহাৰ জাতিৰ সৈতে একেলগ হৈ আত্ম সম্মান, সামাজিক সমতা আৰু ন্যায়ৰ বাবে যুঁজ কৰিছিল. এই যুঁজৰ একেবাৰে উর্দ্ধৃত আছিল হিন্দু ধর্ম বিসর্জন আৰু বৌদ্ধ ধর্ম গ্রহণ। অৱশেষত সকলোৱে হিন্দু ধর্মক পৰিত্যাগ কৰি বৌদ্ধ ধর্মক আকোঁৱালি লৈছিল। আম্বেদকাৰ আৰু তেওঁৰ অনুগামীসকলে সামাজিক আৰু ৰাজনৈতিক ভিত্তিত বৌদ্ধ ধর্ম গ্রহণ কৰিছিল, কাৰণ যদি তেওঁলোক হিন্দু ধর্মত অস্পৃশ্য হৈ থাকিবলগীয়া হয়, তেন্তে সাধাৰণতে তেওঁলোকে উদগ্তি আৰু বিশেষকৈ আত্মবিকাশো কৰিব নোৱাৰিব। আনহাতে, যদি তেওঁলোকে বৌর্দ্ধ ধর্ম গ্রহণ কৰে, তেন্তে বর্ণবাদ বা জাতিবাদ আৰু অস্পৃশ্যতাৰ ধাৰণাসমূহ ধ্বংস হ'ব আৰু ফলস্বৰূপে তেওঁলোকৰ সুখ আৰু প্রগতিৰ পথত কোনো বাধা নাথাকিব। সেয়ে আম্বেদকাৰে ভাবিছিল যে বৌদ্ধ ধর্মই মাহাৰ জাতিৰ হকে আটাইতকৈ উৎকৃষ্ট ধর্ম। ধর্ম পৰিবর্তন কৰা এজন লোকে মন্তব্য কৰে যে "যদি বুদ্ধ পৃথিৱীৰ মাগদর্শী, তেন্তে বাবা চাহেব মাহাৰসকলৰ মাগদর্শী।" সেই কাৰণেই হীন জাতিৰ লোকসকলে আম্বেদকাৰক এতিয়াও উপাসনা কৰে। সেই বাবে বিশেষকৈ মাহাৰ জাতিৰ অনুগামীসকলৰ বাবে বৌদ্ধধর্মই এক নতুন ৰূপ গ্রহণ কৰে। সেয়া হ'ল আম্বেদকাৰৰ নেতৃত্বত নব্য বৌদ্ধ ধর্ম আৰু এই নব্য বৌদ্ধ ধর্মই দৰিদ্র লোকসকলক সুখ আৰু উদগ্তিৰ এক নতুন পথৰ সন্ধান দিছে। সেইবাবে বৌদ্ধ ধর্মলৈ নতুনকৈ ধর্মান্তৰিত হোৱা লোকসকলে ইয়াক চালিকা শক্তি (dynamic force) ৰূপে গ্রহণ কৰে। সেয়ে ক'ব পৰা যায় যে হিন্দু ধর্মক ত্যাগ কৰি বৌদ্ধ ধর্মত যে কোনো জাতিবাদ বা অস্পৃশ্যতা থাকিব নোৱাৰে, ইয়াক উদাৰভাৱে স্থাপন কৰাৰ হেতু আম্বোদকাৰৰ পৰৱর্তী সময়ছোৱাত ভাৰততে এই পৰম্পৰা বা নতুন ধর্মীয় আন্দোলনে প্রসাৰ লাভ কৰিছিল। এই কাৰণেই ইয়াত কোনো সন্দেহ নাই যে ই বৌদ্ধ ধর্মত নিহিত থকা এক প্রামানিক চালিকা শক্তি।

অগ্রগতি নিৰীক্ষণ

প্রঃ ১ কোনে হৰিজন নামটো উদ্ভাৱন কৰিছিল?

প্রঃ ২ আম্বেদকাৰ কোনটো জাতিৰ অন্তর্গত আছিল?

প্রঃ ৩ "বৌদ্ধ ধর্মই পৃথিৱীৰ আটাইতকৈ উৎকৃষ্ট ধর্ম আৰু ইয়াত কেনো সন্দেহৰ অৱকাশ নাই।" কথাষাৰ কোনে কৈছিল?

প্রঃ ৪ ধর্মৰ মূল উদ্দেশ্য কি?

প্রঃ ৫ নব্য বৌদ্ধ ধর্মৰ মতে কিয় বৌদ্ধ ধর্মক উৎকৃষ্ট ধর্ম বুলি গ্রহণ কৰা হয়? (প্রায় ৭০ টা শব্দত উত্তৰ দিব)

প্রঃ ৬ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰক-

ক) আম্বেদকাৰৰ মতে বৌদ্ধ ধর্মই অজাতিসকলৰ বাবে আটাইতকৈ উৎকৃষ্ট ধর্ম। (সত্য /অসত্য)

খ) নব্য বৌদ্ধ ধর্মই বর্ণ- ব্যৱস্থা নাইবা অস্পৃশ্যতাক ত্যাগ কৰে। (সত্য /অসত্য)

গ) নব্য বৌদ্ধ ধর্মই দৰিদ্রসকলৰ বাবে সুখ আৰু সমৃদ্ধিৰ এক নতুন পথ দেখুৱায়। (সত্য /অসত্য)

ঘ) নব্য বৌদ্ধ ধর্ম সমাজত বর্ণবাদ আৰু অস্পৃশ্যতা পৰিত্যাগৰ এক চালিকা শক্তি। (সত্য /অসত্য)

ঙ) হিন্দু ধর্মৰ পৰা বৌদ্ধ ধর্মলৈ পৰিবর্তন হোৱাৰ ক্ষেত্রত আম্বেদকাৰ মাহাৰ জাতিৰ এজন মার্গদর্শী আছিল। (সত্য /অসত্য)

চ) আম্বেদকাৰৰ ধর্মত গভীৰ বিশ্বাস আছিল। (সত্য /অসত্য)

ছ) নব্য বৌদ্ধ ধর্ম বর্ণবাদ, অস্পৃশ্যতা আৰু বৈষম্যৰ বিৰুদ্ধে এক বিপ্লৱ। (সত্য /অসত্য)

জ) নব্য বৌদ্ধ ধর্ম এক আর্থ সামাজিক আৰু নৈতিক ধর্মীয় আন্দোলন। (সত্য /অসত্য)

চিন্তা চর্চা কৰক ঃ ১২.১

- নব্য বৌদ্ধ ধর্ম বর্ণবাদ, অস্পৃশ্যতা আৰু বৈষম্যৰ বিৰুদ্ধে এক বিপ্লৱ । আপুনি এই কথা গ্রহণ কৰেনে? আলোচনা কৰক।

১২.৪ নব্য বৌদ্ধ ধর্ম ঃ এক ধর্মীয় আন্দোলন

ধর্মৰ প্রতি আম্বেদকাৰৰ এক গভীৰ শ্রদ্ধা আছিল । তেওঁৰ মতে ধর্মই এক অর্থপূর্ণ জীৱনৰ নির্দেশ দিয়ে। এজন অধর্মী হিচাপে পৰিচিত হৈও তেওঁ জীৱনত ধর্মৰ গুৰুত্বক অস্বীকাৰ কৰা নাছিল আৰু তেওঁ ধর্মৰ পৰিসৰৰ ভিতৰতে এটা অর্থপূর্ণ জীৱন অতিবাহিত কৰিবলৈ বিচাৰিছিল। ধর্মই স্বাধীনতাৰ সমতা আৰু ন্যায়ৰ মূল্যক দৃঢ় কৰে। বর্ণবাদৰ পটভূমিৰ সন্দর্ভত আম্বেদকাৰ সম্পূর্ণৰূপে অসন্তুষ্ট আছিল আৰু বিশেষকৈ হিন্দু ধর্মত থকা বর্ণবাদৰ ধাৰণাটোৰ বাবেই তেওঁ বিপ্লৱৰ সূচনা কৰিছিল আৰু অৱশেষত আম্বেদকাৰ বৌদ্ধ ধর্মলৈ ধর্মান্তৰিত হৈছিল। তেওঁ কেৱল বৌদ্ধ ধর্মলৈ ধর্মান্তৰিত হোৱাই নহয়, তেওঁ লোকসকলক হিন্দু ধর্মত চলিত বর্ণবাদৰ কু-প্রভাৱৰ বিষয়েও জ্ঞান দিছিল। এইদৰেই আম্বেদকাৰে অজাতিসকল বিশেষকৈ মাহাৰ জাতিক চলিত বর্ণবাদৰ ব্যৱস্থাৰ পৰা নিজকে মুক্ত কৰাৰ এক নতুন পথৰ সন্ধান দিছিল।

বৌদ্ধ ধর্মলৈ ধর্মান্তৰ হোৱাৰ পূর্বে আম্বেদকাৰে বৌদ্ধ ধর্মৰ মূলমন্ত্রবোৰ বহুত অধ্যয়ন কৰিছিল আৰু বৌদ্ধ ধর্মৰ আন্তর্জাতিক সভাসমূহত অংশগ্রহণ কৰিছিল আৰু তাৰ পাছত হে তেওঁ হিন্দু ধর্ম ত্যাগ কৰাৰ সিদ্ধান্ত গ্রহণ কৰিছিল। বৌদ্ধ ধর্মৰ অনুগামী হিচাপে তেওঁ হীনযান শাখাক গ্রহণ কৰা নাছিল, যিয়ে আর্যসত্য (Four noble truths) ক স্বীকাৰ কৰিছিল। সেইদৰে, তেওঁ মহাযান শাখাৰো বিৰোধী আছিল, যিয়ে বুদ্ধক নিজে অৱজ্ঞা কৰিছে আৰু যি তেওঁৰ প্রত্যয়ৰ বিপৰীত আছিল। নব্য বৌদ্ধ ধর্মৰ দৰে এক নতুন ধাৰণাক অন্তর্গত কৰি আম্বেদকাৰে মাহাৰ সকলক বর্ণবাদৰ লৌহ বান্ধোনৰ পৰা উচ্চ স্তৰলৈ লৈ গৈছিল আৰু বৌদ্ধ ধর্মক ২২ টা সংকল্পেৰে এক পৰিবর্তনীয় ৰূপত এক নতুন ভৱিষ্যত প্রদান কৰিছিল। আম্বেদকাৰৰ মতে ধর্মৰ প্রধান উদ্দেশ্য হ'ল আত্মাৰ তৃপ্তি আৰু তেওঁ সংযোগ কৰে যে ধর্মৰ এই নতুন ৰূপটো এই উদ্দেশ্যৰ বহির্ভূত নহয়।

১৯৫৬ চনৰ ৬ ডিচেম্বৰত আম্বেদকাৰৰ মৃত্যুৰ পাছতো নব্য বৌদ্ধ ধর্মৰ এই আন্দোলন স্থবিৰ হৈ যোৱা নাছিল। ইয়াৰ পৰিবর্তে তেওঁৰ অনুগামীসকলৰ সহযোগিতা আৰু উদ্যমৰ দ্বাৰা ই এক নতুন আকাৰ আৰু গতি লাভ কৰিছিল, কাৰণ হিন্দুৰ পৰা বৌদ্ধ ধর্ম লৈ ধর্মান্তৰকৰণ প্রক্রিয়া অব্যাহত আছিল।

কিছুমান ঘটনা উল্লেখ কৰিব পৰা যায়।

১। ১৯৬৯ চনৰ ২০ অক্টোবৰত ব'ম্বেত এই ধর্মান্তৰকৰণ সেৱা আৰম্ভ হৈছিল।

২। গোৰখপুৰ সেৱা হৈছিল ১৯৭০ চনৰ ১৪ এপ্রিলত।

৩। গাজীপুৰ সেৱা হৈছিল ১৯৭০ চনৰ ১৮ এপ্রিলত।

৪। পাটনা সেৱা হৈছিল ১৯৭১ চনৰ ১৩.... ?

৫। বস্তি সেৱা হৈছিল ১৯৭১ চনৰ ৩০ জানুৱাৰীত।

এই মত আগবঢ়াব পৰা যায় যে নব্য-বৌদ্ধ ধর্ম হৈছে ধর্মপ্রচাৰ সম্বন্ধীয় উদ্যমেৰে এক শক্তিশালী ধর্মীয় আন্দোলন। ই এক আর্থ সামাজিক আৰু নৈতিক ধর্মীয় আন্দোলন। ই আত্মাৰ পৰম সুখ আৰু সাংসাৰিক শ্রীবৃদ্ধিৰ লগতে জড়িত।

১২.৫ নব্য বৌদ্ধ ধর্ম ঃ দৰিদ্রসকলৰ কল্যাণৰ হকে এক অনুঘটক (catalyst)

নব্য বৌদ্ধ ধর্মই অজাতিসকলৰ কল্যাণৰ বাবে এক অনুঘটকৰ কাম কৰে। আগতে কোৱাৰ দৰে ই এটা ধর্মীয় আন্দোলন, সেয়ে প্রশ্ন উদয় হয় যে- ঈশ্বৰ নাইবা কোনো ঐশ্বৰিক সত্তাক স্বীকাৰ নকৰাকৈ ই কেনেকৈ এটা ধর্ম হ'ব পাৰে? নব্য-বৌদ্ধ ধর্ম শব্দটোৰ গৃহীত অর্থতে এক ধর্ম। এক ঐশ্বৰিক সত্তা নাইবা স্বর্গীয় সত্তাক বিশ্বাস আৰু উপাসনা কৰাৰ অবিহনে নব্য-বৌদ্ধ ধর্মই নিদের্শ কৰে যে সামাজিক মর্য্যদাৰ পৰিবর্তন, অর্থনৈতিক শ্রীবৃদ্ধি, শৈক্ষিক উন্নতি আৰু ৰাজনৈতিক সজাগতাৰ দৰে এজনৰ আত্মাৰ সন্তুষ্টি আৰু পৰম সুখো অতি গুৰুত্বপূর্ণ। ই এজন ব্যক্তিৰ সামগ্রিক বিকাশ। আকৌ নব্য- বৌদ্ধ ধর্ম, আত্মাৰ কল্যাণ আৰু বস্তুগত কল্যাণৰ বাবে উপকাৰ হ'ব পাৰে নে? ডঃ আম্বেদকাৰে মত আগবঢ়াই যে বৌদ্ধ ধর্মত এক নমনীয় উপাদান আছে, যাক পৃথিৰীৰ অন্যান্য ধর্মসমূহত দেখিবলৈ পোৱা নাযায়। সেই নমনীয়তা, সামাজিক মর্যাদাৰ পৰিবর্তন, অর্থনৈতিক প্রগতি, শৈক্ষিক উন্নতি আৰু ৰাজনৈতিক সজাগতাৰ বাবে আত্মাৰ যি সন্তুষ্টি তাৰ সমানে গুৰুত্বপূর্ণ। ই প্রত্যেক মানুহৰ বাবে এক সামগ্রিক বিকাশ। আম্বেদকাৰে পুৰুষ আৰু মহিলা উভয়কে সমানে গুৰুত্ব দিছিল। তেওঁ মত আগবঢ়াইছিল যে ধর্মান্তৰৰ মূল উদ্দেশ্য আছিল মানুহক অন্যায় আৰু বৈষম্য মূলক আচৰণৰ পৰা স্বাধীন কৰা।

সামাজিক মর্য্যাদাত পৰিবর্তন ঃ নব্য বৌদ্ধ ধর্ম ধর্মৰ ইতিহাসত অদ্বিতীয় (unique) আৰু অসমান্তৰাল (unparallel) । আম্বেদকাৰে কেৱল তেওঁৰ বাবেই নহয়, তেওঁৰ অনুগামী অজাতিসকলৰ বাবেও মানবীয় সন্মানৰ বাবে যুঁজিছিল। তেওঁৰ যুদ্ধ আছিল মন্দিৰত প্রৱেশৰ বাবে যুঁজ, শিক্ষাৰ সম অধিকাৰৰ বাবে যুঁজ আৰু সকলো দিশতে সমান মর্য্যাদা লাভৰ বাবে যুঁজ। তেওঁ যি লাভ কৰিছিল সি সম্ভৱ হৈছিল অজাতিসকলৰ বাবে কৰা তেওঁৰ অবিৰত যুঁজৰ বাবে। মাহাৰ জাতিয়ে বৌদ্ধ ধর্ম গ্রহণ কৰি সকলোৰে বাবে সম অধিকাৰ নিশ্চিত কৰিছিল আৰু হিন্দু বর্ণবাদৰ বান্ধোনৰ পৰা মুক্ত হৈছিল। ফলস্বৰূপে তেওঁলোক ক উপযুক্ত বুলি ভবা হৈছিল। ই সঁচাকৈয়ে সামাজিক বৈষম্য মূলক আচৰণ দূৰীকৰণৰ বাবে এক যুঁজ বা আন্দোলন আছিল। সাধাৰণতে সামাজিক স্তৰসমূহক বিধি বিধানেৰে বান্ধি পেলোৱা আৰু অজাতিসকলক তলৰ স্তৰত ৰখাৰ বাবেও আম্বেদকাৰে মনুক আক্রমণ কৰিছিল। তেওঁ মনুক স্ত্রী জাতিক অস্তিত্বিহীন শ্রেণীত ৰখাৰ বাবেও সমালোচনা কৰিছিল। তেওঁ তেওঁৰ গ্রন্থ 'Rise and Fall of Hindu Women' ত উল্লেখ কৰিছিল যে আনকি এগৰাকী ব্রাহ্মণ মহিলাৰো নিজস্ব কোনো মর্য্যাদা

নাছিল, যদিও পৌৰাণিক যুগৰ মহিলাসকলে গুৰু আৰু সমৰ্পণৰ নায়িকাৰ দৰে উচ্চ স্থান উপভোগ কৰিছিল। তেওঁলোক আনকি ৰজাৰ দ্বাৰা সন্মানিত হৈছিল। তেওঁ মনুৰ আইন-কানুনক মহিলাৰ নৈতিক অধোগতিৰ মূল কাৰণ হিচাপে প্রচণ্ডভাবে বিৰোধিতা কৰিছিল। তেওঁ তেওঁৰ গ্রন্থ 'Rise and Fall of Hindu Women' ত আকৌ দেখুৱাইছে- কেনেকৈ বুদ্ধ মহিলাসকলৰ প্রতি উদাৰ আছিল আৰু কেনেকৈ তেওঁ মহিলাসকলক সম সন্মান কৰিছিল। তেওঁ আঙুলিয়াই দিয়ে যে বুদ্ধই মহিলাসকলক ভিক্ষুনী হ'বলৈ অনুমতি দিছিল, তেওঁলোক মূলতঃ ব্রাহ্মণেই হওঁক নাইবা শূদ্রই হওঁক। সংঘত যোগদান কৰাৰ ক্ষেত্রত কোনো বাধা নাছিল, সেইবাবে তেওঁ সংঘৰ সদস্য হ'বলৈ বিবাহিত, অবিবাহিত আনকি পৰিবর্তিত গণিকা সকলোৰে বাবে ব্যৱস্থা কৰি দিছিল। এই কথা ক'ব পৰা যায় যে নব্য বৌদ্ধ ধর্মই পুৰুষ আৰু মহিলা নির্বিশেষে সমান মর্যাদা প্রদানৰ কথা কৈছে। সেই কাৰণে এই নতুন আন্দোলনটোৰ মূল লক্ষ্য আছিল কেৱল জাতি অনুযায়ীয়েই নহয়, লিঙ্গ অনুযায়ীও সকলোকে সমান গুৰুত্ব প্রদান কৰাটো।

অগ্রগতি নিৰীক্ষণ

প্র ঃ ৭ নব্য বৌদ্ধ ধর্ম এটা ঈশ্বৰ বিহীন ধর্ম নে?

প্র ঃ ৮ হিন্দু ধর্মৰ পৰা বৌদ্ধ ধর্মলৈ হোৱা ধর্মান্তৰকৰণৰ মূল উদ্দেশ্য কি আছিল ? চমুকৈ ব্যাখ্যা কৰক। (প্রায় ৪০ শব্দৰ ভিতৰত উত্তৰ দিব)

প্রঃ ৯ আম্বেদকাৰৰ দ্বাৰা ৰচিত এখন গ্রন্থৰ নাম লিখক।

প্রঃ ১০ কি কাৰণে আম্বেদকাৰে মনুক সমালোচনা কৰিছে? (উত্তৰ ১০০ শব্দৰ ভিতৰত দিব)

প্রঃ ১১ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰক।

(ক) নব্য- বৌদ্ধধর্মই পুৰুষ আৰু মহিলা উভয়ৰে সমান গুৰুত্বৰ কথা কৈছে। (সত্য/অসত্য)

(খ) নব্য- বৌদ্ধধর্ম আছিল সামাজিক সমতাৰ এক আন্দোলন বা যুঁজ। (সত্য /অসত্য)

(গ) আত্মাৰ তৃপ্তি এজন মানুহৰ সামাজিক বিকাশৰ লগত জড়িত। (সত্য /অসত্য)

(ঘ) সংঘত অংশ গ্রহণ কৰাৰ ক্ষেত্রত বাধা আছিল। (সত্য /অসত্য)

- আপুনি ভাবেনে যে নব্য বৌদ্ধধর্মই সামাজিক অমঙ্গল যেনে অস্পৃশ্যতা, বৈষম্য মূলক মনোভাব আৰু বর্ণবাদ আদি মযিমুৰ কৰাত কৃতকার্য্য হৈছিল? আলোচনা কৰক।
- বৌদ্ধধর্ম আৰু নব্য-বৌদ্ধধর্মৰ মাজত কিবা আপুনি পার্থক্য বিচাৰি পায়নে? আলোচনা কৰক।

১২.৬ নব্য-বৌদ্ধধর্মঃ গান্ধী বনাম আম্বেদকাৰ

কিছুমান বিষয় আছে য'ত গান্ধী আৰু আম্বেদকাৰ উভয়ৰে সাদৃশ্য আছে আৰু আন কিছুমান বিষয় আছে য'ত তেওঁলোক উভয়ৰে মাজত পার্থক্যও আছে। গান্ধী আৰু আম্বেদকাৰে দৃঢ়ভাৱে দাবী কৰে যে পুৰুষ আৰু মহিলা উভয়ে সমান। তেওঁলোকে অস্পৃশ্যতা মযিমুৰ কৰাৰ ক্ষেত্রত গুৰুত্ব দিছিল। কিন্তু অস্পৃশ্যতা সম্পূর্ণৰূপে

মষিমুৰ কৰা এই একে লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দুয়োৰে স্থিতি বেলেগ আছিল। ডঃ আম্বেদকাৰে অস্পৃশ্যতাৰ কাৰণবোৰ নাইকিয়া কৰাত এজন প্ৰধান যুঁজাৰু আছিল। গান্ধীৰ মতে "Nothing will satisfy Gandhi, till the last vistage of untouchability is eradicated." (Cf. Kadam, KN (Ed) op cit. p. 100) আম্বেদকাৰে এনে এখন সমাজৰ কল্পনা কৰিছিল, য'ত কোনো বৰ্ণ নাথাকিব আৰু সকলো মানুহকে সমান বুলি গণ্য কৰা হ'ব। অস্পৃশ্যতাক সমূলি উভালি পেলোৱাতো আম্বেদকাৰৰ প্ৰধান লক্ষ্য আছিল। গান্ধীৰ মতে অস্পৃশ্যতাক মষিমূৰ কৰাটো অস্পৃশ্যতাক উঠাই দিয়াৰ দৈনিক কাৰ্যতালিকাৰ অন্তৰ্গত এটা আছিল। গান্ধীয়ে নীচ কামবোৰক মহৎ কাম বুলি ধৰিছিল আৰু সেয়ে তেওঁ অজাতিসমূহক 'হৰিজন' বুলি পৰিচয় কৰালে। কিন্তু আম্বেদকাৰে বৰ্ণৰ এই তুলনামূলক আৰু সহানুভূতি ভিত্তিক পৰিচয় ভাল পোৱা নাছিল। সেই কাৰণে এই কথা ক'ব পাৰি যে আম্বেদকাৰ এজন প্ৰকৃত বাস্তৱবাদী (realist) আৰু প্ৰয়োগবাদী (Pragmatist) ও আছিল। এক অৰ্থত ক'বলৈ গ'লে তেওঁ অজাতিসকলক সংগ্ৰামৰ জৰিয়তে নকৈ গঢ় দিবলৈ চেষ্টা কৰিছিল। আনহাতে গান্ধী আছিল এজন প্ৰকৃত আদৰ্শবাদী (Idealist) এই অৰ্থত যে তেওঁ অজাতি নাইবা নীচ শ্ৰেণীক সংস্কাৰ কৰিব বিচাৰিছিল অন্তৰ নাইবা ভাবভংগীৰ পৰিবৰ্তনৰ মাজেৰে, সংগ্ৰামেৰে নহয়। এই কাৰণেই তেওঁ বৌদ্ধধৰ্ম আৰু নব্য বৌদ্ধ ধৰ্মক আকোঁৱালি লৈছিল, যি আছিল তেওঁৰ সাম্য চিন্তাধাৰাৰ ফল আৰু তেওঁ মাহাৰ জাতিৰ লগতে সমূহ নীচজাতিৰ সামাজিক উন্নতিৰ বাবে এক অনুঘটকৰ দৰে কাম কৰিছিল। এই কথা উল্লেখ কৰাৰ প্ৰয়োজন নাই যে স্বাধীনতাৰ পিছত ভাৰতীয় সংবিধানৰ ১৭ নং অনুচ্ছেদ অনুসৰি অস্পৃশ্যতাক এক দোষ বুলি গ্ৰহণ কৰা হৈছিল। আম্বেদকাৰে মানুহক তেওঁলোকৰ মৰ্য্যাদা ৰক্ষাৰ্থে বৌদ্ধ ধৰ্মলৈ ধৰ্মান্তৰ হ'বলৈ আহ্বান জনাইছিল। ফলস্বৰূপে মাহাৰ জাতিয়ে বৌদ্ধ ধৰ্মলৈ ধৰ্মান্তৰিত হৈছিল আৰু হিন্দু ধৰ্মক পৰিত্যাগ কৰি সামাজিক মৰ্য্যাদা লাভ কৰিছিল।

আনহাতে গান্ধীয়ে হিন্দু ধৰ্মৰ গাঁথনিৰ পৰা অস্পৃশ্যতাক উঠাই দিয়াৰ কথা ভাবিছিল। সেইবাবে এই কথা দৃঢ়ভাৱে ক'ব পৰা যায় যে, নব্য বৌদ্ধ ধৰ্মই এক আন্দোলন হিচাপে নীচ শ্ৰেণীক বিশেষকৈ মাহাৰ জাতিক এক সামাজিক মৰ্য্যাদাৰ ব্যৱস্থা কৰিবলৈ বহু বেছি চেষ্টা কৰিছিল।

মাহাৰ জাতিৰ বাবে কৰা নব্য বৌদ্ধ ধৰ্মৰ যুঁজৰ গুৰুত্বপূৰ্ণ দিশবিলাকৰ ভিতৰত এটা আছিল অৰ্থনৈতিক প্ৰগতি। সেইবাবে আম্বেদকাৰে আঙুলিয়াই দিয়ে যে, "আমি অৰ্থনৈতিক ভাবেও উন্নতি কৰাটো উচিত আৰু স্বাধীন হ'বলৈ চেষ্টা কৰাটো উচিত। মই নিজেই সমগ্ৰ জীৱনত সেই পৰিণতিলৈকে যুঁজ কৰিয়েই আছো। কেৱল এয়াই নহয়, মই মানুহক আৰ্থিকভাবে সৱল হোৱাটো বহু আশা কৰো।" আম্বেদকাৰে অনুভৱ কৰিছিল যে দৰিদ্ৰতা নীচ শ্ৰেণীৰ উন্নতিৰ ক্ষেত্ৰত থকা মূল হেঙাৰবোৰৰ ভিতৰত এটা। আম্বেদকাৰৰ মতে, এই শ্ৰেণীটোক তেওঁলোকৰ মৰ্য্যাদা, সন্মান আৰু অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছিল। সেইবাবে তেওঁ মাহাৰ জাতিৰ উন্নতিৰ বাবে শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। তেওঁ এই বিশেষ কামত নিষ্ঠাসহ ১৯৪৫ চনৰ জুলাই মাহত বোম্বেত 'Peoples education society' প্ৰতিষ্ঠা কৰিছিল। তদুপৰি তেওঁ বোম্বেৰ সিদ্ধাৰ্থ মহাবিদ্যালয় (Siddarth College) ও আৰম্ভ কৰিছিল।

ৰাজনৈতিক সজাগতা (Political Awareness) ঃ ডঃ আম্বেদকাৰে মাহাৰ জাতিৰ ৰাজনৈতিক বিবেকৰ ওপৰতো সমানে মনোযোগ দিছিল আৰু তাৰ ফলস্বৰূপে মহাৰাষ্ট্ৰৰ মাহাৰ জাতিটো ৰাজনীতিৰ প্ৰতি সজাগ হৈ উঠিছিল। আম্বেদকাৰে মত আগবঢ়াইছিল যে মাহাৰ জাতিয়ে ৰাজনীতিত প্ৰৱেশ কৰা আৰু তেওঁলোকৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে নিজৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিবলৈ ক্ষমতা লাভ কৰাটো উচিত। সেয়ে এই মতামত দিব পৰা

যায় যে, নব্য বৌদ্ধ ধর্ম হৈছে এক আন্দোলন, যিয়ে মানুহক জীৱনৰ সকলো ক্ষেত্রতে সহায় কৰিব পাৰে। ইয়াৰোপৰি, ই এক সামাজিক কল্যাণৰো আন্দোলন। সেয়ে আম্বেদকাৰে তেওঁলোকৰ অধিকাৰ, বিশেষকৈ মর্য্যাদা, সমাজত স্থান আদিৰ ক্ষেত্রত তেওঁলোকক সজীৱ কৰিবলৈ বৌদ্ধ ধর্মক আঁকোৱালি লোৱাৰ ওপৰত অধিক জোৰ দিছিল।

১২.৭ নব্য বৌদ্ধ ধর্মৰ নৈতিক ধর্মশাস্ত্রাভিমতৰ আয়তন

নব্য বৌদ্ধ ধর্মত নীতিশাস্ত্র আৰু ধর্মক সমান অর্থত লোৱা যায়। আম্বেদকাৰে দেখুওৱাই যে "নৈতিকতাই ধর্ম আৰু ধর্মই নৈতিকতা' (Morality is Dhamma is Dhamma and Morality)। নৈতিকতাই ধর্মত ঈশ্বৰৰ স্থান লৈছে, যদিও ধর্মত কোনো ঈশ্বৰ নাই। "ঈশ্বৰক সন্তুষ্ট কৰিবলৈ মানুহ নৈতিক হ'ব নালাগে,নিজৰ ঈশ্বৰৰ বাবেই মানুহে মানুহক ভাল পাব লাগে। (আম্বেদকাৰ ডঃ বি.আৰ. Buddha and His Dhamma. P 322-23, 2,3,7) এই দৃষ্টিভংগীৰ পৰা ক'ব পাৰি যে নব্য বৌদ্ধ ধর্মত নীতিশাস্ত্রৰ এটা প্রমুখ ভূমিকা আছে। বুদ্ধ আৰু তেওঁৰ ধর্মক নব্য বৌদ্ধ ধর্মীসকলৰ বাবে ধর্ম বিষয়ক বা আত্মা সম্বন্ধীয় গ্রন্থৰ লগতে আচৰণৰ বিধি বিধান বুলি ধৰা হৈছিল। ই মানুহক হিন্দুৰ পৰা বৌদ্ধ ধর্মলৈ ধর্মান্তৰ হোৱাৰ ক্ষেত্রতো সহায় কৰিছিল। সেয়ে আম্বেদকাৰৰ গ্রন্থ (Buddha and His Dhamma' ক বাইবেল হিচাপে ধৰা হৈছিল। ই সামাজিক সমতা আৰু জাতি বা বর্ণহীন সমাজৰ ওপৰত অধিক জোৰ দিছিল। বৌদ্ধ ধর্মলৈ আম্বেদকাৰৰ আটাইতকৈ মহান অৱদান আছিল আন ধর্মই আগবঢ়োৱা নানা প্রকাৰৰ শাস্ত্র ব্যৱস্থা নাইবা বাধা নিষেধৰ ঠাইত চমু শাস্ত্র ব্যৱস্থা আগবঢ়োৱাতো। সেয়ে, নব্য বৌদ্ধ ধর্মই মাত্র কেইটামান শাস্ত্র ব্যৱস্থা, যাক বৌদ্ধ ধর্মক এটা ধর্ম হিচাপে ল'বলৈ অনুকূল হিচাপে ধৰা হয়, তাক জাৰি কৰি সমাজক এক নতুন ৰূপৰেখা প্রদান কৰিছিল।

এই মত আগবঢ়াব পৰা যায় যে বুদ্ধ আৰু তেওঁৰ ধর্ম হৈছে নব্য বৌদ্ধ ধর্মালম্বীসকলৰ বেদ আৰু ডঃ আম্বেদকাৰক এই ক্ষেত্রত নব্য'জ (Navyas) হিচাপে গণ্য কৰা হয়। সেয়ে, চমুকৈ ক'বলৈ গ'লে ডঃ বাবা চাহেব আম্বেদকাৰে বুদ্ধৰ মূলমন্ত্রসমূহ গ্রহণ কৰিছিল আৰু অদি শংকৰে গৌড়পাদৰ দর্শনক গ্রহণ কৰি ইয়াক অদ্বৈতবাদলৈ (non-dualism) লৈ বিকাশ ঘটোৱাৰ দৰে, তেৰোঁ এই মূলমন্ত্রবোৰক নব্য বৌদ্ধ ধর্মলৈ বিকশিত কৰিছিল।

এক আন্দোলন হিচাপে নব্য বৌদ্ধ ধর্মই ধর্মান্তৰিত মাহাৰসকলক এক পৰিচয় প্রদান কৰিছিল। আম্বেদকাৰে বৌদ্ধ ধর্মক সহজ কৰি পেলাইছিল, যাক নব্য বৌদ্ধ ধর্ম নামেৰে এটা নতুন ৰূপেৰে জনা গৈছিল। ইয়াৰ লগত জড়িত কোনো ধৰণৰ বৃহৎ কলেবৰৰ প্রবন্ধ-নিবন্ধ ইয়াত নাই। নব্য বৌদ্ধ ধর্মত আমি কেৱল *Buddha and His Dhamma* গ্রন্থখনহে থকা দেখিবলৈ পাওঁ। সকলোৰে শেষত আৰু সকলোৰে উর্দ্ধত আমি ইয়াত নিহিত কেনো ধর্মীয় বিধি বিধান বিচাৰি নাপাওঁ। নব্য বৌদ্ধ ধর্মত দেখিবলৈ পোৱা একমাত্র ধর্মকর্ম হৈছে শৰণ- ভজন যি সকাম বা ধর্মকর্ম। এজন ব্যক্তি বৌদ্ধ ধর্মলৈ ধর্মান্তৰিত হোৱাৰ সময়ত এই ধর্মকর্ম অনুষ্ঠান পালন কৰা হয়।

নব্য-বৌদ্ধ ধর্মৰ আন্দোলনক সমাজৰ নিম্ন শ্রেণীৰ এক উদ্যম ৰূপে ভবা হৈছিল, যাৰ পিছত দলিত আন্দোলন (Dalit Movement)' ৰ সূচনা হৈছিল। আম্বেদকাৰৰ বাবে নৈতিকতাই হৈছে ধর্মৰ একেবাৰে শেষ সত্য। এখন ভাল সমাজ গঠনেই হৈছে নৈতিক ক্রিয়াৰ উদ্দেশ্য । নৈতিকতা হৈছে নব্য-বৌদ্ধধর্মৰ সাৰমর্ম। পূর্বৰ

অস্পৃশ্য মাহাৰসকলৰ বৌদ্ধ ধৰ্মমতৰ ওপৰত প্ৰতিষ্ঠিত এখন সমাজ আছিল আৰু সেয়ে তেওঁলোকে তেওঁলোকৰ বাবে এক নতুন পৰিচয় আনি দিছিল। সেই কাৰণে, আমি ক'ব পাৰো যে এই ধৰ্মই ধৰ্মান্তৰিত মাহাৰসকলক এটা পৰিচয় প্ৰদান কৰিছিল।

১১.৮ নব্য বৌদ্ধধৰ্ম অৰু এমিল ডুৰখেইম

যিদৰে আমি গান্ধী আৰু আম্বেদকাৰৰ মাজত সাদৃশ্য বিচাৰি পাইছিলো, ঠিক সেইদৰে আমি নব্য-বৌদ্ধধৰ্ম আৰু এমিল ডুৰ্খেইমৰ মাজতো কেতবোৰ মিল বিচাৰিব পাৰো। এণ্টনি গিডেন (Anthony Gidden) ৰ মত আছিল যে "ডুৰখেইমে তেওঁৰ বৌদ্ধিক অৱস্থা আৰম্ভ কৰিছিল এক নৈতিকতাৰ বিজ্ঞান' (Science of Morality) বিচাৰিবলৈ লোৱাৰ চেষ্টাৰ জৰিয়তে । "এই প্ৰচেষ্টাই তেওঁক সমাজতত্বলৈ লৈ গৈছিল, যি আছিল এনে ধৰণৰ বিজ্ঞানৰ এক পদ্ধতি আগবঢ়োৱা। কিন্তু সেই পদ্ধতিৰ প্ৰতিষ্ঠাই ইয়াৰ বিপৰীতে তেওঁক নৈতিকতালৈ প্ৰত্যাবৰ্তন কৰালে, যিহেতু সামাজিক ঘটনাবোৰৰ নৈতিক গুণ সিহঁতৰ প্ৰভেদকাৰী বৈশিষ্ট্য স্বৰূপ।" (Giddens, Sons & Co. Ltd. Glassow, 1978 P. 63).

আম্বেদকাৰেও ধৰ্মত নৈতিকতাক জোৰ দিছে, যাক *Buddha and His Dhamma* গ্ৰন্থখনৰ ৫ নং খণ্ডৰ ৩ নং অধ্যায়ত দেখিবলৈ পোৱা যায়। বৌদ্ধধৰ্মত উল্লেখ কৰাৰ দৰে, ঈশ্বৰ বুলি একো নাথাকে আৰু নৈতিকতাই ধৰ্মৰ ঠাই দখল কৰিছে। বুদ্ধ আৰু তেওঁৰ ধৰ্মত নৈতিকতাই ঈশ্বৰ অৰু ঈশ্বৰেই নৈতিকতা।

সমাজ সন্দৰ্ভত ডুৰ্খেইমৰ মত অতি গুৰুত্বপূৰ্ণ যেতিয়া তেওঁ কয় যে "এটা পৰিসৰ য'ত সমাজৰ আছে এক উদ্ধাৰকাৰী পৰিণাম, সেয়া হৈছে মানুহক বশ্যতা বা অধীনতাৰ পৰা প্ৰকৃতিৰ জগতখনলৈ মুক্ত কৰা, তেওঁ অন্ধ অচিন্তনীয় শাৰীৰিক শক্তিৰ পৰা মুকলি কৰা, তেওঁৰ সমাজৰ প্ৰতি নম্ৰতাই হৈছে এই স্বাধীনতাৰ চৰ্ত। সমাজৰ আটাইতকৈ সৰল ৰূপটোত এই নম্ৰতা বেছি নাইবা কম হয়। ব্যক্তিত্বৰ সমতা আৰু কৰ্মৰ নিজস্ব ক্ষমতা কম হয় । এই সমাজবোৰত নৈতিক আচৰণৰ সৰলতাই এনে আচৰণক যান্ত্ৰিক ভাৱে বহন কৰে অভ্যাসলৈ পৰিণত কৰাটো সহজ কৰি তোলে ..... ৰীতি-নীতি, পৰম্পৰাৰ কোনো যুক্তি আৰু প্ৰশ্নৰ ঠাই নৰখাকৈ এনে শক্তি আৰু ক্ষমতা আছে।" (Giddens' Anthony, Durkheim, William Collns Sons & Co. Pvt. Ltd. Glassow, 1978, P. 5) । ডুৰখেইম্ৰ গুৰুত্বপূৰ্ণ বক্তব্যই আমাক সোঁৱৰাই দিয়ে যে সমাজৰ এক মুক্ত স্বভাৱ আছে যাক সকলো লোকৰ বাবে উমৈহতীয়া ৰূপে ধৰা হয় আৰু যাৰ আছে মানুহক বিশেষকৈ সমাজৰ নিম্ন শ্ৰেণীক অসমানতাৰ মৰ্যাদাৰ পৰা মুক্তি কৰিবৰ বাবে এক উদ্ধাৰকাৰী পৰিণাম । সেই কাৰণে সমাজত বাস কৰা মাহাৰ জাতিয়ে আন মানুহৰ দৰেই একে মৰ্য্যদা লাভ কৰিব। **ডুৰখেইম এইটো** স্পষ্টভাৱে কৈছিলে যে সমাজৰ এই বিশেষ প্ৰকৃতি পৰিপূৰ্ণ হ'ব কেৱল তেতিয়াহে, যেতিয়া সমাজত বসবাস কৰা মানুহে সমাজৰ মুক্ত প্ৰকৃতিক সমানে উপভোগ কৰিব, অন্যথা ইয়াৰ প্ৰকৃতিৰ দ্বাৰা লাভ কৰা সমাজৰ এই বিশেষ পদটো সন্দেজনক হৈ পৰিব। যদি ইয়াক সমাজত অনুসৰণ কৰা হয় তেতিয়া মাহাৰ জাতি অস্পশ্যতাৰ পৰা মুক্ত হ'ব পাৰিব আৰু অৱশেষত তেওঁলোকে আনে উপভোগ কৰাৰ দৰেই মৰ্য্যাদা লাভ কৰিব।

গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছেঃ কৰ্মবোৰ শুদ্ধভাৱে আত্মিক (অৰ্থাৎ সম্পূৰ্ণৰূপে আত্মাভিমুখী) হ'ব পাৰেনে? ডুৰখেইমে কৈছিল যে "They cannot, self interest is logically district from moral conduct." Giddens Anthony, Durkheim, William Collins sons & Co. Ltd. Glassow 1978 P.63) আমি অনুভৱ কৰিব পাৰো যে যদিও গান্ধীয়ে ব্যাখ্যা কৰাৰ দৰে হিন্দু ধৰ্ম আছিল 'শ্ৰমৰ বিভাজন' (Division of labour), হিন্দু ধৰ্ম শ্ৰমৰ বিভাজনৰ পৰা জাতিৰ বিভাজনলৈ বিপথগামী হৈছিল আৰু নীতি বিৰুদ্ধে হৈ পৰিছিল । এই কথা উল্লেখ কৰিবই লাগিব যে, অহংবাদ আৰু নৈতিক চৰিত্ৰ পৃথক আৰু সঞ্চিত সম্ভাৱনীয় প্ৰতিবন্ধকত থাকে। (Egoism and moral character are discrete and in chronic potential opposition) (Giddens, Authority William, Durkheim, William Collins Sons & Co. Ltd. Glassow, 1978 P.63) সেয়ে এনে এক পৰিস্থিতিৰ উদয় হয় যে আম্বেদকাৰৰ নেতৃত্বত মাহাৰসকলে হিন্দু সমাজক পৰিত্যাগ কৰাত ইচ্ছুক আছিল। এইদৰেই নব্য বৌদ্ধ ধৰ্মৰ সাধাৰণ ৰীতি আছিল যে তেওঁলোক হিন্দু সমাজত প্ৰচলিত অহংবাদ আৰু অনৈতিক চৰিত্ৰৰ পৰা হাত সৰাৰ অৰ্থত নৰকৰ পৰা স্বাধীন হৈছিল।

হিন্দু সমাজত থকা অস্পৃশ্যতাৰ ধাৰণাটো বৈষম্যমূলক আচৰণলৈ অগ্ৰসৰ হয়। গান্ধীয়ে ইয়াক 'শ্ৰমৰ বিভাজন' ৰূপে ব্যাখ্যা কৰিছিল। এইটো ক'ব পৰা যায় যে হিন্দু ধৰ্মত কিছুমান অহংবাদী নাইবা স্বাৰ্থপৰ মানুহে তেওঁলোকৰ ব্যক্তিগত লাভালাভ পৰিপূৰ্ণ কৰাৰ উদ্দেশ্যে কিছুমান মানুহক অস্পৃশ্য হিচাপে ব্যৱহাৰ কৰে আৰু যিয়ে ইয়াৰ পৰিৱৰ্তে হিন্দু ধৰ্মত বৈষম্য সৃষ্টি কৰে। এই মতটোৱে নিৰ্দেশ কৰে যে অহংবাদ আৰু নৈতিক চৰিত্ৰবোৰ পৃথক আৰু স্পষ্ট। আমি এজন মানুহৰ অহংবাদী স্বভাৱৰ দ্বাৰা তেওঁৰ নৈতিকতা নিৰ্ণয় কৰিব নোৱাৰো। ঠিক সেইদৰে এজন মানুহৰ নৈতিক স্বভাৱৰ পৰা আমি তেওঁৰ অহংবাদী অভিপ্ৰায়কো নিৰ্ণয় কৰিব নোৱাৰো । সেইবাবে, সিহঁত পৰস্পৰ পৰিপূৰক নহয়। সেই কাৰণে এই কথা ক'ব পৰা যায় যে বৈষম্যৰ পৰা সমতাৰ মৰ্য্যদালৈ দুখীয়া আৰু নীচ জাতি বিশেষকৈ মাহাৰ জাতিৰ উন্নতিকৰণৰ ক্ষেত্ৰত ডুৰখেইম আৰু আম্বেদকাৰ দুয়োৰে মাজত কেতবোৰ সামঞ্জস্য আছে। এই সন্দৰ্ভত ডুৰখেইমে মানুহৰ মুক্ত প্ৰকৃতিটো আঙুলিয়াই দিছে, আনহাতে আম্বেদকাৰে সমতাৰ মৰ্য্যাদা, যি হিন্দু সমাজত নাছিল, তাক পাবলৈ মাহাৰ জাতিৰ লোকসকলক হিন্দু ধৰ্মৰ পৰা বৌদ্ধ ধৰ্মলৈ ধৰ্মান্তৰকৰণ হোৱা প্ৰক্ৰিয়াটোৰ ওপৰত জোৰ দিছিল। সেয়েহে এই মত আগবঢ়াব পৰা যায় যে মাহাৰ জাতিৰ লোকসকল বি. আৰ আম্বেদকাৰৰ মাৰ্গ প্ৰদৰ্শনৰ দ্বাৰা অস্পৃশ্যতাৰ বান্ধোনৰ পৰা মুক্ত হৈছিল। হিন্দু ধৰ্মৰ কবলৰ পৰা ওলাই আহি মাহাৰ জাতিৰ লোকসকলে এটা নতুন ধৰ্ম গ্ৰহণ কৰিবলৈ ইচ্ছা কৰিছিল, যি মূলতঃ নৈতিক বিধি বিধানৰ আটাইতকৈ উচ্চ স্তৰৰ সৈতে সম্পৰ্কযুক্ত। তেওঁলোকৰ প্ৰধান উদ্দেশ্য আছিল 'এক নিজাববীয়া আৰু সন্তাষ্টিকাৰী অভিজ্ঞতা' বিচাৰি উলিওৱা।

অগ্ৰগতি নিৰীক্ষণ

প্ৰঃ১২ আম্বেদকাৰ আৰু গান্ধীৰ মাজত থকা প্ৰধান পাৰ্থক্যসমূহ কি কি?

(উত্তৰ প্ৰায় ৮০ টা শব্দৰ ভিতৰত দিব)

প্ৰঃ১৩ তলৰ শ্ৰেণীৰ লোকসকলৰ উন্নতিকৰণৰ ক্ষেত্ৰত আম্বেদকাৰে জোৰ দিয়া তিনিটা মূল দিশ কি আছিল?

প্ৰঃ১৪ নব্য বৌদ্ধ ধৰ্মত কোনখন গ্ৰন্থক বাইবেল হিচাপে ধৰা হয়?

প্রঃ১৫ আম্বেদকাৰৰ গ্রন্থ 'Buddha and His dhamma' ৰ লক্ষ্য কি আছিল?

প্রঃ১৬ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰক-

ক) দৰিদ্রতাও মাহাৰ জাতিৰ উন্নতিকৰণৰ মূল বাধাসমূহৰ মাজৰ এটা। (সত্য /অসত্য)

খ) নব্য বৌদ্ধধর্ম সামাজিক কল্যাণৰ এক আন্দোলন। (সত্য /অসত্য)

গ) আম্বেদকাৰে নব্য বৌদ্ধ ধর্মৰ ধাৰণাটো পৰিচয় কৰাইছিল। (সত্য /অসত্য)

প্রঃ১৭ খালী ঠাই পুৰ কৰক-

ক) আম্বেদকাৰে তেওঁৰ গ্রন্থ 'Buddha and His Dhamma' অত কৈছে যে নৈতিকতাই ঈশ্বৰ, ——— নৈতিকতা।

খ) Buddha and His Dhamma হৈছে নব্য বৌদ্ধ ধর্মৰ ———।

চিন্তা চর্চা কৰক ঃ ১২.২

- নব্য বৌদ্ধ ধর্মই হিন্দু সমাজত প্রচলিত সামাজিক বৈষম্যক উভালি পেলোৱাত সক্ষম হৈছিল? আলোচনা কৰক।
- আপুনি মানি লয়নে যে নব্য বৌদ্ধ ধর্মত নীতি বিভাজনে প্রধান ভূমিকা গ্রহণ কৰিছে?

১২.৯ বৌদ্ধ ধর্মত আম্বেদকাৰৰ সংকল্পসমূহ

আম্বেদকাৰে ২২ টা সংকল্পৰ পৰামর্শ আগবঢ়াইছিল আৰু মহৎ অষ্টাঙ্গীক মার্গক ইয়াৰ অধীনত ৰাখিছিল। পাঁচটা উপলব্ধি (Percepts) আৰু দহ টা পৰিমিত্ত (Parimittas) ও নব্য বৌদ্ধ ধর্মৰ গুৰুত্বপূর্ণ মত সম্বন্ধীয় বিশ্বাস।

- **মহৎ অষ্টাঙ্গীক মার্গ (Noble Eight Fold Path):**

১) সম্যক বিশ্বাস (Right belief)

২) সম্যক চিন্তা আৰু সম্যক লক্ষ্য (Right thought & right aims)

৩) সম্যক বাক্ (Right speech)

৪) সম্যক আচৰণ (Right conduct)

৫) সম্যক জীৱন (Right livelihood)

৬) সম্যক প্রচেষ্টা (Right effort)

৭) সম্যক মনোযোগ (Right mindfullness)

৮) সম্যক ধ্যান (Right meditation)

- **পাঁচ (৫) উপলব্ধি (5 Percepts)**

১) জীৱৰ অনিষ্টৰ পৰা আঁতৰত থাকিম

২) নিদিয়া বস্তুটো লোৱাৰ পৰা মই দূৰত থাকিম।

৩) মই যৌন ব্যভিচাৰৰ পৰা আঁতৰত থাকিম।

৪) মই মিছা কথাৰ পৰা বিৰত থাকিম।

৫) মই মাদক দ্ৰব্য আৰু পানীয়ৰ লগত জড়িত হোৱাৰ পৰা বিৰত থাকিম।

• দহ (১০) পৰিমিত্ত ঃ (5 parimittas) :

১) শীল (sila-moral temparament)

২) দান (Dana-the giving, charity)

৩) উপেক্ষা (detachment)

৪) পার্থিৱ সুখক অস্বীকাৰ (renunciation of worldly pleasure)

৫) বীৰ (vir- right endeavour)

৬) ক্ষান্তি (Kanti- forbarence)

৭) সত্য (Succa- truth)

৮) অধিষ্ঠান (Adhisthana -right determination)

৯) কৰুণা (Karuna-loving determination)

১০) মৈত্রী (Maitri- Extending fellow feeling to all friend or foe)

তিনি শৰণ বা নিষেধ (3 refuses) :

ত্রিশৰণ নাইবা তিনি নিষেধ সমগ্ৰ বিশ্বতে নব্য বৌদ্ধ ধৰ্মক বৌদ্ধ ধৰ্মীয় ভাতৃত্ববোধৰ সৈতে বান্ধি পেলাইছে। সেয়া হ'ল—

১। বুদ্ধৰ শৰণাগত

২। ধৰ্মৰ শৰণাগত

৩। সংঘৰ শৰণাগত

তৃতীয় শৰণ, অর্থাৎ 'সংঘৰ শৰণ' লোৱাটো বর্তমান কালত নব্য বৌদ্ধ ধৰ্মীসকলৰ বাবে এক অর্থহীন কথা। তথাপিও, এজন নব্য বৌদ্ধ ধৰ্মীয়ে বৌদ্ধ ধৰ্মত পৰম্পৰাৰ সৈতে মিলিত হ'বলৈ আৰু এক উৎসাহপূর্ণ আশা যে নব্য বৌদ্ধিক সংঘ এক সত্য হৈ পৰিব- দুয়োৰে বাবে এই শৰণ গ্ৰহণ কৰে।

• ২২ টা সংকল্প (The twenty two vows)

বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ বিশ্বৰ সংযুক্ত ৰাজ্যৰ গাঁথনিৰ ভিতৰত নব্য বৌদ্ধ ধৰ্মীসকলৰ সন্দর্ভত পৃথক পৰিচয় পাবলৈ হিন্দু ধৰ্মৰ পৰা বৌদ্ধ ধৰ্মলৈ ধৰ্মান্তৰকৰণৰ বাবে আম্বেদকাৰে ২২ টা সংকল্পৰ পৰামর্শ দিছিল। ই অতুলনীয় এই অর্থত যে ভাৰতীয় গাঁঠনিৰ ভিতৰতে ইয়াৰ পৰামর্শ দিছিল।

১। মই ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰক ঈশ্বৰ ৰূপে স্বীকাৰ নকৰো আৰু তেওঁলোকৰ পূজাও নকৰো।

২। মই ঈশ্বৰ ৰূপে ৰাম আৰু শ্রীকৃষ্ণক নামানো আৰু তেওঁলোকৰ পূজাও নকৰো।

৩। মই ঈশ্বৰ ৰূপে গৌৰী আৰু গণপতিক স্বীকাৰ নকৰো আৰু তেওঁলোকৰ পূজা নকৰো।

৪। মই ঈশ্বৰৰ অৱতাৰৰ মতবাদত বিশ্বাস নকৰো।

৫। মই বুদ্ধক বিষ্ণুৰ অৱতাৰ ৰূপে গ্রহণ নকৰো।

৬। মই মোৰ পুর্বপুৰুষৰ শ্রাদ্ধ-বিধি সম্পন্ন নকৰো আৰু ভগৱানলৈ নৈবদ্যও আগনবঢ়াও।

৭। মই এনে কোনো কাম নকৰো যিয়ে বৌদ্ধ ধর্মত ব্যাঘাত হানে।

৮। মই ব্রাহ্মণ সংস্থাৰ জৰিয়তে কোনো ধৰণৰ ধর্মীয় ক্রিয়াকাণ্ড সম্পন নকৰো।

৯। মই এই নীতিত বিশ্বাস কৰো যে সকলো মানুহ সমান।

১০। মই সমতা প্রতিষ্ঠা কৰিবলৈ আহোপুৰুষার্থ কৰিম।

১১। মই বুদ্ধৰ চাৰি আর্য সত্য অনুসৰণ কৰিম.

১২। মই বুদ্ধৰ দ্বাৰা বর্ণিত দহ পৰিমিত্তক মানি চলিম।

১৩। মই সকলো জীৱৰ প্রতি দয়াশীল হ'ম আৰু সিহঁতক অতি যত্নেৰে পালন কৰিব।

১৪। মই চোৰ নকৰো।

১৫। মই মিছা নকওঁ।

১৬। মই ব্যভিচাৰিতা নকৰো।

১৭। মই পানীয় গ্রহণ নকৰো।

১৮। মই বুদ্ধৰ তিনিটা নীতি অর্থাৎ জ্ঞান, শীল আৰু কৰুণাৰ মতে জীৱন অতিবাহিত কৰিবলৈ চেষ্টা কৰিম।

১৯। মই ইয়াৰ দ্বাৰা মোৰ আগৰ ধর্ম হিন্দু ধর্মক প্রত্যাখ্যান কৰিছো, যি মানুহৰ প্রগতিৰ বাবে ক্ষতিকাৰক, যিয়ে মানুহ আৰু মানুহৰ মাজত পার্থক্য কৰে আৰু বৌদ্ধ ধর্ম গ্রহণ কৰিছো।

২০। মই সম্পূর্ণৰূপে বিশ্বাস কৰো যে বৌদ্ধ ধর্ম সদ্ ধর্ম।

২১। মই বিশ্বাস কৰো যে মোৰ এতিয়া পুনর্জন্ম হৈছে।

২২। ইয়াৰ পিছত বুদ্ধৰ ধর্ম অনুসৰি মই নিজকে পৰিচালিত কৰিবলৈ প্রতিজ্ঞা কৰিছো।

অস্তিত্বশীল বৌদ্ধ ধর্মীয় ধর্মমতসমূহৰ বাহিৰেও, আম্বেদকাৰৰ দ্বাৰা নিৰূপিত ২২ সংকল্পক নব্য বৌদ্ধ ধর্মক সমৃদ্ধিশালী কৰিবৰ বাবে মানুহৰ ধর্মান্তৰকৰণৰ সন্দর্ভত গুৰুত্বপূর্ণ অংশ হিচাপে ধৰা হয়।
আম্বেদকাৰে হিন্দু সমাজৰ অমঙ্গলসমূহক প্রতিবাদ কৰিবলৈ এইবোৰ সংকল্প প্রকাশ কৰিছিল। এইবোৰ সংকল্পৰ মাজেৰে আমি নিৰূপিত সংকল্পবোৰৰ গভীৰ অর্থ বুজিব পাৰিম।

প্রথম পাঁচটা সংকল্পই হিন্দু দেৱ-দেৱীসকলক অস্বীকাৰ কৰিছে। হিন্দু ধর্মৰ বিশ্বাসবোৰক অগ্রাহ্য কৰি আম্বেদকাৰে মানুহক অনুভৱ কৰাইছে যে নব্য বৌদ্ধ ধর্মই কোনোপধ্যে হিন্দু বিশ্বাস আৰু ধর্মমতৰ লগত সম্পর্ক নাৰাখে। অষ্টম সংকল্পটোৱে নির্দেশ কৰে যে বৌদ্ধ ধর্মই এনে কোনো ধৰণৰ ধর্ম কর্মক সন্মতি নিদিয়ে, যাৰ বাবে পুৰোহিতালী হিন্দু ধর্মৰ এক গুৰুত্বপূর্ণ আৰু অবিচ্ছেদ্য অংগ হৈ পৰিছে। সেইকাৰণে এই কথা ক'ব পাৰি যে প্রথম পাঁচটা আৰু অষ্টম সংকল্পই হিন্দু ধর্মৰ পৰা মাহাৰ সকলৰ সম্পূর্ণ সম্পর্কহীনতাক চিহ্নিত কৰে।

ষষ্ঠ সংকল্পটোৱে দেখুওৱাই যে বৌদ্ধ ধর্মই আত্মাৰ পুনর্জন্ম গ্রহণক স্বীকাৰ নকৰে। হিন্দু বিশ্বাস অনুসৰি আত্মা অমৰ। এজন মানুহ মৃত্যুৰ পাছত আত্মাটোৱে আন এক শৰীৰত প্রৱেশ কৰে আৰু এটা শৰীৰৰ পৰা আন এটা শৰীৰলৈ ই চক্রাকাৰ গতিত অহা যোৱা কৰি থাকে। কিন্তু বুদ্ধই পৰিনির্বানত বিশ্বাস কৰে । ইয়াৰ অর্থ সমুদায় বিলুপ্তি নাইবা নুমাই যোৱা। আত্মা বুলি একো নাই আৰু সেইবাবে এই আত্মাৰ কোনো পুনর্জন্মও নাই। ২১ নং সংকল্পটোৱে বৌদ্ধ ধর্মৰ এক নতুন প্রকাৰ অন্তর্ভুক্ত কৰিছে আৰু তাক নব্য বৌদ্ধ ধর্ম ৰূপে জনা যায়।

৯ আৰু ১০ নং সংকল্পই সমানতাৰ নীতিক নির্দেশ কৰিছে। অজাতিসকল বিশেষকৈ মাহাৰ জাতিয়ে সমানতাৰ মর্য্যাদা বিচাৰিছিল আৰু তেওঁলোকে অৱশেষত বৌদ্ধ ধর্ম গ্রহণ কৰি সমতাৰ মর্য্যাদা লাভ কৰিছিল। বৌদ্ধ ধর্মত মানুহক সমান ব্যৱহাৰ কৰিছিল আৰু সেইকাৰণে, বৌদ্ধ ধর্মই সমান মর্য্যদা লাভ কৰিবলৈ এক নতুন ভেটি আগবঢ়াইছে। সেইকাৰণে নব্য বৌদ্ধ ধর্মই বঞ্চিত শ্রেণীৰ সমান মর্য্যাদা আগবঢ়াই সমানতা প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে।

১৩ আৰু ১৭ নম্বৰ সংকল্পই সমাজত সামাজিক নীতি বিজ্ঞানৰ গুৰুত্বটো প্রকাৰান্তৰে বুজাইছে। সেই কাৰণে তেওঁ ধৈর্য্যশীল, চোৰ নকৰা, মিছা নকোৱা আৰু পানীয় গ্রহণ নকৰাৰ আদি বাক্যাংশবোৰ অন্তর্ভুক্ত কৰিছে।

১৮ নং সংকল্পটোৱে বৌদ্ধ ধর্মৰ তিনিটা নীতি প্রজ্ঞা, শীল আৰু কৰুণাৰ নির্দেশ দিছে.

১৯ নং সংকল্পটোৱে হিন্দু ধর্মৰ প্রত্যাখান আৰু বৌদ্ধধর্মৰ গ্রহণক নির্দেশ কৰিছে।

বাকী থকা ২০, ১১, ১২, ২২ আৰু ৭ নং সংকল্পকেইটাও নব্য বৌদ্ধ ধর্মৰ বাবে সমানে গুৰুত্বপূর্ণ। মাহাৰ জাতিৰ ধর্মান্তৰকৰণৰ সময়ছোৱাত এই সংকল্পকেইটাই এক ভাল জীৱন অতিবাহিত কৰিবলৈ মূল্যবান আৰু গুৰুত্বপূর্ণ উপায় প্রদান কৰিছিল। এই সংকল্পকেইটাই নব্য বৌদ্ধধর্মী লোকসকলক এক পৃথক পৰিচয় আগবঢ়াইছিল। সেইকাৰণে, এই কথা ক'ব পৰা যায় যে নব্যয়ান বা ভীমযান নাইবা নব্য বৌদ্ধ ধর্ম এক সৰল আৰু পোনপটীয়া বিশ্বাস।

অগ্রগতি নিৰীক্ষণ

প্রঃ ১৮ নব্য বৌদ্ধ ধর্মৰ বাবে আম্বেদকাৰে কেইটা সংকল্প নিৰূপন কৰিছিল?

প্রঃ ১৯ নব্য বৌদ্ধ ধর্মত দেখিবলৈ পোৱা পাঁচটা উপলব্ধি কি কি?

প্রঃ ২০. ২২ টা সংকল্পৰ ভিতৰত মাত্র তিনিটা সংকল্প উল্লেখ কৰক।

প্রঃ ২১ 'পৰিনির্বান' বুলিলে কি বুজে?

প্রঃ ২২ আম্বেদকাৰে নিৰূপন কৰা ১৮ নং সংকল্পত দেখিবলৈ পোৱা তিনিটা নীতি কি কি?

প্রঃ ২৩ তলৰ বক্তব্য কেইটা সত্য নে অসত্য উল্লেখ কৰক।

ক) নব্য বৌদ্ধ ধর্মই হিন্দু বিশ্বাস আৰু মতসমূহৰ লগত সম্পর্ক নাৰাখে। (সত্য /অসত্য)

খ) আম্বেদকাৰৰ দ্বাৰা নিৰূপিত ৯ নং আৰু ১০ নং সংকল্পই সাম্যৰ নীতিৰ বিষয়ে কয়। (সত্য/ অসত্য)

চিন্তা চর্চা কৰক ঃ ১২.৩

নব্য বৌদ্ধ ধর্মৰ এজন অনুগামী হ'বলৈ নব্য বৌদ্ধ ধর্মৰ বাবে আম্বেদকাৰে নিৰূপন কৰা সংকল্পসমূহ যথেষ্ট হয়নে? আপুনি কি ভাবে? আলোচনা কৰক।

১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আম্বেদকাৰৰ দ্বাৰা উত্থাপিত নব্য বৌদ্ধ ধর্ম এক বৈপ্লৱিক সামাজিক আন্দোলন। ই তল শ্রেণীৰ মাহাৰ জাতিৰ উন্নতিকৰণৰ সৈতে জড়িত। ই জাতি-ধর্ম-বর্ণ নির্বিশেষে আত্মসন্মান, সামাজিক সমতা আৰু ন্যায়ৰ হকেও এক আন্দোলন।
- বৌদ্ধ ধর্মলৈ ধর্মান্তৰিত হোৱা এজন লোকে বক্তব্য কৰে যে যদি বুদ্ধ পৃথিৱীৰ মার্গ প্রদর্শক, তেন্তে বাবা চাহেবো মাহাৰসকলৰ মার্গ প্রদর্শক। সেই কাৰণেই আম্বেদকাৰ এতিয়াও মাহাৰ জাতিৰ দ্বাৰা পূজিত। সেয়ে, বৌদ্ধ ধর্মই আম্বেদকাৰৰ নেতৃত্বৰ অধীনত বিশেষকৈ মাহাৰ জাতিৰ বাবে আৰু সাধাৰণতে আনৰ বাবে এটা নতুন ৰূপ গ্রহণ কৰিছে, যি হৈছে নব্য বৌদ্ধ ধর্ম।
- বৌদ্ধ ধর্মলৈ ধর্মান্তৰ হোৱা নতুন লোকসকলৰ বাবে নব্য বৌদ্ধ ধর্মক এক চালিকা শক্তি ৰূপে গণ্য কৰা হয়। সেই কাৰণে এই কথা ক 'ব পৰা যায় যে হিন্দুধর্ম ত্যাগ কৰি বৌদ্ধধর্মত যে কোনো জাতিবাদ বা অস্পৃশ্যতা থাকিব নোৱাৰে, ইয়াক উদাৰভাৱে স্থাপন কৰাৰ হেতু আম্বেদকাৰৰ পিছৰ কালছোৱাত ভাৰতত এই পৰম্পৰা নাইবা নতুন ধর্মীয় আন্দোলনে প্রসাৰতা লাভ কৰিছিল। এই কাৰণেই ইয়াত কোনো সন্দেহ নাই যে ই বৌদ্ধ ধর্মত নিহিত থকা এক প্রামাণিক চালিকা শক্তি।
- ধর্মৰ প্রতি আম্বেদকাৰৰ এক গভীৰ শ্রদ্ধা আছিল। তেওঁৰ মতে ধর্মই এক অর্থপূর্ণ জীৱনৰ নির্দেশ দিয়ে। এজন ধর্মীয় লোক হিচাপে তেওঁ জীৱনত ধর্মৰ গুৰুত্বক স্বীকাৰ কৰিছিল আৰু তেওঁ ধর্মৰ এক পৰিসৰৰ ভিতৰত এক অর্থপূর্ণ জীৱন অতিবাহিত কৰিবলৈ বিচাৰিছিল। ধর্মই স্বাধীনতাৰ সমতা আৰু ন্যায়ৰ মূল্যক দৃঢ় কৰে।
- আম্বেদকাৰৰ মতে ধর্মৰ প্রধান উদ্দেশ্য হ'ল আত্মাৰ তৃপ্তি আৰু নব্য বৌদ্ধ ধর্ম ধর্মৰ এক নতুন দিশ, এই উদ্দেশ্যৰ বর্হিভুত নহয়।
- মাহাৰ জাতিয়ে বৌদ্ধ ধর্ম গ্রহণ কৰি সকলোৰে বাবে সমতা নিশ্চিত কৰিছিল আৰু হিন্দু বর্ণবাদৰ বান্ধোনৰ পৰা মুক্ত হৈছিল।
- সাধাৰণতে সামাজিক স্তৰসমূহক বিধি বিধানেৰে বান্ধি পেলোৱা আৰু অজাতিসকলক তলৰ স্তৰত ৰখাৰ বাবেও আম্বেদকাৰে মনুক আক্রমণ কৰিছিল। স্ত্রী জাতিক অস্তিত্ববিহীন শ্রেণীত ৰখাৰ বাবেও আম্বেদকাৰে মনুক সমালোচনা কৰিছিল।
- আম্বেদকাৰে তেওঁৰ গ্রন্থ 'Rise and Fall of Hindu Women ' অত উল্লেখ কৰিছিল কেনেকৈ বুদ্ধ মহিলা সকলৰ প্রতি উদাৰ আছিল আৰু কেনেকৈ তেওঁ মহিলাসকলক সমান সন্মান দিছিল। তেওঁ আঙুলিয়াই দিছিল যে বুদ্ধই মহিলাসকলক ভিক্ষুনী হ'বলৈ অনুমতি দিছিল, তেওঁলোক মূলতঃ ব্রাহ্মনেই হওঁক নাইবা শূদ্রই হওঁক।
- আম্বেদকাৰে এখন সমাজ য'ত কোনো জাতিভেদ নাথাকিব আৰু প্রত্যেককে সমান ৰূপে ধৰা যাব, তেনে এক সমাজৰ কথা চিন্তা কৰিছিল। অস্পৃস্যতা নির্মুলকৰন হৈছে আম্বেদকাৰৰ আটাইতকৈ উচ্চ প্রাধান্য উদ্দেশ্য।

- আম্বেদকাৰ এজন বাস্তৱবাদী (Realist) য়েই নাছিল, এজন প্ৰয়োগ বাদী (Pragmatist) ও আছিল এই অৰ্থত যে তেওঁ সংগ্ৰামৰ মাজেৰে তল শ্ৰেণী মানুহক নকৈ গঢ় দিব বিচাৰিছিল। আনহাতে গান্ধী আছিল প্ৰকৃত আদৰ্শবাদী (Idealist) , এই অৰ্থত যে তেওঁ অজাতি বা নীচ জাতিৰ সংস্কাৰ কৰিব বিচাৰিছিল অন্তৰ নাইবা ভাবভঙ্গী পৰিৱৰ্তনৰ মাজেৰে, সংগ্ৰামেৰে নহয়।
- হিন্দুধৰ্মৰ গাঁথনিৰ পৰা এজন বৰ্ণহীন ব্যক্তি হোৱাৰ বাবে বৌদ্ধধৰ্মলৈ ধৰ্মান্তৰ হ'বলৈ আম্বেদকাৰে মানুহক আহ্বান জনাইছিল। ইয়াৰ ফলস্বৰূপে, মাহাৰ জাতিযে হিন্দুধৰ্ম পৰিত্যাগ কৰি সামাজিক মৰ্য্যাদা লাভ কৰিছিল। কিন্তু গান্ধীয়ে হিন্দুধৰ্মৰ গাঁথনিৰ পৰা অস্পশ্যতা নাইকিয়া কৰাৰ কথা ভাবিছিল।
- আম্বেদকাৰে অনুভৱ কৰিছিল যে দৰিদ্ৰতা তলশ্ৰেণীৰ উন্নতিৰ পথত থকা হোঙাৰবোৰৰ মাজৰ এটা। তেওঁ মাহাৰ জাতিৰ উন্নতিৰ বাবে শিক্ষাৰ ওপৰতো জোৰ দিছিল ।
- নব্য-বৌদ্ধধৰ্ম জীৱনৰ পথ নাইবা জীৱনৰ আকাৰ। ইয়াৰোপৰি, ই সামাজিক আন্দোলন। আম্বেদকাৰে সমাজৰ পিচপৰা শ্ৰেণীৰ অধিকাৰ, বিশেষকৈ সামাজিক স্থান আদিৰ ক্ষেত্ৰত তেওঁলোকক পুনৰ্জাগ্ৰত কৰিবলৈ বৌদ্ধধৰ্মক আঁকোৱালী লোৱাত জোৰ দিছিল।
- নব্য-বৌদ্ধধৰ্মই মাত্ৰ কেইটামান শাস্ত্ৰব্যৱস্থা, যাক বৌদ্ধধৰ্মক এক ধৰ্ম ৰূপে ল'বলৈ উপকাৰজনক বুলি ধৰা হয়, তাক জাৰি কৰি সমাজৰ এক নতুন ৰূপৰেখা প্ৰদান কৰিছিল।
- নব্য-বৌদ্ধধৰ্মই এক আন্দোলন ৰূপে ধৰ্মান্তৰীত হোৱা মাহাৰসকলক এক পৰিচয় প্ৰদান কৰিছিল। আম্বেদকাৰে বৌদ্ধ ধৰ্মক সহজ ৰূপ দিছিল আৰু যাক নব্য বৌদ্ধ ধৰ্ম নামেৰে জনা গৈছিল।
- নব্য-বৌদ্ধধৰ্মৰ আন্দোলনত সমাজৰ নিম্ন শ্ৰেণীৰ এক উদ্যম বুলি ভাবা হৈছিল, যাৰ পিছত দলিত আন্দোলনৰ সূচনা হৈছিল। আম্বেদকাৰৰ বাবে নৈতিকতাই হৈছে ধৰ্মৰ শেষ সত্য (আৰু বৌদ্ধ ধৰ্মৰ ওপৰত তেওঁৰ বিশ্বাস) এখন ভাল সমাজ গঠনেই হৈছে নৈতিক ক্ৰিয়াৰ মূল উদ্দেশ্য। নৈতিকতা নব্য বৌদ্ধ ধৰ্মৰ সাৰমৰ্ম। নব্য বৌদ্ধ ধৰ্মই মূলতঃ নৈতিক বিধিৰ উচ্চতম মানৰ সৈতে জড়িত।

১২.১১ অধিক জানিবলৈ

Radhakrishnan, S. (1980) *An Idealist View of Life*. London . Unwin Paperbacks. .
Pandyan, David. 2009. *Dr. B.R. Ambedkar and the Dynamics of Neo-Buddhism.* Gyan Publishing House
Rodringues, Valerian. (ed.) 2002. *The Essential Writings of B.R. Ambedkar.* Oxford University Press
Naik C.D. 2003. *Thoughts and Philosophy of Dr. B.R. Ambedkar.* Sarup & Sons. New Delhi
Naik, C.D. 2009. *Ambedkar's Prespective on Buddhism and other Religions.* Kalpaz Publications. New Delhi

১২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্র ঃ উঃ গান্ধী

২ নং প্র ঃ উঃ মাহাৰ

৩ নং প্র ঃ উঃ আম্বেদকাৰ

৪ নং প্র ঃ উঃ ধর্মৰ মূল উদ্দেশ্য আত্মিক সন্তুষ্টি

৫ নং প্র ঃ উঃ আম্বেদকাৰ আৰু তেওঁৰ অনুগামীসকলে সামাজিক ৰাজনৈতিক ভিত্তিত বৌদ্ধ ধর্মলৈ ধর্মান্তৰীত হৈছিল। তেওঁ ভাবিছিল যে, যদি তেওঁলোকে হিন্দু ধর্মত অস্পৃশ্য হৈ ৰয়, তেন্তে তেওঁলোকে সাধাৰণতে উদ্গতি সাধিব আৰু বিশেষতঃ আত্মবিকাশ কৰিব নোৱাৰিব। সেইবাবে, তেওঁ হিন্দুধর্ম ত্যাগ কৰি বৌদ্ধ ধর্ম গ্রহণ কৰিবলৈ মাহাৰ জাতিৰ লোকসকলৰ ওপৰত জোৰ দিছিল। এইকাৰণেই তেওঁ মত আগবঢ়াইছিল যে পিচপৰা শ্রেণীটোৰ অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণৰ বাবে বৌদ্ধ ধর্মই আটাইতকৈ উৎকৃষ্ট ধর্ম।

৬ নং প্রঃ উঃ (ক) সত্য (খ) সত্য(গ) সত্য(ঘ) সত্য(ঙ) সত্য

(চ) সত্য(ছ) সত্য(জ) সত্য।

৭নং প্রঃ উঃ হয়। বৌদ্ধ ধর্মৰ দৰে নব্য বৌদ্ধধর্মৱো ঈশ্বৰ আদিৰ দৰে ঐশ্বৰিক সত্তাত বিশ্বাস কৰা নাছিল আৰু ই কোনো ধৰণৰ পূজা নাইবা নৈবেদ্যৰ নির্দেশ দিয়া নাছিল।

৮ প্রঃউঃ আম্বেদকাৰৰ মতে হিন্দু ধর্মৰ পৰা বৌদ্ধধর্মলৈকে হোৱা ধর্মান্তকৰণৰ প্রধান উদ্দেশ্য আছিল হিন্দু ধর্মৰ কঠোৰ বান্ধোনৰ পৰা মানুহক স্বাধীন কৰা, যাতে তেওঁলোকে সম-মর্যাদা আৰু ন্যায় পাব পাৰে।

৯ নং প্রঃ উঃ বুদ্ধ আৰু তেওঁৰ ধর্ম্ম।

১০ নং প্রঃ উঃ আম্বেদকাৰে মনুক মহিলাসকলক এক অস্তিত্ববিহীন স্থান দিয়াৰ বাবে সমালোচনা কৰিছিল। তেওঁ তেওঁৰ এই 'Rise and Fall of Hindu Women' অত উল্লেখ কৰে যে যদিও ভাৰতত পৌৰাণিক যুগত মহিলাসকলে গুৰু আৰু পূজা-পার্বনৰ অংশীদাৰৰ দৰে উচ্চ স্থান উপভোগ কৰিছিল, তথাপিও আনকি এগৰাকী ব্রাহ্মণ মহিলাৰো কোনো মর্য্যাদা নাছিল। আনকি ৰজাৰ দ্বাৰাও তেওঁলোকে সন্মান পাইছিল। তেওঁ কয় যে মনুৰ আইন-কানুনক মহিলাসকলৰ নৈতিক অধোগতিৰ কাৰণসমূহৰ ভিতৰত এটা বুলি ধৰা হয়। শেষত আৰু একেবাৰে উর্দ্ধত তেওঁ তেওঁৰ গ্রন্থ 'Rise and Fall of Hindu Women'অত মন্তব্য কৰে কেনেকৈ বুদ্ধ মহিলাসকলৰ বাবে উদাৰ আছিল আৰু কেনেকৈ তেওঁ মহিলাসকলক সমান সন্মান প্রদান কৰিছিল।

১১ নং প্রঃ উঃ (ক) সত্য (খ) সত্য(গ) সত্য(ঘ) সত্য।

১২ নং প্রঃ উঃ আম্বেদকাৰ এজন প্রকৃত বাস্তৱবাদী আছিল এই অর্থত যে তলশ্রেণীৰ লোকসকলক সংগ্রামৰ মাজেদি সংস্কাৰ কৰিব বিচাৰিছিল। আনহাতে, গান্ধী আছিল এজন প্রকৃত ভাৱবাদী (Idealist) এই অর্থত যে তেওঁ তল শ্রেণীৰ মানুহক সংস্কাৰ কৰিব বিচাৰিছিল অন্তৰ নাইবা মনোভাৱৰ পৰিবর্তনৰ মাজেৰে, সংগ্রামৰ মাজেৰে নহয়। সেই কাৰণে আম্বেদকাৰে বৌদ্ধধর্মক আঁকোৱালি লৈছিল আৰু নব্য-বৌদ্ধধর্ম মাহাৰ জাতিৰ লগতে সমগ্র তলশ্রেণীৰ সামাজিক উদগতিৰ বাবে অনুঘটকৰ দৰে ক্রিয়া কৰিছিল।

১৩ নং প্র ঃ উঃ সামাজিক সমতা, ন্যায় আৰু সামাজিক অস্পৃশ্যতা।

১৪ নং প্র ঃ উঃ বুদ্ধ আৰু তেওঁৰ ধর্ম।

১৫ নং প্ৰ ঃ উঃ সামাজিক সমতা আৰু বৰ্ণবিহীন সমাজ।

১৬ নং প্ৰ ঃ উঃ (ক) সত্য (খ) সত্য।

১৭ নং প্ৰ ঃ উঃ ঈশ্বৰ

১৮ নং প্ৰ ঃ উঃ ২২ সংকল্প

১৯ নং প্ৰ ঃ উঃ

(ক) জীৱৰ অনিষ্টৰ পৰা বিৰত থাকিম।

(খ) মোক নিদিয়া বস্তু গ্ৰহণ কৰাৰ পৰা বিৰত থাকিম।

(গ) মই যৌন ব্যভিচাৰৰ পৰা বিৰত থাকিম।

(ঘ) মই পানীয় আৰু মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থাকিম।

২০ নং প্ৰ ঃ উঃ

ক) মই ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰক ঈশ্বৰ ৰূপে স্বীকাৰ নকৰো আৰু মই তেওঁলোকৰ পূজা অৰ্চনাও নকৰো।

খ) মই ৰাম আৰু শ্ৰীকৃষ্ণক ঈশ্বৰ ৰূপে স্বীকাৰ নকৰো আৰু তেওঁলোকৰ পূজা অৰ্চনাও নকৰো।

গ) মই গৌৰী আৰু গণপতিক ঈশ্বৰ ৰূপে নামানো আৰু তেওঁলোকৰ পূজা-পাতল নকৰো।

২১ নং প্ৰ ঃ উঃ ই সম্পূৰ্ণ বিলুপ্তি নাইবা নুমাই যোৱাক বুজায়।

২২ নং প্ৰ ঃ উঃ প্ৰজ্ঞা, শীল আৰু কৰুণা

২৩ নং প্ৰ ঃ উঃ ক) সত্য খ) সত্য

? ১২.১৩ আৰ্হি প্ৰশ্ন

ক) চমু প্ৰশ্নঃ

প্ৰ ঃ ১ নব্য বৌদ্ধ ধৰ্ম বুলিলে কি বুজে?

প্ৰ ঃ ২ নব্য বৌদ্ধ ধৰ্মৰ উদ্‌ভাৱক কোন?

প্ৰ ঃ ৩ কোনে 'হৰিজন' শব্দটো আগবঢ়াইছে?

(খ) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতত উত্তৰ কৰিব)

প্ৰ ঃ ১ 'পৰিনিৰ্বান' বুলিলে কি বুজে?

প্ৰ ঃ ২ নব্য বৌদ্ধধৰ্মক কিয় চালিকা শক্তি ৰূপে ধৰা হয়? চমুকৈ ব্যাখ্যা কৰক।

প্ৰ ঃ ৩ নব্য বৌদ্ধধৰ্মই কেনেকৈ মাহাৰসকলক এক নতুন ৰূপৰেখা প্ৰদান কৰিছিল? চমুকৈ ব্যাখ্যা কৰক।

প্ৰ ঃ ৪ নব্য বৌদ্ধধৰ্ম সমতা, অস্পৃশ্যতাৰ বিৰুদ্ধে এক সংগ্ৰাম বা আন্দোলন আছিল নে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰ ঃ ৫ নব্য বৌদ্ধধৰ্মক সামাজিক উন্নীতকৰণ বিশেষকৈ মাহাৰসকলৰ বাবে এক অনুঘটক হিচাপে ধৰা হয়নে? চমুকৈ ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ শব্দৰ ভিতত উত্তৰ কৰিব)

প্ৰ ঃ ১ নব্য বৌদ্ধধৰ্ম কি? আলোচনা কৰক।

প্র ঃ ২ নব্য বৌদ্ধধর্ম সামাজিক বৈষম্য, অস্পৃশ্যতা আৰু বর্ণবাদৰ বিৰুদ্ধে মাহাৰ জাতিৰ উন্নীতকৰণৰ বাবে এক চালিকা শক্তি হয়নে? আলোচনা কৰক।

প্র ঃ ৩ নব্য বৌদ্ধধর্ম বর্ণবাদ, অস্পৃশ্যতা আৰু বৈষম্যৰ বিৰুদ্ধে এক বিদ্রোহ হয়নে? আলোচনা কৰক।

প্র ঃ ৪ মাহাৰ জাতিক বৌদ্ধ ধর্মলৈ ধর্মান্তৰ কৰাৰ ক্ষেত্রত আম্বেদকাৰ কিমান দূৰ সক্ষম হৈছিল? ব্যাখ্যা কৰক।

প্র ঃ ৫ নব্য বৌদ্ধধর্মই তলশ্রেণীৰ কল্যানৰ হকে এক অনুঘটকৰ কাম কৰিছিল নে? ব্যাখ্যা কৰক।

প্র ঃ ৬ আম্বেদকাৰৰ মতে ধর্মৰ প্রধান উদ্দেশ্য কি আছিল? আম্বেদকাৰৰ প্রসংগত আলোচনা কৰক।

প্র ঃ ৭ বৌদ্ধধর্মলৈ ধর্মান্তকৰণৰ পিছত মাহাৰ জাতিয়ে সামাজিক মর্য্যাদা লাভ কৰিছিল নে? আলোচনা কৰক।

প্র ঃ ৮ আম্বেদকাৰৰ দ্বাৰা নির্দ্ধাৰিত সংকল্প সমূহ কি কি? আলোচনা কৰক।

*** **** ***

অধ্যায় ১৩ ঃ জিদ্দু কৃষ্ণমুর্ত্তি ঃ স্বতন্ত্রতাৰ ধাৰণা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ স্বতন্ত্রতা

১৩.৪ আত্মা আৰু আত্ম-জ্ঞান

১৩.৫ শিক্ষা

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কৃষ্ণমুর্ত্তিৰ দর্শনত স্বতন্ত্রতাৰ ধাৰণাক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- কৃষ্ণমুর্ত্তিয়ে কিয় স্বতন্ত্রতাক জীয়াই থকাৰ বাবে আৱশ্যকীয় বুলি ধাৰণা কৰিছে, তাক ব্যাখ্যা কৰিবলৈ পাৰিব
- কৃষ্ণমুর্ত্তিৰ দর্শনত 'সচেতনতা'ৰ গুৰুত্বক ব্যাখ্যা কৰিব পাৰিব
- কৃষ্ণমুর্ত্তিৰ দর্শনত 'আত্মা' (Self) ৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- স্বতন্ত্রতা আৰু আত্ম-জ্ঞান কেনেকৈ সম্পর্কবদ্ধ হয় তাক ব্যাখ্যা কৰিব পাৰিব
- কৃষ্ণমুর্ত্তিৰ শিক্ষাৰ-দর্শনক আলোচনা কৰিব পাৰিব
- কৃষ্ণমুর্ত্তিয়ে শিক্ষাক কিয় জীৱন-যাপনৰ বাবে গুৰুত্বপূর্ণ হিচাপে স্বীকাৰ কৰিছে, তাক ব্যাখ্যা কৰিব পাৰিব
- কৃষ্ণমুর্ত্তিৰ দর্শনত স্বতন্ত্রতা, আত্মজ্ঞান আৰু শিক্ষাৰ মাজৰ অন্তৰ সম্বন্ধক ব্যাখ্যা কৰিব পাৰিব।

১৩.২ পৰিচয়

জিদ্দু কৃষ্ণমুর্ত্তি এজন দার্শনিক নহয়, যিজনে তেওঁৰ দর্শনৰ এক সু-সংবদ্ধ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ প্রধান উদ্বেগ দর্শন নহয়, বৰঞ্চ মানুহ নিজে। মানুহ আৰু তেওঁলোকৰ জীৱনৰ বাবে থকা উদ্বেগৰ কাৰণতে তেওঁৰ দর্শনক এটা সময়ত অস্তিত্ববাদৰ সৈতে তুলনা কৰা হৈছিল। কিন্তু তেওঁ নিজে তেওঁৰ দর্শনক কোনো নামৰ দ্বাৰা

মোহৰ লগোৱা নাছিল। কৃষ্ণমুর্ত্তি মূলত জীৱন-যাপনৰ প্রশ্নৰ সৈতে জড়িত আছিল। কিন্তু তেওঁ কয় যে, এজন মানুহে সঁচা জীৱন যাপন কৰে তেতিয়া যেতিয়া তেওঁ মুক্ত বা স্বতন্ত্র দুখ কষ্টৰ পৰা মুক্ত হয়। গতিকে মানুহক জীয়াই থাকিবৰ বাবে মুক্ত কৰিবলৈ তেওঁলোকৰ দুখ-যাতনাৰ অন্ত পেলোৱাৰ সৈতে জড়িত হৈছে কৃষ্ণমুর্ত্তিৰ দর্শন। দুখ যাতনা কেনেকৈ নাইকীয়া কৰিব পাৰি প্রশ্নৰ কোনো উত্তৰ তেওঁ আগবঢ়োৱা নাই। ইয়াৰ বিপৰীতে তেওঁ মানুহক নিজে নিজৰ উত্তৰ বিচাৰি উলিওৱাত উৎসাহিত কৰিছে। তথাপিও তেওঁ কয় যে স্বতন্ত্রতাৰ বাবে আত্ম-জ্ঞান পূর্বাকাংক্ষিত আৰু শুদ্ধ তথা উচিত শিক্ষাই মানুহক স্বতন্ত্র হ'বলৈ সহায় কৰিব পাৰে।

১৩.৩ স্বতন্ত্রতা

জিদ্দু কৃষ্ণমুর্ত্তিয়ে কোৱা স্বতন্ত্রতা ৰাজনৈতিক নাইবা অর্থনৈতিক স্বতন্ত্রতা নহয় বৰং মানুহৰ মনৰ ক্ষেত্রত থকা স্বতন্ত্রতাহে। ই কোনো বস্তু বা বিষয়ৰ পৰা হোৱা স্বতন্ত্রতা নহয়, বৰং সত্তাৰ এক অৱস্থাহে। কৃষ্ণমুর্ত্তিয়ে স্বতন্ত্রতাক জীৱন যাপনৰ বাবে প্রয়োজনীয় ৰূপে গণ্য কৰিছিল। আচলতে তেওঁৰ বাবে স্বতন্ত্রতাৰ অবিহনে এজন ব্যক্তিয়ে সঁচা 'অর্থত জীয়াই নাথাকে। কিন্তু তেওঁ কয়যে খুব কম মানুহে জানে যে আচলতে তেওঁ স্বতন্ত্র নহয়। সাধাৰণতে প্রত্যেক মানুহে ভাৱে যে তেওঁ স্বতন্ত্রভাৱেই ক্রিয়া কৰি আছে। কিন্তু প্রকৃতার্থত সাধাৰণতে যেতিয়াই এজন মানুহে ক্রিয়া কৰে তেতিয়াই তেওঁৰ বিশ্বাস বা সিদ্ধান্ত নাইবা সমাজৰ নীতি নিয়মৰ দ্বাৰা নির্দ্দেশিত হৈ পৰে। উদাৰহৰণ স্বৰূপে — "মই কেতবোৰ ৰীতি বা পৰম্পৰা সম্পাদন কৰো কাৰণ মই বিশ্বাস কৰো যে এনেধৰণৰ কর্মই মোক দিব্যলোকলৈ মার্গ দর্শন কৰাব আৰু মোৰ দিব্যলোক বা স্বর্গৰ ধাৰণাটো আছে কাৰণ এইটো মোক শিকাইছে কোনো ব্যক্তি নাইবা কোনো গ্রন্থই আৰু ইয়াক মই মোৰ মুক্ত চিন্তাৰে নিজে নিজে বিচাৰি পোৱাৰ বাবে নহয়। "আকৌ সত্য নো কি? তাক কোনোবাই আমাক কয় আৰু সেই সত্যৰ সন্ধান কৰিবলৈ আমাক পথ দেখুৱায়। আমাক যি কোৱা হয় তাক আমি গ্রহণ কৰোঁ আৰু সেই পথ বা মার্গক অনুসৰণ কৰিবলৈ আৰম্ভ কৰোঁ। আমাৰ কর্ম নির্দ্ধাৰিত হয় আমাৰ বিশ্বাসৰ দ্বাৰা যে ইয়াত জড়িত মানুহে সত্য কি হয় জানে। কৃষ্ণমুর্ত্তিৰ মতে আমাৰ কর্মৰ বেছিভাগে ই এনেধৰণৰ বিশ্বাস বা ধর্মীয় বিচাৰ বিবেচনাৰ পৰিণতি। কৃষ্ণমুর্ত্তিয়ে কয়যে স্বতন্ত্র হ'বলৈ এজন ব্যক্তিয়ে প্রথমে জানিব লাগিব যে প্রকৃততে এজন ব্যক্তি স্বতন্ত্র নহয়। কেৱল তেতিয়া এজন ব্যক্তিয়ে বাধাবোৰৰ পৰা পলায়ন কৰিব পাৰে, যিয়ে তেওঁক বান্ধি ৰাখে। তেওঁ কয় যে যেতিয়া এজন ব্যক্তিয়ে উপলব্ধি কৰে যে তেওঁ স্বতন্ত্র নহয় অথবা বন্দী, তেতিয়াই তেওঁ স্বতন্ত্র হৈ পৰে। কৃষ্ণমুর্ত্তিয়ে নিজে ব্যৱহাৰ কৰা উদাহৰটো হৈছে এক বিষাক্ত সর্প যেতিয়া এজন ব্যক্তিয়ে এটা সাপ দেখে তেতিয়া এজনে ইয়াক নধৰে। ঠিক তেনেদৰে যেতিয়া এজন ব্যক্তিয়ে দেখে যে এজন ব্যক্তি বান্ধোনত আছে তেতিয়া সেই বান্ধোন স্খলিত হয়। কিন্তু প্রথমে এজন ব্যক্তিয়ে উপলব্ধি কৰিব লাগিব যে এজন ব্যক্তি আৱদ্ধ। গতিকে স্বতন্ত্রতাৰ আৱশ্যকীয় বৈশিষ্ট্য হৈছে এক উপলব্ধি যে এজনে সাধাৰণতে ভৱাৰ দৰে এজন ব্যক্তি স্বতন্ত্র নহয়, বৰঞ্চ আৱদ্ধ — তেওঁৰ নিজৰ বিশ্বাস অথবা তেওঁ বিশ্বাস কৰা কর্তৃত্বৰ দ্বাৰা আৱদ্ধ। এজন ব্যক্তি যে আবদ্ধ সেই উপলব্ধি হৈছে স্বতন্ত্রতাৰ পথত প্রথম খোঁজ। কৃষ্ণমুর্ত্তিৰ মতে এজন ব্যক্তি যে স্বতন্ত্র নহয় তাক উপলব্ধি কৰাটোৱে ইয়াৰ লগত জড়িত ব্যক্তিৰ মাজত কেতবোৰ পৰিৱর্তন স্বয়ংক্রিয়ভাৱেই লৈ আহে আৰু তেওঁক মুক্ত কৰায়। অন্য কথাত কৃষ্ণমুর্ত্তিৰ বাবে যেতিয়া এজনে উপলব্ধি কৰে যে এজন আৱদ্ধ তেতিয়া এজন স্বতন্ত্র হৈ পৰে। আচলতে স্বতন্ত্রতাক পণ্য কৰি তেওঁ কয়, "The first step is the last

step" অর্থাৎ প্রথম খোজেই অন্তিম খোঁজ। কোনোৱে এজন আনজনক স্বতন্ত্রতা দিব নোৱাৰে, কিয়নো এজন মানুহ যে স্বতন্ত্র নহয় বা আৱদ্ধ, সেইকথা সংশ্লিষ্ট ব্যক্তিজনে উপলব্ধি কৰিব লাগিব; আন ব্যক্তিয়ে কৈ তেওঁক সহায় কৰিব পাৰে, কিন্তু যিজন ব্যক্তি ইয়াৰ লগত জড়িত তেওঁ ইয়াক নিজেই উপলব্ধি কৰিব লাগিব।

কৃষ্ণমুর্ত্তিয়ে স্বতন্ত্রতাৰ বিষয়ে কোৱা কথাখিনি যিহেতু এজন মানুহৰ বাহিৰৰ এক স্বতন্ত্রতা নহয়, সেয়ে আমি উপলব্ধি কৰিব লাগিব যে কৃষ্ণমুর্ত্তিয়ে এজন মানুহৰ বাহিৰত নিয়ম শৃংখলাবোৰ খণ্ডন কৰাৰ কথা কোৱা নাই। কৃষ্ণমুর্ত্তিয়ে কোৱা নাই যে স্বতন্ত্র হ'বলৈ এজন মানুহে সামাজিক আইনসমূহ ভঙ্গ কৰা আৰু ন্যায়িক ব্যৱস্থাৰ বিপক্ষে যোৱাটো উচিত। তেওঁৰ বাবে মানুহে সেই চিন্তা বা ধাৰণাবোৰক ভঙ্গ কৰিব লাগে, যিয়ে মানুহক স্বতন্ত্রভাৱে চিন্তা কৰাৰ ক্ষেত্রত প্রতিৰোধ কৰে আচলতে তেওঁৰ মতে চিন্তা নিজে নিজেই আৱদ্ধ হয়। তেওঁ কয় যে চিন্তাবোৰ নিজে স্বতন্ত্র হ'বলৈ মানুহ চিন্তাৰ পৰা স্বতন্ত্র হৈ পৰিব লাগিব। ই মানৱ সত্তাক এটা মন প্রদান কৰিব যি সীমাহীনভাৱে মুক্ত বা স্বতন্ত্র যিহেতু মনৰ মাজত এক সীমা প্রয়োগ কৰিবলৈ কোনো চিন্তা নাই। সেয়ে কৃষ্ণমুর্ত্তিৰ স্বতন্ত্রতা হৈছে এজন মানুহে যিকোনো অনুসন্ধান (সি যেনেকুৱাই নহওঁক) ৰ বাবে স্বতন্ত্রতাৰ আৱশ্যকতা অনুভৱ কৰে। এজন মানুহৰ অনুসন্ধান নিজেই আৱদ্ধ হ'বলৈ এই স্বতন্ত্রতাৰ প্রয়োজন আছে; স্বতন্ত্রতা কিবা এক বস্তু বা বিষয়া অথবা অৱস্থা নহয়, যাক এটা প্রক্রিয়াৰ অন্ততহে লাভ কৰিব পৰা যায়, বৰং যিকোনো অনুসন্ধান আৱদ্ধ কৰিবলৈ এক পূর্বচর্ত। তেওঁ কয় যে এইটোৱেই হৈছে স্বতন্ত্রতা যাৰ অৱিহনে মানুহে শব্দটোৰ আচল অর্থত জীয়াই থাকিব নোৱাৰে। তেওঁ এইযাৰ কথা কোৱা কাৰণ এয়ে যে জীৱনটো এক গতি য'ত এক নতুন মনৰ সৈতে বস্তুবোৰৰ লগত সাক্ষাৎ হয় আৰু সিহঁতক প্রত্যক্ষ কৰা হয়। জীৱন সম্পর্কে কৃষ্ণমুর্ত্তিয়ে কোৱা কথাখিনিক এখন নদীৰ সৈতে তুলনা কৰো আঁহক — নদী চিৰ প্রবাহিত। যিয়েই তাৰ পথত আহি পৰে নদীয়ে সেই বস্তুটোক প্রথমবাৰৰ বাবে সাক্ষাৎ কৰে, ই এনেধৰণৰ বহুতো বস্তু হয়তো লগ পায় যিবোৰ এতিয়া লগপোৱা বস্তুটোৰ সৈতে সদৃশ। কিন্তু ই একেটা বস্তুৱেই নহয়। ঠিক একেদৰে জীৱনটো এক গতি হিচাপে জীৱনে সন্মুখীন হোৱা সকলোবোৰেই নতুন আৰু সেইবাবে, ইয়াক নতুনভাৱে পুনৰায় চাব লাগে অথবা সাক্ষাৎ কৰিব লাগে। এই কামটো এজন লোকে কৰিব নোৱাৰে, যদিহে তেওঁ পুৰণি ধাৰণাবোৰৰ সৈতে সেইবোৰ বস্তুক প্রত্যক্ষ কৰে নাইবা তেওঁ সেই পুৰণি ধাৰণাবোৰ কঢ়িয়াই ফুৰে। এইটোৱেই হৈছে কাৰণ, যাৰবাবে কৃষ্ণমুর্ত্তিয়ে কয় যে গতিশীল জীৱনত নতুনকৈ বস্তুবোৰক প্রতক্ষ্য কৰিবলৈ মনটো সকলো সীমাবদ্ধতাৰ পৰা মুক্ত হ'ব লাগিব। গতিশীল জীৱনত যদি মানুহে নতুনকৈ বস্তুবোৰক সাক্ষাৎ নকৰে বৰঞ্চ পুৰণি ধাৰণাৰ জৰিয়তে সাক্ষাৎ কৰে তেন্তে ই জীৱনৰ প্রৱাহ নাইবা গতিকে প্রতিৰোধ কৰে আৰু সেয়ে ই জীয়াই নাথাকে। এয়াই হৈছে চিন্তাৰ পৰা স্বতন্ত্রতা যাক কৃষ্ণমুর্ত্তিয়ে কৈছে "Freedom from Known" অর্থাৎ "জনাৰ পৰা স্বতন্ত্রতা"।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ খালী ঠাই পূৰণ কৰক—

(ক) কৃষ্ণমুর্ত্তিয়ে কোৱা স্বতন্ত্রতা ৰাজনৈতিক বা অর্থনৈতিক স্বতন্ত্রতা নহয় বৰং এজনৰ .....ৰ ক্ষেত্রত থকা স্বতন্ত্রতা।

(খ) কৃষ্ণমুর্ত্তিয়ে কয় যে যেতিয়া এজনে উপলব্ধি কৰে এজন নহয় নাইবা ....., তেতিয়া এজন মুক্ত হৈ পৰে।

(গ) ..... ৰ পৰা স্বতন্ত্রতা, যাক কৃষ্ণমুর্ত্তিয়ে কৈছে "জ্ঞেয়ৰ পৰা স্বতন্ত্রতা"।

১৩.৪ আত্মা আৰু আত্মজ্ঞান

কেনেকৈ স্বতন্ত্র হ'ব পাৰি আৰু এজন লোক যে আৱদ্ধ তাক কেনেকৈ উপলব্ধি কৰিব পাৰি — এই দুটা প্রশ্ন কৃষ্ণমুর্ত্তিৰ বাবে দুটা পৃথক প্রশ্ন নহয়। স্বতন্ত্রতাৰ এই প্রশ্নটো আত্মা আৰু আত্মজ্ঞানৰ লগত সংযোজিত হৈ আছে। কৃষ্ণমুর্ত্তিৰ মতে, আত্মজ্ঞানে মানুহক স্বতন্ত্র কৰে। কিন্তু কৃষ্ণমুর্ত্তিৰ বাবে আত্মজ্ঞান কি তাক জনাৰ আগতে কৃষ্ণমুর্ত্তিৰ মতে আত্মা কি তাক বুজি পোৱাটো আৱশ্যকীয়।

কৃষ্ণমুর্ত্তিয়ে বুজাৰ দৰে আত্মা এক আধ্যাত্মিক দ্রব্য বা বিষয় নহয়। তেওঁৰ বাবে আত্মা হৈছে চিন্তাৰ সমগ্রতা সচেতনতা উপ সচেতনতা আৰু অসচেতনতা। প্রকৃততে কৃষ্ণমুর্ত্তিয়ে সচেতনতাৰ স্তৰ সমূহৰ মাজত পার্থক্য নিৰূপণ কৰা নাই। তেওঁ সিহঁত সকলোকে একেলগে সচেতনতা বুলি কৈছে। আগলৈও, তেওঁ সচেতনতা আৰু সচেতনতাৰ বিষয়ৰ মাজত কোনো পার্থক্য অনা নাই। তেওঁ সচেতনতাক তাৰ বিষয়ৰ লগত অনুৰূপ বুলি কৈছে আৰু সচেতনতাৰ বিষয়বস্তু বা সচেতনতা চিন্তাৰ বাদে আন একো নহয়। যিহৰ দ্বাৰাই মানৰ সচেতনতাক পৰিপূৰণ কৰা হয় সিয়েই চিন্তা আৰু ইয়েই হৈছে কৃষ্ণমুর্ত্তিৰ মতে আত্মা। তেওঁক উদ্ধৃতি দিবলৈ, "ধাৰণা, স্মৃতি, অভিজ্ঞতা, ভিন্ন উদ্দেশ্য, সচেতন প্রচেষ্টা, কৰা বা নকৰা, অসচেতনতাৰ পুঞ্জীভূত স্মৃতি, জাতিগত, সম্প্রদায়, ব্যক্তি, বংশ আৰু ইয়াৰ সকলোৰে সমগ্রতা, ই বাহ্যিকভাৱে কর্মত অভিক্ষীপ্ত হয় বা সততা ৰূপে আধ্যাত্মিকভাৱে অভিক্ষীপ্ত হয় এই সকলোবোৰৰ বাবে যি সংগ্রাম কৰা হয়, সিয়েই আত্মা"। সাধাৰণতে এইটো ভৱা যায় যে আত্মা নাইবা 'মই' ৰ চিন্তা আছে। কৃষ্ণমুর্ত্তিয়ে পোষণ কৰে যে চিন্তাৰ বাহিৰত কোনো আত্মা নাই। যেতিয়া কৃষ্ণমুর্ত্তিয়ে চিন্তাক আত্মাৰ সৈতে অনুৰূপ বুলি কয়, তেতিয়া এজন লোকক চিন্তাৰ সমগ্রতাক বুজিবলৈ বুলি ধৰা হয়। সেয়ে এই চিন্তাই তথাকথিত সচেতনতাৰ ভিন্ন স্তৰবোৰৰ চিন্তাক অন্তর্ভূক্ত কৰে। তেওঁৰ বাবে চিন্তাৰ সামগ্রিকতাই হৈছে আত্মা চিন্তাৰ উর্দ্ধত আৰু চিন্তাৰ উপৰি আন কোনো সত্তা নাই। তেওঁ চিন্তাৰ গৰাকী আৰু চিন্তাৰ মাজত কোনো পার্থক্য নির্ণয় কৰা নাই। তেওঁৰ মতে, কোনোৱা আছে, যাৰ চিন্তা আছে সেইকথা ভৱাটো এক ভ্রান্তি।

কৃষ্ণমুর্ত্তিৰ আত্মাৰ বোধগম্যতাৰ আলোকত তেওঁৰ আত্মজ্ঞানৰ ধাৰণাটোক বুজিব লাগিব। যিহেতু আত্মা চিন্তাৰ সামগ্রিকতাৰ বাদে একো নহয়, সেয়ে আত্মাক জানিবলৈ এজন মানুহে নিজকে জানিব লাগিব, যিবোৰ গঠিত হয় আগতে কোৱাৰ দৰে এজন মানুহৰ সচেতনতাৰ বিষয়বস্তুৰ দ্বাৰা সেয়ে চিন্তাক জানিবলৈ এজন মানুহৰ সচেতনতাৰ বিষয়বস্তু নাইবা মানুহজনৰ চিন্তাৰ সামগ্রিকতাক চাব লাগিব। তেওঁ আমাক চিন্তাবোৰ ব্যাখ্যাৰ বাবে যাবলৈ কোৱা নাই আৰু সিহঁতৰ স্বৰূপৰ বিষয়ে শিকিব কোৱা নাই। ইয়াৰ বিপৰীতে তেওঁ আমাক নিজকে আমাৰ অনুভৱ কর্ম আৰু আচৰণক চোৱাৰ কথা কৈছে। তেওঁ আমাক কোনোবা ব্যক্তি নাই বস্তুৰ প্রতি আমাৰ আচৰণৰ আৰু বস্তু আৰু সত্তাবোৰৰ পৰিত আমাৰ অনুভূতিত নিজকে চাবলৈ কৈছে। এইবোৰ অনুভূতি আৰু আচৰনতে আমি নিজকে বিচাৰি পাব পাৰো। যিহেতু ই আনৰ প্রতি আমাৰ অনুভৱ আৰু আচৰণত থাকে, যাক আমি নিজৰ

মাজতেই বিচাৰি পাব পাৰো সেয়ে কৃষ্ণমুর্ত্তিয়ে কয় যে ই কেৱল আমাৰ 'সম্বন্ধ' (Relationship) ত থাকে যাক আমি নিজেই বিচাৰিব পাৰো। এই প্রত্যক্ষৰ স্বৰূপক গণ্য কৰি কৃষ্ণমুর্ত্তিয়ে কয় যে এই প্রত্যক্ষ নির্বাচনাত্মক হ'ব নালাগে। অর্থাৎ যিটো প্রত্যক্ষ কৰা হ'ব তাক এজন মানুহে নির্বাচন কৰিব নালাগে। এজনে ভাল পাওঁক বা নাপাওঁক যেতিয়া এজনে কোনো বস্তুক প্রত্যক্ষ কৰে, তেতিয়া তেওঁ নিজকে চাৱ লাগে। আকৌ, আমি সদায় মনত ৰখা উচিত যে কৃষ্ণমুর্ত্তিৰ মতে চিন্তাৰ নিজৰ ব্যতিৰেকে কোনো আত্মা নাই। সেয়ে যিয়ে প্রত্যক্ষ কৰে আৰু প্রতক্ষ্য কৰিবলৈ চিন্তা কৰে মাজত কোনো পার্থক্য নাই, সিহঁত দুয়োটা এক আৰু সদৃশ। সাধাৰণ বচনভঙ্গীত প্রত্যক্ষই 'দ্রষ্টা' (Onlooker) আৰু 'দৃষ্টিপাত' (Lookedat) ক জড়িত কৰে। কিন্তু যিহেতু ইয়াত যিয়ে প্রত্যক্ষ কৰে আৰু যি প্রত্যক্ষ কৰা হয়ৰ মাজত কোনো বিভাজন নাই, সেয়ে কৃষ্ণমুর্ত্তিয়ে এনেধৰণৰ প্রত্যক্ষৰ বাবে 'সচেতনতা' বা 'সতর্কতা' (Awareness) শব্দটো ব্যৱহাৰ কৰিছে। কৃষ্ণমুর্ত্তিয়ে আগলৈ কয়যে যেতিয়া এজনে নিজকে প্রত্যক্ষ কৰি থাকে তেতিয়া এজন ইয়াৰ দ্বাৰা প্রভাৱিত হোৱাটো উচিত নহয় যে এইবোৰ গুণ বা গুণাৱলীক কেনেকৈ সাধাৰণভাৱে প্রত্যক্ষ কৰিব পাৰি। এইটো এইবাবেই যে উদাহৰণস্বৰূপে — ইর্ষা বেয়া অথবা সাধুতা যে ভাল তাক ইতিমধ্যে চিন্তা কৰাৰ দ্বাৰা যদি মই নিজকে প্রত্যক্ষ কৰিবলৈ আৰম্ভ কৰোঁ, তেতিয়া তাত প্রত্যেক সুযোগ থাকিব যে যেতিয়া মই সাধু বা সৎ আৰু সেই অনুভূতি মোৰ মনলৈ আহিব আৰু নিজকে ধাৰণ কৰিবলৈ চেষ্টা কৰিম তেতিয়াই ইর্ষাক প্রত্যক্ষ কৰাটোকো পৰিহাৰ কৰিম। এইটো কাৰণতে কৃষ্ণমুর্ত্তিয়ে কয় যে সচেতন বা সতর্ক হ'বলৈ হ'লে এজন ব্যক্তি কু-সংস্কাৰ আৰু ধাৰণাবোৰৰ পৰা মুক্ত হ'ব লাগিব। এনেকুৱা সচেতনাতা বা সর্তকতা সেয়ে যিহেতু নির্বাচনাত্মক নাইবা এজনৰ পছন্দৰ ওপৰত নির্ভৰশীল নহয় ইয়াক কোৱা হয় "নির্বাচনহীন সচেতনতা" (Choiceless Awareness)। গতিকে এই নির্বাচনহীন সচেতনতাত এজন মানুহে দয়া, সাধুতা, ইর্ষা, খং আদি নো হয় কি তাৰ প্রতি সচেতন হৈ পৰে। এনেধৰণৰ সচেতনতাতেই কেৱল এজন মানুহে একক ৰূপে সচাঁকৈ জানিব পাৰে। ইয়ে হৈছে আত্ম-জ্ঞান।

ই হৈছে আত্মজ্ঞান য'ত কেৱল এজন ব্যক্তি স্বতন্ত্র হ'ব পাৰে। যেতিয়া এজনে এজনৰ অনুভৱবোৰ আৰু আচৰণবোৰ প্রত্যক্ষ কৰে, তেতিয়া ইয়াৰ অন্তৰালত থকা কাৰণ আৰু চিন্তাক এজনে বুজি পায় আৰু উপলব্ধি কৰে যে এজনে যি কৰে বা অনুভৱ কৰে, সি ইতিমধ্যে এজনৰ মাজত থকা ধাৰণা নাইবা চিন্তাৰ এক প্রতিক্রিয়া। কৃষ্ণমুর্ত্তিয়ে কয় যিহেতু এতিয়া এজনে প্রত্যক্ষ কৰিবলৈ আৰম্ভ কৰে যে চিন্তাবোৰে কিদৰে এজনৰ অনুভৱ আৰু আচৰণবোৰক প্রভাৱান্বিত কৰিছে আৰু জীৱন আৰু জীৱিতক সাক্ষাৎ কৰিবলৈ এজনক প্রতিৰোধ কৰে, তেতিয়া স্বয়ংক্রিয়ভাৱেই এইবোৰ চিন্তাৰ পৰা এজন স্বতন্ত্র হৈ পাৰিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ ঃ সত্য নে অসত্য উল্লেখ কৰক—

(ক) কৃষ্ণমুর্ত্তিয়ে ভৱাৰ দৰে আত্মা এক আধ্যাত্মিক দ্রব্য।

(খ) কৃষ্ণমুর্ত্তিয়ে পোষণ কৰে যে চিন্তাৰ বাদে কোনো আত্মা নাই।

(গ) নির্বাচনহীন সচেতনতাত একক কি নাইবা আত্ম-জ্ঞান থকাৰ প্রতি এজন ব্যক্তি সচেতন হৈ পৰে।

১৩.৫ শিক্ষা

কৃষ্ণমুর্ত্তিৰ উদ্বেগ মানুহ আৰু সি জীৱনটো সম্পূর্ণৰূপে জীয়াই থাকে। তেওঁ কয়যে মানুহৰ বাবে যি আৱশ্যক, সি হৈছে জীৱনটোক সম্পূর্ণৰূপে আৰু অখণ্ডভাৱে জীয়াই ৰখা। তেওঁ কয় যে মানুহ বিভিন্ন উপাদানেৰে গঠিত, কিন্তু এইবোৰ উপাদান সংহত হ'ব লাগিব যদিহে জীৱনটোক সম্পূর্ণ আৰু অখণ্ডভাৱে যাপন কৰিব লাগে। যদি মানুহ নিজৰ মাজতে বিভিন্ন উপাদানত বিভক্ত হয়, তেতিয়া নিজৰ মাজতে সংঘর্ষত লিপ্ত হ'বলগীয়া হয়, যি অতি দুখদায়ক। সেয়ে যেতিয়া এজন মানুহে সংহত নহয়, তেতিয়া তাত দুখ বা বেদনা থাকিবই। কেৱল যেতিয়া তেওঁ এক সংহত জীৱন যাপন কৰে, তেতিয়া তেওঁ পূর্ণভাৱে জীৱনটো জীয়াই। এতিয়া একত্রীকৰণৰ বাবে কৃষ্ণমুর্ত্তিয়ে কয়, তাত বুদ্ধিমত্তা (Intelligence) থাকিব লাগিব। শিক্ষা হৈছে এই বুদ্ধিমত্তাৰ জাগৰণৰ বিষয়। সেয়ে বুদ্ধিমত্তাৰ জাগৰণৰ দ্বাৰা শিক্ষাই মানুহক একত্রীত হ'বলৈ সহায় কৰে আৰু ফলস্বৰূপে জীৱনটোক পূর্ণভাৱে যাপন কৰিবলৈ সহায়ক হৈ উঠে। কৃষ্ণমুর্ত্তিৰ বাবে 'বুদ্ধিমত্তা' ই বুজায় 'বস্তুক স্পষ্টভাৱে প্রত্যক্ষ কৰিবলৈ সক্ষমতা' ক বস্তুবোৰক স্পষ্টকৈ চাবলৈ যদিও এক দর্শন শক্তি (Vision) ৰ প্রয়োজন যি এজনৰ ধাৰণা চিন্তা নাইবা বিশ্বাসৰ দ্বাৰা প্রভাৱিত নহয়। অন্য কথাত স্পষ্ট প্রত্যক্ষৰ বাবে স্বতন্ত্রতা অনিবার্য্য। কৃষ্ণমুর্ত্তিয়ে স্পষ্ট প্রত্যক্ষৰ ওপৰত জোৰ দিছে, যিহেতু ইয়াৰ অবিহনে কোনো শিক্ষণ থাকিব নোৱাৰে।

কৃষ্ণমুর্ত্তিৰ মতে, শিক্ষা বহু বেছি জ্ঞানৰ সম্বন্ধে নহয়, যিহেতু ই শিক্ষাৰহে বিষয়। এই দুটা শব্দৰ 'জ্ঞান' (Knowledge) হৈছে অতীতৰ নির্দেশনা আৰু শিক্ষনে নির্দেশ কৰে বর্ত্তমানক। কৃষ্ণমুর্ত্তিৰ মতে জ্ঞান সদায় অতীতৰ কিয়নো শব্দটোৱে নিজে বুজায় যে ই হৈছে তেনে বস্তুৰ বিষয় যাক ইতিমধ্যে জ্ঞাত। কিন্তু শিক্ষণ (Learning) হৈছে সদয় বর্ত্তমানৰ শিক্ষা। কৃষ্ণমুর্ত্তিয়ে কি কৈছে তাক বুজিবলৈ আমি ক'ব পাৰো। উদাহৰণস্বৰূপে— যে দর্শন হৈছে দার্শনিকসকলৰ প্রজন্মৰ দ্বাৰা প্রদত্ত জ্ঞানৰ ভাণ্ডাৰ; কিন্তু জ্ঞানৰ এই ভাণ্ডাৰৰ পৰা মোৰ শিক্ষাই এতিয়া স্থান গ্রহণ কৰিছে। যেতিয়ালৈকে এজনে শিক্ষা নলয়, তেতিয়ালৈকে তেওঁ প্রকৃতার্থত একোৱেই বুজি নাপাৱ। এইটো কাৰণতেই কৃষ্ণমুর্ত্তিয়ে কয় যে শিক্ষা ছাত্র-ছাত্রীক সহজলভ্য জ্ঞানৰ সৈতে পৰিচিত কৰোৱাৰ বিষয়ে নহয়, বৰং ই হৈছে ছাত্র-ছাত্রীক শিকিবলৈ গঢ়ি তোলাহে।

শিক্ষণ এনে কিবা নহয় যে আন ব্যক্তিয়ে আমাৰ বাবে কৰিব পাৰে। আনে আমাক বিভিন্ন জ্ঞানৰ সৈতে পৰিচয় কৰাব পাৰে, কিন্তু আমাৰ বাবে শিক্ষা ল'ব নোৱাৰে। আমাৰ প্রত্যেকেই নিজে নিজে শিক্ষা গ্রহণ কৰিব লাগিব। অর্থাৎ শিক্ষকে ছাত্র-ছাত্রীক শিক্ষা দিব নোৱাৰে, ছাত্র-ছাত্রীয়ে নিজেই নিজৰ বাবে শিক্ষা আহৰণ কৰিব লাগিব। কৃষ্ণমুর্ত্তিয়ে আকৌ কয় যে শিক্ষা সদায় 'নতুন'ৰ। 'শিক্ষা' শব্দটো সেইবোৰ বস্তুৰ প্রসঙ্গঁত সদায় ব্যৱহৃত হয়, যিবোৰ শিক্ষার্থীৰ বাবে নতুন। এজনে ইতিমধ্যে জনাৰ বিষয়ে এজনে শিক্ষা নলয়। আমি নকওঁ যে 'আমি যাক ইতিমধ্যে জানো তাক শিকি আছো।' যিহেতু এজনে শিকি থকাবোৰ নতুন সেয়ে তেওঁ আনজনৰ জ্ঞানৰ সহায়েৰে ইয়াক বুজিবলৈ চেষ্টা নকৰে। কিন্তু জীৱনত এজনে ইতিমধ্যে যি জানে তাৰ সহায়ত এজনে শিকিবলৈ চেষ্টা কৰে। কৃষ্ণমুর্ত্তিয়ে আমাক দেখুওৱাবলৈ চেষ্টা কৰিছে যে যিবোৰ ইতিমধ্যে জ্ঞাত, তাৰ সহায়ত এজনে শিকিব নোৱাৰে। যেতিয়া আমি তেনে কৰিবলৈ চেষ্টা কৰো, আমি শিকি নাথাকো। সেইবাবে তেওঁ কয় যে শিক্ষাৰ বাবে স্বতন্ত্রতা থাকিবই লাগিব।

'স্বতন্ত্রতা'ৰ ওপৰত আমাৰ আলোচনাত আমি ইতিমধ্যে দেখা পাইছো যে স্বতন্ত্রতা এনে কিবা নহয় যে তাক আন কাৰোবাক দিব পাৰি। ছাত্র-ছাত্রীসকলক স্বতন্ত্র কৰিব পৰা নাযায়। ছাত্র-ছাত্রীয়ে নিজে নিজকে স্বতন্ত্র কৰিব লাগিব। শিক্ষকৰ ভূমিকা হৈছে এইটো চোৱা যে ছাত্র বা ছাত্রী গৰাকী স্বতন্ত্র, অনুসন্ধান কৰিবলৈ স্বতন্ত্র, শিকিবলৈ স্বতন্ত্র। অন্য কথাত, শিক্ষকে ছাত্র-ছাত্রীক শিক্ষণৰ স্থান দিবলৈ গঢ়ি তুলিব নোৱাৰে, কিন্তু এক পৰিৱেশ গঢ়াত তেওঁলোকক সহায় কৰিব পাৰে য'ত ছাত্র-ছাত্রীসকল স্বতন্ত্রভাৱে থাকিব পাৰে। যিহেতু শিক্ষকে ছাত্র-ছাত্রীসকলক জ্ঞানৰ বিভিন্ন ক্ষেত্রৰ সৈতে পৰিচয় কৰোৱায়, সেয়ে তেওঁলোকে চাব লাগে যে ছাত্র-ছাত্রী গৰাকীয়ে শিকি আছে। তাৰোপৰি এনে নহয় যে শিক্ষা কেৱল ছাত্র-ছাত্রীৰ বাবেহে আছে। ই আনকি শিক্ষক সকলৰ বাবেও চিৰ গতিময় জীৱনে সহায় নতুন বস্তু বা বিষয় আগবঢ়ায় যাৰ বিষয়ে আমাৰ প্রত্যেকেই শিকিব লাগে। এইটো কাৰণতে, কৃষ্ণমুর্ত্তিয়ে 'শিক্ষাদান' ৰ ঠাইত 'সহভাজন' (Sharing) শব্দটো ব্যৱহাৰ কৰিছে। ল'ৰা-ছোৱালীয়ে বর্ত্তমান যি শিকি আছে, তাৰ লগত শিক্ষকে সহভাজন কৰে।

কৃষ্ণমুর্ত্তিৰ শিক্ষাৰ ধাৰণাটোৰ লগত নিবিড়ভাৱে জড়িত ধাৰণাটো হৈছে 'আকাংক্ষা' (Fear) আৰু নিয়মানুবর্ত্তিতা (Discipline) ৰ ধাৰণা। তেওঁ কয় যে শিক্ষা সম্ভৱ হয় কেৱল আশংকাৰ অনুপস্থিতিত। যদিহে ভয় বা আশংকা থাকে, তেন্তে এজন ব্যক্তিয়ে একো শিকিব নোৱাৰে, যিহেতু ভয়ে এজন মানুহক স্পষ্টৰূপে প্রত্যক্ষ কৰাত প্রতিৰোধ কৰে। সেয়ে এজন শিক্ষকে চাৱ লাগে যে ছাত্র বা ছাত্রী গৰাকী আশংকাত নাথাকে। আকৌ, শিক্ষাত নিয়মানুবর্ত্তিতাৰ আৱশ্যকতা আছে। যদিও কৃষ্ণমুর্ত্তিয়ে নিয়মানুবর্ত্তিতাক ইয়াৰ সাধাৰণ বোধত বিৰোধীতা কৰিছে, সি হৈছে বাহিৰৰ পৰা আৰোপিত নিয়মাণুবর্তিতা। তেওঁ কয় যে নিয়মানুবর্তিতা স্বয়ংক্রিয় ভাবেই আহে, যেতিয়া এজন ব্যক্তি শিক্ষাত মনযোগী হয়। ইয়াত আত্মজ্ঞান গুৰুত্বপূর্ণ হৈ উঠে। সত্য মনযোগক দৃষ্টি কৰিব পৰা নাযায়, কিন্তু তেতিয়া আহে যেতিয়া এজনে এজনৰ ভাল পোৱাটো কৰে। সেইকাৰণে এজনে বিচাৰি উলিয়াব লাগে যে এজনে কি কৰিবলৈ প্রকৃততে ভাল পায়। এই ক্ষেত্রত আত্মজ্ঞানৰ প্রয়োজন আহি পৰে— অর্থাৎ ব্যক্তিজনে এই কথা জানিব লাগিব যে তেওঁ প্রকৃততে কি আৰু তেওঁৰ প্রকৃত আহ্বানকো তেওঁ জানিব লাগিব।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ তলৰ প্রশ্নবোৰৰ চমু উত্তৰ দিয়ক —

(ক) জীৱনটোক পূর্ণতাৰে যাপন কৰিবলৈ শিক্ষাই কিদৰে সহায় কৰে?

(খ) শিক্ষাৰ পৰা জ্ঞান কিদৰে ভিন্ন?

(গ) কৃষ্ণমুর্ত্তিৰ বাবে নিয়মাণুবর্তিতা কি?

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জিদ্দু কৃষ্ণমুর্ত্তি এজন দার্শনিক নহয়, যিজনে তেওঁৰ দর্শনৰ এক সু-সংবদ্ধ আলোচনা আগবঢ়াইছে। তেওঁৰ প্রধান উদ্বেগ দর্শন নহয় বৰঞ্চ মানুহ নিজে। মানুহ আৰু তেওঁলোকৰ জীৱনৰ বাবে থকা উদ্বেগৰ কাৰণতে তেওঁৰ দর্শনক এটা সময়ত অস্তিত্ববাদৰ সৈতে তুলনা কৰা হৈছিল।
- কৃষ্ণমুর্ত্তিয়ে কোৱা স্বতন্ত্রতা ৰাজনৈতিক নাইবা অর্থনৈতিক স্বতন্ত্রতা নহয়, বৰঞ্চ এজন ব্যক্তিৰ মনৰ জগতৰ স্বতন্ত্রতা। ই কিবা এক বস্তু বা বিষয়ৰ পৰা হোৱা স্বতন্ত্রতা নহয়, বৰং সত্তাৰ এক অৱস্থা। কৃষ্ণমুর্ত্তিয়ে স্বতন্ত্রতাক জীৱন যাপনৰ বাবে আৱশ্যকায় হিচাপে গণ্য কৰিছে। আচলতে, কৃষ্ণমুর্ত্তিৰ বাবে স্বতন্ত্রতাৰ অবিহনে এজনে শব্দটোৰ প্রকৃত অর্থত জীয়াই নাথাকে।
- কৃষ্ণমুর্ত্তিয়ে কয় যে স্বতন্ত্র হ'বলৈ এজন ব্যক্তিয়ে প্রথমে জানিব লাগিব যে প্রকৃততে এজন ব্যক্তি স্বতন্ত্র নহয়। এজন ব্যক্তিয়ে কেৱল তেতিয়াহে বাধাবোৰৰ পৰা পলায়ন কৰিব পাৰে, যিবোৰে তেওঁ আৱদ্ধ কৰি ৰাখে।
- কৃষ্ণমুর্ত্তিৰ মতে যেতিয়া এজনে উপলব্ধি কৰে যে এজন আৱদ্ধ তেতিয়া এজন ব্যক্তি স্বতন্ত্র হৈ পৰে। আচলতে স্বতন্ত্রতাক গণ্য কৰি তেওঁ কয় "The first step is the last step"।
- কৃষ্ণমুর্ত্তিয়ে স্বতন্ত্রতাৰ বিষয়ে কোৱা কথাখিনি যিহেতু এজন মানুহৰ বাহিৰৰ এক স্বতন্ত্রতা নহয়, সেয়ে আমি উপলব্ধি কৰিব লাগিব যে কৃষ্ণমুর্ত্তিয়ে এজন ব্যক্তিৰ বাহিৰত নিয়ম শৃংখলাবোৰ ভঙ্গ কৰাৰ কথা কোৱা নাই। তেওঁ কোৱা নাই যে স্বতন্ত্র হ'বলৈ এজন মানুহে সামাজিক আইনবোৰ ভঙ্গ কৰা আৰু ন্যায়িক ব্যৱস্থাৰ বিপক্ষে যোৱাটো উচিত। তেওঁৰ মতে মানুহে সেইবোৰ চিন্তা আৰু ধাৰণাক ভঙ্গ কৰিব লাগে যি মানুহক স্বতন্ত্রভাৱে চিন্তা কৰাৰ পথত প্রতিৰোধৰ সৃষ্টি কৰে। আচলতে তেওঁৰ মতে চিন্তা নিজেই আৱদ্ধ।
- গতিশীল জীৱনত নতুনকৈ বস্তুবোৰক প্রত্যক্ষ কৰিবলৈ মনটো সকলো সীমাবদ্ধতাৰ পৰা মুক্ত হ'ব লাগিব। গতিশীল জীৱনত যদি মানুহে বস্তুবোৰক নতুনকৈ সাক্ষাৎ নকৰে, বৰঞ্চ পুৰণি ধাৰণাৰ জৰিয়তে সাক্ষাৎ কৰে তেন্তে ই জীৱনৰ প্রবাহ বা গতিক প্রতিৰোধ কৰিব আৰু সেয়ে ই জীৱিত নহয়। এয়াই হৈছে চিন্তাৰ পৰা স্বতন্ত্রতা যাক কৃষ্ণমুর্ত্তিয়ে কৈছে "Freedom from Known", অর্থাৎ 'জ্ঞাতৰ পৰা স্বতন্ত্র'।
- কৃষ্ণমুর্ত্তিয়ে বুজাৰ দৰে আত্মা এক আধ্যাত্মিক দ্রব্য নহয়। তেওঁৰ বাবে আত্মা হৈছে চিন্তাৰ সামগ্রিকতা। তেওঁৰ মতে চিন্তাৰ উর্দ্ধত আৰু উপৰি কোনো আত্মা নাই। তেওঁৰ মতে, কোনোবা আছে, যাৰ চিন্তা আছে বুলি ভৱাটো এক ভ্রান্তি।
- নির্বাচনহীন সচেতনতাত এজন ব্যক্তিয়ে দয়া, সাধুতা ইর্ষা, খং আদি নো হয় কি? তাৰ প্রতি সচেতন হৈ পৰে। কেৱল এনেধৰণৰ সচেতনতাত এজন মানুহে একক ৰূপে সচাঁকৈ জানিব পাৰে। ইয়ে হৈছে আত্ম জ্ঞান।
- ই হৈছে আত্মজ্ঞান, য'ত কেৱল এজন ব্যক্তি স্বতন্ত্র হ'ব পাৰে। কৃষ্ণমুর্ত্তিয়ে কয় যে যিহেতু এতিয়া এজন ব্যক্তিয়ে প্রত্যক্ষ কৰিবলৈ আৰম্ভ কৰে, যি চিন্তাবোৰে কিদৰে এজনৰ অনুভৱ আৰু আচৰণক প্রভাৱান্বিত কৰিছে আৰু জীৱন আৰু জীৱিতক সাক্ষাৎ কৰিবলৈ এজনক প্রতিৰোধ কৰে, তেতিয়া স্বয়ংক্রিয়ভাৱেই এইবোৰ চিন্তাৰ পৰা এজন ব্যক্তি স্বতন্ত্র হৈ পৰিব।

- কৃষ্ণমুর্ত্তিৰ উদ্বেগ মানুহ আৰু তেওঁ পূর্ণভাৱে জীৱন যাপন কৰে। তেওঁ কয় যে মানুহৰ বাবে যি আৱশ্যক, সি হৈছে জীৱনটোক সম্পূর্ণতাৰে আৰু অখণ্ডতাৰে যাপন কৰা। কেৱল যেতিয়া মানুহে অখণ্ডতাৰে জীৱন যাপন কৰে, তেতিয়াহে জীৱন পূর্ণ হয়। এতিয়া কৃষ্ণমুর্ত্তিয়ে কয় যে ইয়াত বুদ্ধিমত্তা থাকিব লাগিব আৰু শিক্ষা হৈছে এই বুদ্ধিমত্তাৰ এক জাগৰণ। সেয়েহে বুদ্ধিমত্তাক জাগৰণৰ দ্বাৰা শিক্ষাই মানুহক একত্রীত কৰিবলৈ সহায় কৰে আৰু ফলস্বৰূপে ই পূর্ণতাৰে জীৱনটোক যাপন কৰিবলৈও সহায় কৰে।
- কৃষ্ণমুর্ত্তিৰ মতে, 'বুদ্ধিমত্তা' ৰ অর্থ হৈছে 'বস্তুক স্পষ্টৰূপত চাবলৈ এক সক্ষমতা'। তথাপি স্পষ্টকৈ চাবলৈ এজন ব্যক্তিৰ দর্শন শক্তিৰ আৱশ্যকতা আছে, যি এজনৰ ধাৰণাৰ চিন্তা নাইবা বিশ্বাসৰ দ্বাৰা প্রভাৱিত নহয়। অন্য কথাত স্বতন্ত্রতা স্পষ্ট প্রত্যক্ষৰ বাবে আৱশ্যকীয়।
- কৃষ্ণমুর্ত্তিৰ মতে, শিক্ষা জ্ঞান সন্দর্ভত বহুত বেছি একো নহয়, যিহেতু ই শিক্ষণৰ বিষয়েহে। এই শব্দদুটাৰ 'জ্ঞান' শব্দই অতীতক নির্দ্দেশ কৰে আৰু আনহাতে, 'শিক্ষা' ই নির্দ্দেশ কৰে বর্ত্তমানক। কৃষ্ণমুর্ত্তিৰ বাবে জ্ঞান সদায় অতীতৰ বিষয়ে কাৰণ এই শব্দটোৱে নিজেই বুজায় যে ই সেইবোৰ বস্তু জ্ঞান, যিবোৰ ইতিমধ্যে জ্ঞাত। কিন্তু শিক্ষা সদায় বর্তমানক শিকাঁ।
- কৃষ্ণমুর্ত্তিৰ শিক্ষাৰ ধাৰণাৰ সৈতে অতি ঘনিষ্ঠভাৱে জড়িত ধাৰণা হৈছে 'ভয় বা আশংকা'ৰ ধাৰণা আৰু 'নয়মাণুবর্ত্তিতা'ৰ ধাৰণা। তেওঁ কয় যে শিক্ষা সম্ভৱ হয় কেৱল আশংকাৰ অনুপস্থিতিতহে। যদি আশংকা থাকে, তেতিয়া এজনে শিকিব নোৱাৰে, যিহেতু আশংকাই স্পষ্টকৈ প্রত্যক্ষ কৰাত এজনক প্রতিৰোধ কৰে।
- কৃষ্ণমুর্ত্তিৰ মতে, শিক্ষাত নিয়মাণুবর্তিতাৰ প্রয়োজন আছে। তথাপিও তেওঁ নিয়মানুবর্তিতাক ইয়াৰ সাধাৰণ বোধত বিৰোধীতা কৰিছে, সি হৈছে বাহিৰৰ পৰা আৰোপিত। তেওঁ কয় যে যেতিয়া এজন শিক্ষাৰ প্রতি আগ্রহী হয়, নিয়মানুবর্তিতা স্বয়ংক্রিয় ভাৱেই আহে। সত্য মনযোগ সৃষ্টি কৰিব নোৱাৰি, যেতিয়া এজনে কি কৰিবলৈ ভাল পায় তাক কৰে। সেইকাৰণে এনে বিচাৰি উলিয়াব লাগে যে এজনে কি কৰিবলৈ প্রকৃততে ভাল পায়। এইক্ষেত্রত আত্ম জ্ঞানৰ প্রয়োজন আহি পৰে। অর্থাৎ ব্যক্তিজনে এই কথা জানিব লাগিব যে তেওঁ প্রকৃততে কি আৰু তেওঁৰ প্রকৃত আহ্বানকো জানিব লাগিব।

১২.১১ অধিক জানিবলৈ

1. Krishnamurti, J. 2010. Freedom from the known, krishnamurti foundation of India.
2. Krishnamurti, J. 2004. On freedom, Krishnamurti foundation India.
3. Krishnamurti, J. 2002. On Self Knowledge. Krishnamurti foundation India.
4. Krishnamurti, J. 2009, Education and significance of life, Krishnamurti foundation India.
5. Shakuntala, 2010, Essays on Philosophy of Jiddu Krishnamurti, Aalibbat Publication, Print 2015.

১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

(ক) মন

(খ) স্বতন্ত্র নহয়, আৱদ্ধ

(গ) চিন্তা

২ নং প্রশ্নৰ উত্তৰ ঃ

(ক) অসত্য

(খ) সত্য

(গ) সত্য

৩ নং প্রশ্নৰ উত্তৰ ঃ

(ক) বুদ্ধিমত্তাক জাগৰণৰ দ্বাৰা শিক্ষাই মানুহক একত্রীত হ'বলৈ আৰু ফলস্বৰূপে সম্পূর্ণৰূপে জীৱন যাপন কৰিবলৈ সহায় কৰে।

(খ) Krishnamurti ৰ মতে জ্ঞান সদায় অতীতৰ বিষয়ে কিয়নো ই নিজে বুজায় যে ই এনে বস্তুৰ জ্ঞান যিবোৰ ইতিমধ্যে জ্ঞাত। কিন্তু শিক্ষা সদায় বর্ত্তমানৰ শিক্ষা।

(গ) য়ে নিয়মানুবর্ত্তিতাক ইয়াৰ সাধাৰণ বোধত বিৰোধীতা কৰিছে। সি হৈছে বাহিৰৰ পৰা আৰোপিত নিয়মাণুবর্তিতা। তেওঁ কয় যে যেতিয়া এজন ব্যক্তি শিক্ষাত মনযোগী হয়, নিয়মাণুবর্ত্তিতা স্বয়ং ক্রিয়ভাৱেই আহে।

১৩.৯ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ কৃষ্ণমুর্ত্তিৰ দর্শনত 'স্বতন্ত্রতা' শব্দই কি প্রকাৰৰ স্বতন্ত্রতাক নির্দ্দেশ কৰিছে উল্লেখ কৰক।

প্রশ্ন ২ ঃ "জ্ঞাতৰ পৰা স্বতন্ত্র" অত "জ্ঞাত" শব্দই কি বুজাইছে?

প্রশ্ন ৩ ঃ কৃষ্ণমুর্ত্তিৰ ৰ দর্শনত 'চেতনা'ৰ দ্বাৰা কি বুজে?

প্রশ্ন ৪ ঃ কৃষ্ণমুর্ত্তিৰ দর্শনত 'আত্মা'য়ে কি বুজায়?

প্রশ্ন ৫ ঃ কৃষ্ণমুর্ত্তিৰ দর্শনত আত্মা আৰু চিন্তাৰ মাজৰ সম্বন্ধক কেনেদৰে দেখুওৱা হৈছে?

প্রশ্ন ৬ ঃ Choiceless Awareness (নির্বাচনহীন সচেতনতা) ৰ দ্বাৰা কি বুজে?

প্রশ্ন ৭ ঃ কৃষ্ণমুর্ত্তিৰ মতে শিক্ষাৰ উদ্দেশ্য কি?

প্রশ্ন ৮ ঃ 'বুদ্ধিমত্তা'ৰ দ্বাৰা কৃষ্ণমুর্ত্তিয়ে কি বুজাইছে?

প্রশ্ন ৯ ঃ কৃষ্ণমুর্ত্তিক অনুসৰণ কৰি আপোনালোকে কিদৰে জ্ঞান আৰু শিক্ষাৰ মাজত পার্থক্য নির্ণয় কৰিব?

প্রশ্ন ১০ ঃ নিয়মানুবর্তিতাৰ বাবে আত্ম-জ্ঞান কিয় আৱশ্যকীয়?

(খ) চমু প্রশ্ন (চমু টোকা) (প্রায় 150 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ জ্ঞাতৰ পৰা স্বতন্ত্রতা

প্রশ্ন ২ ঃ আত্মা

প্রশ্ন ৩ ঃ আত্ম-জ্ঞান

প্রশ্ন ৪ ঃ জ্ঞান আৰু শিক্ষা

প্রশ্ন ৫ ঃ নির্বাচনবিহীন সচেতনতা

প্রশ্ন ৬ ঃ শিক্ষাৰ প্রয়োজনীয়তা

(গ) দীঘল প্রশ্ন (প্রায় 300-500 শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ কৃষ্ণমুর্ত্তিৰ স্বতন্ত্রতাৰ ধাৰণাৰ ওপৰত এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ কৃষ্ণমুর্ত্তিৰ দর্শনত আত্মা বুলিলে কি বুজায়? কৃষ্ণমুর্ত্তিৰ আত্মাৰ ধাৰণাৰ ওপৰত নির্ভৰ কৰি আত্ম-জ্ঞানৰ বিষয়ে ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৩ ঃ কৃষ্ণমুর্ত্তিৰ শিক্ষাৰ দর্শন সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ১৪ ঃ দয়াকৃষ্ণৰ ভাৰতীয় দৰ্শন সম্পৰ্কে তিনিটা ধাৰণা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ পটভূমি

১৪.৪ দয়াকৃষ্ণ

১৪.৪.১ জীৱন চৰিত

১৪.৪.২ দৰ্শন

১৪.৪.৩ সংশয়বাদ

১৪.৫ ভাৰতীয় দৰ্শনৰ তিনি ধাৰণা

১৪.৫.১ প'টাৰৰ মতামত

১৪.৫.২ কে.চি. ভট্টাচার্য্যৰ মতামত

১৪.৬ দয়াকৃষ্ণৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা পর্য্যবেক্ষণ

১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৮ অধিক জানিবলৈ

১৪.৯ অগ্রগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিখ্যাত সংশয়বাদী ভাৰতীয় দার্শনিক দয়াকৃষ্ণৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- ভাৰতীয় দর্শনৰ নতুন সঠিক দৃষ্টিভঙ্গীক বুজিবলৈ পাৰিব
- পাশ্চাত্য পৰম্পৰাৰ দৰে ভাৰতীয় দর্শন কেনেকৈ সঠিক দর্শন হয়, তাক বিশ্লেষণ কৰিব পাৰিব
- জীৱন আৰু জগতৰ সামগ্রিক ব্যাখ্যাৰ প্রতি ভাৰতীয় দার্শনিক শাখাসমূহৰ সম্ভাৱনামূলক বৈজ্ঞানিক ব্যাখ্যাৰ সন্ধান কৰিব পাৰিব
- দয়াকৃষ্ণৰ বোধশক্তিত ভাৰতীয় দর্শনৰ তিনিটা ধাৰণাক ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

ভাৰতীয় দাৰ্শনিক পৰম্পৰাৰ পটভূমি বহু দীঘলীয়া, যি খ্ৰীষ্টপূৰ্ব ১০০০ ত কৈও আগৰ। এই দীঘলীয়া অতীতত বহু ঘটনাই সংঘটিত হৈছে, যিয়ে এই পৰম্পৰাক প্ৰভাৱান্বিত কৰিছে আৰু ইয়াক ভিন্ন প্ৰকাৰে আকৃতি আৰু পুনৰাকৃতি প্ৰদান কৰিছে। সেইকাৰণে এইটো উল্লেখ কৰা বৰ কঠিন যে এই বিশেষ পৰম্পৰাই আচলতে কয় কি নাইবা ইয়াৰ প্ৰকৃত ছৱি কি আছিল? উদাহৰণস্বৰূপে যদি কোনোবাই বেদান্ত দৰ্শন পঢ়িছে, তেন্তে সংখ্যা বা ন্যায়-বৈশিষিক অধ্যয়ণ কৰাজনৰ পৰা তেওঁৰ অভিব্যক্তি বেলেগ হ'ব।

ভাৰতীয় দৰ্শনৰ মৌলিক শ্ৰেণীবিভাজনক দুটা শিতানত গ্ৰহণ কৰা হৈছে — (ক) আস্তিক (বৈদিক) আৰু (খ) নাস্তিক (অবৈদিক)। মুঠ বৈদিক শাখা ছয়টা। সেয়া হ'ল ক্ৰমে সংখ্যা, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত। আনহাতে, অবৈদিক শাখা তিনিটা চাৰ্বাক, বৌদ্ধ আৰু জৈন। এক পক্ষপাতশূণ্য অধ্যয়ণে প্ৰকল্পমূলকভাৱে কয়, বেছিভাগ বৈদিক শাখাৰে অবৈদিক প্ৰৱণতা আছে যদিও সেইবোৰক যিকোনোভাৱে দমণ কৰি ৰখা হৈছে। অৱশ্যে ই গৱেষণাৰ স্তৰত কৰা আলোচনাৰ এক বিষয় তথাপি দয়াকৃষ্ণৰ দৰ্শন বুজিবলৈ এই পটভূমিৰ লগত পৰিচিত হোৱাটো প্ৰয়োজনীয়।

১৪.৩ পটভূমি

ভাৰতীয় দাৰ্শনিক পৰম্পৰাৰ প্ৰকৃত ছৱিখন পৃথিৱীপ চাৰিওফালে সমগ্ৰ দাৰ্শনিকসকলৰ বাবে সদায় এক ৰহস্য। ভাৰতীয় দৰ্শন সম্বন্ধে সমালোচনাত্মক চিন্তাবিদসকলৰ বাবে এক বিখ্যাত প্ৰকল্প হৈছে যে ভাৰতীয় দৰ্শন যথোপযুক্ত বা সমীচীন দৰ্শন নহয়। পাশ্চাত্যৰ মধ্যযুগীয়া দৰ্শনৰ প্ৰসঙ্গত, য'ত দৰ্শনক ধৰ্মতত্ত্বৰ সহায়ক বুলি ভবা হৈছিল, ভাৰতীয় দাৰ্শনিক সম্প্ৰদায় যেনে— বেদান্তক ধৰ্মতত্ত্বৰ এটা বিভাগ ৰূপে বিবেচনা কৰা হৈছিল। দয়াকৃষ্ণৰ অভিমতত বৈদান্তিক দৰ্শনে কিছু দূৰত্বলৈ কাৰোবাক নিশ্চিত প্ৰত্যয় জন্মাব পাৰে যে বিষয়টোৰ পাশ্চাত্য ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা কৃত বৈশিষ্ট্য প্ৰদানত বাস্তৱ সত্যতা আছে। কিন্তু প্ৰশ্নটো হ'ল "ই ভাৰতীয় দৰ্শনৰ এক সম্পূৰ্ণ ছৱি হয়নে? (Daya Krishna, Indian Philosophy : A Counter Perspective. Published by Sri Satguru Publication, Indian Book Centre, Delhi. 2006. P.1) মনত এই পটভূমি লৈ দয়াকৃষ্ণই ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণাক ব্যাখ্যা কৰিছে।

১৪.৪.১ জীৱন চৰিত

দয়াকৃষ্ণ (১৯২৪-২০০৯) আছিল এজন প্ৰখ্যাত সংশয়বাদী ভাৰতীয় দাৰ্শনিক। তেওঁ এটা সময়ত ৰাজস্থান বিশ্ববিদ্যালয়ৰ প্ৰতি উপাচাৰ্য্য আছিল আৰু তিনি দশক যুৰি ভাৰতীয় দাৰ্শনিক গৱেষণা পৰিষদ (Indian Council of Philosophical Research, JICPR)ৰ সাময়িক পত্ৰিকাৰ সম্পাদক আছিল। তেওঁ ভাৰতীয় দৰ্শন, পাশ্চাত্য দৰ্শন আৰু সৌন্দৰ্য্যবিজ্ঞানৰ ক্ষেত্ৰত লেখনিসমূহ প্ৰকাশ কৰিছিল। 'The Nature of Philosophy' —

ৰূপে প্ৰকাশিত হোৱা তেওঁৰ গৱেষণামূলক প্ৰবন্ধটি বৃটিছ দাৰ্শনিক গিলবাৰ্ট ৰাইলৰ দ্বাৰা এক উৎকৃষ্ট কৰ্ম হিচাপে প্ৰশংসিত হৈছে বুলি কোৱা হয়। তেওঁৰ কৰ্ম বা লেখনিয়ে ভাৰতীয় ধাৰণা আৰু প্ৰবৰ্গৰ পৰা নিঃসৃত উৎসসমূহৰ জৰিয়তে ভাৰতীয় পৰম্পৰাক চোৱাৰ সম্ভাৱনাক অনুসন্ধান কৰিছে। বিশেষকৈ আধ্যাত্মিকতাৰ নিৰ্বিচাৰবাদী গ্ৰহণযোগ্যতা নাইবা অতি বেছি স্ব-ধৰ্মপৰায়ণ বৈশিষ্ট্যৰ বাবে পাশ্চাত্যৰ পৰা কিছু পৃথক হিচাপে ভাৰতীয় দৰ্শনক গ্ৰহণ কৰিবলৈ তেওঁ প্ৰস্তুত নাছিল। ইয়াৰ স্থানত, তেওঁ ক'বলৈ বিচাৰিছিল যে ইয়াৰ প্ৰকৃত ছবি, ই কি হিচাপে দৃশ্যমান হয় তাৰ পৰা পৃথক সেই কাৰণেই ভাৰতীয় দাৰ্শনিক পৰম্পৰাৰ বিধিগত ঘটনাৰ বিষয় সম্পৰ্কে তেওঁ অতি বেছি সংশয়বাদী আছিল।

১৪.৪.২ দৰ্শন

দয়াকৃষ্ণৰ দৰ্শনে প্ৰধানতঃ পৰম্পৰাগত ভাৰতীয় দৰ্শনৰ প্ৰভাৱশালী ঐতিহ্যবাদী ব্যাখ্যাৰ সৃজনাত্মক সমালোচনাক নিৰ্দেশ কৰে। তেওঁ দুটা সাধাৰণ ধাৰণাক প্ৰশ্ন কৰিছে যেনে — ভাৰতীয় দৰ্শন "আধ্যাত্মিক" আৰু ই যে মূখ্যতঃ "মোক্ষ" (Liberalion) ৰ সৈতে জড়িত। এই দাৰ্শনিক অভিগমণৰ কাৰণে দয়াকৃষ্ণ এজন সংশয়বাদী দাৰ্শনিক ৰূপে জনাজাত আছিল। দয়াকৃষ্ণ, ভাৰতীয় সংশয়বাদী দাৰ্শনিক, য়ে কয় বহু কম লোকে এই সত্য বা তথ্যত বিতৰ্ক কৰিব যে ভাৰতীয় দৰ্শনৰ ওপৰত বেছিভাগ গ্ৰন্থই অচল বা পুৰণি। তথাপিও, এইসমূহ গ্ৰন্থকেই সদায় ভাৰতীয় দৰ্শন হয় কি তাক শিকাৱলৈ সমগ্ৰ পৃথিৱীতে ব্যৱহাৰ হৈ আহিছে আৰু এনেদৰেই যুগ যুগ ধৰি অব্যাহত হৈ আছে। বহুতো গুৰুত্বপূৰ্ণ আৰু নতুন তথ্য পুঞ্জীভূত হৈছে, যিবোৰৰ দাৰ্শনিক সমস্যাৰ চাৰিওফালে এক আন্তৰসম্পৰ্কিত ব্যৱহাৰত সংপৃক্ত আৰু সংগঠিত হোৱাৰ প্ৰয়োজন আছে যিবোৰ চিন্তাবিদসকলৰ উত্তৰ পুৰুষৰ দ্বাৰা নথিভুক্ত ইতিহাসৰ অন্তত তিনি সহস্ৰাব্দৰ পৰা জড়িত হৈ আছে।

১৪.৪.৩ সংশয়বাদ

সংশয়বাদৰ সংজ্ঞা সাধাৰণতে এটা সাধাৰণ বস্তু অথবা এটা বিশেষ বস্তুত কৰা এক সংশয়ৰ মনোবাৱ নাইবা এক অবিশ্বাসৰ স্বভাৱ হিচাপে দিয়া হয়; ই এক মতবাদ, যিয়ে সাব্যস্ত কৰে যে সত্য জ্ঞান নাইবা কেতবোৰ বিশেষ জ্ঞান অনিশ্চিত বা সন্দিগ্ধ নাইবা অন্তিম নহয় (Merriam Webster)। দয়াকৃষ্ণক এজন সংশয়বাদী ভাৰতীয় দাৰ্শনিক ৰূপে মনোনিত কৰা হয়, কাৰণ পৃথিৱীৰ চাৰিওফালে ভাৰতীয় দৰ্শনৰ বিষয়ে প্ৰথাগতভাৱে যি কোৱা হৈছে, তাক তেওঁ গ্ৰহণ কৰিবলৈ প্ৰস্তুত নাছিল। ইয়াৰ ঠাইত তেওঁ কৈছিল ইয়াৰ প্ৰকৃত ছবিখন বিচাৰি উলিয়াবলৈ অধিক গৱেষণাৰ থল আছে। তেওঁ কৈছিল, ভাৰতীয় দৰ্শনক কোনো স্ব-ধৰ্মপৰায়ণ বা আধ্যাত্মিক আৰু ধৰ্মীয় নোহোৱাকৈ পাশ্চাত্যৰ লেখিয়া বিশুদ্ধ বৌদ্ধিক চিন্তাধাৰা ৰূপে আৱিষ্কাৰ কৰিব পৰা যায়। এই উদ্দেশ্যৰ হেতু, দয়াকৃষ্ণৰ মতে, ভাৰতীয় দৰ্শনৰ অস্তিত্বশীল মতামত সমূহক পৰীক্ষা-নিৰীক্ষাৰ অবিহনে গ্ৰহণ কৰাটো অন্যায় হ'ব।

১৪.৫ ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণা

'ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণা'— বাকাংশই কেতিয়াবা আমাক পুৰুষাৰ্থৰ প্ৰসঙ্গঁত ত্ৰিবৰ্গ কেন্দ্ৰিক মতামতক মনত পেলায়, কিন্তু ইয়াত দয়াকৃষ্ণৰ আলোচনাত বিষয়টো বেলেগ। ইয়াত তেওঁ ভাৰতীয় দৰ্শনৰ বিষয়ে তিনিটা প্ৰথাগত গ্ৰহণযোগ্যতাক পৰীক্ষা কৰিছে আৰু ভাৰতীয় দৰ্শনৰ বিষয়সূচীৰ সৈতে এই তিনিওটা গ্ৰহণযোগ্যতা সচাঁকৈয়ে পুঞ্জীভূত হয় নে নহয়, তাক পৰীক্ষা কৰিছে। এই উদ্দেশ্যে তেওঁ প্ৰথমে প্ৰথম দুটা ধাৰণাৰ পৰা আৰম্ভ কৰিছে। অৰ্থাৎ,

- প্ৰথমতে, ভাৰতীয় দৰ্শনৰ প্ৰায় সকলো সম্প্ৰদায়ে মোক্ষক লক্ষ্য হিচাপে গ্ৰহণ কৰিছে।
- দ্বিতীয়তে, তপস্যা অৰ্থাৎ সাধনা হৈছে এই লক্ষ্যৰ উপায়। কিন্তু তেওঁ বিচাৰি পায় যে প্ৰথম দুটা ধাৰণা বাদানুবাদৰ উৰ্দ্ধত নহয় আৰু সম্ভৱতঃ ই সঠিক প্ৰমাণৰ লগতে ন্যায্যতাৰ পৰাও বঞ্চিত হৈছে অথবা বিশ্বব্যাপী জগতৰ সন্মুখত ই ভাৰতীয় দৰ্শনৰ প্ৰকৃত ছবিৰ প্ৰতিনিধিত্ব কৰিব পৰা নাই। ইয়াত দয়াকৃষ্ণৰ মতে — তৃতীয় ধাৰণাটোৰ প্ৰসঙ্গঁৰ উদয় হয়।
- তৃতীয় ধাৰণাটোৰ মতে ভাৰতীয় দৰ্শন পাশ্চাত্য দৰ্শনৰ দৰে সঠিক বা যথাযথ দৰ্শন। ই মূলতঃ আধ্যাত্মিকতাৰ লগত জড়িত আন কিবা নহয়। মোক্ষৰ সৈতে ইয়াৰ কৰিব লগা একো নাই, কিয়নো, ই অভিযোগেৰে বৰ্ণিত, যি হৈছে প্ৰকৃত অৱস্থাৰ সম্পূৰ্ণ ভুল বুজা-বুজিৰ পৰিনাম। এনে ধৰণৰ অভিযোগক সহজতৰ কৰা হয় প্ৰধানকৈ বিষয়টোৰ ওপৰত লেখকৰ পাছত লেখকৰ হস্তান্তৰৰ দ্বাৰা হোৱা দাবীৰ অসমালোচনাত্মক গ্ৰহণযোগ্যতাৰ দ্বাৰা।

সেইবাবে সূত্ৰপাতত এইবোৰক দয়াকৃষ্ণৰ আলোচনাত ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণা বুলি ক'ব পাৰি। এই প্ৰসঙ্গঁক দয়াকৃষ্ণই বিভিন্ন ন্যায্যতা আৰু যুক্তি আগবঢ়াইছে। তেওঁ মতত জগতৰ চাৰিওফালে ভাৰতীয় দৰ্শনৰ বিষয়ে ছাঁপৰ এক প্ৰভাৱশালী দিশ হৈছে যে ইয়াৰ এক প্ৰত্নতাত্বিকৰ মনোযোগ এক শৃঙ্খলা আছিল, যি আনকি ভাৰতীয় প্ৰপঞ্চত ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ লগতে দাৰ্শনিক বাতাবৰণৰ সৈতে প্ৰাসঙ্গিঁক অথবা সবহৰ্তী নাছিল। প্ৰথম দৃষ্টিতে, দয়াকৃষ্ণই দুটা সাধাৰণ ধাৰণাৰ ওপৰত প্ৰশ্ন কৰিছে যে ভাৰতীয় দৰ্শন 'আধ্যাত্মিক' আৰু ই যে প্ৰধানকৈ 'মোক্ষ' (Liberation) ৰ লগত জড়িত। উদাহৰণ স্বৰূপে— দাৰ্শনিকসকলে জ্ঞানবিজ্ঞান কি বোলে, অৰ্থাৎ জ্ঞানৰ উপায় সম্পৰ্কে ন্যায় দৰ্শনৰ ক'বলৈ বহুত আছে, কিন্তু সেইসকল লোকৰ প্ৰতি উচ্ছৰ্গা কৰিবলৈ কম আছে। যিসকল মোক্ষ বা মুক্তিৰ বাবে আগ্ৰহী।

আগতে উল্লেখ কৰাৰ দৰে প্ৰথাগতভাৱে ভাৰতীয় দৰ্শনক প্ৰধানকৈ দুটা শীৰ্ষত ভাগ কৰা হৈছে — আস্তিক আৰু নাস্তিক। যিবোৰক আগলৈ ছয়টা আৰু তিনিটা, উপভাগত ক্ৰমাগতভাৱে বিভক্ত কৰা হৈছে। কিন্তু এই বিভাজনৰ আদৰ্শ আৰু সত্যতাৰ ওপৰত সংশয়ৰ উদয় হয়। এক সাধাৰণ সংঘবদ্ধ অধ্যয়নৰ পৰা এই কথা বুজিব পৰা যায় যে সকলোবোৰ সম্প্ৰদায়ৰে বেলেগ বেলেগ অধ্যয়নৰ বিষয় আছে। এতিয়া প্ৰাকল্পিক প্ৰশ্নটো হৈছে যে সকলোবোৰ ভিন্ন সমস্যা কিদৰে আধ্যাত্মিক মুক্তিৰ একক বিষয়ৰ লগত জড়িত বা সম্পৰ্কযুক্ত হয়, যিবোৰক মুখ্যবিষয় হ'বলৈ সাধাৰণতে দৃষ্টিগোচৰ হোৱা সাধাৰণ অনুজ্ঞাৰ দ্বাৰা ধাৰণা কৰা হয়। দয়াকৃষ্ণৰ ব্যাখ্যাত এই প্ৰশ্নটোৰ উত্তৰৰ এটা দিশ হৈছে যে বেছিভাগ ভাৰতীয় দাৰ্শনিকৰ দ্বাৰা এই সমস্যাটোৰ বিষয়ে অনুভৱ কৰা হোৱা

নাছিল। কাৰণ, মুক্তিয়েই লক্ষ্য বুলি দাবী কৰাৰ পাছত প্ৰত্যেক লেখকে আন এক সমস্যাৰ পিনে আগবাঢ়িছে, যেনে সেই দাবী তেওঁলোকে পাহৰি গৈছিল নতুবা সেই দাবী মুঠতে গঠনেই হোৱা নাছিল।

১৪.৫.১ কার্ল প'টাৰৰ মতামত

এতিয়া প্ৰশ্ন হয় এজনো চিন্তাবিদ নাইনে? যিয়ে মোক্ষৰ লগত অন্যান্য বিভিন্ন চিন্তাবোৰৰ মাজৰ সম্পৰ্কৰ ওপৰত প্ৰতিফলিত কৰিবলৈ চেষ্টা কৰা নাছিল। দয়াকৃষ্ণৰ মতামতত এই সন্দৰ্ভত কার্ল প'টাৰৰ স্থিতিক গ্ৰহণ কৰিব পাৰি। তেওঁৰ মতে কার্ল প'টাৰকে প্ৰথম ব্যক্তি ৰূপে স্বীকাৰ কৰিব পৰা যায়। যিয়ে মোক্ষৰ লগত ভাৰতীয় দৰ্শন জড়িত হ'ব পাৰে বুলি কৰা দাবীক গম্ভীৰভাৱে গ্ৰহণ কৰিবলৈ চেষ্টা কৰিছিল। প'টাৰৰ স্থিতিয়ে মূলতঃ এই সমস্যাৰ ওপৰত ধ্যান দিয়ে যে ভাৰতীয় দৰ্শনৰ অৱভাসিক ধাৰণাগত আৰু তত্বীয় বিষয়বোৰক কিদৰে ইয়াৰ সাম্ভাব্য ও প্ৰচাৰিত প্ৰকৃত বিষয়ৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰি? প'টাৰে তেওঁৰ আলোচনাত ভাৰতীয় দৰ্শনৰ বিভিন্ন কাল্পনিক মতামতসমূহক কেনেকৈ ন্যায্যতা প্ৰদান কৰিব পাৰি তাৰ চেষ্টা কৰিছিল। যাক তথাকথিত প্ৰাথমিক আৰু মুখ্য বিষয় (মোক্ষ)ক স্থায়ী কৰিব পৰাৰ সৈতে বিৰুদ্ধ হোৱা যেন বোধ হয়। এই প্ৰসঙ্গঁত তেওঁ কৈছিল, ভাৰতীয় পৰম্পৰাত কাল্পনিক দৰ্শনৰ প্ৰয়োজনীয়তা প্ৰধানকৈ সংশয়ৰ লগত সাক্ষাৎ কৰিবলৈ উদয় হয়, যিয়ে মোক্ষৰ পথ বা উপায়ক স্থাপন কৰিব পাৰে।

ইতিমধ্যে কোৱাৰ দৰে প'টাৰৰ মতে বিভিন্ন দিশৰ কাল্পনিক দৰ্শন ভাৰতত উদয় হয় সংশয় সাক্ষাৎ কৰিবৰ প্ৰয়োজনীয়তাৰ বাবে যি মোক্ষৰ পথত বাধা হ'ব পাৰে। মোক্ষৰ পথত সংশয়বাদ আৰু অদৃষ্টবাদ (Fatalism) প্ৰধান হেঁঙাৰ হ'ব পাৰে আৰু ভাৰতত কাল্পনিক দৰ্শনে এই দুয়োৰে বিপক্ষে যুঁজ কৰিব পাৰে। যদিও প'টাৰে পোণপটীয়া ভাৱে কোৱা নাছিল, তথাপি এই প্ৰসঙ্গঁত তেওঁৰ দার্শনিক দৃষ্টিভঙ্গীয়ে নির্দ্দেশ কৰে যে সমগ্ৰ ভাৰতীয় দার্শনিক আলোচনা সংশয়বাদ আৰু অদৃষ্টবাদৰ সৈতে কেৱল বিবাদত লিপ্ত আৰু মোক্ষৰ সাধনাত সিহঁতে কৰা হস্তক্ষেপৰ দ্বাৰা সীমাবদ্ধ হৈ পৰে। অন্য কথাত, প'টাৰৰ মতে ভাৰতত দর্শনক বৌদ্ধিক অসুবিধা বা কঠিনতাৰ সৈতে সাক্ষাৎ কৰিবলৈ লোৱা প্ৰয়াসত উদয় হয় বুলি ধাৰণা কৰা হয়, যিয়ে এজন ব্যক্তিক মোক্ষ সাধনাৰ পথত বাধা দিব পাৰে।

ইয়াত প'টাৰে সংশয়বাদ আৰু অদৃষ্টবাদক মোক্ষ লাভৰ পথত কেৱল দুটা হেঁঙাৰ হিচাপে গ্ৰহণ কৰি নিজকে সীমাবদ্ধ কৰিছে। দয়াকৃষ্ণই এই মতামতক সংশোধিত কৰিছিল আৰু কৈছিল যে কেৱল এই দুটাই নহয়, যিকোনো বৌদ্ধিক কঠিনতা, যিয়ে সম্ভাৱনামূলক ভাৱে এজন ব্যক্তিক মোক্ষৰ প্ৰতি পথ বা উপায়ক নিযুক্ত কৰাৰ পৰা বাধা দিব পাৰে, সিয়ে দর্শনৰ সৃষ্টি। ইয়াৰ লগত যোগ কৰি দয়াকৃষ্ণ ক'বলৈ চেষ্টা কৰিছিল যে প্ৰকৃতাৰ্থত ভাৰতীয় পৰিপ্ৰেক্ষিতত দর্শনৰ উদ্ভৱ মোক্ষৰ পথৰ বাবে বৌদ্ধিক কঠিনতাসমূহৰ মুখামুখী হ'বলৈ হোৱা নাছিল কাৰণ, এইবোৰ কঠিনতা এনেধৰণৰ এক অদমনীয় স্বভাৱ যে ই মোক্ষৰ বাবে পথ বা উপায় প্ৰদান নকৰিব। এইটো কাৰণতেই ই আটাইতকৈ বেছি ভাল হ'ব যে যদিহে কঠিনতাসমূহৰ মুঠতে উদয় নহওঁক। দর্শনৰ প্ৰধান কাম হৈছে আমাৰ জীৱনৰ লগত জড়িত যিকোনো প্ৰকাৰৰ সমস্যা বা কঠিনতাক নাইকীয়া কৰা। এইটো উদ্দেশ্য (বৌদ্ধিক সমস্যাৰ অপসাৰণ) কেৱল মোক্ষৰ সৈতে অনিবার্য্যভাৱে সম্পৰ্কযুক্ত নহয়।

যদি প'টাৰৰ দৃষ্টিকোণ সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য হয়, তেন্তে ভাৰতীয় দর্শনত ই এক বিপৰীত ব্যাপাৰ হ'ব। কাৰণ ইয়াত এইটো স্বীকাৰ কৰা হৈছে যে বিশিষ্ট ভাৰতীয় দার্শনিকসকল এনেকুৱা ব্যক্তি নাছিল যে যিসকলৰ

মোক্ষৰ সন্ধান নাইবা প্ৰাপ্তি স্পষ্টভাৱে তেওঁলোকৰ বৌদ্ধিক সমস্যাবোৰৰ দ্বাৰা বাধিত হয়। ইয়াৰ পৰিবৰ্তে তেওঁলোকৰ মাজৰ নেতাসকলে সদায় এনে ব্যক্তি হ'বলৈ চিন্তা কৰিছিল। যিয়ে ইতিমধ্যে মোক্ষ প্ৰাপ্ত কৰিছে। উদাহৰণস্বৰূপে— শঙ্কৰ আৰু ৰামানুজ বিশিষ্ট ব্যক্তিত্বৰ গৰাকী আছিল, যিয়ে ইতিমধ্যে মোক্ষ প্ৰাপ্তি কৰিছে আৰু এতিয়াও তেওঁলোকে দৰ্শনৰ প্ৰতি নিজকে উদসৰ্গীকৃত কৰিছে। তেওঁলোকৰ দাৰ্শনিক চিন্তাধাৰা বৌদ্ধিক সংশয়ৰ অপসাৰণৰ লগত জড়িত নাছিল, যিয়ে মোক্ষ প্ৰাপ্তিৰ পথত তেওঁলোকক বাধা প্ৰদান কৰিছিল। ইয়াত এই কথা ক'ব পৰা যায় যে ভাৰতীয় দাৰ্শনিক পৰম্পৰাত বেছিভাগ দাৰ্শনিকে মোক্ষ প্ৰাপ্তিৰ পাছতহে তেওঁলোকৰ দাৰ্শনিক কৰ্মৰাজিৰ সৃষ্টি কৰিছিল। যদি প'টাৰ মতামত শুদ্ধ আছিল (অৰ্থাৎ, ভাৰতত কাল্পনিক দৰ্শনৰ সৃষ্টি হয় সংশয় সাক্ষাতৰ প্ৰয়োজনীয়তাৰ হেতু, যিয়ে মোক্ষলাভৰ পথত হেঁঙাৰ ৰূপে থিয় দিয়ে), তেন্তে এনেধৰণৰ কাম (অৰ্থাৎ দাৰ্শনিক আলোচনাৰ সকলো ভিন্ন প্ৰকাৰ)ত ব্যস্ত হোৱাৰ কোনো কাৰণ নাই, কেৱল ইয়াৰ বাদে যে সম্ভৱ বৌদ্ধিক সংশয়ৰ অপসাৰণৰ বাবে যি তেওঁলোকৰ শিষ্যসকলৰ একে লক্ষ্য (মোক্ষ)ৰ সন্ধানৰ পথত থিয় হৈ থাকে।

দয়াকৃষ্ণৰ মতামতত মোক্ষ হৈছে ভাৰতীয় দাৰ্শনিক আলোচনাৰ এক নিৰ্দিষ্ট লক্ষ্য কিন্তু ই একমাত্ৰ লক্ষ্য নহয়, যি ভাৰতত সকলো প্ৰকাৰৰ দাৰ্শনিক আলোচনাৰ লক্ষ্য। প্ৰাৰম্ভিক দুখবাদ আৰু চূড়ান্ত আশাবাদ (মোক্ষ) নিশ্চিতভাৱে ভাৰতীয় দৰ্শনৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যবোৰৰ এটা। কিন্তু ইয়াত কেৱল বৌদ্ধিক সমস্যাক সম্বোদ্ধন কৰিবলৈ দৰ্শনৰ উদ্ভৱ হোৱা নাই যি মোক্ষ প্ৰাপ্তিৰ পথত বাধা ৰূপে আহে। পৃথিৱীৰ চাৰিওফালে অন্যান্য সকলো দাৰ্শনিক সম্প্ৰদায়ৰ দৰে ভাৰততো দৰ্শনে সামগ্ৰিক ৰূপে জীৱন আৰু জগতৰ লগত সম্পৰ্কিত বিষয় বা সমস্যাৰ বিভিন্নতাৰ লগত জড়িত হ'ব লাগে। আকৌ, বিভিন্ন ভাৰতীয় সম্প্ৰদায়ৰ মাজত থকা পাৰ্থক্যবোৰ 'মোক্ষ' সম্পৰ্কে তেওঁলোকৰ নিজ নিজ ধাৰণাবোৰত নিহিত নাথাকে, যিহেতু ইয়াক অভিযুক্ত কৰা হৈছে। অধিবিজ্ঞানমূলক আৰু জ্ঞানবিজ্ঞানমূলক বিষয়ৰ লগতে নৈতিক বিষয়সমূহত তেওঁলোকৰ মাজত মতৰ অমিল থকা দেখা যায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ 'আস্তিক দৰ্শন'ৰ অৰ্থ কি? আস্তিক দৰ্শনসমূহ কি কি?

প্ৰশ্ন ২ ঃ 'নাস্তিক দৰ্শন'ৰ অৰ্থ কি? নাস্তিক সম্প্ৰদায়বোৰ কি কি?

প্ৰশ্ন ৩ ঃ পুৰুষাৰ্থ কি? পুৰুষাৰ্থৰ ত্ৰিবৰ্গ কেন্দ্ৰিক মতৰ অৰ্থটো প্ৰকাশ কৰক।

প্ৰশ্ন ৪ ঃ দয়াকৃষ্ণ কোন?

প্ৰশ্ন ৫ ঃ সংশয়বাদ কি?

প্ৰশ্ন ৬ ঃ দয়াকৃষ্ণক কিয় সংশয়বাদী ভাৰতীয় দাৰ্শনিক আখ্যা দিয়া হৈছিল?

প্ৰশ্ন ৭ ঃ মোক্ষ সম্পৰ্কে কাৰ্ল প'টাৰৰ মতামতটো কি?

১৪.৫.২ কে. চি. ভট্টাচাৰ্য্যৰ মতামত

দয়াকৃষ্ণৰ মতে ভাৰতীয় দৰ্শনৰ দ্বিতীয় ধাৰণাটোক ভালদৰে সন্ধান কৰিব পৰা যায়। ভাৰতীয় দৰ্শনৰ ওপৰত কে. চি. ভট্টাচাৰ্য্যৰ লিখনিসমূহত। ইয়াত কোৱা হয় ভাৰতীয় দৰ্শন তাৰ এক উল্লেখযোগ্য প্ৰতিৰূপ, যাক

ব্যৱহাৰিকভাৱে উপলব্ধি নাইবা প্ৰমাণিত কৰা হয়, তেতিয়া তাক কোৱা হয় সাধনা (Sadhana) নাইবা যোগ (Yaga)। সৰল ভাষাত, মোক্ষ প্ৰাপ্ত হোৱাৰ অন্তৰ্জাত সম্ভাৱনা আমাৰ আছে আৰু ইয়াক লাভ কৰিব পৰা যায় সাধনা নাইবা যোগৰ জৰিয়তে। এই সচেতনতা অকলে দাৰ্শনিক প্ৰতিবিম্বৰ পৰা নিঃসৃত হয়। ই নিৰ্দ্দেশ কৰে যে ই হৈছে দাৰ্শনিক প্ৰতিবিম্ব, যাৰ হেতু মানুহ তেওঁৰ সত্তাৰ কেৱল আন্তৰিক সত্যতা ৰূপে মোক্ষৰ প্ৰতি সচেতন হৈ পৰে; যাৰ উপলব্ধিৰ অবিহনে তেওঁ সদায় অৱশ্যাম্ভীভাৱে অজ্ঞ আৰু অসম্পূৰ্ণ হৈ ৰয়। সেয়েহে কে. চি. ভট্টাচাৰ্য্যৰ ব্যাখ্যাত দৰ্শনও আধ্যাত্মিক মুক্তিৰ এক অনিবাৰ্য্য আৰু অবিচ্ছেদ্য প্ৰাথমিকতা, যাক সাধনাৰ জৰিয়তে প্ৰাপ্ত কৰিব পাৰি।

এই আলোচনাখিনিলৈকে এই কথা পৰিষ্কাৰ হোৱা যেন বোধ হয় যে ভাৰতীয় দৰ্শন অখণ্ডভাৱে মোক্ষৰ সৈতে সম্পৰ্কযুক্ত, যদিও ই তাৰ একমাত্ৰ উদ্বেগ নহয়। ইয়াত কে. চি. ভট্টাচাৰ্য্যৰ আলোচনাত সাধনাৰ অন্তৰ্ভুক্তিৰ হেতু প'টাৰৰ আলোচনাতকৈ ই খুব সম্ভৱ স্পষ্ট। প্ৰথম ধাৰণাত মোক্ষৰ সচেতনতা সাপেক্ষ বা অনিশ্চিত। আনহাতে, ভাৰতীয় দৰ্শনৰ দ্বিতীয় ধাৰণাত দৰ্শন আৰু মোক্ষৰ সম্বন্ধক কেৱল অখণ্ডই নহয়, বৰঞ্চ সদৰ্থক বৈশিষ্ট্য ৰূপেও দেখা যায়। দাৰ্শনিক প্ৰতিবিম্বৰ অবিহনে ইয়াক সাব্যস্ত কৰা হৈছে যে মানুহ সেইবোৰ সম্ভাৱনা নাইবা তাতকৈ তেওঁৰ নিজৰ সত্বাৰ সত্যতাৰ প্ৰতি সচেতন হৈ নপৰিব, যাৰ উপলব্ধিয়ে এজন লোকক অকলেই মোক্ষ প্ৰদান কৰে। এই দ্বিতীয় ধাৰণাটোত দৰ্শনক এক তাত্ত্বিক শৃঙ্খলৰ লগত তুলনা কৰিব পৰা যায়, যাৰ ধাৰণামূলক নাইবা তত্ত্বমূলকভাৱে আবিষ্কৃত সত্যতাক ব্যৱহাৰিক প্ৰয়োগৰ এক প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰমাণিত কৰা হয় আৰু এই প্ৰক্ৰিয়াবোৰক ভাৰতত প্ৰথাগতভাৱে সাধনা (Practice of Yoga) বুলি জনা যায়। ভট্টাচাৰ্য্যৰ এই স্থিতিক অলপ বেলেগ উপায়েৰেও উপলব্ধি কৰিব পৰা যায়; অৰ্থাৎ, ই জীৱন যাত্ৰাৰ এক শিল্পৰ দৰে, য'ত কিবা এটাক তাত্ত্বিৰ ভাৱে হয় কল্পনাৰ দ্বাৰা নহয় স্বজ্ঞাৰ দ্বাৰা অথবা আনকি সঠিক যুক্তিসঙ্গঁত প্ৰক্ৰিয়াৰ দ্বাৰা বুজিব পৰা যায় আৰু তেতিয়াহে মুৰ্ত্ত সত্যতাত ৰূপায়িত বা বাস্তৱতাত পৰিণত হ'ব। দয়াকৃষ্ণৰ মতে, এই ব্যাখ্যাত দাৰ্শনিক প্ৰতিবিম্বই মানুহক তেওঁৰ গভীৰ গুণসম্পন্ন সম্ভাৱনাৰ সচেতনতা লাভ কৰিবলৈ মাৰ্গ দৰ্শন কৰে আৰু আধ্যাত্মিক শৃংখলা অৰ্থাৎ পৰম্পৰাগত অৰ্থত সাধনাৰ দ্বাৰা ইয়াক বাস্তৱায়িত শৰীৰি নাইবা মুৰ্ত্ত আকাৰ প্ৰদান কৰিব পৰা যায়।

ইয়াক উল্লেখ কৰাটো লক্ষনীয় যে ভট্টাচাৰ্য্যই কেতিয়াও স্পষ্টভাৱে বিষয়টোৰ ওপৰত লিখা নাছিল, এই কাৰণতেই ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়বোৰত তেওঁ কৰা অভিগমনৰ পথত সকলো পৰিৱৰ্ত্তনশীল ব্যাখ্যা অৰ্দ্ধ গোপন অৱস্থাত থাকে। সেই কাৰণে ইয়াত বিকল্পৰ সম্ভাৱনা থাকিব পাৰে। প্ৰথমে, দাৰ্শনিক প্ৰতিবিম্বৰ দৰে ই নিশ্চিত মূৰ্ত্ত সত্যতাৰ তাত্ত্বিক সচেতনতালৈ মাৰ্গ দৰ্শন কৰিব পাৰে বুলি ধৰিব পৰা যায়, যাৰ প্ৰকৃত প্ৰমানিকৰণ সম্ভৱ হয় আধ্যাত্মিক সাধনাৰ এক প্ৰক্ৰিয়াৰ জৰিয়তে। দ্বিতীয়তে, জগতৰ অৱাস্তৱিকতাৰ সচেতনাৰ প্ৰতি মাৰ্গ দৰ্শন কৰায় হিচাপে ইয়াক গ্ৰহণ কৰিব পৰা যায়। তৃতীয়তে ইয়াক গ্ৰহণ কৰিব পাৰি এজন মানুহৰ সত্তাৰ প্ৰাকৃতিক আৰু আদৰ্শ উভয় অৱস্থা ৰূপে সম্পূৰ্ণ আৰু পৰম স্বতন্ত্ৰতাৰ সচেতনাৰ মাৰ্গ দৰ্শন কৰিবলৈ, যাক তেতিয়া এই লক্ষ্যত উপনীত হোৱাৰ প্ৰতিশ্ৰুতিৰে দৃশ্যমান যি কোনো আৰু প্ৰত্যেক প্ৰক্ৰিয়াৰ জড়িয়তে উপলব্ধি কৰাৰ প্ৰচেষ্টা কৰা হয়। চতুৰ্থতে, ইয়াক এজন মানুহৰ সত্তাৰ নিশ্চিত চৰম আদৰ্শ মূল্যনিৰ্ণয়ৰ সম্ভাৱনাবোৰৰ সচেতনতাৰ প্ৰতি মাৰ্গদৰ্শন কৰোৱা হিচাপে গ্ৰহণ কৰিব পৰা যায়। দয়াকৃষ্ণই কয়, তৃতীয়টোৱে হৈছে একমাত্ৰ মত, য'ত এজন ব্যক্তি সম্পূৰ্ণ আৰু পৰম স্বতন্ত্ৰতাৰ সৈতে জড়িত, যিয়ে ইয়াৰ বিশেষভাৱে মোক্ষৰ লগত সম্বন্ধিত কৰে।

১৪.৬ দয়াকৃষ্ণৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা পৰ্য্যবেক্ষণ

ইয়াত দয়াকৃষ্ণৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা সাম্ভাব্য পৰ্য্যবেক্ষণ হ'ল যদিহে ভাৰতত দৰ্শন সাধনাৰ জৰিয়তে মোক্ষৰ লগত কেৱল সম্বন্ধীত হয়, তেন্তে ভাৰতীয় দৰ্শনৰ এক চুটি ——থাকিলেহেতেন। কাৰণ দাৰ্শনিক প্ৰতিবিম্বৰ দ্বাৰা যেতিয়া এবাৰ ইয়াৰ পূৰ্ণ প্ৰকাশ ঘটে, ই মানৱ সচেতনাত সকলো সময়তে ৰৈ যায়। অন্য কথাত, এবাৰ মোক্ষৰ সম্ভাৱনা দাৰ্শনিক প্ৰতিবিম্বৰ দ্বাৰা কৰায়ত্ত হয়, সন্ধানৰ বাবে আৰু তাত একো নাথাকিব। প্ৰত্যেক মানুহৰ বাবে থাকি যায় কেৱল এটাই কাম তেওঁৰ জীৱনত ইয়াক উপলব্ধি কৰা। দ্বিতীয় পৰ্য্যবেক্ষণ হৈছে মোক্ষ আৰু সাধনাৰ ধাৰণা দুটাক কেনেকৈ পুনৰ্মিলিত কৰিব পাৰি, যিহেতু ইয়াত কালানুক্ৰমিক অন্তৰ থাকে। উপনিষদ আৰু বৌদ্ধ দৰ্শনৰ সময়ৰ পৰাই ভাৰতত মানুহৰ বাবে সৰ্বশ্ৰেষ্ঠ আদৰ্শ হিচাপে মোক্ষৰ ধাৰণাক গ্ৰহণ কৰা হৈছিল। আনহাতে, দাৰ্শনিক প্ৰতিবিম্বক প্ৰায় খ্ৰীষ্টীয় ১৭ নাইবা ১৮ শতিকালৈকে সৃজনশীল ৰূপে চলি আছিল বুলি ধৰা হয়। দয়াকৃষ্ণৰ মতে, দুয়োটা ধাৰণা অৰ্থাৎ কাল প'টাৰৰ দ্বাৰা প্ৰতিপাদিত মোক্ষৰ গ্ৰহণযোগ্যতা আৰু সাধনা সম্পৰ্কে ভট্টাচাৰ্য্যৰ মতামত অপ্ৰয়োজনীয় আৰু অপৰ্য্যপ্ত।

দয়াকৃষ্ণৰ মতামত আন পৰম্পৰা (অৰ্থাৎ পাশ্চাত্য আদি) ৰ দৰে ভাৰতীয় আধ্যাত্মিক পৰম্পৰায়েও মোক্ষৰ অনুসন্ধানত দৰ্শনৰ অনিবাৰ্য্য অপ্ৰাসঙ্গিঁকতাক নিৰ্দ্দেশ কৰে। এইটো যদি স্বীকাৰ কৰা হয় যে কিছু সময়ৰ বাবে উপনীষদয় দৰ্শনে দাৰ্শনিক প্ৰতিবিম্বৰ জৰিয়তে মোক্ষৰ সম্ভাৱনাক জানিব পাৰে তেন্তে অতি সোনকালে ইয়াক উপলব্ধি কৰিব পাৰি যে ই লক্ষ্য (মোক্ষ্য) প্ৰাপ্তিক সহায় কৰাৰ পৰিৱৰ্ত্তে এক বাধাহে হৈ পৰিব। প'টাৰ আৰু কে,চি. ভট্টাচাৰ্য্যৰ স্থিতিৰ পৰাও সংশ্লিষ্ট বিষয়ৰ ওপৰত সংশয় বৃদ্ধি কৰাৰ বাহিৰে একো বিচাৰি পোৱা নাযায়। ইয়াত দয়াকৃষ্ণৰ স্থিতি মোক্ষৰ পথত উদয় হোৱা সংশয়ৰ বৌদ্ধিক অপসাৰণৰ পৰিবৰ্ত্তে, একেটা কামৰ বাবে অভ্যন্তৰত স্থাপিত বিশ্বাসৰ বাবেহে থাকিব; যি অনিবাৰ্য্যভাৱে স্বভাৱতঃ অ-বৌদ্ধিক আৰু অ-যৌক্তিক।

বৈদেযিক ন্যায় নাইবা মীমাংসা দৰ্শনক সাৱধানে যদি প্ৰত্যক্ষ কৰা যায় তেন্তে এক প্ৰশ্ন উদয় হ'ব যে মোক্ষ (ভাৰতীয় দৰ্শনৰ তথাকথিত একমাত্ৰ বা অন্তিম বিষয়) ৰ লগত এইবোৰ সম্পদায়ৰ সম্বন্ধৰ মৰ্য্যদা কি? এইবোৰ নিজ নিজ সম্প্ৰদায়ৰ নিজস্ব বিভিন্ন কাৰ্য্যসূচী আছে, যি কেৱল এটা অৰ্থাৎ মোক্ষই নহয়। সূত্ৰকাৰৰ নিজা বাণীৰ বাহিৰে এইটো অধিক স্পষ্ট যে এই কথা বিশ্বাস কৰিবলৈ কঠিন যে যিকোনো অনুসৰণকাৰীয়ে গম্ভীৰভাৱে বিশ্বাস কৰিব পাৰে যে তেওঁ নাইবা যিকোনো এজনে জগতত পোৱা পদাৰ্থৰ জ্ঞানৰ জৰিয়তে মোক্ষক লাভ কৰিব পাৰে নাইবা প্ৰমাণ আৰু হেত্বাভাষাৰ জৰিয়তে লাভ কৰিব পাৰে, যিবোৰ যুক্তি তৰ্কৰ ক্ষেত্ৰত থাকে। ইয়াত এই কথা উপলব্ধি কৰিব পাৰি যে ভাৰতীয় দৰ্শন অনিবাৰ্য্য ভাৱে আৰু অবিচ্ছিন্নভাৱে মোক্ষৰ লগত জড়িত হোৱাত কম পৰিমানে যুক্তিৰ দিশ আছে। দয়াকৃষ্ণৰ মতে, ই হৈছে পৰম্পৰা নিজে যিয়ে এইবোৰ দাবীক আগবঢ়োৱাৰ ঠিক সময়তে মীমাংসিতভাৱে খণ্ডন কৰিছিল। প'টাৰ আৰু কে.চি.ভট্টাচাৰ্য্য এই ক্ষেত্ৰত তেওঁলোকৰ চিন্তাধাৰাক বিৱৰণ কৰাত ব্যৰ্থ হৈছে। ইয়াৰ বিপৰীতে তেওঁলোকক পতিয়ন নিয়াইছে যে ভাৰতীয় দৰ্শন আৰু মোক্ষৰ মাজত এটা সম্বন্ধ আছে।

দয়াকৃষ্ণৰ মতানুসৰি ওপৰৰ আলোচনাই নিশ্চিত প্ৰত্যয় জন্মাৱ যে ভাৰতীয় দৰ্শনৰ দুটা ধাৰণা প্ৰথমটো মোক্ষ হৈছে লক্ষ্য, দ্বিতীয়টো ধ্যান অৰ্থাৎ সাধনা হৈছে এই লক্ষ্যৰ উপায় বিতৰ্ক উৰ্দ্ধত নহয় আৰু সম্ভৱতঃ সঠিক প্ৰমাণৰ লগতে ন্যায্যতাৰো অভাৱ ইয়াৰ আছে নাইবা বিশ্বব্যাপী জগতৰ সন্মুখত ই ভাৰতীয় দৰ্শনৰ প্ৰকৃত ছৱিখন

চিত্রিত কৰিব পৰা নাই। এই খিনিতে তৃতীয় ধাৰণাৰ প্রসঙ্গঁ উদয় হয়। এই ধাৰণা মতে, ভাৰতীয় দৰ্শন পাশ্চাত্য দার্শনিক পৰম্পৰাৰ দৰে সঠিক দৰ্শন। ই আধ্যাত্মিকতাৰ লগত জড়িত বেলেগ বিষয় নহয়। মোক্ষৰ সৈতে কৰিবলগীয়া ইয়াৰ একো নাই, যিহেতু ইয়াক অভিযোগ কৰা হৈছে, যি প্রকৃত অৱস্থাৰ এক সম্পূর্ণ ভুল বুজাবুজিৰ পৰিণতি। এনেধৰণৰ অভিযোগ প্রধানকৈ এই বিষয়ৰ ওপৰত লেখকৰ পাছত লেখকৰ দাবীসমূহৰ অসমালোচনামূলক গ্রহণযোগ্যতাৰ দ্বাৰা সহজতৰ হৈ পৰিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ দয়াকৃষ্ণৰ মতে ভাৰতীয় দৰ্শনৰ দ্বিতীয় ধাৰণাটো কি?

প্রশ্ন ৯ ঃ কে.চি. ভট্টাচার্য্যই ভাৰতীয় দৰ্শনৰ দ্বিতীয় ধাৰণাৰ বিষয়ে অর্থাৎ সাধনাৰ বিষয়ে কি কৈছে?

প্রশ্ন ১০ ঃ সাধনা কি?

প্রশ্ন ১১ ঃ ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণা কি কি?

১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ওপৰৰ আলোচনাৰ পৰা উপলব্ধি কৰিব পৰা যায় যে —

- যদিও মোক্ষক ভাৰতীয় দার্শনিক আলোচনাত চৰম লক্ষ্য হিচাপে ৰীতিগতভাৱে গ্রহণ কৰা হৈছে, তথাপি ই তাৰ সম্পূর্ণ ছৱি নহয়। এই গ্রহণযোগ্যঅত মুখ্য আহ্বান হৈছে যে এই ধৰিলোৱা কেন্দ্রীয় দৃষ্টিভঙ্গীৰ চর্তত ইয়াৰ বহুবিধ অন্যান্য বিষয়ক কেনেকৈ বোধগম্য কৰিব পাৰি, যাক অকলেই ইয়াক অর্থপূর্ণ কৰিবলৈ অনুমান কৰা হয়। দয়াকৃষ্ণই কয় এই কাম কৰিবলৈ কোনো উপায় নাই যেন লাগে কাৰণ ভাৰতীয় পৰম্পৰাত দার্শনিক চিন্তা ভাৱনাৰ বিষয়বোৰ আনবোৰৰ সৈতে একে যেন লাগে। এই সত্য প্রত্যেক লেখকে সমর্থন কৰিছে, যিসকলে ভাৰতীয় আৰু পাশ্চাত্য দৰ্শনৰ মাজত সমান্তৰালবাদক আনিবলৈ যত্ন কৰে। ভাৰতীয় দৰ্শনে নিজকে মোক্ষৰ লগত সম্পর্ক স্থাপন কৰিবলৈ চেষ্টা কৰা নাই। মোক্ষৰ পথত আর্বিভাৱ হোৱা বৌদ্ধিক সংশয়ক অপসাৰণ কৰাত দর্শনে কোনো ভূমিকা লোৱা নাই। ইয়াৰ পৰিৱর্ত্তে দার্শনিক প্রতিবিম্বই সংশয়ক বৃদ্ধিহে কৰে। এইটো কাৰণতেই প'টাৰ কে. চি. ভট্টাচার্য্য উভয়ে পঢ়োৱৈসকলক সাধনাৰ জৰিয়তে মোক্ষ প্রাপ্তিৰ সৈতে দর্শনক সংযোগ কৰিবলৈ পতিয়ন নিয়া নাই।
- ভাৰতীয় দার্শনিক পৰম্পৰাত মোক্ষৰ ধাৰণাই প্রধানকৈ গুৰুত্ব পোৱাৰ কাৰণ এয়ে যে ইয়াৰ বিষয়ে প্রায় সকলোবোৰ সম্প্রদায়ে স্পষ্টৰূপে দাবী কৰিছে যদিও এনেধৰণৰ ব্যক্তিক্রমে সত্তৱতঃ ইয়াৰ প্রচাৰ লাভ কৰা নাছিল। এনেকুৱা পৰিদৃশ্যৰ বাবে প্রাকল্পিক কাৰণ বা যুক্তিবোৰে পৰম্পৰানিষ্ঠ ৰীতি-নীতি নাইবা উচ্চ শ্রেণীৰ ৰাজনীতি ইত্যাদিৰ প্রভুত্ব হ'ব পাৰে।

- ইয়াত এই প্ৰশ্নটো প্ৰাসঙ্গিক হ'ব পাৰে যে যদি দৰ্শন অকলশৰীয়া হয় তেন্তে ভাৰতীয় প্ৰসঙ্গঁত মোক্ষৰ সৈতে সম্পৰ্কবদ্ধ হ'বলৈ কাক দাবী কৰিব। এটা আশ্চাৰ্য্যজনক উত্তৰ হ'ল যে ভাৰতীয় দৰ্শনত কাৎচিৎ হে কোনো সম্প্ৰদায় আছে। যিয়ে এই একে দাবী উত্থাপন নকৰে।
- অনুবৰ্তী প্ৰশ্নটো হ'ল যে ভাৰতত সেই সকলোবোৰে কিয় মোক্ষ মাৰ্গ দৰ্শনৰ বাবে দাবী কৰে। ইয়াৰ উত্তৰ এয়ে হ'ব পাৰে যে (বহুতো মতামতত দেখা হিচাপে) সমগ্ৰ ভাৰতীয় সংস্কৃতিৰ দ্বাৰা মোক্ষক জীৱনৰ সৰ্বোচ্ছ প্ৰমূল্য আৰু চৰম লক্ষ্য ৰূপে গ্ৰহণ কৰা হৈছিল এনেধৰণৰ সাম্ভাব্য উত্তৰ থকা স্বত্তেও এই কথা ক'ব পাৰি যে অন্যান্যসকলৰ বিপৰীতে দৰ্শনৰ এক ভিন্ন অভিগমন থকাটো উচিত।
- ওপৰৰ সংশ্লিষ্ট আলোচনা (দয়াকৃষ্ণৰ ব্যাখ্যাত) যিমানখিনি বুজা যায় মোক্ষ ভাৰতীয় দৰ্শনৰ অনন্য বিষয় নহয়। এইটো আনকি গুৰুতৰ বিষয়ও নহয় আৰু বহুতো চিন্তাবিদৰ লগতে সম্প্ৰদায়সমূহো ইয়াৰ সৈতে আনিকি সীমিতভাৱে জড়িত নহয়।
- ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণাক পৰিচয় কৰি দিয়াৰ দ্বাৰা দয়াকৃষ্ণই ভাৰতীয় দৰ্শনৰ সত্যতাৰ লগতে সাধাৰণতে অদৃশ্য দিশটো প্ৰকাশ কৰিবলৈ এক অতিঅসাধাৰণ প্ৰচেষ্টা গঠন কৰিছিল।
- প্ৰথম ধাৰণাত তেওঁ ভাৰতীয় দৰ্শনৰ মুখ্য বিষয় ৰূপে মোক্ষৰ গ্ৰহণযোগ্যতাক আনিছিল আৰু এই কথা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল যে সত্যতা একেবাৰে বিপৰীত।
- দ্বিতীয় ধাৰণাত, তেওঁ সাধনা (ধ্যান নাইবা আধ্যাত্মিক শৃঙ্খল)ক মোক্ষ প্ৰাপ্তিৰ এক উপায় হিচাপে ব্যক্ত কৰিছে। ইয়াত তেওঁ কৈছিল যে সত্য বা তথ্য ভাৰতত তথাকথিত প্ৰথাৰ দেখুওৱাৰ দৰে নহয়।
- তৃতীয় ধাৰণাত, তেওঁ সমগ্ৰ ভাৰতীয় দাৰ্শনিক আলোচনাক ইয়াৰ পাশ্চাত্য প্ৰতিৰূপৰ সৈতে একে বুলি কৈছে, যি কেৱল মোক্ষ নাইবা সাধনাৰ সৈতে জড়িত নহয়। ইয়াৰ নিজস্ব অন্যান্য বহুতো মুখ্য বিষয় বা সমস্যা আছে। যিবোৰ সামগ্ৰিকভাৱে জীৱন আৰু জগতৰ লগত সম্পৰ্কযুক্ত।

১৪.৮ অধিক জানিবলৈ

1. Contrary Thinking : Selected Essays of Dayakrishna (2011).
2. Indian Philosophy : a counter perspective (2006).
3.Developments in Indian Philosophy from Eighteenth Century Onwards : Classical and Western (2002).
4. New Pesspective of Indian Philosophy (2001).
5. Bhakti : A Contempeorary discussion : Philosophical exploration in the Indian tradition (Ed with Mukunda Latha, Francine Ellison) (2000).
6. Prolegomena to Any Future : Historigraphy of Cultures & Civilizations (1997).
7. The Problcmatic and Conceptual Structure of Classical Indian Thought About Man,Society and Polity (1996).
8. The Art of the Conceptual: Explorations in a Conceptual Maze over Three Decades (1989).

১৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণ বোধগম্যতাত 'আস্তিক' শব্দৰ অৰ্থ হ'ল ঈশ্বৰৰ ওপৰত বিশ্বাস। কিন্তু দৰ্শনত বিশেষকৈ ভাৰতীয় প্ৰসঙ্গঁত ই বেদৰ কৰ্তৃত্বৰ বিশ্বাসক বুজায়। সেই কাৰণতে আস্তিক দৰ্শনৰ বাবে আন এক পৰিভাষা ব্যৱহাৰ কৰা হয় আৰু সেয়া হ'ল বৈদিক দৰ্শন। ভাৰতীয় দাৰ্শনিক পৰম্পৰাত ছয়টা সম্প্ৰদায়ক বৈদিক বা আস্তিক দৰ্শন ৰূপে স্বীকাৰ কৰা হৈছে। যেনে— সাংখ্য, যোগ, ন্যায়, বৈদেষিক, মীমাংসা আৰু বেদান্ত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 'নাস্তিক' শব্দৰ সাধাৰণ বোধ বুজায় ঈশ্বৰৰ ওপৰত অবিশ্বাস। কিন্তু দৰ্শনত বিশেষকৈ ভাৰতীয় দৰ্শনৰ পৰিপ্ৰেক্ষিত ই বুজায় বেদৰ ওপৰত অবিশ্বাস। সেয়ে নাস্তিক দৰ্শনৰ বাবে আন এক পৰিভাষা 'অবৈদিক দৰ্শন' ক ব্যৱহাৰ কৰা হয়। ভাৰতীয় দাৰ্শনিক পৰম্পৰাত কেৱল তিনিটা সম্প্ৰদায়কহে নাস্তিক বা অবৈদিক দৰ্শনৰ শাৰীত স্বীকাৰ কৰা হৈছে। সেয়া হ'ল ক্ৰমে চাৰ্বাক, বৌদ্ধ আৰু জৈন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'পুৰুষাৰ্থ' শব্দই সাধাৰণতে মানৱ লক্ষ্য যাক মানুহে অন্বেষণ কৰিবলৈ চেষ্টা কৰে, নাইবা এক কিছুমান অৰ্থত 'প্ৰমূল্য'ক বুজায় যাক তেওঁলোকে উপভোগ কৰে। স্বীকৃত পৰম্পৰাত পুৰুষাৰ্থ সংখ্যাত চাৰি ঃ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ যাক চতুবৰ্গ বিভাজন বুলিও জনা যায়। আনহাতে, আন এক বিভাজন আছে সেয়া হ'ল ত্ৰিবৰ্গ কেন্দ্ৰিক পুৰুষাৰ্থ যিয়ে প্ৰথম তিনিটা পুৰুষাৰ্থক গ্ৰহণ কৰে অৰ্থাৎ মোক্ষক এৰি ধৰ্ম অৰ্থ আৰু কাম।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ দয়াকৃষ্ণ (1924-2009) বিখ্যাত সংশয়বাদী ভাৰতীয় দাৰ্শনিক আছিল। তেওঁ কিছুদিনৰ বাবে ৰাজস্থান বিশ্ববিদ্যালয়ৰ প্ৰতি উপাচাৰ্য্য (Pro-Vice Chancellor) আছিল আৰু তিনি দশক ধৰি ভাৰতীয় দাৰ্শনিক গৱেষণা পৰিষদৰ পত্ৰিকা (JICPR) ৰ সম্পাদক আছিল। ভাৰতীয় দৰ্শন পাশ্চাত্য দৰ্শন আৰু সৌন্দৰ্য্যবিদ্যাৰ জগতত তেওঁ কাম কৰিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সংশয়বাদৰ সংজ্ঞা সাধাৰণতে এটা বিশেষ বস্তু বা বিষয় ওপৰত কৰা সংশয় মনোভাৱ নাইবা এক অবিশ্বাসৰ স্বভাৱ হিচাপে দিয়া হয়। ই এক মতবাদ যিয়ে দৃঢ়ভাৱে সাব্যস্ত কৰে যে সত্য জ্ঞান অথবা কেতবোৰ বিশেষ জ্ঞান অনিশ্চিত নাইবা সন্দেহজনক নাইবা অন্তিম নহয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দয়াকৃষ্ণক এজন ভাৰতীয় সংশয়বাদী দাৰ্শনিক হিচাপে মনোনিত কৰা হয়, কাৰণ পৃথিৱী চাৰিওফালে ভাৰতীয় দৰ্শনৰ বিষয়ে প্ৰথাগতভাৱে যি কোৱা হৈছে তাক তেওঁ গ্ৰহণ কৰিবলৈ প্ৰস্তুত নাছিল। ইয়াৰ ঠাইত তেওঁ কৈছিল ইয়াৰ প্ৰকৃত ছবিখন বিচাৰি উলিয়াব লৈ অধিক গৱেষণাৰ থল আছে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কার্ল প'টাৰকে প্ৰথম ব্যক্তিৰূপে স্বীকাৰ কৰিব পৰা যায় যিয়ে মোক্ষৰ লগত ভাৰতীয় দৰ্শন জড়িত হ'ব পাৰে বুলি কৰা দাবীত গম্ভীৰভাৱে দাবী কৰিবলৈ চেষ্টা কৰিছিল। প'টাৰৰ স্থিতিয়ে মূলতঃ এই সমস্যাৰ ওপৰত ধ্যান দিয়ে যে ভাৰতীয় দৰ্শনৰ অৱভাসিক ধাৰণাগত আৰু তাত্ত্বিক বিষয়বোৰক কিদৰে ইয়াৰ সাম্ভাব্য ও প্ৰচাৰিত প্ৰকৃত বিষয়ৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰি? প'টাৰে তেওঁৰ আলোচনাত ভাৰতীয় দৰ্শনৰ বিভিন্ন কাল্পনিক মতামতসমূহক কেনেকৈ ন্যায্যতা প্ৰদান কৰিব পাৰি — তাৰ চেষ্টা কৰিছিল যাক তথাকথিত প্ৰাথমিক আৰু মুখ্য বিষয় (মোক্ষ) ক স্থায়ী কৰিব পৰাৰ সৈতে বিৰুদ্ধ হোৱা যেন বোধ হয়। এই প্ৰসঙ্গঁত তেওঁ কৈছিল ভাৰতীয় পৰম্পৰাত কাল্পনিক দৰ্শনৰ প্ৰয়োজনীয়তা প্ৰধানকৈ সংশয়ৰ লগত সাক্ষাৎ কৰাৰ উদ্দেশ্যে উদ্ভৱ হয় যিয়ে মোক্ষৰ পথ বা উপায়ক স্থাপন কৰিব পাৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ দয়াকৃষ্ণৰ মতে দৰ্শনৰ দ্বিতীয় ধাৰণাটো হৈছে দৰ্শনক এক তাত্বিক শৃঙ্খলৰ লগত তুলনা কৰিব পৰা যায়, যাৰ ধাৰণামূলক বা তত্বমূলকভাৱে আৱিষ্কৃত সত্যতাক ব্যৱহাৰিক প্ৰয়োগৰ এক প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰমাণিত কৰা হয় আৰু এই প্ৰক্ৰিয়াবোৰক ভাৰতত প্ৰথাগতভাৱে সাধনা (Praclice of Yoga) বুলি জনা যায়। অন্য কথাত ভাৰতীয় দৰ্শনৰ দ্বিতীয় ধাৰণা অনুসৰি 'সাধনা' নাইবা 'যোগ' মোক্ষ প্ৰাপ্তিৰ পথ বা উপায়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ কে. চি. ভট্টাচাৰ্য্যৰ ভাৰতীয় দৰ্শন তাৰ এক উল্লেখযোগ্য প্ৰতিৰূপ, যাক ব্যৱহাৰিকভাৱে উপলব্ধি নাইবা প্ৰমাণিত কৰা হয় আৰু তেতিয়া তাক কোৱ হয় সাধনা বা যোগ। সৰল ভাষাত, মোক্ষ প্ৰাপ্ত হোৱাৰ অন্তৰ্জাত সম্ভাৱনা আমাৰ আছে আৰু ইয়াক লাভ কৰিব পৰা যায় সাধনা নাইবা যোগৰ জৰিয়তে। এই সচেতনতা অকলে দাৰ্শনিক প্ৰতিবিম্বৰ পৰা নিঃসৃত হয়। ই নিৰ্দ্দেশ কৰে যে ই হৈছে দাৰ্শনিক প্ৰতিবিম্ব, যাৰ হেতু মানুহ তেওঁৰ সত্তাৰ কেৱল আন্তৰিক সত্যতা ৰূপে মোক্ষৰ প্ৰতি সচেতন হৈ পৰে; যাৰ উপলব্ধিৰ অবিহনে তেওঁ সদায় অৱশ্যাম্ভীভাৱে অজ্ঞ আৰু অসম্পূৰ্ণ হৈ ৰয়। সেয়েহে কে. চি. ভট্টাচাৰ্য্যৰ ব্যাখ্যাত দৰ্শনো আধ্যাত্মিক মুক্তিৰ এক অনিবাৰ্য্য আৰু অবিচ্ছেদ্য প্ৰাথমিকতা, যাক সাধনাৰ জৰিয়তে প্ৰাপ্ত লাভ কৰিব পাৰি আৰু ইয়েই হৈছে তেওঁৰ মতে ভাৰতীয় দৰ্শনৰ দ্বিতীয়টো ধাৰনা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সাধনা বা যোগ হৈছে ধ্যান নাইবা আধ্যাত্মিক শৃঙ্খলা এক প্ৰকাৰ যিয়ে মোক্ষলৈ মাৰ্গ দৰ্শন কৰাব পাৰে। দয়াকৃষ্ণৰ মতে, পৰম্পৰাই ইয়াক ভাৰতীয় দৰ্শনৰ দ্বিতীয় ধাৰণা ৰূপে স্বীকাৰ কৰে। অৱশ্যে দয়াকৃষ্ণই ইয়াৰ ওপৰত সবিচাৰমূলক মতামত আগবঢ়াইছে।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ দয়াকৃষ্ণৰ প্ৰত্যক্ষত ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰনা হৈছে —

(ক) প্ৰায় সকলোবোৰ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ে 'মোক্ষ' কে লক্ষ্য হিচাপে গ্ৰহণ কৰিছে।

(খ) ধ্যান তথা সাধনা লক্ষ্যৰ পথ বা উপায়। কিন্তু তেওঁৰ মতে এই দুয়োটা ধাৰণাই বিতৰ্কৰ উৰ্দ্ধত নহয় আৰু সম্ভৱতঃ সঠিক প্ৰমাণৰ লগতে ন্যায্যতাৰো অভাৱ ইয়াৰ আছে নাইবা বিশ্বব্যাপী জগতৰ সন্মুখত ই ভাৰতীয় দৰ্শনৰ প্ৰকৃত ছবিখন চিত্ৰিত কৰিব পৰা নাই। (গ) এই খিনিতেই তৃতীয় ধাৰনাৰ প্ৰসঙ্গঁৰ উদয় হয়। এই ধাৰনা মতে ভাৰতীয় দৰ্শন পাশ্চাত্য দাৰ্শনিক পৰম্পৰাৰ দৰে সঠিক দৰ্শন। ই আধ্যাত্মিকতাৰ লগত জড়িত বেলেগ বিষয় নহয়। মোক্ষৰ সৈতে ইয়াৰ একো কাম নাথাকে যিহেতু ইয়াৰ ওপৰত অভিযোগ অনা হৈছে যি প্ৰকৃত অৱস্থাৰ সম্পূৰ্ণ এক ভুল বুজা-বুজিৰ পৰিনতি। এনেধৰণৰ অভিযোগ প্ৰধানকৈ এই বিষয়ৰ ওপৰত লেখকৰ পাছত লেখকৰ দাবীসমূহৰ অসমালোচনাত্মক গ্ৰহণযোগ্যতাৰ দ্বাৰা সহজতৰ হৈ পৰিছে।

? ১৪.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বৈদিক আৰু অবৈদিক দৰ্শন কি?

প্ৰশ্ন ২ ঃ ত্ৰিবৰ্গ আৰু চতুবৰ্গ কি?

প্ৰশ্ন ৩ ঃ সংশয়বাদ কি?

প্ৰশ্ন ৪ ঃ আধ্যাত্মিকতাবাদ কি?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ দয়ানন্দই কিয় মোক্ষৰ ওপৰত কাৰ্ল প'টাৰৰ মতক সমালোচনা কৰিছে?

প্ৰশ্ন ২ ঃ "ভাৰতীয় দৰ্শন পাশ্চাত্য দৰ্শনৰ দৰেই সঠিক নাইবা পূৰ্ণ দৰ্শন" — দয়াকৃষ্ণৰ আলোকত এই উক্তিটো বহলাই লিখক।

প্ৰশ্ন ৩ ঃ দয়াকৃষ্ণৰ মতে, ভাৰতীয় দৰ্শনৰ সত্য স্বৰূপ কি?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সমালোচনাসহ ভাৰতীয় দৰ্শনৰ তিনিটা ধাৰণাৰ প্ৰতি দয়াকৃষ্ণৰ অভিগমণ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দয়াকৃষ্ণৰ জীৱন আৰু দৰ্শনৰ ওপৰত এখন ৰচনা লিখক।

*** **** ***

অধ্যায় ১৫ ঃ জে.এন. মহান্তি ঃ জ্ঞান মীমাংসা সম্পৰ্কীয় ধাৰণা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ মহান্তিৰ জ্ঞান সম্পৰ্কীয় ধাৰণা

১৫.৪ মহান্তিৰ ভাৰতীয় জ্ঞান মীমাংসা সম্পৰ্কীয় ধাৰণা

১৫.৪.১ প্ৰমা অথবা যথাৰ্থ জ্ঞান

১৫.৪.২ জ্ঞানৰ বিভিন্ন উৎস বা উপায় (প্ৰমান)

১৫.৪.২.১ প্ৰত্যক্ষ (Perception)

১৫.৪.২.২ অনুমান (Inference)

১৫.৪.২.৩ শব্দ (Verbal Testimony)

১৫.৪.২.৪ উপমান (Comparison), অনুপলব্ধি, অৰ্থাপত্তি অনুপলব্ধি (Non-Perception) অৰ্থাপত্তি (Postulation)

১৫.৪.৩ ভ্ৰান্তি সম্পৰ্কীয় মতবাদসমূহ

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৬ অধিক জানিবলৈ

১৫.৭ অগ্ৰগতিৰ খতিয়ান

১৫.৮ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহান্তিৰ জ্ঞান সম্পৰ্কীয় ধাৰণা ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- ভাৰতীয় জ্ঞান মীমাংসাত প্ৰাপ্ত মহান্তিৰ চেতনা আৰু জ্ঞানৰ পৰীক্ষণমূলক অনুসন্ধান সম্পৰ্কে আলোচনা কৰিব পাৰিব
- জ্ঞানৰ বিভিন্ন উৎস সম্পৰ্কে মহান্তিৰ ধাৰণা আলোচনা কৰিব পাৰিব
- ভ্ৰম সম্পৰ্কীয় ভাৰতীয় তত্ব সম্পৰ্কে মহান্তিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।

১৫.২ পৰিচয়

একবিংশ শতিকাৰ আটাইতকৈ প্ৰভাৱশালী ভাৰতীয় দাৰ্শনিক সকলোৰ ভিতৰত এজন দাৰ্শনিক হ'ল জিতেন্দ্ৰ নাথ মহান্তি। মহান্তিয়ে পাশ্চাত্য দৰ্শন আৰু ভাৰতীয় দৰ্শন উভয়লৈ বিশিষ্ট অৱদান আগবঢ়াই গৈছে। তেওঁৰ পাণ্ডিত্য পূৰ্ণ অৱদান সমূহৰ ভিতৰত কুৰিখন গ্ৰন্থ আৰু দৰ্শনৰ বিভিন্ন দিশৰ ওপৰত ৰচিত গৱেষণামূলক প্ৰৱন্ধই সকলোৰে দৃষ্টি আকৰ্ষন কৰিছিল। মহান্তিয়ে বিশেষকৈ জ্ঞান মীমাংসা তৰ্কশাস্ত্ৰ আৰু অৱভাসবাদ বা প্ৰপঞ্চবাদৰ ওপৰত বিভিন্ন মূল্যবান প্ৰৱন্ধ ৰচনা কৰি বিভিন্ন পত্ৰিকাত প্ৰকাশ কৰিছিল। তেওঁ ভাৰতীয় দৰ্শন আৰু অৱভাসবাদৰ মাজৰ সম্পৰ্কৰ ওপৰত অধ্যয়ন কৰা এক অগ্ৰনী ব্যক্তি আছিল। তেওঁ অৱভাসবাদৰ দৃষ্টিকোনৰ পৰা ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহক অৱলোকন কৰিবলৈ চেষ্টা কৰা পৰিলক্ষিত হয়। মহান্তিৰ এই প্ৰচেষ্টাই ভাৰতীয় আৰু পাশ্চাত্য পৰম্পৰাৰ এক অৰ্থপূৰ্ণ কথোপকথন (Dialoque) ৰ পথ প্ৰশস্ত কৰি তোলে। এই অধ্যায়টোত বিশেষকৈ মহান্তিৰ ভাৰতীয় জ্ঞান মীমাংসাৰ ব্যাখ্যা অন্তৰ্ভুক্ত কৰা হৈছে।

১৫.৩ মহান্তিৰ জ্ঞান সম্পৰ্কীয় ধাৰণা

মহান্তিৰ মতে এটা বিষয়ৰ কেৱল চেতনাই বিষয়বস্তুটোৰ জ্ঞান হ'ব নোৱাৰে। চেতনাৰ এক বিকাৰ আছে যাক কোনোবাই ক'ব পাৰে 'Thinking of' আৰু যিটো অদ্যপি। (এতিয়াও) জ্ঞাত নহয়। উদাহৰণস্বৰূপে কোনো ব্যক্তিয়ে 'এক শিঙযুক্ত কল্পিত বস্তু' ৰ বিষয়ে একো নজনাকৈ চিন্তা কৰিব পাৰে। জ্ঞাত হোৱা বিষয়টোৱে যথার্থ বোধগম্যতাক সূচায়। কোনো এজন ব্যক্তিৰ যদি 'S হয় P' ৰ অর্থ বোধগম্য নহয়, তেনেহ'লে তেওঁ 'S হয় P' ৰ বিষয়ে জানে বুলি ক'ব নোৱাৰি। আনহাতে এটা বাক্যৰ কেৱল অর্থ জনাটো বাক্যটোৱে এইটো বা সেইটো বুজায় বুলি জনাৰ বাদে আন একো নহয় আৰু ই 'Knowing' (জনাÛনিপুনতা) ৰ এক অধোগামী অৱস্থা। এই সমূহ দিশ বিবেচনা কৰি এজন ব্যক্তিয়ে ক'ব বিচাৰে যে এক পূৰ্ণ বিকশিত জ্ঞানে নিম্ন লিখিত বিষয়সমূহ অন্তৰ্ভুক্ত কৰে ঃ

- কিহবাৰ চেতনা। অর্থাৎ পূৰ্ণ বিকশিত জ্ঞান কোনো বিষয়ৰ চেতনা হ'ব লাগিব।
- জ্ঞানমূলক/চিন্তামূলক/প্ৰজ্ঞামূলক (Cognitive) দিশ প্ৰকাশিত হোৱা শব্দ আৰু বাক্যৰ বোধগম্যতা
- পূৰ্ণ বিকশিত জ্ঞানে ফলাফলৰ সত্যতা দাবী কৰে যে বিষয় আৰু চিন্তা একে।

ইয়াৰ উপৰিও জ্ঞান বিশেষভাৱে বৌদ্ধিক বা চিন্তামূলক হ'ব লাগিব। উদাহৰণস্বৰূপে জ্ঞান প্ৰত্যক্ষগত অথবা অনুমান জনিত হ'ব লাগিব।

১৫.৪ ভাৰতীয় জ্ঞানমীমাংসা আৰু জে. এন. মহান্তি

মহান্তিয়ে ভাৰতীয় জ্ঞানমীমাংসাৰ এক বিস্তৃত পৰীক্ষামূলক অনুসন্ধান আগবঢ়াইছিল। মহান্তিয়ে তেওঁৰ 'Classical Indian Philosophy' নামৰ গ্ৰন্থত সপ্তদশ শতিকাৰ নব্য ন্যায়ৰ জৰিয়তে সূত্ৰ যুগৰ ভাৰতীয় জ্ঞান মীমাংসাৰ পৰীক্ষন আগবঢ়াইছিল। মহান্তিয়ে জ্ঞানক নির্দেশ কৰিবৰ বাবে বুজাবলৈ ব্যৱহাৰ হোৱা মূল সংস্কৃত

পদবোৰ বিবেচনা কৰি ভাৰতীয় জ্ঞান মীমাংসা সম্পর্কীয় আলোচনাৰ পাতনি মেলে। তেওঁৰ মতে, পূৰ্বৰ দার্শনিক আলোচনাত, বিশেষকৈ উপনিষদত সংস্কৃত 'চিৎ' আৰু 'জ্ঞান' পদ ১ টা 'জ্ঞান' (Knowledge) অথবা 'প্রজ্ঞা' (Cognetion) উভয়কে বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। প্রজ্ঞা (Cognition) যিহেতু সত্য বা মিথ্যা হ'ব পাৰে আৰু যিহেতু কেৱল প্রজ্ঞাকহে জ্ঞান বুলি ক'ব পাৰি, সেইবাবে জ্ঞানৰ বাবে ব্যৱহৃত সংস্কৃত পদটোৱে প্রকৃতার্থত জ্ঞানক নির্দেশ নকৰে ই প্রমাজ্ঞান বা সহজ অর্থত প্রমাক নির্দেশ কৰে। অপ্রমাই সত্য ৰূপে বিবেচিত নোহোৱা সকলো প্রজ্ঞা (Cognition) ক নির্দেশ কৰে। মহান্তিয়ে আঙুলিয়াই দেখুবাইছে যে চিৎ অথবা চেতনা আৰু জ্ঞান অথবা প্রজ্ঞা একে হয় নে নহয়— ই এটা মুকলি প্রশ্ন। বেদান্ত দর্শনৰ মতে, চিৎ অথবা চেতনা আৰু জ্ঞান অথবা প্রজ্ঞাৰ মাজত পার্থক্য আছে। আনহাতে, ন্যায় দর্শনৰ মতে চেতনা আৰু জ্ঞান একে, ইহঁতৰ মাজত কোনো পার্থক্য নাই।

মহান্তিয়ে ভাৰতীয় জ্ঞান মীমাংসাত উত্থাপিত কিছুমান মৌলিক প্রশ্নৰ প্রতি আমাৰ মনোযোগ আকর্ষন কৰিবলৈ চেষ্টা কৰিছে আৰু এই প্রশ্নসমূহৰ উত্তৰে ভাৰতীয় দর্শনৰ বিভিন্ন সম্প্রদায়ৰ মাজত বিতর্কৰ সূচনা কৰে। মহান্তিয়ে উল্লেখ কৰা প্রথম প্রশ্নটো হ'ল চেতনাৰ সত্তামূলক প্রকৃতি কি? এই প্রশ্নৰ বিষয়ে মহান্তিয়ে কৈছে যে ইয়াৰ কেইবাটাও বিকল্প আছে। তেওঁৰ মতে চেতনা আত্মাৰ গুণ হ'ব পাৰে অথবা ই আত্মাৰ ক্রিয়া অথবা ই এক দ্রব্য যাৰ লগত আত্মাৰ সাদৃশ্য আছে। অর্থাৎ চেতনা হ'ল আত্মাৰ নিচিনা এক দ্রব্য। প্রথম বিকল্প অনুসৰি ইয়াত দুই প্রকাৰৰ পৰিৱর্তন মূলক দিশ পৰিলক্ষিত হয়। প্রথম প্রকাৰৰ পৰিৱর্তন অনুসৰি চেতনা হ'ল আত্মাৰ এক আৱশ্যকীয়/অপৰিহার্য (Essential) গুন আৰু দ্বিতীয় প্রকাৰৰ পৰিৱর্তন অনুসৰি চেতনা হ'ল আত্মাৰ আকস্মিক গুণ। তৃতীয়টে বিকল্প হ'ল আত্মাই হ'ল চেতনা আৰু ই বিভিন্ন আলোচনাৰ সূত্রপাত কৰে। মহান্তিৰ মতে, এই আলোচনা সমূহৰ ভিতৰত সংখ্যা বেদান্ত য'ত আৰু বিজ্ঞানবাদী সকলৰ য'ত উল্লেখযোগ্য। সংখ্য বেদান্ত মত অনুসৰি আত্মা আৰু চেতনা উভয়ে সনাতন আৰু অপৰিৱর্তনীয় আৰু দূৰৱর্তী দিশত (Inthelong) উভয়ে একে/সাদৃশ্যমূলক। আনহাতে, বিজ্ঞানবাদী সকলে য'ত প্রকাশ কৰে যে আত্মা হ'ল বিভিন্ন প্রকাৰৰ প্রজ্ঞামূলক/জ্ঞানমূলক (Cognitive) ঘটনা/বিষয়ৰ (Events) এক অনুক্রম। এই অনুক্রম ধ্বংস প্রাপ্ত জ্ঞানৰ ছপা সমূহ (Praces) সংৰক্ষন কৰি ৰখা চেতনাৰ গভীৰ আলয় অথবা ভঁৰালৰ দ্বাৰা সমর্থিত হৈ থাকে। মহান্তিয়ে উল্লেখ কৰিছে যে যি সকলে চেতনাক আত্মাৰ এক অপৰিহার্য গুণ বুলি গন্য কৰে আৰু যি সকলে আত্মাক চেতনাৰ লগত একে বুলি অভিহিত কৰে — তেওঁলোকৰ বাবে এক সমস্যাৰ উদ্ভৱ হয়। কাৰণ তেতিয়া তেওঁলোকৰ বাবে কোনো এজন ব্যক্তিয়ে সকলো চেতনা হেৰুৱাই পেলোৱা গভীৰ নিদ্রা আৰু মূচ্ছিত অৱস্থাৰ এক সঠিক ব্যাখ্যা আগবঢ়োৱাটো আৱশ্যক হৈ পৰে।

মহান্তিয়ে নির্দেশ কৰা দ্বিতীয় প্রশ্নটো এনে ধৰণৰ প্রজ্ঞা বা জ্ঞান কিদৰে চিহ্নিত হয়? অথবা জ্ঞান/প্রজ্ঞাৰ সম্ভেদ কিদৰে পোৱা যায়? (How is Cognition itself Cognized ?) মহান্তিয়ে ভাৰতীয় দর্শনৰ বিভিন্ন সম্প্রদায়ত উপলব্ধ এই প্রশ্নৰ বিভিন্ন উত্তৰৰ বিষয়ে আলোচনা কৰিছে। তেওঁ উল্লেখ কৰিছে যে সাংখ্য-যোগ, বেদান্ত আৰু বৌদ্ধ দর্শনৰ নিচিনা আধ্যাত্মিক দর্শন সম্প্রদায়সমূহে চেতনাক স্বয়ং উদ্ভাসিত বুলি ব্যক্ত কৰিছে। আনহাতে ন্যায়-বৈশেষিকৰ দৰে যৌক্তিক দর্শন সম্প্রদায়ৰ মতে, চেতনা হ'ল আত্মাৰ বস্তুগত গুণ যদিও অন্য চেতনাৰ বিষয় নোহোৱাকৈ ই নিজকে প্রকাশ কৰিব নোৱাৰে। তৃতীয় আৰু চতুর্থ প্রশ্ন হ'ল — চেতনা উদ্দেশ্যমূলক অথবা অভিপ্রায়মূলক (Intentional) হয়নে নহয়? আৰু জ্ঞান/প্রজ্ঞাৰ (Cognition) নিজস্ব আকাৰ আছেনে অথবা ই আকাৰবিহীন? এই দুটা প্রশ্নৰ সন্দর্ভত মহান্তিয়ে নিম্নলিখিত প্রতিক্রিয়াসমূহ আঙুলিয়াই দিছে ঃ-

- অদ্বৈত বেদান্ত দর্শনৰ মতে, চেতনা অন্তর্গতভাৱে (Intrinsically) অভিপ্রায় বিহীন আৰু আকাৰবিহীন। অভিপ্রায় আৰু আকাৰক চেতনাৰ ওপৰত আৰোপহে কৰা হয়।
- ন্যায়-বৈশেষিক সকলৰ মতে চেতনা আকাৰ বিহীন হ'লেও অন্তর্গত ভাৱে উদ্দেশ্য মূলক অথবা অভিপ্রায়মূলক। বিষয় বস্তুটো প্রকৃতার্থত চেতনাৰ আকাৰ বা বিষয়বস্তু নহয়; ই চেতনাৰ বাহিৰত চেতনাৰ দিশত অৱস্থান কৰে।
- বিজ্ঞানবাদী সকলৰ মতে, চেতনা অভিপ্রায় মূলক এইটো অর্থত যে ক্রিয়া বিষয়ৰ পার্থক্য চেতনাৰ অন্তর্গত। যৌত্রান্তিক সকলে কেৱল মাত্র অন্তর্গত ক্রিয়া-বিষয়ৰ পার্থক্যকেই গ্রহন নকৰে; তেওঁলোকে বহির্গত বা বাহ্যিক বিষয়বস্তুও স্বীকাৰ কৰে।

১৫.৪.১ প্রমা অথবা যথার্থ জ্ঞান (Prama or True Cognition)

ভাৰতীয় জ্ঞানমীমাংসাত জ্ঞানক দুটা ভাগত বিভক্ত কৰা হয় — প্রমা অথবা যথার্থ জ্ঞান আৰু অপ্রমা অথবা অযথার্থ জ্ঞান। প্রমা হ'ল সত্য জ্ঞান অথবা প্রমা সেই প্রকাৰৰ জ্ঞান যি জ্ঞানত প্রামান্য নামৰ ধর্মটো থাকে। আনহাতে, অপ্রমা হ'ল অযথার্থ জ্ঞান আৰু ইয়াত প্রামান্য নামৰ ধর্ম (Property) টো নাথাকে। মহান্তিয়ে ভাৰতীয় দর্শনত 'প্রামান্য'ৰ অর্থৰ সন্ধান কৰে। তেওঁৰ মতে ভাৰতীয় দর্শনত প্রামান্য বিষয়ে তিনিটা যত পোৱা যায়। এই তিনিটা মতৰ ভিতৰত প্রথমটো যত আগবঢ়াইছে ন্যায় দর্শনে। ন্যায় দর্শনৰ মতে 'প্রামান্য' ৰ অর্থ হ'ল যথার্থ (Yatharthya) অথবা বিষয়ৰ নিচিনা সত্তাৰ ধর্ম (Property of being like the object)। দ্বিতীয় যতটো বৌদ্ধ দর্শনে আগবঢ়াইছে আৰু বৌদ্ধ সকলৰ মতে সত্যতা হ'ল সফল প্রায়োগিক প্রতিক্রিয়া সৃষ্টি কৰিব পৰা ধর্ম। অদ্বৈত বেদান্ত দার্শনিক সকলে তৃতীয় মত আগবঢ়াইছে। অদ্বৈত বেদান্ত দার্শনিক সকলে ন্যায় আৰু বৌদ্ধ যত প্রত্যাখান কৰিছে। তেওঁলোকৰ মতে, সত্যতাৰ কোনো সার্বজনীন সদর্থক আদর্শ প্রমান (Creteroin) নাই। আমি কেৱল নঞার্থকভাৱে সত্যৰ সংজ্ঞা দিব পাৰো। এটা জ্ঞান কেৱল তেতিয়াহে সত্য হ'ব যেতিয়া এই জ্ঞান কোনো পৰৱর্তী অভিজ্ঞতাৰ দ্বাৰা বিৰুদ্ধ নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ তলত উল্লেখ কৰা উক্তিসমূহৰ সত্যাসত্য নির্ণয় কৰক।

(ক) মহান্তিয়ে মত প্রকাশ কৰে যে এটা বিষয়ৰ কেৱল চেতনাই জ্ঞান নহয়। (সত্য/অসত্য)

(খ) ভাৰতীয় দর্শনৰ মতে প্রমাৰ অর্থ হ'ল অযথার্থ জ্ঞান। (সত্য/অসত্য)

(গ) চেতনাৰ সত্তামূলক প্রকৃতি সন্দর্ভত সাংখ্য বেদান্ত দার্শনিক সকলে মত প্রকাশ কৰে যে আত্মা আৰু চেতনা অভিন্ন। (সত্য/অসত্য)

(ঘ) ন্যায়-বৈদেশিকৰ মতে, চেতনা অন্তর্গতভাৱে অভিপ্রায়বিহীন আৰু আকাৰবিহীন।

(সত্য/অসত্য)

প্রশ্ন ২ ঃ মহান্তিৰ মতে, ভাৰতীয় জ্ঞানী মীমাংসত প্রাপ্ত চেতনা সম্পর্কীয় প্রশ্নসমূহ কি কি?

প্রশ্ন ৩ ঃ মহান্তিৰ মতে ভাৰতীয় জ্ঞান মীমাংসা অনুসৰি প্রামান্যৰ সংজ্ঞা কিদৰে নির্ধাৰণ কৰিব পাৰি?

১৫.৪.২ প্রমান অথবা যথার্থ জ্ঞানৰ উৎস (Pramanas or Sources of True Cognition

মহান্তিয়ে প্রমাণ সম্পর্কে এই মত আগবঢ়াইছে যে প্রমাণ হ'ল যথার্থ জ্ঞান অথবা প্রমা লাভ কৰাৰ উপায়। ভাৰতীয় জ্ঞান মীমাংসা অনুসৰি প্রমাণ হ'ল যথার্থ জ্ঞান লাভৰ উপায়। প্রমাণক যথার্থ জ্ঞানৰ কাৰণ অথবা যথার্থ জ্ঞান লাভ কৰাৰ উপায় বুলিও অভিহিত কৰা হয়। মহান্তিয়ে আঙুলিয়াই দেখুৱাইছে যে ভাৰতীয় জ্ঞান মীমাংসাৰ এটা বিশেষ বৈশিষ্ট্য হ'ল ইয়াত প্রমাণৰ কাৰনিক অর্থক বৈধ ভাৱে প্রকাশ কৰিবলৈ চেষ্টা কৰা হয় যাতে প্রমাণৰ দ্বাৰা প্রাপ্ত জ্ঞান সত্য হয়। ভাৰতীয় জ্ঞান মীমাংসাত প্রমাৰ শ্রেণীবিভাজনক প্রমাৰ কাৰণৰ শ্রেণী বিভাজন বুলিও কোৱা হয়। স্বীকৃত প্রমাণসমূহ হ'ল — প্রত্যক্ষ (Perception), অনুমান (Interence), শব্দ (Verbal Testimony), উপমান (Comparison), অর্থাপত্তি (Postulation) আৰু অনুপলব্ধি (Non-Apprehension)।

১৫.৪.২.১ প্রত্যক্ষ (Perception)

মহান্তিয়ে প্রত্যক্ষ সম্পর্কত এই মত প্রকাশ কৰিছে যে ভাৰতীয় জ্ঞান মীমাংসাত প্রত্যক্ষৰ দুই প্রকাৰৰ সংজ্ঞা পোৱা যায়। প্রথমতে, কেনেকৈ প্রত্যক্ষ লব্ধ/গতজ্ঞান লাভ কৰা হয়। প্রত্যক্ষগত জ্ঞান কেনেকৈ চিহ্নিত হয় (How Perceptnal Cognitoin is cognized) এই অর্থত প্রত্যক্ষৰ সংজ্ঞা দিয়া হৈছে। দ্বিতীয় অর্থত জ্ঞানৰ (Cognition) স্বৰূপ বা প্রকৃতি অনুসৰি প্রত্যক্ষৰ সংজ্ঞা দিয়া হয়। ন্যায় সকলৰ মতে জ্ঞান (Cognition) কি কাৰণৰ দ্বাৰা প্রাপ্ত হয় —এই অর্থত প্রত্যক্ষৰ সংজ্ঞা দিব পাৰি। ন্যায়সকলৰ মতে, প্রত্যক্ষ জ্ঞান ইন্দ্রিয় আৰু বিষয়বস্তুৰ সংস্পর্শত উৎপন্ন হয়। পৰৱর্তী নৈয়ায়িকসকলে নঞার্থিক দৃষ্টিকোনৰ পৰা প্রত্যক্ষৰ সংজ্ঞা আগবঢ়ায়। তেওঁলোকৰ মতে প্রত্যক্ষ হ'ল সেই প্রকাৰৰ জ্ঞান যি জ্ঞান অন্য জ্ঞানৰ দ্বাৰা উৎপন্ন হ'ব নোৱাৰে। অর্থাৎ প্রত্যক্ষ হ'ল সাক্ষাত জ্ঞান আৰু ই স্বতন্ত্র স্বভাৱৰ। প্রত্যক্ষ জ্ঞানত অনুমান, স্মৃতি আৰু শাব্দিক জ্ঞান অন্তর্ভুক্ত নহয়। মহান্তিৰ মতে জ্ঞানৰ প্রকৃতি বা স্বভাৱ অনুযায়ী প্রত্যক্ষৰ তিনি প্রকাৰৰ সংজ্ঞা পোৱা যায়। ইয়াৰ ভিতৰত প্রথম আৰু সম্ভৱতঃ আটাইতকৈ প্রাচীন সংজ্ঞাটো আগবঢ়াইছে বৌদ্ধ তর্কশাস্ত্রবিদ দিগ্ নাগে (Dignag)। দিগ্ নাগৰ মতে, প্রত্যক্ষ হ'ল সেই প্রকাৰৰ জ্ঞান যিটো যিকোনো ধাৰণাৰ পৰা মুক্ত। ধর্মকৃত্তিয়ে এই সংজ্ঞাৰ লগত "যিটো অভ্রান্ত" (Which is Unerring) এই অংশটো অন্তর্ভুক্ত কৰিছে। তেওঁৰ মতে বিশুদ্ধ ইন্দ্রিয় নুভৱত আমি অতীন্দ্রিয় সত্তাৰ সংস্পর্শত থাকো আৰু এই কথা নির্দেশ কৰিবলৈ প্রত্যক্ষ অভ্রান্ত হ'বই লাগিব।

প্রত্যক্ষ্যৰ দ্বিতীয় প্রকাৰৰ সংজ্ঞা ভাৰতীয় দর্শনৰ জৈন সম্প্রদায়ত পোৱা যায়। স্পষ্টতাৰ দিশৰ পৰা প্রত্যক্ষৰ সংজ্ঞা দি জৈন সকলে কয় যে প্রত্যক্ষই ইয়াৰ বিষয়বস্তু স্পষ্ট আৰু স্বচ্ছভাৱে প্রকাশ কৰাৰ উপৰিও বিষয়ক এক দ্রব্য আৰু বিকাৰ হিচাপে প্রকাশ কৰে। প্রত্যক্ষ ধাৰণাগতও, কাৰণ ই বিষয়ৰ সার্বজনীন বৈশিষ্ট্য প্রকাশ কৰে। অদ্বৈত বেদান্ত দার্শনিক সকলে প্রত্যক্ষৰ তৃতীয় প্রকাৰৰ সংজ্ঞা আগবঢ়াইছে। তেওঁলোকৰ মতে প্রত্যক্ষক

তাৎক্ষনিক দৃষ্টিভংগীৰ পৰা বিচাৰ কৰিব পাৰি। প্রত্যক্ষ তাৎক্ষনিক (Immediate)। তাৎক্ষনিক ভাৱে উপলব্ধ হোৱা বিষয়টোৱেই হ'ল চেতনা আৰু সেই চেতনাই হ'ল প্রত্যক্ষ।

১৫.৪.২.২ অনুমান (Interence)

প্রত্যক্ষৰ পৰৱর্তী প্রমানটো হ'ল অনুমান। অনুমান হ'ল সেই প্রকাৰৰ জ্ঞান যি অন্য কোনো জ্ঞানৰ ওপৰত নির্ভৰশীল। বস্তুবাদী চার্বাক সকলৰ বাহিৰে অন্যান্য ভাৰতীয় দার্শনিক সকলে অনুমানক জ্ঞানৰ যথার্থ উৎস ৰূপে স্বীকাৰ কৰিছে। মহান্তিৰ মতে অনুমানে তর্কীয় মতবাদ অথবা প্রমাণৰ নিয়ম আৰু এটা ভাল যুক্তিৰ সংগঠনৰ জন্ম দিয়ে। এই ক্ষেত্রত গৌতমৰ 'ন্যায় সূত্র' আৰু দিগ্ নাগৰ 'হেতু চক্র' ই পর্য্যাপ্ত পৰিমানে সঠিক পথৰ নির্দেশ দিয়ে।

নৈয়ায়িকসকলোৰ অনুমানৰ মনস্তাত্বিক দিশ আলোচনা কৰি মহান্তিয়ে তর্কীয় অনুক্রম বা পৰিনামৰ লগত ইয়াৰ সাদৃশ্য/অনুৰূপতা লক্ষ্য কৰিছে। মহান্তিৰ মতে তর্কীয় সংগঠনে "আমি কেনেকৈ অনুমান কৰো" এই কথা প্রতিনিধিত্ব কৰাৰ পৰিৱর্তে "প্রকৃতার্থত আমি কিদৰে অনুমান কৰো" এই কথাহে প্রতিনিধিত্ব কৰে।

মহান্তিয়ে মত প্রকাশ কৰিছে যে আগমনৰ সমস্যাৰ বিষয়েও বৌদ্ধ আৰু নৈয়ায়িক সকলে আলোচনা কৰিছে। তেওঁলোকৰ প্রশ্ন হ'ল — কিদৰে/কেনেদৰে লক্ষন বা চিহ্ন আৰু অনুমতি ধর্মৰ মাজৰ সার্বজনীন, নিয়ত, অব্যৱহিত সম্বন্ধ অর্থাৎ ব্যাপ্তি নির্ণয় কৰা হয়? মহান্তিৰ মতে ব্যাপ্তি নিৰূপন সম্পর্কে দার্শনিক সকলে তিনি প্রকাৰৰ প্রতিক্রিয়া ব্যক্ত কৰিছে। জড়বাদী সকলে ইয়াৰ প্রথমটো প্রতিক্রিয়া ব্যক্ত কৰি কয় যে সার্বজনীন ব্যাপ্তি সম্বন্ধ নির্ণয় কৰিব নোৱাৰি, কাৰণ এই ক্ষেত্রত অপ্রত্যক্ষিত বিষয় সম্পর্কে সদায় সন্দেহৰ অৱকাশ থাকি যায়। বৌদ্ধসকলৰ ভিতৰত বিশেষকৈ ধর্মকৃত্তিয়ে যে অধিবিদ্যা মূলক/সত্তামূলক প্রতিক্রিয়া ব্যক্ত কৰি কয় যে আমি সার্বজনীন ব্যাপ্তি তেতিয়াহে নির্ণয় কৰিব পাৰো যেতিয়া আমি পদ দুটাৰ মাজত কার্য-কাৰণ সম্পর্কে অথবা আৱশ্যকীয় সাদৃশ্যৰ সম্পর্ক নির্ণয় কৰিবলৈ সমর্থ হওঁ। কিন্তু এই কথাটোৱে আন এটা প্রশ্ন উত্থাপন কৰে — এই সম্পর্ক কেনেদৰে নির্ণয় কৰিব পাৰি? যদি এই সম্পর্ক প্রত্যক্ষৰ দ্বাৰা নিৰূপন কৰাটো সম্ভৱ হয়, তেনেহ'লে আমি নৈয়ায়িক সকলে ব্যক্ত কৰা তৃতীয়টো প্রতিক্রিয়া সমর্থন কৰিব লাগিব। নৈয়ায়িক সকলৰ মতে, আমি X আৰু Y ৰ মাজৰ সার্বজনীন অব্যৱহিত সম্বন্ধ নির্ণয় কৰিবলৈ হ'লে প্রত্যক্ষ কৰিব লাগিব যে X উপস্থিত থকা সকলো ক্ষেত্রতে Y উপস্থিত থাকে আৰু ইয়াৰ কোনো বিৰুদ্ধ উদাহৰণ প্রত্যক্ষ কৰা নাযায়।

১৫.৪.২.৩ শব্দ (Verbal Testimony)

লোকায়ত, বৌদ্ধ আৰু বৈশেষিক সকলৰ বাহিৰে ভাৰতীয় দর্শনৰ অন্যান্য সম্প্রদায়সমূহে শব্দক প্রমাণ হিচাপে গ্রহন কৰে। শব্দ হৈছে আপ্ত বাক্য অথবা নির্ভৰযোগ্য ব্যক্তিৰ বিবৃত্তি বা উচ্চাৰন। মহান্তিৰ মতে, ভাৰতীয় জ্ঞান মীমাংসাৰ দৃষ্টিকোনৰ পৰা আপ্তবাক্য অথবা নির্ভৰযোগ্য ব্যক্তিৰ বিবৃত্তি শ্রৱন কৰাৰ পিছত আন এজন ব্যক্তিয়ে তেওঁ শ্রৱন কৰাটো প্রকৃত সত্য বুলি দাবী কৰিবলৈ হ'লে তিনিটা চর্ত পূৰণ কৰিব লাগিব।

এই চর্তকেইটা হ'ল — উচ্চাৰন কর্তাৰ চর্ত (Utterer Conditions), ভাষাগত চর্ত (Linguistic Conditions) আৰু বোধগম্যতাৰ চর্ত (Understanding Conditions)।

শব্দ উচ্চাৰন কর্তাৰ চর্তসমূহ হ'ল —

- বক্তা অথবা উচ্চাৰনকর্তাই উচ্চাৰন অথবা বিবৃত্তি প্রকাশ কৰাৰ সময়ত শ্রৱনকর্তা উপস্থিত থাকিব লাগিব।
- বক্তাৰ বৌদ্ধিক সামর্থ্যতা থাকিব লাগিব। অর্থাৎ তেওঁ কি উচ্চাৰন কৰে — সেই কথা নিজে সম্পূর্ণ জনাটো প্রয়োজন। বক্তাৰ নৈতিক যোগ্যতা থাকিব

লাগিব; তেওঁ সৰল আৰু কৃতজ্ঞ হ'ব লাগিব।

শব্দ ভাষাগত চর্তসমূহ হ'ল —

- সান্নিধ্য (Contiguity) ঃ- শব্দৰ উচ্চাৰনৰ মাজত সান্নিধ্য থাকিব লাগিব। অর্থাৎ উচ্চাৰিত শব্দবোৰ নিকট অস্থায়ী অনুক্রমত ইটোৱে সিটোক অনুসৰন কৰিব লাগিব।
- বাক্য বিন্যাসযুক্ত অভিপ্রায় (Syntactic Intention) ঃ- এটা শব্দৰ উচ্চাৰনক উপযুক্ত বাক্য বিন্যাস সংক্রান্তীয় শ্রেণীৰ আন এটা শব্দই অনুসৰন কৰিব লাগিব যাতে দুয়োটা শব্দই একে অর্থ প্রকাশ কৰিবলৈ সমর্থ হয়।
- শব্দার্থিক উপযুক্ততা (Semantic) ঃ- পশ্চাদ্বর্ত্তী শব্দবোৰ কেৱল বাক্য বিন্যাসৰ দিশৰ পৰা উপযুক্ত হ'লেই নহ'ব, এইবোৰ শব্দার্থিক ভাৱে (Semanticaliy) ও উপযুক্ত হ'ব লাগিব।

শব্দ বোধগম্যতাৰ চর্তসমূহ এনেধৰনৰ —

- শ্রৱন কর্তাজনে উপযুক্ত শব্দবোৰৰ অর্থবোৰ বুজি পাব লাগিব। অর্থাৎ উচ্চাৰিত শব্দবোৰ শ্রৱন কর্তাজনৰ বোধগম্য হ'ব লাগিব।
- শ্রৱন কর্তাই বাক্য বিন্যাস সংক্রান্তীয় আৰু (Semantic) উপযুক্ততাক চিনাক্ত স্বীকাৰ (Recognize) কৰিব লাগিব।
- তেওঁ প্রয়োজন অনুসৰি বক্তাৰ অভিপ্রায় চিনাক্ত কৰি এটা বাক্যৰ দ্বি অর্থকতা অথবা অস্পষ্টতা অর্থপূর্ণ আৰু স্পষ্ট ৰূপত প্রকাশ কৰিবলৈ সমর্থ হ'ব লাগিব।
- মহান্তিৰ মতে, ভাৰতীয় দার্শনিকসকলে শব্দৰ বিষয়ে আলোচনা কৰোতে শব্দ 'অর্থ' আৰু 'বাক্যজনিত অর্থ' ৰ সমস্যাৰ বিষয়েও আলোচনা আগবঢ়াইছে। শব্দ অর্থ ৰ সম্পর্কত মহান্তিয়ে মত প্রকাশ কৰিছে যে মতসমূহৰ এক শৃংখলা বিৰাজমান। মীমাংসক সকলৰ মতে শব্দবোৰে সামান্যক নির্দিষ্ট কৰি দেখুৱায়। অর্থাৎ শব্দবোৰে সামান্যক প্রতিনিধিত্ব কৰে। উদাহৰণস্বৰূপে, 'গৰু' (Cow) শব্দটোৱে 'গোত্ব' (Cowness) সামান্যক বুজায়। নৈয়ায়িক সকলৰ মতে শব্দই কেৱল বিশেষ অথবা কেৱল সামান্যক নুবুজায়; সামান্যৰ দ্বাৰা যোগ্য (Qualified) বিশেষকহে বুজায়। বৌদ্ধসকলৰ মতে শব্দৰ অর্থ হ'ল অপৰজর্জন/বর্জন (Exclusion)। বৌদ্ধসকলে ইয়াক Apoha বুলিও উল্লেখ কৰিছে। বাক্যৰ অর্থ সম্পর্কত দুটা প্রশ্ন উত্থাপতি হয় — অর্থ কেৱল বাক্যই প্রকাশ কৰা বিষয়বস্তুও সীমাবদ্ধ নেকি অথবাই বাক্যই দর্শকক গ্রহন কৰিবলৈ অনুপ্রানিত কৰা সম্ভাব্য কার্যৰ কিছু প্রাসংগিকতাতে সীমাবদ্ধ নেকি? দ্বিতীয় আৰু আটাইতকৈ গুৰুত্বপূর্ণ প্রশ্নটো হ'ল — 'শব্দ অর্থ' শব্দার্থ আৰু 'বাক্য অর্থ'/ বাক্যার্থৰ ভিতৰত কোনটো পূৰ্ববর্তী? মহান্তিৰ মতে এই প্রশ্নটো ভাষিক দর্শন অথবা ভাষাগত দর্শন

(Philosophy of Language) ৰ মূল প্ৰশ্ন। নৈয়ায়িকসকল আৰু কুমাৰিলৰ মতে, শব্দাৰ্থ (Word meaning) পূৰ্ববৰ্তী আৰু বাক্যাৰ্থ শব্দাৰ্থৰ পৰাই সংগঠিত হ'ব পাৰে। আনহাতে, প্ৰভাকৰ মীমাংসাই বাক্যাৰ্থৰ পূৰ্ববৰ্ত্তীতা স্বীকাৰ কৰে।

১৫.৪.২.৪ উপমান (Comparison), অনুপলব্ধি, অৰ্থাপত্তি

উপমান হ'ল সাদৃশ্য জ্ঞান। প্ৰথমতে ই শব্দিক, তাৰ পিছত প্ৰত্যক্ষগত আৰু শেষত স্মৃতিৰ সহায়ত এই জ্ঞান/প্ৰজ্ঞাৰ (Cognition) উৎপত্তি হয়। এই প্ৰকাৰৰ প্ৰমাণেই হ'ল উপমান। অৱশ্যে উপমানক সকলোৱে স্বতন্ত্ৰ প্ৰমান হিচাপে গ্ৰহন নকৰে। বৌদ্ধ সকলে উপমানক প্ৰমান হিচাপে স্বীকাৰ কৰিলেও উপমানক প্ৰত্যক্ষ আৰু শব্দৰে এক বিশেষ প্ৰকাৰ ৰূপে অভিহিত কৰে। অনুপলব্ধি হ'ল এটা বস্তুৰ অনস্তিত্ব অথবা অনুপস্থিতিৰ বোধ বা প্ৰজ্ঞাৰ কাৰন। অৰ্থাপত্তিৰ দ্বাৰা বিশেষ এটা ঘটনা ব্যাখ্যা কৰিবৰ বাবে কোনো অপ্ৰত্যাক্ষিত তথ্য অনুমান কৰা হয়। অৰ্থাৎ কোনো অবোধ্য ঘটনা ব্যাখ্যা কৰিবলৈ অন্য কোনো অপ্ৰত্যক্ষিত তথ্য স্বীকাৰ কৰি লোৱা প্ৰমানটোৱেই হ'ল 'অৰ্থাপত্তি'। মহান্তিয়ে মত প্ৰকাশ কৰিছে যে অন্যান্য কিছুমান উপায়কো প্ৰমান হিচাপে স্বীকাৰ কৰিবলগীয়া হয়। এইবোৰ হ'ল — স্মৃতি (Memory), অন্তৰ্ভুক্তিকৰন বা সম্ভৱ (Inclusion or Sambhava) আৰু ঐতিহ্য বা পৰম্পৰা (Tradition)। অন্তৰ্ভুক্তিকৰনৰ উদাহৰন হ'ল "এশ নম্বৰটোৱে পঞ্চাছ নম্বৰটোক অন্তৰ্ভুক্ত কৰে।"

ভাৰতীয় জ্ঞান মীমাংসাত এনেধৰনৰ প্ৰজ্ঞা সমূহক অনুমানলৈ ৰূপান্তৰ কৰিবলৈ প্ৰচেষ্টা চলোৱা হয়। ঐতিহ্য অথবা পৰম্পৰাৰ পৰা নিঃসৃত জ্ঞানক প্ৰায়েই শব্দলৈ পৰ্যবসিত কৰা হয়। জৈন দৰ্শনৰ বাহিৰে অন্যান্য দৰ্শন সমূহে স্মৃতিক স্বতন্ত্ৰ প্ৰমান নহয় বুলি বৰ্জন কৰিবলৈ বিচাৰে তেওঁলোকৰ মতে স্মৃতি পূৰ্ব অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল। স্মৃতিৰ বিৰুদ্ধে উত্থাপিত আন এটা অভিযোগ হ'ল যে স্মৃতিয়ে কেৱল পূৰ্বজ্ঞাত বিষয়ৰ পুনৰাবৃত্তি কৰে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ ভাৰতীয় জ্ঞানমীমাংসা অনুসৰি প্ৰত্যক্ষৰ .....প্ৰকাৰৰ সংজ্ঞা পোৱা যায়।

(ক) দুই

(খ) চাৰি

(গ) ছয়

(ঘ) ন

প্ৰশ্ন ৫ ঃ "প্ৰত্যক্ষ হ'ল সেই প্ৰকাৰৰ জ্ঞান যিটো যিকোনো ধাৰনাৰ পৰা মুক্ত"। এই সংজ্ঞাটো কোনে আগবঢ়াইছিল?

(ক) ন্যায়

(খ) অদ্বৈত বেদান্ত

(গ) দিগ্ নাগ

(ঘ) ধর্ম কৃত্তি

প্রশ্ন ৬ ঃ মহান্তিৰ মতে ভাৰতীয় জ্ঞান মীমাংসাত প্রাপ্ত শব্দ প্রমানৰ চর্তসমূহ কি কি ?

১৫.৪.৩ ভ্রান্তি সম্পর্কীয় মতবাদসমূহ (Khyativada)

দয়াকৃষ্ণৰ মতে ভাৰতীয় দর্শনৰ দ্বিতীয় ধাৰণাটোক ভালদৰে সন্ধান কৰিব পৰা যায়। ভাৰতীয় দর্শনৰ ওপৰত কে. চি. ভট্টাচার্য্যৰ লিখনিসমূহত। ইয়াত কোৱা হয় ভাৰতীয় দর্শন তাৰ এক উল্লেখযোগ্য প্রতিৰূপ, যাক

১৪.৬ দয়াকৃষ্ণৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা পর্য্যবেক্ষণ

মহান্তিৰ মতে ভাৰতীয় দার্শনিকসকল অসত্য/মিথ্যা (Non-veridical) প্রত্যক্ষৰ পৰিৱর্তে মূলতঃ প্রত্যক্ষগত ভ্রান্তি (Perceptual error) ৰ লগত বহুলাংশে জড়িত। দর্শনৰ প্রত্যেক শাখাই জ্ঞান মীমাংসা আৰু তত্ত্ববিদ্যা/অধিবিদ্যাৰ লগত সংগতি ৰাখি নিজস্ব ভ্রান্তি সম্পর্কীয় মতবাদৰ বিকাশ সাধন কৰিছে। এই প্রসংগত মহান্তিয়ে দুটা বিষয়ত আমাৰ মনোযোগ আকর্ষন কৰিবলৈ বিচাৰিছে। তেওঁৰ মতে, এজন বাস্তৱবাদীৰ বাবে সত্য সম্পর্কীয় মতবাদ গঠন কৰাটো সহজ কথা, কাৰন তেওঁ জ্ঞানৰ বিষয়বস্তুৰ মন নিৰপেক্ষ স্বতন্ত্র অস্তিত্ব স্বীকাৰ কৰে। আনহাতে, ভ্রান্তি সম্পর্কীয় মতবাদ গঠন কৰাটো জটিল, কাৰন এই ক্ষেত্রত জ্ঞানৰ বিষয়বস্তু অথবা জ্ঞানৰ প্রকৃতি মন নিৰপেক্ষ যেন বোধ নহয়। আনহাতে, এজন ভাববাদীয়ে ভ্রান্তি সম্পর্কীয় মতবাদ সহজে গঠন কৰিব পাৰে। কাৰন এনে ক্ষেত্রত ভ্রান্তৰ জ্ঞানৰ বিষয়বস্তু মন নির্ভৰশীল যেন অনুভৱ হয়। আনফালেদি এটা সত্য সম্পর্কীয় মতবাদে সাদৃশ্য/অনুৰূপতাৰ সাধাৰন মত/ধাৰনাৰ পৰা আঁতৰি যায়। ভ্রান্তি সম্পর্কীয় ভাৰতীয় মতবাদসমূহ আলোচনা কৰি মহান্তিয়ে ভ্রান্তিৰ জড়বাদী, ভাৱবাদী আৰু বাস্তৱবাদী দৃষ্টিভংগীসমূহ "ৰজ্জুতে সর্পভ্রম" ৰ ৰূপত সংক্ষিপ্তভাৱে প্রকাশ কৰিছে। মহান্তিৰ মতে এই মতবাদসমূহে তিনিটা আদর্শ গ্রহন কৰিব লাগিব। প্রথমতে, প্রত্যেকটো মতবাদে এটা কথাত গুৰুত্ব দিব লাগিব যে সাপৰ মিথ্যা প্রত্যক্ষ আৰু সাপৰ সত্য প্রত্যক্ষ আৰম্ভনিতে সমতুল্য। দ্বিতীয়তে, মতবাদটোৱে ভ্রান্তিৰ সংশোধনৰ বিষয়টো গুৰুত্ব সহকাৰে গ্রহন কৰিব লাগিব যাৰ সৈতে মিথ্যা প্রত্যক্ষ প্রথম অৱস্থাত মিথ্যা বুলি স্বীকৃত হয়। তৃতীয়তে, মতবাদটোৱে ভ্রান্তি উদ্ভৱ হোৱা, প্রকাশিত হোৱা,ৰূপান্তৰ হোৱা, প্রত্যাখিত হোৱা, কিন্তু পুনৰ স্মৰন কৰা আৰু আশ্চর্যচকিত হোৱা আদি সমগ্র অভিজ্ঞতাৰ এক প্রতিফলিত ব্যাখ্যা অন্তর্ভুক্ত কৰিবলৈ সমর্থ হ'ব লাগিব। মহান্তিয়ে এই সমগ্র দিশ যিকোনো এটা মতবাদে বিবেচনা কৰি চাইছেনে নাই সেইটো অনুসন্ধান কৰিছে। ভ্রান্তি সম্পর্কীয় মতবাদসমূহ হ'ল —

(১) প্রত্যক্ষ কৰা ভ্রমাত্মক সাপটো প্রকৃতার্থত অস্তিত্ব বিহীন। এই মতবাদক অসতখ্যাতিবাদ বোলা হয় আৰু চার্বাকসকলে এই মতবাদটো সমর্থন কৰিছে। এই মতবাদত মহান্তিয়ে লক্ষ্য কৰিছে যে 'গোলাকাৰ বর্গক্ষেত্র'ৰ দৰে এটা অস্তিত্ববিহীন বিষয়ক প্রত্যক্ষভাৱে উপলব্ধি কৰিব পৰাকৈ উপস্থাপন কৰিব নোৱাৰি। ভ্রান্তিৰ সংশোধনী প্রক্রিয়াই বিষয়বস্তুৰ অনস্তিত্বৰ প্রমান দিব নোৱাৰে; ই কেৱল বিষয়বস্তুটো সত্য নহয় বুলি স্বীকাৰ কৰিব পাৰে।

(২) এইটো প্ৰকৃততে এটা মানসিক অৱস্থা যিটো মানসিক প্ৰতিচ্ছবিৰূপে সাপৰ বাহিৰত প্ৰক্ষেপ কৰা হয়। বৌদ্ধ যোগাচাৰ সকলে সমৰ্থন কৰা এই মতবাদক আত্মখ্যাতিবাদ বোলা হয়। এই মতবাদ সম্পৰ্কত মহান্তিয়ে কৈছে যে এটা মানসিক সত্তা কিদৰে বাহিৰত প্ৰত্যক্ষ কৰা হয় — এই সম্পৰ্কে ব্যাখ্যাৰ প্ৰয়োজন আছে আৰু কোনোবাই "এইটো কোনো প্ৰকাৰে প্ৰক্ষেপ কৰা হৈছে" বুলি কোৱাটোৱে দুৰ্বোধ্যতা দূৰ কৰিব নোৱাৰে। ইয়াৰ উপৰিও ভ্ৰান্তিৰ সংশোধনে মানসিক অস্তিত্ব হিচাপে বিষয়বস্তুৰ স্থিতি প্ৰমান কৰিব নোৱাৰে।

(৩) যিটো স্ব প্ৰত্যক্ষিত সেইটো সত্য আৰু অংশক সমগ্ৰ বুলি ভুল কৰিলে ভ্ৰান্তিৰ উদয় হ'ব পাৰে। এই মতবাদটোক সংখ্যাতিবাদ বোলা হয়। ৰামানুজৰ বিশিষ্টা দ্বৈতবাদে এই মতবাদ সমৰ্থন কৰে। সংখ্যাতিবাদ অনুসৰি সৎবস্তুৰেই জ্ঞানৰ বিষয় হ'ব পাৰে; জ্ঞানৰ বিষয় মন নিৰপেক্ষ মহান্তিৰ মতে এই মতবাদটোৱে ভ্ৰান্তিৰ প্ৰকৃতি ব্যাখ্যা কৰিব নোৱাৰে।

(৪) অনুমান কৰি লোৱা ভ্ৰমাত্মক জ্ঞান/প্ৰজ্ঞা দুটা পৃথক জ্ঞানৰ দ্বাৰা গঠিত। এটা হ'ল প্ৰত্যক্ষ আৰু আনটো হ'ল স্মৃতি। এই মতবাদ অনুসৰি প্ৰত্যেক জ্ঞানেই সত্য আৰু ভ্ৰান্তিৰ ক্ষেত্ৰতো যথাৰ্থতে কোনো অসত্যতা নাথকে। কিন্তু স্মৃতিৰ ভুলৰ বাবে প্ৰত্যক্ষিত বস্তু আৰু স্মৰন কৰা বস্তুৰ মাজৰ পাৰ্থক্য লক্ষ্য কৰা নহয়। ফলত আমাৰ জ্ঞান দোষযুক্ত হয়। ই নঞাৰ্থক মানসিক অৱস্থা আৰু ভ্ৰান্তিৰ সমতুল্য নহয়। প্ৰভাকৰ মীমাংসক সকলে সমৰ্থন কৰা এই মতবাদক অখ্যাতিবাদ বোলা হয়। মহান্তিৰ মতে এই মতবাদৰ দোষ নথকা নহয়। কাৰণ এই মতবাদে "এজন ব্যক্তিয়ে কিয় আৰু কেনেকৈ প্ৰত্যক্ষ আৰু স্মৃতিৰ মাজত পাৰ্থক্য নিৰূপন কৰাত বিফল হয়" — সেই সম্পৰ্কে সঠিক ব্যাখ্যা আগবঢ়াব নোৱাৰে।

(৫) এই মতবাদত দুটা পৃথক আৰু অস্তিত্বশীল বস্তুক একেটা উক্তিতে উদ্দেশ্য আৰু বিধেয়ৰূপে ব্যৱহাৰ কৰাৰ ফলত ভ্ৰান্তিৰ উদয় হয়। ইয়াত স্মৃতিৰ বিষয়টোক প্ৰত্যক্ষৰ বিষয়ৰূপে গণ্য কৰা হয়। 'ৰজজুত সর্প ভ্ৰম' ৰ ক্ষেত্ৰত প্ৰত্যক্ষিত ৰচীডালক অস্তিত্বশীল সাপ শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰ হয়। কুমাৰিল মীমাংসা শাখাই প্ৰৱৰ্তন কৰা এই মতবাদটোক বিপৰীত খ্যাতিবাদ বোলা হয়। এই মতবাদ সম্পৰ্কে মহান্তিয়ে কৈছে যে কিদৰে এটা প্ৰত্যক্ষৰ সহায়ত এটা স্মৃতি প্ৰতিৰূপ চিনাক্ত কৰিব পাৰি — সেই সম্পৰ্কে এই মতবাদটোৱে ব্যাখ্যা কৰিব নোৱাৰে।

(৬) ভ্ৰমত প্ৰত্যক্ষ কৰা সাপটো প্ৰকৃত সাপেই ইয়াত বিষয়বস্তুত কোনো ভুল নাই। বিষয়বস্তু সকলো সময়তে সত্য। বিষয়বস্তুৰ পূৰ্ব প্ৰত্যক্ষৰ স্মৃতিৰ মাধ্যমেৰে অসাধাৰন কাৰনিক প্ৰক্ৰিয়াৰ স্মৃতিৰ মাধ্যমেৰে অসাধাৰন কাৰনিক প্ৰক্ৰিয়াৰ সহায়ত প্ৰত্যক্ষকৰ্তাৰ সন্মুখত সেই বিষয়বস্তুটো উপস্থাপিত হয়। প্ৰত্যক্ষিত বিষয়ত নথকা গুণ বা বৈশিষ্ট্য আৰোপ কৰিলেই ভ্ৰমৰ উৎপত্তি হয়। 'ৰজ্জুত সর্প ভ্ৰম' ৰ ক্ষেত্ৰত স্মৃতিৰ মাধ্যমেৰে চকু ইন্দ্ৰিয়ৰ লগত আন এটা বস্তুৰ সংযোগ হয় নৈয়ায়িক সকলে গ্ৰহন কৰা এই মতবাদটোৰ নাম অন্যথা খ্যাতিবাদ। এই মতবাদ সম্পৰ্কে মহান্তিয়ে মত প্ৰকাশ কৰি কয় যে কিদৰে প্ৰত্যক্ষ কৰ্তাৰ সন্মুখত উপস্থাপিত নোহোৱা এটা সর্প প্ৰত্যক্ষ কৰা হয় — এই সম্পৰ্কে মতবাদটোৱে বিশ্বাসযোগ্য ব্যাখ্যা প্ৰদান কৰিব লাগিব। ইয়াৰ উপৰিও অলৌকিক প্ৰত্যক্ষৰ আনুমানিক/কল্পিত কৌশলৰো এক বিশ্বাসযোগ্য ব্যাখ্যাৰ প্ৰয়োজন হয়।

(৭) অসত্য প্রত্যক্ষ সত্য প্রত্যক্ষৰ দৰে একত্রিত জ্ঞান। কেৱল ইয়াৰ জ্ঞানৰ বিষয়বস্তু (সাপ) উপস্থিতো নহয় কাৰণ ই ৰচী জ্ঞানৰ দ্বাৰা নিষেধিত/ বাধিত হয়, আৰু ই অনুপস্থিতো নহয় কাৰণ ই প্রত্যক্ষৰ আগত উপস্থাপিত হয়। সেইবাবে ইয়াক অনিবর্চনীয় বুলি কোৱা হয়। অর্থাৎ ই সতো নহয়, অসতো নহয়। ৰচীত সর্পভ্রম হোৱা সময়ত অনিবর্চনীয় সাপৰ প্রকাশ হয়। এই মতবাদক অনির্বচনীয়, খ্যাতিবাদ বোলা হয়। শংকৰাচার্যৰ অদ্বৈত বেদান্ত দর্শনে এই মতবাদ প্রৱর্তন কৰে। অর্নিবচনীয় খ্যাতিবাদ সম্পর্কত মহান্তিয়ে কয় যে অদ্বৈত বেদান্ত মতবাদে ভ্রম সম্পর্কীয় পৰিস্থিতিৰ সকলো দিশ বিচাৰ কৰি চায় বুলি দাবী কৰে; কিন্তু এই মতবাদে এটা নতুন সত্তামূলক গুন আৰিষ্কাৰ কৰিছে আৰু সেইটো হ'ল অস্তিত্ব অথবা অনস্তিত্ব হিচাপে 'অনির্বচনীয়' যাক 'মিথ্যা' অসত্য' বুলিও অভিহিত কৰিব পাৰি। মিথ্যা/মিছা/অসত্যৰ সংজ্ঞা এনেদৰে দিব পাৰি — এটা বিষয় অসত্য/ মিথ্যা বুলি প্রতিপন্ন হ'ব যদিহে প্রত্যক্ষিত হোৱা সেই সমতাৰ পথতে ইয়াক অস্বীকাৰ কৰা হয়/ই বাধিত হয়। এনেকুৱা অস্তিত্বমূলক সত্তাৰ কাৰন সম্পর্কীয় সমস্যা সমস্যাৰূপেই থাকি যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ ভাৰতীয় দার্শনিকসকল মূলতঃ প্রত্যক্ষগত ভ্রান্তি অথবা অসত্য প্রত্যক্ষৰ লগত আচ্ছন/ মগ্ন জড়িত হৈ থাকে। (সত্য/অসত্য)

প্রশ্ন ৮ ঃ ভাৰতীয় ভ্রম তত্বৰ ওপৰত মহান্তিৰ ব্যাখ্যাসমূহ আগবঢ়োৱা।

১৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জিতেন্দ্র নাথ মহান্তি আছিল একবিংশ শতিকাৰ আটাইতকৈ প্রভাৱশালী দার্শনিকসকলৰ ভিতৰত অন্যতম যি পাশ্চাত্য দর্শন আৰু ভাৰতীয় দর্শনলৈ বিশিষ্ট অৱদান আগবঢ়াই গৈছে।
- মহান্তিৰ মতে এটা বিষয়ৰ কেৱল চেতনাই বিষয়বস্তু সম্পর্কীয় জ্ঞান হ'ব নোৱাৰে। পূর্ণ বিকশিতৰূপত জ্ঞানৰ অর্থ হ'ল বোধগম্যতা।
- মহান্তিয়ে ভাৰতীয় জ্ঞানমীমাংসাৰ এক বিস্তৃত পৰীক্ষামূলক অনুসন্ধান আগবঢ়াইছে। মহান্তিয়ে তেওঁৰ 'Classical Indian Philosophy' নামৰ গ্রন্থত সপ্তদশ শতিকাৰ নব্য ন্যায়ৰ জৰিয়তে ভাৰতীয় জ্ঞানমীমাংসাৰ পৰীক্ষন আগবঢ়াইছিল।
- মহান্তিয়ে ভাৰতীয় জ্ঞান মীমাংসাত উত্থাপিত মৌলিক প্রশ্নসমূহৰ প্রতি আমাৰ মনোযোগ আকর্ষন কৰিছিল যিবোৰৰ উত্তৰসমূহে ভাৰতীয় দর্শনৰ বিভিন্ন শাখাত বিতর্কৰ সূচনা কৰিছিল। প্রশ্নসমূহ হ'ল ঃ-

  (ক) চেতনাৰ সত্তামূলক প্রকৃতি কি?

  (খ) জ্ঞান/প্রজ্ঞা (Cognition) ক কিদৰে জানিব/চিহ্নিত কৰিব পাৰি?

  (গ) চিৎ অভিপ্রায়যুক্ত হয় নে নহয়?

(ঘ) জ্ঞান/প্রজ্ঞাৰ নিজা আকাৰ আছেনে অথবা ই আকাৰবিহীন?

- ভাৰতীয় জ্ঞান মীমাংসাত জ্ঞান (Cognition) ক প্রমা অথবা যথার্থ জ্ঞান আৰু অপ্রমা অথ বা অযথার্থ জ্ঞান — এই দুটা ভাগত বিভক্ত কৰা হয়। প্রমা হ'ল সেই প্রকাৰৰ জ্ঞান যি সত্য/যথার্থ অথবা যি প্রামান্য নামৰ ধর্ম আহৰণ কৰে আৰু অপ্রমা হ'ল অসমার্থ মিথ্যা জ্ঞান য'ত প্রামান্য নামৰ ধর্মটো নাথাকে। মহান্তিয়ে ভাৰতীয় দর্শনত প্রামান্যৰ অর্থৰ অনুসন্ধান কৰে। তেওঁ আঙুলিয়াই দেখুৱাইছে যে ভাৰতীয় দর্শনত প্রামান্য সম্পর্কীয় তিনি প্রকাৰৰ মত পোৱা যায় আৰু এই মত সমূহ আগবঢ়াইছিল ন্যায়, বৌদ্ধ আৰু অদ্বৈত বেদান্ত দর্শনে।
- প্রত্যক্ষ সম্পর্কে মহান্তিয়ে কৈছে যে ভাৰতীয় জ্ঞান মীমাংসাত প্রত্যক্ষৰ দুই প্রকাৰৰ সংজ্ঞা পোৱা যায়। প্রথমতে, প্রত্যক্ষগত জ্ঞান কেনেকৈ লাভ কৰিব পাৰি — এই কথাৰ আঁত ধৰি প্রত্যক্ষৰ সংজ্ঞা দিয়া হয় আৰু দ্বিতীয়তে, জ্ঞানৰ প্রকৃতি অনুযায়ী প্রত্যক্ষৰ সংজ্ঞা দিয়া হয়।
- মহান্তিয়ে আঙুলিয়াই দেখুৱাইছে যে অনুমানে তর্কীয় মতবাদ অথবা প্রমানৰ নিয়ম আৰু ভাল যুক্তিৰ সংগঠন আগবঢ়ায়। নৈয়ায়িক সকলৰ অনুমানৰ মনস্তাত্বিক ব্যাখ্যা আলোচনা কৰি মহান্তিয়ে তর্কীয় অনুক্রম বা পৰিনামৰ আগত ইয়াৰ অনুৰূপতা উল্লেখ কৰিছে। মহান্তিৰ মতে তর্কীয় সংগঠনে 'আমি কেনেকৈ অনুমান কৰোঁ' ইয়াৰ পৰিৱর্তে 'প্রকৃতার্থত আমি কিদৰে অনুমান কৰোঁ — এই কথা প্রতিফলিত কৰে। মহান্তিয়ে মত প্রকাশ কৰিছে যে বৌদ্ধ আৰু নৈয়ায়িক সকলেও আগমনৰ সমস্যা সম্পর্কে আলোচনা কৰিছে। তেওঁলোকৰ প্রশ্ন হ'ল — কিদৰে ব্যপ্তি নির্ণয় কৰিব পাৰি? মহান্তিৰ মতে ব্যাপ্তি নির্ণয়কৰন সম্পর্কে তিনি প্রকাৰৰ প্রতিক্রিয়া পোৱা যায়।
- মহান্তিয়ে উল্লেখ কৰিছে যে ভাৰতীয় দার্শনিক সকল মূলতঃ প্রত্যক্ষগত ভ্রান্তি অতবা অসত্য প্রত্যক্ষৰ লগত জড়িত হৈ থাকে। প্রত্যেক দার্শনিক শাখাই জ্ঞান মীমাংসা আৰু তত্ববিদ্যাৰ লগত সংগতি ৰাখি নিজা ভ্রম সম্পর্কীয় মতবাদৰ বিকাশ সাধন কৰিছে।

১৫.৬ অধিক জানিবলৈ

1. Mohanty, J.N. (1992). Reason and Tradition in Indian Thought. Clarendow Press, Oxford.
2. Mohanty, J.N. (2000), Classical Indian Philosophy. Rowman & Littlefield Publishers, Oxford.

১৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য
(খ) অসত্য

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) চেতনাৰ সত্তামূলক প্রকৃতি কি?

(খ) জ্ঞান/প্রজ্ঞাক কিদৰে জানিব/চিনাক্ত কৰিব পাৰি?

(গ) চিৎ অভিপ্রায়মূলক হয়নে নহয়?

(ঘ) জ্ঞানপ্রজ্ঞাৰ নিজা আকাৰ আছেনে অথবা ই আকাৰ বিহীন?

৩ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় জ্ঞান মীমাংসাত জ্ঞান (Cognition) ক প্রমা বা যথার্থ জ্ঞান আৰু অপ্রমা বা অযথার্থ জ্ঞান — এই দুটা ভাগত বিভক্ত কৰা হয়। প্রমা হ'ল সেই প্রকাৰৰ জ্ঞান যি সত্য/যথার্থ অথবা যি প্রামান্য নামৰ ধর্মটো আহৰন কৰে। আনহাতে অপ্রমা হ'ল মিথ্যা জ্ঞান/অযথার্থ জ্ঞান য'ত প্রামান্য নামৰ ধর্মটো নাথাকে। মহান্তিয়ে ভাৰতীয় দর্শনত প্রামান্যৰ অর্থৰ অনুসন্ধান কৰে। তেওঁ আঙুলিয়াই দেখুৱাইছে যে ভাৰতীয় দর্শনত প্রামান্য সম্পর্কীয় তিনি প্রকাৰৰ মত পোৱা যায় আৰু এই মতসমূহ আগবঢ়াইছিল ন্যায়, বৌদ্ধ আৰু অদ্বৈত বেদান্ত দর্শনে। ন্যায় সকলে আগবঢ়োৱা প্রথমটো মত অনুসৰি প্রামান্যৰ অর্থ হ'ল যথার্থ (Jatharthya) অথবা বিষয়ৰ নিচিনা সত্তাৰ ধর্ম (Property of being like the object)। দ্বিতীয় মতটো বৌদ্ধ দর্শনে আগবঢ়াইছে আৰু বৌদ্ধ সকলৰ মতে সত্যতা হ'ল সফল প্রায়োগিক প্রতিক্রিয়া সৃষ্টি কৰিব পৰা ধর্ম। অদ্বৈত বেদান্ত দার্শনিক সকলে তৃতীয় মত আগবঢ়াইছে। তেওঁলোকে ন্যায় আৰু বৌদ্ধ মত প্রত্যাখান কৰি কৈছে যে সত্যতাৰ কোনো সার্বজনীন সদর্থক আদর্শ প্রমান নাই। আমি কেৱল নঞার্থক ভাৱে সত্যৰ সংজ্ঞা দিব পাৰো। এটা জ্ঞান কেৱল তেতিয়াহে সত্য হ'ব যেতিয়া এই জ্ঞান কোনো পৰৱর্ত্তী অভিজ্ঞতাৰ দ্বাৰা বিৰুদ্ধ নহয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) দুই

৫ নং প্রশ্নৰ উত্তৰ ঃ (গ) দিগ্‌নাগ

৬ নং প্রশ্নৰ উত্তৰ ঃ মহান্তিৰ মতে, ভাৰতীয় জ্ঞান মীমাংসাৰ দৃষ্টিকোনৰ পৰা আপ্ত বাক্য অথবা নির্ভৰযোগ্য ব্যক্তিৰ বিবৃত্তি শ্রৱন কৰাৰ পিছত আন এজন ব্যক্তিয়ে তেওঁ শ্রৱন কৰাটো প্রকৃত সত্য বুলি দাবী কৰিবলৈ হ'লে তিনিটা চর্ত পূৰণ কৰিব লাগিব। এই চর্ত কেইটা হ'ল —

উচ্চাৰন কর্তাৰ চর্ত (Utterer Conditions)

ভাষাগত চর্ত (Linguistic Conditions) আৰু

বোধগম্যতাৰ চর্ত (Understanding Conditions)

শব্দ উচ্চাৰন কর্তাৰ চর্তসমূহ হ'ল —

- বক্তা অথবা উচ্চাৰন কর্তাই উচ্চাৰন অথবা বিবৃত্তি প্রকাশ কৰাৰ সময়ত শ্রৱন কর্তা উপস্থিত থাকিব লাগিব।
- বক্তাৰ বৌদ্ধিক সামর্থ্যতা থাকিব লাগিব। অর্থাৎ তেওঁ কি উচ্চাৰন কৰে — সেই কথা নিজে সম্পূর্ণ জনাটো প্রয়োজন। বক্তাৰ নৈতিক যোগ্যতা থাকিব লাগিব; তেওঁ সৰল আৰু কৃতজ্ঞ হ'ব লাগিব। শব্দৰ ভাষাগত চর্তসমূহ হ'ল —
- সান্নিধ্য (Contignity) ঃ- শব্দৰ উচ্চাৰনৰ মাজত সান্নিধ্য থাকিব লাগিব। অর্থাৎ উচ্চাৰিত শব্দবোৰ নিকট অস্থায়ী অনুক্রমত ইটোৱে সিটোক অনুসৰন কৰিব লাগিব।

- বাক্য বিন্যাসযুক্ত অভিপ্রায় (Syntactic intention) ঃ- এটা শব্দৰ উচ্চাৰনক উপযুক্ত বাক্য বিন্যাস সংক্রান্তীয় শ্রেণীৰ আন এটা শব্দই অনুসৰন কৰিব লাগিব যাতে দুয়োটা শব্দই একে অর্থ প্রকাশ কৰিবলৈ সমর্থ হয়।
- শব্দার্থিক উপযুক্ততা (Semantic Appropriateness) ঃ- পশ্চাদ্বর্ত্তী শব্দবোৰ কেৱল বাক্য বিন্যাসৰ দিশৰ পৰা উপযুক্ত হ'লেই নহ'ব, এইবোৰ শব্দার্থিক ভাৱেও উপযুক্ত হ'ব লাগিব।

শব্দ বোধগম্যতাৰ চর্তসমূহ এনেধৰনৰ —

- শ্রৱন কর্তাজনে উপযুক্ত শব্দবোৰৰ অর্থবোৰ বুজি পাব লাগিব। অর্থাৎ উচ্চাৰিত শব্দবোৰ শ্রৱন কর্তাজনৰ বোধগম্য হ'ব লাগিব।
- শ্রৱন কর্তাই বাক্য বিন্যাস সংক্রান্তীয় আৰু উপযুক্ততাক স্বীকাৰ চিনাক্ত (Recognize) কৰিব লাগিব।
- তেওঁ প্রয়োজন অনুসৰি বক্তাৰ অভিপ্রায় চিনাক্ত কৰি এটা বাক্যৰ দ্বি অর্থকতা অথবা অস্পষ্টতা অর্থপূর্ণ আৰু স্পষ্ট ৰূপত প্রকাশ কৰিবলৈ সমর্থ হ'ব লাগিব।

৭ নং প্রশ্নৰ উত্তৰ ঃ সত্য

৮ নং প্রশ্নৰ উত্তৰ ঃ ভ্রান্তি সম্পর্কীয় ভাৰতীয় মতবাদসমূহ আলোচনা কৰি মহান্তিয়ে ভ্রান্তিক জড়বাদী, ভাৱবাদী আৰু বাস্তৱবাদী দৃষ্টিভংগীসমূহ "ৰজ্জুতে সর্পভ্রম" ৰ ৰূপত সংক্ষিপ্তভাৱে প্রকাশ কৰিছে। মহান্তিৰ মতে এই মতবাদসমূহে তিনিটা আদর্শ গ্রহন কৰিব লাগিব। প্রথমতে, প্রত্যেকটো মতবাদে এটা কথাত গুৰুত্ব দিব লাগিব যে সাপৰ মিথ্যা প্রত্যক্ষ আৰু সাপৰ সত্য প্রত্যক্ষ আৰম্ভনিতে সমতুল্য। দ্বিতীয়তে, মতবাদটোৱে ভ্রান্তিৰ সংশোধনৰ বিষয়টো গুৰুত্ব সহকাৰে গ্রহন কৰিব লাগিব যাৰ সৈতে মিথ্যা প্রত্যক্ষ প্রথম অৱস্থাত মিথ্যা বুলি স্বীকৃত হয়। তৃতীয়তে, মতবাদটোৱে ভ্রান্তি উদ্ভৱ হোৱা, প্রকাশিত হোৱা,ৰূপান্তৰ হোৱা, প্রত্যাখিত হোৱা, কিন্তু পুনৰ স্মৰন কৰা আৰু আশ্চর্যচকিত হোৱা আদি সমগ্র অভিজ্ঞতাৰ এক প্রতিফলিত ব্যাখ্যা অন্তর্ভুক্ত কৰিবলৈ সমর্থ হ'ব লাগিব। মহান্তিয়ে এই সমগ্র দিশ যিকোনো এটা মতবাদে বিবেচনা কৰি চাইছেনে নাই — সেইটো অনুসন্ধান কৰিছে।

ভ্রান্তি সম্পর্কীয় মতবাদসমূহ হ'ল —

(১)প্রত্যক্ষ কৰা ভ্রমাত্মক সাপটো প্রকৃতার্থত অস্তিত্ব বিহীন। এই মতবাদক অসতখ্যাতিবাদ বোলা হয় আৰু চার্বাকসকলে এই মতবাদটো সমর্থন কৰিছে। এই মতবাদত মহান্তিয়ে লক্ষ্য কৰিছে যে 'গোলাকাৰ বর্গক্ষেত্র'ৰ দৰে এটা অস্তিত্ববিহীন বিষয়ক প্রত্যক্ষভাৱে উপলব্ধি কৰিব পৰাকৈ উপস্থাপন কৰিব নোৱাৰি। ভ্রান্তিৰ সংশোধনী প্রক্রিয়াই বিষয়বস্তুৰ অনস্তিত্বৰ প্রমান দিব নোৱাৰে; ই কেৱল বিষয়বস্তুটো সত্য নহয় বুলি স্বীকাৰ কৰিব পাৰে।

(২)এইটো প্রকৃততে এটা মানসিক অৱস্থা যিটো মানসিক প্রতিচ্ছবিৰূপে সাপৰ বাহিৰত প্রক্ষেপ কৰা হয়। বৌদ্ধ যোগাচাৰ সকলে সমর্থন কৰা এই মতবাদক আত্মখ্যাতিবাদ বোলা হয়। এই মতবাদ সম্পর্কত মহান্তিয়ে কৈছে যে এটা মানসিক সত্তা কিদৰে বাহিৰত প্রত্যক্ষ কৰা হয় — এই সম্পর্কে ব্যাখ্যাৰ প্রয়োজন আছে আৰু কোনোবাই "এইটো কোনো প্রকাৰে প্রক্ষেপ কৰা হৈছে" বুলি কোৱাটোৱে দুর্বোধ্যতা দূৰ কৰিব নোৱাৰে। ইয়াৰ উপৰিও ভ্রান্তিৰ সংশোধনে মানসিক অস্তিত্ব হিচাপে বিষয়বস্তুৰ স্থিতি প্রমান কৰিব নোৱাৰে।

(৩)যিটো স্ব প্রত্যক্ষিত সেইটো সত্য আৰু অংশক সমগ্র বুলি ভুল কৰিলে ভ্রান্তিৰ উদয় হ'ব পাৰে। এই মতবাদটোক সংখ্যাতিবাদ বোলা হয়। ৰামানুজৰ বিশিষ্টা দ্বৈতবাদে এই মতবাদ সমর্থন কৰে। সংখ্যাতিবাদ অনুসৰি

সৎবস্তুৰেই জ্ঞানৰ বিষয় হ'ব পাৰে; জ্ঞানৰ বিষয় মন নিৰপেক্ষ মহান্তিৰ মতে এই মতবাদটোৱে ভ্ৰান্তিৰ প্ৰকৃতি ব্যাখ্যা কৰিব নোৱাৰে।

(৪) অনুমান কৰি লোৱা ভ্ৰমাত্মক জ্ঞান/প্ৰজ্ঞা দুটা পৃথক জ্ঞানৰ দ্বাৰা গঠিত। এটা হ'ল প্ৰত্যক্ষ আৰু আনটো হ'ল স্মৃতি। এই মতবাদ অনুসৰি প্ৰত্যেক জ্ঞানেই সত্য আৰু ভ্ৰান্তিৰ ক্ষেত্ৰতো যথাৰ্থতে কোনো অসত্যতা নাথকে। কিন্তু স্মৃতিৰ ভুলৰ বাবে প্ৰত্যক্ষিত বস্তু আৰু স্মৰন কৰা বস্তুৰ মাজৰ পাৰ্থক্য লক্ষ্য কৰা নহয়। ফলত আমাৰ জ্ঞান দোষযুক্ত হয়। ই নঞাৰ্থক মানসিক অৱস্থা আৰু ভ্ৰান্তিৰ সমতুল্য নহয়। প্ৰভাকৰ মীমাংসক সকলে সমৰ্থন কৰা এই মতবাদক অখ্যাতিবাদ বোলা হয়। মহান্তিৰ মতে এই মতবাদৰ দোষ নথকা নহয়। কাৰণ এই মতবাদে "এজন ব্যক্তিয়ে কিয় আৰু কেনেকৈ প্ৰত্যক্ষ আৰু স্মৃতিৰ মাজত পাৰ্থক্য নিৰূপন কৰাত বিফল হয়" — সেই সম্পৰ্কে সঠিক ব্যাখ্যা আগবঢ়াব নোৱাৰে।

(৫) এই মতবাদত দুটা পৃথক আৰু অস্তিত্বশীল বস্তুক একেটা উক্তিতে উদ্দেশ্য আৰু বিধেয়ৰূপে ব্যৱহাৰ কৰাৰ ফলত ভ্ৰান্তিৰ উদয় হয়। ইয়াত স্মৃতিৰ বিষয়টোক প্ৰত্যক্ষৰ বিষয়ৰূপে গণ্য কৰা হয়। 'ৰজ্জুত সৰ্প ভ্ৰম' ৰ ক্ষেত্ৰত প্ৰত্যক্ষিত ৰচীডালক অস্তিত্বশীল সাপ শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰ হয়। কুমাৰিল মীমাংসা শাখাই প্ৰৱৰ্তন কৰা এই মতবাদটোক বিপৰীত খ্যাতিবাদ বোলা হয়। এই মতবাদ সম্পৰ্কে মহান্তিয়ে কৈছে যে কিদৰে এটা প্ৰত্যক্ষৰ সহায়ত এটা স্মৃতি প্ৰতিৰূপ চিনাক্ত কৰিব পাৰি — সেই সম্পৰ্কে এই মতবাদটোৱে ব্যাখ্যা কৰিব নোৱাৰে।

(৬) ভ্ৰমত প্ৰত্যক্ষ কৰা সাপটো প্ৰকৃত সাপেই ইয়াত বিষয়বস্তুত কোনো ভুল নাই। বিষয়বস্তু সকলো সময়তে সত্য। বিষয়বস্তুৰ পূৰ্ব প্ৰত্যক্ষৰ স্মৃতিৰ মাধ্যমেৰে অসাধাৰন কাৰনিক প্ৰক্ৰিয়াৰ স্মৃতিৰ মাধ্যমেৰে অসাধাৰন কাৰনিক প্ৰক্ৰিয়াৰ সহায়ত প্ৰত্যক্ষকৰ্তাৰ সন্মুখত সেই বিষয়বস্তুটো উপস্থাপিত হয়। প্ৰত্যক্ষিত বিষয়ত নথকা গুণ বা বৈশিষ্ট্য আৰোপ কৰিলেই ভ্ৰমৰ উৎপত্তি হয়। 'ৰজ্জুত সৰ্প ভ্ৰম' ৰ ক্ষেত্ৰত স্মৃতিৰ মাধ্যমেৰে চকু ইন্দ্ৰিয়ৰ লগত আন এটা বস্তুৰ সংযোগ হয় নৈয়ায়িক সকলে গ্ৰহন কৰা এই মতবাদটোৰ নাম অন্যথা খ্যাতিবাদ। এই মতবাদ সম্পৰ্কে মহান্তিয়ে মত প্ৰকাশ কৰি কয় যে কিদৰে প্ৰত্যক্ষ কৰ্তাৰ সন্মুখত উপস্থাপিত নোহোৱা এটা সৰ্প প্ৰত্যক্ষ কৰা হয় — এই সম্পৰ্কে মতবাদটোৱে বিশ্বাসযোগ্য ব্যাখ্যা প্ৰদান কৰিব লাগিব। ইয়াৰ উপৰিও অলৌকিক প্ৰত্যক্ষৰ আনুমানিক/কল্পিত কৌশলৰো এক বিশ্বাসযোগ্য ব্যাখ্যাৰ প্ৰয়োজন হয়।

(৭) অসত্য প্ৰত্যক্ষ সত্য প্ৰত্যক্ষৰ দৰে একত্ৰিত জ্ঞান। কেৱল ইয়াৰ জ্ঞানৰ বিষয়বস্তু (সাপ) উপস্থিতো নহয় কাৰণ ই ৰচী জ্ঞানৰ দ্বাৰা নিষেধিত/ বাধিত হয়, আৰু ই অনুপস্থিতো নহয় কাৰণ ই প্ৰত্যক্ষৰ আগত উপস্থাপিত হয়। সেইবাবে ইয়াক অনিৰ্বচনীয় বুলি কোৱা হয়। অৰ্থাৎ ই সতো নহয়, অসতো নহয়। ৰচীত সৰ্পভ্ৰম হোৱা সময়ত অনিৰ্বচনীয় সাপৰ প্ৰকাশ হয়। এই মতবাদক অনিৰ্বচনীয়, খ্যাতিবাদ বোলা হয়। শংকৰাচাৰ্যৰ অদ্বৈত বেদান্ত দৰ্শনে এই মতবাদ প্ৰৱৰ্তন কৰে। অনিৰ্বচনীয় খ্যাতিবাদ সম্পৰ্কত মহান্তিয়ে কয় যে অদ্বৈত বেদান্ত মতবাদে ভ্ৰম সম্পৰ্কীয় পৰিস্থিতিৰ সকলো দিশ বিচাৰ কৰি চায় বুলি দাবী কৰে; কিন্তু এই মতবাদে এটা নতুন সত্তামূলক গুন আৱিষ্কাৰ কৰিছে আৰু সেইটো হ'ল অস্তিত্ব অথবা অনস্তিত্ব হিচাপে 'অনিৰ্বচনীয়' যাক 'মিথ্যা' অসত্য' বুলিও অভিহিত কৰিব পাৰি। মিথ্যা/মিছা/অসত্যৰ সংজ্ঞা এনেদৰে দিব পাৰি — এটা বিষয় অসত্য/ মিথ্যা বুলি প্ৰতিপন্ন হ'ব যদিহে প্ৰত্যক্ষিত হোৱা সেই সমতাৰ পথতে ইয়াক অস্বীকাৰ কৰা হয়/ই বাধিত হয়।

? ১৫.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় জ্ঞান মীমাংসাৰ বিস্তৃত পৰীক্ষন মূলক অনুসন্ধান কৰা মহান্তিৰ গ্ৰন্থখনৰ নাম কি?

প্ৰশ্ন ২ ঃ উপনিষদত জ্ঞান (Knowledge) অথবা প্ৰজ্ঞা (Cognition) ৰ বাবে ব্যৱহাৰ কৰা সংস্কৃত শব্দবোৰ কি কি?

প্ৰশ্ন ৩ ঃ মহান্তিৰ মতে চেতনাৰ সত্তামূলক প্ৰকৃতি সম্পৰ্কীয় মত কেই প্ৰকাৰৰ?

প্ৰশ্ন ৪ ঃ প্ৰমাৰ অৰ্থ যথাৰ্থঅযথাৰ্থ জ্ঞান। (শুদ্ধ উত্তৰ যদি বাছি উলিওৱা)

প্ৰশ্ন ৫ ঃ ভাৰতীয় জ্ঞান মীমাংসাত কেই প্ৰকাৰৰ প্ৰমান স্বীকাৰ কৰা হয়?

(খ) চমু প্ৰশ্ন (প্ৰায় 150 শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ জ্ঞানৰ ওপৰত মহান্তিৰ মন্তব্য কি?

প্ৰশ্ন ২ ঃ মহান্তিৰ মতে ভাৰতীয় জ্ঞান মীমাংসাত প্ৰামান্যৰ সংজ্ঞা কেনেকৈ দিয়া হয়?

প্ৰশ্ন ৩ ঃ মহান্তিৰ মতে ভাৰতীয় জ্ঞান মীমাংসাও প্ৰত্যক্ষৰ সংজ্ঞা কিদৰে দিয়া হয়?

প্ৰশ্ন ৪ ঃ মহান্তিৰ মতে ভ্ৰম সম্পৰ্কীয় তত্ত্বসমূহে বিবেচনা কৰিবলগীয়া আদৰ্শসমূহ কি কি?

(গ) দীঘল প্ৰশ্ন (প্ৰায় 300-500 শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ভাৰতীয় জ্ঞান মীমাংসাৰ বিষয়ে মহান্তিৰ মত আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় ভ্ৰমতত্ত্বৰ ওপৰত মহান্তিৰ পৰ্যবেক্ষনসমূহ ব্যাখ্যা কৰক।

*** **** ***

REFERRENCES (For All Units of the Course)

1. Tilak, B.G. (Volume I) (1935). *Śrīmad Bhagawadgītārahasya*. Poona: M/S Tilak Bros.
2. Tilak, B.G. (Volume II) (1935). *Śrīmad Bhagawadgītārahasya*. Poona: M/S Tilak Bros.
3. Saroja, G.V. (1985). *Tilak and SaAkara on the Gītā*, New Delhi: Sterling Publishers Pvt. Ltd.
4. Kalita, H. C. (201). *Gītā: A Synthesis Yoga*, Guwahati: EBH Publishers.
5. Tagore, R.N.(1917). Personality, London,Mamillan&Co.
6. Tagore, R.N.(1949). The Religion of Man, London, George Allen and Unwin.
7. Tagore, R.N. (1950). Creative Unity, London,Mamillan&Co. (Indian edition).
8. Tagore, R.N. (1947). Sadhana, London,Mamillan&Co.
9. Tagore, R.N. (1961). Towards Universal Man, Bombay,Asia Publishing House.
10. Lal, Basant Kumar. (1999). Contemporary Indian Philosophy, Delhi, Motilal Banarsidass Publishers,
11. Swami Vivekananda. (1947). *Complete works of Swami Vivekananda*. Advaita Ashrama
12. Radhakrishnan. S.(1997). *The Principal Upanisads*. New Delhi: Harper Collins Publishers India Pvt. Ltd.
13. Lal, K. Basant. (1990). *Contemporary Indian Philosophy*. Motilal Benarsi Dass
14. Raju, P.T. (1995). *The Concept of Man*. Collins
15. Royce, Josiah. (1900) *The World and the Individual*. New Work: Mac Millan Co.
16. Barua, M. (2002). *Religion and Gandhian Philosophy.* Akansha Publishing House.
17. Gupta, R. K. (2011). *A Gandhi Note book.* Apple Book.
18. Lal, B. K. (1973). *Contemporary Indian Philosophy.* Motilal Banarsidas Publishers.
19. Mishra, A. D. (2010). *Mahatma Gandhi on Ethics.* Concept Publishing Company Pvt. Ltd.
20. Parel, A. J. (2006). *Gandhi's Philosophy and the Quest for Hamony.* Cambridge University Press.
21. Lal, B.K. *Contemporary Indian Philosophy*. Motilal Benarsidass Publishers. 1973
22. Sharma, Anand (ed.) *Gandhian Way*. Academic foundation. 2007
23. Verma, B.R. & Bakshi, S.R. (ed.) *Gandhian Satyagraha and His Techniques*. (1920-1928). Commonwealth Publications. 2005

24. Chakravarty, Meera. *Essays on Philosophy and Culture*. New Bharatiya Book Corporation.2009

25. Lal, Basanta Kumar. 1973. Contemporary Indian Philisophy, Motilal Banarasidas Publication, Delhi.

26. Kumar Ravindra, India and Mahatma Gandhi, Kaplaz Publication, New Delhi.

27. Dutta, Mishra Anil (edt). Gandhian approach to Contemporary Problems. Mittal Publication, New Delhi.

28. Lokonathat, V. A History of Economic thought, S. Chand and Company Ltd. New Delhi.

29. Aurobindo, Sri (1949). *The Human Cycle*, Pondichery

30. Aurobindo, Sri (1953) *Foundation of Indian Culture*, The Sri Aurobindo Library, New York,

31. Choudhury, Haridas.,(1960) (ed) The Integral Philosophy of Sri Aurobindo, George Allen and Unwin Ltd, London

32. Das, Adhar Chandra.(1934). *Sri Aurobindo and the Future of Mankind*, Calcutta University

33. Das, Jutika (2010) *Karl Jaspers and Neo-Advaitism*, Anwesha Publication, Panbazar. Assam

34. Dutta, D. M. (1972) *The chief Currents of Contemporary Philosophy* (Of Europe, America, India and Japan)
35. Lal, B.K. (1973) *Contemporary Indian Philosophy*, Motilal Banarasidass Delhi,
36. Langlay. G.H. (1949) *Sri Aurobindo, Indian Poet, Philosopher and Mystic*, David Marlow Ltd
37. Naravane, V.S. (1964) *Modern Indian Thought—A Philosophical Survey*, Asia Publishing House, Bombay
38. Purani, A.B. (1966) *Sri Aurobindo, Some Aspects of his Vision*. Bharatiya Vidya Bhavan, Bombay
39. Reddy, V. Madhusudan. (1973) *SRI AUROBINDO—AN INTERPRETATION*, Ed. by V.C. Joshi, Vikash Publishing House Pvt. Ltd Delhi
40. Aurobindo, Sri (1949). *The Human Cycle*, Pondichery
41. Aurobindo, Sri (1953) *Foundation of Indian Culture*, The Sri Aurobindo Library, New York,
42. Choudhury, Haridas.,(1960) (ed) The Integral Philosophy of Sri Aurobindo, George Allen and Unwin Ltd, London
43. Das, Adhar Chandra.(1934). *Sri Aurobindo and the Future of Mankind*, Calcutta University
44. Das, Jutika (2010) *Karl Jaspers and Neo-Advaitism*, Anwesha Publication, Panbazar. Assam
45. Dutta, D. M. (1972) *The chief Currents of Contemporary Philosophy* (Of Europe, America, India and Japan)
46. Lal, B.K. (1973) *Contemporary Indian Philosophy*, Motilal Banarasidass Delhi,

47. Langlay. G.H. (1949) *Sri Aurobindo, Indian Poet, Philosopher and Mystic*, David Marlow Ltd
48. Naravane, V.S. (1964) *Modern Indian Thought—A Philosophical Survey*, Asia Publishing House, Bombay
49. Purani, A.B. (1966) *Sri Aurobindo, Some Aspects of his Vision*. Bharatiya Vidya Bhavan, Bombay
50. Reddy, V. Madhusudan. (1973) *SRI AUROBINDO—AN INTERPRETATION*, Ed. by V.C. Joshi, Vikash Publishing House Pvt. Ltd Delhi
51. Bhattacharyya, K.C., 1982, *'The Concept of Philosophy' in Contemporary Indian Philosophy,* ed. Radhakrishnan and J.H. Muirhead, S. Chand and Company ltd., New Delhi.
52. Datta, D.M, 1970, The Chief Currents of Contemporary Philosophy, Calcutta University Press, Calcutta.
53. Lal, B.K.,1973, Contemporary Indian Philosophy, Motilal Banarsidass Publishers Private limited, New Delhi.
54. Mahadevan, T.M.P & Saroja, G.V. 1981, *Contemporary Indian Philosophy*, Sterling Publishers Private Ltd, New Delhi.
55. Radhakrishnan,S. (1980). *An Idealist view of Life*. Unwin Paperbacks, London 1980.
56. Radhakrishnan,S. (1920).*The Reign of Religion in Contemporary Philosophy*, S. Radhakrishnan , Macmillan, London.
57. P.A.Schillp (ed) 1952The *Philosophy of Sarvepalli Radhakrishnan,* Tudor Publishing Company New York.
58. Bradley, F.H. (1969). *Appearance and Reality*, F.H.Bradley, Oxford University Press, London
59. Bosanquet, B. (1927).*The Principle of Individuality and Value*. Macmillan and Co. Ltd.., London
60. Royace, J. (1959).*The World and the Individual* (First Series) Dover Publications, New York
61. Radhakrishnan, S. & Muirhead (Ed.) J. (1952).*Contemporary Indian Philosophy*. George Allen and Unwin Ltd, London 1952.
62. Radhakrishnan, S.(1989). *Indian Philosophy (Vol II)* Centenary Edition, Second Impression, Oxford University Press, Delhi 1989.
63. Radhakrishnan, S., An Idealist View of Life, Unwin Paperbacks, London,1980
64. Arapura, J.G., Radhakrishnan and Integral Experience, Asia Publishing House, New York,
65. Radhakrishnan, S., Indian philosophy, Vol-1 & Vol-2, George Allen & Unwin Ltd, London, Humanities Press, Inc. New York, 1977
66. Radhakrishnan, S., Recovery of Faith, Harper Collins Publishers, India, 1994
67. Radhakrishnan, S., and Muirhead, J.H., Contemporary Indian Philosophy, S. Chand. & Co. Ltd., New York, 1982
68. Datta, D.M.,The Chief Currents of Contemporary Philosophy, The University of Calcutta, 1961
69. Pandyan, David. *Dr. B.R. Ambedkar And the Dynamics of Neo- Buddhism*. Gyan Publishing House. 2009
70. Rodrigues, Valerian.(ed.) *The Essential Writings of B.R. Ambedkar*. Oxford University Press 2002

71. Naik, C.D. *Thoughts and Philosophy of Dr. B.R. Ambedkar*. Sarup &Sons. New Delhi- 2003
72. Naik. C.D. Ambedkars Perspective on Buddhism and Other Religions. Kalpaz Publications. New Delhi. 2009
73. Krishnamurti, J., 2010, *Freedom from the Known*, Krishnamurti Foundation India
74. Krishnamurti, J., 2004, *On Freedom*, Krishnamurti Foundation India
75. Krishnamurti, J., 2002, *On Self-Knolwedge*, Krishnamurti Foundation India
76. Krishnamurti, J., 2009, *Education and Significance of Life*, Krishnamurti Foundation India
77. Shakuntala, 2010, *Essays on Philosophy of Jiddu Krishnamurti*, Aalibbat Publication, Print 2015
78. Bhusharr, N. Garfield, J.L. Raveh, D. (Editors),(2011)*Contrary Thinking: Selected Essays of Daya Krishna.* Oxford University Press
79. Krishna, D (2006) *Indian Philosophy: a counter perspective*. S.S, Publication, Delhi (2006)
80. Krishna, D (2002) *Developments in Indian philosophy from Eighteenth century onwards: Classical and Western,* PHIPC-Centre for studies for civilisation
81. Krishna, D (2001) *New Perspective of Indian Philosophy*. Rawat Publication, New Delhi
82. Krishna, D, Lath, H., Krishna, F.E. (2000) *Bhakti, a contemporary discussion: philosophical explorations in the Indian Bhakti tradition*. M.M. Publisher Ltd.
83. Krishna, D (1997) *Prolegomena to Any Future: Historiography of Cultures & Civilizations*. PHIPC-Centre for studies for civilisation
84. Krishna, D. (1996) *The Problematic and Conceptual Structure of Classical Indian Thought About Man, Society and Polity*. Oxford University Press
85. Krishna, D (1989) *The Art of the Conceptual: Explorations in a Conceptual Maze Over Three Decades*. ICPR, New Delhi
86. Krishna, D (1955) *The Nature of Philosophy*. Delhi University
87. Mohanty, J.N. (1992). *Reason and Tradition in Indian Thought*. Clarendon Press, Oxford.
88. Mohanty, J.N. (2000).*Classical Indian Philosophy*. Rowman & Littlefield Publishers, Oxford.